


# কটনিয়ান

কটন মহাবিদ্যালয়ৰ মুখপত্ৰ
৭২ তম্ সংখ্যা, ১৯৯৭ - '৯৮ শিক্ষাবৰ্ষ

সম্পাদক ঃ প্ৰণৱ কুমাৰ বৰ্মন

কটনিয়ান ঃ কটন মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশ।
কটন মহাবিদ্যালয় ছাত্ৰ সন্থা, পাণবজাৰ, গুৱাহাটী - ১ ৰ দ্বাৰা প্ৰকাশিত
আৰু সৰ্বস্বত্ব সংৰক্ষিত

## সম্পাদনা সমিতি

উপদেষ্টা ❑ ডঃ তৃষ্ণা মহন্ত
অধ্যাপক জিষ্ণু দত্ত
ডঃ কৃপেশ চন্দ্ৰ পাল

সভাপতি ❑ প্ৰীতি লতা কাকতি

তত্বাবধায়ক ❑ ডঃ ৰমেশ পাঠক

শিক্ষক সদস্য ❑ ডঃ ভবেন কলিতা
মঞ্জুদেৱী পেগু

সম্পাদক ❑ প্ৰণৱ কুমাৰ বৰ্মন

সদস্য ❑ হিৰণ্য কুমাৰ বৰ্মন
হিৰেণ দাস
প্ৰাণজিৎ বৰা
ভাস্কৰ জ্যোতি গগৈ
প্ৰশান্ত কুমাৰ বৰুৱা
মৃন্ময় বৰুৱা (মনোনীত)
ইন্দ্ৰজিৎ দাস
গায়ত্ৰী ভৰালী
বৰ্ণালী ডেকা

বেটুপাতৰ শিল্পী ❑ মনজিৎ ৰাজখোৱা

অংগসজ্জা /
অলংকৰণ ❑ সম্পাদক

কম্পিউটাৰ ৰেখাঙ্কন ❑ অতনু বিশ্বাস

মুদ্ৰণ ❑
**down town computer**
Paltan Bazar, Guwahati-8

# সম্পাদনা সমিতি



ডঃ ৰমেশ পাঠক
তত্বাৱধায়ক



ডঃ ভবেন কলিতা
শিক্ষক সদস্য



মঞ্জুদেৱী পেগু
শিক্ষক সদস্যা



প্ৰণৱ কুমাৰ বৰ্মন
সম্পাদক



মৃন্ময় বৰুৱা
সদস্য



প্ৰশান্ত কুমাৰ বৰুৱা
সদস্য



হিৰেণ দাস
সদস্য



প্ৰাণজিৎ বৰা
সদস্য



ভাস্কৰ জ্যোতি গগৈ
সদস্য



কৰ্ণালী ডেকা
সদস্যা



ইন্দ্ৰজিৎ দাস
সদস্য



গায়ত্ৰী ভৰালী
সদস্যা



হিৰণ্য কুমাৰ বৰ্মন
সদস্য

# উৎসর্গ

তোমালোকে শান্তি নহয় -- সাম্য বিচৰা
তোমালোকে চুক্তি নহয় -- প্ৰাপ্য বিচৰা
তোমালোকে পতাকা নহয় -- ভাত বিচৰা
তোমালোকে আপোচ নহয় -- যুদ্ধ বিচৰা
তোমালোকে শিকলি নহয় -- মুকলি বিচৰা
তোমালোকে নতজানু হোৱাতকৈ মৃত্যুকে বিচৰা

পল অনুপল তোমালোকৰ তেজ ঘামেৰে
লিখা হৈছে পৃথিৱীৰ নতুন কবিতা
শীতৰ পিছৰ বসন্তৰ দৰে
তোমালোকে বিচৰা পৰিবৰ্তনৰ ঋতু

**'কটনিয়ান'**

তোমালোকৰ হাতত
অভিনন্দন সহ

# শ্ৰদ্ধাঞ্জলি

অক্টাভিঅ' পাজ ঃ

কিছুমান কথা আমি পাহৰিব খোজোঁ আৰু কিছুমান কথা কিছুমান ঘটনা পাহৰিব খুজিলেও হৃদয় মনৰ- পৰা কাহানিও নিৰ্বাসিত নহয়। ১৯৯৮ চনৰ এপ্ৰিল মাহত চৌৰাশী বছৰ বয়সত প্ৰখ্যাত কবি, সমালোচক, ছুৰিয়েলিষ্ট আন্দোলনৰ সমৰ্থক, বৈপ্লৱিক চিন্তাৰ পৃষ্ঠপোষক, সাহিত্য সংস্কৃতিৰ প্ৰতি অনুৰক্ত, সূক্ষ্ম নান্দনিক বোধৰ গৰাকী আৰু আদৰ্শতকৈ বিশ্বাসক অধিক গুৰুত্ব দিয়া অক্টাভিঅ' পাজৰ মৃত্যু হয়। মেক্সিকো চহৰৰ কাষত জন্মলাভ কৰা আৰু ডাঙৰ দীঘল হোৱা অক্টাভিঅ' পাজৰ হৃদয় মেক্সিকোৰ পৰিবেশেই প্ৰথম অৱস্থাত তিয়াই ৰাখিছিল।

পাজৰ সমগ্ৰ জীৱন আৰু সাহিত্যকৰ্ম পৰ্যালোচনা কৰি চালে আমি দুটা দিশ লক্ষ্য কৰিব পাৰোঁ। এটা হ'ল শিল্প - সাহিত্যৰ প্ৰতি থকা তেওঁৰ গভীৰ আগ্ৰহ আৰু মানুহ হিচাপে, সমাজৰ এজন সবল দায়বদ্ধ মানুহ হিচাপে তেওঁ আছিল এজন আদৰ্শ মানৱ। সমাজৰ সমস্যাকলে তেওঁ এজন সদা উদ্বিগ্ন মানুহ। আৰু এটা দিশেৰে অক্টাভিঅ' পাজক আমি চাব পাৰোঁ, সেয়া হ'ল ভাৰতৰ স'তে থকা তেওঁৰ সু-সম্পৰ্ক। পাজে ভাৰতবৰ্ষক সু-ভাতৃত্ব আৰু সু-সমন্বয় গঢ়ি তোলাৰ এখন ক্ষেত্ৰ হিচাপে গ্ৰহণ কৰিছিল। যিকি নহওক, অক্টাভিঅ' পাজ আজি আমাৰ মাজত নাই। মৃত্যুৰ কৰাল গ্ৰাসত তেওঁৰ জীৱন হেৰাই গ'ল। অৱশ্যে এই মৃত্যুৱে তেওঁৰ আদৰ্শক কেতিয়াও বিচ্ছিন্ন কৰি দিব নোৱাৰে। বিশেষকৈ লেটিন আমেৰিকাৰ কাব্যকৃতিক বিশ্ব সাহিতৰ দৰবাৰত চিনাকি কৰি দিয়াত তেওঁৰ অৱদান অনস্বীকাৰ্য। সেয়েহে তেওঁৰ দেহাৱসান ঘটিলেও তেওঁ মৃত্যুঞ্জয়ী।

ডাঃ টালিমেৰণ আও ঃ

যোৱা ১৩ ছেপ্তেম্বৰ তাৰিখে ভাৰতীয় ফুটবলৰ অনন্য প্ৰতিভা তথা ১৯৪৮ চনৰ লণ্ডন অলিম্পিকত যোগদান কৰা স্বাধীন ভাৰতৰ প্ৰথম ফুটবল দলটোৰ অধিনায়ক টালিমেৰণ আওৰ দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত কহিমাত দেহাৱসান ঘটে। চাৰিকুৰি বছৰৰ সুদীৰ্ঘ আয়ুস লাভ কৰা আও উত্তৰ পূৰ্বাঞ্চলৰ হৈও ভাৰতৰ বাবে গৌৰৱস্বৰূপ। আওৰ আত্মাৰ বাবে আমি সমূহ কটনিয়ানে অন্তৰৰ শ্ৰদ্ধাঞ্জলি জনাইছোঁ।

নাৰায়ন শৰ্মা - কটন মহাবিদ্যালয়ৰ অসমীয়া বিভাগত সুখ্যাতিৰে

সেৱা আগবঢ়াই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱন গঢ় দিয়া

নাৰায়ন শৰ্মা ছাৰেও এই বৰ্ষতে ইহজগত ত্যাগ কৰে।

আমি তেখেতলৈ শ্ৰদ্ধা জনাইছোঁ।

গোটেই জীৱন শিক্ষকতাকে জীৱনৰ ব্ৰত বুলি ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যত গঢ়াত মনোযোগ দি জীৱনপাত কৰা আমাৰ মহাবিদ্যালয়ৰে বিনয় ভূষণ দেব চৌধুৰী চাৰলৈ। কবি ৰোহিণী কুমাৰ চক্ৰৱৰ্তীলৈ।

'চেভেন চামুৰাই', 'ৰশ্যোমন'ৰ দৰে চলচ্চিত্ৰৰে বিশ্বৰ চিন্তাশীল দৰ্শক সমাজত আলোড়নৰ সৃষ্টি কৰা বিশ্ববন্দিত চলচ্চিত্ৰৰ প্ৰবাদ পুৰুষ আকিৰা কুৰোশ্বোৱালৈ।

চলচ্চিত্ৰকাৰ, চিত্ৰশিল্পী, কবি পুৰ্ণেন্দু পত্ৰীদেৱলৈ।

বিষয় বস্তুৰ বৈচিত্ৰ্যৰে পাঠকক মোহমুগ্ধ কৰি ৰখা 'অসীমত যাৰ হেৰাল সীমা'ৰ দৰে কেবাখনো উপন্যাসৰ লেখক নীৰৱ সাধক ভূবন চন্দ্ৰ বৰুৱা ;

যি কাঞ্চন বৰুৱা নামেৰে পৰিচিত।

চি. পি. আই (এম) ৰ নেতা ই. এম. এচ. নাম্বুদিৰিপাদ, চি. পি. আই (এম, এল) ৰ প্ৰতিষ্ঠাপক নাগভূষণ পাটনায়কলৈ।

গুপ্ত ঘাতকৰ হাতত নিহত

ডাঃ ধৰণীধৰ দাস আৰু তেওঁৰ পৰিয়াল বৰ্গলৈ।

সন্ত্ৰাসত নিহত শত জনলৈ।

বান আৰু দুৰ্ভিক্ষত নিহত সকললৈ। গোষ্ঠী সংঘৰ্ষত নিহত সকললৈ। সকলো দেশৰে স্বাধীনতাৰ নামত মৃতক হোৱা সকললৈ।

# সূচীপত্ৰ

সম্পাদকীয়
এখন তেজলগা নিষিদ্ধ ৰাজনৈতিক ডায়েৰী

## চিন্তাশিল্প

আক্ৰান্ত সংস্কৃতি, বিপন্ন মনুষ্যত্ব ◗ ড° সীতানাথ লহকৰ -১৩
যাদুকৰী বাস্তৱবাদ এক আধুনিক সাহিত্যিক ধাৰা ◗ হৰেশ্বৰ বৰা-১৬
স্বাধীন অসমৰ স্বপ্ন আৰু মানুহৰ স্বাধীনতা ◗ অৰবিন্দ চক্ৰবৰ্তী-১৮
কবিতাত পৰম্পৰা আৰু নৈৰ্ব্যক্তিকতাবাদ সম্পৰ্কে এলিয়ট ◗ বিপুল কলিতা-২০
'৪৭ৰ স্বাধীনতাঃ এটি মূল্যায়ন আৰু কিছু প্ৰাসংগিকতা ◗ সিদ্ধাৰ্থ শংকৰ ডেকা-২২
মাৰ্কুৱেজৰ সত্যান্বেষণ আৰু তেওঁৰ কিছু ৰচনা সন্দৰ্ভত যৎকিঞ্চিৎ ◗ প্ৰাণজিৎ বৰা-২৫
অসমৰ সাম্প্ৰতিক বৌদ্ধিক সংকট মোচনত কটনিয়ান সকলৰ ভূমিকা ◗ বৰ্ণালী ডেকা-২৮
আধুনিক কবিতাবোধৰ মানসিকতা আৰু দুৰ্বোধ্য আখ্যা দিয়াৰ প্ৰাসংগিকতা ◗ ভাস্কৰ জ্যোতি গগৈ-৩১
অসমৰ চাহ শিল্পৰ আৰম্ভণি, কলুষ্ম চালানৰ ইতিহাস
তথা চাহ জনগোষ্ঠীৰ সংস্কৃতি ঃ এক চমু অৱমূল্যায়ন ◗ কমল কুমাৰ তাঁতী-৩৫
বাৰ্টল্ট ব্ৰেখ্ট আৰু তেওঁৰ মঞ্চৰীতি ◗ নীলমণি গগৈ-৩৮
স্বাধীনতাৰ সোণালী জয়ন্তীত ভাৰত - পাক সম্পৰ্ক কাশ্মীৰ সমস্যা
ঃ এক আলোকপাত ◗ চন্দন ভূঞা-৪১
অসমৰ লোক-সংস্কৃতিত সাজপাৰ ◗ গীতিমনি বৰুতিয়াল-৪৪
দেশৰ সাম্প্ৰতিক পৰিস্থিতিত স্বদেশী আন্দোলনৰ প্ৰয়োজনীয়তা ◗ ৰাজীৱ বায়ন -৪৬
দৰ্শনৰ মনি-মুকুতা ◗ ড° জগদীশ পাটগিৰি-৪৯
'মৃচ্ছকটিকম' এখন কালজয়ী নাটক আলোচনা ◗ গায়ত্ৰী ভৰালী-৫৯
ভাৰতীয় সামন্ত তন্ত্ৰ বনাম কৃষক বিদ্ৰোহ ◗ নৱজিৎ তালুকদাৰ -৫৩
এক উপলব্ধিঃ জীৱন, মৃত্যু আৰু বাস্তৱ ◗ স্বপ্নালী বৰগোহাঞি-৫৫
উদ্যোগীকৰণ আৰু পৰিবেশ সংৰক্ষণ ◗ মাধৱ কুমাৰ দেউৰী-৫৭
ছাত্ৰ সমাজৰ বৰ্দ্ধিত উচ্ছৃংখলনা ◗ আৰাধনা প্ৰিয়ম্বদা ভূঞা-৫৯

## শব্দশিল্প

সচাঁ কথাই জগৰ লগায় ◗ কমল কুমাৰ মেধী-৬১
অভিমানী পৃথিৱী ◗ সংগীতা গগৈ-৬১
সন্দিকৈ কলেজৰ তুমি সাগৰিকা বৰদলৈ ◗ প্ৰণৱ কুমাৰ বৰ্মন-৬২
আস কি জয়াল ৰাতি ◗ অৰুণজ্যোতি দাস-৬২
পথাৰ গৰ্ভৱতী হ'ব ◗ ডালিম দাস -৬৩
স্বাধীনতা ◗ নাৰায়ণ মালাকৰ -৬৩
স্বপ্নভংগৰ পিছৰ স্বপ্ন ◗ নৱজ্যোতি পাঠক -৬৪
ক্ৰান্তিকাল ◗ চেনিৰাম গগৈ -৬৪
কটন কলেজত এটা আড্ডাবাজ কবিতা ◗ ৰাজেন দাস-৬৫
এমুঠি পোহৰৰ অপেক্ষাত ◗ ঝৰ্ণা বৰুৱা -৬৫
সুবালা ◗ প্ৰতিভা বৰ্মন-৬৬
ৰাপমতী নদীৰ দুখ ◗ প্ৰশান্ত কুমাৰ বৰুৱা-৬৬
চাংঘৰ ◗ লাচিত বৰ্মন-৬৭
ৰতন পুৰত জোনাকী ◗ পৱন বৰুৱা-৬৭
তৈলচিত্ৰত দুহেজাৰ চন ◗ কমল কুমাৰ তাঁতী-৬৮
এক বিংশ শতিকাৰ কবিতা ◗ নম্ৰতা ফুকন-৬৮
এজাৰ নিজাৰ পৰিল ◗ দিব্যজ্যোতি বৰা-৬৯
নদী, মৰীচিকা আৰু এটি আশা ◗ আকাশবন্তি গগৈ-৬৯
এটা প্ৰেমৰ কবিতা ◗ দীপম বৰ্মণ-৭০
সৃষ্টি ◗ ৰশ্মিৰেখা ভূঞা-৭০
কবিতা ◗ সৌৰভ দাস-৭০
গছ ◗ ভাস্কৰ জ্যোতি গগৈ-৭১
জুই আৰু তোমাৰ ছবি ◗ বঞ্চিত কুমাৰ দাস-৭১
বৰ নাদী দলভৰ পৰা ◗ শিৱপ্ৰসাদ বড়া-৭১
নবযুগ ◗ কুশল দত্ত-৭১
নাটনী পৰ্দা ◗ নিবেদিতা ফুকন-৭২
তিনিটা কবিতা ◗ কুশল দত্ত -৭২

## কথাশিল্প

হৃদয় এপাহ ৰজনীগন্ধা ◗ পাপৰি শইকীয়া-৭৩
মৃত্যু মহাকাব্যিক ◗ সত্যকাম বৰঠাকুৰ-৭৭
ফেঁফেৰি কুঁৱলীৰ পিছৰ ছোৱা ◗ আকাশবন্তি গগৈ-৭৮
উভতি অহাৰ গান ◗ প্ৰতিভা বৰ্মন -৮০
এটা বিদ্ৰোহ সেউজীয়াৰ বাবে ◗ প্ৰাণজিৎ বৰা-৮২
গতি প্ৰেম আৰু সংজ্ঞাহীনতাৰ খবৰ ◗ নয়ন কুমাৰ পাঠক -৮৬
অসংলগ্ন ◗ অনুৰাগ দৈমাৰী-৯৩
তাচপাতৰ ঘৰ ◗ ৰূপম বড়ো -১১১

## অনুবাদ শিল্প


পল ৰব্‌চনৰ কবিতা ◗ -৯৭
বিদ্ৰোহী পৃথিবীৰ কবিতা ◗ -৯৮
ভাৰতবৰ্ষৰ কবিতা ◗ -১০১


## ভিন্নশিল্প


আমি খুন হয়েছি ◗ হুমায়ুন কবীর-১০৩
মানৱ অধিকার ◗ পম্পীবৰ্দ্ধন -১০৩
শ্ৰদ্ধাঞ্জলি ◗ জয়দীপ চক্ৰবৰ্তী-১০৩
सफर ◗ सुजाता भट्टाचार्य-१०३
ख्वौजेंथि ◗ Bibi Prasad Brahma-১০৪
Spinster ◗ Bibi Prasad Brahma-১০৪
Kotonian ◗ Mg. Raimon Pegu-১০৫
Kangkinsute ◗ Mg. Raimon Pegu-১০৫
Mc:pang ◗ Mohan Chandra Mili-১০৬
Life's Losses ◗ Sujata Bhattacharjee-১০৬
যাঁহীৰ সুৰুৰ দৰে ◗ প্ৰাণজিৎ বৰা -১০৭
দুঃ সময় ◗ স্মৃতিমালা শৰ্মা -১০৭
স্মৃতিময় জীৱনৰ ধূসৰ ক'লাজ ◗ মানবেন্দ্ৰ ডেকা -১০৮
বিহঙ্গম দৃষ্টিত স্বাধীনতাৰ পাঁচটা দশক ◗ ৰমেন শৰ্মা -১০৮
যুৱক সুঁৱৰি ◗ -১১০
বুদ্ধিজীৱী ভৱ ◗ বীৰেন্দ্ৰ ৰবপুজাৰী-১১২
লিমাৰিক ◗ প্ৰবাল পীযুষ-১১৪
ব'ৰ ◗ সংগীতা গগৈ-১১৪
লক্ষ্মীনাথ বেজবৰুৱাৰ চিঠি ◗ -১১৫
সাম্প্ৰতিক বৌদ্ধিক সংকট মোচন ◗ কেইজনমান কটনিয়ানৰ অভিমত -১১৬
অশান্ত অসমৰ শান্তি কেনেদৰে সম্ভৱ ◗ অধ্যাপক, অধ্যাপিকা কেইগৰাকীমানৰ অভিমত -১১৮
ঈশ্বৰ বিশ্বাস আৰু একবিংশ ◗ কটনিয়ানৰ অভিমত -১২০


## English Section


Manuscripts in Assam ◗ Dr. Ramcharan Thakuria -১২১
The Other Side of India's Foreign Policy ◗ Rajen Borah -১২৫
Against the Current Nuclear Policy ◗ Monikut Sarma -১২৭
G. B. Shaw through his works ◗ Dilip Thakuria -১৩৩
DDT A Mixed Blessing ◗ Biswajit Nath -১৩৫
Role of Educational Institutions in the Promotion of Sports in India ◗ Prasun Chakraborty -১৩৭
Independent India's bravest warriors ◗ Rupam Gogoi -১৪০
Missile : The New Generation Weapon System ◗ Rupak Jyoti Borah -১৪৫
"What's In a name" ? ◗ Jaya Phukan -১৪৮
A price to pay ◗ Aditi Bhattacharjee -১৫০
dwelling proverbs ◗ Karuna Wang -১৫১
Women's Liberation ◗ Ankita Bhattacharjee -১৫৩
A Begger's Dream ◗ Dip Raja Mill -১৫৩
Yet, I do dream ◗ Namrata Phukan -১৫৪
The Graveyard ◗ Deborupa Bhattacharjee -১৫৪
A Handful of Darkness ◗ Rasmibala Gakhar -১৫৫
Fire Expressions ◗ Jaya Phukan -১৫৫
The Spring Primrose ◗ Mohan Teron -১৫৬
The search ◗ Minakshi Sharma -১৫৬
The old women and the 'C' ◗ Arnav Jyoti Gogoi -১৫৭
Mother ◗ Antu Kanti Dey -১৫৭
Public Opinion ◗ Jaya Phukan -১৫৮
Naked Beauty ◗ Nayanmoni Baishya -১৫৮


## শতবাৰ্ষিকী বিশেষ


Centenary Celebration of Cotton College ◗ Dr. Satyendra Kr. Choudhury -১৫৯
কটন কলেজৰ প্ৰখ্যাত অধ্যক্ষ ডেভিদ টমছন্‌ ◗ চিদানন্দ দাস -১৬৯


## কলেজ চৌহদ


কটনিয়ানৰ গৌৰৱ ◗ -১৭৫
উদিত প্ৰতিভাৰ জিলিঙনি ◗ -১৭৬
সম্পাদকলৈ চিঠি ◗ -১৮৩
প্ৰতিবেদন ◗ -১৮৭

# এখন তেজ লগা নিষিদ্ধ ৰাজনৈতিক ডায়েৰী ঃ

**ছাঁ পোহৰত - প্ৰথম দৃশ্য - একবিংশ দান্তে তৃণ ধৰি মাতো ঃ**

বিংশ শতিকাৰ অন্ত পৰিবলৈ আৰু দুটা বৰ্ষ — তাৰপিছত আমি এটি নতুন শতিকাৰ মানুহ হৈ পৰিম। সেই সূৰ্য্যোদয়ৰ ন — উৎসৱলৈ আমি কি লৈ যাম -- ভয়, ভোক, আতংক, অন্ধবিশ্বাস, দাৰিদ্ৰতাৰ উৰ্দ্ধমুখী পৰিসংখ্যা, এইডচ, -- ৯৪% ঈশ্বৰ বিশ্বাসী প্ৰজন্ম -- আৰু কি কি ?

একবিংশৰ পিনে ধাবমান বিশ্বৰ বিজ্ঞান প্ৰযুক্তিগত অতি - উন্নতিৰ সমান্তৰালকৈ আৰু এটা দিশ উল্লেখনীয় হৈ পৰিছে — বিশ্বৰ বিভিন্ন জাতিসত্তাৰ আত্মনিয়ন্ত্ৰণৰ দাবীৰে গঢ় লৈ উঠা মুক্তি সংগ্ৰাম আৰু তাৰে পৰিপ্ৰেক্ষিততে গঢ়ি উঠা নানাধৰণৰ (!) -- সন্ত্ৰাসবাদ — যি ব্যক্তি, সংগঠন আৰু স্বয়ং ৰাষ্ট্ৰৰ দ্বাৰা সৃষ্ট। গোটেই বিশ্বতে ছানি ধৰা পুঁজিবাদৰ ছত্ৰছায়াত -- সাম্ৰাজ্যবাদে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্তা সমূহক অৰ্থনৈতিক দিশত লুণ্ঠন কৰাৰ প্ৰসংগত -- ক্ৰমশঃ চেতনাপ্ৰাপ্ত জাতিসত্তা সমূহে অস্তিত্ব ৰক্ষাৰ নামত সশস্ত্ৰ সংগ্ৰামত দীক্ষা লৈছে। (আশ্চৰ্য জনক কথা হৈছে এইটোৱে যে -- ৰাষ্ট্ৰৰ সৃষ্টি জনগণৰ প্ৰতি কল্যাণকামী দৃষ্টি ভংগীৰ ভেটিত হোৱা বুলি বহুতে কয় -- কিন্তু বিশ্বৰ ৰাষ্ট্ৰৰ বুৰঞ্জী অধ্যয়ন কৰিলে আমি দেখোঁ -- ৰাষ্ট্ৰৰ ভূমিকা কল্যাণকাৰীৰ বিপৰীতে শোষক, লুণ্ঠণকাৰী, অত্যাচাৰীৰ হে। বিশ্বৰ বিভিন্ন দেশ আজি সাম্ৰাজ্যবাদৰ উদ্যোক্তা অথবা বহতীয়া - হাতৰ পুতলা। ভাৰতবৰ্ষও দ্বিতীয় লক্ষণ যুক্ত ৰাষ্ট্ৰ - য'ত ৰাষ্ট্ৰৰ বৈষম্যমূলক আচৰণৰ কাৰণে জাতিসত্তা সমূহৰ সম বিকাশ হোৱা নাই।) অস্তিত্ব ৰক্ষাৰ বাবে গঢ় লৈ উঠা সশস্ত্ৰ সংগ্ৰাম সমূহ বহুক্ষেত্ৰত বিপ্লৱ সম্পৰ্কীয় কৰ্মকাণ্ডৰ জ্ঞানাভাৱ -- ৰাজনৈতিক লাইন বা জন যুদ্ধৰ নীতি সম্পৰ্কীয় -- অস্পষ্টতা বা অশুদ্ধতাৰ কাৰণে -- আওপকীয়াকৈ গৈ সাম্ৰাজ্য বাদৰে বহতীয়া হৈ পৰিছে -- আৰু বিপ্লৱৰ নামত ই হঠকাৰী কাণ্ড - কাৰখানালৈ ৰূপান্তৰিত হৈছে। অৱহেলিত আৰু শোষিতৰ মুক্তিৰ নামত গঢ় লোৱা এই সংগ্ৰাম সমূহৰ বিফলতাৰ কাৰণ হৈছে -- শ্ৰেণী সমাজৰ মূল সমস্যা বা দ্বন্দ্ব সম্পৰ্কে বস্তুবাদী জ্ঞানৰ অভাৱ -- অথবা আওকণীয়া মনোভাৱ। শ্ৰেণী শত্ৰু চিনাক্ত কৰণতো এওঁলোক সফল হোৱা নাই। শ্ৰমিক কৃষক শ্ৰেণীৰ লগত বিচ্ছিন্ন সম্পৰ্কইও - এওঁলোকৰ অগ্ৰগতিত হেঙাৰ হৈ আছে। ফলত বহু ঠাইত জাতিসত্তাৰ আত্মনিয়ন্ত্ৰণৰ নামত ৰাষ্ট্ৰৰ পৰা আঞ্চলিক শাসকৰ বা ক্ষমতাৰ সুবিধা গ্ৰহণ কৰি নেতৃবৃন্দ ক্ষান্ত আছে। সাধাৰণ মানুহৰ সমস্যাৰ কোনো পৰিবৰ্তন হোৱা নাই।

**দৃশ্য দুই ঃ স্থান — পথাৰ, কাৰখানা, ৰাজপথ ঃ সময় — দোকমোকালি ঃ আবহ সংগীত বাজিব ঃ পুহাইল ৰজনী.......... উঠা যদুমনি......।** আমি জানো পৰিবৰ্তনৰ ঋতু কোন বাটে আছে! পৰিবৰ্তন আহিবই। মাথো তাক ত্বৰাম্বিত কৰিবলৈ সমাজক সজাগ কৰি দিবলৈ — সংগঠন সমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ হৈ পৰিছে। আৰু তাৰ বাবে তেওঁলোকৰ সমাজ অধ্যয়নৰ লগতে সামাজিক অনুশীলনীৰো প্ৰয়োজন হৈ পৰিছে। অথচ প্ৰয়োজনীয় মুহূৰ্ত্তত সংগঠন সমূহৰ সমাজ কল্যাণ বিমুখীতাই — পৰিবৰ্তনকামী জনতাক হতাশও কৰিছে। কিন্তু আমি এই আশাও কৰো যে জনতাৰ মাজৰ পৰাই নেতৃত্ব আহিব জনতাৰ মংগল পূজাৰ সংগ্ৰামৰ। (আজিৰ সংগঠনৰ নেতৃত্ব প্ৰায়ে ৰজাঘৰীয়া --- এইটো টেবুলৰ তলৰ সম্পৰ্ক। আনকি কমিটমেণ্ট নেতা সকলো ৰজাঘৰীয়া হৈ যোৱা বাবে পৰিবৰ্তন কামী জনতাৰ চোতাললৈ নামি অহাতকৈ তেওঁলোকে মিত্ৰজোঁটৰ চৰকাৰৰ অংশীদাৰ হৈ তেওঁলোকৰ শক্তি প্ৰদৰ্শন কৰিছে। অতি বেছি শাস্ত্ৰ জ্ঞানৰ কাৰণে তেওঁলোকে মূঢ়মতি জনতাক সংগঠিত কৰিবলৈ হেলা কৰিছে নেকি? প্ৰগতিশীল দল সংগঠন সমূহৰ চকুত পৰা নীৰৱতাৰ বাবেই আজি এই প্ৰশ্ন উত্থাপিত। — দিল্লী দিছপুৰৰ মূৰ্খ মানৰ পৰিচালিত সংসদ ব্যৱস্থাত তেওঁলোকে দুখন আসন অধিক পোৱাটোৱে সমাজৰ পৰিবৰ্তন হোৱাটো নুবুজায়। ই একধৰণৰ আপোচত বাদে অন্য কি! আজি দেশৰ কাৰখানাৰ শ্ৰমিক চাহ মজদুৰ সকল কমিউনিষ্টৰ অধীনত নাথাকি সাম্প্ৰদায়িক দল বা ধুৰন্ধৰ কংগ্ৰেছৰ অধীনত থকাটোৱে কি বুজায়?)

— মধ্যবিত্তীয় মানসিকতাৰে আক্ৰান্ত - সুবিধাবাদী ভাৰতৰ ৰাজনৈতিক নেতৃত্বক ওফোৰাই পেলাবলৈ জনতাক সজাগ কৰাৰ সময় এতিয়া। শুভবুদ্ধি সম্পন্ন শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী, শিক্ষক, ছাত্ৰ — সকলোৰে এতিয়া শুভ দায়িত্ব পালনৰ সময়। এটা গেলি পচি যোৱা ব্যৱস্থাতে আমি নিৰ্বিকাৰ চিত্তে লেটি লৈ বহি থাকিমনে, নে তাক ধুই মেলি শুকাই স্বাস্থ্যকৰ, বাসপোযোগী কৰি ল'ম ঃ ভাবিবৰ সময় এতিয়া। আৰু সমাজ বিপ্লৱৰ প্ৰাসংগিকতাৰ প্ৰশ্নটোও ইয়াতে জড়িত হৈ আছে। **কাট্**

**দৃশ্য তিনি ঃ মই তেজলগা বুৰঞ্জীৰ স্মৃতিময় কৰুণ উৎসৱ হত্যা নকৰিবা নিষ্পাপ শিশু মই তোমালোকৰ নতুন সপোন..........** হত্যাৰ নামতে সমাজখনত হত্যা বাঢ়ি গৈ আছে। এই যে ৰাজপথলৈ ওলাল — আপোনাৰ দুঃশ্চিন্তা হৈছে -- সো শৰীৰে উভতিবলৈ পাবনে, নে বগা কাপোৰ এডুখৰিৰ তলত নিশ্চিন্তে নিৰ্বিঘ্নে (!) শুই উভতি আহিব! কিয় এই হত্যাৰ প্ৰতিযোগিতা -- তেজৰ নদী প্ৰত্যক্ষ কৰাৰ অতীৱ আকাংখ্যা! কিয় নাগৰিকৰ শিহৰণ হীন প্ৰাত্যহিকতা! তেওঁলোকৰ কি কৰণীয় একো নাই। আজি যিটো বুলেটে মোৰ লাওখোলাত প্ৰৱেশ কৰিছে — কাইলৈ আপোনাকো সি বিচাৰিব। আজি নিজ জুলুকীত জ্বলিছে। কাইলৈ জাজীত, পৰহিলৈ আগননিতো জ্বলিব। কোনো পশ্চিমীয়া উপন্যাসৰ জীৱনত ন ন উত্তেজনা বিচাৰি ফুৰা নায়কৰ মনস্তত্বেৰে উত্তৰ পূৰ্বাঞ্চলৰ হত্যা কাহিনীৰ কাৰণ বিচাৰিব নোৱাৰি। আজিৰ পূৰ্বাঞ্চলৰ এই লানি হত্যাকাণ্ডৰ আঁৰত ক্ৰিয়া কৰিছে দুই ধৰণৰ পৰস্পৰ বিৰোধী ভাব দৰ্শনে। তাৰে প্ৰথম বিধ দৰ্শন হ'ল — সাম্ৰাজ্যবাদ। সকলো প্ৰকাৰে জীৱনটো ভোগ কৰা, ৰঙীন কৰি তোলা - এই দৰ্শনৰ এটা তত্ব। দ্বিতীয় তত্ব হ'ল — তোমালোক মাতাল হোৱা — আমি লুণ্ঠণ কৰো, চাহি, ধুই নিউ তোমালোকৰ সম্পদ -- তোমালোককে অকামিলা কৰি। হে প্ৰাচ্যৰ নব প্ৰজন্ম -

শতিকাৰ শেষ দশকৰ সম্পাদকীয়

## শতিকাৰ শেষ দশকৰ সম্পাদকীয়

- তোমালোক ৰঙীণ পৃথিবীৰ দেৱদূত! তোমালোকৰ ভৱিষ্যতত ইমান ৰঙ। -- খোৱা - চোৱা - লোৱা - নিজক পাহৰি যোৱা।

এই মানসিকতাই অকল নৱ প্ৰজন্মকে নহয় -- তুলনামূলক প্ৰাচীন প্ৰজন্মকো আকৰ্ষণ কৰিছে। আমেৰিকাৰ কৰ্ম সংস্কৃতিতকৈ - তাৰ চং - ঢং এই সকলৰ ভাল লগা হৈছে। অতি সহজলভ্য ধনৰ প্ৰতি পিতৃ - পুত্ৰ উভয়ে লালায়িত হৈছে। পিতৃয়ে কৰিছে দুৰ্নীতি (মানে এল. অ' চি- গৰু, গাহৰি, ঘোচ তিনি লাখত এ, চি, এছ, -- পঞ্চাশ হাজাৰত শিক্ষক ইত্যাদি!) পুত্ৰই খেলিছে লটাৰী, জুৱা, চোৰাং কাৰবাৰ, ডকাইতি। পিতৃয়ে হত্যা কৰিছে - সততা আৰু প্ৰমূল্য বোধক; পুত্ৰই -- সহযোগীক খুন কৰিছে, প্ৰতিদ্বন্দ্বীক খুন কৰিছে, টকা থকা জনক, বাধাদিয়া মানুহক হত্যা কৰিছে -- ৰঙীন স্বপ্নৰ উচতনিত। ই মনস্তত্ত্ব -- হত্যাৰ আকাংখ্যা! স্বীকাৰ কৰো।

এই লানি হত্যাৰ আঁৰত থকা দ্বিতীয় ৰাজনৈতিক দৰ্শন বিধ হ'ল -- সাম্যবাদী দৰ্শনৰ ভুল ব্যাখ্যা। সাম্ৰাজ্য বাদৰ আগ্ৰাসনৰ লগে লগে এক শ্ৰেণীয়ে ভোগবাদী সংস্কৃতি উপহাৰ পাইছে -- অন্য এক শ্ৰেণীয়ে ভোকৰ সংস্কৃতি। যিদৰে এচামক মাতাল কৰি, অকামিলা কৰি, বিপথে পৰিচালিত কৰি সিহঁতৰ লুণ্ঠণ -- শোষণ অব্যাহত ৰাখিছে সাম্ৰাজ্যবাদে -- তেনেদৰে চেতনা প্ৰাপ্ত অন্য এক যুৱ সম্প্ৰদায়ৰ ওচৰত 'সাম্যবাদ'ৰ কদৰ ভীষণ বাঢ়ি আহিছে। এওঁলোকে শ্ৰেণীহীন সমাজ গঢ়িব বিচাৰিছে -- অথচ কেনেদৰে গঢ়িব সেই সম্পৰ্কে তেওঁলোক সচেতন হোৱা নাই। ফলত ভোগবাদী সংস্কৃতিত আক্ৰান্ত নহৈও এওঁলোকে সাম্ৰাজ্যবাদী বেহুৰ পৰা ওলাবলৈ নাই পৰা -- কমিউনিজিমৰ সু-অধ্যয়ণ আৰু অনুশীলনৰ অভাৱত। উদাহৰণ স্বৰূপে এই প্ৰজন্ম মাৰ্ক্সৰ ভক্ত হৈও -- সাম্ৰাজ্যবাদ সৃষ্ট 'উগ্ৰজাতীয়তাবাদী' কাৰ্য কলাপৰ পৰা আঁতৰি আহিব পৰা নাই। এওঁলোকে সমাজ পৰিবৰ্তনৰ খাতিৰত কৰা হত্যাও মানি ল'ব পৰা গ'ল হেঁতেন - যদিহে এওঁলোকৰ হাতত মৃত মানুহখিনি -- শোষক নে তেওঁলোকৰ সমালোচক নে তেওঁলোকৰ অসমৰ্থক -- তেওঁলোকে স্পষ্ট ভাৱে ক'ব পাৰিলেহেঁতেন! কাৰণ প্ৰয়োজনত সাম্যবাদতো হত্যাৰ সমৰ্থন আছে কাৰ্ট

**দৃশ্য চাৰি - তোমালোকে শান্তি নহয় - সাম্য বিচৰা / তোমালোকে পতাকা নহয় -- ভাত বিচৰা/ তোমালোকে শিকলি নহয় -- মুকলি বিচৰা/ হে ঝাণ্ডাধাৰী বুঁজাৰু মানুহ/** এতিয়া অৰ্থহীন হত্যাৰ, ডকাইতিৰ ইতি পেলাই সমাজখন কেনেদৰে সুস্থিৰ ৰখা যাব। অনন্ত কালৰ পৰাই সমাজ শান্তিময় নাছিল। সমাজত শ্ৰেণী সমতাও মানুহৰ সভ্যতাৰ ইতিহাসত পোৱা নাই। গতিকে দুটা শ্ৰেণীৰ মাজত সংঘৰ্ষ অৱধাৰিত ভাৱে চলিয়ে আহিছে। কেতিয়াবা শাসক-শোষকে শাসিক -- শোষিতক মাৰিছে। কেতিয়াবা শোষিতই প্ৰতিশোধ লৈছে -- মুঠতে জীৱন যুদ্ধৰ দৰে এই সংগ্ৰামৰো অন্ত নাই। আৰু সংঘৰ্ষ থকা মানে সমাজ অশান্তিময়/সমাজ শান্তিময় কৰিবলৈ হ'লে আজি আমি ৰাষ্ট্ৰ, বৃহৎ পুঁজিপতি গোষ্ঠী আদিৰ শোষণ-লুণ্ঠণ বন্ধ কৰিবলৈ যত্নপৰ হ'বই লাগিব। হাতত ফেষ্টুন, কাৰ্ডলৈ সমাজ সচেতকৰ ভাও জুৰি 'শান্তি' 'শান্তি' বুলি ৰাজপথত শ্লোগান দিলেই সমাজলৈ শান্তি আহিবনে? সেয়া ধৰ্মীয় গুৰু, দৌতা সকলৰহে কাম। বৈষম্য মূলক সমাজ ব্যৱস্থাত 'শান্তি' - এটা প্ৰতিক্ৰিয়াশীল শব্দ। পঁয়ালগা ভৰিৰ চিকিৎসা কৰিবলৈ বিউটি পাৰ্লাৰ বা সৌন্দৰ্য বিশেষজ্ঞৰ ওচৰলৈ গ'লে ভৰিখন ভালহোৱাৰ সম্ভাৱনা এক শতাংশও নাই। অথচ ভাৰতবৰ্ষত সেয়াই চলিছে।

-- যেতিয়ালৈকে শোষণ - তেতিয়ালৈকে হত্যা, ৰক্তপাত। যেতিয়ালৈকে শোষণ -- তেতিয়ালৈকে সন্ত্ৰাস। থাকিবই। সমাজৰ মূল সমস্যা সমূহ আঁতৰাবলৈ চেষ্টা নকৰি -- অশান্তি বিৰোধী, সন্ত্ৰাস বিৰোধী বিবৃতি, সমদল যাত্ৰা -- এক সুন্দৰ সুবিধাবাদ মাত্ৰ!

**সু-সংবাদঃ** পৃথিৱীৰ যিখন 'কাফে'ত বহি মাৰ্ক্স - এংগেলচে 'সাম্যবাদী ইস্তাহাৰ' ৰচনা কৰিছিল -- তেতিয়াৰ পৰা আজিলৈ ডেৰশ বছৰ পাৰ হৈ গ'ল। পুঁজিবাদী সকলৰ কবলত পৰা সেই কাফেত নহ'ল কোনো স্মৃতি উৎসৱ পালন। তাতে হতাশ হ'বলৈ কিতো? মাৰ্ক্স - এংগেলচ বিশ্বৰ সৰ্বহাৰা শ্ৰেণীৰ মন আৰু চিন্তনত অনন্তকাল থাকিব। আজি ছোভিয়েটৰ পতন হোৱাটোৱে মাৰ্ক্সিজিমৰ প্ৰসংগিকতা নোহোৱাটো নুবুজায়। শ্ৰেণী সংগ্ৰাম চলমান সমাজত মাৰ্ক্সিজিমৰ প্ৰয়োজনীয়তা ভীষণ! আজি বিশ্বগোলকীকৰণৰ নামত মুক্ত বজাৰ অৰ্থনীতিৰ নামত পুঁজিবাদৰ যিমানে গুণ গান কৰা নহওক -- খবৰ ৰখা সকলে জানে আজি মুক্ত বজাৰ অৰ্থনীতি চলা দেশ সমূহত ধনতন্ত্ৰৰ দুখ লগাকৈ পতন আৰম্ভ হৈছে। কিন্তু ছোভিয়েটৰ পতনৰ সংবাদৰ দৰে সেইবোৰ সংবাদক পুঁজিপতি সকলে প্ৰচাৰ হ'বলৈ নিদি, থাপি থুপি ৰাখিছে। পৃথিৱীত পুঁজিবাদী আগ্ৰাসনৰ সমান্তৰাল কৈ মাৰ্ক্সিজিমৰ - কদৰো যে ভিতৰি ভিতৰি বাঢ়ি আহিছে তাক আৰু নুই কৰিব নোৱাৰি। আজিৰ পৃথিৱীৰ মূল সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত মাৰ্ক্সিজিমৰ বিকল্প নাই। প্যাৰী কমিয়ুনৰ ৭০দিনীয়া সাম্যবাদী শাসন, ছোভিয়েটৰ ৭০ বছৰীয়া শাসনৰ ইতিহাসো মুকলি কৰিব -- এই দৰ্শনেই!

**পঞ্চম দৃশ্য - মোৰ নাম গনেশ মাহাতোয় মোৰ স্বৰ্ত আছে - টকা শিকা একোকে নালাগে / আত্মসমৰ্পন কৰিম/পিস্তল জমা দিম/মাথো মোৰ মাটিৰ পৰা টাটাৰ ফেক্টৰী উঠাই দিব লাগিব/টাটাৰ জীয়েকে যি খায়/ / মোৰ লচমীকো দিব লাগিব/...... তাইৰ যেমাৰ পুষ্টিহীনতা ........./ সংবিধানৰ কথা নক'ব/নক'ব স্বাধীনতা/ খণ্ডত জ্বলি যাম/আকউ চাহপাত চুৰ কৰিম/টাৰ্গেত কৰিম**আজি উত্তৰ পূৰ্বাঞ্চলত গঢ়ি উঠা বিচ্ছিন্নতাবাদৰ সংগ্ৰাম সমূহৰ কাৰণ বিশ্লেষণ কৰিলে দেখিম -- কেন্দ্ৰৰ দীৰ্ঘদিনীয়া অঞ্চলটোৰ উন্নয়নৰ প্ৰতি থকা আওকণীয়া মনোভাব, অপৰ্যাপ্ত সম্পদৰ সীমাৰ ভিতৰত সুব্যৱহাৰ নকৰি বাহিৰলৈ লৈ যোৱা, ৰাষ্ট্ৰৰ অ-সম বিতৰণ, অ-উদ্যোগীকৰণ (নিবনুৱা সমস্যা জড়িত) ৰাষ্ট্ৰীয় নিৰ্যাতন, ইত্যাদি। ইত্যাদি। কাৰণ সমূহ অযুক্তিকৰ নহ'লেও সঠিক উদ্দেশ্যৰ, অস্পষ্টতা, - ৰাজনৈতিক বা সামৰিক দৰ্শনত থকা অপৰিপক্কতা, ভুলৰ অত্যধিক পুনৰাবৃত্তি, দেৱাল লিখনত মন নিদিয়াৰ ফলত -- যিদৰে সংগ্ৰাম সমূহ জনগণৰ মনে প্ৰাণে শিপাব লাগিছিল, শিপোৱা নাই। সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে তেওঁলোকৰ শীতল ভূমিকা, জনহিতকৰ আঁচনি প্ৰস্তুতত অমনোযোগীতা, সেউজ বিপ্লৱৰ প্ৰাসংগিকতা কাৰ্যক্ষেত্ৰত মানি নোলোৱা -- আদিৰ ফলত সংগ্ৰামখনৰ প্ৰয়োজনীয়তা জনগণে অনুভৱ কৰিলেও -- অংশ গ্ৰহণৰ পৰা বিৰত আছে। ভাৰতবৰ্ষৰ ভুৱা স্বাধীনতাই এবাৰ তেওঁলোকক পস্তাবলৈ বাধ্য কৰিছে ---- আৰু যা কি ........!

যি সকলে ভাৰতবৰ্ষৰ অখণ্ডতাৰ প্ৰসংগলৈ টেটুফালি চিঞৰি থাকে, সংশয়গ্ৰস্ত হৈ পৰে -- সেই সকল ব্যক্তিয়ে

অসমখন যে খণ্ড - বিখণ্ড হৈ ধ্বংসৰ গৰাহলৈ গৈ আছে -- সেই সম্পৰ্কে কিন্তু তেওঁলোকৰ কোনো প্ৰতিক্ৰিয়া নাই বা কাণসাৰ নাই; দেখুওৱা নাই।

ৰাজেন্দ্ৰ প্ৰসাদ, আম্বেদকাৰ আদি জড়িত থাকিল বুলিয়ে আমি আমাৰ সংবিধানখন অভ্ৰান্ত আৰু ৰাষ্ট্ৰৰ জনজীৱনৰ স্পন্দন বুলি ভাবি থকাৰ কোনো যুক্তি নাই। ব্যক্তি হিচাপে সেই সকল আমাৰ নমস্য। কিন্তু পঞ্চাশৰ দশক আৰু আশী বা নব্বৈৰ দশকৰ মাজৰ সময়ৰ যি বৃহৎ ব্যৱধান অথবা পাৰ্থক্য তাক স্বীকাৰ কৰিবই লাগিব। আজিৰ যুগৰ মানুহৰ মানসিকতা, সমাজৰ ন ন উদ্ভূত সমস্যা, জাতি, জনগোষ্ঠীৰ মৰ্ম বেদনা --- সেয়ে সম দৃষ্টিৰ ভিত্তিত সংবিধানৰ নৱ জন্মৰ আৱশ্যকতা সকলোতে অনুভূত হৈছে। ৰাজনৈতিক দলৰ স্বাৰ্থত নহয় --- এই সংবিধান পুনৰ্নিৰ্মান হ'ব লাগিব আম-জনতাৰ স্বাৰ্থত। আজিৰ প্ৰচলিত সংবিধানখন নিজেই ভাৰতবৰ্ষৰ অখণ্ডতাৰ প্ৰতি ভাবুকি হৈ পৰিছে। এইখনৰ অধীনত পুঁজিপতি আৰু উচ্চ মধ্যবিত্ত খিনিতু বাদে কোনেও সুৰক্ষিত অনুভৱ কৰিব পৰা নাই। ঠায়ে ঠায়ে বিচ্ছিন্নতাৰ দাবী প্ৰকট ভাবে প্ৰস্ফুতিত হ'ব ধৰিছে -- তাৰ কাৰণ নিশ্চয় আছে --- সেয়া হৈছে সংবিধানৰ অধীনতে বছৰ বছৰ যোৰা অব্যাহত শোষণ কাৰ্য।

**মহাকালৰ প্ৰশ্নঃ** ব্যক্তি সন্ত্ৰাস দমন কৰিবলৈ ৰাষ্ট্ৰ থাকে। ৰাষ্ট্ৰ সন্ত্ৰাস দমন কৰিবলৈ --- কোন ? **উত্তৰ ঃ** ভাগ্য। ভাগ্যত লিখা থকিলে আপুনি ধৰ্ষিতা নোহোৱাকৈও সাৰি যাব পাৰে, হাত - ভৰি নভঙাকৈ অক্ষত থাকিব পাৰে সামৰিক জোৱানৰ হাতত।

**টিপ্পনী ঃ** নেতা সকলে নিৰ্বাচনৰ 'কাৰণে সমস্যা সমূহ জীয়াই নাৰাখি -- আন্তৰিকতাৰে ফলপ্ৰসূ আলোচনা আৰু উন্নয়নমূলক কাৰ্যাবলীৰে উক্ত সমস্যা সমাধান কৰি পাৰে। সামৰিক আইনেৰে যি সম্ভৱ নহয় বুলি প্ৰমেয়। সামৰিক প্ৰয়োগে প্ৰতি জিঘাংসাহে বঢ়ায়। কাট্।

**দৃশ্য ছয় কমেডি -- মন্দিৰ-মছজিদত আঁঠুত কটা জীনচ্ আৰু উৰুলৈ উজোৱা মিনি স্কাৰ্ট পিন্ধি - কানত জেকচনৰ কেছেট, হেডফোন -- হাতত কোকাকোলা, বেগপাইপাৰৰ নৈবেদ্য লৈ দেশৰ তৰুণ প্ৰজন্মৰ শাৰী -- অথচ -- যোৱা কালি ভগবানৰ কঠী নাছিল** ............ যিখন দেশে মহাকাশত উপগ্ৰহ উৰুৱাইছে চিলাৰ দৰে, যিখন দেশত পাৰমানবিক বোমাৰ সফল পৰীক্ষণ হৈছে (বিজ্ঞানৰ উন্নতি !) - সেইখন দেশৰ, 'মাৰ্কিনী' সাজি বাট পথ পাৰ্ক, হবিঘৰত দৃষ্টিকটু ভাৱে ঘুৰি ফুৰা নৱপ্ৰজন্মৰ ৯৪% ই ঈশ্বৰত শৰণ লৈছে ---- সমীক্ষা অনুসৰি (আশাৰ কথা পূৰ্ণ শতাংশ যে নহ'ল।) কিন্তু ঈশ্বৰ বিশ্বাসে মানুহক প্ৰকৃত শান্তি দিব পাৰেনে? মানুহক সৎ কৰি ৰাখিব পাৰেনে? ঈশ্বৰ সৃষ্টিৰ আঁৰত শ্ৰমজীৱী মানুহ আছিলনে -- সামন্ত প্ৰভুসকল? কাৰ স্বাৰ্থ পূৰণ কৰি আহিছে ঈশ্বৰে। ভাৰতবৰ্ষৰ নৱ প্ৰজন্মই সাজ-সজ্জাত যিমানে আধুনিক নেদেখুৱাওক কিয় -- তেওঁলোকৰ মানসিকতা অতি পুৰাতন, লাজলগা বিধৰ। ঈশ্বৰৰ নামতে এইখন দেশত ৰাজনীতি চলে, শাসন ব্যৱস্থা চলে, ব্যৱসায় চলে, শিক্ষা, মানুহৰ ভৱিষ্যত (ইয়াত পঞ্জিকা বেষ্ট চেলাৰ হয় !) সকলো ঈশ্বৰ নিৰ্মিত আৰু নিৰ্ণিত হয়। 'নলওঁ বুলিও তোমাৰ নাম লবলৈ মন যায় - ঈ --শ্ব -- ৰ !'

আমি আমাৰ সমাজখন সুন্দৰ কৰিবলৈ হ'লে ঈশ্বৰক নিৰ্বাসিত কৰিবই লাগিব। ঈশ্বৰৰ নিৰ্বাসনৰ লগে লগে তেওঁৰ গাত থকা বিহফোহা স্বৰূপ বহুত কু-সংস্কাৰ, সাম্প্ৰদায়িকতা, সভ্যতাৰ স্থবিৰতা সমাজৰপৰা নোহোৱা হৈ যাব।

আজিৰ দিনৰ বাক্যশাৰী God is now here নহয় -- God is no where হে। মানুহে ঈশ্বৰৰ ভয়ত চৌৰ্য কাম নকৰাটো সতত্য হ'ব নোৱাৰে। (ভাৰতত - য'ত দৰিদ্ৰ নাৰায়ন হঁত একো একোজন চোৰ তাত দৰিদ্ৰ ডালহঁতে কৰিব লগা কাম কি হ'ব পাৰে বাৰু?) কাট্

**দৃশ্য সাত - কটন কলেজ শতিকা যোৱা সভ্যতা ঃ**

বহুতে কোৱা শুনো কটনিয়ান সকলৰ ওপৰত অসমীয়া সমাজে গধুৰ দায়িত্ব ন্যস্ত কৰিছে। এই গধুৰ দায়িত্ব হৈছে সমাজখনৰ উন্নয়নত তেওঁলোকে নিজকে নিয়োজিত কৰা। কটনিয়ান সকলে এইটো ভাবিব নালাগে যে সমাজৰ, মানুহৰ, কাম কৰিবলৈ সকলো উচ্চাকাংখ্যা দলিয়াই শ্ৰমিক সংগঠনৰ সদস্য হ'বই লাগিব। তেওঁলোকে এইটো ভাবি চোৱা উচিত যে (অন্য মহাবিদ্যালয়তকৈ) তেওঁলোকৰ ওপৰত মানুহৰ কিয় ইমান আস্থা। কাৰণ তেওঁলোক মেধাৱী, চিন্তাশিল্পত ব্যুৎপত্তি থকা আৰু বিবেকবান বুলি সকলোৰে বিশ্বাস। তেওঁলোকে আজি যি ভাবিব -- কাইলৈ বৃহত্তৰ অসমীয়া জাতিয়ে তাকেই ভাবিব বুলি -- তেওঁলোকে প্ৰবাদ বাক্যৰ দৰে মানি আহিছে। কিন্তু আজিৰ তাৰিখত তেওঁলোকে মানুহক চৰম নিৰাশ কৰিছে -- তেওঁলোকৰ কৰ্মকাণ্ড আৰু আচৰণেৰে। তেওঁলোকে নিজৰ সামাজিক দায়িত্ব সঠিক ভাবে পালন কৰিবলৈ অপাৰগ হোৱাটো সাম্প্ৰতিক অসমৰ অন্যতম দুঃসংবাদ! এনে লাগে যেন তেওঁলোকৰ ইচ্ছা মানুহৰ আশাৰ বিৰুদ্ধে গৈছে। কিন্তু লগে লগে এইটোও ঠিক কথা যে কেৱল প্ৰাচীন ঐতিহ্য, কেইটামান অধিক প্ৰথম শ্ৰেণী, স্থান, ৰ নামতে কোনো অনুষ্ঠানে গোটেই কালৰ বাবে প্ৰাসংগিকতা দাবী কৰিব নোৱাৰে। অলপ আত্মকেন্দ্ৰিকতা আৰু কেৰিয়াৰ কেন্দ্ৰিক জীৱনৰ উৰ্দ্ধলৈ গৈ কটনিয়ান সকলে যদি স্বদেশ-স্বজাতিৰ মংগলৰ হকে চিন্তা কৰে তেন্তে 'কটন কলেজ' চিৰ যুগলৈ অসমীয়াৰ গৌৰৱৰ কেন্দ্ৰ হৈ ৰ'ব! অন্যথা এক অপ্ৰাসংগিক জাতীয় অনুষ্ঠান মাত্ৰ!

**অফ (OFF) ঃ** মূল্যবোধৰ অবক্ষয়' নামৰ বুদ্ধিজীৱী সকল আবিষ্কৃত বেডিমেদ আৰু 'সঘন চলতি' বাক্যাংশৰ অৰ্থ আচলতে কি! উদাহৰণ স্বৰূপে সাপ্তাহিক 'অসমবাণী'ৰ (১৯৯৮ চনৰ কোনো এটা সংখ্যা দ্ৰষ্টব্য।) প্ৰথম পৃষ্ঠাত প্ৰকাশ পালে *যে কটনৰ কেইজন মান অধ্যাপকে দৰমহা লৈও প্ৰাইভেট টিউচন কৰি হাজাৰ-হাজাৰ টকা ঘটে।* বহুতে কৈছে এইটো অবৈধ কাৰ্য। এতিয়া সি কিজন(!) অধ্যাপকে সকলো ছাত্ৰকে সমদৃষ্টিৰে চাব নোৱাৰে। তেওঁ যদি সকলোকে তেওঁৰ যুগ জোৰা বহু যত্ন সংৰক্ষিত টোকা সমূহ দি দিয়ে কোনে ব্যক্তিগত ভাবে তেওঁৰ ড্ৰয়িং ৰুমত দুশ-তিনিশ টকা লৈ নোট কিনিবলৈ 'কিউ' পাতিব। অৰ্থাৎ আমাৰ শিক্ষা ব্যৱস্থাত টকা থাকিলে শিক্ষা কিনিব পাৰি আৰু এনে শিক্ষা সমাপ্তিৰে সমাজত ভব্য গব্য যোলাব পাৰি। দুখৰ কথা স্ব-নিৰ্ভৰশীলতাৰ কথা কোৱা আমাৰ সমাজত ছাত্ৰক স্বাৱলম্বী ভাৱে টোকাটোও বনাই ল বুলি দিয়া নহয়। এনেকুৱা জ্ঞানাৰ্জনৰ প্ৰথম খোজতে পৰীক্ষা পাছৰ বাবে মগজু নখটুৱাই পৰ - নিৰ্ভৰশীলতাৰ কছৰৎ কৰিবলৈ উচতনি দিয়া ছাত্ৰ-ছাত্ৰীৰ পৰা সমাজে স্ব-নিৰ্ভৰশীল, উদ্যোগী, কৰ্ম - কুশল আদিৰ সংজ্ঞা বিচৰাটো ভীষণ ভুল! আমি বিচাৰো শিক্ষাহঁওক জ্ঞানাৰ্জন, জ্ঞান বিনিময় আৰু কৰ্ম উদ্যম, আগ্ৰহ বৃদ্ধিৰ প্ৰকৃত মাধ্যম। আৰু যদি সেয়াই নহয় মহাবিদ্যালয় সমূহত নিময়ল

# শতিকাৰ শেষ দশকৰ সম্পাদকীয়

নামত চলা Dis - Collegiat ৰ কথাও অৰ্থহীন। প্ৰথমতে Student নহয় -- শিক্ষাব্যৱস্থাৰ আসোঁৱাহ, টিউচন দুঃস্কৃতিক হে Dis-Collegiate কৰাটো আমি বিচাৰো। কাট্

**দৃশ্য আঠ ঃ আমি অসমীয়া/নহও দুখীয়া/কিহৰ দুখীয়া হ'ম/সকলো আছিল/সকলো আছে............**

অসমীয়া জাতি পতনমুখী হৈছে নেকি — এই কথা সম্পূৰ্ণকৈ প্ৰমাণ পাবলৈ আমি কেইটামান বৰ্ষ অপেক্ষা কৰিব লাগিব। যদি সি প্ৰমাণিত হয় তাৰ কাৰণ হিচাপে আমি চিহ্নিত কৰিব লাগিব অসমীয়া মানুহৰ ক্ৰমশঃ বাঢ়ি অহা জাতীয়তাবোধহীন কাৰ্যকলাপ, চিন্তাচৰ্চা। অসমীয়া জাতিৰ কৰ্মহীনতাৰ সংস্কৃতিও কম দায়ী নহ'ব। লগতে সু-নেতৃত্বৰ অভাৱতো এই পতনমুখীতাৰ আৱৰ্তণি হ'ব পাৰে। কিন্তু আমি ভাবো অসমীয়া জাতিৰ পতন মুখীতা --পতন নহয়। - ই এক সাময়িক বীৰ্যহীনতা। অসমীয়া জাতিৰ পতন নাই।

অন্যহাতে প্ৰতিবছৰে বিদ্যালয়ৰ মাধ্যমক লৈ যি খণ্ডযুদ্ধ হয় -- অসমীয়া নে ইংৰাজী - কোন মাধ্যম সৰ্বোত্তম এইলৈ — আমি কওঁ ফৰাচী সকল ফৰাচী ভাষাক লৈয়ে গৌৰৱত উৎফুল্লিত - জাপানী সকল, জাৰ্মান সকলো! ইংৰাজী ভাষাৰ প্ৰতি আমাৰ অহৈতুক মোহ - আমাৰ মানুহৰ অতি সপোন পিয়াসী মানসিকতাৰ প্ৰতিফলনহে। ইয়াৰ ফলত যে আমি এজন বিক্ৰম শেঠ, উপমন্যু চেটাৰ্জী, অৰুন্ধতী ঘোষক পামেই — তাৰে বা কি গ্যাৰাণ্টি! হয়তো নিজৰটো বাদ দি আনৰটো অধিক সুবিধাজনক বুলি ভবাটো আমাৰ ঔপনিবেশিক মানসিকতাৰো পৰিচায়ক। (সুখৰ কথা - নোবেল বিজয়ী অমৰ্ত্য সেনে ত্ৰিশতকৈ অধিক সংখ্যা গণিবলৈ বঙালী ভাষাৰ সহায় লোৱাটো তেওঁৰ বাবে জৰুৰী।) সঁচা কথা, অসমীয়া মানুহৰ জাতীয়তাবোধৰ কৰুণ পৰিণতি আজি সৰ্বত্ৰ অনুভূত। কিন্তু ভাষাৰ ক্ষেত্ৰত মন কৰিবলগীয়া -- মাতৃ জাতিৰ পতন নোহোৱালৈকে মাতৃ ভাষাও নমৰে। কাট্

**দৃশ্য ন - সময় দুঃসময়ৰ গাড়ীত সাহিত্যৰ আৰোহী আৰু বিবেক ইত্যাদি ঃ**

আৰ্নেষ্ট হেমিংৱে এষাৰ উৎকৃষ্ট কথা কৈ গৈছে -- 'মানুহ কেতিয়াও পৰাজিত নহয়।' মানুহৰ আছে অদম্য কৰ্মশক্তি। সেই অদম্য শক্তিৰে সকলো প্ৰকাৰৰ প্ৰত্যাহ্বানকে ই প্ৰতিৰোধ কৰিব পাৰে। মানুহ অজেয় শক্তিৰ অধিকাৰী! মানুহৰ সেই মহত্তম প্ৰতিভালৈ লক্ষ্য ৰাখি আজিৰ এই নৈৰাশ্যময় পৰিবেশত আমি হতাশ হোৱাৰ কোনো কাৰণ নাই। (বিপৰীতে — শতিকা শতিকা যোৰা সভ্যতাৰ পিছতো মানুহে নিজৰ স্থিতি সম্পৰ্কে সন্দিহান হৈয়ে আছে। বৰ্দ্ধিত জনসংখ্যাৰ কোলাহলৰ মাজতো মহাবিশ্বৰ মহাশূন্যতাই হে তেওঁলোকক আকৰ্ষণ কৰিছে। নিজকে নিঃসংগ, অসহায় পথিকৰ ৰূপত কল্পনা কৰি আতংকিত হৈছে। ইয়াৰ ভেটিতে অপৰাজেয় মানুহৰ আত্মহননৰ মানসিকতা গঢ়ি উঠিছে। আচৰিত কথা ঈশ্বৰক প্ৰত্যাহ্বান জনাব পৰা আজিৰ যুগৰ মানুহে আত্মহত্যা কৰে, সন্ন্যাস লয়!)

জীৱনৰ জয়গী তি গোৱাটোৱে সাহিত্যৰ উদ্দেশ্য। মানুহৰ সৰ্বশ্ৰেষ্ঠ, মহৎ চিন্তাৰাশিৰ লিপিবদ্ধ বিৱৰণ - সাহিত্য - যি মানুহৰ উৎকৰ্ষ সাধনত নিয়োজিত। আজিৰ ব্যস্ত এটোমিক আৰু ইলেকট্ৰনিক যুগত সাহিত্য অচল টকা নোহোৱাটোৱে বুজায় সাহিত্যৰ ফলহীন প্ৰভাৱকে। লেখকৰ বিশ্লেষণী ক্ষমতাৰ অভাৱ, জীৱনবোধ হীনতা আৰু অতি-আবেগৰ ওচৰত পৰাজয় বৰণে সাহিত্যিক কালজয়ী হোৱাৰ পৰা বঞ্চিত কৰে -- যিটো অসমীয়া সাহিত্যত দেখা গৈছে। সংবাদ ধৰ্মীতাই গ্ৰাস কৰিছে অসমীয়া সাহিত্য। অসমীয়া লেখকে সৃষ্টিৰ ধাৰাবাহিকতা হেৰুৱাই পেলাইছে।

আমি সকলো সময়তে 'প্ৰাচীন' আৰু 'পৰম্পৰা'ৰ ওচৰত আঠু কাঢ়ি থাকিব নোৱাৰো! নতুনত্বৰ প্ৰতি মানুহৰ আছে তীব্ৰ আকৰ্ষণ বোধ। সাহিত্যিক সকলে বৰ্তমানতে দৃষ্টি আবদ্ধ ৰাখিলে নহ'ব। ভৱিষ্যতৰ কাৰণেও দৃষ্টি নিক্ষেপ কৰিব পাৰিব লাগিব। পৃথিৱীৰ সকলো প্ৰান্ততে বোধ হয় সাহিত্যৰ বিষয় বস্তু একে। মাথো তাৰ প্ৰকাশ ভংগী আৰু কথন চাতুৰ্য ভিন্ন (বুৰ্জোৱা আৰু প্ৰগতিবাদী সাহিত্যতো খাটে!) পৃথিৱীত কম গ্ৰন্থইহে চিৰায়ু লাভ কৰিছে -- সাৰ্বজনীন দৃষ্টি ভংগী আৰু সুগভীৰ জীৱন দৰ্শনৰ জৰিয়তে। কেৱল খ্যাতি, প্ৰচাৰ আৰু জনপ্ৰিয়তাৰ কাৰণে লিখা বিলাকে স্থায়ীত্ব দাবী কৰি নোৱাৰে। গভীৰ জীৱন বোধ, মানৱীয়তাবোধৰ লগত অভিনৱ বিষয় কথা, আংগিকৰ বিক্ৰিয়াত আমি যিটো পাম -- আধুনিক মানুহৰ বাবে ই আদৰণীয় হ'ব আমাক এজন কুণ্ডেৰা, মাৰ্কুৱেজ কিয় নালাগে।

সাহিত্যিকৰ সামাজিক দায়বদ্ধতা- মানুহৰ অন্তহীন সংগ্ৰাম, আশা-নিৰাশা, দ্বন্দ্ব, ধ্বংসৰ গৰাহত পৰিও জীয়াই থকাৰ দুৰন্ত বাসনা, প্ৰেম-অপ্ৰেম -- মানুহৰ চিৰন্তন প্ৰবৃত্তি আৰু তেওঁলোকৰ চিন্তাকৰ্মৰ লগত জড়িত! সাহিত্যিকৰ দায়িত্ব হৈছে মানুহক অনবৰত 'মানুহ' বুলি সকীয়াই থকা। কাট্

**দৃশ্য দহ তিৰিশৰ ভালপোৱা নালাগে তোমাক/ চিৰ ওঠৰৰ সতে তোমাৰ প্ৰেম/........**

অসমৰ ছাত্ৰ সমাজক সামাজিক আৰু বৌদ্ধিক দিশত কটনিয়ান সকলে কেনেদৰে নেতৃত্ব দিছিল সেই প্ৰাচীন ঐতিহ্যক আমি কিন্তু পাহৰি গৈছো। শেহতীয়াভাৱে বিশ্ববিদ্যালয়ে অন্যায়ভাৱে মাচুল বৃদ্ধি কৰাক লৈ কটন কলেজৰ ছাত্ৰ সমাজে যি 'নিস্পৃহ' মনোভাব প্ৰদৰ্শন কৰিলে ছাত্ৰ সমাজৰ বাবেই ই দুখ লগা। তেনেদৰে বাছৰ ভাড়া বৃদ্ধিৰ প্ৰতিবাদ কৰ্ল্লে হোৱা সভাত স্থানীয় ছাত্ৰ-ছাত্ৰীৰ চিটি শহ ভাড়াৰ নতুৰ শতাংশ ৰেহাই দিয়ক -- আদি দাবীৰে আমি যি দুই চাৰিজনে অংশ গ্ৰহণ কৰিছিলো -- পিঠিত লাগিছিল 'কমিউনিষ্ট'ৰ লেবেল। ইমান সহজ যেন কমিউনিষ্ট হোৱা!

সময় উকলি যোৱা নাই! নেতৃত্বৰ ৰাজনীতিৰ লবী এৰি, মানসিকতা ত্যাজি - সংঘবদ্ধ ভাৱে, বিদ্যায়তনিক দিশটো ঠিক ৰখাৰ লগতে কটন কলেজ আৰু সমাজৰ সমস্যা সমূহৰ সমাধানৰ সূত্ৰ আৱিষ্কাৰ কৰো (আহক - যি সকল বড়ো মূলৰ, যি সকল কাৰ্বি মূলৰ, যি সকল চাওতাল, আদিবাসী, ৰাভা, নগা, মনিপুৰী, যি সকল মিছিং - বঙালী, হিন্দীভাষী - আহক আমিয়েতো কটনিয়ান, আমিয়েতো অসমীয়া!) আহক - যিহেতু আমি মেধাৱী(!) যিহেতু আমি বিবেকবান(!) যিহেতু আমি চিন্তশিল্পত বুৎপত্তি থকা (!) যিহেতু উৎকৰ্ষতাৰ কেন্দ্ৰ (!)ত আমি বিচৰণ কৰিছো -- আহক -- হাতে হাতে ধৰো। ........
'তোৰে মোৰে আলোকৰে যাত্ৰা/অব্যৰ্থ /অব্যৰ্থ/ আমি পালো জীৱনৰ অৰ্থ অভিনৱ .........!

প্ৰকাৰ কুমাৰ বৰ্মন

# চিন্তা শিল্প



# আক্ৰান্ত সংস্কৃতি, বিপন্ন মনুষ্যত্ব

ড° সীতানাথ লহকৰ

**'বিশুদ্ধ' বা 'নিৰপেক্ষ' শিল্প কৰ্ম হৈছে বিভ্ৰান্তিমূলক সাজত শাসকৰ সপক্ষে কৰা ৰাজনৈতিক শিল্প। গতিকে দায়বদ্ধ শিল্পীৰ শিল্প কৰ্ম মানেই শোষণ, বঞ্চনাৰে ভৰা সমাজ এখনৰ জনগণৰ সপক্ষে চলোৱা এখন যুদ্ধ, যাৰ মুখ্য উদ্দেশ্য গণমুক্তি। দেশ আজি একাধিক বিধ্বংসী বিপদৰ সন্মুখীন। এই বিপদৰ পৰা দেশক বচোৱাৰ সংগ্ৰামত আত্মনিয়োগ কৰাটো প্ৰতিজন দায়বদ্ধ শিল্পীৰে প্ৰাথমিক কৰ্তব্য।**

মানুহ জীৱশ্ৰেষ্ঠ কিয়? আন জীৱৰ লগত মানুহৰ পাৰ্থক্য ক'ত? আহাৰ, বাসস্থান মানুহকো লাগে - পশুকো। কিন্তু বস্ত্ৰ? মানুহৰ বাবে অপৰিহাৰ্য - পশুৰ বাবে অপ্ৰয়োজনীয়। তেনেহলে এই বস্ত্ৰৰ বাবেই মানুহ পশুৰ তুলনাত শ্ৰেষ্ঠ নেকি? সেয়ে যদি হয়, কব লাগিব আৱৰণেই মনুষ্যত্ব দিলে মানুহক। আৱৰণৰ মূল্য আৰু মানদণ্ডই নিৰ্ণয় কৰে মনুষ্যত্বৰ মূল্য আৰু মানদণ্ড। এই বিচাৰত ইংৰাজ বৰলাটৰ দেহৰক্ষীৰ তুলনাত ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ বা বিবেকানন্দ মনুষ্যত্বহীন, জেনেৰেল ডায়াৰৰ তুলনাত মহাত্মাগান্ধী বৰ্বৰ, চক্ৰেটিচতকৈ নাদিৰ শ্বাহৰ মনুষ্যত্বই বেছি নম্বৰ পাব অথবা শঙ্কৰদেৱৰ তুলনাত মিঙ্গিমাহু তিলোৱাৰ মনুষ্যত্বৰ আসন বহু ওপৰত হ'ব। কিন্তু এই ৰায় শুনিলে সংস্কৃতিবান মানুহে বিচাৰকৰ ভেটিত তিতালাউ গজাব। সম্পূৰ্ণ ভুল বিচাৰ। তেনেহলে? মানুহ জীৱশ্ৰেষ্ঠ হ'ল কিহৰ বলত? সাংস্কৃতিক বোধৰ বলত। অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ লগত সাংস্কৃতিক বোধ যোগ হলেহে মানুহ-মানুহ হয়। মানুহে মনুষ্যত্ব পায় - জীৱশ্ৰেষ্ঠ হয়। কিন্তু কি এই সাংস্কৃতিক বোধ? চুটি কথাত মানৱ কল্যাণ বোধ, বিকাশ আৰু বৃদ্ধিৰে সমাজ তথা জীৱনক সুন্দৰৰ পৰা সুন্দৰতৰ কৰাৰ যি স্বপ্ন, তাক সাকাৰ কৰাৰ আত্মিক চেতনা। সকলোৰে প্ৰাক্ চৰ্ত অন্ন, বস্ত্ৰ, বাসস্থানৰ নিৰাপত্তা। কিন্তু অন্ন, বস্ত্ৰ, বাসস্থানৰ অধিকাৰৰ লগত জড়িত সমাজ, ৰাষ্ট্ৰ আৰু উৎপাদন ব্যৱস্থাৰ সম্পৰ্ক। স্বাধীনভাৱে উৎপাদন কৰাৰ অধিকাৰৰ ৰাজনৈতিক ভিত্তি হৈছে ৰাষ্ট্ৰ আৰু তাৰ সাৰ্বভৌমত্ব। কিন্তু সাজ-গোজ কৰি উপাদেয় খাই, নিৰাপদ বাসস্থানত শুই থাকিলেই সাৰ্বভৌমত্বৰ অধিকাৰ ৰক্ষা কৰা নাযায়। জালিয়াত, জুৱাচোৰ ৰাজনৈতিক নেতাৰ গগণফলা চিঞৰতো ৰক্ষা নপৰে সাৰ্বভৌমত্বৰ অধিকাৰ অথবা কেৱল বেতন ভোগী পুলিচ মিলিটাৰীৰ দ্বাৰাও সম্ভৱ নহয় সেই কাম। এই অধিকাৰ ৰক্ষা হ'ব যদিহে সমগ্ৰ জনগণৰ মানস ভূমিত সৃষ্টি কৰিব পৰা যায় এক বিশেষ মূল্যবোধ; - যিয়ে জগাব দেশপ্ৰেমৰ অনুভূতি - যিয়ে জন্ম দিব সাৰ্বভৌমত্বৰ অধিকাৰ সচেতনতা। আৰু এই মূল্যবোধৰ সৃষ্টি হয় মানুহৰ সাংস্কৃতিক কৰ্ম-কাণ্ডৰ ফলশ্ৰুতি হিচাপে। ভাৰতৰ স্বাধীনতা সংগ্ৰাম ইয়াৰ প্ৰকৃষ্ট উদাহৰণ।

স্বাধীনতাৰ বাবে যিসকল বিপ্লৱীয়ে নিজৰ জীৱন বিপন্ন কৰিও বৃটিছৰ লগত যুঁজিছিল, যি সকল অমৰ শ্বহীদে বৃটিছৰ বন্দুকৰ সমুখত বুকু পাতি দিছিল - যি সকলে ফাঁচী মঞ্চত প্ৰাণ দিছিল, তেওঁলোকে ভালদৰে জানিছিল যে জীৱনকালত তেওঁলোকে এই চৰম ত্যাগৰ বিনিময়ত একো নেপায়। আনকি স্বাধীনতাও নেদেখে। তথাপিও কিয় এই আত্মাহুতি? কিহৰ বলত? নিশ্চয় এক বিশেষ মূল্যবোধৰ বলত। কি সেই মূল্যবোধ? এই যে

"জীৱনতকৈ স্বাধীনতাৰ মূল্য বহু বেছি।"

কিন্তু কিহে সৃষ্টি কৰিছিল এই মূল্যবোধ? নিঃসন্দেহে সাংস্কৃতিক কৰ্মকাণ্ডৰ ফলশ্ৰুতি এই বিশেষ মূল্যবোধ। সেই সময়ত ৰচিত

'সমুখ সমৰ ভয় নকৰিবি
মুক্তি যুঁজাৰু হুচিয়াৰ;
মৃত্যু বিজয় কৰিব লাগিব
স্বাধীনতাৰ খুলি দুৱাৰ।' (জ্যোতি প্ৰসাদ)

'স্বাধীনতা হীনতায়
কে বাঁচিতে চায়হে' (ৰঙ্গলাল)

প্ৰাৰ্থনা কাৰো যাৰা কেড়ে খায় তেত্ৰিশ কোটি মুখেৰ গ্ৰাস
যেন- হয় আমাৰ ৰক্ত লেখায় তাদেৰ সৰ্বনাশ।'
(কাজী নজৰুল ইছলাম)

ইত্যাদি গীত- কবিতাই অনস্বীকাৰ্যভাৱে স্বাধীনতাৰ সৈনিকৰ তেজ উতলা কৰিছিল। ভাৰতীয় জাতীয়তা বোধৰ জাগৰণত ৰবীন্দ্ৰনাথ, ৰামমোহন ৰায়, বিদ্যাসাগৰ, বিষ্ণু প্ৰসাদ, ব্ৰজনাথ শৰ্মা, অম্বিকাগিৰি আদিৰ ভূমিকা অস্বীকাৰ কৰিব নোৱাৰি। একেদৰে অস্বীকাৰ কৰিব নোৱাৰি 'হিন্দু', 'পেট্ৰিয়ট', 'ইণ্ডিয়ান মিৰৰ', 'আনন্দ বাজাৰ পত্ৰিকা', 'অৰুণোদই', 'আজাদ', 'আকৰ-ই-আম' আদি সংবাদ পত্ৰিকা তথা আলোচনীৰ ভূমিকা। এই আটাইবোৰৰ সন্মিলিত প্ৰয়াসে গণমানসত সৃষ্টি কৰিছিল স্বাধীনতাৰ মূল্যবোধ, সৃষ্টি কৰিছিল স্বাধীন ভাৰতৰ এক আবেগ-মথিত স্বপ্নৰ, যাৰ ওচৰত তুচ্ছ হৈ পৰিছিল ধন জন সকলো, যাৰ তাড়নাত স্বাধীনতাৰ সেনানীয়ে ছিঙি পেলাইছিল বৃটিছ শোষকৰ দুশ বছৰীয়া পৰাধীনতাৰ শিকলি। সেয়ে দ্ব্যৰ্থহীনভাৱে ক'ব পাৰি যে সেই সময়ত জনগণৰ আবেগক সংগঠিত কৰি উপযুক্তভাৱে প্ৰয়োগ কৰাত সংস্কৃতিৰ ভূমিকা আছিল অত্যন্ত গুৰুত্বপূৰ্ণ। যুগে যুগে সংস্কৃতিয়ে এইদৰে ঐতিহাসিক ভূমিকা পালন কৰি আহিছে। পূৰ্ণৰ পৰা পূৰ্ণতৰ কৰি তুলিছে মনুষ্যত্বৰ ৰূপ।

কিন্তু আজি এই মনুষ্যত্ব তৃতীয় বিশ্বত, বিশেষকৈ ভাৰতবৰ্ষত চৌদিশৰ পৰা আক্ৰান্ত। সাম্প্ৰদায়িকতাবাদ, বিচ্ছিন্নতাবাদ, শিক্ষা সংকোচন, নিবনুৱা সমস্যা, দুৰ্নীতি, কেলেঙ্কাৰি আদি বিভিন্ন সমস্যাত ইতিমধ্যে ভাৰতীয় সমাজ জুৰুলা হৈছে। তাৰ ওপৰত শেহতীয়া মাধমাৰটো দিছে নৰসিংহ ৰাও নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ উন্মুক্ত বজাৰ অৰ্থনীতিয়ে। এই নীতিয়ে 'খাল কাটি কুম্ভীৰ অনা'ৰ দৰে দেশৰ সমস্ত দুৱাৰ খিড়িকি খুলি গলবস্ত্ৰ হৈ বহু জাতিক কোম্পানীৰ ৰূপত আদৰি আনিছে সাম্ৰাজ্যবাদক। দেশৰ অৰ্থনৈতিক স্বকীয়তাক নিশ্চিহ্ন কৰি দিব বিচাৰিছে সাম্ৰাজ্যবাদী অৰ্থৰ বন্যাত। বিদেশী অৰ্থ বিনিয়োগৰ প্ৰধান আৰু একমাত্ৰ উদ্দেশ্য হৈছে দেশৰ সম্পদ লুণ্ঠন। একেই নীতিৰ ফলত চিলি, ব্ৰাজিল, মেক্সিকোৰ আজি লাউ

লোৱা অৱস্থা। তাকে দেখি দেশৰ বিভিন্ন শ্ৰমিক সংগঠন তথা দেশ প্ৰেমিক শক্তি কিছুমানে প্ৰতিবাদ, প্ৰতিৰোধ ইতিমধ্যে কৰিছে। লুণ্ঠনকাৰী শিবিৰক লাগে প্ৰতিবাদ প্ৰতিৰোধহীন নপুসংক ভৱিষ্যৎ। সেইটো সম্ভৱ হয়, জাতি এটা বা সমাজ এখন যদি চৰিত্ৰহীনৰ সমষ্টি হয়। আৰু মানুহক চৰিত্ৰহীন কৰাৰ শক্তিশালী পন্থাবোৰৰ ভিতৰত অন্যতম হৈছে সাংস্কৃতিক আক্ৰমণ। এই পটভূমিতে ভাৰতবৰ্ষৰ আজি সাম্ৰাজ্যবাদী শিবিৰে সংঘটিত কৰিছে ভয়াবহ সাংস্কৃতিক আক্ৰমণ।

সংস্কৃতি মানে জীৱন চৰ্চা। সাংস্কৃতিক আক্ৰমণ মানেই জন জীৱনৰ ওপৰত সাৰ্বিক আক্ৰমণ। সাম্ৰাজ্যবাদী পুঁজিৰ অবাধ অনু প্ৰৱেশে এফালে যিদৰে বহুজাতিক কোম্পানীৰ মুনাফা প্ৰতিবছৰে দুই তিনি গুণ বৃদ্ধি কৰিছে, সেইদৰে আনফালে কৰ্মসংস্থানৰ সুযোগ সাংঘাতিকভাৱে সংকুচিত কৰিছে। নিবনুৱা হতভাগাৰ মনত ক্ষোভ, হতাশা পুঞ্জীভূত হৈছে। সাম্প্ৰদায়িক শক্তিয়ে সেই ধুমায়িত ক্ষোভ, হতাশাক যোল্ল অনাই কামত লগাইছে। ফলত ধৰ্মীয় ফেচিজ্‌মৰ (Facism) পথ পৰিস্কাৰ হৈছে। ফেচিজ্‌ম যে মনুষ্যত্বৰ কিমান ডাঙৰ শত্ৰু, তাক হিটলাৰ মুছোলিনীৰ অভ্যুত্থানৰ ইতিহাসে চকুত আঙুলি দি দেখুৱাই দিয়ে। এই বিপদৰ লগত অৱধাৰিত ভাৱে ভাৰতীয় সমাজত সোমাই পৰিছে ড্ৰাগছ আৰু যৌনতাৰ বিপদ। যুৱ সম্প্ৰদায়ৰ হতাশাক মূলধন কৰি আন্তৰ্জাতিক মাফিয়া চক্ৰই সৰবৰাহ কৰিছে ড্ৰাগছ; আনহাতে তজবজীয়া ডেকা-গাভৰুৰ মনত বিকৃত ৰুচি সুমুৱাই দি চিৰদিনৰ বাবে ৰাজহাড় ভাঙি দিবলৈ সাম্ৰাজ্যবাদীইঁতে পোহাৰ মেলিছে যৌনতা সৰ্বস্ব ৰঙীণ সাংস্কৃতিক কৰ্মকাণ্ডৰ।

ভাৰতবৰ্ষ আজিবহুজাতিক কোম্পানীৰ বৈদ্যুতিক (electronic) মাধ্যমৰ মৃগয়া ভূমি। কেৱল টিভি, জি টি ভি, ষ্টাৰ টিভি, চি, এন, এন আদিত টেলিভিচন চেনেলে আজি পশ্চিমীয়া বস্তা পচা সংস্কৃতিৰ জাবৰ জোথৰেৰে ভাৰতীয় জনগণৰ শোৱনি-কোঠা ভৰাই দিয়াৰ লগতে দেশৰ আকাশ-বতাহ দূষিত কৰি তুলিছে। এই ক্ষেত্ৰত দেশৰ দূৰদৰ্শনো পিছ পৰি থকা নাই। বোম্বে মাৰ্কা সস্তীয়া চিনেমা, নাৰী নিগ্ৰহৰ কাৰ্যসূচী প্ৰচাৰৰ দ্বাৰা দূৰদৰ্শন আজি অশ্লীলতাৰ প্ৰতীক। তাতো সন্তুষ্ট নেথাকি ১৯৯৪ চনৰ ৭ অক্টোবৰৰ পৰা দূৰদৰ্শনে আঢ়ৈ ঘন্টাৰ চেনেল এৰি দিছে আমেৰিকাৰ 'ভায়াকম ইন্টাৰনেচনেল' নামৰ বহু জাতিক কোম্পানীৰ মিউজিক টিভি বা এম, টিভিক। উৎকট চিঞৰ-বাখৰ, লম্ফ-জম্ফ আৰু নাৰী দেহৰ উলঙ্গ নৃত্যই এম, টিভিৰ মূল কাৰ্যসূচী। খোদ আমেৰিকাতে এন টিভিৰ বিৰুদ্ধে গণধিক্কাৰৰ জোৱাৰ উঠিছে। মেছাচুছেট্‌ছ বিশ্ববিদ্যালয়ৰ অধ্যাপক ছুট ক্যালিয়ে গৱেষণা কৰি দেখুৱাইছে — কি ভাৱে এম, টিভিৰ কাৰ্যসূচীয়ে বয়ঃ সন্ধিকালীন কিশোৰক নগ্ন নাৰী দেহ দেখুৱাই এক 'স্বপ্ন জগত'লৈ লৈ যায়। ৰোগাক্ৰান্ত হয় কিশোৰৰ মানস-ভূমি। ক্যালিয়ে কৈছে যে এম, টিভিয়ে নাৰীক কেৱল যৌনতাৰ প্ৰতীক হিচাপেই দেখুৱায়। যৌনতাৰ বাহিৰে যেন নাৰীয়ে আন কথা নেভাবেই।

ওৱাশ্বিংটনৰ 'চেন্টাৰ ফৰ মিডিয়া এণ্ড পাবলিক এফেয়াৰ্ছ' (Centre for Media and public Affairs) নামৰ সংগঠন এটাই ১৯৯২ চনতে সমীক্ষা চলাই কৈছে যে আমেৰিকাৰ তিনিটা বৃহৎ টি, ভি, সংস্থাই একে লগে যিমান হিংসা আৰু যৌনতামূলক দৃশ্য দেখুৱাই, এম, টিভিয়ে অকলে তাতকৈ বেছি দেখুৱায়। আমেৰিকাৰে 'নেছনেল কোৱালিচন অন টেলিভিচন ভায়োলেন্স' (National coalition on Television violence)ৰ সমীক্ষা মতে এম, টিভিয়ে প্ৰতি ঘন্টাত ২০ টাকৈ হিংসা তথা যৌনতা সম্পৰ্কীয় দৃশ্য দেখুৱায়। ইয়াৰ ৬০ শতাংশ অনুষ্ঠানেই হয় চিধাচিধি হিংসা বা যৌনতামূলক অথবা মাদকাভ্যাস জনিত।

মাৰ্কিন কংগ্ৰেছতো এম টিভিৰ বিৰুদ্ধে প্ৰতিবাদ উত্থাপিত হৈছে। ১৯৯১ চনৰ ১৮ চেপ্তেম্বৰত চিনেটৰ ৰবাৰ্ট বায়াৰ্ডে জনায়, যে এম, টিভিয়ে হত্যা, ধৰ্ষণ, হিংসা, অৱদমিত যৌন কামনা, যৌন বিকৃতি, পৰ্ণোগ্ৰাফি আদি লক্ষ্য লক্ষ্য শিশু-কিশোৰৰ সমুখলৈ ঠেলি দিয়ে। ক্ষোভেৰে বায়াৰ্ডে কৈছিল সেইদিনা, 'অবাক নহও যদি এদিন দেখো সমাজৰ ভেটিটোৱে গেলি পচি শেষ হৈছে।

আমেৰিকাতেই যি টিভিৰ বিৰুদ্ধে প্ৰতিবাদৰ পিছত প্ৰতিবাদ হৈছে, সেই টিভিক দেশৰ জনগণৰ টকাৰে নিৰ্মিত দূৰদৰ্শনৰ চেনেল এৰি স্বাধীন দেশৰ সংস্কৃতিবান চৰকাৰে। ই উদাৰনীতিৰ পৰিণতি - বিশ্বায়নৰ ফচল।

ৰাও চৰকাৰে আন এক বিৰল উপহাৰ দিছে ভাৰতীয় জনগণক। হলিউদৰ বহুজাতিক কোম্পানী টাইম ওৱাৰ্নাৰ গ্ৰুপৰ 'ওৱাৰ্নাৰ ব্ৰাদাৰ্চ ইন্টাৰনেছনেল থিয়েটাৰ্ছে' এক চুক্তি মৰ্মে ভাৰতত ২০০ চিনেমা হল প্ৰকল্প (Cinema Hall Complex) তৈয়াৰ কৰিব। তাৰ প্ৰতিটোতে থাকিব ১০ টা হল ঘৰ, বাৰ, ডিচ্‌কোথেক্‌, ভিডিঅ' গেম্‌ছপাৰ্লাৰ, ৰেষ্টুৰেন্ট, আৰু থাকিব দৰ্শকৰ মনোৰঞ্জনৰ বাবে প্ৰয়োজন হোৱা সকলো আহিলা। থাকিব বহুজাতিক কোম্পানীৰ জিভাৰ পানী পৰা 'ম্যাকডোনাল্ড', 'কেন্টাকি ফ্ৰাইড চিকেন' আদি খাদ্য সম্ভাৰ। বাদ নপৰিব সুৰা, নাৰী। এই ভোগ বিলাসত উটি যাবলৈ প্ৰতিটো হল ঘৰত বহিব পাৰিব ৩০০০ জন দৰ্শক। দহটা হলত ৩০,০০০ আৰু এই ব্যৱসায়ৰ পৰা হোৱা লাভৰ ১০০ শতাংশই যাব বিদেশলৈ। ইয়াৰ প্ৰথমটো প্ৰকল্প তৈয়াৰ হব মহাৰাষ্ট্ৰত। নাম দিয়া হৈছে তাৰ 'লা-প্লাজা তামাছা'।

আজি বহু জাতিক কোম্পানীবোৰৰ লোলুপ দৃষ্টি ভাৰতবৰ্ষৰ ওপৰত। কাৰণ, হিচাপ কৰি পাইছে যে ভাৰতবৰ্ষত সিহঁতে পাব ২ কোটি উচ্চ বিত্তৰ এক বৃহৎ বজাৰ, যি বজাৰ অকলে আন তিনিখন দেশৰ বজাৰৰ সমান। এই বৃহৎ অংশৰ হাতলৈ সৎ-অসৎ বিভিন্ন পন্থাৰে অপৰ্যাপ্ত টকা আহিছে। খৰছ কৰাৰ, উপভোগ কৰাৰ পথ বিচাৰি এইচাম বৰ মানুহ উদ্বাউল হৈ উঠিছে। সেয়ে 'লা-প্লাজা তামাছা'ৰ ব্যৱসায় যে 'হট-কেক' (Hot cake) হব তাত সন্দেহ নাই। সমাজৰ এই সকল ব্যক্তি তথা তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে 'লা-প্লাজা তামাছা'ত ছঘন্টা ধৰি হিংসা যৌনতা, নাচ, গান উপভোগ কৰি, গোটেই ৰাতি ডিচ্‌কো থেকত নাচি, 'কেন্টাকি ফ্ৰাইড চিকেন' লগত আকণ্ঠ মদ্যপান কৰি তাৰ বাহিৰতো যে জীৱন বুলি কিবা থাকিব পাৰে, পাহৰি যাব। লাহে লাহে নিম্ন-বিত্ত, গৰীব-দুঃখী জনৰো খোজ পৰিব 'লা-প্লাজা তামাছা' চৌহদত। প্ৰলোভনৰ হাত-বাউলিত ৰব নোৱৰি মূৰ আচন্দ্ৰই কৰিব কাৰখানাৰ শ্ৰমিক, ঠেলাৱালা, ৰিক্সাৱালাবো। হাড় ভঙা পৰিশ্ৰমৰ অন্তত পোৱা মজুৰি ঘৰ সংসাৰলৈ নিদি 'লা-প্লাজা তামাছা'ত সোমাই থাকিব দিনটোৰ দুঃখ যন্ত্ৰণা পাহৰি থাকিবলৈ। এইদৰে ধনী-দুখীয়া উভয়ে 'তামাছা'ৰ চিকাৰ হ'ব। ভোগবাদী সৰ্বস্বতাই গিলি পেলাব। ভোগ বিলাসৰ তাড়নাত সংঘটিত হ'ব বহু হিংস্ৰ তথা যৌন অপৰাধ। 'লা-প্লাজা তামাছা'ৰ দৰে ২০০ প্ৰকল্প সম্পূৰ্ণ হলে পশ্চিমীয়া বিকৃত সংস্কৃতিৰ ধাচত বলিব 'লা-প্লাজা তামাছা'ৰ দুষ্কৃতিৰ বলিয়া বতাহ, যাৰ আছাৰত খহি পৰিব দেশৰ সাংস্কৃতিক ভিত্তি ভূমিৰ এক বৃহৎ অংশ। অকল ইমানেই নে? লুণ্ঠিত হ'ব দেশ — দেশৰ ভৱিষ্যৎ।

এইদৰে ভাৰতীয় জনজীৱনলৈ নামি আহিছে এক সাৰ্বিক আক্ৰমণ

— এইদৰে কেন্দ্ৰীয় চৰকাৰৰ নীতিয়ে আমাক আৱদ্ধ কৰিছে এক নব্য ঔপনিবেশিক সাংস্কৃতিক শোষণত। ধৰ্ষিত হৈছে দেশৰ অৰ্থনৈতিক সাৰ্বভৌমত্ব।

কিন্তু এই আক্ৰমণৰ লক্ষ্য কোন আচলতে? আক্ৰমণৰ উদ্দেশ্যই বা কি?

সংক্ষিপ্ত উত্তৰ হৈছে দেশৰ জনগণৰ মানসভূমিয়েই হৈছে এই আক্ৰমণৰ লক্ষ্য বস্তু। গণমনক হতাশ-পংগু-অসাৰ কৰাই এই আক্ৰমণৰ উদ্দেশ্য। বনিয়াকুলে জানে যে সাংস্কৃতিক ছিন্নমূল কোনো জাতি সাৰ্বভৌমত্বৰ দাবীদাৰ হ'ব নোৱাৰে — নুশুনা হয় ধৰ্ষিতা মাতৃৰ আৰ্ত চিৎকাৰ। সেই বাবেই পাশ্চাত্য জগতে আজি ভাৰতীয় জনগণৰ ওপৰত জাপি দিছে বজাৰ সৰ্বস্ব, বিনোদন সৰ্বস্ব, ভোগবাদী, হিংসাত্মক যৌনতাপূৰ্ণ বিকৃত ৰুচিৰ-সংস্কৃতি, যাতে গণমানস বিকল হয় — মগজ পচি যায়। পচন ধৰা মগজত কেণ্টাকি ফ্ৰাইড চিকেনৰ গোন্ধ লাগিলে বা উলঙ্গ দেহৰ নৃত্যৰ ছেৱ সোমালে মনলৈ আহিব জেকচন, মেডোনাৰহে কথা; সত্যাজিত ৰায়, জ্যোতিপ্ৰসাদ, আইদেউ সন্দিকৈৰ কথা নাহে। মনত নপৰে উৎপল দত্ত, অৰবিন্দন বা ব্ৰজ শৰ্মাৰ কথা।

সেয়ে প্ৰয়োজন আজি প্ৰতি আক্ৰমণৰ। প্ৰয়োজন গণশক্তি জাগৰণৰ। মনত ৰখা দৰকাৰ, সদায় শেষ কথা কয় জনগণে। প্ৰচণ্ড নিৰ্ধাৰক শক্তি এই জনগণ। ছোভিয়েট সমাজতন্ত্ৰ ধ্বংস হ'ল কিয়? ছোভিয়েটৰ জন্মৰ লগে লগে ধনতন্ত্ৰবাদী দেশবোৰ এক লগ হৈ জঁপিয়াই পৰিছিল সমাজতন্ত্ৰ ধ্বংস কৰিবলৈ। সফল হ'ব নোৱাৰিলে কিন্তু। বিশ্বত্ৰাস হিটলাৰে ২য় বিশ্ব-যুদ্ধত ২ কোটি ছোভিয়েটবাসী হত্যা কৰিও সমাজতন্ত্ৰ ভাঙিব নোৱাৰিলে। কিন্তু সৌ সিদিনা সাম্ৰাজ্যবাদী শিবিৰে বিনা ৰক্তপাতে একেবাৰে নিঃশব্দে ছোভিয়েট ৰাছিয়া আৰু পূৰ্ব ইউৰোপৰ সমাজতন্ত্ৰ তচ-নচ কৰি দিলে। কিহৰ জোৰত? জনগণৰ জোৰত। এই জনগণক চালিত কৰিছে সমাজতান্ত্ৰিক শিবিৰৰ একাধিক বিচ্যুতি-জনিত ক্ষোভ আৰু সাম্ৰাজ্যবাদী সংস্কৃতিয়ে সৃষ্টি কৰা বিভ্ৰান্তি মূলক স্বপ্নই। ওলোটা পক্ষে সমাজতান্ত্ৰিক সমাজ কিউবাৰ জনগণৰ বাবে আজিও প্ৰেৰণাৰ উৎস বাবেই বিশ্বজোৰা সাম্ৰাজ্য বাদী আক্ৰমণৰ মাজতো সগৰ্বে বাচি আছে ক্ষুদ্ৰ কিউবাৰ সমাজতন্ত্ৰ জনগণৰেই বলত, যি জনগণে বজ্ৰকণ্ঠে ঘোষণা কৰিছে — 'হয় সমাজতন্ত্ৰ, নহয় মৃত্যু।'

গতিকে জনগণেই শেষ কথা কয়। জনগণেই শেষ বিচাৰক। সাম্ৰাজ্যবাদী অথবা শাসক শিবিৰেও ভালদৰে জানে এই কথা। সেই বাবেই সমস্ত আক্ৰমণৰ লক্ষ হয় জনগণ মন।

প্ৰতি আক্ৰমণো হ'ব লাগিব জনগণমনৰ মাজেদিয়েই। ভাৰতীয় গণমানস আজি অশিক্ষা, কুশিক্ষা তথা ধৰ্মান্ধতাৰ আন্ধাৰে আৱৰি ৰাখিছে। ফল হৈছে চৌদিশে প্ৰতিক্ৰিয়াৰ জয় জয় ময় ময়। কিন্তু গণচেতনাৰ মান যতেই উন্নত তাত চিত্ৰখন অন্য ধৰণৰ। পশ্চিমবঙ্গ, কেৰেলা, ত্ৰিপুৰালৈ আঙুলিয়াব পাৰি। পিছে চেতনাৰ উত্তৰণ হয় শ্ৰেণী সংগ্ৰামৰ মাজেদিহে। তাতো লাগিব অভিজ্ঞতাৰ বিশ্লেষণ। এই বিশ্লেষণৰ ক্ষেত্ৰতেই সংস্কৃতিৰ গুৰুত্ব অপৰিসীম। জনগণ যি অভিজ্ঞতাৰ মাজেৰে গৈ আছে তাৰ অৰ্থ তেওঁলোকৰ সমুখত তুলি ধৰিব লাগিব। সংগ্ৰামী অভিজ্ঞতাই জন্ম দিয়া আবেগক সংগঠিত ৰূপ দিব লাগিব। লক্ষ্য বস্তুক কেন্দ্ৰ বিন্দুত ৰাখি সৃষ্টি কৰিব লাগিব স্বপ্নৰ। সংহত আবেগ বা স্বপ্নইহে মানুহক কৰ্মত প্ৰবৃত্ত কৰিব পাৰে। এই স্বপ্ন সৃষ্টিৰ কাম এককভাৱে সংস্কৃতিৰ। সেই বাবেই বোধহয় লেনিনৰ কাষত এজন গৰ্কিৰ প্ৰয়োজন, মাও-চে-তুঙৰ কাষত এজন লুচুনৰ প্ৰয়োজন। পৃথিৱীৰ প্ৰতিটো যুগান্তকাৰী বিপ্লৱতেই গণমানসত নতুন দিনৰ স্বপ্ন সৃষ্টি কৰি সংস্কৃতিয়ে ঐতিহাসিক ভূমিকা পালন কৰি আহিছে। স্বপ্নহীন মন বন্ধ্যা নাৰীৰ দৰে, - অনুৰ্বৰ জমিৰ দৰে। বিপ্লৱ কুসুম নুফুলে কাহানিও তাত।

নাটক আৰু গানে পাৰে আবেগৰ কুণ্ডলী পকাব, স্বপ্নৰ স্বৰ্ণ সৌধ সাজিব, - যাক পাবলৈ গণমন উদ্বেলিত হয়, - কৰ্মত প্ৰবৃত্ত হয়। কেৱল চাব লাগিব সেই নাটক বা গানৰ ৰাজনীতি যাতে নিৰ্ভুল হয়, - জনগণৰ সপক্ষে থাকে। ভাৰতীয় থিয়েটাৰৰ প্ৰবাদ পুৰুষ উৎপল দত্তই এযাৰ মূল্যবান কথা কৈ থৈছে — "যি নাটকৰ ৰাজনীতি ভুল তাৰ সকলো ভুল।" আজি সাম্ৰাজ্যবাদৰ সৰ্বাত্মক আক্ৰমণত জন-জীৱন বিধবস্ত হোৱাৰ সময়ত সাম্ৰাজ্যবাদ আৰু তাৰ দালাল শাসকৰ বিৰোধিতাই হ'ব বৰ্তমান নাটকৰ সঠিক ৰাজনীতি। নাটকত ৰাজনীতিৰ নাম শুনিলেই জাপ মাৰি উঠা বা 'নিৰপেক্ষ' নাটক কৰা সকলক এটা কথা জনাই থোৱা উচিত হ'ব যে কোনো কালে কোনো শিল্প কৰ্ম অৰাজনৈতিক হব নোৱাৰে। আনকি মহাকাব্য ৰামায়ণ, মহাভাৰতেও তাকেই প্ৰমাণ কৰে। ৰোমা ৰোঁলা, ৰবীন্দ্ৰনাথ, ব্ৰেখট্, পল্ ৰবছন আদি বিশ্ব বিখ্যাত শিল্পী সকলে ফেচিবাদ বিৰোধিতাৰ দৰে ৰাজনৈতিক কৰ্তব্য পালনৰ পৰা আঁতৰত নাছিল। একেদৰে স্বাধীনতা সংগ্ৰামৰ কালত মুন্সী প্ৰেমচান্দ, কাজী নজৰুল ইছলাম, জ্যোতিপ্ৰসাদ, বিষ্ণু প্ৰসাদ আদি মহান শিল্পী সকলে নিজৰ সৃষ্টিৰ মাজেদি শাসকৰ বিৰুদ্ধে ৰাজনৈতিক দায়িত্ব পালন কৰি গৰ্বিত ঐতিহ্য এৰি গৈছে। আচলতে শিল্পত ৰাজনীতি থাকিব নালাগে বা নোৱাৰে বোলা কথাষাৰ শাসক শিবিৰৰ ষড়যন্ত্ৰ মূলক প্ৰচাৰ। 'বিশুদ্ধ' বা 'নিৰপেক্ষ' শিল্প কৰ্ম হৈছে বিভ্ৰান্তিমূলক সাজত শাসকৰ সপক্ষে কৰা ৰাজনৈতিক শিল্প। গতিকে দায়বদ্ধ শিল্পীৰ শিল্প কৰ্ম মানেই শোষণ, বঞ্চনাৰে ভৰা সমাজ এখনৰ জনগণৰ সপক্ষে চলোৱা এখন যুদ্ধ, যাৰ মুখ্য উদ্দেশ্য গণমুক্তি।

দেশ আজি একাধিক বিধ্বংসী বিপদৰ সম্মুখীন। এই বিপদৰ পৰা দেশক বচোৱাৰ সংগ্ৰামত আত্মনিয়োগ কৰাটো প্ৰতিজন দায়বদ্ধ শিল্পীৰে প্ৰাথমিক কৰ্তব্য। দেশ তথা জনগণৰ কথা চিন্তা নকৰা জনক ভাৰতৰ অন্যতম যুগনায়ক বিবেকানন্দই জাতিদ্ৰোহী, বিশ্বাসঘাটক আখ্যা দিছে। বিপৰ্যয়ৰ সময়ত দেশৰ প্ৰতি কৰ্তব্য পালনত দ্বিধাগ্ৰস্ত শিল্পীক বিপ্লৱী কবি সুকান্তই প্ৰশ্ন কৰিছে এইদৰে — 'ভাৰতবৰ্ষৰ মাটি দেয়নি কো? দেয়নি জল? দেয়নি তোমাৰ মুখেতে অন্ন বাহুতে বল.....?" (ভাৰতবৰ্ষই মাটি দিয়া নাই? পানী দিয়া নাই? দিয়া নাই তোমাৰ মুখত অন্ন বাহুত বল?')

তীক্ষ্ণতম অস্ত্ৰ শিল্প। সেই অস্ত্ৰ হাতত লৈ 'নিৰপেক্ষ' হৈ বা 'বিশুদ্ধতা'ৰ নামত বহি থকাৰ অৱকাশ নাই আজি। যি শত্ৰুৱে আজি দেশক বিক্ৰী কৰি দিবলৈ ওলাইছে, দুৰ্নীতি তথা দুষ্কৃতিৰ পয়োভৰেৰে সংস্কৃতিৰ বিপদ মাতি আনিছে, যি শত্ৰুৱে সাম্প্ৰদায়িক হিংসাৰ দ্বাৰা ৰক্ত ৰঞ্জিত কৰিব খুজিছে দেশৰ পৱিত্ৰভূমি, খণ্ড-বিখণ্ড কৰিব খুজিছে আইৰ বক্ষ, সিহঁতৰ বিৰুদ্ধে সাংস্কৃতিক আন্দোলন দুৰ্বাৰ কৰি তোলাৰ সময় আজি উপস্থিত। এই মহান কৰ্তব্য পালনত ব্যৰ্থ হলে ইতিহাসে আমাক নিশ্চয় ক্ষমা নকৰে।

*ড° সীতানাথ লহকৰ, গণিত বিভাগৰ অধ্যাপক।*

# যাদুকৰী বাস্তৱবাদ ঃ এক আধুনিক সাহিত্যিক ধাৰা

হৰেশ্বৰ বৰা

যাদুকৰী বাস্তৱবাদ উত্তৰ আধুনিক সাহিত্যৰ এক বিশেষ সাহিত্যিক ধাৰা। প্ৰকৃতাৰ্থত ঐতিহাসিক প্ৰেক্ষাপটেৰে অনুধাৱন কৰিলে দেখা যায় যে সাহিত্য হ'ল ৰোমাঞ্চ আৰু বাস্তৱবাদে ডকা-হকা কৰা এক ক্ৰিয়া ক্ষেত্ৰ। কোনো কোনো যুগত ৰোমাঞ্চধৰ্মী আৰু কোনো কোনো যুগত ৰূঢ় বাস্তৱবাদী সাহিত্য সৃষ্টিৰ এক আকাশলঙ্ঘী প্ৰয়াস পোৱা যায়। অৱশ্যে কেতিয়াবা দুয়োবিধ বিপৰীতধৰ্মী ধাৰাও একেলগে অৰ্থাৎ অৰ্ধেক বাস্তৱ, অৰ্ধেক কল্পনা সংঘাটপূৰ্ণভাৱে সহৱস্থান হ'ব পাৰে। যাদুকৰী বাস্তৱবাদ বা 'মেজিক ৰিয়েলিজিম্' ও এই ধৰণৰে এক আশ্চৰ্যপূৰ্ণ মিশ্ৰন।

এতিয়ালৈ ৰোমাণ্টিচিজিম, ৰিয়েলিজিম, চাৰেৰিয়েলিজিম্‌ৰ দৰে বিশ্ববন্দিত সাহিত্যিক ধাৰাৰ যিমান বিচাৰ বিশ্লেষণ, আলাপ - আলোচনা তথা সমালোচনা চলিছে 'মেজিক ৰিয়েলিজিম্'ৰ ওপৰত সিমান আলোচনা চলা নাই। আমাৰ অসমততো ইয়াৰ আলোচনা একেবাৰে পাতল। আনকি বৰ্তমানলৈ ইয়াৰ প্ৰকৃত সংজ্ঞা নিৰ্ণয় কৰিব পৰা এক সঠিক নিৰ্ণায়ক সংজ্ঞা অসম নালাগে, বিশ্ব সাহিত্যতো উদ্ভৱ হোৱা নাই। সেয়ে 'যাদুকৰী বাস্তৱবাদ'ৰ ওপৰত কৰা আলোচনা-সমালোচনাও এক প্ৰকাৰে অস্থিৰ বিশ্লেষণ মাত্ৰ। তথাপি মায়াবী বাস্তৱবাদৰ প্ৰসঙ্গত মানবেন্দ্ৰ বন্দ্যোপাধ্যায়ৰ এইষাৰ কথা বোধকৰো প্ৰণিধান যোগ্য - "ম্যাজিক ৰিয়েলিজিম্' এক কথায় ফ্যানটাসি আৰ মিথেৰ এক সৃষ্টিশীল মিশোল, যাৰ মধ্যে ওতপ্ৰোত মিশে আছে সামাজিক ও ৰাজনৈতিক তোলপাড়েৰ পৰাদৃষ্টি ও সচেতনতা।"

বিংশ শতিকাৰ ৰক্তক্ষয়ী ইতিহাস ৰচনা কৰা দুখনকৈ বিশ্বযুদ্ধ আৰু ফেচীবাদ, নাৎসীবাদ আদি প্ৰবল ভয়াবহ কথা কাণ্ডৰ প্ৰভাৱে বুৰ্জোৱা, গণতান্ত্ৰিক, উদাৰনৈতিক মানৱতাবাদী চেতনাপ্ৰবাহ সমূহক অসম্পূৰ্ণ আৰু অসাৰ্থক কৰি তুলিলে আৰু মাৰ্ক্সবাদক সম্পূৰ্ণকৈ গ্ৰহণ নকৰা অথচ কিছুদূৰ হ'লেও আস্থাশীল ৰেডিকেল বুদ্ধিজীৱি সকলে এক মধ্যৱৰ্তী জীৱনবোধ আৰু বিশ্ববীক্ষাৰ সন্ধানত অগ্ৰসৰ হ'ল। এই সন্ধানৰ পূৰ্ণাঙ্গ ফচল হ'ল ঝা পল্ ছাত্ৰেৰ অস্তিত্ববাদী দৰ্শন। পৃথিৱীৰ ক্ষণিক মানৱীয় প্ৰমূল্যবোৰৰ মাজত জীৱনৰ আনন্দ গান গোৱাটো দৰাচলতে এক কষ্টকৰ যদিও আকৰ্ষনীয় কাৰ্য্য। অস্তিত্ববাদী আত্মানসন্ধানত জীৱনকেই পৃথিৱীৰ শ্ৰেষ্ঠতম আদৰ্শ আৰু বাস্তৱৰ যথাৰ্থ সত্য বুলি ধৰা হৈছে। জীৱন হ'ল বিচিত্ৰময় গতিশীল আৰু ক্ৰমবিকাশমান সত্য। জীৱনৰ এই আমোঘ সত্য কেৱল মাত্ৰ পঞ্চেন্দ্ৰিয় বা যুক্তিৰে অনুধাৱন কৰিব নোৱাৰি; বৰঞ্চ মানুহৰ স্বাভাৱিক অন্তঃ আত্মা প্ৰজ্ঞাৰেহে উপলব্ধি কৰিব পাৰি। মানুহে এই অস্তিত্ব উপলব্ধি প্ৰাকৃতিক বা সামাজিক প্ৰয়োজনানুসৰি ইচ্ছামতে গঢ়িব নোৱাৰে। মুক্ত মানুহে নিজেই নিজক তৈয়াৰ কৰি লয়, নিজৰ কৰ্তব্য ও দায়িত্ব মূৰ পাতি লয় আৰু পৰিস্থিতিক জগৰীয়া নকৰে। সামাজিক ব্যৱস্থা তথা দুৰূহ বিধিসমূহে জন্ম দিয়া প্ৰাচীৰ সমূহৰ বিৰুদ্ধে স্বাধীনতা অম্বেষণত প্ৰবৃত্ত সকলে বিদ্ৰোহ কৰে। মূলত এনে স্বাধীন ব্যক্তিয়ে সমাজবাস্তৱক অতি সোনকালে নিজস্ব আত্ম প্ৰজ্ঞাৰ মাজেদি বুজি উঠে। সেয়ে এনে ধৰণৰ যি কোনো প্ৰস্তাৱিত কৃত্ৰিমতা বা প্ৰাচীৰ তেওঁ সচৰাচৰ সহজ ভাৱে ল'ব নোৱাৰে। সেয়ে পৰিণতিত ব্যক্তি আৰু সমাজ বাস্তৱতাৰ ভিতৰুৱা সম্পৰ্কত এক ৰেডিকেল ধাৰণাই সাহিত্যিক বাস্তৱতাৰ ওপৰত এক বলিষ্ঠ প্ৰভাৱ পেলালে। ফলত ইউৰোপ বিশেষকৈ লেটিন আমেৰিকাত সাহিত্যিক বাস্তৱতাৰ প্ৰসঙ্গত ন ন চিন্তাৰ শুভাৰম্ভ হ'ল, যাৰ মাজেদি সৃষ্টি হ'ল যাদুকৰী বাস্তৱবাদ।

মায়াবী বাস্তৱবাদ মূলতঃ এক কৌশলযুক্ত কলাত্মক ধাৰাহে। ই অস্তিত্ববাদৰ সদৃশ এক স্বাধীনচেতীয়া বিশ্ববীক্ষা বা দৰ্শন বা জীৱনবোধ নহয়। ই অস্তিত্ববাদকে ধৰি অন্যান্য দাৰ্শনিক শিৰা - উপশিৰাৰ ওপৰত নিৰ্ভৰশীল। যোৱা দশক কেইটিৰ পৰ্য্যালোচনাত দেখা যায় যে পৃথিৱীৰ সৰ্ব সমাদৃত প্ৰগতিশীল শক্তিশালী লেখক সকলে এই ধাৰাটোৰ জৰিয়তেই নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

যিমানদূৰ দেখা যায়, সামাজিক প্ৰসঙ্গৰ শূন্যতাত কোনো সাহিত্যিক ধাৰাৰে উদ্ভৱ হোৱা নাই। কোনো লেখকৰ মনৰ গভীৰতম কল্পনাৰ পৰাও কোনো ধৰণৰ সাহিত্যিক ধাৰাৰ জন্ম হোৱা নাই। ইয়াৰ জন্ম সম্পূৰ্ণ বাস্তৱৰ বাস্তৱিকতাৰ পৰাই। যাদুকৰী বাস্তৱবাদো তেনে ধৰণেৰে উদ্ভৱ হোৱা এক বাস্তৱভিত্তিক সাহিত্যিক ধাৰাহে। সমালোচক সকলে অনুসন্ধান কৰি ক'ব খোজে যে এই মায়াবী বাস্তৱবাদ মূলতঃ লেটিন আমেৰিকাৰ ঐতিহাসিক বাস্তৱৰ পৰা জন্ম আৰু তাতেই ইয়াৰ ক্ৰমবিকাশ। সেয়ে এই প্ৰসঙ্গত আমি কিছুদূৰ লেটিন আমেৰিকাৰ ঐতিহাসিক বাস্তৱলৈ যোৱাতো উচিত হ'ব। লেটিন আমেৰিকাৰ প্ৰায় সংখ্যক দেশ দীৰ্ঘদিন ধৰি ইউৰোপীয় শক্তিৰ স্বেচ্ছাচাৰী ঔপনিবেশিক শাসনৰ চাপত আছিল। এই নিষ্ঠুৰ শক্তি সমূহে ইয়াৰ অতিপুৰণি ইনকা, মায়া আদি ইন্দিয়ান বুলি খ্যাত সভ্যতাবোৰ এক প্ৰকাৰ আসুৰিক হত্যাৰে ধংস কৰি তাত উপনিৱেশ প্ৰতিষ্ঠা কৰিছিল। পাছত যেনিবা প্ৰবল মুক্তিবাদী মহাচিন্তা নায়ক সকলৰ অধীনত ৰক্তক্ষয়ী বিদ্ৰোহৰ জৰিয়তে এই দেশ সমূহ অক্টোপাচ সদৃশ নিষ্ঠুৰ শাসনতন্ত্ৰৰ পৰা মুক্তি লভিছিল। মূলতঃ এই বিদ্ৰোহৰ মূল বাঘজৰী হাতত লৈছিল ইউৰোপী বংশৰ অন্তৰ্গত কিছুমান স্থানীয় সামন্ত প্ৰভু আৰু সামৰিক বিষয়াই। পাছত এই সকলেই দেশৰ শাসন ক্ষমতা হস্তগত কৰিছিল। যি ৰূপান্তৰিত হ'ল স্বেচ্ছাচাৰী একনায়ত্ববাদী শাসন প্ৰণালীলৈ। যেনেকৈ সমগ্ৰ ভাৰতবৰ্ষ ইংৰাজৰ হাতৰ পৰা মুক্ত হৈ বৰ্তমানে এক নায়কত্ববাদী শাসন পদ্ধতিলৈ উন্নীত হ'ব ধৰিছে, ঠিক তেনে এক পদ্ধতিয়েই চলমান হৈছিল সেই লেটিন আমেৰিকান দেশ সমূহত; নামতহে এই দেশসমূহ গণতন্ত্ৰ। মাৰ্কিন সাম্ৰাজ্যবাদী পুঁজিয়ে নিজৰ শোষণ ক্ষমতা অটুত ৰক্ষাৰ স্বাৰ্থত গণতান্ত্ৰিক চেতনাক দমন কৰা দুৰ্নীতিলিপ্ত একনায়কত্ববাদী চৰকাৰবোৰক ক্ষমতা অটুত ৰক্ষাৰ বাবে অস্ত্ৰ-শস্ত্ৰৰে ধনে- জনে সহায় সহযোগ কৰি আহিছিল। এনে ৰাজনৈতিক পৰিৱেশে সমাজক কৰি তুলিছিল পঙ্গু আৰু বৈষম্যমূলক। স্বেচ্ছাচাৰী শাসন পদ্ধতিয়ে দেশৰ সুপ্ৰাচীন আদিবাসী সকলক আৰ্থ সামাজিক তথা ৰাজনৈতিক দিশত অৱদমিত কৰি ৰাখিছিল। যেনেকৈ আমাৰ অসম তথা ভাৰতবৰ্ষত আদিবাসী তথা শ্ৰমজীৱি চাহ বনুৱা, পাৰ্বত্যাঞ্চলৰ জনজাতি সকলক অৱদমিত কৰি ৰখাৰ যি নীচ মনোবৃত্তি প্ৰদৰ্শন কৰি আহিছে ঠিক তেনে। এই বৈষম্য মূলক আৰ্থ সামাজিক তথা ৰাজনৈতিক পটভূমিত শিকাৰুসকলৰ চিন্তা ভাৱনাত গঢ়ি উঠিছিল এক বিদ্ৰোপাত্মক প্ৰতিবাদী সুৰ। ইয়াৰে তদ্ৰূপ প্ৰকাশ এই মায়াবী বাস্তৱবাদত প্ৰাচীন ৰূপকথা (myth) প্ৰতীকময় ঐন্দ্ৰজালিক ভেলেকীবাজীৰ সমাহাৰেৰে উপস্থাপন কৰিছিল সমাজৰ এই নিষ্ঠুৰ বাস্তৱতা আৰু ৰাজনৈতিক পৰিঘটনা; যি একে সময়তে হৈ পৰিছিল এফালে বাস্তৱ, অন্যফালে অতিলৌকিকতাৰ এক সুদৃঢ় আকৰ্ষণ। 'Magic Realism' বা মায়াবী বাস্তৱবাদ এই ধৰণৰ এক পৰস্পৰ বিৰোধী সাহিত্যিক চিন্তা ধাৰা। এই শতিকাৰ এব্‌চাৰ্ড ধৰ্মী সাহিত্যিক ধাৰাৰ সৈতে, কোনো কোনো সমালোচকে যাদুকৰী বাস্তৱবাদৰ

সাদৃশ্য দেখা পাইছে। এবছাৰ্ড ধৰ্মী চিন্তাধাৰাত ট্ৰেজেদী, কমেডি, করুণ হাস্যৰসৰ পাৰ্থক্য যেনেকৈ নিঃকিন, ঠিক তেনেকৈ মায়াবী বাস্তৱবাদতো ট্ৰেজেদী, কমেডি, হাস্য - করুণ, বাস্তব - কল্পনা একাকাৰ হৈ ইয়াৰ পাৰ্থক্য বিলীন হৈ গৈছে। প্ৰকৃতাৰ্থত যাদুকৰী বাস্তৱবাদৰ বুনিয়াদেই হ'ল সকলো ধৰণৰ পৰস্পৰ বিৰোধী বৈচিত্ৰময় বৈসাদৃশ্য ধ্যান - ধাৰণাৰ মাজত সমন্বয় ঘটোৱা।

যদিও সাহিত্যত যাদুকৰী হাতৰ পৰশ সাহিত্য সৃষ্টিৰ আদিম পৰ্য্যায়ৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈ চিৰ প্ৰবাহমান গতিত বৈ আছে, তথাপি সকলোকে যাদুকৰী বাস্তৱবাদৰ মাজত সাঙুৰিব নোৱাৰি। প্ৰকৃতাৰ্থত মায়াবী বাস্তৱবাদৰ সৰ্বাত্মক প্ৰকাশ হৈছিল এই শতিকাৰ কেইজনমান মননশীল লেখকৰ লেখাতহে। যাক কেৱল আমি এই সংজ্ঞাৰে আৰোপিত কৰিব পাৰোঁ। এই সকল লেখক খুউব সম্ভৱ অধিবাস্তৱবাদী (Surrealism) ভাৱধাৰাৰে অনুপ্ৰাণিত। যাদুকৰী বাস্তৱবাদৰ দৃঢ় নেতৃত্ব বহন কৰিছিল তৃতীয় বিশ্বৰ কেইজনমান ঔপন্যাসিকে। এই সকলৰ ভিতৰত কলম্বিয়াৰ গেব্ৰিয়েল গাৰ্ছিয়া মাৰ্কুৱেজ, মেক্সিকোৰ কাৰ্লোচ ফুয়েণ্টছ, আলেহো কাৰ্পেন্তিয়াৰ, নাইজেৰিয়াৰ বেন অক্বি, পেৰুৰ মেৰিঅ' ভাৰ্গাচ য়'ছাৰ ভাৰতৰ চলমান ৰুশদী অন্যতম। আমাৰ অসমত মোৰ অনুমানেৰে কিছুপৰিমাণে উনুকিয়াব পাৰো সৌৰভ কুমাৰ চলিহাক; বিশেষকৈ 'তেওঁৰ ভ্ৰমন বিৰতি' শীৰ্ষক গল্পটোৰ প্ৰসঙ্গক্ৰমে। এই গল্পটিত কল্পনা আৰু বাস্তৱৰ সুন্দৰ সমন্বয় ঘটা দেখা যায়; যিটো যাদুকৰী বাস্তৱবাদৰ মূল ভেঁটি।

মায়াবী বাস্তৱবাদে আপ্লুত কৰা এই সকল লেখকৰ মূল ভেঁটি হ'ল জীৱনৰ আচহুৱা, আসোঁৱাহপূৰ্ণ দোধোৰ - মোধোৰ জটিল ব্যৱস্থা তথা প্ৰণালীক মানি লোৱা আৰু এনেকুৱা ব্যৱস্থাক তদ্ৰূপ বৰ্ণনা তথা অংকন কৰিবলৈ যাওঁতে সচৰাচৰ সাধাৰণ ধৰণৰ বিশ্লেষণ বিৰ্সজন দিয়া। তেওঁলোকৰ লেখাত জীৱনৰ সাধাৰণ দৈনন্দিন ঘটনাৰ সৈতে প্ৰাচীন ৰূপ কথা তথা অতি কথাৰ অলৌকিক সমাৱেশেৰে আশ্চৰ্যময় প্ৰকাশ ঘটিছে। নানাৰঙী কল্পনাৰ ৰামধেনু ফেণ্টাচীৰ জৰিয়তে নিৰ্মম ৰূঢ় বাস্তৱক সৰ্বাত্মকভাৱে চিত্ৰিত কৰিছে।

মায়াবী বাস্তৱবাদৰ মূল অগ্ৰনি ভূমিকা লোৱা প্ৰধান লেখকজন হ'ল -- কলম্বিয়াৰ প্ৰখ্যাত ঔপন্যামিক গেব্ৰিয়েল গাৰ্ছিয়া মাৰ্কুৱেজ। যদিও বহু সমালোচকে এই যাদুকৰী বাস্তৱবাদ নিৰ্ণায়ক ভূমিকা লোৱা আসনখন আলেহো কাৰ্পেন্তিয়াৰকাহে দিব খোজে। অৱশ্যে আমি এনেধৰণৰ সংঘাটময় সমালোচনাৰ পক্ষপাতী নহয়, সেয়ে এই লৈ আলোচনা নকৰোঁ। মাৰ্কুৱেজৰ প্ৰতিটো গল্প, প্ৰতিখন উপন্যাসত বিস্ময়ৰ পাছত বিস্ময়, আশ্চৰ্য্যৰ বিজুলী চমকৰ পাছত বিজুলী চমকে পঢ়ৈসকলক সন্মোহিত কৰে। অতিলৌকিক অতিলৌকিক যাদুৰ অনুৰূপ এই লেখা সমূহৰ চৰিত্ৰ, ঘটনা তথা কাহিনীৰ প্ৰতীকি অৰ্থই গঢ়ে সমাজৰ ৰূঢ় নিৰ্মম বাস্তৱ। তেওঁৰ 'One hundred years of solitude' শীৰ্ষক উপন্যাসখনত মানুহ, সাপৰ পৰা ৰূপান্তৰ হোৱা, বিশালঘন দুৰ্গম জংঘলৰ মাজত অনুষ্ঠিত হোৱা স্পেনীয় যুদ্ধ আৰু জাহাজৰ আৱিষ্কাৰ, শিশুৱে গাহৰিৰ নেজলৈ জন্ম লোৱা; আৰু আন এখন উপন্যাস 'Love in the time of chalera' ত পণ্ডিতৰ দ্বাৰা সুন্দৰ চিত্তাকৰ্ষ গুণমুগ্ধ কথা কোৱা ভাটৌৰ কথা, সোণ পেটত লৈ ফুৰা মুৰ্গীৰ কথাই পাঠক সকলৰ মনত গঢ়ি তুলিছিল এক যাদুসদৃশ পটভূমি। অৱশ্যে এই সমগ্ৰ ঘটনা প্ৰবাহে কেৱল মনোৰঞ্জনৰ বাবেই যে সৃষ্ট, তেনে নহয়। ই একেসময়তে বহন কৰিছিল নিৰ্মম বাস্তৱৰ এক প্ৰতীকি দুৰ্বহ অৰ্থ। মুৰ্গীৰ পেটত সোণৰ উপস্থিতিয়ে লেটিন আমেৰিকাৰ এল ডোৰাডোৰ মৰ্মান্তিক অধ্যায়ৰ কথা সংযোজন ঘটাইছে। এল ডোৰডো হ'ল ধন - সোণেৰে উভৈনদী এক কাল্পনিক দেশ, যাৰ লোভত ১৬ শতিকাত বহুতে দক্ষিণ আমেৰিকাৰ ঘন জংঘলত প্ৰাণ হেৰুৱাব লগা হৈছিল। অৱশ্যে মুৰ্গীৰ পেটত পোৱা সোণৰ কণীৰ অন্য অৰ্থ নথকা নহয়। মূলতঃ লেটিন আমেৰিকৰ ধন-সোণৰ পূৰ্ণতাত আকৃষ্ট হৈ উপনিবেশিক ইউৰোপীয়ান সকলে এই অঞ্চলসমূহ এক প্ৰকাৰে ধংসলীলা চলালে। দেশৰ সাৰ্বভৌমত্ব কাঢ়ি নিয়াৰ পাছত, স্থানীয় বাসিন্দা সকলৰ বৈষম্য, দৈন্যৰ মাজত তেওঁলোকৰ ঐতিহাসিক চেতনা নাইকিয়া হৈ পৰিল আৰু ইয়াৰে সুন্দৰ সমাৱেশ ঘটিছে মাৰ্কুৱেজৰ উপন্যাস, গল্পত।

অন্যান্য সাহিত্যৰ ইতিহাসত যেনেকৈ যাদুকৰী প্ৰভাৱ সাহিত্য দৃষ্টিৰ শুভাৰম্ভৰ পৰা একাদিক্ৰমে বিৰাজমান, আমাৰ অসম তথা ভাৰতবৰ্ষতো ইয়াৰ কাৰ্য্যক্ৰম অন্যৰ তুলনাত যথেষ্ট বেছি। যাদুৰ দেশ এই অসম তথা ভাৰতবৰ্ষ। তথাপি যাদুকৰী বাস্তৱবাদৰ পূৰ্ণাঙ্গ বিকাশ আমাৰ ইয়াত হোৱা নাই। অৱশ্যে যাদুকৰী বাস্তৱবাদৰ যি ভ্ৰূণ অনুৰণিত হৈছিল আমাৰ সাহিত্যৰ আদিম অৱস্থাত, তাৰ সুন্দৰ টনা - আজোঁৰাৰ উপস্থিতি আমাৰ পৰিলক্ষিত হৈছে কেইজনমান সাহিত্যিকৰ লেখাত। এনে ধৰণৰ যাদুৰ টনা - আজোঁৰা অনুমান হয় আমাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কিছুমান লেখাত। বিশেষকৈ প্ৰাচীন ৰূপ কথাৰ লগত সমাজৰ লোকাচাৰৰ যি সমন্বয় ঘটিছে, বুঢ়ী আইৰ সাধুতে সেয়া জানো কম যাদু। অৱশ্যে ইয়াৰ প্ৰকৃত যাদুকৰী বাস্তৱবাদত উল্লিখিত ৰাজনৈতক সচেতনতা নাই। বুঢ়ী আইৰ সাধুত সাপৰ সতে মানুহৰ বিবাহ আৰু সহবাস, ভেকুলীয়ে হাল বোৱা, হিল দল ভাঙি সমৰ শিঙা বজোৱা আদিও যাদুকৰী হাতৰ ঐন্দ্ৰজালিক উপস্থাপন। মুঠতে 'বুঢ়ী আইৰ সাধুৰ' প্ৰতিটো পাঠতে সমাজৰ আৰ্থ-সামাজিক দ্বন্দ্বৰ মাজত গঢ়ি উঠা একোটা পটভূমিত এক ঐন্দ্ৰজালিক চৰিত্ৰৰ ক্ৰিয়া - প্ৰতিক্ৰিয়াৰ যাদুকৰী প্ৰকাশ পোৱা যায়।

যাদুকৰী বাস্তৱবাদত কাহিনী বা চৰিত্ৰ অৱাস্তৱ বা অতিলৌকিক হ'লেও তাত বিশ্বাসযোগ্যতাৰ এক সুৰ পোৱা যায়। বাস্তৱিক দুখ-যন্ত্ৰনা, সামাজিক অন্যায় ইত্যাদিৰ আলমত অতি সুন্দৰ আৰু আকৰ্ষণীয় কৰি গঢ়ি পঢ়িব পৰা সাহিত্যলৈ উন্নীত কৰাটো যাদুকৰী বাস্তৱবাদী লেখকসকলৰ শ্ৰেষ্ঠতম কৃতিত্ব। আমাৰ অসমৰ দৰে সংকটাপূৰ্ণ, নানা সমস্যাৰে ভৰপূৰ ৰাজ্যখনত এনেধৰণৰ সাহিত্যিক ধাৰাৰ বহুল ব্যৱহাৰ হোৱাটো একান্ত কাম্য।

এটা কথা ঠিক, যাদুকৰী বাস্তৱবাদ বতমানেও এক পৰীক্ষণমূলক পৰ্য্যায়তে থকা সাহিত্যিক ধাৰাহে। ইয়াৰ অৱস্থিতি এতিয়াও স্পষ্ট নহয়। আনকি ইয়াৰ উৎপাত তথা ক্ৰমবিকাশ সমুলাংশৰ সম্পৰ্কত বিতৰ্ক নথকা নহয়। সেয়ে এনেকুৱা অস্পষ্ট বিষয় এটাৰ ওপৰত এটা টোকা লেখা কিমান কষ্টকৰ তথা জটিল সি সহজে অনুমেয়। সেয়ে ওপৰত কৰা সমূহ আলোচনাও মাথোঁ এক মোটা - মুটি পৰিচয়হে। 📖

[বিঃদ্ৰঃ -- লেখাটি যুগুতাওতে সহায় কৰিলে সৰ্বশ্ৰী সমীৰ তাঁতী, প্ৰদীপ্ত বৰগোহাঞি, কটনিয়ানৰ সম্পাদক প্ৰনৱ কুমাৰ বৰ্মন আৰু বন্ধুতুল্য প্ৰাক্‌জ্যোতিষৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ শেষান্তবৰ্ষৰ ছাত্ৰ চন্দন বেজবৰুৱা, সাংবাদিক বন্ধু মহানন্দ বৰা এই সকল আটাইলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।]

প্ৰসঙ্গ পুথি i. The art of the Novel ii. সাহিত্যত স্বপ্ন স্মৃতি আৰু বিষাদ
iii. মানবেন্দ্ৰ বন্দ্যোপাধ্যায়ৰ মাৰ্কুৱেজৰ ওপৰত আলোকপাত কৰা এক বাঙালী লেখা
iv. প্ৰদীপ্ত বৰগোহাঞি দেৱে লিখা যাদুকৰী বাস্তৱ বাদ আৰু তৃতীয় বিশ্ব শীৰ্ষক টোকাটি
v. 'কথা' সাহিত্য আলোচনী vi. অন্যান্য টুকুৰা-টুকুৰ টোকা

*হৰেশ্বৰ বৰা, ইংৰাজী বিভাগৰ স্নাতকোত্তৰ মহলাৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ।*

# স্বাধীন অসমৰ স্বপ্ন আৰু মানুহৰ স্বাধীনতা

অৰবিন্দ চক্ৰৱৰ্ত্তী

**"Those who expect to reap the blessings of freedom must like men, undergo the fatigue of supporting it"**

প্ৰচিয়াৰ অস্থিৰ ৰাজনৈতিক অৱস্থাত ফৰাচী বিপ্লবৰ প্ৰাণকেন্দ্ৰ পেৰিচৰ পৰা প্ৰকাশিত এখন জাৰ্মান কাকত "Vorwarts" ত "এগৰাকী জাৰ্মান মহিলাৰ চিঠি" শিৰোনামাৰে এখন চিঠি প্ৰকাশ হৈছিল। "এই ধৰণৰ সাংঘাতিক কথাবোৰ শুনি তোমাৰ বাৰু প্ৰুচিয়ান মনটো কঁপি নুঠেনে? এইবোৰ ঘটনা দেখি বেছিভাগ মানুহ আশাবাদী হৈ পৰিছে। এদিন ক্ষমতা তেওঁলোকৰ হাতলৈ আহিব সেই কথা ভাবি নিজে মনতে সান্ত্বনা লভিছে। ইয়াৰ দ্বাৰা প্ৰমাণিত হৈছে যে এদিন জাৰ্মানিত ৰাজনৈতিক বিপ্লৱ হ'বই। বাৰ্লিন চহৰত এটুকুৰা ৰুটিৰ ভিক্ষা বিচাৰি মানুহে তিনিদিন ঘুৰিও একো নাপাই অনাহাৰত মৃত্যুবৰণ কৰিবলৈ লৈছে - এক সামাজিক হত্যাকাণ্ডই ঘটিছে! যদি কিবা এটা হ'বলগীয়া আছে, ইয়াতেই আৰম্ভ হ'ব। এইডোখৰেই অট্টইত্বকৈ স্পৰ্শকাতৰ ঠাই। আনকি এক জাৰ্মান হৃদয়ো ইয়াত হননীয়।" উল্লেখনীয় যে এই চিঠিখন সেইসময়ত পেৰিছত থকা কাৰ্লমাৰ্ক্সলৈ তেওঁৰ ঘৈনীয়েক জেনী মাৰ্ক্স-এ লিখা। প্ৰুচিয়াৰ ত্ৰিয়াৰ চহৰত থকা এইগৰাকী মহিলাই যেতিয়া ক্ষোভ আৰু বিদ্ৰোহৰ স্ফুলিংগৰ মাজত চাইলেচিয়াৰ শিপিনীসকলে শ্ৰমৰ সময় হ্ৰাস কৰা আৰু দৰমহা বৃদ্ধিৰ দাবী জনাই চৰকাৰী ভেৰোনীয়া বাহিনীৰ বুলেট বুকু পাতি লোৱা দেখিছিল, যেতিয়া চাইলেচিয়াৰ এজন প্ৰাক্তন মেয়ৰে এটা চাকৰিৰ বাবে আবেদন জনাই ও কোনো সহাঁৰি পোৱাত ব্যৰ্থ হৈ প্ৰতিশোধৰ তাড়নাত ৰজাৰ গালৈ গুলীচালনা কৰিছিল আৰু তেনেধৰণৰ অসংখ্য ঘটনাই ঘটিবলৈ লৈছিল, সেই সময়তে জেনী মাৰ্ক্স এ এই মৰ্মস্পশী চিঠিখন লিখি তেওঁৰ স্বামী কাৰ্ল মাৰ্ক্সক নতুন উদ্দীপনাৰে উদ্দীপিত কৰি তুলিছিল। এই প্ৰসংগটো উল্লেখ কৰা হ'ল এই কাৰণেই যে চিঠিখনত উল্লিখিত সেই সময়ৰ জাৰ্মানীৰ ৰাজনৈতিক অৱস্থাতকৈ বৰ্তমান অসমৰ পৰিস্থিতি খুউব বেছি বেলেগ নহয়।

এই কথা স্বীকাৰ নকৰি উপায় নাই যে বৰ্তমান অসমৰ অস্থিৰ ৰাজনৈতিক বাতাবৰণৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰিছে সংযুক্ত মুক্তি বাহিনী (অসম) বা আলফা ৰ স্বাধীন অসমৰ দাবী। ইয়াত এই দাবীৰ যুক্তিযুক্ততা সম্পৰ্কে আলোচনা কৰাৰ পৰা বিৰত থাকি এটা কথাই উত্থাপন কৰিম যে আলফাৰ আদৰ্শৰ লগত পৰিস্থিতিৰ, মূল্যবোধৰ লগত বিপৰীত মূল্যবোধৰ সংঘাতৰ ভিত্তিত স্বাধীন অসমৰ স্বপ্নই কেনে সম্ভাৱনা কঢ়িয়াই আনিছে।

সচেতন মহলৰ এইটো অবিদিত নহয় যে সাম্প্ৰতিক সমাজ জীৱনৰ পৰা মহত্ত্ব আৰু সৌন্দৰ্য্য আঁতৰি গৈছে। আনহাতে, যি পৰিবেশত মহত্ত্ব আৰু সৌন্দৰ্য্য নাথাকে তাত মানৱীয় মূল্যবোধ থাকিব নোৱাৰে - ই এক নিষ্ঠুৰ সত্য। সূক্ষ্ম বিশ্লেষণেৰে এনে মানৱীয় মূল্যবোধহীন পংকিলময় পৰিবেশৰ প্ৰধান উৎস বিচাৰ কৰিলে দেখা যাব, উচ্চবিত্ত শ্ৰেণীৰ ভোগবাদী জীৱন চৰ্য্যাৰ বিপৰীতে সম্পূৰ্ণ বিপৰীত মেৰুত অৱস্থান গ্ৰহণ কৰি অৰ্থনৈতিক অসাম্যৰ বলি হ'ব লগা হৈছে গৰিষ্ঠসংখ্যক জনসাধৰণ। সমাজ ইতিহাস অধ্যয়ন কৰা ব্যক্তিমাত্ৰৰে এই কথা জ্ঞাত যে অৰ্থনৈতিক অসাম্যৰ ভেটিত সৃষ্ট বৈষম্যপূৰ্ণ সমাজখনৰ কৰ্মৰ প্ৰেৰণা আৰু স্বাৱলম্বিতাইহে সমতা অনাৰ প্ৰতিশ্ৰুতি বহন কৰিব পাৰে। ইয়েই সমগ্ৰ বিশ্বত ইতিপূৰ্বে সংঘটিত মহৎ বিপ্লৱবোৰৰ স্বভাৱসিদ্ধ থিয়'ৰি। আনহাতে অসমৰ প্ৰেক্ষাপটত যোৱা এটা দশক ধৰি সমাজ জীৱনত গভীৰভাৱে ৰেখাপাত কৰা আলফাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিবলৈ গলে এটা কথাই ভুমুকি মাৰে যে সামাজিক স্থবিৰতাৰ বিৰুদ্ধে হয়তো ই এক প্ৰতিবাদ — যি স্থবিৰতাৰ সৃষ্টি হৈছে মূলতঃ অৰ্থনৈতিক অসাম্যৰ ভেঁটিত। তেন্তে অসমৰ বৰ্তমান পৰিস্থিতিত আলফাৰ উত্থান এক যোগাত্মক বিষয় হৈ পৰাটোৱেই উচিত আছিল। কিন্তু বিগত সময়ছোৱাত যিটো ঘটা বা হোৱা উচিত আছিল তাৰ দহ শতাংশও প্ৰতিস্থিত নোহোৱাৰ কাৰণ কি? শাসকশ্ৰেণীৰ প্ৰৱঞ্চনাৰ বিৰুদ্ধে বঞ্চিত শ্ৰেণীটোৰ অন্তৰত জাগি উঠা ৰূপান্তৰৰ জুইকুৰা আলফাই যদি উপযুক্ত নেতৃত্বৰে আগবঢ়াই নিব পাৰিলেহেঁতেন, তেন্তে এই প্ৰশ্নৰ উত্তৰ বিচৰাৰ অৱকাশেই নাথাকিলহেঁতেন। সেয়েহে আলোচনাৰ সুবিধাৰ্থে শেহান্ত বছৰটোত আলফাৰ দ্বাৰা সংঘটিত বিভিন্ন ঘটনা প্ৰৱাহৰ পৰা (গেৰিলা যুদ্ধৰ খাতিৰত দুৰ্ঘটনা নুবুলিলো) তিনিটা গুৰুত্বপূৰ্ণ ঘটনা বাচনি কৰি ল'ম; যিকেইটা আমাৰ মানত আলফাৰ জাতীয় মুক্তি সংগ্ৰামৰ ধাৰাবাহিকতা বৰ্তাই ৰখাৰ ক্ষেত্ৰত 'টাৰ্নিং পইণ্ট' হিচাবে বৈ যোৱাৰ সম্ভাৱনা প্ৰৱল।

আমি বাছনি কৰি লোৱা প্ৰথমটো উদাহৰণ হ'ল, সঞ্জয় ঘোষৰ অপহৰণ যিটো সংগঠনটিৰ সাংগঠনিক পৰিকাঠামোৰ বিৰুদ্ধে এক প্ৰত্যাহ্বান হিচাপে পৰিগণিত হ'ল। সঞ্জয় ঘোষ যে এজন বিলাতফেৰৎ শিক্ষিত লোক আৰু মাজুলীৰ দৰে অৱহেলিত ঠাইত এভাৰ্দ এন- ই ৰ বেনাৰত স্বয়ম্ভূ সমাজকৰ্মীৰ ৰূপত আৱিৰ্ভাৱ হৈছিল, তাক অসমীয়া জনসাধাৰণে জানিছিল। আলফাৰ দ্বাৰা অপহৃত হোৱাৰ পিছতহে। সি যি কি নহওক, আলফাৰ মতে তেওঁ ৰ'ৰ এজেণ্ট হিচাবে জাতীয় মুক্তি সংগ্ৰামৰ ধ্বংসৰ ষড়যন্ত্ৰত লিপ্ত হৈছিল। আনহাতে জাতীয় তথা আঞ্চলিক পৰ্য্যায়ৰ বাতৰি কাকতসমূহে তেওঁক এজন নিষ্কলুষ সমাজকৰ্মী হিচাপে চিহ্নিত কৰিলে। তেনেস্থলত তেওঁ যদি সচাঁকৈয়ে অসমীয়া জনসাধাৰণৰ স্বাৰ্থৰ পৰিপন্থী কাৰ্য্যত লিপ্ত আছিল, তেন্তে তাক উপযুক্ত তথ্যসহকাৰে প্ৰমাণ কৰি ৰাইজৰ

**সাম্প্ৰতিক সমাজ জীৱনৰ পৰা মহত্ত্ব আৰু সৌন্দৰ্য্য আঁতৰি গৈছে। আনহাতে, যি পৰিবেশত মহত্ত্ব আৰু সৌন্দৰ্য্য নাথাকে তাত মানৱীয় মূল্যবোধ থাকিব নোৱাৰে - ই এক নিষ্ঠৰ সত্য। সূক্ষ্ম বিশ্লেষণেৰে এনে মানৱীয় মূল্যবোধহীন পংকিলময় পৰিবেশৰ প্ৰধান উৎস বিচাৰ কৰিলে দেখা যাব, উচ্চবিত্ত শ্ৰেণীৰ ভোগবাদী জীৱন চৰ্য্যাৰ বিপৰীতে সম্পূৰ্ণ বিপৰীত মেৰুত অৱস্থান গ্ৰহণ কৰি অৰ্থনৈতিক অসাম্যৰ বলি হ'ব লগা হৈছে গৰিষ্ঠসংখ্যক জনসাধাৰণ।**

সন্দেহ নিৰসন কৰিব লাগিছিল। জাতীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত সৃষ্টি হোৱা প্ৰতিবাদীটোৰ বিপৰীতে আলফাৰ ভূমিকাক সংগঠনটোৰেই বিভিন্ন জন নেতাৰ পৰস্পৰ বিৰোধী বিবৃতিয়ে অধিক ৰহস্যময়হে কৰি তুলিলে। ফলত শাসক শ্ৰেণীয়ে সংগঠনটোক জনসাধাৰণৰ পৰা কেইগজমান হলেও আঁতৰলৈ আনিবলৈ সক্ষম হ'ল।

আমি হাতত লোৱা দ্বিতীয় ঘটনাটিৰ লগত জড়িত থকা সংশয়টো হ'ল আদৰ্শৰ প্ৰশ্ন। অধ্যাপক অনিল কুমাৰ বৰুৱাক, যিজনে আজীৱন বৈষম্যপূৰ্ণ সমাজব্যৱস্থাৰ বিৰুদ্ধে যুজি সুজিও ভাগৰি পৰা নাছিল, হত্যাৰ লগে লগে আলফাই ইমানদিনে কৈ অহা সমাজবাদী ধাৰণাটোকে নস্যাৎ কৰি দিলে। আলফা যদি সঁচাকৈয়ে সমাজবাদী চিন্তাৰে পৰিচালিত, তেনেহলে দুখৰ স'তে সংগ্ৰাম কৰা সকলৰ সদায় কাষত থাকিব পৰা এজন প্ৰকৃত মানৱতাবাদীক কেতিয়াও হত্যা কৰিব নোৱাৰিলেহেঁতেল। আমাৰ ধাৰণাত, যদি এই ঘটনাটো সংগঠনটোৰ আদৰ্শৰ অৱক্ষয়ৰ মৰ্মবেদনা নহয়, তেনেহলে ইয়াক খণ্ডন কৰাৰ দায়িত্বও জাতীয় মুক্তি বাহিনীটোৰে একান্ত দায়িত্ব।

নিৰ্বাচিত তৃতীয় ঘটনাটো ওপৰত উল্লেখিত মূল্যবোধৰ প্ৰশ্নৰ লগত সম্পৰ্কিত। ১৯৯৮ চনৰে জুন মাহৰ কোনোবা এটা দিনত আলফাৰ কৰ্মীয়ে নগাওঁৰ ৰাইদিঙীয়া গাওঁৰ পৰা ৰশ্মি বৰা নামৰ ছোৱালী এজনী অপহৰণ কৰি নিয়ে। ঘটনাটোৱে সংগঠনটোৰ তৃণমূল পৰ্য্যায়ৰ কিছু কৰ্মীৰ অসুস্থ মানসিকতাৰ পৰিচয় দিয়াত সহায় কৰিলে। এজনী ষোড়শী গাভৰুক সেনাবাহিনীৰ চোৰাংচোৱাগিৰি কৰাৰ অপৰাধত হত্যা কৰা বুলি সদম্ভে ঘোষণা কৰা পত্ৰখনিয়ে আঁচলতে স্বাধীন অসমৰ ৰূপৰেখা বুলি বুজতেই অভিযোগ কৰিবলৈ লৈছে। (অঞ্চলটিৰ ৰাইজে তথা বাতৰি কাকতসমূহৰ মতানুসৰি ই এক প্ৰেমৰ করুণ পৰিনতিহে। এইখিনিতে স্মৰণীয় ইতিপূৰ্বে সংগঠনটোৱে মদাহী, চৌৰ্য্য বৃত্তিত নিমগ্ন লোকক শাস্তি বিহি কিছু সংস্কাৰ মূলক কাৰ্য্য হাতত লৈছিল। কিন্তু মদৰ মহলৰ পাৰ্মিট দিয়া, চাবিশ কোটি টকালৈ চৌৰ্য্য কামত লিপ্ত সমাজৰ বৰমুৰীয়া সকলৰ ক্ষেত্ৰত একা? বিষ বৃক্ষৰ আশ্ৰয়ত গজা সৰু সৰু উদ্ভিদ বিলাকক নিঃশেষ কৰাতকৈ গোটেই বিষবৃক্ষডাল উভালিব পৰাটোহে শ্ৰেয়ঃ। অৱশ্যে সেইটো অন্য এক প্ৰসংগ।)

আলফাৰ জাতীয় মুক্তি সংগ্ৰামৰ ইতিহাসৰ পৰা এই তিনিটা ঘটনা বাছনি কৰাৰ কাৰণ হ'ল সাধাৰণ জনসাধাৰণৰ সংশয় আৰু দ্বন্দ্বৰ মাজতো সংগঠনটিয়ে বহন কৰা সম্ভাৱনীয়তা দিকভ্ৰান্ত হোৱাৰ নিৰ্দেশ। এইটো অপ্ৰিয় সত্য যে সঞ্জয় ঘোষৰ হত্যাই আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত আলফাক প্ৰভূত ক্ষতি কৰিলে। তাৰ লগতে আন্তৰ্জাতিক গোষ্ঠীৰ আগৰ ভাৰতীয় শাসক শ্ৰেণীৰ অহৈতুক স্বদেশপ্ৰীতিৰ ভণ্ডামিক নতুন ৰূপ দান কৰিলে। অনিল কুমাৰ বৰুৱাৰ হত্যাকাণ্ডই পৰিৱৰ্তনকামী অসমীয়া শ্ৰেণীটো আৰু মুক্তি বাহিনীৰ মাজত এখন অপ্ৰত্যাশিত প্ৰাচীৰ বহুৱালে। ৰশ্মি বৰাৰ হত্যাই আলফাক তৃণমূল পৰ্য্যায়ত হাঁহিয়াতৰ পাত্ৰ কৰি তুলিলে।

ফলত (এনেধৰণৰ পদক্ষেপে - যিকেইটাক দৃষ্টান্তমূলক হিচাবেহে লোৱা হৈছে) এটি মুক্তিকামী সংগঠনৰ বাবে প্ৰয়োজন হোৱা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ কূটনৈতিক সম্পৰ্ক, জাতীয় স্তৰত ৰূপান্তৰকামী শ্ৰেণীটোৰ সহানুভূতিশীল মনোভাৱ আৰু তৃণমূল পৰ্য্যায়ত 'পকা চপৰাৰ সতে শত্ৰুতা থকা' লক্ষজনৰ হৃদয়ৰ অযুত মূৰ্চ্ছনা হাত সম্পদ হৈ বৈ যোৱাৰ সম্ভাৱনা থাকি যায়। লগতে ইয়াৰ ফলত উদ্ভৱ হোৱা বিৰূপ প্ৰতিক্ৰিয়াবোৰে সমাজ জীৱনৰ শূন্যতাক আন এক মাত্ৰা প্ৰদান কৰিব বা কৰিছেও।

এই লেখনীৰ আৰম্ভনীতে উল্লেখ কৰা চিঠিখনৰ জৰিয়তে জেনী মাৰ্ক্স - এ ৰাজনৈতিক অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত জাৰ্মানীত মানুহৰ মুক্তি যে আসন্ন, সেই আশা দৃঢ়তাৰে প্ৰকাশ কৰিছিল মুক্তি পথ সন্ধানী কাৰ্লমাৰ্ক্সৰ আগত। ঠিক একেধৰণে স্বাৰ্থান্বেষী ৰাজনৈতিক নেতাৰ অতপালিত বিধ্বস্ত অসমৰ নিঃস্বজনৰ স্বাধীনতা কিমান দূৰত! বৈষম্যপূৰ্ণ ভেটিহীন আমাৰ সমাজত অসহায় জীৱনৰ পথ উন্মুক্ত হবলৈ আৰু কিমান প্ৰহৰ! জেনী মাৰ্ক্সৰ ভাষাৰে তাক কাৰ আগতেইবা প্ৰকাশ কৰিব পাৰি। মানুহৰ স্বাধীনতা আৰু স্বাধীন অসমৰ স্বপ্নৰ খামখেয়ালিত এতিয়াও আচ্ছন্ন এইটো বহুমূলীয়া প্ৰশ্ন। — তথাপিও আমি আশাবাদী, পৰিৱৰ্তন আহিবই এদিন আহিবলগীয়া বাটেদি; যদিহে অসমীয়া বিদ্ৰোহীয়ে, খেতিয়ক কৰ্মচাৰীয়ে স্বাধীনতাৰ সংজ্ঞা নিৰূপনত ভুল নকৰে, যদিহে ভুল নকৰে দেৱালত লিপিবদ্ধ বিদ্ৰোহী শিল্পীৰ কণ্ঠস্বৰ শুনিবলৈ —

" কাৰাগাৰৰ নিঃসৰিত তেজৰ বৃষ্টিয়ে
গৰ্ভৱতী কৰিবই এদিন
মোৰ দেশৰ সকলো নদী
স্বাধীনতা মোৰ তেজৰ কোঁহে কোঁহে
এটাই মাথোন জীৱন মোৰ
সমৰ্পন কৰিছো তাকে
তোমাৰ নামত।" 📖

*অৰবিন্দ চক্ৰৱৰ্ত্তী, স্নাতক ৩য় বাৰ্ষিকৰ, ইংৰাজী বিভাগৰ ছাত্ৰ*

# কবিতাত পৰম্পৰা আৰু নৈৰ্ব্যক্তিকতাবাদ সম্পৰ্কে এলিয়ট

**বিপুল কলিতা**

'জিৰশ্যন', প্ৰুফ্ৰক বা 'ৱেষ্টলেণ্ড'ৰ কাব্যৰ সাৰ্থক সৃষ্টিকৰ্তা এলিয়ট আধুনিক যুগৰ এজন ক্ষুৰধাৰ সাহিত্য সমালোচক - ৰূপেও সমানে সমাদৃত। সাহিত্যৰ গুৰুত্বপূৰ্ণ বিষয়ত বিশেষতঃ সৃষ্টি প্ৰক্ৰিয়া আৰু তাৰ জটিলতা, সভ্যতা আৰু সামজিক প্ৰমূল্যৰ ওপৰত তেওঁ প্ৰায় পাচঁশ ৰচনাৰ মাজেৰে বৈপ্লৱিক ধাৰণা আনি দিব পাৰিছিল। টি . এছ. এলিয়টৰ কৃতি সম্বন্ধে মতামত দি John Heyward নামৰ এজন সমালোচকে কৈছে, "এনেকুৱা এজন দ্বিতীয় সমালোচকৰ কথা ভাবিবই নোৱাৰি, যি জীৱন কালতে ইমান বিস্তৃতভাৱে আলোচিত; কেৱল ইংৰাজীতে নহয়, ৰুছ ভাষাৰ বাদে, পৃথিৱীৰ প্ৰায়বোৰ সভ্য ভাষা - সাহিত্যতেই।" আনহে নালাগে 'জয়ন্তী' যুগৰে পৰাই এলিয়টীয় ফৰ্ম আৰু ভাষাই আমাৰ অসমীয়া কবি জনচেৰেকক বাৰকৈয়ে প্ৰভাৱিত কৰাৰ সুস্পষ্ট প্ৰমাণ আছে।

এলিয়টৰ কাব্য সমালোচনা ঐতিহাসিক চেতনাৰ দ্বাৰা আবৃত। ১৯ শতিকাৰ 'ৰোমান্টিক ব্যক্তিবাদ'ৰ তেওঁ বিৰোধিতা কৰিছিল। তেওঁ ভাবে যে প্ৰত্যেক যুগতে সাহিত্য জগতত ইয়াৰ পূৰ্বসুৰী সাহিত্যকৰ্ম সমূহৰ মূল্যাঙ্কন হোৱা উচিত আৰু তাৰ মাজেদি চলিত সময়ৰ কবিসকলক এটা নতুন পথ প্ৰদৰ্শন কৰাই সমালোচকসকলৰ দায়িত্ব। ১৯১৯ চনত প্ৰকাশিত 'Tradition and Individual Talent' নামৰ ৰচনা খনত এলিয়টে কাব্যিক ক্ৰিয়া প্ৰক্ৰিয়াৰ ওপৰত বিস্তৃত আৰু যুক্তিসম্ভূত মতামত দাঙি ধৰিছে। এলিয়টে ৰচনাখনিত তেওঁৰ সময়ৰ ইংৰাজসকলৰ অসমালোচনাময় মনবোৰক টিপ্পনি কৰিছে, যাৰ বাবে তেওঁলোকে এজন কবিৰ ব্যক্তিগত প্ৰকাশখিনিকে লৈ কবিজনাৰ প্ৰশংসা কৰিব খোজে। কিন্তু এলিয়টৰ ধাৰণাৰ মতে এজন কবিৰ শ্ৰেষ্ঠতা আৰু সৰ্ব্বোচ্চ ব্যক্তিগত প্ৰকাশ ঘটে তাতহে য'ত থাকে পূবসুৰী লেখকসকলৰ লক্ষণীয় প্ৰভাৱ। ইয়াতে এলিয়টৰ 'পৰম্পৰা'ৰ ধাৰণাৰ প্ৰকাশ ঘটিছে। পৰম্পৰা মানে পূৰ্বসুৰী কৰ্মৰ বা প্ৰজন্মৰ অন্ধ অনুকৰণ নহয়। পৰম্পৰা অনুকৰণীয় নহয়। ইয়াক কৃষ্টসাধনাৰ বলত আহৰণহে কৰিব পৰা যায়। এই সাধনাত থাকে পূৰ্বসুৰি লেখকসকলক সচাঁ অৰ্থত হৃদয়ংগম কৰাৰ আন্তৰিক প্ৰচেষ্টা। এটা সমালোচনামূলক চেতনা যাৰ সহায়ত ভালৰো ভাল আৰু উপযুক্ত খিনি বিচাৰি ল'ব পৰা যায়। আকৌ যাৰ ঐতিহাসিক চেতনা বা 'Historical sense' আছে তেওঁহে পৰম্পৰাৰ সতে জড়িত হ'ব পাৰে এই ঐতিহাসিক চেতনাত 'কেৱল অতীতৰ অতীত লুকাই নাথাকে, তাৰ বৰ্তমানো থাকে। গতিকে ঐতিহাসিক চেতনাসম্ভুত এজন লিখকে তেওঁৰ জড়িত সাহিত্যৰ ধাৰাটোৰ আৰম্ভণিৰ পৰা তেওঁৰ সময়পৰ্য্যন্ত এটা পৰিচলমান সাহিত্য পৰম্পৰা ৰক্ষা কৰাত সক্ষম হয়। 'পৰম্পৰা'ৰ স'তে জড়িত এজন কবি যিদৰে বৰ্তমানৰ প্ৰজন্ম সম্বন্ধে সচেতন, তেনেদৰে পূৰ্বসুৰী লিখকসকলৰ সতে তেওঁৰ সম্পৰ্ক সম্বন্ধেও সমানে সচেতন। কথা হ'ল, সৃষ্টিকাৰ্যৰ বাবে পৰম্পৰাৰ কি প্ৰয়োজন? প্ৰয়োজন এয়ে যে পৰম্পৰাই প্ৰত্যেক যুগৰ প্ৰজ্ঞা আৰু অভিজ্ঞতাক প্ৰতিনিধিত্ব কৰে।

এলিয়টে কেতিয়াও কোৱা নাই যে প্ৰত্যেক কবিয়ে অতীতক সম্পূৰ্ণৰূপে জানিবই লাগিব। সূক্ষ্মভাৱে অতীত বিশ্লেষণ কৰি, আটাইতকৈ প্ৰয়োজনীয় খিনি গ্ৰহণ কৰাৰ কথাহে তেওঁ কৈছে। আকৌ এজন কবিয়ে তেওঁৰ প্ৰিয় কেইজনমান কবি বা এটা বিশেষযুগক জানিলেই তেওঁৰ দায়িত্ব শেষ নহয়, তেওঁ সেই মহান পৰম্পৰাৰ সৈতে জড়িত হ'বৰ বাবে, সাহিত্যৰ মূল ধাৰাটো (Main Current) সম্বন্ধে সচেতন হবই লাগিব। মনকৰিব লগা কথা যে কেতিয়াবা মহান কবিসকলো এই মূল ধাৰাৰ পৰা আঁতৰত থাকিব পাৰে আৰু কেতিয়াবা একেবাৰে সুক্ষ্ম কবিসকলো এই ধাৰাৰ গুৰুত্বপূৰ্ণ অংশীদাৰ হ'ব পাৰে। এলিয়টে কেইবাজনো ৰোমান্টিক কবিক (শ্যেলী আৰু কীটছৰ বাদে) তেওঁৰ আন এখন ৰচনাত, সংবেদনশীলতাৰ সংহতি নথকাৰ বাবে এটা মূল কাব্যিক ধাৰাৰ পৰা আঁতৰত ৰাখিছে।

কবিতাত নৈৰ্ব্যক্তিকবাদৰ এলিয়টীয় ধাৰণাক বৈপ্লৱিক সূত্ৰ বুলি অভিহিত কৰা হয়। তেওঁৰ মতে কবিয়ে সদায় তেওঁতকৈ বেছি মূল্যবান কিবা এটাৰ ওচৰত নিজকে সমৰ্পন কৰিব লাগে। ধৰা হওঁক, পৰম্পৰাৰ ওচৰত। তেওঁৰ স্ব- কাব্যিক অনুভৱক ৰূপ দিয়াৰ অধিকাৰ অতীতৰ হাতত এৰি দিব লাগে। যিমানে কবিৰ জ্ঞান সাধনা আৰু অভিজ্ঞতা বাঢ়িব সিম'নেই তেওঁৰ কৰ্মৰ পৰা তেওঁৰ ব্যক্তিত্ব আতৰি যাব। তেওঁৰ কৰ্মৰ পৰা তেওঁৰ ব্যক্তিত্বৰ ব্যবধান যিমানেই বাঢ়িব সিমানেই সি সুন্দৰ হ'ব। এজন বিজ্ঞানীৰ দৰেই স্ব- আবেগ অনুভূতি প্ৰকাশৰ ক্ষেত্ৰত এজন কবি নৈৰ্ব্যক্তিক আৰু বস্তুনিষ্ঠ (Objective) হোৱা উচিত। কবিতাত কবিৰ ব্যক্তিসত্বা মূলবস্তু নহয়, মূল বিষয় হ'ল পৰম্পৰা। এটা ভাল কবিতা হোৱা উচিত পূৰ্বৰচিত সকলো ভাল কবিতাৰ সাৰাংশ স্বৰূপ। ব্যক্তিগত আবেগ বৰ্জিত হৈ কবিয়ে সেয়ে পৰম্পৰা আহৰণত ব্ৰতী হ'ব লাগে। এলিয়টৰ মতে কাব্য সৃষ্টিৰ

প্ৰক্ৰিয়াত কবিৰ মন বা ব্যক্তিসত্বাই 'অনুঘটকৰ' ভুমিকাহে পালন কৰে। কবিতাহে আচল বস্তু, কবি নহয়। এলিয়টৰ ভাষাত "Honest criticism and sensitive appreciation is direcet not upon the poet but uopn the poetry." অনুঘটকে যিদৰে ৰাসায়নিক বিক্ৰিয়া সম্ভৱ হোৱাত সহায় কৰে তেনেদৰে কবিৰ মনটোৱেও বিভিন্ন অভিজ্ঞতা আৰু ধাৰণাৰ সংযোজন ঘটাই সিবোৰক এটা ন ৰূপ লোৱাত সহায় কৰে - সিয়ে কবিতা। তেওঁৰ মতে, "অভিজ্ঞতাৰ বেদনা অনুভৱ কৰা মানুহজনৰ পৰা কাব্য সৃষ্টি কৰা মনটো বেলেগ। "এয়ে কবিতাৰ নৈৰ্ব্যক্তিকতা। কবিৰ নিজা কোনো ব্যক্তিত্ব নাথাকে প্ৰকাশৰ বাবে, তেওঁ মাথো অনুভৱ আৰু অভিজ্ঞতা জোৰা লগোৱাৰ মাধ্যমহে। এনেকুৱা কিছুমান অভিজ্ঞতা থাকিব পাৰে যাৰ কবিৰ ক্ষেত্ৰত কোনো গুৰুত্ব নাই। কিন্তু কবিতাত গুৰুত্ব অপৰিসীম। আন কেতবোৰ কবিতাও গুৰুত্বহীন কিন্তু কবিৰ বাবে গুৰুত্বপূৰ্ণ অভিজ্ঞতা। এনেদৰেই এলিয়টে "Romantic Subjectivism" ক প্ৰত্যাখ্যান কৰিছে।

এলিয়টৰ ভাষাত 'কবিতা আবেগৰ পৰা এক পলায়ন (Escape)। ই ব্যক্তিসত্বাৰ প্ৰকাশ নহয়, বৰং ব্যক্তিসত্বাৰ পৰাই এক পলায়ন।" কবিতাৰ এই নৈৰ্বক্তিকতা তেতিয়াহে পাব পাৰি যেতিয়া কবিয়ে তেওঁৰ সৃষ্টিকৰ্মৰ প্ৰতি নিজকে সমৰ্পণ কৰিব। কবিয়ে নিজৰ কৰণীয়খিনিৰ জ্ঞান আহৰণ কৰিব পাৰিব "পৰম্পৰা'ৰ অন্তৰ্ভুক্ত হ'লেহে; তাৰ বাবে লাগিব ঐতিহাসিক চেতনা, যি তেওঁক অতীত আৰু বৰ্তমান, মৃত আৰু জীৱিত দুয়োটাৰে প্ৰতি সচেতন কৰিব। যি হ'ব তেওঁৰ কৰ্মক মহান কৰি তোলাৰ অস্ত্ৰ।

এলিয়টৰ সমালোচনাত আছে - চৰম গতিশীলতা। ওৱাৰ্ড্ছৱৰ্থৰ মতামতৰ পিছতে অধিক আলোচিত হৈছে এলিয়ট। ৰোমাণ্টিক যুগৰ ধাৰণা কবিতা - "Recollection of emotion in tranquility" বা এলিয়টৰ সমালোচনাই চুড়মাৰ কৰিছে। সকলোধৰণৰ Subjective (ব্যক্তিনিষ্ঠ) ধাৰণাৰ বিপৰীতে কাব্যক সৃষ্টি প্ৰক্ৰিয়াৰ বস্তুনিষ্ঠতাৰ (Objective) ৰূপ দিছে। তেওঁৰ 'পৰম্পৰা'ৰ ধাৰণাত প্ৰভাব সম্পৰ্কেও মতামত দিছে। প্ৰভাৱ স্বৰ্তঃস্ফূৰ্ত এৰাব নোৱাৰা। প্ৰভাৱ আৰু অনুকাৰণৰ মাজত পাৰ্থক্য আছে। সেয়ে কোনো কবিৰ কবিতাত পূৰ্বসুৰী কবিৰ 'প্ৰভাৱ' দেখিলে তাকে অনুকৰণ বুলি হৈ - চৈ কৰাৰ যুক্তি নাথাকে। বৰং কিছু কিছু ক্ষেত্ৰত এই প্ৰভাৱ প্ৰয়োজনীয়হে। মুঠ কথাত, এলিয়টৰ ব্যাখ্যাৰ আঁত ধৰি ক'ব পাৰি যে কাব্য সৃষ্টিত ব্যক্তিতকৈ পৰম্পৰা তথা প্ৰাচীন অভিজ্ঞতা আৰু জ্ঞানৰ প্ৰয়োজনহে অধিক, যি একেটা ধাৰাতে যুগ যুগ ধৰি প্ৰবাহিত হৈ আহিছে আৰু যাৰ পৰা আঁতৰি থাকি কোনো কবিয়েই প্ৰকৃতাৰ্থত মহান হ'ব নোৱাৰে।





# '৪৭ ৰ স্বাধীনতা

## এটি নৱ মূল্যায়ন আৰু প্ৰাসংগিকতা

**সিদ্ধাৰ্থ শংকৰ ডেকা**

**এটি পুৰণি অধ্যায়ৰ পাতনিৰে ঃ** " we propose to withdraw from India in our own method and in our own time and with due regard to our own interests ..............."

('ক্ষমতা হস্তান্তৰৰ নিৰ্মম কাহিনী', শংকৰ শইকীয়া, আজিৰ দূত)

ধনতন্ত্ৰবাদৰ ৰাজত্বৰ এই দুঃসময়ত এনে ধৰণৰ তথ্য কোনো নতুন নহয়, বিশেষকৈ সাম্ৰাজ্যবাদৰ বিচৰণস্থলী এই ভাৰতবৰ্ষত । কিন্তু এই তথ্য এতিয়াৰ নহয় বৰং আজিৰ পৰা পঞ্চাশ বছৰ আগৰ । ওপৰোক্ত বাক্য কেইটাই ১৯৪৭ চনৰ পহিলা তাৰিখত ভাৰতবৰ্ষৰ প্ৰায় ত্ৰিশ কোটি

(তেতিয়াৰ) জনগণৰ ভাগ্য নিৰ্ধাৰণ কৰিছিল আৰু এয়া আছিল বৃটিছ সেনা বাহিনীৰ শীৰ্ষ বিষয়া ছাৰ আৰ্চিবেল্ড ৱাভেলৰ এক গোপন প্ৰতিবেদনৰ গুৰুত্বপূৰ্ণ অংশ । সেই সময়ৰ 'পৰাধীন' ভাৰতবৰ্ষৰ সমস্ত পৰিস্থিতিৰ পৰ্য্যালোচনা কৰি পৰোক্ষ উপনিবেশৰ বাবে ভাৰতবৰ্ষক প্ৰস্তুত কৰাৰ ষড়যন্ত্ৰ উক্ত প্ৰতিবেদনখনে বহন কৰিছিল , ওপৰোক্ত বাক্যাংশই তাৰ যথাৰ্থতা প্ৰমাণ কৰে । নিজৰ পদ্ধতিৰে , নিজৰ সময়মতে আৰু নিজ স্বাৰ্থ সুৰক্ষিত কৰি বৃটিছ শাসক সকলে দি যোৱা স্বাধীনতা'ৰ পুনৰ মূল্যায়ন কৰাটো বিশ্ব ৰাজনীতিৰ জটিল পৰিস্থিতি আৰু এতিয়াৰ প্ৰায় নব্বৈ কোটি জনগণৰ মুক্তিৰ বাবে অতীৱ প্ৰয়োজনীয় । চৰকাৰী ভাৱে ইতিমধ্যে পঞ্চাশ বছৰীয়া 'স্বাধীনতা'ৰ নামত ৰাজহুৱা ধনৰ শৰাধ আৰম্ভ হৈ গৈছে। ইফালে দেখ দেখকৈ দেশ বন্ধকত গৈছে, দৰিদ্ৰ জনগণৰ হাহাকাৰ লাগিছে । তাৰ মাজতো মহামূৰ্খৰ দৰে চৰকাৰ আৰু স্তাৱকবৃন্দই স্বাধীনতাৰ গুণগানত এনেদৰে ব্যস্ত হৈছে যে নহহাঁ জনেও হহাঁ হৈছে। যি স্বাধীনতাৰ বাবে কোটি কোটি জনতাই প্ৰাণাহুতি দিলে, শত দুখ কষ্ট মূৰ পাতি ললে, অবৰ্ণনীয় অত্যাচাৰ , উৎপীড়ন বিনা প্ৰতিবাদে সহ্য কৰি গ'ল সেই স্বাধীনতা আমি জানো পালো ? বিধ্বস্ত সমাজজীৱনে এই প্ৰশ্নটোৰ সঠিক উত্তৰ নিশ্চিত ভাবেই দিব পাৰে । তথাকথিত 'টাইগাৰ' দেশবোৰৰ অচলাবস্থাৰ পৰিপ্ৰেক্ষিতত এতিয়া মুক্ত অৰ্থনীতিৰ প্ৰবক্তা ভাৰত ৰাষ্ট্ৰৰ ক্ষেত্ৰতো একেই আশংকা কৰা হৈছে, শোষিত জনগনৰ বিধ্বস্ত অৰ্থনীতিৰ কবলত পৰি উশাহ নিশাহ বন্ধ হোৱাৰ উপক্ৰম হৈছে আৰু এই আটাইবোৰৰ বাবে দায়ী হব একমাত্ৰ ৪৭'ৰ তথাকথিত 'স্বাধীনতা' , যিয়ে প্ৰকৃত স্বাধীনতাৰ দুৱাৰ বান্ধ কৰি থ'লে । প্ৰকৃত স্বাধীনতাৰ সলনি আমি পালো মাত্ৰ কিছুমান

সাম্রাজ্যবাদৰ গোলাম শাসকক।আৰু তেওলোকৰ স্তাৱকবৃন্দই আজিও এই ক্ষমতা হস্তান্তৰেই স্বাধীনতা বুলি চিএৰ বাখৰ কৰি আছে। এই সকলৰনো স্বাৰ্থ কি সেয়া এতিয়া গোপন হৈ থকা নাই। তথ্যই কয় যে ১৯৪৭ চনৰ ২৩ জুন তাৰিখে চিমলাত সুবিধাবাদী কংগ্ৰেছী নেতা আৰু চৰকাৰৰ মাজত সম্পন্ন হোৱা 'চুক্তি' প্ৰকৃততে এক বুজাবুজি হে আছিল। উল্লেখ্য যে উক্ত 'চুক্তি'অনুসৰি সৰ্বসন্মতি ক্ৰমে 'Indian Independence Act' নামৰ এক আপোচমূলক আইন প্ৰনয়ণ কৰিছিল, য'ৰ ৮ (১) দফাত স্পষ্ট ভাষাৰে উল্লেখ আছিল যে 'ভাৰতীয়ৰ হাতলৈ ক্ষমতা হস্তান্তৰ কৰা হৈছে' আৰু তেতিয়াৰ বিশ্ব ৰাজনীতিয়ে প্ৰমাণ কৰে যে ই কোনো পধ্যেই স্বাধীনতা নহয় বৰং পৰাধীনতাৰ ন-সংজ্ঞাহে যাৰ অন্য নাম-পৰোক্ষ সাম্ৰাজ্যবাদ।

*এক নতুন ইতিহাস : বঞ্চনাৰ পঞ্চাশ বছৰীয়া ইতিহাস।*

১৯৪৭ চনৰ পৰা ভাৰতবৰ্ষত এক নতুন ইতিহাস ৰচিত হ'ল। এয়া হ'ল বঞ্চনাৰ ইতিহাস।১৯৪৭ চনৰ আগতে ভাৰতবৰ্ষৰ জনগণে বঞ্চিত হৈছিল বৃটিছ শাসকৰ দ্বাৰা আৰু ১৯৪৭ চনৰ পাছত বঞ্চিত হ'ল ভাৰতীয় শাসকৰ হাতত। শোষনৰ প্ৰক্ৰিয়া একেই থাকিল মাত্ৰ সলনি হ'ল শাসক। ফলত ভাৰতবৰ্ষ পৰিণত হ'ল এখন অৰ্দ্ধ-সামন্তবাদী আৰু অৰ্দ্ধ উপনিবেশিক (semi feudal semi-colonial) ৰাষ্ট্ৰত। স্বাধীনতাৰ উলহমালহ ৰাষ্ট্ৰৰ শাসকে যিমানেই নকৰক কিয়, এই ফোপোলা উলহ মালহে এতিয়া আৰু ভোক নিবনুৱা, দুখ-বেজাৰ, অত্যাচাৰেৰে নিপীড়িত জনগণক আকৰ্ষিত নকৰে। কিয়নো যোৱা পঞ্চাশটা বছৰে ই আমাক একোৱেই দিব নোৱাৰিলে বৰং থকাখিনিও কাঢ়ি লৈ যোৱা হ'ল। যি স্বাধীনতাই মানুহৰ মৌলিক সমস্যা সমূহ সমাধান কৰিব নোৱাৰে সেই স্বাধীনতাৰ অৰ্থই বা কি ? মাও চে তুঙে কৈ গৈছে 'ৰাজনীতি অৰ্থনীতিৰে ঘনীভূত ৰূপ'। তেনেস্থলত ভাৰতবৰ্ষ স্বাধীন হ'লেই বা কেনেকৈ।এখন স্বাধীন দেশত জানো বাজেটৰ দৰে আভ্যন্তৰীন বিষয় বোৰত বিশ্ব বেংক বা আই এম এফৰ দৰে পুঁজিবাদৰ বহুতীয়া অনুষ্ঠানবোৰৰ চৰ্দাৰী চলে ? অৰ্থাৎ ভাৰতৰ ৰাজনৈতিক স্বাধীনতা ও লুপ্ত হোৱাৰ পথত।

ক্ষমতা হস্তান্তৰৰ চুক্তি হৈছিল শোষণ বাহাল ৰখাৰ চৰ্ত্তত। আৰু জনগণৰ আশা আকাংক্ষা পুৰণত ব্যৰ্থ ভাৰতীয় শাষকবৰ্গই উক্ত চৰ্ত্ত কিন্তু সুদক্ষতাৰে পালন কৰি আহিছে।যাৰ ফলত প্ৰতিবাদৰ উত্তৰত তেজৰ নৈ বোৱাই দিয়া হৈছে।নক্সালবাৰীৰ নয়া - গণতান্ত্ৰিক সংগ্ৰামৰ বাবে ওলাই অহা শ শ কৃষক যুৱকক হত্যা কৰি, পঞ্জাব,কাশ্মীৰ আৰু পূৰ্বাঞ্চলৰ নায্য বিদ্ৰোহ দমনৰ বাবে নীৰিহ লোকৰ প্ৰাণ লৈ শাষকবৃন্দই ইয়াৰে প্ৰমাণ দিছে। সাম্প্ৰতিক কালত ঘটি থকা ভাতৃঘাতী, গোষ্ঠীগত, সাম্প্ৰদায়িক সংঘৰ্ষৰ কাৰণো শাসকবৃন্দৰ বৃটিছ প্ৰদত্ত ডিভাইড এন্ড ৰুলৰ পৰিণতি। ক্ষুদ্ৰ জাতিসত্বা সমূহৰ স্বকীয়তা আৰু বিকাশৰ অধিকাৰো একেই ষড়যন্ত্ৰৰ ফল স্বৰূপে লুপ্ত কৰাৰ চেষ্টা চলিছে। অথচ ৰাষ্ট্ৰসংঘই ইতিমধ্যে ক্ষুদ্ৰ জাতিসত্তা সমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক স্বীকৃতি প্ৰদান কৰিছে।তাতো সদিচ্ছা দেখুওৱা নাই আমাৰ মহান ৰাষ্ট্ৰনেতা সকলে - The Government of India also does not recognise right of self determination of any group of people within India ........... ('মোক স্বাধীনতা লাগে' পৰাগ কুমাৰ দাস) অতিকেন্দ্ৰিক শাসন ব্যৱস্থাৰে বলপূৰ্বক শাসন আৰু শাসন চলোৱাৰ পক্ষপাতীত্ব কৰা শাসকসকলে আজি জনগণক 'শাসন' কৰিবলৈ ৰাংকুকুৰ সদৃশ সেনাবাহিনী মেলিদিছে।তাৎপৰ্য্য পূৰ্ণভাৱে ভাৰতৰ সংবিধান খনে প্ৰতিনিধিত্ব কৰে মাত্ৰ ১৬% জনগণকহে।

অৰ্থনৈতিক ক্ষেত্ৰতো দুখলগাকৈ ব্যৰ্থ 'স্বাধীন' ভাৰত। সেইবাবেই টাটা-বিৰলাৰদৰে বিয়াগোম পুঁজিপতি গোষ্ঠীত শৰণাপন্ন বহুজাতিক 'Henry Keisar & Co বা Volhart ৰ দৰে গোষ্ঠীৰ চৰণত।

'স্বাধীনতা'ৰ এই স্বৰ্ণজয়ন্তীৰ সন্ধিক্ষণত আমি সাজু হ'বৰ হ'ল বাস্তৱ-বাদৰ সম্মুখীন হ'বৰ বাবে। স্বাধীনতাৰ নব মূল্যায়ন তেতিয়াহে সম্ভৱ হ'ব। এই লিখনিৰ দ্বাৰাই বিপ্লৱী বিষ্ণু ৰাভাৰ কণ্ঠেৰে আমি ঘোষণা কৰিলো - ইয়ে আজাদী ঝুথা হায়। ৪৭'ৰ স্বাধীনতা ভুৱা।

সাতখন সৰু, মজলীয়া ধৰণৰ ৰাজ্যক লৈ গঠিত পূৰ্বাঞ্চল, যাক ভাৰতৰ শাসক বৃন্দই ভাৰতৰ উত্তৰ পূৰ্বাঞ্চল বুলি কয়।ইয়াৰ মুঠ আয়তন প্ৰায় ২,৬২,০০০ বৰ্গ কিঃ মিঃ। মুঠ জনসংখ্যা প্ৰায় ৩৫০ লাখ। অসমীয়া, নগা, মিজো, মণিপুৰী, খাচীয়া, নক্‌টে, খামটী, গাৰো, বড়ো আদি বহু ক্ষুদ্ৰ জাতিসত্বাৰ লোকৰ বাসস্থান। নৃ-গোষ্ঠীৰ লোকৰ বসতিও ইয়াত বিৰাজমান।

**বঞ্চনাৰ অধ্যায় :** ক্ষমতা হস্তান্তৰৰ আগৰ পৰাই পূৰ্বাঞ্চলত জাতীয় মুক্তি সংগ্ৰামৰ ধাৰা বিচ্ছিন্নভাবে চলি আছিল। পৰাক্ৰমী বৃটিছ সকলেও এই অঞ্চলটোক কোনো দিনে সম্পূৰ্ণ আয়ত্বলৈ আনিবলৈ নোৱাৰিলে। সাম্ৰাজ্যবাদ আৰু চৰকাৰ বিৰোধী জংগী গণসংগ্ৰামে বৃটিছ শাসক সকলক কেতিয়াবাই পূৰ্বাঞ্চলৰ বাহিৰ কৰি দিলেহেঁতেন যদিহে এচাম স্বাৰ্থান্ধ লোকে বিশ্বাসঘাটকতা নকৰিলেহেঁতেন।এই মধ্যভোগী শ্ৰেণীটোৰ সহায়ৰ বাবেই বৃটিছে পূৰ্বাঞ্চলত একচেতীয়া অধিকাৰ স্থাপন কৰিলে। আৰম্ভ হ'ল বঞ্চনাৰ অধ্যায়। তাৰপিছত সহায়ৰ হাত আগবঢ়োৱাৰ বাবে আহিল মুখাপিন্ধা দেশপ্ৰেমিকৰ দল কংগ্ৰেছ। ফলত জাতীয় মুক্তি-সংগ্ৰামৰ ধাৰা ভুল পথেৰে পৰিচালিত হ'ল। ক্ষমতা হস্তান্তৰৰ চৰ্ত্ত মানি সেই কংগ্ৰেছৰ চৰকাৰ স্থাপিত হ'ল।

তেতিয়াৰ পৰাই বঞ্চনাৰ দ্বিতীয়টো অধ্যায় আৰম্ভ হ'ল। নেহেৰু চৰকাৰে জাতীয় শোষণৰ নীতিকে অনুসৰণ কৰাৰ ফলত এই অঞ্চলৰ বিভিন্ন জাতিসত্বাৰ গণতান্ত্ৰিক আৰু দেশপ্ৰেমিক আশা আকাংক্ষাবোৰ ধুলিস্যাৎ হ'ল।অৰ্থনীতি হস্তগত কৰা হ'ল জমিদাৰ, দালাল, আদিৰ দ্বাৰা। ব্যৱসায়, বাণিজ্য তথা উদ্যোগ আৰু প্ৰশাসন যন্ত্ৰও গতাই দিয়া হ'ল বহিৰাগত বণিক গোষ্ঠিৰ হাতত।আনকি তীব্ৰ সাংস্কৃতিক আক্ৰমণো চলোৱা হ'ল থলুৱা ভাষা-সংস্কৃতিক ধ্বংস কৰাৰ বাবে। ফলত পূৰ্বৰ ঐতিহাসিক স্বাধীনতাৰ, আত্মনিয়ন্ত্ৰণৰ দাবী তীব্ৰৰূপত উঠিবলৈ ধৰিলে। কেতিয়াবা সশস্ত্ৰ ৰূপত কেতিয়াবা গণতান্ত্ৰিক ৰূপত। কিন্তু শোষণ নকমিল, এই অঞ্চলৰ সম্পদেৰেই দেশৰ বাকী অংশৰ ঠায়ে ঠায়ে নানান উদ্যোগ, অট্টালিকা আৰু বৈদেশিক মুদ্ৰা আহৰণ কৰা হ'ল, পিছে এইখন পূৰ্বাঞ্চলত শোষিত শ্ৰেণীটোৰ মৌলিক সমস্যাবোৰেই সমাধান নহ'ল। সাতে পাচে জনগণ ক্ষোভিত বিদ্ৰোহী হৈ উঠিল, সংগ্ৰামৰ বাবে প্ৰস্তুত হ'ল। ১৯৪৮ - ৫২ চনৰ কালছোৱাত বিপ্লৱী কমিউনিষ্ট পাৰ্টি (RCPI) য়ে উত্তৰ - পূৰ্বাঞ্চলৰ কৃষকসমাজৰ সংগ্ৰামৰ জৰিয়তে প্ৰথম জাতীয় গণতান্ত্ৰিক সংগ্ৰামৰ অধ্যায় মুকলি কৰিছিল। ইয়াৰ পিছত ১৯৫৬ চনত ফিজোৰ নেতৃত্বত নগা নেচনেল কাউন্সিল (NNC) আৰু ১৯৬৬ চনত লালডেংগাৰ নেতৃত্বত (MNF) মিজো নেচনেল ফ্ৰন্টে জাতীয় মুক্তি সংগ্ৰামক সাৱলীল ৰূপ দিয়ে। তাৰ পিছত সত্তৰৰ দশক মাও চে-তুং তথা চীনা কমিউনিষ্ট পাৰ্টিৰ প্ৰচাৰত মণিপুৰত পিপলছ লিবাৰেছন আৰ্মি (PLA) আৰু নগালেন্ডত নেছনেল চচিয়েলিষ্ট কাউন্সিল অৱ নগালেন্ড (NSCN) নামৰ দুটা সশস্ত্ৰ তথা শক্তিশালী জাতীয় মুক্তি সংগ্ৰামী সংগঠনৰ জন্ম হয়। তাৰ পাছত অসমত সংযুক্ত মুক্তি বাহিনী (ULFA), বড়োলেন্ড ডেমক্ৰেটিক চিকিউৰিটি

**চৰকাৰী ভাৱে ইতিমধ্যে পঞ্চাশ বছৰীয়া 'স্বাধীনতা'ৰ নামত ৰাজহুৱা ধনৰ শৰাধ আৰম্ভ হৈ গৈছে। ইফালে দেখ দেখকৈ দেশ বন্ধকত গৈছে, দৰিদ্ৰ জনগণৰ হাহাকাৰ লাগিছে। তাৰ মাজতো মহামূৰ্খৰ দৰে চৰকাৰ আৰু স্তাৱকবৃন্দই স্বাধীনতাৰ গুণগানত এনেদৰে ব্যস্ত হৈছে যে নহহঁা জনেও হহঁা হৈছে। যি স্বাধীনতাৰ বাবে কোটি কোটি জনতাই প্ৰাণাহুতি দিলে, শত দুখ কষ্ট মূৰ পাতি ললে, অবৰ্ণনীয় অত্যাচাৰ, উৎপীড়ন বিনা প্ৰতিবাদে সহ্য কৰি গ'ল সেই স্বাধীনতা আমি জানো পালো ?**



ফৰ্চ (BDSF), নেচনেল লিবাৰেচন ফ্ৰন্ট অৱ ত্ৰিপুৰা(NLFT) আদি সশস্ত্ৰ বিপ্লবী সংগঠনৰ জন্ম হৈছে। ইতিমধ্যে এই সংগঠনবোৰৰ একতাৰ বাবে দুটা উমৈহতীয়া সংস্থা ইন্ডো-বাৰ্মা ৰিভ'লিউচেনেৰী ফ্ৰন্ট (IBRF) আৰু দঃ পূঃ হিমালয় আত্মৰক্ষী ফ্ৰন্টৰ জন্ম দিয়া হৈছে।

বিদ্ৰোহৰ অগনিয়ে ইতিমধ্যেই তীব্ৰৰূপ লৈছে। বহুলোকে প্ৰাণ হেৰুৱাইছে। বিদ্ৰোহী সকলে প্ৰাণাহুতি দিছে মুক্তিৰ বেদীত, বহুলোক গ্ৰেপ্তাৰ হৈছে, সৈন্যবাহিনীয়ে প্ৰতিশোধ পূৰাইছে জীয়ৰী-বোৱাৰীক ধৰ্ষণ কৰি; ভুৱা সংঘৰ্ষ, বাক স্বাধীনতা হৰণ আদিৰ জৰিয়তে প্ৰতিবাদী কণ্ঠক নিশ্চুপ কৰাৰ চেষ্টা চলিছে। তাৰোপৰি 'ৰ'ৰ দৰে কিছুমান চৰকাৰী এজেন্ট আৰু 'সমাজসেৱী' অনুষ্ঠানৰ দ্বাৰা জাতীয়মুক্তি সংগ্ৰামক ধ্বংস কৰাৰ বাবে অহৰহ চেষ্টা চলিছে। মুঠৰ ওপৰত এখন সৰ্বাত্মক যুদ্ধৰ প্ৰস্তুতি পূৰাদমে চলিছে। কিন্তু তৎসত্বে জনগণক সঠিক মতাদৰ্শৰে উদ্বুদ্ধ কৰি, শ্ৰেণীসংগ্ৰাম (যিহেতু জাতীয় সংগ্ৰাম শ্ৰেণী সংগ্ৰামৰেই প্ৰশ্ন) ৰ বাবে প্ৰস্তুত কৰাৰ চেষ্টা পৰিলক্ষিত হোৱা নাই। ফলত অশেষ ত্যাগ, স্বীকাৰ কৰিও সংগ্ৰামখন কিছুমান অতি -বিপ্লবী আৰু হঠকাৰী কাৰ্য্যকলাপৰ দ্বাৰা আক্ৰান্ত হৈছে। এক দীৰ্ঘস্থায়ী জনযুদ্ধৰ সলনি কেৱল এমুঠি মান যুৱকৰ সশস্ত্ৰ প্ৰতিৰোধতেই এই সংগ্ৰাম সীমিত হোৱা বাবে সংগ্ৰামৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত সন্দেহে দেখা দিছে। পিছে কোনো সচেতনলোকে এই আটাইবোৰ ভুল ত্ৰুটি স্বত্বেও এই সংগ্ৰাম খনৰ নাষ্যতাক অস্বীকাৰ কৰিব নোৱাৰে। বিগত কাল ছোৱাত এচাম লোকে কোনো এটা বিশেষ সংগঠনৰ ভুলত্ৰুটিৰ চেলু লৈ সংগ্ৰাম খনৰেই নাষ্যতা সম্পৰ্কে প্ৰশ্ন তোলা দেখা গৈছে। কিন্তু এখন সংগ্ৰামৰ ভেটি, সংগ্ৰামখনক পৰিচালিত কৰা সংগঠনৰ বিলুপ্তি বা হঠকাৰীতাৰ বাবে ধ্বংস নহয়, এই কথা উক্ত লোকৰ চামটোৱে উপলব্ধি কৰা নাই।

৪৭'ৰ 'স্বাধীনতা'ৰ নৱমূল্যায়নৰ ক্ষেত্ৰত এই মুক্তি সংগ্ৰামখনৰ প্ৰশ্নও জড়িত হৈ আছে। কাৰণ, ১৯২১ চনৰ আগলৈকে পূৰ্বাঞ্চলৰ সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ ভাৰতবৰ্ষৰ 'স্বাধীনতা' আন্দোলনৰ লগত কোনো সম্পৰ্ক নাছিল বৰং ভবিষ্যতে পৰোক্ষ শোষণ কায়েম ৰখাৰ উপযুক্ত স্থান বিবেচনা কৰি কংগ্ৰেছৰ সুবিধাবাদী নেতৃত্বইহে ইয়াক ভুৱা আশ্বাসেৰে চামিল কৰিছিল। গতিকে, অসম তথা পূৰ্বাঞ্চলৰ ন-প্ৰজন্মই ৪৭'ৰ সেই অপমানজনক ক্ষমতা হস্তান্তৰৰ প্ৰভাৱৰ বিষয়ে নতুনকৈ সচেতন হ'বৰ হ'ল। 🕮

*সিদ্ধাৰ্থ শংকৰ ডেকা, উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ ক'লা শাখাৰ ছাত্ৰ।*

# মাৰ্কুৱেজৰ সত্যান্বেষণ আৰু তেওঁৰ কিছু ৰচনা সন্দৰ্ভত যৎকিঞ্চিৎ

প্ৰাণ্‌জিৎ বৰা

যোৱা প্ৰায় এটা দশকৰো অধিককাল ধৰি আমি ব্যক্তিগতভাৱে যিকেইগৰাকী বিদেশী লেখকে আমাৰ নিজৰ ভাষাৰ পাঠকসকলৰ মাজত অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰা দেখিবলৈ পাইছোঁ, তেওঁলোক হ'ল ক্ৰমে এৰিক স্বেগ'ল, মিলান কুন্দেৰা আৰু গেব্ৰিয়েল গাৰ্ছিয়া মাৰ্কুৱেজ। এওঁলোকৰ লেখাসমূহ ইমানেই জনপ্ৰিয় হৈছে যে বহুসময়ত ভাব হয় এওঁলোকৰ অভিজ্ঞতাৰাজি, জীৱনবোধ তথা জীৱন আৰু সমাজৰ পৰ্যবেক্ষণ আদি আটাইবোৰেই যেন তেওঁলোকৰ নিৰ্দিষ্ট দেশ তথা কালৰ সীমা চেৰাই আমাৰ নিজৰ মাটি আৰু সময়ৰ সৈতে একাকাৰ হৈ পৰিছে। মাৰ্কুৱেজৰ ইম্প্ৰেশ্যনে আজি আৰু কেৱল আমেৰিকাৰ জীৱন, মানুহ আৰু সমাজৰ মাজতে আৱদ্ধ হৈ থকা নাই। মাৰ্কুৱেজ গোটেই পৃথিবী বাগৰি বাগৰি আহি এই সুদূৰ প্ৰাগ্‌জ্যোতিষপুৰ পৰ্যন্ত পাইছেহি - তেওঁৰ লেখাবোৰত অসমীয়া পাঠকেও বিচাৰি পাবলৈ সমৰ্থ হৈছে বৰ্তমান অসমৰ বিভিন্ন সংকট আৰু অনিশ্চয়তাক প্ৰতিনিধিত্ব কৰা চেতনা। নিঃসন্দেহে এয়া এক শুভলক্ষণ আৰু অতিশয় গুৰুত্বপূৰ্ণ বিষয়।

অতিসাম্প্ৰতিক বহু সমালোচকেই লেখক হিচাপে মাৰ্কুৱেজৰ দুটি প্ৰধান বৈশিষ্ট্যৰ কথা উল্লেখ কৰে। এক, তেওঁ এগৰাকী উত্তৰ-আধুনিক (Post-Modern) লেখক। দুই, তেওঁ সঘনে ব্যৱহাৰ কৰা শৈলী (Technique)টো হৈছে যাদুকৰী বাস্তৱবাদ (Magic Realism) শৈলী। এই দুয়োটা বৈশিষ্ট্যই ইটো সিটোৰ লগত সাঙোৰ খাই আছে। কিয়নো যাদুকৰী বাস্তৱবাদ নামৰ নতুন এই শৈলীটোৱেই হৈছে উত্তৰ-আধুনিক সাহিত্যিক ধাৰাৰ এক প্ৰধান বৈশিষ্ট্য-নিৰূপক শৈলী। এই শৈলীটোৰ বিষয়ে থোৰতে ক'বলৈ গ'লে প্ৰথমেই স্বীকাৰ কৰিব লগিব যে ই টমাছ হাৰ্ডি (Hardy) অথবা ডিকেন্স (Dickens)ৰ ৰচনা শৈলীৰ পৰা সম্পূৰ্ণৰূপে বেলেগ। হাৰ্ডি বা ডিকেন্সৰ উপন্যাসত জীৱন আৰু সমাজৰ ঘটনাপ্ৰবাহক এক সৰলৰৈখিক পদ্ধতিৰে চোৱা বা বিশ্লেষণ কৰা দেখা যায়। কিন্তু মাৰ্কুৱেজৰ, One Hundred Years of Solitude বা Love in the Time of Choleraত এই নিৰীক্ষণ পদ্ধতি সুকীয়া। মাৰ্কুৱেজৰ যাদুকৰী বাস্তৱবাদে মানুহক অথবা ব্যক্তি (Individual) ক চাওতে সদায় এই কথা মানি লবলৈ ৰাজী নহয় যে মানুহ হৈ জন্ম লৈছে যেতিয়া মানুহ হিচাপেই তেওঁৰ মৃত্যুও হ'ব। যাদুকৰী বাস্তৱবাদী শৈলীৰ উপন্যাসত মানুহৰো শাৰীৰিক অবয়ব হঠাতে সলনি হৈ যাব পাৰে, চৰায়েও মানুহৰ দৰে সলসলীয়াকৈ কথা কৈ থাকিব পাৰে। মাৰ্কুৱেজৰ One Hundred Years of Solitudeত মানুহ সাপলৈ ৰূপান্তৰিত হৈছে, মানুহৰ সন্তানে গাহৰিৰ নেজ ধাৰণ কৰি উপজিছে। "ট্ৰামোনটানা" নামৰ গল্পত আকৌ ধুমুহাৰ চেতনাই ধাৰণ কৰিছে এগৰাকী খঙাল হিংস্ৰ নাৰীৰ ৰূপ। নিঃসন্দেহে এইধৰণৰ বৰ্ণনাবোৰে মাৰ্কুৱেজৰ লেখাবোৰলৈ আনি দিছে একধৰণৰ magical, যাদুকৰী শক্তি। অসাধাৰণ কল্পনাশক্তিৰে তেওঁ এইধৰণৰ বৰ্ণনাবোৰ লেখি উলিয়াইছে। এইখিনিতে উল্লেখযোগ্য যে তেওঁৰ One Hunderd Years of Solitude উপন্যাসত বৰ্ণিত মেকান্ডো নগৰীখনেই এক কল্পানপ্ৰসূত নগৰী। হ'লেও মাৰ্কুৱেজৰ কল্পনা আধুনিক গ্ৰাফিক উপন্যাসবোৰৰ পাতে পাতে লগপোৱা কল্পনাৰ নিচিনা কেতিয়াও নহয়। মাৰ্কুৱেজৰ কল্পনাৰ যাদুবোৰৰ - কথাকোৱা চৰাইটোৰ, গাহৰি-নেজীয়া শিশুটোৰ - এইবোৰৰ সকলোৰে গভীৰ প্ৰতীকী অৰ্থ আছে। চেক্সপীয়েৰৰ King Lear ত fool টোৱে যিদৰে এক তেনেই সাধাৰণ চহা জগতৰ অধিবাসী হৈও জীৱনৰ অকাট্য সত্যৰ নিৰ্মম ছবি লিয়েৰৰ আগত উদঙাই দেখুৱাইছিল, মাৰ্কুৱেজেও এনেধৰণৰ যাদুবোৰৰ জৰিয়তে তেওঁৰ উপন্যাসত সন্ধান কৰিছে জীৱনৰ পৰম সত্যক। ক্ৰমবৰ্দ্ধমান মানৱীয় বিভীষিকা, সংকট আৰু অনিশ্চয়তাই এই সত্যক গো-গ্ৰাসে গিলিবলৈ আৰম্ভ কৰাৰ সময়ত নিজৰ যাদুকৰী বাস্তৱবাদ শৈলীৰে মাৰ্কুৱেজে চিন্তাশীল মানুহৰ সমুখত পুনৰবাৰ নতুনকৈ উন্মোচিত কৰিব খুজিছে এই সত্যবোৰক। নিঃসন্দেহে ইয়াতেই মাৰ্কুৱেজৰ প্ৰধান গুৰুত্বও নিহিত হৈ আছে। তেওঁৰ উপন্যাসত তেওঁ কিমান দূৰলৈ উত্তৰ-আধুনিক, কিদৰে উত্তৰ আধুনিক সেয়া ডাঙৰ কথা নহয় ; তেওঁৰ উপন্যাসত magic-realism ও হয়তো সিমান ডাঙৰ কথা নহয়। ডাঙৰ কথাটো হ'ল এই যে তেওঁ এজন অশীতিপৰ, অবিচলিত আৰু অকুণ্ঠিত "অন্বেষক" - সত্যৰ অন্বেষক (আৰু সত্যান্বেষণৰ এই অবিৰত যাত্ৰাপথত magic-realism হৈছে মাথোঁ এনে এক সহায়ক যি ঔপন্যাসিকক ইতিহাসৰ সৈতে ইতিহাসৰ, অতীতৰ সৈতে বৰ্তমানৰ, অথবা সুদূৰৰ সৈতে অদূৰৰ সম্পৰ্ক স্থাপনত প্ৰভূত অৰিহণা আগবঢ়াইছে)।

এই যে ইতিহাসৰ সৈতে ইতিহাসৰ সম্পৰ্ক স্থাপনৰ কথা লেখিছোঁ, - ই মাৰ্কুৱেজৰ প্ৰায় আটাইবোৰ উপন্যাস বুজিবৰ বাবেই এক প্ৰধান প্ৰাথমিক চৰ্ত্ত। মাৰ্কুৱেজে ইতিহাস লেখিছে বৰ্তমানৰ আধুনিক সময়ৰ। বৰ্তমান মানুহৰ শাসক, শোষক, শোষিত, লাঞ্চিত, দুৰ্নীতিগ্ৰস্থ, সুবিধাবাদী, ভণ্ড, প্ৰতিবাদী আদি বিচিত্ৰ ৰূপৰ চিত্ৰনেৰে মাৰ্কুৱেজে মুখ্যতঃ দাঙি ধৰিছে সময়ৰ বিষাদ আৰু হতাশাগ্ৰস্ততাৰ সুদীৰ্ঘ, কৰুণ আৰু মৰ্মন্তুদ ইতিহাস। কিন্তু এই আধুনিক ইতিহাস দাঙি ধৰিবলৈ বাৰে বাৰে তেওঁ ভেঁটি হিচাপে

নির্বাচন কৰিছে অতীতক আৰু অতীতৰ ইতিহাসক। অতীত ইতিহাসৰ দুখ-বিষাদ, আশা-আনন্দ আদিৰ ভেঁটিত বৰ্তমানক জুকিয়াই তেওঁ চকু দিছে আকৌ ভৱিষ্যতলৈ। অতীত বা বৰ্তমানৰ দুখবোৰ, বিষাদৰ স্মৃতিবোৰ শিলৰ দৰে গধুৰ যাৰ ভাৰ বোৱাটোৱে বৰ্তমানৰ অস্তিত্বকেই নিৰানন্দময়, দুৰ্বিসহ কৰি তোলে। হ'লেও ভৱিষ্যতক কিন্তু নিয়ন্ত্ৰণ কৰিব পাৰি। এইধৰণৰ যি প্ৰচেষ্টা মাৰ্কুৱেজে তেওঁৰ উপন্যাসসমূহত আগবঢ়াইছে তালৈ লক্ষ্য কৰিয়েই ক'ব পাৰি যে মাৰ্কুৱেজৰ উপন্যাস কেৱল মাথোঁ বিষাদ আৰু হতাশাৰ এক অন্তহীন উঁকি নহয় ; তেওঁৰ উপন্যাস একধৰণৰ "সপোন" ,য'ত য়েট্‌ছ্‌ৰ সেই "Old, confident আৰু joyous" পৃথিবীখনে বাৰে বাৰে হাতবাউল দি কাষলৈ মাতি থাকে। এই ক্ষেত্ৰত জেমচ জয়েচৰ (James Joyce)ৰ Ulysses সম্পৰ্কে জন হলায়ে কোৱা কথাষাৰেই মাৰ্কুৱেজৰ ক্ষেত্ৰতো ক'ব পৰা যায় "like all great are this novel is no more picture of reality, but a re-making of reality."

'One Hundred Years' of Solitude' উপন্যাস য'ত পূৰ্বোল্লিখিত সাপ মানুহ হোৱাৰ দৰে যুক্তিপূৰ্ণ ব্যাখ্যা কৰিব নোৱাৰা ধৰণৰ কথাবোৰ আছে, ইয়াত মাৰ্কুৱেজে লেটিন আমেৰিকাৰ ওপৰত ধনতান্ত্ৰিক ইউৰোপীয়সকলে চলোৱা তাণ্ডৱলীলাৰ গোটেই ইতিহাস ন-কৈ নিৰ্মাণ কৰি উলিয়াইছে। ধনতান্ত্ৰিক ইউৰোপীয়সকলে ভৰি দিয়াৰ আগলৈকে লেটিন আমেৰিকা আছিল এনে এখন দেশ, য'ত সামন্তবাদী প্ৰথাৰেই অৱসান ঘটা নাছিল। এইখন প্ৰাচীন লেটিন আমেৰিকা আছিল অজস্ৰ কিংবদন্তী আৰু অতিকথাৰ মেটমৰা ভঁৰাল, য'ত অজস্ৰ ধন-সোণৰ মাজত বহুতো পুৰণি বিশ্বাস আৰু সপোন জাগ্ৰত হৈ আছিল। কিন্তু ইউৰোপীয় কোম্পানীবোৰ অহাৰ পাছতেই সপোনৰ স্বৰ্গপুৰী (মাকাণ্ডো) সলনি হৈ গ'ল ক্ষিপ্ৰভাৱে আৰু কালক্ৰমত ই পৰিণত হ'লগৈ এখন 'ghost town'ত য'ত স্মৃতি থাকিলেও সেই স্মৃতি কেৱল দুখ আৰু বিষাদৰ, য'ত সময় থাকিলেও সেই সময় কেৱল স্থৱিৰতা আৰু নিঃসংগতাৰ। এই যি অভাৱনীয় পৰিৱৰ্তন, মাৰ্কুৱেজৰ মতে, ইয়াক কাহানিও ইউৰোপীয় rationalism য়ে ব্যাখ্যা কৰিব নোৱাৰে। ঠিক এইবাবেই মাৰ্কুৱেজে ইয়াত সহায় লৈছে magic-realism ৰ। উপন্যাসখনত এটা পৰিয়ালৰ মুঠ ছ'টা প্ৰজন্মৰ ঘটনাৰাজিকে সামৰি মাৰ্কুৱেজে লেটিন আমেৰিকাৰ নিষ্পাপ সামন্তবাদী সমাজৰ বুকুলৈ ইউৰোপীয় ঔনিবেশিকতাবাদে আনি দিয়া হতাশা আৰু অৰাজকতাৰ ছবি অংকন কৰিছে। ধনতান্ত্ৰিক শক্তিৰ বিৰুদ্ধে নিজৰ দেশৰ চহা মানুহবোৰক ৰক্ষা কৰিবলৈ উপন্যাসখনত কৰ্ণেল অওৰেলিয়ানো বুয়েণ্ডিয়াই এক সশস্ত্ৰ সংগ্ৰামৰ নেতৃত্ব দিয়া দেখুওৱা হৈছে। কিন্তু সময়ৰ চক্ৰত এই বিপ্লৱী অওৰেলিয়ানো পৰিৱৰ্তিত হৈছে। ক্ষমতা আৰু খ্যাতিৰ প্ৰকোপত তেওঁ সাধাৰণ চহা মানুহবোৰৰ পৰা আঁতৰি গৈছে আৰু পৰিণত হৈছে এজন চৰম নিঃসংগ ব্যক্তিলৈ। কৰ্ণেলৰ এই নিঃসংগতাৰ সুযোগতে ধনতান্ত্ৰিক শক্তিয়ে গোটেই মাকাণ্ডো লুট কৰি শেষ কৰিছে। কৰ্ণেলৰ পুতেকৰ এজন নাতিয়েকে এই শক্তিৰ বিৰুদ্ধে পুনৰ নেতৃত্ব দিবলৈ ওলাই আহিছে। এইবাৰ কিন্তু ধনতান্ত্ৰিক কোম্পানীয়ে নিজৰ সমস্ত মুখা খুলি দিছে - গুলীবৰ্ষণৰ ফলত ৩,০০০ লোকৰ করুণ মৃত্যু হৈছে। কৰ্ণেলৰ নাতিয়েকজন এই মৃত্যুৰ পৰা বাচিছিল যদিও কেইবছৰমানৰ মাকাণ্ডোলৈ ঘূৰি আহি তেওঁ দেখে যে কোম্পানীয়ে সুন্দৰ চাতুৰীৰে সেই করুণ মৃত্যুৰ সমস্ত ইতিহাস মচি পেলাইছে। নিঃসন্দেহে এই মৃত্যু আৰু বিফলতাৰ স্মৃতিয়ে কৰ্ণেলৰ এই নাতিয়েকজনকো তেনেই নিঃসংগ কৰি পেলাইছে।

হ'ব পাৰে যে এনেধৰণৰ স্ব-নিৰ্বাসন আৰু নিসংগতাইও উপন্যাসখনত একেটা পৰিয়ালতে একে তেজ-মঙহৰে মানুহবোৰৰ মাজতে বাৰে বাৰে অস্বাভাৱিক যৌন-সম্পৰ্ক গঢ়াত অৰিহণা যোগাইছে। কিন্তু এই সকলোৰে মূল উৎস হৈছে আমেৰিকান ঔপনিবেশিক শক্তিৰ অভিযান আৰু শোষণ। এনেধৰণ শোষণ আৰু উৎপীড়ন লেটিন আমেৰিকাৰ দৰে Primitive দেশ এখনৰ ওপৰত কিমান সুদূৰপ্ৰসাৰী হ'ব পাৰে তাকেই মাৰ্কুৱেজে মননশীল ৰূপত তেওঁৰ মহৎ উপন্যাসখনিত দাঙি ধৰিছে। কৰ্ণেল অওৰেলিয়ানোৰ পৰিয়ালটো মাথোন লেটিন আমেৰিকাৰ হেজাৰ হেজাৰ অভিশপ্ত পাৰিয়ালৰ প্ৰতীক। উপন্যাসখনিৰ সামৰণিত এই পৰিয়ালটোৰ ধ্বংসৰ ছবিৰে মাৰ্কুৱেজে দেখুৱাইছে যে, সেইবোৰ সমাজ যিবোৰ নিজস্ব পৰম্পৰাগত এক বাস্তৱতাৰ privacy আৰু Solitudeৰ ছাঁত গঢ় লৈ উঠে সেইবোৰে আন কোনো বিদেশী কৃষ্টি (culture) বা সাম্ৰাজ্যবাদী শক্তিৰ লগত হোৱা সংঘৰ্ষত সহজেই নিজস্ব পৰিচয় আৰু বৈধতা হেৰুৱাই পেলায়। তৃতীয় বিশ্বৰ প্ৰায়বোৰ উন্নয়নশীল দেশ বা জাতিৰেই আজিৰ সংকট আৰু অনিশ্চয়তাক (আনকি আমাৰ ভাৰতৰো) মাৰ্কুৱেজৰ এই মহৎ উপন্যাসৰ ভেঁটিত সহজেই বিশ্লেষণ কৰিব পৰা যায়। একেই ধৰণৰ আন এখন উল্লেখযোগ্য উপন্যাস হ'ল নাইজেৰিয়ান লেখক চিনুৱা আচিবে-ৰ Things Fall Apart।

One Hundred Years of Solitudeত পোৱা গাহৰিনেজীয়া শিশু, মানুহ-খোৱা পৰুৱা আদি অযুক্তিকৰ বৰ্ণনাবোৰে বাৰে বাৰে সাম্ৰাজ্যবাদী শক্তিৰ দখলৰ পূৰ্বৰ সংস্কাৰাচ্ছন্ন, প্ৰাচীন, নিষ্পাপ সমাজখনৰ লগত যোগসূত্ৰ স্থাপন কৰে। মাৰ্কুৱেজে দেখুৱাইছে যে এনেবোৰ সংস্কাৰাচ্ছন্ন সমাজ প্ৰায়েই এনেধৰণৰ শক্তিবোৰৰ আগত প্ৰতিৰক্ষাবিহীন হৈ পৰে। এনেবোৰ শক্তিৰ তলৰ সমাজখনত প্ৰায়েই সেয়ে ব্যক্তি হৈ পৰে নিঃসংগ আৰু হতাশাগ্ৰস্থ। One Hundred Years of Solidouteৰ প্ৰায়বোৰ চৰিত্ৰৰে নিজস্ব মহত্বৰ মুহূৰ্ত থকা সত্বেও অৱশেষত সকলো চৰিত্ৰৰে পৰিণতি ঘটিছে বৰ করুণভাৱে নিঃসংগ অৱস্থাত। প্ৰায় একেই ধৰণৰ নিঃসংগতাৰ উমান পোৱা যায় মাৰ্কুৱেজৰ "I just came to call a phone" নামৰ গল্পটোতো। এই গল্পৰ নায়িকাই নিজৰ প্ৰেমিকলৈ ফোন কৰিবলৈ বুলি আহি এখন গাড়ীত উঠিছিলহি। দুৰ্ভাগ্যবশতঃ নায়িকাৰ অজ্ঞাতে সেই গাড়ীখন আছিল এখন মানসিক চিকিৎসালয়ৰ গাড়ী। নায়িকাকো ভুলক্ৰমে উঠাই লৈ যোৱা হয় মানসিক চিকিৎসালয়লৈ। সম্পূৰ্ণ সুস্থ অৱস্থাৰ নায়িকাক তাৰ পাছত এটা নম্বৰ দিয়া হয়, নতুন ড্ৰেছ আদি দিয়া হয়। তাই বহু আপত্তি কৰে কৰ্তৃপক্ষৰ আগত, কিন্তু কৰ্তৃপক্ষ নাৰাজ। এগৰাকী মহিলা ডাক্তৰে (?) - যদিও তাইৰ কথাটো বুজি পায়, কিন্তু তথাপি মুক্তি দিবলৈ সৈমান নহয়। মুক্তি দিব—যদিহে ডাক্তৰ গৰাকীৰ নাৰীদেহে কামনা কৰা অস্বাভাৱিক যৌনতৃপ্তি প্ৰদান কৰিবলৈ তাই ৰাজী হয়। নায়িকা অমান্তি হয়— আৰু তেনেদৰেই পাৰ হৈ যায় দুটামান দিন। পাছত ঘটনাক্ৰমে তাইৰ প্ৰেমিকে কথাটো গম পাই তাইৰ সৈতে যোগাযোগ কৰে। প্ৰেমিকে তাইক নিবলৈ আহিব বুলি ডাক্তৰ গৰাকীয়ে তাইক বুজায় আৰু পুনৰ সেই যৌনকামনাৰ কথা ব্যক্ত কৰে। নায়িকাই "অৱশেষত মোৰ মুক্তি হ'ব" বুলি ভাবি অনিচ্ছা সত্বেও ডাক্তৰ গৰাকীৰ লগত সমকামিতাত লিপ্ত হয়। পাছদিনা প্ৰেমিকজন আহে - কিন্তু প্ৰেমিকজনে কেৱল সান্ত্বনা যাচি "আৰু দুদিনমান ইয়াত থাকিলেই তুমি ভাল হৈ যাবা" বুলি গুচি যায়গৈ। নিঃসন্দেহে এক অতি করুণ গল্প এইটো। কিন্তু গোটেই গল্পটোৱেই বাৰে

বাবে আধুনিক সময়ৰ ৰোগগ্ৰস্ততাকে মূৰ্ত্তিমান কৰে। এই সময় ইমানেই ৰোগগ্ৰস্ত যে ই সুস্থ মানুহকো বলিয়া কৰিহে এৰে। গল্পটোত নায়িকাৰ বন্দীত্বই হৃদয়ৰ পৰা হৃদয়লৈ সৃষ্টি হোৱা দূৰত্ব আৰু তাৰ ফলস্বৰূপে উদ্ভৱ হোৱা বুজা-বুজিৰ অভাৱকে প্ৰতিনিধিত্ব কৰিছে। আন এখন উপন্যাস 'News of a Kidnapping'ৰ পাৱলো এস্কোবাৰ চৰিত্ৰতো মুক্তিৰ আকাংখাই এস্কোবাৰক দেশ-কাল-সীমাৰ পৰিধি ভাঙি অনন্তৰ লগত মিলি যাবলৈ অনুপ্ৰাণিত কৰা দেখা যায়। 'The General in His Labyrinth' উপন্যাসত আকৌ দুৰ্দান্ত, বীৰ জেনেৰেল বলিভাৰৰ আকস্মিক মৃত্যুদশাই এক গভীৰ প্ৰশ্নৰ উদ্ৰেক কৰি যায় - সঁচাকৈয়ে মৃত্যু বাৰু নিঃসংতাৰ উত্তম নিবাৰক হ'ব পাৰেনে? ফ্ৰানজ্ কাফকাৰ Metamorphosis শীৰ্ষক গল্পটোৰ দৰে এই উপন্যাসতো মাৰ্কুৱেজে অপাৰ যন্ত্ৰনাৰ বিৰুদ্ধে জাগি উঠা মানৱীয় প্ৰতিক্ৰিয়াৰ বিস্ময়কৰ প্ৰকাশ দাঙি ধৰিছে।

মাৰ্কুৱেজৰ আন এখন অতি জনপ্ৰিয় উপন্যাস 'Love in the Time of Cholera'ত জীৱনৰ স্বাচ্ছন্দ্যতাৰ বিৰুদ্ধে জয়গান গোৱা হৈছে ক্ৰমবৰ্দ্ধমান অনিশ্চয়তাৰ। এই উপন্যাসখনিৰ প্ৰধান উপজীৱ্য বিষয় হৈছে কেৰেবিয়ান উপকূলত সংঘটিত হোৱা এটি শক্তিশালী, হাস্যমধুৰ আৰু মৰ্মন্তুদ প্ৰেমকাহিনী। ফ্লৰেটিনো আৰিজা আৰু ফাৰ্মিনা ডাজাৰ মাজত হিয়া দিয়া - নিয়াৰ মধুৰ উৎসৱ উদ্‌যাপিত হৈ থকাৰ সময়তে হঠাতে এদিন ফাৰ্মিনাৰ ভাৱ হ'ল যে তাই বিচাৰি থকা পুৰুষজন আচলতে ফ্লৰেন্টিনো নহয়। বচ্ লগে লগে তেওঁ ফ্লৰেন্টিনোক খেদি পঠিয়ালে কাষৰ পৰা। হঠাৎ আৰম্ভ হোৱাৰ দৰেই এদিন হঠাৎ ভাগি যোৱা এই প্ৰেমৰ বিফলতা সহিব নোৱাৰি ফ্লৰেন্টিনো বিতত হৈ পৰিল। দেহৰ ক্ষুধা নিবৃত্তিৰ বাবেই ৬০০ বো অধিক ৰমনীৰ লগত তেওঁ তাৰ পাছত সহবাস কৰি গ'ল। কিন্তু অৱশেষত এদিন যেতিয়া তেওঁৰ উপলব্ধি হ'ল যে তেওঁৰ অন্তিম বাসনা হ'ল ফাৰ্মিনাৰ লগত মিলিত হোৱাটোহে, আগ্ৰহেৰে তেওঁ সেই মিলন ক্ষণ গণি গণি দিন কটাবলৈ আৰম্ভ কৰিলে। ইফালে গিৰিয়েকৰ মৃত্যু হোৱাৰ পিছত ফাৰ্মিনাৰো হৃদয়ত পুনৰ ফ্লৰেন্টিনোৰ প্ৰতি আসক্তি জাগি উঠিল। সম্পূৰ্ণ ৫০ বছৰৰ পাছত তেওঁলোকৰ মিলন হ'ল আৰু মিলনৰ মাদকতাৰে উত্তপ্ত সেই দিনটোতে তেওঁলোকে আৰম্ভ কৰিলে এক অনিশ্চিত নৌকা-যাত্ৰা। আনৰ দৃষ্টিক ফাঁকি দিবৰ বাবে সেই নৌকাৰ মূধচত উৰি থাকিল এখন নিচান য'ত লেখা আছিল - 'কলেৰা বিধ্বস্ত নৌকা'। নিঃসন্দেহে এই উপন্যাসত মানৱীয় প্ৰেমে এক সুকীয়া, অগতানুগতিক সংজ্ঞা লাভ কৰিছে। বিবাদৰ প্ৰতিধ্বনি আৰু মানুহৰ মানৱীয় অনুকম্পাৰ কৌতুকময় মিশ্ৰণে মাৰ্কুৱেজক এই উপন্যাসৰ ৰচয়িতা হিচাপে আৰু এখোপ আগুৱাই প্ৰতিষ্ঠিত কৰালে। ফ্লৰেন্টিনো আৰু ফাৰ্মিনাৰ দীৰ্ঘদিনীয়া মিলন হোৱা নৌকাখন যিখন নৈত চালিত হৈছিল সেইখন মাগডালেনা নদীৰ তলি তৰাং হৈ আহিছে, নৈৰ দুয়োপাৰৰ অৰণ্য, চৰাই আৰু জন্তু, নৈৰ মাছ-কাছ আদি সকলোৱেই শেষ হৈ আহিছে, কিন্তু এই শীৰ্ণ নদীতেই "অনন্তকাললৈ" নৌকা চলাই যাবলৈ প্ৰেমিক-প্ৰেমিকা দুয়ো বদ্ধপৰিকৰ। নিঃসন্দেহে অনন্তকাললৈ নৌকা চলাই যাব খোজাৰ এই অদমনীয় ইচ্ছাই বৰ্তমানৰ সংকটগ্ৰস্ত পৰিবেশত (শীৰ্ণ নৈখন) কলা অথবা সৃষ্টিশীল কৰ্মৰ জয়গানকে বাৰে বাৰে অনুৰণিত কৰিছে। পৰিবেশ সংকটগ্ৰস্থ আৰু অনিশ্চিত হ'ব পাৰে, সমাজ অপৰিৱৰ্তিত হৈ ৰ'ব পাৰে কিন্তু কলাৰ সাধনা কাহানিও ব্যাহত নহয়। নিশ্চয়কৈ এয়াই হয়তো মাৰ্কুৱেজৰ নিজৰো ব্যক্তিগত বিশ্বাস। এইধৰণৰ কিছুমান কথাৰ বাবেই মাৰ্কুৱেজৰ এই অতি জনপ্ৰিয় উপন্যাসখনক এখন আধ্যাত্মিক ৰূপকৰ লগত ৰিজাবলৈ মন যায়।

আধুনিক বিশ্বসাহিত্যৰ বহুতো সমালোচকৰ মতে মাৰ্কুৱেজৰ কৃতিত্ব হ'ল তেওঁৰ উপস্থাপনৰ অগতানুগতিক মৌলিক ৰীতি। গতানুগতিক বিষয় বস্তু এটাও তেওঁ প্ৰকাশভংগীৰ কৌশলেৰে অতিকৈ আকৰ্ষণীয় কৰি তুলিব পাৰে। অসংখ্য চিন্তা, চিত্ৰ আৰু সন্দেহেৰে পাঠকৰ মন ভৰাই তুলিও মাৰ্কুৱেজে তেওঁৰ লিখনিৰে প্ৰদান কৰিব পাৰে এক বিমল মানসিক পৰিতৃপ্তি। সমগ্ৰ বিশ্বজুৰি তেওঁৰ আজি যি জনপ্ৰিয়তা, তাৰ মূলতেও নিশ্চয় এই অভিনৱত্বই কাম কৰিছে। সম্প্ৰতি মাৰ্কুৱেজৰ বয়স হৈছে ৭০ বছৰ, কিন্তু এতিয়াও মাৰ্কুৱেজে লেখিয়েই আছে। ফ্ৰানজ কাফকাযৰ লেখনি পঢ়ি প্ৰথমে তেওঁ অনুভৱ কৰিছিল যে সাহিত্যই প্ৰকৃতাৰ্থত জীৱনক প্ৰতিফলিত কৰা উচিত - সেই কাফ্কাৰেই বহু লেখনিৰ লগত আজি মাৰ্কুৱেজৰ লেখাবোৰ তুলনা কৰা হয়। বৰ্তমানৰ এই সময় য'ত "Nobody is innocent, nobody is absolved, only guilt is certain" — এইসময়ত মাৰ্কুৱেজৰ উপন্যাসে প্ৰকৃতাৰ্থত বহন কৰিছে সংঘাতগ্ৰস্ত সময়ৰ সত্য ছবি। এই সময়ে একোৱেই নতুন সৃষ্টি কৰিব পৰা নাই, কোনোধৰণৰ জাগৰণ আনিব পৰা নাই - চহৰবোৰ, গাওঁবোৰ বা মানুহবোৰক এই সময়ে কোনোধৰণেই সলনি কৰিব পৰা নাই। বছৰ বছৰ ধৰি আজিও একেই হৈ আছে বিষাদ আৰু ভাগৰৰ কৰুণ উপলব্ধিবোৰ। মাৰ্কুৱেজে গভীৰ পৰ্যবেক্ষণৰ জৰিয়তে মানুহৰ এই অপৰিৱৰ্তিত কৰুণ উপলব্ধিবোৰৰ পাঠোদ্ধাৰ কৰি সেইবোৰকে নিজৰ উপন্যাসবোৰত পুনৰ নিৰ্মান কৰি উলিয়াইছে। মাৰ্কুৱেজৰ সাহিত্য সেয়ে বৌদ্ধিক ৰচনা নহয় - এইবোৰ বৰ্তমান সময়ৰ নাঙঠ সত্যৰ প্ৰতিলিপি মাত্ৰ। নিঃসন্দেহে এই সকলোবোৰেই মাৰ্কুৱেজক বৰ্তমান সময়ৰ এজন মহৎ লেখক হিচাপে স্বীকৃতি দিয়াত প্ৰভূত অৰিহণা আগবঢ়াইছে। 📖



প্ৰাণজিৎ বৰা, স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষৰ ইংৰাজী বিভাগৰ ছাত্ৰ

# অসমৰ সাম্প্ৰতিক বৌদ্ধিক সংকট মোচনত কটনিয়ানসকলৰ ভূমিকা

বৰ্ণালী ডেকা

**আৰম্ভনি ঃ** - প্লেটোৱে কৈছে - "শিক্ষাৰ লক্ষ্য হৈছে ব্যক্তিৰ দেহ আৰু আত্মাক সৌন্দৰ্য্য দান কৰা।" এই লক্ষ্য বাস্তৱত তেতিয়াহে ৰূপায়িত হ'ব, যেতিয়া শিক্ষাই বিদ্যালয়ৰ চাৰিবেৰৰ মাজৰ এক নিৰ্দিষ্ট পাঠ্যক্ৰমৰ গণ্ডী অতিক্ৰম কৰি অধ্যয়নৰ সুবিশাল আৰু সুগভীৰ সীমাত উপনীত হ'ব। কিন্তু এই লক্ষ্যত উপনীত হওঁতে যদি কেৱল নিজৰ স্বাৰ্থৰ প্ৰতিহে চকু ৰখা হয়, তেন্তে ই লক্ষ্য পূৰণত সহায় নকৰে, বৰং পূৰণ হোৱাৰ পথত হেঙাৰহে থিয় কৰাই দিয়ে। যি ব্যক্তিকেন্দ্ৰিতাৰ পৰা মুক্তি পাবলৈ অধ্যয়নৰ মাৰ্গটি দেখুৱা হয়, সি পুনৰ ব্যক্তিকেন্দ্ৰিতাৰ মাজতেই আবদ্ধ হৈ পৰে। অধ্যয়ন, জ্ঞান আৰু বুদ্ধি - এই শব্দ তিনিটাৰ অন্তৰালত নিহিত হৈ থকা মহান উদ্দেশ্যৰ অপব্যৱহাৰে সমাজত বৌদ্ধিক শূন্যতাৰ সৃষ্টি কৰে।

এনে এক বৌদ্ধিক সংকটৰ গৰাহতেই পতিত হৈছে অসম। বৰ্তমান অসমৰ শিক্ষা ৰাজনীতি বা অইন ক্ষেত্ৰ সমূহত নেতৃত্ব দিয়াৰ কাৰণে উপযুক্ত ব্যক্তিৰ অভাৱ। ফলস্বৰূপে, অসমৰ ভৱিষ্যত তমসাময় যেনহে দেখা গৈছে।

**প্ৰথম প্ৰসংগ ঃ সাম্প্ৰতিক অসমৰ বৌদ্ধিক সংকট ঃ -**

বৌদ্ধিক সংকটৰ অথাই সাগৰত পতিত হোৱা অসমৰ বুকুত আজি দেখা পোৱা নাযায় কৃষ্ণকান্ত, বাণীকান্ত আৰু ৰজনীকান্তৰ দৰে তেজোদীপ্ত প্ৰতিভা।

আজিৰ যুগ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ন ন আৱিষ্কাৰে বিশ্ববাসীৰ চকুত চমক লগাবলৈ সক্ষম হৈছে। এনে সময়তে বিভিন্ন দেশে এই ক্ষেত্ৰখন বহলোৱাত আগভাগ লৈ নিজেও প্ৰগতিৰ পথত আগবাঢ়ি গৈছে। কিন্তু, এইক্ষেত্ৰত অসমৰ এতিয়াও বহুদূৰ বাট যাব লগা আছে। ইয়াৰ কাৰণ হিচাপে দেখা যায় বিজ্ঞান চৰ্চাৰ কাৰণে যিমানখিনি সা-সুবিধা আৰু যি এক পৰিবেশৰ প্ৰয়োজন, সেয়া অসমত পাবলৈ নাই। তদুপৰি, আজিৰ ছাত্ৰৰ মাজত নিষ্ঠা, উদ্যম, ধৈৰ্য্য আৰু আত্মবিশ্বাস - এই অমূল্য ৰত্নকেইটাৰ অভাৱত মুষ্টিমেয় কেইজনমানৰ বাহিৰে অইনসকল নিৰলস বিজ্ঞান সাধক হ'বলৈ অপাৰগ।

প্ৰযুক্তিবিদ্যাৰ দিশলৈ চকু দিলে অসমত প্ৰতিবছৰে বহুজনেই অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ডিগ্ৰীধাৰী ছাত্ৰ দেখা যায়। তৎসত্বেও, প্ৰযুক্তিবিদ্যাৰ দিশত অসমৰ অৱস্থা তথৈবচ। কাৰণ, এই অভিযন্তাসকলৰ বেছিভাগেই নিজৰ সৃজনীমূলক প্ৰতিভাক বস্তুবাদী আৰু ব্যক্তিকেন্দ্ৰিক মনোভাৱৰ ওচৰত বিসৰ্জন দি ধন-ধান, সুখ- সম্ভোগৰ সামগ্ৰী গোটোৱাত ব্যস্ত হৈ পৰে। সেয়ে তেওঁলোক সমাজখনৰ মূল সুঁতিৰ পৰা আঁতৰি গৈ এক বিছিন্ন দ্বীপৰ নিচিনাকৈ জীৱন যাপন কৰে। সেয়ে, প্ৰতিভাৰ অধিকাৰী হৈয়ো তেওঁলোকে বৌদ্ধিক জগতত তিলমাত্ৰও অৰিহণা যোগাব নোৱাৰে।

সাহিত্য - সংস্কৃতিৰ বিশাল পথাৰখনলৈ লক্ষ্য কৰিলে তাতো সুবিশাল শূন্যতাই আৱৰি ধৰা যেন অনুমান হয়। এক সোণালী ইতিহাসৰ স্বাক্ষৰ বহন কৰি অহা অসমৰ সাহিত্য - সংস্কৃতিৰ জগতখনৰ এনে পৰিণতি সঁচাকৈয়ে দুৰ্ভাগ্যজনক। অসম বিভিন্ন জাতি-উপজাতিৰ সংগমস্থল। প্ৰত্যেক জাতি উপজাতিয়ে নিজস্ব ভাষা, ধৰ্ম, সংস্কৃতি আৰু সাহিত্যৰ মহান সম্পদেৰে সম্পদশালী। এই সকলোবোৰ লোকসাহিত্য আৰু লোকসংস্কৃতিৰ অপূৰ্ব সমন্বয়ে হৈছে অসমী আইৰ সুশোভিত, সুন্দৰ, বাৰে-বৰণীয়া সোণালী সংস্কৃতি। পূৰণি অসমৰ মহান পুৰোধাসকলে অসমৰ গাঁৱে - ভূঞে, চুকে কোণে সিঁচৰতি হৈ পৰি থকা লোক সাহিত্যৰ নানা সমলবোৰ উদ্ধাৰ কৰি অসমীয়া জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি, সকলো জাতিৰ সমন্বয় সাধন কৰি অসমীৰ বুকুত ঐক্যতানৰ লহৰ তুলিছিল, তাৰফলত, আন্ধাৰৰ গৰ্ভত লুকাই থকা জাতিবোৰৰ সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰ নতুন উষাৰ নৱ কিৰণৰ জেউতিৰে জ্বলমলাই উঠিছিল। কিন্তু, পোহৰ বিলোৱা কৰ্ম আজিও শেষ হোৱা নাই। ই যেন অবিৰত। তাৰবাবে, আমাক লাগে কষ্টসহিষ্ণু, ধৈৰ্য্যশীল, আত্মবিশ্বাসী আৰু দেশভক্ত মনীষা। বৰ্তমানৰ গৱেষক, সাহিত্য- সমালোচক, সাহিত্যকৰ্মৰ লগত জড়িত ব্যক্তিসকলেই এই কামৰ বাঘজৰী তুলি ল'ব লাগিব। লগতে, অসমৰ জনসাধাৰণেও উৎসাহ যোগাব লাগিব। কিন্তু, আজিৰ গৱেষক, সাহিত্যকৰ্মীৰ মাজত এই কামলৈ অনীহা প্ৰকাশ কৰাহে পৰিলক্ষিত হৈছে। ফলত অসমৰ সোণসেৰীয়া সংস্কৃতিৰ অমূল্য উপাদানসমূহ বিস্মৃতিৰ গৰ্ভত বিলীন হোৱাৰ উপক্ৰম হৈছে। কিন্তু, অসমৰ সৰ্বস্ব, অসমীয়া জাতিৰ সৰ্বস্ব, এই গাঁৱে-



ভূঞে লুকাই থকা নিভাঁজ অসমীয়া লোক সংস্কৃতিৰ বুকুতেই নিহিত হৈ আছে। অনীহা, অৱহেলা আৰু স্বাৰ্থ এই তিনিটা জাতিৰ পৰম শত্ৰুৰ ওচৰত মূৰদোঁৱাই, আজিৰ অসমীয়া প্ৰতিভাই অসমক এক অনিশ্চিত ভৱিষ্যতলৈ আগুৱাই নিছে। নিজৰ ভাষা সংস্কৃতিক বিশ্বৰ সুবিশাল দৰবাৰত প্ৰতিনিধিত্ব কৰাৰ কাৰণে প্ৰকৃত ব্যক্তিৰ অভাৱ। ই সঁচাকৈয়ে লজ্জাজনক কথা।

এখন দেশ, এখন ৰাজ্যৰ অৰ্থনৈতিক, শৈক্ষিক, সামাজিক বা ৰাজনৈতিক দিশত সুশৃংখলাবদ্ধ আৰু সুস্থিৰ পৰিবেশ এটা সৃষ্টি কৰিব পাৰে, যদিহে সেই ঠাইৰ শাসন পদ্ধতি আৰু শাসকবৰ্গ নিৰপেক্ষ আৰু সুদক্ষ হয়। তাৰোপৰি, শাসকবৃন্দ হ'ব লাগিব দেশৰ স্বাৰ্থৰ বাবে নিজৰ সৰ্বস্ব বলিদান দিব পৰা, দূৰদৰ্শী আৰু তীক্ষ্ণ বুদ্ধি সম্পন্ন। কিন্তু, সাম্প্ৰতিক অসমৰ মুধাফুটা ৰাজনীতিবিদ সকলৰ বেছিভাগৰেই এই গুণসমূহৰ অভাৱ। এবাৰ শাসনৰ বাঘজৰী হাতত তুলি লোৱাৰ পিছত নিজৰ স্বাৰ্থ পূৰণৰ পথত ভৰি দিয়ে। দেশৰ স্বাৰ্থ, সুশৃংখল, শান্তিপূৰ্ণ শাসন ব্যৱস্থা আৰু পৰিবেশৰ কথা দূৰতে বিদুৰ হ'বলগীয়া হয়। অৰ্থাৎ, অইন দিশবিলাকৰ লগতে ৰাজনীতিৰ ক্ষেত্ৰতো যে বৌদ্ধিক সংকটে উক দি উঠিছে, সেইটো জল্‌জল্ পট্‌পট্ কৈ ওলাই পৰিছে। ফলত, অসমক প্ৰকৃত পথ দেখুৱাব পৰা, নেতৃত্ব দিয়া ব্যক্তিৰ অভাৱ। চৌদিশে বিৰাজমান এটা অশান্তিকৰ, অৰাজক বাতাবৰণ। ৰাজনৈতিক নেতাসকল দিনে দিনে যেনেদৰে দুনীৰ্তিৰ অটল গৰ্ভলৈ সোমাই গৈছে, তাকে দেখিলে ঘৃণাত নাক কোঁচাই আনিব লগা অৱস্থা হয়। শিক্ষা-দীক্ষা গ্ৰহণ কৰিও দুৰ্নীতিৰ বোকাত এনেদৰে নিমজ্জিত হোৱাৰ মূল কাৰণটো হৈছে তেওঁলোকৰ নৈতিক শিক্ষাৰ অভাৱ। শিক্ষাৰ প্ৰকৃত উদ্দেশ্য অনুধাৱন কৰিব নোৱাৰি তেওঁলোকে তাক খটুৱাইছে নিজৰ স্বাৰ্থ পূৰণত। এনেবোৰ কাৰণতেই আমি আজিৰ অসমৰ ৰাজনীতিবিদ সকলৰ মাজত গোপীনাথ বৰদলৈ, তৰুণ ৰাম ফুকন, বিষ্ণুৰাম মেধিক বিচাৰি নাপাও।

কোনো ৰাজ্য বা কোনো দেশৰ প্ৰগতিৰ দলিল, সেই ঠাইৰ পৰা প্ৰতিবছৰে হোৱা অভিযন্তা, স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰীধাৰী ছাত্ৰৰ সংখ্যা নহয়। প্ৰগতিৰ খতিয়ান হৈছে সেইসকল, যিসকলে "অধ্যয়ন, শিক্ষা আৰু বুদ্ধি" এই শব্দ তিনিটাৰ অন্তৰালত লুকাই থকা সুদূৰ প্ৰসাৰী অৰ্থ অনুধাৱন কৰি নিজৰ প্ৰতিভাক, নিজৰ বৌদ্ধিক ক্ষমতাক ৰাজ্যৰ বা দেশৰ প্ৰগতিৰ বাবে খটুৱাইছে। প্ৰকৃত মনীষাৰ স্বীকৃতি পাবলৈ হ'লে জ্ঞান বুদ্ধি অৰ্জন কৰাৰ লগতে নৈতিক শিক্ষাও আহৰণ কৰা প্ৰয়োজন। কিন্তু আজিৰ অসমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নৈতিকতাবোধৰ অভাৱ বুলি ক'লেও বঢ়াই কোৱা নহয়। নিষ্ঠা, উদ্যম, ধৈৰ্য্য, আত্মবিশ্বাস, কষ্ট-সহিষ্ণুতা, দেশপ্ৰেম ইত্যাদি মহান গুণৰ অভাৱত সাম্প্ৰতিক অসম বৌদ্ধিক সমস্যাৰ অথাই সাগৰত পতিত হ'ব লগা হৈছে। ফলত, আজি অসমী আইৰ বুকুত "চন্দ্ৰকুমাৰ, লক্ষ্মীনাথ আৰু হেমচন্দ্ৰ" - এই ত্ৰিমূৰ্ত্তিৰ পুনৰুত্থান দৰ্শন কৰিবলৈ পোৱা নাই। প্ৰাতঃস্মৰণীয় অসমৰ মহান প্ৰতিভাৰ উত্তৰাধিকাৰীৰ সংখ্যাও আঙুলিৰ মূৰত লেখিব পৰা। এই সকলোবোৰৰ পাছত, অসমৰ অৱস্থা প্ৰায় লাওলোৱা হ'ব বুলিয়ে ক'ব পাৰি। সেয়ে আজি সকলোৰে মনত এই প্ৰশ্নই ভুমুকি মাৰিছে - ভৱিষ্যতে অসমক নেতৃত্ব দিয়াৰ, বিজ্ঞান, সাহিত্য, সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰত অসমক প্ৰতিনিধিত্ব কৰাৰ বাঘজৰী কোনে হাতত ল'ব আৰু সুবদি সুৰীয়া অমাতৰ মাতেৰে কোনে গাব সেই মিঠাগীত —

"চিৰ চেনেহী মোৰ ভাষা জননী
আই ধন্যে পুণ্যে হ হৃৎপাৱনী"

**দ্বিতীয় প্ৰসংগ ঃ** বৌদ্ধিক সংকট মোচনত কটনিয়ানৰ ভূমিকা -- মহান অসমৰ মহা মহা মনীষীৰ মহৎ চিন্তাৰ মিলনভূমি হৈছে কটন মহাবিদ্যালয়। প্ৰভাত চন্দ্ৰ বৰুৱা, মাণিক চন্দ্ৰ বৰুৱা প্ৰমুখ্যে ব্যক্তিসকলৰ অপৰিসীম শ্ৰম আৰু কৃচ্ছ্ৰ সাধনাৰ ফল হৈছে আজিৰ অসমৰ আগশাৰীৰ কটন মহাবিদ্যালয়। তেওঁলোকৰ লক্ষ্য আছিল অসমৰ প্ৰতিজন ব্যক্তিৰ অন্তৰত জ্ঞানৰ বন্তি জ্বলোৱা। কটনিয়ানসকলক প্ৰকৃত শিক্ষা দান কৰি একোজন মহান মনীষী সৃষ্টি কৰি অসমী আইক সৰ্বাঙ্গসুন্দৰ কৰি তোলাত অৰিহণা যোগোৱা। সেয়ে, বৰ্তমানৰ কটনিয়ান সকলৰ মূৰত আছে এক গধুৰ বোজা। এই বোজা হ'ল অসমৰ সাম্প্ৰতিক বৌদ্ধিক সংকট আঁতৰোৱাৰ বোজা। কটন কলেজ স্থাপন হোৱাৰ আঁৰত লুকাই থকা ব্যক্তিসকলৰ যি লক্ষ্য, সেই লক্ষ্য আগত লৈ মনত সাহস বান্ধি গভীৰ আত্মপ্ৰত্যয়েৰে এই দীঘলীয়া পথত পদধূলা দিব লাগিব। তেতিয়াহে, কটনিয়ান নামেৰে আভূষিত হোৱাৰ সাৰ্থকতা লাভ কৰিব পৰা যাব।

প্ৰথমে, কটনিয়ানসকলৰ মাজত যিসকল বিজ্ঞান চৰ্চাৰ প্ৰতি আগ্ৰহী, তেওঁলোকে সমগ্ৰ অসমত বিজ্ঞান চৰ্চাৰ কাৰণে এটা পৰিবেশ গঢ়ি তুলিবলৈ আপ্ৰাণ চেষ্টা চলাব লাগিব। তাৰ বাবে বিভিন্ন আলোচনা চক্ৰ, প্ৰদৰ্শনী আদিৰ আয়োজন কৰি জনসাধাৰণৰ মাজত বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সচেতনতা জগাই তুলিব লাগিব। তেওঁলোকৰ মাজৰ পৰাই ন ন সৃজনীশীল প্ৰতিভাযুক্ত বিজ্ঞান সাধক আৰু গৱেষক সৃষ্টি কৰিব লাগিব। তাৰবাবে, তেওঁলোকে আত্মবিশ্বাস, কষ্টসহিষ্ণুতা, কৰ্মনিষ্ঠা, অধ্যৱসায় ইত্যাদি মহান গুণৰ কৰ্ষণ কৰি মনোৰাজ্যত সিহঁতৰ একাধিপত্য স্থাপন কৰিব লাগিব। তেতিয়াহে, ন ন আৱিস্কাৰৰ দ্বাৰা বিশ্বৰ বিশাল বিজ্ঞান ক্ষেত্ৰত অসমক প্ৰতিষ্ঠা কৰাবলৈ কটনিয়ানসকল সক্ষম হ'ব।

তাৰপিছত, কটনত শিক্ষাগ্ৰহণ কৰি অভিযন্তাৰ আসন অধিষ্ঠিত হোৱাসকল অইন অভিযন্তাতকৈ হ'ব লাগিব সম্পূৰ্ণ বেলেগ। তেওঁলোক হ'ব লাগিব সৰ্বকল্যাণকামী মনোভাৱৰ সফল বাহক। "বস্তুবাদী আৰু ব্যক্তিকেন্দ্ৰিতা" এই দুই পংকিল ধাৰণাৰ ঠেক গণ্ডীৰ পৰা ওলাই তেওঁলোক সমাজ আৰু ৰাজ্যৰ উন্নয়নমুখী মনোভাৱেৰে আগবাঢ়ি যাব লাগিব ৰাজ্যখনক প্ৰগতিৰ পথত আগুৱাই নিয়াত। ধন - টকা, গাড়ী, প্ৰাসাদোপম আৱাস গৃহৰ লোভ এৰি অসমৰ সবাংগীন উন্নতিত হাত উজান দিব লাগিব। ন ন বস্তুৰ আৱিস্কাৰ কৰি প্ৰযুক্তিবিদ্যাৰ বহুল ক্ষেত্ৰখনত অসমক প্ৰতিষ্ঠা কৰিব লাগিব।

কটন মহাবিদ্যালয় বিভিন্ন জন সাহিত্য প্ৰেমী লোকৰ সংগম স্থল। সেয়ে, সাহিত্য চৰ্চা আৰু অধ্যয়নৰ বাবে এক সুস্থ বাতাবৰণ ইয়াত পোৱা যায়। সেয়েহে, এই পৰিবেশত শিক্ষা গ্ৰহণ কৰা কটনিয়ানসকল সাহিত্য চৰ্চা আৰু সাহিত্য গৱেষণাৰ প্ৰতি আগ্ৰহী হোৱা প্ৰয়োজন। অসমৰ লোক সংস্কৃতি, লোক - সাহিত্য বিস্মৃতিৰ গৰ্ভত বিলীন হৈ যোৱাৰ উপক্ৰম হৈছে। এনে অৱস্থাত কটনিয়ানসকলে একে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ প্ৰয়োজন আহি পৰিছে। তেওঁলোকে অসমৰ জকাইচুকীয়া গাওঁসমূহৰ অ'ত ত'ত সিঁচৰতি হৈ পৰি থকা অসমীয়া সংস্কৃতিৰ বিভিন্ন সামগ্ৰীসমূহ বুটলি আনি জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিব লাগিব। বিভিন্ন ধৰণৰ পুৰণি পুথি-পাঁজি সংগ্ৰহ কৰি তাক অসমীয়াৰ মাজত চিনাকী কৰাই দিব লাগিব। এতিয়াও অসমত পোৱা বহু পুথিৰ বুৰঞ্জী তৈয়াৰ কৰিব লগা আছে। কটনিয়ানসকল এই কামৰ বাবে হাঁহিমুখে আগবাঢ়ি আহিব লাগিব। অসমৰ বুকুৰ পৰা অনাদৰ আৰু অৱহেলাৰ কাৰণে হেৰাই যাব ধৰা পুৰণি গ্ৰন্থ-

পাতি উদ্ধাৰ কৰি তাক সংৰক্ষণ কৰাত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব কটনৰ প্ৰতিভাই। নন সৃজনীমূলক, উচ্চস্তৰৰ সাহিত্য ৰচনা কৰি কটনিয়ানে বিশ্বৰ দৰবাৰত অসমীয়া ভাষা - সংস্কৃতিক প্ৰতিষ্ঠা কৰিব লাগিব।

" কামৰূপা মোৰ সুৱদি-সুৱীয়া,
জগত সভালৈ যাব।
উজ্জ্বল সুজ্জ্বল কহিনুৰ পিন্ধি,
হাঁহিৰে জ্যোতিৰূপা হ'ব।"

ইয়াৰ পিছতে কটনিয়ানসকলে আগভাগ ল'ব লাগিব অসমৰ বুকুৰ পৰা দুৰ্নীতি নামৰ সৰ্বগ্ৰাসী ব্যাধিটোৰ দূৰীকৰণত। দুৰ্নীতিৰ বিৰুদ্ধে মানুহৰ মাজত জগাই তুলিব লগিব সচেতনতা। চকুৰ আগতে ঘটি যোৱা অন্যায় কাৰ্য্য দেখিও কাপুৰুষৰ দৰে মুখ বন্ধ কৰি থাকিব নালাগিব। অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ যাওতে যদি হেজাৰটা বিপদো মূৰ পাতি ল'ব লগা হয়, তাৰ বাবে সাজু থাকিব লাগিব। কটনত শিক্ষা গ্ৰহণ কৰি নিজৰ দেশৰ শাসন কাৰ্য্য চলাব লাগিব অতি সুদক্ষতাৰে আৰু নিৰপেক্ষভাবে। নিজৰ স্বাৰ্থ পূৰণৰ চিন্তা বাদ দি দেশৰ সৰ্বাংগীন উন্নতিৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব। দুৰ্নীতিৰ পংকিলতাৰ পৰা উদ্ধাৰ কৰি অসমক আকৌ নিৰ্মল পৰিবেশেৰে সজ্জিত কৰাব লাগিব। তেতিয়াহে, কটনিয়ানে শাসনক্ষেত্ৰত দেখা দিয়া বৌদ্ধিক সংকট দূৰ কৰিবলৈ সক্ষম হ'ব।

তাৰবাবে, কটনিয়ানে অধ্যয়ন, জ্ঞান আৰু বুদ্ধিৰ অন্তৰালত লুকাই থকা অৰ্থ অনুধাৱন কৰিব পাৰিব লাগিব। নৈতিক শিক্ষা গ্ৰহণ কৰি নিজৰ শিক্ষাক, নিজৰ কৰ্মক আৰু বেছি মহীয়ান কৰি তুলিব লাগিব। তেওঁলোকৰ লক্ষ্য কেৱল ভাল নম্বৰ, ভাল চাকৰি বা উচ্চপদস্থ চৰকাৰী বিষয়াৰ গাদী হ'ব নালাগিব। সমাজৰ পৰা বিছিন্ন হৈ এককেন্দ্ৰিক জীৱন যাপনো তেওঁলোকে কৰিব নালাগিব। সমাজৰ সকলো শ্ৰেণীৰ লগত মিলি গৈ নিজৰ বুদ্ধি, ক্ষমতা আৰু কৰ্মক অসমৰ উন্নতিত খটুৱাব লাগিব! তেহে কটনিয়ানসকল অসমবাসীৰ চকুত উজ্জ্বল ৰত্নৰূপে চিহ্নিত হ'ব পাৰিব। এই গুণসমূহ আহৰণ কৰি, অসমে সম্মুখীন হোৱা বৌদ্ধিক সংকট মোচনত কটনিয়ানে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰিব।

**সামৰণি ঃ** অসমে সম্মুখীন হোৱা বৌদ্ধিক সংকট মোচনত প্ৰত্যেকজন অসমীয়াই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা প্ৰয়োজন। কিন্তু, অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় কটনৰ ছাত্ৰ হিচাপে কটনিয়ানসকলৰ এইক্ষেত্ৰত বহুখিনি কৰ্তব্য কৰিবলগীয়া আছে। ঐকান্তিকতা, কৰ্মনিষ্ঠা, আত্মবিশ্বাস সাৰথি কৰি কটনিয়ান সকল আগবাঢ়ি আহিবই লাগিব অসমক ধ্বংসৰ পৰা উদ্ধাৰৰ বাবে, অসমত শত শত জ্ঞানৰ চাকি জ্বলোৱাৰ বাবে। তেহে, আমি সগৌৰৱে, মুক্তকণ্ঠে গাব পাৰিম --

" জিলিকাব লুইতৰে পাৰ ।
এন্ধাৰৰ ভেঁটা ভাঙি
প্ৰাগজ্যোতিষত বয়
জেউতি নিজৰাৰে ধাৰ।
শত শত বন্তিৰ জ্ঞানৰ দীপালিয়ে
জিলিকাব লুইতৰে পাৰ।"

*বৰ্ণালী ডেকা, উ. মা. ১ ম বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰী*

# আধুনিক কবিতা বোধৰ মানসিকতা আৰু দুৰ্বোধ্য আখ্যা দিয়াৰ প্ৰাসংগিকতা

**ভাস্কৰজ্যোতি গগৈ**



আধুনিকতা আৰু দুৰ্বোধ্যতা শব্দদুটা আপেক্ষিকতাৰ মাজত দুলি থকা দুটা শব্দ। অৱশ্যে আধুনিক মাত্ৰেই দুৰ্বোধ্য বা দুৰ্বোধ্য প্ৰতিটো বস্তুৱেই আধুনিক —এনে ধাৰণা অৰ্বাচীন। কিছুমান পুৰণি বস্তুও দুৰ্বোধ্যতাৰ জালেৰে পৰিবেষ্টিত হৈ থাকিব পাৰে নতুবা একোটা আধুনিক বস্তু দুৰ্বোধ্য হোৱাটো কোনো অস্বাভাৱিক নহয়।

পৰিকল্পিত ভাৱবস্তু আৰু সুন্দৰ ৰূপসজ্জাৰে গঠিত এটা কবিতাই যেতিয়া হাতত ধৰা- ধৰি কৰি পাঠকৰ মাজলৈ ওলাই আহে, তেতিয়া সৰস পাঠকৰ হৃদয়ত সি আঘাত নকৰাকৈ নাথাকে। বহিঃ সংযোগে (External link) যিদৰে এটা কবিতাক সকলোৰে বাবে আবেদনক্ষম কৰি তোলে, ঠিক সেইদৰে এটা ভাল কবিতাৰ বাবে আন্তঃসংযোগ(Internal link) ও অপৰিহাৰ্য।

ওপৰৰ কথাখিনি এই কাৰণেই কোৱা হ'ল যে বৰ্তমান যিসকললোকে আধুনিক (শব্দটো আপেক্ষিক) কবিতা সম্পৰ্কে দুৰূহতাৰ প্ৰসংগ আৰোপ কৰিছে, তেওঁলোকৰ বাবে কবিতা এটাৰ বহিঃসংযোগহে কাম্য। কবিতা এটাৰ আন্তঃসংযোগ বা ভাৱৰ গভীৰতালৈ তেওঁলোক যাব নোৱাৰে বা নিবিচাৰে। অথচ তেওঁলোকৰ পৰা কবিতা এটাৰ আংগিকৰ বা Form ৰ অত্যাধিক জ্ঞান আশা কৰাও অসম্ভৱ।

দুৰ্বোধ্য শব্দটো তেতিয়া ব্যৱহাৰ কৰা হয়, যেতিয়া কোনো এটা বিষয় বহুবাৰ চেষ্টা, অনুশীলন কৰাৰ পাছতো বোধৰ সম্ভৱ নহয়। কিন্তু এটা বিষয় আৰম্ভ কৰিয়েই নতুবা আৰম্ভ নকৰাকৈয়ে দুৰ্বোধ্য বুলি ক'লে তাক মানসিক ধৃষ্টতাৰ বাহিৰে আন একোৰেই নামাংকিত কৰিব নোৱাৰি। অসমীয়া কবিতাত এই প্ৰসংগৰ উত্থাপন বোধকৰোঁ তুলনামূলকভাৱে অলপ বেছি। কিন্তু এই ক্ষেত্ৰত আমি এই বিষয়টোও উল্লেখ কৰিব লাগিব যে কিমানজন অসমীয়াই, কিমানজন অসমীয়া কবিতাৰ পাঠকে কবিতাক অন্তৰেৰে, হৃদয়ৰ একান্ত আন্তৰিকতাৰে গ্ৰহণ কৰিব পাৰিছে; বিস্তৃত কৰ্মব্যস্ত জীৱনৰ মাজৰ পৰা অলপ সময় উলিয়াই তেওঁলোকে কবিতা পঢ়েনে? কবিতা চৰ্চা কৰেনে? আৰু এটা কথা এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে, যিসকল পাঠক বৰ্তমানৰ কবিতাক দুৰ্বোধ্য বা বৰ্তমানৰ কবিতাক গ্ৰহণ কৰাৰ প্ৰতি অপ্ৰৱণ, তেওঁলোক সমাজৰ অন্যান্য পৰিৱৰ্তনক লৈও সুখী নহয়। তেওঁলোকে সমাজৰ বিভিন্ন পৰিৱৰ্তনক কেতিয়াও সহৃদয়তাৰে গ্ৰহণ কৰিব নোৱাৰে। তেওঁলোকৰ মানসপটত এক অতৃপ্ত বাসনাই অহৰহ ক্ৰিয়া কৰি থাকে।

সাহিত্য সৃষ্টিশীল ক'লা। কবিতাও পৰিৱৰ্তনৰ বস্তু। বিভিন্ন পৰ্য্যায় অতিক্ৰম কৰি ক্ৰম-বিৱৰ্তনৰ ধাৰাই দি আহি কবিতাই আজিৰ অৱস্থা পাইছেহি। সেয়েহে আজিৰ পঢ়ুৱৈয়ে পৰিৱৰ্তনক সন্মান জনাই কবিতাক গ্ৰহণ কৰিব পাৰিব লাগিব।

কবিতা আচলতে বুজাৰ বস্তু নহয়। ইয়াক অনুভৱহে কৰিব পাৰি। কবি নীলমনি ফুকনে তেওঁৰ "শিল্পকলাৰ উপলব্ধি, আৰু আনন্দ" নামৰ পুথিত চিত্ৰ চাই তাক কিদৰে উপলব্ধি অনুভৱ কৰিব পাৰি, তাক অতি সুন্দৰ ভাৱে বিশ্লেষণ কৰিছে। তেওঁ এঠাইত কৈছে - " ছবি ভাস্কৰ্য চাই থকাটোৱেই, চাই ভাল লগাটোৱেই, আনন্দ পোৱাটোৱেই প্ৰথম আৰু প্ৰধান কথা। ছবি চাই থাকিলেই ছবিয়েই ছবিৰ কথা ক'ব, কেনেকৈ চাব, উপলব্ধি কৰিব লাগে। তাকো শিকাব" কবিতাৰ ক্ষেত্ৰতো সেই একে কথাই প্ৰযোজ্য। সেয়েহে এলিয়টে কৈছে "Genuine poetry can communicate before it is understood " অৰ্থাৎ ভাল কবিতাই উপলব্ধিৰ আগতেই হৃদয়ত দোলা দি যায়।

একোটা কবিতাৰ ৰস বিভিন্ন জনে বিভিন্ন দৃষ্টিকোণৰ পৰা পৰিগ্ৰহণ কৰিব পাৰে। কিছুমানে বিচাৰিব পাৰে কবিতা এটাৰ প্ৰতীকী ব্যঞ্জনা, কিছুমানে চিত্ৰকল্পৰ সূক্ষ্ম সমাহাৰকে কবিতাৰ মূল বস্তু বুলি ক'ব পাৰে। আন কিছুমানে আংগিকৰ আটিল অৱয়ৱ তথা ভাৱৰ পৰিপক্কতাক কবিতাৰ প্ৰধান বস্তু বুলি নিঃসংকোচে গ্ৰহণ কৰি ল'ব পাৰে। আচলতে কবিতা পঠনত, উপলব্ধি অনুভৱ কৰণত কোনো সু-সংবদ্ধ, সুনিৰ্দিষ্ট নীতি নিয়ম নাই। এজন পাঠকে কবিতা এটা পঢ়ি যি ৰস পায়, অন্য এজন পাঠকৰ হৃদয়ত সেই একেই ৰস, একেই উপলব্ধি, আনন্দৰ অনুৰণন নহ'ব পাৰে।

একোটা উদাহৰণেৰে বিষয়টো মুকলি কৰিব পাৰি। একোটা স্থিৰ নগ্ন নাৰী মূৰ্ত্তিৰ চাৰিও দিশে যদি আমি পৰিভ্ৰমণ কৰি সূক্ষ্ম দৃষ্টিৰে নিৰীক্ষণ কৰোঁ, তেতিয়া মূৰ্ত্তিটোৰ সমুখ অৱয়ৱত আমাৰ হৃদয়ত যি ভাৱ ব্যঞ্জিত হ'ব, সেই একেই ভাৱ মূৰ্ত্তিটোৰ বিপৰীত দিশ তথা আটাইকেইটা দিশ নিৰীক্ষণ কৰিলে অনুভৱ নহ'ব। কবিতাৰ ক্ষেত্ৰতো সেই একে কথা। অৱশ্যে ইয়াৰ লগত দৃষ্টিৰ সূক্ষ্মতা আৰু উপলব্ধিৰ গভীৰতা নিবিড়ভাৱে একাত্ম হৈ থাকে।

কিছুমান পঢ়ুৱৈয়ে (সাধাৰণ) ভাৱে যে বৰ্তমানৰ কবিতা একো একোটা বিৰাট বিৰাট শব্দৰ শোভাযাত্ৰা মাথোন। তেওঁলোকে অনুভৱ কৰে কিছুমান ডাঙৰ ডাঙৰ হৃদয়ত ঝংকাৰ তুলিব পৰা শব্দৰ সুবিন্যস্ত গাঁথনিয়েই হৈছে বৰ্তমানৰ কবিতা। কিন্তু তেওঁলোকে মনত ৰখা উচিত যে কোনো শব্দৰ কাৰচাজি নকৰাকৈ সাধাৰণ শব্দৰে একোটা সৰ্বকালৰ সৰ্বোকৃষ্ট কবিতা ৰচনা হ'ব পাৰে। প্ৰকৃততে "কবিতাকে ধৰি সকলো সৃষ্টিশীল ৰচনাৰ অন্তৰ্নিহিত ৰূপ আৰু সৌন্দৰ্যই কবিৰ মনত ধৰা দিওঁতে কোনো ভাষাৰ সহায়লৈ ধৰা নিদিয়ে। কবিয়ে সেই কল্পিত বিষয়ৰ ৰূপ আৰু সৌন্দৰ্য প্ৰকাশ কৰিবৰ বেলাহে ভাষাৰ সহায় লয়। এতেকে কবিতাক কেৱল ভাষাৰ নিৰ্মাতা বুলি যান্ত্ৰিকভাৱে ধৰিলে তাৰ অন্তৰ্নিহিত সৌন্দৰ্য অনুভৱ কৰা কঠিন হৈ পৰিব।"

প্ৰাচীন আলংকাৰিক সকলৰ মতে, কাব্যিক ভাষা আৰু মানুহৰ কথিত ভাষাৰ মাজত গভীৰ পাৰ্থক্য বিৰাজমান, কাৰণ কাব্যত একোটা শব্দই বহুতো ব্যঞ্জনাৰ্থ প্ৰকাশ কৰে। যিদৰে কবিৰ অনুভৱত একোটা সাধাৰণ বস্তুও অসাধাৰণত্বলৈ উন্নীত হয়, ঠিক সেইদৰে কবিতাত ব্যৱহৃত একোটা শব্দই সৰ্বসাধাৰণৰ বক্তব্যত ব্যৱহৃত শব্দতকৈ বিভিন্ন অৰ্থেৰে ব্যঞ্জিত হয়। সমগ্ৰ কবিতাটোৰ পৰা যদি সেই একোটা শব্দ বিচ্ছিন্ন কৰি দিয়া হয়, তেতিয়া কবিতাটোৰ সমগ্ৰ আবেদন, ভাবাৰ্থ নতুবা আংগিকো থান-বান হৈ যাব পাৰে। সেয়েহে ক'ব পাৰি-কবিতা শব্দৰ সমদল কেতিয়াও হ'ব নোৱাৰে। প্ৰাণীৰ শৰীৰৰ বিভিন্ন অংগ যিদৰে অঙ্গাঙ্গীভাৱে জড়িত হৈ থাকে, ঠিক সেইদৰে কবিতাতো শব্দবিলাক নিবিড়ভাৱে আঁতখাই থাকে। উদাহৰণ স্বৰূপে নীলমণি ফুকনৰ কবিতাক আমি ল'ব পাৰোঁ। নীলমণি ফুকনৰ কবিতাত শব্দৰ কাৰচাজি সীমাবদ্ধ; অথচ এইজন কবিৰ কবিতা বুজি নোপোৱা পাঠকৰ সংখ্যাই আমাৰ সমাজত অত্যধিক।

ইয়াৰ পৰাই পানী
ইপাৰ সিপাৰ নমনি

তুমি হাত মেলিলেই কলাপাতখন
লৰে কি চৰে
চুলি মেলিলেই বৰষুণজাক
গাত আহি পৰে

.........................................

.........................................

ইয়াৰ পৰাই বেলি
বুৰ যোৱা দেখি
ইয়াৰ পৰাই জোন ওলোৱা দেখি

এই কবিতাত কোনো বিশাল শব্দৰ সমাবেশ ঘটা নাই। অথচ কবিতাটো পঢ়ি আমাৰ ভাল লাগে। কবিতাটোৰ দ্বাৰা মানৱজীৱনৰ এক সহজাত সত্যতা আমি হৃদয়ত ধাৰণ কৰিব পাৰোঁ। তেন্তে ক'লৰিজে কোৱাৰ দৰে "Best words in the best order" নতুবা ভামহে কোৱাৰ দৰে "শব্দামে্ সহিতৌ কাব্যৰ্থো" কথাযাৰৰ সত্যতা থাকিল ক'ত? তথাপিতো কবিতাত শব্দৰ অৱস্থিতি অস্বীকাৰ কৰিব নোৱাৰি। সাৰ্থক কবিয়ে কবিতাৰ একোটা শব্দক নিজৰ সন্তানৰ দৰে বুকুৰ উমেৰে গঢ় দিয়ে। সেয়েহে "Biographia Literaria" গ্ৰন্থত ক'লৰিজে মন্তব্য কৰিছে - "A poem is that species of composition, which is opposed to works of science by proposing for its immediate object pleasure and not truth; and from all other species it is discriminated by proposing to itself such delight from the whole as in competable with a distich gratification for each component part."

ইংৰাজ কবি ৰৰ্বট ব্ৰাউনিং আৰু ইংৰাজ 'মেটাফিজিকেল' গোষ্ঠীৰ কবি সকলৰ কবিতাৰ ক্ষেত্ৰত দুৰ্বোধ্যতাৰ অভিযোগ পোন প্ৰথমে উত্থাপিত হৈছিল। অৱশ্যে এই অভিযোগ প্ৰখ্যাত ইংৰাজ কবি টি, এচ, এলিয়টৰ কাব্য জিজ্ঞাসাৰ ওপৰত ব্যাপক হৈ উঠিল। এলিয়টে তেওঁৰ "The use of poetry and use of criticism" নামৰ প্ৰবন্ধত আধুনিক কবিতা জটিল হোৱাৰ কেইটামান কাৰণ দাঙি ধৰিছে। সেই কাৰণসমূহ কবি সমালোচক ৰবীন্দ্ৰ চন্দ্ৰ বৰাই অসমীয়ালৈ ৰূপান্তৰ কৰিছে এইদৰে –

(১) কাব্য- সাহিত্যৰ প্ৰতি কবিৰ একান্ত স্বকীয় দৃষ্টিভংগী।

(২) প্ৰকাশ ভংগীৰ অগতানুগতিকতা বা অভিনৱত্ব।

(৩) দুৰ্বোধ্য বা জটিলতা সম্পৰ্কে পঢ়ুৱৈৰ পূৰ্ব-পৰিকল্পিত ধাৰণা আৰু

(৪) কোনো এটা কবিতাৰ প্ৰয়োজনীয় তথ্য বা ধাৰণা পঢ়ুৱৈৰ পৰা আঁতৰাই ৰখাৰ কৌশলগত প্ৰচেষ্টা।

আগতেই কৈ অহা হৈছে যে কবিতা বৃহত্তৰ গতিশীল কলা। ক্ৰমবিৱৰ্তনৰ ধাৰাইদি আহি কবিতাই আজিৰ অৱস্থা পাইছেহি। উৎকৃষ্ট পৰিৱৰ্তনক সকলোৱে আদৰণি জনোৱাটো স্বাভাৱিক। কিন্তু অনাকাংখিত, অপ্ৰত্যাশিত পৰিৱৰ্তনক কোনেও সহৃদয়তাৰে গ্ৰহণ কৰিব নোৱাৰে। অসমীয়া বৈষ্ণৱ কবিতাৰ ৰস আস্বাদন কৰা পাঠকসকলে ৰোমাণ্টিক কবিতাৰ ৰসাস্বাদনৰ ক্ষেত্ৰত বিৰূপ মন্তব্য কৰা দেখা গৈছিল। ঠিক তেনেদৰে যৌগিক ছন্দৰে গঠিত ৰোমাণ্টিক কবিতাৰ ৰস আস্বাদন কৰা পাঠকে মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰে ৰচিত কবিতা গ্ৰহণ কৰিব নিবিচৰাত কোনো অস্বাভাৱিকতা নাই। তথাপিও এই পাঠক সকলে এবাৰ ভাবি চোৱা উচিত যে শংকৰ, মাধৱ, শ্বেলী, কীটচ, বাইৰণ, ৰবীন্দ্ৰনাথ, চন্দ্ৰকুমাৰৰ কবিতা পঢ়িও ,এলিয়ট, অডেন, টমাচ্ , জীৱনানন্দ, নীলমণি ফুকন, জীৱন নৰহ আদি কবিৰ কবিতাৰো সাৰ্থক ৰসগ্ৰাহী হ'ব পাৰি। তাৰবাবে প্ৰয়োজন হয় কিছু অনুশীলনৰ। এখন সৰস উদাৰ অন্তৰৰ অধিকাৰী হ'ব পাৰিলেহে সৰ্বকালৰ কবিতাৰ ৰসগ্ৰাহী হ'ব পাৰি। উপৰ্যুপৰি অনুশীলন নতুবা চৰ্চাৰ জৰিয়তে এখন ৰসাল প্ৰাণৱন্ত হৃদয়ৰ অধিকাৰী হ'ব পাৰি। সেয়েহে ড° কবীন ফুকনে এটা প্ৰবন্ধত কৈছে - "কবিতা বুজিব নোৱাৰাৰ কাৰণে কবি বা কবিতাক জগৰীয়া নাপাতি পঢ়ুৱৈৰ অবুদ্ধি, আলস্য আৰু অমনোযোগিতাকহে জগৰীয়া পাতিব লাগে। কষ্ট স্বীকাৰ নকৰাৰ বাবে পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ এজনে যদি আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ তত্ত্বকথা বুজিব নোৱাৰে, তেতিয়া দোষ ছাত্ৰৰ গাতহে, আইনষ্টাইনৰ বা তেওঁৰ তত্ত্বৰ গাত জগৰ নাই।"

বৰ্তমান সময় জটিল হৈ আহিছে। লগে লগে মানুহৰ মন, চিন্তা, উপলব্ধি, অভিজ্ঞতা আদিৰ ক্ষেত্ৰতো অভিনৱত্বৰ সূচনা হৈছে। ৰাজনৈতিক সামাজিক, মনস্তাত্বিক, ফ্ৰয়েদীয় নতুবা মহাদেশীয় বিভিন্ন ধাৰণা বিলাবে

মানুহৰ ভাবোচ্ছাসক উৰ্ধলৈ লৈ গৈছে। কবিতাতো এই বিলাক ধাৰণা সোমাই পৰিছে আৰু লগে লগে সাধাৰণ পঢ়ুৱৈৰ বাবে ই হৈ পৰিছে দুৰ্বোধ্য আৰু জটিল। আচলতে মানৱ সভ্যতাত ন ন চিন্তা আৰু অনুভূতিৰ বিস্তাৰ ঘটিলে সেই সভ্যতা আৰু সমাজৰ সাহিত্যলৈ দুৰ্বোধ্যতা জটিলতা আহি পৰাটো স্বাভাৱিক। ইয়াৰোপৰি আই, এ, ৰিচাৰ্ডছ - এ কোৱাৰ দৰে কবিৰ অনুভূতি আৰু অভিজ্ঞতাৰ লগত পঢ়ুৱৈৰ সম্বন্ধ বা একাত্মবোধ অতি আকস্মিক আৰু অপ্ৰত্যাশিত। তথাপি মানুহৰ জীৱনজোৰা অভিজ্ঞতা আৰু গভীৰ সত্তাৰ পৰা উত্থিত হোৱা কবিতা সৰ্বকালৰ বাবে দুৰ্বোধ্য হৈ নাথাকে। যদিও প্ৰথম অৱস্থাত ইয়াক দুৰ্বোধ্য যেন দেখা যায়, কিন্তু বাৰম্বাৰ পঠন আৰু অনুশীলনৰ ফলত ই সহজ হৈ আহিবলৈ বাধ্য হয়। কিন্তু আজিকালি এচাম কবিয়ে (তথাকথিত) এনে কিছুমান কবিতা ৰচনা কৰিব ধৰিছে, যি তেওঁলোকৰ হৃদয়ৰ গভীৰ উপলব্ধিৰ সৃষ্ট নহয়। মাথোঁ তেওঁলোকে কিছুমান শব্দৰ সমন্বয় ঘটাই একো একাটা কবিতা ৰচনা কৰিছে। ই কেতিয়াও কবিতা হ'ব নোৱাৰে। কবিতা হ'ল "মানুহৰ হৃদয়ৰ অন্তিম ভাষা"। একোটা সাৰ্থক মহৎ কবিতা সৃষ্টিৰ বাবে জ্ঞান, সাধনা, অনুশীলন, অনুসন্ধিৎসা আদিৰ প্ৰয়োজন হয়; লগতে প্ৰয়োজন হয় জীৱন আৰু জগত সম্বন্ধে কবিৰ গভীৰ সূক্ষ্ম অৰ্ন্তদৃষ্টি আৰু স্পষ্ট ধাৰণা। ওপৰুৱা উপলব্ধিৰ পৰা উদ্বেলিত হোৱা কবিতাও অস্পষ্ট আৰু উপৰুৱা হয়।

এইখিনিতে আমি স্বীকাৰ কৰিব লাগিব যে যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাত কিছুমান নতুনত্ব সোমাই পৰিল। কল্পনা প্ৰৱণতাৰ ঠাই গ্ৰহণ কৰিলে বাস্তৱবাদে। ন ন চিত্ৰকল্প, প্ৰতীক, উপমা, ছন্দসজ্জা আদিৰ ব্যৱহাৰে অসমীয়া কবিতাক কিছু ৰহস্যময়, দুৰ্বোধ্য আৰু জটিল কৰি তুলিলে। ফলস্বৰূপে কবিতা সাধাৰণ পাঠকৰ পৰা বিশেষ পাঠকৰ ভোগ্য বস্তু হৈ পৰিল।

সাম্প্ৰতিক কালৰ যিসকল অসমীয়া কবিৰ কবিতাত বৈচিত্ৰ্যপূৰ্ণ অগতানুগতিক চিত্ৰকল্প, প্ৰতীক আদিৰ ব্যৱহাৰ হৈছিল, সেই সকলৰ ভিতৰত নৱকান্ত বৰুৱা, নীলমণি ফুকন, ভবেন বৰুৱা, হৰি বৰকাকতি, অজিত বৰুৱা আনিচ উজ জামান, নীলিম কুমাৰ, জীৱন নৰহ আদিৰ নামোল্লেখ আমি কৰিব পাৰোঁ।

নীলমনি ফুকনৰ 'সূৰ্য হেনো নামি আহে এই নদীয়েদি' কাব্য গ্ৰন্থৰ পৰা এটা উদাহৰণ দাঙি ধৰা হ'ল -

" ভুলতে তোমাক বিছনাখনত  
খেপিয়াই ফুৰিছিলোঁ  
তুমি যে পৰ্বতটোৰ নামনিত  
তিলফুল হৈ  
হালিজালি ফুলি আছা"

এই কবিতাটোত ব্যৱহৃত সুন্দৰ চিত্ৰকল্পৰ সমাবেশে ৰসাল, সৰস পাঠকৰ হৃদয়ত অলপ হ'লেও আঘাত নকৰাকৈ নাথাকে। কবিতাটোৰ দ্বাৰা আন্ধাৰ আৰু পোহৰৰ বিৰোধ তথা নিবিড়তাৰ আভাস পাব পাৰো, লগতে দুখৰ মাজত থাকিও সুখৰ ধাৰণা নতুবা ইন্দ্ৰিয় সৌন্দৰ্য অস্বীকাৰ কৰি ইন্দ্ৰিয়াতীত সৌন্দৰ্যত বিভোৰ হোৱা এক প্ৰতীকী ব্যঞ্জনা হৃদয়ত ধাৰণ কৰিব পাৰোঁ। অথচ কবিতাটোত ব্যৱহৃত অগতানুগতিক চিত্ৰকল্প প্ৰয়োগৰ ফলস্বৰূপে সাধাৰণ পঢ়ুৱৈৰ বাবে দুৰ্বোধ্য হৈ পৰিছে। এই কবিতাটো আলোচনা প্ৰসংগত ড° হীৰেন গোঁহায়ে মন্তব্য কৰিছে —" মানুহৰ জীৱনৰ সাৰ্থকতা নিঃসংগতাৰ পৰা, অবিচ্ছিন্নতাৰ পৰা মুক্তিত। সেই মুক্তি তাৎক্ষণিক সুখৰ পৰা দূৰত হ'ব পাৰে, তাক আৱৰি ৰাখিব পাৰে কাৰুণ্য আৰু বিষাদে। কিন্তু নাৰকীয় নিঃসংগতাৰ গ্লানিৰ স্পৰ্শত সি কলুষিত নহয়।"

আৰু এটা সৰ্বজন ব্যৱহৃত চিত্ৰকল্পৰ আমি উদাৰহণ দিব পাৰোঁ। কবিতাটো হ'ল খ্যাতনামা ইংৰাজ কবি টি , এচ, এলিয়টৰ "The love song of J. Alfred prufrock" নামৰ কবিতাটোৰ একাংশ –

Let us go, then, you and I  
When the evening is spread out  
against the sky  
Like a patient etherised upon a table;  
.......................................  
....................................... "

ইয়াত ব্যৱহৃত চিত্ৰকল্প সঁচাই চমকপ্ৰদ। সন্ধ্যাৰ নীলা আকাশখনক ইয়াত চিকিৎসালয়ত পৰি থকা এজন মুমূৰ্ষু ৰোগীৰ লগত তুলনা কৰিছে। নীল বিশাল আকাশৰ তলত থাকি আগতে মানুহে যি নিৰাপত্তা অনুভৱ কৰিব পাৰিছিল, সেই নিৰাপত্তাৰ প্ৰতিশ্ৰুতি আজি আকাশে আমাক দিব নোৱাৰে। বৰ্তমানৰ যান্ত্ৰিক যুগৰ যন্ত্ৰনাই সমগ্ৰ আকাশক ক'লা ধুসৰ ধোৱাই আৱৰি ৰাখিছে। বৰ্তমানৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আদি সমস্যা বিলাকে মানুহক এবাৰ হ'লেও ভাবিবলৈ বাধ্য কৰাইছে "তেজ বঁতিয়াই জীয়াই থাকে দিন"।

অতি সাম্প্ৰতিক কালৰ কবি জীৱন নৰহৰ সুন্দৰ চিত্ৰকল্পৰ সমাবেশ ঘটা এটা কবিতা আলোচনাৰ মাজলৈ অনা হ'ল —

"...............................  
সো - সোৱাই অহা কাঁড়পাতৰ দৰে বৰযুণজাক  
মই দুহাত তলুৱা পাতি ধৰিছোঁ  
গানৰ সুৰবোৰ টোপ্‌টোপকৈ পৰে  
মোৰ হাতৰ মুঠিত  
আঙুলিৰ ফাঁকবোৰেদি সৰি পৰে জোন"

সৃষ্টিক যে কবিয়ে আঁকোৱালি ধৰিছে, নতুনত্বক যে তেওঁ আহ্বান কৰিছে, সেয়া সৰস পঢ়ুৱৈৰ সহজেই অনুমেয় হয়। কিন্তু ইয়াত ব্যৱহৃত চিত্ৰকল্প কিছু জটিল। কোবাল গতিত এজাক বৰষুণ আহিছে আৰু সেয়া কবিৰ হাতৰ মুদ্ৰাত থমকি ৰৈছে। আকৌ গানৰ সুৰবোৰ কবিৰ হাতৰ পৰা সৰি পৰিছে। . এই কথা সাধাৰণ পঢ়ুৱৈৰ বাবে কেতিয়াও গ্ৰহণীয় হ'ব নোৱাৰে। এজাক বৰষুণক হাত পাতি ধৰাতো তেওঁলোকে কেতিয়াও সহৃদয়তাৰে গ্ৰহণ কৰিব নোৱাৰে। কবিতাটোত আকৌ এবাৰ কৈছে -

" মই যে বৰষুণৰ বাবেই এদিন মৰিম  
এই কথা কেৱল আয়ে জানে । "

আচলতে, নতুনত্বক গ্ৰহণ, স্বীকাৰ আৰু অনুশীলন কৰিব পাৰিলেহে আজিৰ পাঠকে এনে ধৰণৰ কবিতা বুজিব পাৰিব।

মহাদেশীয় বিভিন্ন প্ৰতীক তথা কিছুমান ব্যক্তিগত প্ৰতীকৰ ব্যৱহাৰে বহুতো কবিৰ কবিতাক জটিল কৰাত যথেষ্ট সহায় আগবঢ়াইছে। জীৱনৰ অৱচেতনিক ফালটো উন্মোচিত কৰিবৰ বাবে প্ৰতীকৰ ব্যৱহাৰ কৰা হয়।

সাধাৰণতে কবিতা এটাত প্ৰতীকৰ ব্যৱহাৰ স্বতঃস্ফূৰ্ত আৰু স্বাভাবিক হ'ব লাগে। বলপূৰ্বক ভাৱে 'প্ৰতীক'ক কবিতাত আৰোপ কৰিলে সি কেতিয়াও সাৰ্থক কবিতালৈ উন্নীত হ'ব নোৱাৰে। কবিৰ ঐকান্তিকতা আৰু আন্তৰিকতাৰ ওপৰত প্ৰতীক ব্যৱহাৰৰ সাৰ্থকতা নিৰ্ভৰ কৰে।

মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ ব্যৱহাৰেও আধুনিক কবিতাক জটিল হোৱাত বৰঙণি যোগাইছে। ছন্দ প্ৰয়োগত স্বাধীনতাৰ বাবে আজি অসমত বহুতো কবিৰ জন্ম হৈছে। এয়া সুখৰ কথা। কিন্তু সাৰ্থক কবিৰ সৃষ্টি নোহোৱাতহে সৰস পঢ়ুৱৈয়ে দুখ প্ৰকাশ কৰে; অৰ্থাৎ কিবা এক অপূৰ্ণ অনুভৱ কৰে। বৈষ্ণৱ যুগ নাইবা ৰোমাণ্টিক যুগত কবিতাত ছন্দ প্ৰয়োগৰ ক্ষেত্ৰত যি দায়বদ্ধতা আছিল, তাৰ ফলস্বৰূপে সেই সময়ত কবিৰ সংখ্যা কম আছিল; কিন্তু সাৰ্থক কবিৰ সংখ্যা আজিতকৈ (?) যথেষ্ট আছিল, তাক স্বীকাৰ কৰিবই লাগিব।

কবিতাত দুৰ্বোধ্যতাৰ অভিযোগ বিমূৰ্ত কৰিবলৈ হ'লে কবিতাৰ আলোচনা ব্যাপক আৰু বিস্তাৰিত হ'ব লাগিব। বহুতো কবিয়ে এনে কিছুমান কবিতা ৰচনা কৰে, য'ত একোটা কাহিনী বা কাহিনীৰ প্ৰত্যক্ষ অনুভৱ জড়িত হৈ থাকে। এনে ধৰণৰ কৰিতা হৃদয়ংগম কৰিবলৈ হ'লে পঢ়ুৱৈয়ে যথেষ্ট অসুবিধা অনুভৱ কৰিব লগা হয়। সেয়েহে কবি সকলে তেওঁলোকৰ কবিতাৰ নেপথ্যৰ কথা বা একোটা কাহিনীৰ প্ৰত্যক্ষলব্ধ অভিজ্ঞতা পাঠকৰ আগত প্ৰকাশ কৰিব লাগে। তেতিয়াহে কবিতা সৰ্বসাধাৰণৰ মাজত বিয়পি পৰিব। এই ক্ষেত্ৰত অজিত বৰুৱাৰ "জেংৰাই - ১৯৬৩" নামৰ কবিতাটো উল্লেখ কৰিব পাৰি। এই কবিতাটো কবিয়ে জীৱনৰ বিশেষ মুহূৰ্ত্তত (১৯৬৩ চনৰ অৰণ্যময় জেংৰাই অঞ্চলত ৰাতি নাৱত কটাওঁতে) সন্মুখীন হোৱা ঘটনাৰ আলমত ৰচনা কৰিছে। কিন্তু আগতেই উল্লেখ কৰা হৈছে যে কবিতাত বাস্তৱ ঘটনায়ো বাস্তৱাতীত ব্যাখ্যাতীত ভাবাৰ্থলৈ পৰ্যবসিত হয়। ইয়াক উপলব্ধি, অনুভৱ কৰিবলৈ হ'লে এখন উদাৰ কু-সংস্কাৰ মুক্ত অন্তৰৰ গৰাকী হ'ব লাগিব। ইয়াৰোপৰি সমালোচক সকলৰ দায়িত্বও এই ক্ষেত্ৰত কম নহয়। অৱশ্যে তেওঁলোকৰ লিখনি সহজ, সৰল আৰু যথাৰ্থ হোৱাটো সকলোৱে আশা কৰে।

শেষত ক'ব পাৰি যে কোনো এজন পঢ়ুৱৈয়ে একোটা কবিতাৰ পৰা সম্পূৰ্ণ ৰস পৰিগ্ৰহণ কৰিছোঁ বুলি দাবী কৰিব নোৱাৰে। কবিতা এটা পঢ়ি কিবা এক আনন্দ, কিবা এক শিহৰণ অনুভৱ কৰিব পাৰিলেই যথেষ্ট। এজন সাৰ্থক কবিয়েও এজন পাঠকৰ পৰা ততোধিক একো নিবিচাৰে। কবিতাৰ ক্ষেত্ৰত Watts Dunton ৰ এই কথাষাৰ পাহৰিলে নহ'ব "The poet must never forget that his final quast is beauty"



*ভাস্কৰজ্যোতি গগৈ, স্নাতক ১ম বাৰ্ষিক, অসমীয়া বিভাগৰ ছাত্ৰ*

# অসমত চাহ-শিল্পৰ আৰম্ভণি, বনুৱা চালানৰ ইতিহাস তথা চাহজনগোষ্ঠীৰ সংস্কৃতি ঃ *এক চমু অৱমূল্যায়ন*

কমল কুমাৰ তাঁতী



ভাৰতবৰ্ষৰ অৰ্থনীতিত অসমৰ চাহশিল্পই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে আৰু তাত এক সফল অৰিহণা যোগাইছে অসমৰ চাহবাগিছাসমূহে। অসমৰ আৰ্থসামাজিক তথা সাংস্কৃতিক জীৱনতো চাহ-বাগিছাসমূহৰ অৱদান অতুলনীয়।

চাহগছৰ উৎপত্তি সম্পৰ্কে প্ৰথমবাৰৰ বাবে জানিব পৰা হয় ১৭৭৪ চনত। উক্ত বছৰতে চীনদেশৰ পৰা চাহগুটি ভাৰতলৈ অনা হৈছিল। এই সম্পৰ্কে অধিক খা-খবৰ ল'বৰ বাবে সেইসময়ত ভুটানত থকা ইংৰাজ গুপ্তচৰ Bogle ক ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ গৱৰ্ণৰ ওৱাৰেণ হেষ্টিংছে নিৰ্দেশ দিছিল। ১৭৭৮ চনত হেষ্টিংছে Sir Joseph Banks ক এই সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰিবলৈ দিছিল। দীৰ্ঘ আলাপ-আলোচনাৰ অন্তত সকলোৱে এই সিদ্ধান্তত উপনীত হল যে ক'লা চাহ (Black tea) আৰু সেউজীয়া চাহ (Green tea) ক্ৰমে ২৬-৩০ আৰু ৩০-৩৫ অক্ষাংশত উৎপন্ন হয়। ১৭৯৩ চনত এই সম্পৰ্কে অধিক খা-খবৰ সংগ্ৰহৰ বাবে চীনদেশলৈ মানুহ পঠিওৱা হৈছিল। যদিও বিশেষ কামত অহা নাছিল। এই সময়তে ১৮১৫ চনত কৰ্ণেল লেটাৰ (Colonel Latter) অসমলৈ আহোঁতে অসমৰ মানুহে চাহখোৱা দেখা পাইছিল। কিছু লোকৰ মতে, তৃতীয় শতিকাতে অসমৰ পৰা চীনদেশলৈ চাহগছ বিয়পি পৰিছিল।

১৮২৩ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰবাৰ্ট ব্ৰুচ, কেপ্টেইন চাৰ্লটন, বেডিংফিল্ড চাহাব মণিৰাম দেৱানৰ সৈতে মান খেদিবলৈ শদিয়ালৈ যাওঁতে চিংফৌৰ 'বিচাগামে' বেডিংফিল্ডক "ফানাপ" বুলি একাপ চাহ খাবলৈ দিছিল। বেডিংফিল্ডে তেওঁৰ পৰা কিছু চাহগুটি আৰু পুলি আনি কুণ্ডিল নগৰৰ চাউনীত ৰুই দিছিল। চাহগছক চিংফৌ ভাষাত "ফানাপ" (Fanpe) ইংৰাজীত Tea, চীনা ভাষাত Thea বা Cha বা Tscha বুলি কোৱা হয়। এই চাহগছৰ বিষয়ে পোনপ্ৰথমে মণিৰাম দেৱানেই অৱগত কৰিছিল আৰু সেই দিনৰ পৰা মণিৰাম দেৱানকেই চাহগছৰ আৱিষ্কৰ্তা বুলি অভিহিত কৰিব পাৰি। চাহগছৰ আৱিষ্কাৰৰ কথা ১৮৩৬ চনত Asiatic Journal তো প্ৰকাশ পাইছিল।

১৮৩৩ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে "চাৰ্টাৰ আইন" বলবৎ কৰে আৰু ১৮৩৪ চনৰ ডিচেম্বৰ মাহত লৰ্ড বেণ্টিকৰ উদ্যোগত "টি কমিটি" গঠন কৰা হয় আৰু এই কমিটিৰ দায়িত্ব দিয়া হয় ৰবাৰ্ট ব্ৰুচ চাহাবক। ইয়াৰ লগে লগে কেপ্টেইন জেনকিন্সৰ তত্বাৱধানত অসমত চৰকাৰীভাৱে চাহখেতি আৰম্ভ হয়। ১৮৩৬ আৰু ১৮৩৭ চনত পোনপ্ৰথমবাৰৰ বাবে অসমত চাহ উৎপাদন হয়।

১৮৩৮ চনত বংগদেশৰ বিখ্যাত জমিদাৰ দ্বাৰকানাথ ঠাকুৰৰ উদ্যোগত Bengal tea company গঠিত হয় আৰু তেনে সময়তে Assam company ৰো জন্ম হয়। অনতিপলমে দুয়োটা কোম্পানীয়ে মিলি "আসাম কোম্পানী" গঠন কৰে (১৮৩৯)। এই কোম্পানীৰ পৰিচালনা সমিতিত আছিল টি. ডিকেন্স, জি. ৰেমফ্ৰী, এইচ- হলৰইড আদি ইংৰাজ আৰু দ্বাৰকানাথ ঠাকুৰ, মতিলাল শীল আদি ভাৰতীয়। আসাম কোম্পানীয়ে গড়গাঁৱৰ কাৰেঙঘৰৰ ওচৰত "লিগিৰীপুখুৰী" আৰু "গাভৰুপৰ্বত" নামেৰে দুখন চাহ-বাগিছা খোলে। প্ৰকৃততে দুখন চাহ-বাগিছাই অসমৰ সৰ্বপ্ৰথম চাহবাগিছা বুলি ক'ব পৰা যায়। এই সময়চোৱাতে মণিৰাম দেৱানে যোৰহাটৰ "চেনিমৰা" আৰু চাফ্ৰাইৰ ওচৰত "চেংলু" নামেৰে দুখন চাহবাগিছা খোলে। গতিকে তেওঁকেই প্ৰথম অসমীয়া চাহ খেতিয়ক বুলি অভিহিত কৰা হয়। কিন্তু ১৮৫৮ চনত মণিৰাম দেৱানৰ ফাঁচীৰ পিছত এই বাগিছা দুখন ইংৰাজে নিলামত কিনি লয়।

যি কি নহওক, ১৮৫০ চনমানলৈকে অসমত চাহখেতিয়ে বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নাছিল। ১৮৫৯ চনত "আসাম কোম্পানী"ৰ চত্ৰছায়াত "যোৰহাট টি কোম্পানী" গঠন হয়। এই সময়ছোৱাৰ ভিতৰতে ব্যক্তিগত খণ্ডত বহুতো চাহ বাগিছাই গঢ় লৈ উঠে। সেই সময়তে ১৮৫২ - ৫৩ চনত মিঃ হেনৰী বাৰকিনে (কনিষ্ঠ) "নুমলীগড় চাহ বাগিছা", ১৮৫৬ চনত জৰ্জ উইলিয়ামচনে (কনিষ্ঠ) কলিয়াবৰ চাহ বাগিছা, ১৮৫৪ চনত মিঃ জৰ্জ উইলিয়ামচন (জ্যেষ্ঠ) আৰু কেপ্টেইন জে. এইচ্ উইলিয়ামচনে "চিনামৰা চাহবাগিছা আৰু ১৮৫৭ চনত ওৱাটিং চাহবাগিছা খোলে। এই সময়তে মণিৰাম দেৱানৰ বাহিৰেও অন্নদাচৰণ ফুকন, মাণিক চন্দ্ৰ বৰুৱা আদি অসমীয়াই চাহ বাগিছা খোলে। প্ৰাপ্ত তথ্য অনুসৰি, ১৮৫৯ চনলৈ অসমতে ৫১খন চাহ বাগিছা খোলা হৈছিল। এই সংখ্যা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰে। ১৮৮০ চনত এই সংখ্যা ৭৮০ খন আৰু ১৯০০ চনত ৮০৪ খন হয়গৈ।

**বনুৱা চালানৰ ইতিহাস ঃ –**

চাহখেতি আৰম্ভ হোৱাৰ সময়ত অসমখন হাবি জংঘলেৰে ভৰি আছিল। সেই জংঘল কাটি, চাফা কৰি চাহ খেতি কৰিবৰ বাবে যেতিয়া বনুৱাৰ আৱশ্যক হয়, তেতিয়া অসমত কাম কৰা বনুৱাৰ অভাৱে দেখা দিলে। অসমৰ থলুৱা লোকসকলে এই কামবোৰ কৰিবলৈ উৎসাহেৰে আগবাঢ়ি অহা নাছিল। সেই সময়ত অসমৰ অধিকাংশ লোকেই আৰ্থিক দিশৰপৰা টনকিয়াল আছিল। তদুপৰি যৌথ পৰিয়ালৰ ব্যৱস্থা থকাৰ বাবেও এই কামবোৰ কৰিবলৈ অসমীয়া লোকসকলে কোনো প্ৰয়োজন অনুভৱ

কৰা নাছিল। তথাপিতো চাহ বাগিছাবোৰত প্ৰথমে স্থানীয় বনুৱাবোৰেই কাম কৰিছিল। অৱশ্যে ইংৰাজ গৰ্ডন চাহাবে চীনদেশৰ পৰাও কিছু বনুৱাৰ আমদানি কৰিছিল। উজনি অসমৰ বাগিছাবোৰত চাহ কোম্পানীয়ে পাহাৰীয়া নগা আৰু চিংফৌ বনুৱাকো কামত লগাইছিল। নামনি অসমৰ বাগিছাবোৰত দৰং আৰু কামৰূপৰ কছাৰী বনুৱাক নিয়োগ কৰা হৈছিল। কছাৰী বনুৱাসকলে মজুৰী বৃদ্ধি কৰিবলৈ জনোৱা আবেদন ইংৰাজ চৰকাৰে নামঞ্জুৰ কৰাত ১৮৪৮ আৰু ১৮৫৮ চনত দুবাৰকৈ হৰতাল পালন কৰিছিল। ১৮৫৮ চনত হোৱা হৰতালৰ নেতৃত্ব দিছিল মধুৰাম কোঁচে। ইংৰাজে তেওঁক হৰতালৰ নেতৃত্ব দিয়াৰ বাবে দোষী সাব্যস্ত কৰি ফাঁচী দিছিল। শেষৰফালে চীনা বনুৱাসকল দলে বলে গুছি গৈছিল আৰু অসমৰ বনুৱাসকলেও কাম কৰিবলৈ মন নকৰাত অসমৰ চাহশিল্প এক প্ৰচণ্ড সংকটৰ সন্মুখীন হয়। তেনেতে ৰবাৰ্ট ব্ৰুচ চাহাবে অসমৰ বাহিৰৰপৰা বনুৱা অনাৰ বাবে সিদ্ধান্ত লয়। সেইমতে ১৮৪১ চনত "আসাম টি কোম্পানী"য়ে ছোটনাগপুৰৰপৰা বনুৱা আমদানি কৰাৰ চেষ্টা কৰে। কিন্তু এই কামত কোম্পানী বিফল হয়। তাৰ কাৰণ আছিল - যাতায়াতৰ অসুবিধা তথা দীৰ্ঘ দূৰত্ব। তদুপৰি সেই সময়ত উক্ত অঞ্চলত কলেৰা মহামাৰীয়ে দেখা দিয়াত শ শ লোকৰ মৃত্যু হৈছিল। ফলত বনুৱাৰ অভাৱত চাহ বাগিছাবোৰ বন্ধ হোৱাৰ উপক্ৰম হয়। গতিকে কোম্পানীয়ে যিকোনো প্ৰকাৰে বনুৱা আমদানি কৰাৰ বাবে "ঠিকাদাৰী প্ৰথা"ৰ প্ৰৱৰ্ত্তন কৰে। আনকি বাহিৰৰ পৰা অনা বনুৱাসকলৰ মাহেকত পাঁচ টকা মজুৰি দিয়াৰ কথা কোম্পানীয়ে ঘোষণা কৰে। ১৮৫৮-৫৯ চনত বেনাৰচ, গাজীপুৰ, ছোটনাগপুৰ আৰু বিহাৰৰপৰা প্ৰায় ৪০০ বনুৱা কাছাৰৰ বাগিছাসমূহলৈ আমদানি কৰা হয়। ১৯০৬ চনত প্ৰকাশিত অনুসন্ধান কমিটিৰ প্ৰতিবেদন মতে ১৮৬৩ চনৰ এক মে'ৰ ভিতৰত অসমৰ চাহ-বাগিছবোৰলৈ ভাৰতৰ বিভিন্ন ঠাইৰ পৰা ৮৪৯১৫ জন বনুৱা আমদানি কৰা হয়। কিন্তু ১৮৬৬ চনৰ ৩০ জুনৰ ভিতৰত ৩০ হেজাৰৰো অধিক বনুৱাই বিভিন্ন কাৰণত অসম পোৱাৰ আগতেই প্ৰাণ হেৰুৱায়। ১৮৭৩ চনত পুনৰ ১৪০৭৬ জন বনুৱা কাছাৰৰ বাগিছাবোৰলৈ আমদানি কৰা হয়।

ইয়াৰ পাছত ইংৰাজ চৰকাৰে ক্ৰমে কে'বাখনো আইন পাছ কৰি "ঠিকাদাৰী প্ৰথা" বন্ধ কৰি দিয়ে আৰু তাৰ পৰিবৰ্ত্তে "চৰ্দাৰী প্ৰথা" আৰু "আড়কাঠিয়া প্ৰথা"ৰ প্ৰৱৰ্ত্তন কৰে। "এগ্ৰিমেণ্ট" অনুযায়ী অনা "গিৰমিট" নামে অন্য এক প্ৰথাৰো সেই সময়ত প্ৰচলন হৈছিল। "আড়কাঠিয়া" চালানমতে বনুৱাসকলক চিৰদিনৰ বাবে অসমলৈ লৈ অহা হয় আৰু "গিৰমিটিয়া" চালানমতে বনুৱাসকলক ৫ বা ১০ বছৰৰ বাবে চুক্তি কৰি অনা হয়। আড়কাঠিয়া প্ৰথাত "আড়কাঠিয়া" ৰা দালালৰ প্ৰয়োগ কৰা হৈছিল আৰু তেওঁলোকেই বিভিন্ন উপায়েৰে বনুৱা সংগ্ৰহ কৰি অসমলৈ পঠিয়াইছিল। এই প্ৰথা আছিল ঠগ - প্ৰৱঞ্চনাৰে ভৰা; অত্যাচাৰ, অন্যায়, অবিচাৰ তথা জোৰজুলুমৰ এক নামান্তৰ মাত্ৰ। চূড়ান্ত অত্যাচাৰ- অবিচাৰত খং, ঘৃণা, বিতৃষ্ণাৰে ভৰি পৰিছিল এই সহজ - সৰল লোকসকলৰ মনবোৰ। সেয়েহে ঝুমুৰগীতত আজিও গোৱা হয় —

" চৰ্দাৰ বলে কাম কাম<br>
বাবু বলে ধৰে আন<br>
চাহাব বলে লিব পিঠেৰ চাম,<br>
হায়ৰে নিঠুৰ শ্যাম<br>
ফাঁকি দিয়ে আনিলি আসাম।।"

কিন্তু কি পৰিস্থিতিত এই সহজ সৰল লোকসকল অসমলৈ আহিব লগীয়া হৈছিল? কিয় আড়কাঠিয়া সকলৰ নিপীড়ণ শোষণৰ বলি হ'ব লগীয়া হৈছিল। এই কথাৰ পম খেদি গম পোৱা যায় যে তেওঁলোক নিজ ইচ্ছাত নহয়, এক সংকটজনক পৰিস্থিতিৰ বলি হৈহে অসমলৈ বনুৱাৰূপে প্ৰব্ৰজন কৰিবলগীয়া হৈছিল। আৰ্থ সামাজিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে সেই সময়ত উক্ত অঞ্চলবোৰৰ অধিবাসীসকলৰ জীৱন ধাৰণৰ মান অতি নিম্নখাপৰ আছিল। আৰ্থিক দিশৰপৰা এই লোকসকল নিঃকিন আছিল। সেইসময়ৰ অস্থিৰ ৰাজনৈতিক পৰিস্থিতিৰ সুবিধা লৈ ইংৰাজে এই অঞ্চলৰ খেতি বাতি, হাবি জংঘলবোৰৰ ওপৰত অতি উচ্চহাৰত কৰ ধাৰ্য্য কৰিছিল। তদুপৰি বিভিন্ন সুৰুঙাৰ গইনা লৈ এইলোকসকলৰ ওপৰত নিত্য নতুন কৰ জাপি দিয়া হৈছিল। ১৭৯৩ চনৰ চিৰস্থায়ী বন্দোবস্তৰ সুবিধা লৈ একশ্ৰেণীৰ সুবিধাবাদী ভূ-স্বামী আৰু জমিদাৰ মহাজনৰ উত্থান হৈছিল। এই সহজসৰল লোকসকলে জমিদাৰসকলৰ অত্যাচাৰ, উৎপীড়ণ, নিপীড়ণ শোষণৰ বলি হৈ এক প্ৰচণ্ড সংকটৰ সন্মুখীন হৈছিল আৰু ফলত তেওঁলোকৰ অৱস্থা অতি সংগীন হৈ পৰিছিল। জমিদাৰ সকলৰ সামন্তযুগীয় অত্যাচাৰ শোষণৰ বলি হৈ বিষময় হৈ উঠিছিল এই লোকসকলৰ জীৱন। সেয়েহে অতীতৰ কথা সুঁৱৰি ঝুমুৰগীতত আজিও গোৱা হয়।

"নানা মৰল নদীৰ মাঝে<br>
ভাই মৰল ভকে,<br>
বাপকে দিল পুলিস থানাই<br>
পালাই যাবাৰ দোষে।।"

এনেদৰে বিভিন্ন আৰ্থসামাজিক কাৰণত এই লোকসকল অসম পায়হি আৰু কালক্ৰমত এওঁলোককেই চাহ-জনগোষ্ঠী ৰূপে অভিহিত কৰা হয়। অতীতৰ প্ৰব্ৰজনৰ কাৰণ সুঁৱৰি এওঁলোকে আজিও গায় —

"চল মিনি আসাম যাব<br>
দেশে বড় দুখ ৰে।।"

চাহজনগোষ্ঠীৰ নামেৰে পৰিচিত এই লোকসকল ভাৰতৰ বিভিন্ন প্ৰদেশৰ পৰা অসমলৈ আহিছিল। তলত এওঁলোকৰ প্ৰব্ৰজন কোন কোন ঠাইৰপৰা হৈছিল, উল্লেখ কৰা হ'ল -

(ক) বংগদেশৰ বৰহমপুৰ, মেদিনীপুৰ, বাঁকুড়া আৰু পুৰুলিয়া;

(খ) উৰিষ্যাৰ বিলাসপুৰ, চৈবাচা, ডোমকা, জগদলপুৰ আৰু সম্বলপুৰ;

(গ) বিহাৰৰ ৰাঁচী, গোৰখপুৰ আৰু হাজাৰিবাগ;

(ঘ) উত্তৰ প্ৰদেশৰ ভেণ্টনগঞ্জ;

(ঙ) মধ্যপ্ৰদেশৰ ৰায়পুৰ, ৰামপুৰহাট, জব্বলপুৰ, যোশপুৰ;

(চ) তামিলনাডুৰ ভিজিয়ানাগ্ৰাম,

(ছ) মহাৰাষ্ট্ৰৰ নাচিক।

ভাৰতৰ বিভিন্ন প্ৰান্তৰপৰা প্ৰব্ৰজন কৰা এই জনগোষ্ঠীটোৰ মাজত বহুতো জাতি উপজাতি আছে। তলত এই জাতি উপজাতিবোৰৰ নাম উল্লেখ কৰা হ'ল —

(১) কয়া, (২) কৰুৱা (৩) কন্ধ, (৪) কুৰ্মী, (৫) কামাৰ বা লহাৰ, (৬) কাহাঁৰ, (৭) কালন্দী, (৮) কিষাণ, (৯) কুম্হাৰ, (১০) কেউট, (১১) কৈৰী, (১২) কোল, (১৩) কাটোৱাল, (১৪) খাড়িয়া, (১৫) খেৰুৱাৰ, (১৬) খণ্ডাইত, (১৭) খদাল, (১৮) গঁড় (১৯) গড়াইত, (২০) গঞ্জু, (২১) গদবা, (২২) গোৱালা, (২৩) গাজলু, (২৪) ঘাটোৱাৰ, (২৫) ঘাঁছি,

(২৬) চাওৰা, (২৭) চাওঁতাল, (২৮) চামাৰ, (২৯) চিক-বৰাইক, (৩০) চুঁড়ী (৩১) শৱৰ, (৩২) জলহা, (৩৩) ভম, (৩৪) তাম্ভ, (৩৫) তাঁতী, (৩৬) তেলী, (৩৭) তুৰী, (৩৮) তেলেংগা, (৩৯) নাপিত, (৪০) দুশাদ, (৪১) ধানোৱাৰ, (৪২) ধোবী বা ৰজক, (৪৩) পাতৰ, (৪৪) পানিকা, (৪৫) পৰজা, (৪৬) বৰাইক, (৪৭) বাউৰী, (৪৮) বাগ্‌তি, (৪৯) বাইগা, (৫০) বনীয়া, (৫১) বাঢ়ে (৫২) বাচফৰ বা ৰবিদাস, (৫৩) বেদিয়া, (৫৪) ভূমিজ (৫৫) ভূএগ (৫৬) ভূঁইমালী, (৫৭) ভক্তা, (৫৮) ভিল, (৫৯) মান্‌কি (৬০) মাহলী, (৬১) মালাহাৰ, (৬২) মাল, (৬৩) মাল-পাহাড়ীয়া, (৬৪) মুণ্ডা, (৬৫) মোদী, (৬৬) মিৰ্ধা (৬৭) মালী, (৬৮) মাল পাত্ৰ (৬৯) মাহান্তী, (৭০) ৰাজোৱাৰ, (৭১) ৰাজপুত (৭২) লোধী (৭৩) হাড়ী (৭৪) হিৰা, (৭৫) উৰাং (৭৬) অহিৰ ইত্যাদি।

চাহ জনগোষ্ঠীৰ এই জাতি উপজাতিবোৰক অসম চৰকাৰে অন্যান্য পিছপৰা সম্প্ৰদায় হিচাপে স্বীকৃতি দি অধিক পিছপৰা জাতিৰূপে গণ্য কৰে। তাৰ ভিতৰত বাচফৰ, মালী, হিৰা, ভূঁইমালী, বনীয়া, ধোবী, আৰু জলহা জাতিক অনুসূচিত জাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে।

**সংস্কৃতি ঃ**

চাহমজদুৰসকল বিভিন্ন জাতি-উপজাতিৰ সমষ্টি। এই জাতি উপজাতিবোৰে কম বেছি পৰিমাণে স্বকীয় সংস্কৃতি বজাই ৰাখিছে আৰু তাৰ সমন্বয়ত সৃষ্টি হৈছে এক বাৰেবৰণীয়া সংস্কৃতিৰ। চাহজনগোষ্ঠীৰ লোকসকলৰ মাজত বিভিন্ন ধৰণৰ সাংস্কৃতিক উৎসৱ অনুষ্ঠান প্ৰচলিত হৈ আছে। তাৰ ভিতৰত কৰম পৰৱ, টুচু পৰৱ, সাঁহৰাই পৰৱ, ফাগুৱা পৰৱ আদি অন্যতম। এই সমূহৰ সাংস্কৃতিক উপাদানসমূহ তেওঁলোকে নিজ নিজ ঠাইৰ পৰা লৈ আহিছিল আৰু অসমলৈ আহি এই গোটেইবোৰৰ সমন্বয়ত জন্ম দিছিল এক সুকীয়া সংস্কৃতিৰ, যি অসমৰ সাংস্কৃতিক জগতখনক এক উজ্জ্বল পোহৰেৰে উদ্ভাসিত কৰি তুলিছে। অৱশ্যে চাহজনগোষ্ঠীৰ এই উৎসৱসমূহত লোকায়ত চিন্তাভাৱনা আৰু পৰম্পৰা বিদ্যমান। এই সমূহক বহুলোকে ধৰ্মীয় পূজা আদিৰ সৈতে ব্যাখ্যা কৰিলেও আচলতে এই সমূহত লোকায়তী চিন্তাভাৱনা আছে। উদাহৰণস্বৰূপে কৰম পৰৱ হ'ল, বংশ প্ৰজনন আৰু শস্য উৎপাদনৰ উৎসৱ, অসমৰ বিহুৰ দৰে। কৰম পৰৱ সম্পৰ্কে W. G. Arcaer য়ে এটাইত লিখিছে - " The Karam festival occurs in August at the climax of the monsoon when the paddy is standing in the fietlds but has not yet come into ear" সাধাৰণতে কৰমপৰৱ বছৰেকত তিনিবাৰ অনুষ্ঠিত হয় ক্ৰমে ভাদমাহৰ কৃষ্ণপক্ষৰ ৮ মী, শুক্লপক্ষৰ একাদশী আৰু আহিন মাহৰ বিজয়া ৯ মী তিথিত। তেনেদৰে টুচু পৰৱ হ'ল এগৰাকী স্বতস্ফূৰ্ত্ত কামনা বাসনাৰ অভিব্যক্তি। "টুচু" শব্দটি "তুষ্' বা "তুষ্‌লা" (অসমীয়াত ধানৰ তুঁহ) শব্দৰপৰা অহা। অসমৰ অন্যতম জাতীয় উৎসৱ মাঘবিহু অনুষ্ঠিত হোৱাৰ দিনাই অসমৰ চাহমজদুৰ সকলে "টুচু পৰৱ " পালন কৰে। টুচু পৰৱত গোৱা টুচুগীত সমূহৰ মাজেৰে সমাজ - সচেতনতা, অন্যায়ৰ বিৰুদ্ধে জেহাদ, পুৰুষশাসিত সমাজত নিৰ্পীড়িত নাৰীজাতিৰ বলিষ্ঠ প্ৰতিবাদ প্ৰতিফলিত আৰু প্ৰকাশিত হৈছে, এনেদৰে এই গীতসমূহ লোকসংগীতৰ পৰ্য্যায় লাভ কৰিবলৈ সমৰ্থ হৈছে।

"ৰাধাচূড়াৰ ফুল গুজি ৰাধাপুৰৰ ৰাধিকা,
চাহ - বাগিছাৰ ঝুমুৰ নাছে, জুগনু ঘাছে ফটিকা।। "

অসমৰ চাহ-বাগিছাৰ ঝুমুৰ নৃত্য আৰু গীত, বৰ্তমান অসমৰ জনজীৱনত এটি লেখত ল'বলগীয়া সাংস্কৃতিক উপাদান তথা কৃষ্টি হিচাপে স্থান অধিকাৰ কৰিছে। ঝুমুৰক বাদ দি চাহমজদুৰৰ কলা - সংস্কৃতিৰ বিষয়ে আলোচনা কৰিব নোৱাৰি। ঝুমুৰ নৃত্যৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে মতানৈক্য থাকিলেও এইটো ঠিক যে ঝুমুৰ নৃত্যৰ এসময়ত বৰ্তমানৰ ৰাঁচী, ছোটনাগপুৰ, বাঁকুড়া, পুৰুলিয়া আদিকে ধৰি সমগ্ৰ ঝাৰখণ্ড অঞ্চলৰ কৃষিজীৱী মানুহৰ মাজত জন্ম হৈছিল। ঝুমুৰ মূলতঃ দ্ৰাবিড় ভাষাগোষ্ঠীৰ অন্তৰ্গত সম্প্ৰদায়ৰ লোকনৃত্য আৰু গীত আছিল যদিও অসমলৈ অহাৰ পিছত প্ৰায়বোৰ জাতিগোষ্ঠীৰ মাজতেই ইয়াৰ প্ৰভাৱ বিদ্যমান। এই গীতসমূহৰ সৃষ্টি আৰু বিকাশলৈ লক্ষ্য কৰি দুটা ভাগত ভগাব পাৰি -- চাহজনগোষ্ঠীৰ লোকসকল (ক) অসমৰ অহাৰ আগতে সৃষ্টি হোৱা ঝুমুৰ গীত সমূহ আৰু (খ) অসমলৈ অহাৰ পিছত অসমৰ মাটিত সৃষ্টি হোৱা গীতসমূহ। অসমলৈ অহাৰ আগতে সৃষ্টি হোৱা ঝুমুৰ গীতসমূহৰ বিষয়বস্তু আৰু প্ৰকাশভংগীৰ ওপৰত ভিত্তি কৰি ৫ টা ভাগত ভগাব পাৰি -- (১) লৌকিক ঝুমুৰ, (২) কৃষ্ণ বিষয়ক ঝুমুৰ (৩) পৌৰাণিক ঝুমুৰ, (৪) দৰবাৰী বা বৈঠকখানা ঝুমুৰ, (৫) আদৰসীয়া বা ঠাঁট (টাঁড) ঝুমুৰ।

চাহজনগোষ্ঠীৰ লোকসকল অসমলৈ অহাৰ পাছত অসমৰ সেউজবুলীয়া চাহগছৰ মাজে মাজে নিত্যনতুন ঝুমুৰগীতৰ সৃষ্টি হ'বলৈ ধৰিলে ঝুমুৰ লোকসংগীত হোৱাৰ বাবে ইয়াৰ কোনো ধৰা- বন্ধা ধ্ৰুপদী ৰূপ নাই। সেয়েহে এক নতুন ৰূপত ঝুমুৰে অসমৰ সংস্কৃতিৰ জগতখনত পোখা মেলিবলৈ আৰম্ভ কৰিলে। ক্ৰমাৎ সময়ৰ সোঁতত অসমৰ জাতীয় জীৱনত আজি চাহ জনগোষ্ঠীৰ সাংস্কৃতিক প্ৰভাৱ এক স্পষ্ট ৰূপত প্ৰকাশ পাবলৈ আৰম্ভ কৰিছে, অসমৰ জাতীয় জীৱনৰ নানা বিষয়বস্তু ঝুমুৰগীতত সোমাই পৰিছে। এনেদৰে ক্ৰমে ক্ৰমে অসমীয়া জনজীৱনৰ সৈতে ঝুমুৰগীত সমন্বিতে আন আন লোককৃষ্টি সমূহো মিলি যাবলৈ আৰম্ভ কৰিছে। অসমীয়া ভাষা- কৃষ্টিৰ সৈতে দিয়া লোৱা তথা পৰম্পৰে গ্ৰহণ কৰাৰ ফলত অসমীয়া সংস্কৃতি আৰু অধিক চহকী হৈছে।

"আসাম দেশেৰ বৈশাখ পৰৱ
লাগে বড় ভাল গ'
মাদল বাজে বাঁশী বাজে
বাজে কৰতাল গ'।"


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

(১) মণিৰাম দেৱান - বেণুধৰ শৰ্মা।
(২) Personnel administration in the tea industry of Assam - Dr. Amrit ch. Phukan
(৩) লোকায়ত ঝাৰখণ্ড - ড° বিনয় মাহাতো
(৪) বাংলা লোকসাহিত্য চৰ্চাৰ ইতিহাস - ড° বৰুণ চক্ৰৱৰ্ত্তী
(৫) কনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি - নাৰায়ণ ঘাটোৱাৰ
(৬) চাহ বাগিছাৰ পূজা-পৰৱ - দেউৰাম তাম্ভ
(৭) চাহ বাগিছাৰ কথা -সুশীল কুৰ্মী
(৮) অসমৰ চাহ জনগোষ্ঠীৰ সংস্কৃতি ঃ ঝুমুৰ, ইয়াৰ পৰম্পৰা আৰু বিকাশ (প্ৰবন্ধ), চতুৰ্দশ সংখ্যা, জনসংস্কৃতি - সঞ্জয় কুমাৰ তাঁতী


*কমল কুমাৰ তাঁতী, উঃ মাঃ প্ৰথম বাৰ্ষিক ,কলা শাখাৰ ছাত্ৰ।*



# বাৰ্টল্ট ব্ৰেখ্‌ট আৰু তেওঁৰ মঞ্চ-ৰীতি

নীলমণি গগৈ

> ব্ৰেখ্‌টৰ চৰম লক্ষ্য আছিল, দৰ্শকৰ সামাজিক সচেতনতা জাগ্ৰত কৰা আৰু মাৰ্ক্সীয় পথ অৱলম্বন কৰোৱা। এপিক থিয়েটাৰক তেওঁ মাৰ্ক্সীয় থিয়েটাৰ বুলি অভিহিত কৰিলেও মাৰ্ক্সীয় থিয়েটাৰ হিচাপে গঢ়ি তুলিবলৈ কোনো স্পষ্ট নিৰ্দেশনা দিয়া নাছিল। কিন্তু ব্ৰেখ্‌টে বিশ্বাস কৰিছিল সমাজৰ প্ৰচলিত নীতি-নিয়মে দৰ্শকক যেতিয়া অতিষ্ঠ কৰি তুলিব, তেতিয়া স্বাভাৱিকতে মাৰ্ক্সীয় উপায়েৰে তেওঁলোকে সেইবোৰৰ সমাধান বিচাৰিব।

বিশ্ব সাহিত্যক আলোড়িত আৰু প্ৰভাৱিত কৰা জাৰ্মান লেখকৰ ভিতৰত নাট্যকাৰ বাৰ্টল্ট ব্ৰেখ্‌ট নিঃসন্দেহে এজন। তেওঁ কেৱল নাট্যকাৰেই নহয়; একেধাৰে কবি, নাট্যতাত্বিক, সমালোচক, মঞ্চ-পৰিচালক আৰু এজন চিন্তাশীল ব্যক্তি। ব্ৰেখ্‌টৰ জন্ম ১৮৯৮ চনৰ ১০ ফেব্ৰুৱাৰীত, জাৰ্মানীৰ মিউনিক চহৰৰ প্ৰায় ৪০ মাইল আঁতৰত অৱস্থিত আউচবুৰ্গ নামৰ চহৰত। ১৯৫৬ চনত ব্ৰেখ্‌টৰ মৃত্যু হোৱাৰ পাছৰ পৰা তেওঁৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ বিভিন্ন দিশ উম্মোচিত হ'বলৈ ধৰে আৰু বিংশ শতিকাৰ এজন প্ৰখ্যাত নাট্যকাৰ কবি তথা মঞ্চ- সংস্কাৰক ৰূপে বিশ্ব দৰবাৰত স্বীকৃতি লাভ কৰে।

ব্ৰেখ্‌টে পঞ্চাছখনৰো অধিক নাটক লিখি বিশ্ব-নাট্য-সাহিত্য চহকী কৰি থৈ গৈছে। তেওঁ দুখন উপন্যাস, অসংখ্য চুটি গল্প আৰু দুশৰো অধিক কবিতাৰে মানুহৰ মন মুহিছিল। সৰ্বোপৰি, তেওঁ আছিল এজন মহৎ শিল্পী। সমাজ জীৱনত আৰু সমগ্ৰ বিশ্বত মানুহৰ স্থান সম্পৰ্কে ব্ৰেখ্‌টে এক নতুন মূল্যায়ন দাঙি ধৰিছিল। কুসংস্কাৰ আৰু অন্যায়ৰ প্ৰতিষেধক স্বৰূপে তেওঁৰ তত্ব আছিল বাস্তৱধৰ্মী। নগ্ন, দাৰিদ্ৰ, অশ্লীলতা, নীচতা প্ৰভৃতি বিষয়বস্তুক নাটকত অত্যন্ত দক্ষতাৰে তেওঁ বৰ্ণনা কৰিছিল। সাধাৰণ নৰ-নাৰীৰ বেদনা, ক্ষুব্ধ জীৱন কাহিনী আদি আছিল তেওঁৰ প্ৰায়বোৰ নাটকৰে বিষয়বস্তু। মানুহৰ আলোচনাৰ আটাইতকৈ যোগ্যতম বিষয় যে মানুহ নিজেই, সেই কথা তেওঁ প্ৰতীয়মান কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। নীতি, ন্যায়, আত্মতুষ্টিৰ মুখা পিন্ধি যিসকলে দুখী-দৰিদ্ৰক উৎপীড়ন কৰে, শোষণ কৰে, তেওঁলোকক কঠোৰভাৱে আক্ৰমণ কৰি ভণ্ডামি, অসৎ বৃত্তি, গোপন পাপাচাৰ, আঁতৰ কৰিবলৈ তেওঁ সকিয়াইছিল। তেওঁৰ বিখ্যাত নাটক 'মেন ইকুৱেলছ মেন' (Man equals Man) 'দ্য থ্ৰী পেনি অপেৰা' (The three penny Opera), 'মেহগনি' (Mahagony), 'দ্য মাদাৰ' (The Mother) প্ৰভৃতিত এই ভাৱধাৰা প্ৰকট হৈ উঠিছে।

ব্ৰেখ্‌ট প্ৰকৃততে আছিল এজন বিদ্ৰোহী আৰু ব্ৰেখ্‌টীয় নাট্য চিন্তা আৰু মঞ্চৰীতি তেওঁৰ বিদ্ৰোহী মনৰেই ফল। ব্ৰেখ্‌টৰ নাট্যজীৱন আৰম্ভ হৈছিল ১৯১৮ চনত, কুৰি বছৰ বয়সতে ৰচনা কৰা - 'বাল' (Baal) নামৰ এখন নাটকৰ জৰিয়তে। ১৯২৩ চনত, তেওঁ যেতিয়া 'মিউনিক থিয়েটাৰ'ৰ সৈতে যুক্ত আছিল, তেতিয়াই নাটখনি প্ৰথম মঞ্চস্থ হয়। এজন যাযাবৰী যুৱকৰ বিশৃঙ্খল জীৱনৰ ছবি অংকিত এই নাটকখন সেই সময়ত জাৰ্মানিত প্ৰচলিত প্ৰায়বোৰ নাটকৰ লেখীয়াকৈ অভিব্যক্তিমূলক। ইয়াত নাই কোনো ধৰণৰ ৰাজনৈতিক অথবা আৰ্থসামাজিক চিন্তাৰ আভাস। ১৯২১ চনৰ পৰা '২২ চনলৈকে তেওঁ মিউনিক বিশ্ববিদ্যালয়ত ঔষধি বিজ্ঞান আৰু প্ৰকৃতি বিজ্ঞানৰ ছাত্ৰ আছিল। ১৯২২ চনত 'মাজৰাতিৰ কীৰ্তন' নামৰ ধেমেলীয়া নাটখনিৰ বাবে তেওঁ 'ক্লেইষ্ট বঁটা' লাভ কৰিছিল। ইয়াৰ পাছত তেওঁ বাৰ্লিনলৈ গুচি আহে আৰু সৰহ পৰ সাহিত্য ৰচনাতে ডুবি থাকি দুখন উল্লেখযোগ্য নাট 'দ্বিতীয় এডৱাৰ্ডৰ জীৱন' আৰু 'মানুহে মানুহ হ'ব' ৰচনা কৰে। ১৯২৮ চনত, জন গ্ৰে ৰচিত 'দ্য বেগাৰ্চ অ'পেৰা' (১৭২৮)

নাটখনিৰ ভেটিত ৰচিত 'দ্য থ্ৰী পেনি অপেৰা' (The three penny opera) নাটখনিৰ যোগেদি তেওঁ আন্তৰ্জাতিক খ্যাতি লাভ কৰে। ইতিমধ্যে, প্ৰথম মহাসমৰৰ তিক্ত অভিজ্ঞতাই তেওঁৰ মন স্বৈৰতন্ত্ৰৰ প্ৰতি বিদ্বেষী আৰু সমাজতন্ত্ৰৰ প্ৰতি আগ্ৰহশীল কৰি তুলিছিল। এই নাটকতে পোন প্ৰথম বাৰৰ বাবে স্পষ্টকৈ ব্ৰেখ্টৰ বৈপ্লৱিক চিন্তাধাৰা আৰু তেওঁৰ ওপৰত মাৰ্ক্সবাদৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। মাৰ্ক্সবাদৰ যোগেদি সমাজৰ আমূল পৰিবৰ্তন সাধন কৰিব পৰা যায়। এই কথাৰ প্ৰতি দৰ্শকৰ মনোযোগ আকৰ্ষণ কৰিবৰ বাবে ব্ৰেখ্টে নৱলব্ধ জ্ঞানেৰে আঠাইশ- উনত্ৰিশ চনৰ কেতবোৰ শিক্ষামূলক চুটি নাট বা 'লেহৰষ্টুক' (Lehrstuck) লিখিবলৈ লয়। এই 'লেহৰষ্টুক' বিলাক হৈছে এক বিশেষ নাট্যভংগী য'ত নীতিগৰ্ভ বক্তব্যই মূল কথা। ইতিমধ্যে হিটলাৰৰ নেতৃত্বত জাৰ্মানিৰ ফেচিষ্ট শক্তিৰ অভ্যুত্থান হোৱাত ১৯৩৩ চনত ব্ৰেখ্টে স্বদেশ এৰি প্ৰথমে স্কাণ্ডিনেভিয়াত আশ্ৰয় লয়। তাৰ পিছত তেওঁ ডেনমাৰ্ক, ভিয়েনা, চুইডেন, ফিনলেণ্ড, চোভিয়েট ৰাচিয়া আদি বিভিন্ন দেশত ঘূৰি দ্বিতীয় মহাযুদ্ধৰ সময়ছোৱা মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কালিফোৰ্ণিয়া চহৰত কটায়। এই সময়ছোৱাতে তেওঁ 'দ্য লাইফ অৱ গেলিলিও', 'মাদাৰ কাৰেজ', 'দ্য ককেচিয়ান ছক চাৰ্কল' আদি আটাইখিনি বিখ্যাত নাটক লিখি উলিয়ায়। হিটলাৰৰ পতনৰ লগে লগে ১৯৪৮ চনত ব্ৰেখ্ট বাৰ্লিনলৈ উভতি আহে। জাৰ্মানি বিভক্ত হৈ পূব আৰু পশ্চিম খণ্ডত নামকৰণ হোৱাত তেওঁ পূব বাৰ্লিনত থাকিবলৈ লয়। ইয়াতেই ব্ৰেখ্টে 'বাৰ্লিনাৰ এনচেম্বল' (Berliner Ensumble) নামৰ ৰংগমঞ্চ প্ৰতিষ্ঠা কৰি তেওঁৰ নাটকসমূহ নিয়মিত অভিনয় আৰম্ভ কৰে। ১৯৫৫ চনত তেওঁক 'আন্তঃৰাষ্ট্ৰীয় লেনিন শান্তি, বঁটাৰে মস্কো চহৰৰ বিপুল সমাবেশত সন্মান জনোৱা হয়। ১৯৫৬ চনত ব্ৰেখ্টে ইহলীলা ত্যাগ কৰে। তেওঁৰ মৃত্যুত জাৰ্মান থিয়েটাৰৰ যি অপূৰণীয় ক্ষতি হ'ল, সেয়া হয়তো কোনো কালেই পূৰ নহয়।

নাট্য জীৱনৰ আৰম্ভণিতে ব্ৰেখ্টে ঘোষণা কৰিছিল যে আধুনিক জগতখনক প্ৰতিফলিত কৰাৰ একমাত্ৰ উপায় হৈছে 'এপিক থিয়েটাৰ'। এই এপিক থিয়েটাৰ হৈছে তেওঁৰ নাটক উপস্থাপনৰ নতুন কৌশল। ব্ৰেখ্টৰ পূৰ্বে জাৰ্মান থিয়েটাৰ আৰু মঞ্চৰীতিত বাহ্যিক আড়ম্বৰে গা কৰি উঠিছিল - সাজ-সজ্জা আৰু মঞ্চসজ্জাৰ জাকজমকতাৰে দৰ্শকক আকৰ্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছিল। এই ব্যৱস্থাত আড়ম্বৰপূৰ্ণ মঞ্চই হৈছিল মুখ্য। নাটক হৈ পৰিছিল গৌণ। নাটকসমূহৰ বিষয়বস্তুৰ বেলিকা এক আধ্যাত্মিক দৰ্শনক ভেটি কৰি নাট্য-ভংগীৰ গঢ় দিয়া হয় আৰু সমাজৰ চিত্ৰ মানে অভিজাত শ্ৰেণীৰ প্ৰেম-প্ৰীতি, লাহ-বিলাহ আড়ম্বৰ আদিৰ নাটকীয় ৰূপ। এইবোৰ দেখিলে এনে হেন লাগে যেন সমাজত দুখ-দৈন্য, শোষণ, শ্ৰেণী বিৰোধ আদিৰ লেখীয়া একো কথাই নাই। সেয়ে ব্ৰেখ্টৰ বিশ্বাস যে পুঁজিবাদী সমাজত বুৰ্জোৱা নাট্যকাৰ, অভিনেতা, পৰিচালক আটায়ে লগ হৈ সৰ্বহাৰা আৰু শ্ৰমিক শ্ৰেণীৰ বিৰুদ্ধে এক বিৰাট ষড়যন্ত্ৰ কৰি আহিছে, যাতে চিৰকাল আবেগ অনুভূতিৰ বশৱৰ্তী হৈ থাকি তেওঁলোকে কোনো ধৰণৰ বৈপ্লৱিক চিন্তাৰ দ্বাৰা উদ্বুদ্ধ হ'ব নোৱাৰে। এইবোৰ কাৰণতে ব্ৰেখ্টে কুৰি শতিকাৰ দ্বিতীয় দশক মানলৈকে জাৰ্মানিত প্ৰচলিত নাটক আৰু নাট্য মঞ্চৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। তদুপৰি মঞ্চত বাস্তৱক হুবহুভাৱে ৰূপায়িত কৰাৰ চেষ্টা আৰু তাৰ ফলস্বৰূপে প্ৰৱৰ্তিত হোৱা যথাৰ্থবাদী মঞ্চ ৰীতিৰ ওপৰত ব্ৰেখ্টৰ সমূলি আস্থা নাছিল। এইবোৰৰ প্ৰতিক্ৰিয়া স্বৰূপে ব্ৰেখ্টে নাটকীয় কলা -কৌশলৰ লগতে অভিনয় ৰীতিৰ সংস্কাৰ সাধন কৰি নাট্যজগতলৈ যি নতুনত্ব আনিলে তাকে তেওঁ 'এপিক থিয়েটাৰ' বুলি অভিহিত কৰিলে।

মন কৰিবলগীয়া কথা যে 'এপিক' শব্দটো এৰিষ্ট, টলীয় অৰ্থতেই ব্যৱহাৰ কৰা হৈছে যদিও ইয়াৰ যোগেদি ব্ৰেখ্টে এৰিষ্টটল আৰু তেওঁৰ অনু গামী সকলে অনুমোদন কৰা পৰম্পৰাগত ৰোমাণ্টিক আৰু ভেজাল বাস্তৱবাদী নাটকৰ ঘোৰ বিৰোধিতা কৰিছে। এৰিষ্টটলীয় সংজ্ঞা মতে, এপিকে অবিচ্ছিন্ন অথবা আদি, মধ্য, অন্ত্যযুক্ত, একক, স্বয়ংসম্পূৰ্ণ কাহিনীৰ বৰ্ণনাত্মক ৰচনাক বুজায়, য'ত সময় আৰু স্থানৰ ঐক্য নাথাকে। কিন্তু নাটকত বিশেষকৈ ট্ৰেজেডিত বিষয়বস্তুৰ স্থান আৰু কালৰ ঐক্য মানি চলা হয়। সেয়ে কাহিনীৰ অন্তৰ্গত ঘটনাসমূহৰ মাজত অবিচ্ছেদ্য সম্পৰ্ক বিৰাজ কৰে। কিন্তু ব্ৰেখ্টীয় নাটকত নাট্যকাহিনীৰ অন্তৰ্গত পাৰিস্থিতি সমূহৰ মাজত তেনে সম্পৰ্ক স্থাপন নহয়। তেখেতৰ প্ৰখ্যাত নাটক 'ককেচিয়ান চ্যক ছাৰ্কোল, (Caucasian chalk circle) য়েই ইয়াৰ উৎকৃষ্ট নিদৰ্শন। নাটকখনক তিনিটা অংকত বিভক্ত কৰিব পৰা যায় আৰু সেই তিনিটা অংকৰ মাজত ৰিচেই ক্ষীণ সম্পৰ্ক এটাহে ৰক্ষিত হৈছে। দৰাচলতে নাটখনৰ প্ৰতিটো অংশকেই স্বতন্ত্ৰভাৱে উপভোগ কৰিব পাৰি। এৰিষ্টটলীয় নাটকে দৰ্শকৰ মনত ভয়, কৰুণা আদি উদ্ৰেক কৰি তেনে ধৰণৰ আবেগ অনুভূতিসমূহক প্ৰসমিত কৰে। সেই উদ্দেশ্য সাধন কৰাৰ বাবে বিভিন্ন নাটকীয় উপায়ে ভুৱা মায়াজাল সৃষ্টি কৰি দৰ্শকৰ মনত ভয় আৰু পুতৌৰ ভাব জগাই তোলা হয় আৰু দৰ্শকেও কিছু সময়ৰ বাবে মোহমুগ্ধ হৈ নাটকৰ লগত একাত্মতা অনুভৱ কৰে। ব্ৰেখ্টৰ আপত্তিৰ কাৰণ এইখিনিতেই। ব্ৰেখ্টৰ মতে নাটক হ'ল শিক্ষাৰ এক মাধ্যম, অভিনয় হ'ল দৰ্শকৰ চিন্তাশক্তি জাগ্ৰত কৰাৰ এক উপায়। তেওঁৰ মতে, থিয়েটাৰৰ উদ্দেশ্য আবেগ সঞ্চাৰ কৰা নহয়, চিন্তাৰ খোৰাক যোগোৱাহে। এই ধৰণৰ নাটকে দৰ্শকক কোনো ধৰণৰ চিন্তাৰ খোৰাক যোগাব নোৱাৰে; ইয়াৰ পৰিবৰ্তে তেওঁলোকক প্ৰবল আবেগ আৰু উত্তেজনাৰ বশৱৰ্তী কৰি চিন্তাবিমুখ হে কৰি তোলে। ব্ৰেখ্টৰ বাবে জৰুৰী আছিল দৰ্শকে তেওঁৰ নাটক চাব, পৰ্যবেক্ষণ কৰিব, প্ৰকৃত তথ্য হৃদয়ংগম কৰি সিদ্ধান্তলৈ আহিব, নাটকীয় ঘটনা প্ৰত্যাখ্যান বা গ্ৰহণ কৰি নিজ নিজ জীৱন ধাৰাৰ বাস্তৱ ৰূপ নিৰ্ণয় কৰিব। সেয়ে তেওঁৰ মতে নাটক এৰিষ্টটলীয় নাটকৰ দৰে নাটকীয় হোৱাতকৈ মহাকাব্যৰ দৰে ৰ্ৰণাত্মক হোৱা উচিত আৰু আবেগ - অনুভূতিৰ সলনি বৈজ্ঞানিক সমাজবাদহে নাটকৰ ভেটি হ'ব লাগে। নাটকৰ দৰ্শকো হ'ব লাগে মহাকাব্যৰ পঢ়ুৱৈৰ লেখীয়া। অৰ্থাৎ দৰ্শকক এইটো কেতিয়াও ভাবিবলৈ সুবিধা দিব নালাগে যে তেওঁলোকে মঞ্চত দেখা চৰিত্ৰ বিলাক বাস্তৱিক আৰু কাহিনী সমূহ সঁচাসচিঁকৈ সংঘটিত হৈ আছে। ব্ৰেখ্টৰ মতে, থিয়েটাৰত দৰ্শকৰ চিন্তা আৰু বিশ্লেষণী শক্তি জগাই তুলিবলৈ হ'লে দৰ্শক আৰু চৰিত্ৰৰ মাজত এক প্ৰকাৰৰ ব্যৱধান সৃষ্টি লাগিব। অভিনেতা এজনে সততে মনত ৰখা উচিত যে তেওঁ কোনো চৰিত্ৰৰ কাৰ্যকলাপ দেখুৱাবৰ বাবেহে অভিনয় কৰিছে। চৰিত্ৰটো তেওঁ নিজে নহয়। দৰ্শকক এইটোও ভাবিবলৈ দিয়া অনুচিত যে নাটকৰ চৰিত্ৰবিলাকৰ ভাব, অনুভূতি তেওঁৰো ভাব, অনুভূতি। এপিক থিয়েটাৰৰ যোগেদি দৰ্শকক এইটো স্পষ্টকৈ বুজাই দিয়া হয় যে তেওঁৰ চকুৰ আগত দেখা ঘটনাবোৰ অতীতৰ কোনো সময়ত সংঘটিত হোৱা ঘটনাৰ অভিনীত ৰূপহে। ইয়াৰ অৰ্থ এয়ে যে বেখ্টৰ মহাকাব্যিক নাটক হৈছে সামগ্ৰিক ভাবেই ঐতিহাসিক; কল্পনাৰ ইন্দ্ৰজাল তৈয়াৰ কৰাৰ প্ৰচেষ্টা ইয়াত নাই। অৰ্থাৎ হেমলেটৰ চৰিত্ৰ মঞ্চত ৰূপায়িত কৰা লোক এজনে এইটোহে মনত ৰাখিব লাগে যে তেওঁ প্ৰকৃততে অমুকহে, ৰাজকুমাৰ

হেমলেট নহয়। হেমলেটৰ চৰিত্ৰটো যাতে দৰ্শকে ভালকৈ হৃদয়ংগম কৰিব পাৰে সেই উদ্দেশ্যে তেওঁ মাত্ৰ হেমলেটে অতীতৰ কোনোসময়ত কৰা কাৰ্যৰ পুণৰাবৃত্তিহে কৰিছে। এপিক থিয়েটাৰৰ অভিনয়ৰ এই মূল দিশটো স্পষ্টকৈ বুজাবৰ বাবে অভিনেতা এজন হ'ব লাগে থিক কোনো পথত ঘটা দুৰ্ঘটনা এটা বৰ্ণনা কৰা এজন প্ৰত্যক্ষদৰ্শীৰ লেখীয়া। প্ৰত্যক্ষদৰ্শীয়ে সাধাৰণতে কথাতকৈ নিজৰ অংগি-ভংগিৰ সহায়েৰে চৰিত্ৰৰ কাৰ্যকলাপ ফুটাই তুলিব লাগে। দৰ্শকে যে অতীতত সংঘতিত হোৱা কোনো ঘটনাৰ অভিনীত ৰূপহে মঞ্চত দেখিবলৈ পাইছে এই কথা সঁকিয়াই থাকিবৰ বাবে ব্ৰেখ্‌টে বিভিন্ন উপায় গ্ৰহণ কৰিছে। চৰিত্ৰৰ পৰা অভিনেতা অভিনেত্ৰীক আৰু অভিনেতা-অভিনেত্ৰীৰ পৰা দৰ্শকক বিচ্ছেদ কৰি ৰখাৰ এই পদ্ধতিকেই ব্ৰেখ্‌টৰ বহু চৰ্চিত 'বিচ্ছেদীকৰণ তত্ত্ব' বুলি কোৱা হয়। (Alienation or Aeffect) এনেধৰণৰ বিচ্ছেদীকৰণ বাবেই ব্ৰেখ্‌টে মঞ্চত বোৰ্ডৰ ব্যৱহাৰ কৰি প্ৰতিটো ঘটনাৰে স্থান আৰু কালৰ নিৰ্দেশ দিছিল, এটা ঘটনা শেষ হোৱাৰ লগে লগেই পৰৱৰ্তী ঘটনাৰ সাৰাংশ দাঙি ধৰিছিল। জনতাৰ সম্মুখত দিয়া বক্তৃতাৰ নিচিনাকৈ বক্তৃতাৰ আয়োজন কৰিছিল, প্লটৰে সৈতে বিশেষ সম্পৰ্ক নথকা গীতৰ অৱতাৰণা কৰি ঘটনাৰ গতি ব্যাহত কৰিছিল। তদুপৰি আলোক নিয়ন্ত্ৰণৰ কোনো ব্যৱস্থা নকৰি সকলো সময়তে মঞ্চৰ ওপৰত যথেষ্ট পোহৰৰ ব্যৱস্থা কৰা হৈছিল আৰু দৰ্শকৰ সন্মুখতে মঞ্চ আৰু দৃশ্যসজ্জাৰ পৰিবৰ্তন কৰিছিল। ব্ৰেখ্‌টৰ মূল কথা আছিল, নাটক এখনৰ অভিনয় দৰ্শন কৰি থকা অৱস্থাত দৰ্শকৰ মনত এই ভাবটোৱে ক্ৰিয়া কৰি থাকিব লাগিব যে তেওঁলোকে বাস্তৱ জীৱনত চলি থকা এটা ঘটনাৰ সন্মুখীন হোৱা নাই, শুনিছে বহুদিন পূৰ্বে কোনো ঠাইত সংঘটিত হোৱা এটা ঘটনাৰ বিৱৰণ।

নতুন মঞ্চ পৰিকল্পনা তথা প্ৰয়োগ পদ্ধতিৰ ক্ষেত্ৰত ব্ৰেখ্‌টে যদিও নিজকে 'আইনষ্টাইন' বুলি দাবী কৰিছিল, তেওঁক কিন্তু এই কলা- কৌশল সমূহৰ জনক বুলি ক'ব নোৱাৰি। ব্ৰেখ্‌টৰ পূৰ্বে ষ্ট্ৰিণ্ডবাৰ্গে ৰচনা কৰা স্বপ্ন নাটক সমূহত মহাকাব্যৰ ভালেমান উপাদানেই পৰিলক্ষিত হয়। ষ্ট্ৰিণ্ডবাৰ্গৰ এই নাটকসমূহতো চৰিত্ৰৰে সৈতে দৰ্শকৰ আত্মীয়তা গঢ়ি উঠাত বাধা প্ৰদান কৰা হৈছিল। তদুপৰি পৃথিৱীৰ বিভিন্ন দেশৰ নাটক আৰু লোকনাট্যৰ ধাৰা ব্ৰেখ্‌টে নিৰীক্ষণ কৰিছিল আৰু সেইবোৰৰ পৰা উপাদান সংগ্ৰহ কৰিছিল। চীনা, জাপানী আৰু ভাৰতীয় থিয়েটাৰ, গ্ৰীক নাটকৰ কোৰাছ আৰু ঠাই বিশেষৰ লোকনাট্যৰ কথা তেওঁ নিজে উল্লেখ কৰি গৈছে। এৰউইন পিছকাটোৱে যেনেদৰে সমসাময়িক ৰাজনৈতিক ঘটনাৱলী আলোচনাৰ বাবে মঞ্চৰ সহায় লৈছিল, ব্ৰেখ্‌টেও তেনেদৰে মঞ্চক সমাজ পৰিৱৰ্তনৰ পৰীক্ষাগাৰ হিচাবে গণ্য কৰিছিল। এনেদৰে বিভিন্ন উৎসৰ পৰা উপাদান সংগ্ৰহ কৰিলেও ব্ৰেখ্‌টে এনে কৌশলেৰে সেইবোৰৰ সংমিশ্ৰন ঘটাইছিল যে লোকে তেওঁকেই সেইবোৰৰ জন্মদাতা বুলি লৈছিল। প্ৰকৃততে 'এপিক থিয়েটাৰ'ৰ ধাৰণা অঙ্কুৰিত হৈছিল পিছকাটৰৰ হাতত আৰু ইয়াক কাৰ্যকৰী ৰূপ দিছিল বাৰ্টল্ট ব্ৰেখ্‌টে।

ব্ৰেখ্‌টৰ চৰম লক্ষ্য আছিল, দৰ্শকৰ সামাজিক সচেতনতা জাগ্ৰত কৰা আৰু মাৰ্ক্সীয় পথ অৱলম্বন কৰোৱা। এপিক থিয়েটাৰক তেওঁ মাৰ্ক্সীয় থিয়েটাৰ বুলি অভিহিত কৰিলেও মাৰ্ক্সীয় থিয়েটাৰ হিচাপে গঢ়ি তুলিবলৈ কোনো স্পষ্ট নিৰ্দেশনা দিয়া নাছিল। কিন্তু ব্ৰেখ্‌টে বিশ্বাস কৰিছিল সমাজৰ প্ৰচলিত নীতি-নিয়মে দৰ্শকক যেতিয়া অতিষ্ঠ কৰি তুলিব, তেতিয়া স্বাভাৱিকতে মাৰ্ক্সীয় উপায়েৰে তেওঁলোকে সেইবোৰৰ সমাধান বিচাৰিব। নাটকত সমাজ সচেতনতাৰ যি পৰিচয় দিছিল, তাৰ বাবে বহুতে ব্ৰেখ্‌টক আদৰণি জনালেও বহুতো বিৰূপ সমালোচনাৰো তেওঁ সন্মুখীন হ'ব লগা হৈছিল। আনকি এৰিষ্টটলৰ 'এপিক' শব্দটোৰ অৰ্থ বিকৃত কৰা বুলি বহুতো সমালোচকে তেওঁক জগৰীয়া কৰিছিল। মানুহৰ আবেগ অনুভূতিক নাটকৰ পৰা নিৰ্বাসন দিছে বুলি ব্ৰেখ্‌টৰ বিৰুদ্ধে অভিযোগ উঠিছিল। উত্তৰত তেওঁ কৈছিল যে আবেগ অনুভূতিক নিৰ্বাসন দিয়াটো নায়েই বৰঞ্চ শক্তিশালীহে কৰি তুলিছে। অৱশ্যে গতানুগতিক আবেগ অনু ভূতিৰ বিপৰীতে ব্ৰেখ্‌টে দৰ্শকৰ অন্তৰত এনেধৰণৰ অনুভূতি উদ্ৰেক কৰাৰ চেষ্টা কৰিছিল যাতে নাটক চাই দৰ্শকে ন্যায়ৰ কাৰণে সংগ্ৰাম কৰিবলৈ আৰু অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ আগ্ৰহী হৈ উঠে। ব্ৰেখ্‌টে যি উদ্দেশ্যে নাটক ৰচনা আৰু পৰিবেশন কৰিছিল সেই উদ্দেশ্য সকলো সময়তে সফল নহলেও মানৰ সমাজৰ কল্যাণৰ কথা ভাবি মানুহৰ সামাজিক চেতনা জাগ্ৰত কৰাৰ বাবে তেওঁ যি সাধনা কৰিছিল, তাৰ বাবে ব্ৰেখ্‌টৰ নাম সদায়ে স্মৰণ কৰিব লাগিব।

(বিভিন্ন প্ৰবন্ধৰ সহায় লৈ)



*নীলমণি গগৈ, স্নাতকোত্তৰ চূড়ান্ত বৰ্ষৰ, অসমীয়া বিভাগৰ ছাত্ৰ।*

# স্বাধীনতাৰ সোণালী জয়ন্তীত ভাৰত - পাক সম্পৰ্ক, কাশ্মীৰ সমস্যা ঃ এক আলোকপাত

চন্দন ভূঞা

১৯৪৭ চনৰ আগষ্ট মাহ।, স্বাধীনতাৰ মিঠা আমেজত সমগ্ৰ দেশ আনন্দত মতলীয়া। কিন্তু এফালে স্বাধীনতাৰ মিঠা অনুভূতি মুক্ততাৰ অনুভৱ, আনফালে এক ডাঙৰ দুঃস্বপ্ন- - সাম্প্ৰদায়িক তথা ভ্ৰাতৃঘাতী সংঘৰ্ষৰ লেলিহান শিখা দপ্‌দপ্‌কৈ জ্বলি উঠিছিল চৌদিশে (যি এতিয়াও উমি উমি জ্বলি আছে)। বৃটিছৰাজৰ উৰ্বৰা ধূৰ্ত্ত মগজুৰ দীৰ্ঘদিনীয়া আৰু সু-পৰিকল্পিত কূটনীতিৰ ফলশ্ৰুতিত বিশাল ভাৰত দুছেও হৈছিল ধৰ্মীয়



**ভাৰতক নিজৰ হাতত ৰাখবলৈ বৃটিছে শেষ প্ৰচেষ্টা চলোৱাৰ উদ্দেশ্যে ধৰ্মকেই অস্ত্ৰ হিচাপে ললে। ইংৰাজ চৰকাৰৰ সেই উদ্দেশ্য পূৰণ নহ'ল। কিন্তু দেশত সাম্প্ৰদায়িক তথা ভ্ৰাতৃঘাতী সংঘৰ্ষৰ সূত্ৰপাত হ'ল। তুমুল ৰক্তপাতৰ মাজেৰে দেশ বিভাজিত হ'ল আৰু লগতে স্বাধীনো হ'ল - ধৰ্মীয় সাম্প্ৰদায়িকতাৰ ভিত্তিত - মূলতঃ হিন্দু প্ৰাধান্যকৃত ভাৰত আৰু সম্পূৰ্ণ ইছলামীয় পাকিস্থান।**

সাম্প্ৰদায়িকতাবাদৰ ভিত্তিত।

খ্ৰীষ্টিয় ৭ম শতিকাত ইছলামীয় সভ্যতা সংস্কৃতিৰ সৈতে ভাৰতৰ যোগসূত্ৰ স্থাপন হৈছিল। পোনপ্ৰথমে এই সম্পৰ্ক আছিল প্ৰধানতঃ ৰাজনৈতিক। কিন্তু ক্ৰমান্বয়ে ইছলামীয় আদৰ্শবাদৰ প্ৰভাৱ ভাৰতত প্ৰকট হৈ আহিবলৈ ধৰিলে। সেই সময়ত হিন্দু ধৰ্ম আৰু বৌদ্ধ ধৰ্মই আছিল ভাৰতৰ দুই প্ৰধান তথা মুখ্য ধৰ্ম। কিন্তু সময়ৰ সোঁতত বৌদ্ধ ধৰ্মৰ প্ৰভাৱ ক্ৰমে স্তিমিত হৈ আহিবলৈ ধৰিলে। বৌদ্ধ ধৰ্মাৱলম্বী লোকৰ সংখ্যাও চকুত লগাকৈ কমি আহিল। ১২ শ শতিকাৰ পিছত বৌদ্ধ ধৰ্মাৱলম্বী লোকৰ সংখ্যা প্ৰায় নাইকীয়া হৈ আহিল আৰু হিন্দু আৰু ইছলাম ধৰ্মই দুই মুখ্য ধৰ্ম হিচাপে ভাৰতত প্ৰসাৰতা লাভ কৰিবলৈ ধৰিলে। তেতিয়াৰ পৰাই ঘাত-সংঘাতৰ মাজেৰে এই দুই ধৰ্মই ভাৰতত প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিলে। হিন্দু ধৰ্মৰ জাতিভেদ আৰু নানান কুসংস্কাৰে ইছলাম ধৰ্মৰ প্ৰসাৰতাত অৰিহণা যোগালে। আকৌ ভাৰতত মোগল সাম্ৰাজ্যৰ সূৰ্য্যোদয়ৰ পিছত কেইবাজনো খাম-খেয়ালি আৰু গোড়া মোগল সম্ৰাটৰ নিৰ্দেশত হিন্দু ধৰ্মাৱলম্বী লোকৰ ওপৰত অত্যাচাৰ চলাই ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত কৰাৰ চেষ্টাও চলোৱা হৈছিল আৰু ভয়ৰ বশৱৰ্ত্তী হৈও বহুতো হিন্দু লোকে ইছলাম ধৰ্মত দীক্ষা লবলৈ বাধ্য হৈছিল। খ্ৰীষ্টিয় সোতৰ শ শতিকাৰ পৰা আৰম্ভ হৈছিল বিশাল মোগল সাম্ৰাজ্যৰ পতনৰ ইতিহাস। আৰম্ভ হ'ল ঔপনিবেশিকতাবাদ। লাট চাহাবৰ আঙুলিৰ নিৰ্দেশত নচাৰ দিন আহিছিল ভাৰতবাসীৰ। বৃটিছৰ 'এদেও দুদেও লোটা নিয়াৰ ছেও'ত সমৃদ্ধিশালী ভাৰতবাসী ইতিমধ্যেই নঙঠা হৈছিল। বৰ চাহাবৰ জয়গান গোৱা খুৱেই মুষ্টিমেয় এচামৰ বাহিৰে সমগ্ৰ দেশবাসীকে হাড়ভগা পৰিশ্ৰমৰ অন্ততো দুবেলা দুমুঠিৰ চিন্তাই আৰু ৰাজহাঁড় বেঁকা কৰি দিয়া কৰ-কাটল তথা খাজনাৰ বোজাই বেছ কিছু বছৰৰ বাবে সাম্প্ৰদায়িক তথা ধৰ্মীয় সংঘৰ্ষৰ পৰা বিৰত ৰাখিছিল। জাতীয়তাবাদৰ নতুন চেতনাই গা কৰি উঠিছিল সমগ্ৰ ভাৰততে। এই চেতনাৰ নতুন আমেজত ধৰ্মীয় মতভেদ

পাহৰি সকলোৱেই একগোট হৈছিল। স্বাধীনতাৰ স্বপ্নক বাস্তৱায়িত কৰিবলৈ জাতি-ধৰ্ম ভেদে সকলোৱে একেখন থালিতেই আহাৰ গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছিল। এই বিৰাট একতাত কঁপি উঠিছিল বৃটিছ ৰাজ। চাহাবৰ সাৰুৱা মগজুক কিন্তু ইয়াৰ প্ৰতিকাৰ বিচাৰি উলিয়াবলৈ বৰ বেছি দিন নেলাগিল। সিঁচি দিলে সাম্প্ৰদায়িকতাৰ তথা ধৰ্মীয় মতভেদৰ বীজ। বৃটিছৰ পদদলিত হোৱা এচাম মুষ্টিমেয় ভাৰতীয়ই এই ক্ষেত্ৰত আগভাগ ললে। ধৰ্মীয় মতভেদ তথা হিন্দু-মুছলমানৰ সংঘৰ্ষৰ জুইকুৰা লাহে লাহে জ্বলি উঠিবলৈ ধৰিলে। ইফালে জাতীয়তাবাদৰ অগনিৰ তীব্ৰ উত্তাপ সহ্য কৰিব নোৱাৰি বৃটিছ চৰকাৰে ভাৰতবাসীৰ হাতত স্বাধীনতা ঘূৰাই দিয়াৰ যো-জা চলালে। কিন্তু তথ্যভিজ্ঞ মহলৰ মতে ভাৰতক নিজৰ হাতত ৰাখিবলৈ বৃটিছে শেষ প্ৰচেষ্টা চলোৱাৰ উদ্দেশ্যে ধৰ্মকেই অস্ত্ৰ হিচাপে ললে। ইংৰাজ চৰকাৰৰ সেই উদ্দেশ্য পূৰণ নহ'ল। কিন্তু দেশত সাম্প্ৰদায়িক তথা ভ্ৰাতৃঘাতী সংঘৰ্ষৰ সূত্ৰপাত হ'ল। তুমুল ৰক্তপাতৰ মাজেৰে দেশ বিভাজিত হ'ল আৰু লগতে স্বাধীনো হ'ল - ধৰ্মীয় সাম্প্ৰদায়িকতাৰ ভিত্তিত - মূলতঃ হিন্দু প্ৰাধান্যকৃত ভাৰত আৰু সম্পূৰ্ণ ইছলামীয় পাকিস্থান।

স্বাধীনতাৰ পিছতো ভাৰত- পাক সীমান্তত বহুদিনলৈ চলি আছিল ৰক্তক্ষয়ী সাম্প্ৰদায়িক সংঘৰ্ষ আৰু লগতে প্ৰব্ৰজন - পাকিস্থানৰ হিন্দুসকল আহিছিল ভাৰতলৈ আৰু ভাৰতৰ মুছলমানসকল গৈছিল পাকিস্থানলৈ। স্বাধীনতাৰ পিছতে ভাৰতে ধৰ্মনিৰপেক্ষতাৰ ভিত্তিত এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ হোৱাৰ নীতি গ্ৰহণ কৰিলে। ফলত ভাৰত প্ৰেমী মুছলমান সকলে এক স্বস্তিৰ নিশ্বাস পেলাই ভাৰততে থাকি যোৱাৰ সিদ্ধান্ত ললে। কিন্তু ইয়াৰ বিপৰীতে পাকিস্থান ধৰ্মৰ ভিত্তিত সম্পূৰ্ণকৈ এখন ইছলামীয় ৰাষ্ট্ৰ হিচাপে গঢ়ি উঠাৰ পথত অগ্ৰস হ'ল।

ভাৰত আৰু পাকিস্থানৰ মাজত চলি থকা দীৰ্ঘদিনীয়া অহি-নকুল সম্পৰ্কৰ ভিত্তি যদিও ভিন্ন সময়ত ভিন্ন হৈ আহিছে সেইবোৰ মূলতঃ গৌণহে, প্ৰথম, প্ৰধান আৰু মূল ভিত্তিটোয়েই হৈছে কাশ্মীৰ। কাশ্মীৰ কাৰ দখলত থাকিব বা থকা উচিত ভাৰতৰ নে পাকিস্থানৰ নে এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বীকৃতি পোৱা উচিত, এই লৈ সুদীৰ্ঘ দিন ধৰি ভাৰত আৰু পাকিস্থানৰ মাজত চলি আহিছে এক তুমুল বাক-বিতণ্ডা; যদিও কাশ্মীৰ বৰ্তমানৰ ভাৰতৰে অন্তৰ্ভুক্ত। এই মুখ্য ভিত্তিক আধাৰ কৰি স্বাধীনতাৰ বিগত পঞ্চাশ বছৰৰ ভিতৰত দুই দেশৰ মাজত ইতিমধ্যেই দুখন ৰক্তক্ষয়ী যুদ্ধ হৈ গৈছে।

ভৱিষ্যতেও আন এখন যুদ্ধৰ আশংকা একেবাৰে নুই কৰিব নোৱাৰি। আকৌ প্ৰথমৰে পৰাই ভাৰত হৈছে ছোভিয়েট ৰাছিয়াক সমৰ্থিত সমাজবাদ পন্থী আনহাতে পাকিস্থান হৈছে আমেৰিকাৰ পদদলিত পুঁজিবাদ পন্থী। আনহাতে ১৯৬২ চনত হোৱা চীন ভাৰতৰ যুদ্ধত পাকিস্থানে ভাৰতৰ প্ৰতি প্ৰতিশোধ পৰায়ণ মনোভাৱেৰে চীনলৈ জনাইছিল পূৰ্ণ সমৰ্থন আৰু মূলতঃ তাৰেই ফলশ্ৰুতিতেই ১৯৬৫ চনৰ ভাৰত- পাক যুদ্ধৰ সূত্ৰপাত হৈছিল। কাশ্মীৰ নিজৰ হাতলৈ নিয়াৰ দাবীত পাকিস্থানে ভাৰতৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। কিন্তু এই যুদ্ধত পাকিস্থান বৰ বেয়াকৈ পৰাভূত হৈছিল আৰু পাকিস্থানৰ এক বৃহৎ অঞ্চল ভাৰতৰ হস্তগত হৈছিল। কিন্তু অতীজৰে পৰাই ভাৰতৰ এক সুনাম আছে - ভাৰত ঋষি-মুনিৰ দেশ, এখন শান্তিপ্ৰিয় দেশ। এই সুনামৰ মৰ্য্যাদা ৰক্ষা কৰি তেতিয়াৰ প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীয়ে ছোভিয়েট ৰাছিয়াৰ তাছখণ্ডত চহী কৰা শান্তি চুক্তি অনুযায়ী ভাৰতে দখলীকৃত অঞ্চল পাকিস্থানৰ হাতত পুনৰ অৰ্পণ কৰিছিল। কিন্তু এই যুদ্ধই পাকিস্থানক বিশেষ একো শিকনি দিব নোৱাৰিলে। ইয়াৰ পিছতে পাকিস্থানে কাশ্মীৰ দখলৰ অভিপ্ৰায়েৰে ভাৰতৰ বিৰুদ্ধে আৰম্ভ কৰিলে কিছুমান নতুন ষড়যন্ত্ৰ - কাশ্মীৰ তথা ভাৰতত সন্ত্ৰাসবাদ বিয়পাই এক অস্থিৰ পৰিবেশ সৃষ্টি কৰাৰ ব্লু-প্ৰিণ্ট তৈয়াৰ কৰা হ'ল। ইতিমধ্যেই ভাৰতে লাভ কৰিলে প্ৰথমজনা মহিলা প্ৰধানমন্ত্ৰী সুচতুৰা ইন্দিৰা গান্ধীক। আনহাতে পূব পাকিস্থানত মুজিবুৰ ৰহমানৰ নেতৃত্বত জ্বলি উঠিছিল পূব পাকিস্থানৰ স্বাধীনতা সংগ্ৰামৰ জুই। ইন্দিৰা গান্ধীৰ নেতৃত্বাধীন চৰকাৰে বিবেচনা কৰিলে যে ওচৰতে এখন শত্ৰু ৰাষ্ট্ৰতকৈ এখন মিত্ৰ ৰাষ্ট্ৰৰ বেছি প্ৰয়োজন আৰু সেয়েহে কূটনীতিৰ পৰিপক্ক চালবাজিৰে পূব পাকিস্থানৰ মুক্তি সংগ্ৰামৰ প্ৰতি সমৰ্থন আগবঢ়াই আৰু এক নতুন ৰাষ্ট্ৰ বাংলাদেশৰ জন্ম লগ্নৰ আগমনত অৰিহণা যোগালে। ইয়াৰেই প্ৰতিশোধ স্বৰূপে পাকিস্থানে ভাৰতৰ বিৰুদ্ধে পুনৰ যুদ্ধ ঘোষণা কৰিলে ১৯৭১ চনত। এইবাৰৰ যুদ্ধতো আমেৰিকাৰ সাহাৰ্য্যপুষ্ট পাকিস্থানে ভাৰতৰ হাতত বাৰুকৈয়ে এশিকনি পালে। এই যুদ্ধৰ পিছতেই দুই দেশৰ মাজত স্বাক্ষৰিত হ'ল বিখ্যাত চিমলা চুক্তি। এই চুক্তি অনুযায়ী স্থিতাৱস্থা বাহাল থাকিব অৰ্থাৎ কাশ্মীৰ যেনেদৰে আছে তেনেদৰেই থাকিব, দুইখন ৰাষ্ট্ৰই আক্ৰমণ-প্ৰত্যাক্ৰমণৰ পৰা বিৰত থাকিব আৰু যিকোনো সমস্যাই শান্তি আৰু আলাপ আলোচনাৰ মাধ্যমেৰে সমাধান কৰাৰ চেষ্টা কৰা হ'ব। কিন্তু এই চুক্তিও ভংগ কৰিবলৈ (প্ৰত্যক্ষ ভাৱে নহলেও) পাকিস্থানে বৰ বেছি সময় নললে। কাশ্মীৰ দখলৰ সপোন বাস্তৱায়িত কৰিবলৈ পাকিস্থানে আৰম্ভ কৰিলে নতুন নতুন কাৰচাজি। তাৰ ভিতৰতেই প্ৰথম আৰু প্ৰধান - ভাৰতত সন্ত্ৰাসবাদ বিয়পাই চৌদিশে বিচ্ছিন্নতাবাদী মনোভাৱ জগাই তোলাৰ এক বিৰাট কু- অভিপ্ৰায়। এইবাৰ বলেৰে নহয়, চলেৰে। আৰম্ভ হ'ল পাকিস্থানৰ প্ৰক্সি যুদ্ধ।

সাম্প্ৰতিক সময়ত পাকিস্থান সমৰ্থিত বহুতো সন্ত্ৰাসবাদী সংগঠনে ভাৰতত এক জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে। পোনতে জম্মু-কাশ্মীৰ, পঞ্জাৱত, তাৰ পিছত উত্তৰ-পূৰ্বাঞ্চলত গঢ়লৈ উঠা কেইবাটাও উগ্ৰপন্থী সংগঠন, পাকিস্থানৰ চোৰাংচোৱা সন্থা আই. এচ. আইৰ আশীৰ্বাদ পুষ্ট বুলি বিভিন্ন তথ্যই কয়। ইয়াৰ উপৰিও দিল্লী, মুম্বাই, চেন্নাইৰ দৰে ভাৰতৰ প্ৰধান প্ৰধান চহৰত ভয়ানক বোমা বিস্ফোৰণ আৰু নানান অস্থিৰ আৰু অসামাজিক কাৰ্য্য-কলাপেৰে পাকিস্থান সমৰ্থিত উগ্ৰপন্থীয়ে ভাৰতত অস্থিৰতা সৃষ্টি কৰাৰ অহৰহ প্ৰচেষ্টা চলাই থকাৰ বহুতো প্ৰমাণ পোৱা গৈছে। আনকি ভাৰতৰ বিভিন্ন ঠাইত আই. এচ. আইৰ (ISI) এজেণ্টো সময়ে সময়ে ধৰা পৰাৰ বাতৰি প্ৰকাশ হৈ আহিছে।

১৯৫৮ চনৰ ৭ অক্টোবৰত যেতিয়া পাকিস্থানী সেনাবাহিনীৰ কামাণ্ডাৰ ইন - চীফ মহম্মদ আয়ুব খানে পাকিস্থানত ক্ষমতা দখল কৰিলে, তাৰ লগে লগে পাকিস্থানত অঘোষিতভাৱে আৰম্ভ হ'ল সামৰিক শাসন। পূব পাকিস্থান স্বাধীন হৈ যোৱাৰ পিছত ১৯৭১ চনৰ ২০ ডিছেম্বৰত যেতিয়া জুলফিকৰ আলি ভূট্টোয়ে সাধাৰণ নিৰ্বাচনত জয়ী হৈ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈ আহিছিল, তেতিয়া পাকিস্থানত সংসদীয় পদ্ধতিৰ চৰকাৰ গঠনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল আৰু ভূট্টোক প্ৰধানমন্ত্ৰীৰ পদত অধিস্থিত কৰা হৈছিল আৰু তাৰ লগে লগে পাকিস্থানত গণতন্ত্ৰৰ সূচনা হ'ব বুলি ধাৰণা কৰা হৈছিল। কিন্তু সেয়া আছিল নিতান্তই সাময়িক। ১৯৭৭ চনৰ ৫ জুলাইত পাকিস্থান আৰ্মিৰ চীফ জেনেৰেল মহম্মদ জিয়া - উল হকে ক্ষমতা দখলৰ লগে লগে পুনৰ আৰম্ভ হৈছিল অঘোষিত সামৰিক শাসন। এক ৰহস্যজনক বিমান দুৰ্ঘটনাত পতিত হৈ জিয়া - উল - হকৰ মৃত্যু হোৱাৰ পিছত বেনজীৰ ভূট্টোৱে পাকিস্থানৰ প্ৰথম গৰাকী মহিলা প্ৰধান মন্ত্ৰী হিচাপে শাসন ভাৰ গ্ৰহণ কৰিছিল ১৯৮৮ চনত। কিন্তু দুৰ্নীতি আৰু অপশাসনৰ অভিযোগত ভূট্টোৰ পৰা ক্ষমতা কাঢ়ি লোৱা হৈছিল। অৱশ্যে ১৯৯৩ চনত তেওঁ গণভোটৰ জৰিয়তে পুনৰ ক্ষমতালৈ আহিছিল যদিও শেহতীয়াকৈ ১৯৯৬ চনত তেওঁক সেই একেই অভিযোগত ক্ষমতাৰ পৰা অপসাৰিত কৰা হৈছিল আৰু বৰ্তমানৰ প্ৰধান মন্ত্ৰী নৱাজ শ্বৰীফে শাসনভাৰ গ্ৰহণ কৰিছিল। কিন্তু

অতি আমোদজনক যে স্বাধীনোত্তৰ কালছোৱাৰ পাকিস্থানৰ এই সমগ্ৰ ৰাজনৈতিক উত্থান-পতনৰ ঘটনালানিৰ অন্তৰালত আছে সামৰিক বাহিনী। পাকিস্থানৰ শাসন ব্যৱস্থাৰ কাঠামোটোয়েই সামৰিক বাহিনীৰ দখলত। সামৰিক বাহিনীৰ আঙুলিৰ নিৰ্দেশত চলি আছে পাকিস্থানৰ প্ৰশাসন যন্ত্ৰ। ৰিমট কণ্ট্ৰ'ল যোগে প্ৰশাসন চলোৱা সামৰিক বাহিনীৰ মূল নীতিয়েই হৈছে আকৌ দুৰ্যোৰ ভাৰত বিৰোধী। ইয়াৰো কাৰণ নোহোৱা নহয় - সামৰিক বাহিনীৰ এই অঘোষিত কৰ্তৃত্ব আৰু অস্তিত্বৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে ভাৰত পাকিস্থানৰ শত্ৰুতাপূৰ্ণ সম্পৰ্কৰ ওপৰত। এই সম্পৰ্কৰ অৱসান ঘটিলেই পাকিস্থানৰ সামৰিক বাহিনীৰ বিশেষ প্ৰয়োজনেই নোহোৱা হৈ যাব। এই সামৰিক বাহিনীৰে চোৰাংচোৱা সংস্থা আই. এচ. আইৰ বহু এজেণ্টো ভাৰতৰ বিভিন্ন ঠাইত অতি সংগোপনে পিয়াপি দি ফুৰাৰ বহুতো তথ্য ইতিমধ্যেই পোহৰলৈ আহিছে।

যদিওবা ভাৰত-পাকিস্থানৰ এই বৈৰীপূৰ্ণ সম্পৰ্ক জীয়াই ৰখাৰ বাবে এক বিৰাট লবীয়ে অহৰহ চেষ্টা চলাই আহিছে, তাৰ বিপৰীতে শান্তিপ্ৰিয় জনগণে ৰিচাৰিছে এই সমস্যাৰ এক শান্তিপূৰ্ণ আশু সমাধান, ওচৰ চুবুৰীয়া পাকিস্থানৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক আৰু ইয়াৰ বাবে একমাত্ৰ আৰু উত্তম পন্থাটো আলাপ-আলোচনা বুলি ইতিমধ্যেই বিবেচিত হৈছে। ভাৰত পাকিস্থানৰ বিভিন্ন পৰ্য্যায়ৰ নেতা, পালিনেতা আৰু উচ্চপদস্থ প্ৰশাসনিক বিষয়াসৱৰ মাজত আজি বিগত পঞ্চাশ বছৰে বহুতো আলাপ-আলোচনাই হৈ গৈছে। কিন্তু এইবোৰে এতিয়ালৈ বিশেষ কিবা এটা দিব পাৰিছে বুলি ক'ব নোৱাৰি। কাৰণ ভাৰত-পাক সম্পৰ্কৰ অতি সামান্যতম উন্নতি হোৱা যেন দেখিলেই আগত উল্লেখ কৰি অহা বিৰাট লবীটো যথাসম্ভৱ তৎপৰ হৈ পৰে। উদাহৰণ স্বৰূপে ক্ষমতাত অধিস্থিত হোৱাৰ পিছতে পাকিস্থানৰ প্ৰধান মন্ত্ৰী নৱাজ শ্বৰীফে ভাৰতৰ প্ৰতি বেছ কিছু নৰম মনোভাৱ পোষণ কৰিছিল আৰু ভাৰতৰ সৈতে থকা ভিন্ন সমস্যাৰ শান্তিপূৰ্ণ সমাধানৰ বাবে উৎসাহ দেখুৱাইছিল। কিন্তু সেয়া আছিল সাময়িক। কোনো এক অদৃশ্য হাতৰ পৰশত শ্বৰীফে তেওঁৰ স্থিতি সলনি কৰিবলৈ বাধ্য হ'ল আৰু ভাৰতৰ বিৰুদ্ধে জুইসুৰীয়া হৈ পৰিল।

আকৌ আমেৰিকাকে আদি কৰি প্ৰাচ্য - পাশ্চাত্যৰ উন্নত দেশ সমূহে যদিও ভাৰত-পাকিস্থানৰ সমস্যাসমূহ আলাপ আলোচনাৰ মাজেৰে সমাধান হ'ব লাগে বুলি কৈ আহিছে, কিন্তু প্ৰকৃতাৰ্থত এইবোৰ দেশে দীৰ্ঘদিনীয়া ভাৰত-পাক উত্তেজনা প্ৰশমিত হোৱাটো কোনো পধ্যেই বিচৰা নাই। তেওঁলোকে এফালে আলাপ-আলোচনাৰ কথা কৈছে আনফালে এক বুজন পৰিমাণৰ অত্যাধুনিক সামৰিক অস্ত্ৰ-শস্ত্ৰ দুই দেশৰ হাতত বিক্ৰী কৰিয়েই আছে। এয়া কি অভিপ্ৰায় ? ভাৰত পাকিস্থানৰ সম্পৰ্ক উন্নত হবলৈ হ'লে এই উন্নত দেশ সমূহৰ অস্ত্ৰ-শস্ত্ৰৰ এখন ডাঙৰ বজাৰ বন্ধ হৈ যাব। গতিকে কাশ্মীৰ সমস্যাৰ সমাধানত নহয়। সমস্যাটো জীয়াই ৰখাতহে তেওঁলোক আগ্ৰহী। কূট নৈতিকভাৱে তেওঁলোকে এই ক্ষেত্ৰত ইন্ধনো যোগাই আহিছে।

কাশ্মীৰ সন্দৰ্ভত পাকিস্থানে এক উগ্ৰ স্থিতি ইতিমধ্যেই গ্ৰহণ কৰিছে। পোন প্ৰথমে কাশ্মীৰ নিজৰ অন্তৰ্ভুক্ত কৰিবলৈ দাবী তুলিছিল যদিও শেহতীয়াকৈ কাশ্মীৰক এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাতহে জোৰ দিছে। বিভিন্ন আন্তঃৰাষ্ট্ৰীয় মেলে-মিটিঙে কাশ্মীৰ সমস্যাৰ কথা উত্থাপন কৰি পাকিস্থানে এক আন্তঃৰাষ্ট্ৰীয় সমৰ্থন লভাৰ বিফল প্ৰচেষ্টা চলাই আহিছে। বহু সময়ত এই কাৰ্য্যই ঋণাত্মক ক্ৰিয়াহে কৰিছে। কিন্তু এইবোৰৰ বিপৰীতে ভাৰতে শান্ত, সৌম্য আৰু সহনশীল স্থিতিৰে আন্তঃৰাষ্ট্ৰীয় সুদৃষ্টি আকৰ্ষণ কৰিবলৈ সামৰ্থ্য হৈছে। ১৯৯৭ চনৰ ছেপ্টেম্বৰ মাহত পাকিস্থানৰ প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফে, ৰাষ্ট্ৰ সংঘৰ সাধাৰণ পৰিষদৰ মজিয়াত ভাৰতৰ বিৰুদ্ধে প্ৰৰোচনামূলক বিবৃতি দিয়া স্বত্বেও তেওঁৰ সৈতে বাক যুদ্ধত লিপ্ত নহৈ নিজকে সংযত ৰখাত ভাৰতৰ প্ৰধান মন্ত্ৰী গুজৰালৰ সামৰ্থ্যতাই তাকেই প্ৰমাণ কৰিছে। আকৌ পাকিস্থানে কাশ্মীৰ সমস্যা সমাধানত মধ্যস্থতা কৰাত তৃতীয় পক্ষৰ হস্তক্ষেপ বিচাৰি বিভিন্ন ৰাষ্ট্ৰক সেই ভাৰ লবলৈ আহ্বান জনাই আহিছে। কিন্তু ভাৰতে দ্ব্যৰ্থহীন ভাৱে জনাই দিছে যে ভাৰত-পাক সমস্যা সমাধনাৰ ক্ষেত্ৰত কোনো তৃতীয় পক্ষৰ হস্তক্ষেপৰ অৱকাশ নাই। আনহাতে পাকিস্থানে কাশ্মীৰ সমস্যা আন্তঃৰাষ্ট্ৰীয়কৰণৰ বাবে চলাই অহা প্ৰচেষ্টাই সময়ে সময়ে ভাৰতক যথেষ্ট বিপাঙতো পেলাইছে। কিন্তু ভাৰতৰ দৃঢ় স্থিতিৰ বাবে পাকিস্থানে এই ক্ষেত্ৰত সফল হ'ব পৰা নাই। ভাৰতে দৃঢ়তাৰে ঘোষণা কৰি আহিছে যে কাশ্মীৰ সমস্যা ভাৰত-পাকিস্থানৰ সমস্যা আৰু এই সমস্যা দুই দেশৰ মাজৰ আলাপ আলোচনাৰ মাজেৰে সমাধান হ'ব লাগিব, ইয়াত বাহিৰা হস্তক্ষেপ নিস্প্ৰয়োজন আৰু এই সমস্যাৰ আন্তঃৰাষ্ট্ৰীয়কৰণৰ কোনো যুক্তিযুক্ততা নাই।

চলিত বছৰৰ মে-মাহত ভাৰত আৰু পাকিস্থানে চলোৱা পাৰমাণৱিক পৰীক্ষাই সমগ্ৰ বিশ্বতে তোলপাৰ লগালে। যি সময়ত বিশ্বত পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ সৰ্বাত্মকভাৱে নিষিদ্ধকৰণ চুক্তি (C. T. B. T = Comprehe nsive Test Ban Treaty) আৰু পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ হ্ৰাস চুক্তি (N. P. T. - Non Proliferation Treaty) ত স্বাক্ষৰকৰণৰ পদক্ষেপ লোৱা হৈছে, সেই সময়তে ভাৰত পাকিস্থানে চলোৱা এই পাৰমাণৱিক পৰীক্ষাই সকলোকে আচম্বিত কৰি তুলিছে। ভাৰতৰ সৈতে ফেৰ মাৰিবৰ হেতুৱেই পাকিস্থানে পাৰমাণৱিক পৰীক্ষা চলালে। আনহাতে ভাৰতে স্বাক্ষৰ নকৰাৰ বাবে আসোঁৱাহপূৰ্ণ আৰু বিতৰ্কিত চি. টি . বি. টি. এতিয়াও কাৰ্য্যকৰি হ'ব পৰা নাই। এই চুক্তিত স্বাক্ষৰ নকৰাৰ বাবে ভাৰতে এক বিশ্বজনীন যুক্তি দাঙি ধৰিছে। এই চুক্তিৰ খছৰা দুখন বৰ্তমান ৰূপত নিশ্চিতভাৱেই পক্ষপাতিত্বমূলক হৈছে আৰু ভাৰতে তাত স্বাক্ষৰ নকৰাৰ দৃঢ়মত পোষণ কৰিছে। কিন্তু ইয়াৰ বিপৰীতে, ভাৰতে এই চুক্তিত স্বাক্ষৰ নকৰাৰ বাবেই পাকিস্থানে স্বাক্ষৰ কৰিবলৈ অপাৰগতা প্ৰকাশ কৰি এক ঠেক মনোবৃত্তিৰ পৰিচয় দিছে। অৱশ্যে শেহতীয়াকৈ, পাৰমাণৱিক পৰীক্ষাৰ পিছত আমেৰিকাই আৰোপ কৰা অৰ্থনৈতিক নিষেধাজ্ঞাৰ ফলত কোঙা হৈ পৰা অৰ্থনীতিক জীপাল কৰি তুলিবলৈ পাকিস্থানে নিস্বৰ্ত্ত ভাৱে চি. টি. বি. টিত স্বাক্ষৰ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে।

ভাৰত-পাকিস্থানৰ মাজত কাশ্মীৰ সমস্যাটো এটা খুৱেই জটিল সমস্যা। কিন্তু এই সমস্যাৰো এটা সমাধান নিশ্চয় ওলাব। কিন্তু তাৰবাবে প্ৰয়োজন হ'ব সমস্যাটোৰ গুৰুত্ব বুজি তাক সমাধান কৰাৰ বাবে দুই দেশৰ বৰমূৰীয়া সকলৰ প্ৰকৃত ইচ্ছা; নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে এই সমস্যাক জীয়াই ৰাখিবৰ বাবে অহৰহ চেষ্টা চলাই থকা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিৰাট অপশক্তিৰ বিৰুদ্ধে দৃঢ়তাৰে যুজিব পৰাৰ ক্ষমতা। দুই দেশৰ শান্তিপ্ৰিয় জনসাধাৰণৰ অকুণ্ঠ সমৰ্থন আৰু গঠনমূলক আলাপ আলোচনাইহে এই সমস্যা সমাধানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব, দুৰ্নীতি গ্ৰস্ত নেতা-পালিনেতাৰ ভেকো-ভাওনাই নহয়। ভাৰত আৰু পাকিস্থানৰ মাজত থকা সমস্যাসমূহ সমাধান হ'বলৈ হ'লে আৰু মিত্ৰতাপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিবলৈ হ'লে দুই মিত্ৰ দেশেই এছিয়া তথা বিশ্বৰ ভিতৰতে এক মহাশক্তিত পৰিণত হ'ব। আৰু আমেৰিকাৰ দৰে আধিপত্য বিস্তাৰৰ সপোন দেখা অতি উন্নত দেশবোৰৰ বাবে ই হৈ পৰিব এক দুঃস্বপ্ন। কিন্তু সেই দিন এতিয়াও সুদুৰ পৰাহত। 🕮

---

*চন্দন ভূঞা, স্নাতক ৩য় বৰ্ষৰ, অৰ্থনীতি বিষয়ৰ ছাত্ৰ।*

# অসমৰ লোক-সংস্কৃতিত
# সাজ-পাৰ

গীতিমণি বৰুৱা

মানুহ সংস্কৃতিসম্পন্ন সামাজিক জীৱ। সামাজিক জীৱন সংস্কৃতিৰ বিভিন্ন দিশৰ মাজেৰে প্ৰতিফলিত হয়। কোনো এক মানৱ সম্প্ৰদায়ৰ ধ্যান-ধাৰণা, ৰীতি-নীতি, অভ্যাস, আচৰণ, সাজ-পাৰ, জীৱন-যাত্ৰাৰ প্ৰণালী ইত্যাদিৰ সমষ্টিয়েই সংস্কৃতি। সভ্যতা, সংস্কৃতিৰ অন্যতম পথ নিৰ্দেশক হ'ল সাজ-পাৰ আৰু অলংকাৰ পাতি। জাতিৰ সাজ-পাৰ আৰু তাৰ উপকৰণৰ ভৌগোলিক প্ৰভাৱ আৰু ব্যৱহাৰিক প্ৰয়োজন অস্বীকাৰ কৰিব নোৱাৰি। তথাপি সাজ- পোছাকৰ পৰা বৰ্ণ, শ্ৰেণী, বিবাহিত, অবিবাহিত, বয়স, লিংগ - এই প্ৰভেদসমূহৰো সংকেত পায়। পুৰোহিত -ব্ৰাহ্মণ, বৈৰাগী-সন্যাসীৰ লগত সাধাৰণ সাজ-পাৰৰ পাৰ্থক্য আছে। সধবা, বিধবাৰ অথবা অবিবাহিত তিৰোতা আৰু পাট-গাভৰু ছোৱালীৰ সাজ-পাৰ একে নহয়, ধনী-দুখীয়াৰ প্ৰথম পৰিচয় বেশ-ভূষাতে। সাজ-পাৰে যিদৰে শ্ৰেণী বিভাজন সূচায়, সেইদৰে ব্যক্তিত্বৰ ওপৰতো সাজ-পাৰে বিশিষ্ট মৰ্য্যদা দিয়ে। এই সাজ-পাৰতেই জাতিৰ শ্লীলতা, আৰ্থিক অৱস্থা, সৌন্দৰ্য্যপ্ৰিয়তা, শিল্পীমন, সুকুমাৰ প্ৰতিভা প্ৰকাশ।

পুৰণি কালত অসমত কি কি সাজ- পোছাক আছিল, তাক সঠিক কৈ কোৱা টান। সেই সম্পৰ্কে কোনো লিখিত তথ্যপাতি পাবলৈ নাই। পুৰণি আখ্যানবিলাকত অলংকাৰ, পোছাক, প্ৰসাধন আদিৰ বিষয়ে যি বৰ্ণনা আছে, তাৰ পৰা জানিব পাৰি যে, মহাভাৰত, ৰামায়ণৰ যুগত ভাৰতত যি বস্ত্ৰ-অলংকাৰ ব্যৱহাৰ কৰিছিল, কামৰূপৰ ৰজা-মহাৰজা সকলৰ সাজ-পোছাকো তেনে আছিল। সেই সময়ত অসমীয়া আখ্যানৰ লিখকসকলৰ এই সাজ-পোছাক আৰু অলংকাৰ আদিৰ বিৱৰণ মহাভাৰত আৰু ৰামায়ণ প্ৰভৃতিৰ পৰা ধাৰ কৰা।

মহাপুৰুষ শঙ্কৰদেৱৰ ৰচিত নাটকতো সেই সাজ-পোছাক-অলংকাৰ আদি অসমীয়া গঢ়ত দেখুৱাইছে। কালিকা-পুৰাণ আৰু হৰ্ষ-চৰিতত অসমীয়া সাজ-পাৰৰ কিছুমান উল্লেখ আছে। প্ৰাচীন মূৰ্ত্তি শিল্পৰ পৰাও কিছু সমল পাব পাৰি। মধ্য যুগত চিত্ৰ সম্বলিত পুথিবোৰৰ পৰা ৰজা, ৰাজবিষয়া, সাধাৰণ প্ৰজা, মহিলা আদিৰ বিভিন্ন প্ৰকাৰৰ লোকৰ সাজ-পাৰ আৰু অলংকাৰ-পাতিৰ বিষয়ে কিছু জানিব পাৰি। অসমীয়া সাজ-পাৰত বিদেশী প্ৰভাৱ আহোম যুগৰ পৰা পৰিবলৈ আৰম্ভ কৰে। মোগলৰ প্ৰভাবো এই সময়ৰ পৰাই পৰিবলৈ আৰম্ভ কৰে। ইয়াৰ পিচত ইংৰাজৰ আগমনৰ লগে লগে ইউৰোপীয় সাজ-পোছাকে লাহে লাহে অসমীয়াৰ মাজত ঠাই লবলৈ আৰম্ভ কৰিলে। গতিকে, ভাৰতীয় মোগল আৰু ইউৰোপীয় সাজ-পোছাকৰ সংমিশ্ৰন অসমীয়াৰ মাজত দেখা গ'ল। তাৰ লগতে চুবুৰীয়া জনজাতীয় লোকসকলৰ প্ৰভাবো পৰিল। এনেকৈ চালে দেখা যায় যে সময়ৰ লগে লগে অসমীয়া সাজ-পাৰ পৰিবৰ্তিত হৈ আহিছে।

কালিকা পুৰাণত বস্ত্ৰ নিৰ্মাণ কৰা কিছুমান সামগ্ৰীৰ নাম উল্লেখ আছে। কপাহী কাপোৰেই প্ৰধানকৈ ব্যৱহৃত হৈছিল বুলি জনা যায়। তন্তুবায় (তাঁতী) সম্প্ৰদায়ৰ লোকে এই প্ৰকাৰৰ বস্ত্ৰ প্ৰস্তুত কৰিছিল। দ্বিতীয়বিধ পচমী কাপোৰ ভেড়াৰ উলেৰে নিৰ্মিত। সম্ভৱতঃ তিব্বত আৰু ভূটানৰ পৰা এইবিধ সামগ্ৰী অনা হৈছিল। তৃতীয়বিধ সামগ্ৰী কোৰজ অৰ্থাৎ পলুজাত। এৰী, মুগা, পাট এই শ্ৰেণীত পৰে। সাধাৰণতে ৰজা আৰু সম্ভ্ৰান্তলোকে এনেবিধ বস্ত্ৰ পৰিধান কৰিছিল। মুগা অসমৰ এটা বৈশিষ্ট্য। অসমৰ মেজাংকৰী পাট এক প্ৰকাৰৰ মুগা। এনে কাপোৰত বনকৰা হৈছিল বনকৰা মেজাংকৰী পাটৰ কাপোৰ সম্ভ্ৰান্তলোক আৰু বিষয়াসকলেহে প্ৰধানকৈ ব্যৱহাৰ কৰিছিল। আন এবিধ বস্ত্ৰক 'শালবস্ত্ৰম' বুলি কোৱা হৈছিল। এইবিধ ৰনজ সামগ্ৰী। হিউয়েনচাঙে লিখি থৈ যোৱা গাঢ় ৰঙা ৰঙৰ শালবস্ত্ৰম ভিকুসকলে পৰিধান কৰিছিল, গছৰ বাকলিৰে কাপোৰ কৰা প্ৰথা অসমৰ কিছুমান জনজাতিৰ মাজত প্ৰচলন আছিল। হিন্দু সমাজৰ কোন লোকে এনেদৰে বস্ত্ৰৰ ব্যৱহাৰ কৰিছিল সঠিকৈ জনা নাযায়। সেই একে পুথিৰ পৰাই জনা যায় চিলাই কৰা আৰু নিসিওৱা দুয়ো প্ৰকাৰৰ সাজ-পাৰেই প্ৰচলন আছিল।

ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰে ধোতি বা ধুতিয়েই সকলো শ্ৰেণীৰ অসমীয়া মানুহৰ প্ৰধান অধোবাস আছিল। ডা-ডাঙৰীয়া আদি উচ্চ শ্ৰেণীৰ লোকে আঠুৰ তললৈ, কেতিয়াবা ভৰিৰ সৰু গাঠি পোৱাকৈ ধুতি পিন্ধিছিল। ধুতিৰ এটা আগেৰে সম্মুখৰ পিনে দীঘলকৈ থোৰ মাৰিছিল। আনটো আগ দুই ভৰিৰ মাজেৰে পিছলৈ নি পোন্ধ মাৰিছিল। সৰ্বসাধাৰণ শ্ৰেণীৰ লোকে ধুতি পিন্ধিছিল আঠুৰ ওপৰত। তেওঁলোকে কাম-বন কৰোঁতে সুলকি নপৰিবলৈ ধুতিৰ এটা আগেৰে কঁকালত টানকৈ মেৰিয়াই বান্ধিছিল; এয়ে কমৰ-বন্ধৰ কাম কৰিছিল।

উচ্চ শ্ৰেণীৰ লোকে ব্যৱহাৰ কৰা দ্বিতীয়বিধ প্ৰধান বস্ত্ৰ হ'ল চাদৰ বা উত্তৰীয়। এই পদে শৰীৰৰ ওপৰৰ অংশ ঢাকিছিল। চাদৰ বিভিন্ন প্ৰকাৰে লৈ শৰীৰৰ উৰ্দ্ধভাগ আচ্ছাদিত কৰা হৈছিল। আহোমৰে মোগলৰ দিন পৰা চোলা, এঙ্গা চোলা, চৌগা-চপকন আদিৰ প্ৰচলন আৰম্ভ হ'ল। সিওৱা বস্ত্ৰৰ অধিক ব্যৱহাৰ দেখা গ'ল। আগৰ কাঠৰ পাদুকা অৰ্থাৎ খৰমৰ ঠাই বিভিন্ন প্ৰকাৰৰ জোতাই লবলৈ আৰম্ভ কৰিলে। এই প্ৰসংগত কমৰ বন্ধৰ (পৰিবেশ) নামো লব পাৰি। হৰ্ষচৰিতত ইয়াৰ উল্লেখ আছে। কঁকালত মেৰিয়াই লোৱা বস্ত্ৰ কমৰ বন্ধৰ সহায়ত যথাস্থানত বান্ধি ৰখা হৈছিল। এনে ধৰণৰ কমৰবন্ধৰ প্ৰচলন এতিয়াও বহুত জনজাতিৰ লোকৰ মাজত দেখা যায়। হৰ্ষচৰিতত চামৰাৰ দ্বাৰা নিৰ্মিত কমৰবন্ধৰো উল্লেখ পোৱা যায়।

সৰ্বসাধাৰণ অসমীয়া লোকে গাত লোৱা কাপোৰৰ নাম চেলেং কাপোৰ বা চাদৰ। জাৰৰ দিনত সামাজিক প্ৰতিষ্ঠা আৰু সামৰ্থ অনুযায়ী পুৰুষে খনীয়া কাপোৰ এখন মেৰিয়াই শীত নিবাৰণ কৰিছিল। এৰী কাপোৰৰ ব্যাপক প্ৰচলন অসমীয়া সমাজত তেতিয়াৰে পৰা দেখা যায়।

সন্ন্যাসীসকলৰ সাজ-পাৰ বেলেগ আছিল। তেওঁলোকে কৌপীন পিন্ধিছিল, মূৰত জটা ৰাখিছিল; কেতিয়াবা তিৰোতাৰ নিচিনাকৈ দীঘল বেনীও গাঁঠিছিল।

আহোম - মোগলৰ দিনৰে পৰা অসমীয়া সমাজত শিৰস্ত্ৰাণ বা পাগুৰিৰ ব্যাপক প্ৰচলন আৰম্ভ হয়। প্ৰাচীন অসমত পাগুৰিৰ প্ৰচলন থকাৰ কথা জনা নাযায়। অৱশ্যে ৰজা ভাস্কৰবৰ্মাই শিৰোবেষ্টন পৰিধান কৰি কনৌজৰ মহামেলত যোগ দিয়াৰ উল্লেখ পোৱা যায়। আহোমৰ দিনত ৰজাই ৰত্ন-খচিত মুকুট পিন্ধিবলৈ আৰম্ভ কৰিলে। ডা-ডাঙৰীয়াই মূৰত পাগুৰি ব্যৱহাৰ কৰিবলৈ ল'লে। পিছলৈ গাঁৱৰ মুখিয়াল লোকে মূৰত পাগুৰি মাৰিবলৈ ধৰে। ডেকাসকলে মূৰত গামোচা মাৰে।

ৰিহা-মেখেলা, চাদৰ অসমীয়া তিৰোতাৰ বৈশিষ্ট্যপূৰ্ণ সাজ-পাৰ বুলি গণ্য কৰা হয়। ৰিহা-মেখেলা অসমীয়াৰ প্ৰাচীন বস্ত্ৰ নহয়। প্ৰাচীন কালত তিৰোতাই শাৰী ব্যৱহাৰ কৰিছিল বুলি ভাবিবৰ থল আছে। প্ৰাক্ বৈষ্ণৱ আৰু বৈষ্ণৱ যুগত লিখনিৰ নানা ঠাইত শাৰীৰ উল্লেখ আছে। ৰিহা-মেখেলা এই দুই বস্ত্ৰ তিব্বত-বৰ্মী অৰ্থাৎ কচাৰী-আহোমৰ পৰা অহা বুলি কোনো কোনোৱে ভাবে। কোনো কোনোৰ মতে আকৌ ৰিহা শাৰীৰ ক্ষুদ্ৰ সংস্কাৰ, আৰু কটিবস্ত্ৰ (মেখেলা বা কৰধনি) অধোবাস মেখেলাত পৰিণত হৈছে বুলি অনুমান কৰে। পূৰ্বে ধুতি, ৰিহা, চাদৰৰ দৰে মেখেলাও নিসীয়া বস্ত্ৰহে আছিল।

উচ্চ শ্ৰেণীৰ তিৰোতাই ভৰিৰ সৰু গাঁঠিলৈকে পেলাই সন্মুখৰ পিনে দুটামান দীঘল ভাজ ৰখাই মেখেলা পিন্ধিছিল। বুকুৰ পৰা তপিনালৈ ঘুৰাই লৈছিল। ৰিহাই কাঁচলি বা স্তনপট্টৰ কাম কৰে আৰু ৰিহা লোৱাৰ এই ভংগিমাই পিঠি সম্পূৰ্ণ ভাৱে আচ্ছাদিত কৰে। বিবাহিতা মহিলাই কেতিয়াবা ৰিহাৰ একাংশৰে ওৰণি লয়। ৰিহাৰ ব্যৱহাৰত শৰীৰৰ ঋজুতা আৰু বিভিন্ন অংগৰ ৰেখাসমূহ ৰমনীয়ভাৱে উদ্ভাসিত হয়। সাধাৰণতে উৎসৱ- অনুষ্ঠানত ৰিহাৰ ওপৰত চাদৰ বা চেলেং লোৱা হয়। ই সৰ্বাংগ আচ্ছাদনৰ বস্ত্ৰ। উচ্চ শ্ৰেণীৰ লোকে মুগা বা পাটৰ মেখেলা পিন্ধে। ৰিহা সাধাৰণতে পাট বা মুগাৰ হয়। চাদৰো তেনে হ'ব পাৰে; কপাহীও হয়। আজিৰ যুগত অসমীয়া মহিলাৰ মাজত ৰিহাৰ প্ৰচলন কমি গৈছে।

সাধাৰণ শ্ৰেণীৰ অসমীয়া তিৰোতাই মেথনি মাৰি মেখেলা পিন্ধিছিল, অৰ্থাৎ স্তন ঢাকি বুকুৰ পৰা আঠুৰ কিছু ওপৰলৈ পৰাকৈ মেখেলা পিন্ধিছিল। সময় বিশেষে তাৰ ওপৰত চাদৰ এখন লৈছিল। জনজাতীয় তিৰোতাৰ মেখেলাৰ শেল পথালিয়ে নামৰি দীঘে দীঘে বোৱা হয়।

বিবাহিতা তিৰোতাই মূৰত ওৰণি লয়। হিন্দু তিৰোতাই কপাল আৰু শিৰত সেন্দুৰ লয়। এয়ে বিবাহিতাৰ চিন। কেশ বিন্যাসৰ প্ৰচলন অসমীয়া তিৰোতাৰ মাজত পুৰণি কালৰ পৰাই আছে। বিৰিধ ধৰণে খোপা বান্ধি সৌন্দৰ্য্য বৰ্দ্ধন কৰা হৈছিল। হাতীৰ দাঁত, কাঠ বা বাঁহৰ ফণিৰে চুলি আচোঁৰা হৈছিল। খোপাত ফুল, ফুলৰ মালা, অলংকাৰ আদি গুজি নিজকে দেখনিয়াৰ কৰিছিল, অতি নিজকে দেখনিয়াৰ কৰিছিল। অতি প্ৰাচীন কালৰে পৰাই ভাৰতীয় নাৰীয়ে অলংকাৰ ব্যৱহাৰ কৰি আহিছে। অসমীয়া নাৰীও ইয়াৰ ব্যতিক্ৰম নহয়। অকল নাৰীৰ মাজতে অলংকাৰ যে সীমাবদ্ধ আছিল তেনে নহয়; পুৰুষেও অলংকাৰ ব্যৱহাৰ কৰিছিল। সাজ-পাৰৰ দৰে অলংকাৰেও বিভিন্ন কাৰণত ৰূপ সলাই আহিছে। অসমত সোণ আৰু ৰূপৰ গহনাহে প্ৰধানকৈ ব্যৱহৃত হয়। কালিকা পুৰাণত শৰীৰৰ বিভিন্ন অংগত পিন্ধা নানাবিধ অলংকাৰৰ তালিকা আছে। মৰ্য্যাদা অনুসৰি অলংকাৰ হ'ল কপালত কপালী (সোণ, হীৰা, মুকুতা খটোৱা)। চুলিৰ ওপৰেদি খোপাত কঙ্কী (খোপাত বন্ধা), ডিঙিত গলপতা, মেৰুৱা, তাৰ তলত সোণৰ মিনা কৰা ধৰীয়া বিড়ি, হাতত সোণৰ গামখাৰু, আঙুলিত সোণৰ বাখৰ খটোৱা ধুৰাপাত, সোণৰ আঙুঠি-জেঠি নেগুৰীয়া আঙুঠি, ভাটো ঠুঁটীয়া আঙুঠি। বাহুত পিন্ধিছিল, কেয়ূৰ আৰু অঙ্গজ। হাতত পিন্ধিছিল কঙ্গন, খাৰু, বালা ইত্যাদি। কাণৰ বাবে কুণ্ডল, ভৰিত নূপুৰ আদি প্ৰধান অলংকাৰ আছিল।

সাধাৰণ তিৰোতাৰ উকা বিৰি, সোণৰ কোটমণি, উকা সোণৰ খাৰু, ৰূপ খটোৱা খাৰু, সোণ, ৰূপৰ সৰু আঙুঠি আদি প্ৰধান অলংকাৰ।

সাজ-পাৰৰ লগতে তাঁত শিল্প অসমীয়া জীৱনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। প্ৰতিজনী অসমীয়া নাৰীয়েই সুনিপুণ শিপিনী। কাপোৰত নানা ধৰণৰ ফুল বচা হৈছিল। তাঁত বব নজনাটো অসমীয়া নাৰীৰ পক্ষে বৰ অপমানজনক কথা হৈছিল। কাপোৰত ৰং দিয়া পদ্ধতি প্ৰাচীন কালৰে পৰাই অসমীয়া সমাজত প্ৰচলিত। প্ৰধানকৈ চাৰিবিধ ৰং ব্যৱহাৰ হৈছিল। সেই ৰং কেইটা হ'ল ৰঙা, ক'লা, হালধীয়া আৰু বগা। ৰঙা আৰু হালধীয়া ৰং পবিত্ৰ বুলি গণ্য কৰা হৈছিল। আমাৰ চুবুৰীয়া জনজাতীয় লোকসকলে নিজস্ব পদ্ধতিৰে বিভিন্ন ধৰণে ৰং প্ৰস্তুত কৰি কাপোৰত ৰং দিছিল।

আমাৰ গাতে লাগি থকা মিৰি বা মিচিং ৰাইজৰ ভৈয়ামৰ সাজ-পোছাকৰ লগত সামান্য অমিল। মিৰি সকলৰ বাবে বৰণীয়া ফুলবচা বা পাটৰ নানা বৰণৰ লুঙি, মূৰত বগা মখমলৰ পাগ, গাত লিপিত খাই থকা এড়া চোলাই প্ৰধান সাজ পাৰ। তিৰোতালকলৰ ক'লা কাপোৰৰ মেঠানি মৰা, ৰংচঙীয়া পাটৰ চেলেং, দীঘল হাতৰ বুকুত বুটাম লগোৱা বগা বা ক'লা চোলা, কাণত জাংফাই। তেনেকৈ টাই পৰিয়াল ফাঁকিয়াল, তুৰুং, শ্যাম আদিৰ কম বেছি পৰিমাণে মিলে। সেইদৰে মিকিৰ, গাৰো, খাচী, জয়ন্তীয়া, নগা, চিংফৌ, আবৰ, দফলা সকলৰো সুকীয়া সুকীয়া কাপোৰ কানি আৰু অলংকাৰ ব্যৱহাৰ কৰা প্ৰথা আছে।

এইদৰে চালে দেখা যায় যে আৰ্য্য-অনাৰ্য্যৰ এক সুন্দৰ সংমিশ্ৰণ অসমীয়া সাজ-পাৰত পৰিলক্ষিত হয়। সময়ৰ লগে লগে সাজ-পাৰৰো ৰূপ পৰিবৰ্তন হয়। বৰ্তমান অসমীয়া পুৰুষে নিজৰ সা-সুবিধা আৰু পৰিবৰ্তনৰ লগত খোজ মিলাই ধুতিৰ সলনি ব্যৱহাৰ কৰে লংপেন্ট আৰু চাৰ্ট। সেইদৰে মহিলাসকলে মেখেলা চাদৰৰ সলনি ব্যৱহাৰ কৰে শাৰী, চুৰিদাৰ আদি। তদুপৰি বৰ্তমান অত্যাধুনিক সাজ-পাৰ পৰিধান কৰা দেখা গৈছে। সমাজ বিবৰ্তন সমাজৰ প্ৰাণ প্ৰাচুৰ্য্য আৰু গতিশীলতাৰ লগতে অগ্ৰগতিৰ লক্ষণ। আনহাতে স্থিতিশীলতা সমাজৰ মৌলিক ৰূপ সংৰক্ষণৰ সহায়ক। অসমীয়া ৰাইজে বৰ্তমান লোক গীত-মাত আদি সংৰক্ষণত যিমান গুৰুত্ব দিছে সাজপাৰৰ ক্ষেত্ৰত সিমান গুৰুত্ব দিয়া দেখা নাযায়। এনেদৰে চলি থাকিলে ভৱিষ্যতে সাজপাৰৰ মৌলিক ৰূপটোও নাথাকিবগৈ। পৰিবৰ্তন মানি লৈয়ো জাতীয়তা ৰক্ষা কৰিব পৰাটোহে অসমীয়া জাতিৰ পক্ষে সন্মান জনক কথা হ'ব। 🕮

*গীতিমণি বকতিয়াল, স্নাতক প্ৰথম বৰ্ষ (বুৰঞ্জী)*

# দেশৰ সাম্প্ৰতিক পৰিস্থিতিত স্বদেশী আন্দোলনৰ প্ৰয়োজনীয়তা

**ৰাজীৱ বায়ন**

বৰ্তমান আমাৰ দেশে এক জটিল পৰিস্থিতিৰ মাজেৰে গতি কৰিছে। স্বাধীনতাৰ পঞ্চাছ বছৰ পিছতো দেশে চকুত লগাকৈ উন্নতি কৰিবলৈ সক্ষম হোৱা নাই। এই ব্যৰ্থতাক কেন্দ্ৰ কৰি ঘটা বিভিন্ন ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক পৰিঘটনাই দেশৰ পৰিস্থিতি অশান্ত আৰু অস্থিৰ কৰি তুলিছে। এনেহেন জটিল সন্ধিক্ষণত স্বদেশী আন্দোলন এটা গঢ়ি তোলাৰ প্ৰয়োজনীয়তানো কিমান তাক অনুধাবন কৰাৰ সময় আহি পৰিছে।

প্ৰাক্ স্বাধীনতা কালছোৱাত গান্ধীজীয়ে গঢ়ি তোলা স্বদেশী আন্দোলনৰ সুদূৰ প্ৰসাৰি প্ৰভাবৰ কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। স্বাধীনোত্তৰ কালছোৱাতো তেনে এটা স্বদেশী আন্দোলনৰ প্ৰয়োজনীয়তা আমি বাৰুকৈয়ে অনুভৱ কৰিছো। আজি বিভিন্ন মহলৰ পৰা প্ৰশ্ন উত্থাপিত হৈছে যে ভাৰত ৰাজনৈতিক দিশৰ পৰা স্বাধীন হ'লেও সাংস্কৃতিক আৰু আৰ্থিক দিশৰ পৰা স্বাধীননে? বৈদেশিক নীতি, বহুজাতিক কোম্পানীসমূহৰ মাৰ মুখী গতি, পশ্চিমীয়া চিন্তাধাৰাৰ অন্ধ অনুকৰণ আৰু পৰনিৰ্ভৰশীল মানসিকতাই ভাৰতৰ সামাজিক প্ৰমূল্যবোধৰ অৱক্ষয় অনাৰ লগতে বৃদ্ধি কৰিছে বৈদেশিক ঋণৰ বোজা, নিবনুৱা সমস্যা, দৰিদ্ৰতা, মূল্যবৃদ্ধি, আৰ্থিক দূৰ্নীতি, সাংস্কৃতিক ব্যভিচাৰ আদি। ভাৰতবৰ্ষৰ ওপৰত বৰ্তমান বৈদেশিক ঋণৰ বোজাই হ'ল প্ৰায় তিনিলক্ষ কোটি টকা। ঋণৰ সুদ দিবৰ বাবেই প্ৰতিবছৰে ৩০ হাজাৰ কোটি টকাতকৈও বেছি বিদেশী ঋণ লব লগাত পৰিছে। ইয়াৰ উপৰি দেশৰ আভ্যন্তৰীণ ঋণৰ পৰিমানো প্ৰায় ৪ লাখ কোটি টকাৰ ওপৰত। যেতিয়া আমি একবিংশ শতিকাত ভৰি দিম তেতিয়া সদ্য ভূমিস্থ শিশুৰ পৰা মৃত্যুৰ দুৱাৰ দলিত ভৰি দিয়া বৃদ্ধলৈকে প্ৰত্যেকৰে মূৰৰ ওপৰত ঋণৰ বোজা হব ১০ হেজাৰ টকাকৈ।

এই জটিল পৰিস্থিতি উদ্ভৱ হোৱাৰ এক মৌলিক কাৰণ হ'ল স্বদেশাত্মবোধৰ অভাব বা আত্মমৰ্য্যদাবোধৰ অভাব। বৰ্তমান প্ৰতিজন ভাৰতীয়ৰ মনত এই কথা দৃঢ় ভাবে শিপাইছে যে ভাৰতত উৎপাদিত সকলোবোৰ সামগ্ৰীৰ মান নিম্ম পৰ্য্যায়ৰ আৰু বিদেশত উৎপাদিত যিকোনো বস্তুৰেই গুণগত মান উচ্চ পৰ্য্যায়ৰ। বস্তুতৰ বাবে এতিয়া ভাৰতীয় কৃষ্টি-সংস্কৃতি, জ্ঞান-বিজ্ঞান, চিন্তাধাৰা, ভাষা-সাহিত্য, পোছাক-পৰিচ্ছদ আদি এলাহ্ণুকলীয়া আৰু বিদেশী কৃষ্টি-সংস্কৃতি, জ্ঞান-বিজ্ঞান, চিন্তাধাৰা, ভাষা-সাহিত্য, পোচাক - পৰিচ্ছদ মানেই প্ৰগতিৰ পৰিচায়ক। অধিকাংশ ভাৰতীয়ই সেইবাবে বৰ্তমান পশ্চিমীয়া চিন্তাধাৰাৰ অন্ধ অনুকৰণত ব্যস্ত। বিশেষকৈ আমাৰ সমাজৰ 'এলিট' শ্ৰেণীটো পশ্চিমীয়া ঢৌত উটি ভাহি যোৱা সকলোৰে চকুত পৰিছে। কিন্তু এই কথা মনত ৰখা উচিত যে স্বদেশীকতা অবিহনে জাতি এটাই মূৰ ডাঙি ঠিয় হ'ব নোৱাৰে অথবা নিজৰ অস্তিত্ব



বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব নোৱাৰে। স্বদেশীকতা অবিহনে জাতিৰ অস্তিত্বৰ সংকট ঘনীভূত হয়। তদুপৰি সাংস্কৃতিক আৰু অৰ্থনৈতিক স্বাধীনতা অবিহনে ৰাজনৈতিক স্বাধীনতা বৰ্তি থাকিব নোৱাৰে। গতিকে দেশক এই সংকটৰ পৰা উদ্ধাৰ কৰিববলৈ আজি স্বদেশী আন্দোলন এটাৰ অতি প্ৰয়োজন হৈছে। এই প্ৰয়োজনীয়তাৰ কথা দৃঢ়ভাবে প্ৰতিয়মান কৰিববলৈ দুটামান তথ্য উনুকিওৱাৰ প্ৰয়োজন অনুভৱ কৰিছো —

ভাৰত চৰকাৰৰ আৰ্থিক উদাৰীকৰণ নীতিৰ ফলস্বৰূপে আজি বহুজাতিক কোম্পানী সমূহে ভাৰতত খুটি পুটি বহিছে। ভাৰতত উদ্যোগ স্থাপন কৰি তেওঁলোকে কৰিছে কি? ভাৰততেই কেচামাল সংগ্ৰহ কৰি ৰিভিন্ন সামগ্ৰী প্ৰস্তুত কৰিছে আৰু ভাৰতীয় সকলৰ মাজত সেই সামগ্ৰী বিক্ৰী কৰি সিহতৰ দেশৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিছে। প্ৰচাৰ মাধ্যম সমূহৰ যোগেদি ৰং বিৰঙৰ, নানা তৰহৰ বিজ্ঞাপন প্ৰচাৰ কৰি নিজৰ বজাৰ বিস্তাৰ কৰিছে আৰু বিজ্ঞাপনৰ দ্বাৰা গ্ৰাহকৰ মন মুহিববলৈ অৰ্ধনগ্ন নাৰী দেহ প্ৰদৰ্শনকে আদি কৰি বিভিন্ন উপায় অৱলম্বন কৰিছে। ফলস্বৰূপে দেশীয় কোম্পানী সমূহৰ মূৰত মাধমাৰ পৰাৰ লগতে নিজৰ দেশতে তেওঁলোকে বজাৰ হেৰুওৱাৰ উপক্ৰম কৰিছে। এনেদৰে যদি কেইটামান বছৰ পাৰ হৈ যায় তেন্তে ভাৰতীয় কোম্পানী সমূহৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ গুণগত মান নিম্নগামী হ'ব আৰু এটা সময়ত ভাৰতীয় কোম্পানী সমূহৰ মৃত্যু ঘটিলেও আচৰিত হ'বলগীয়া একো নাথাকিব।

ভাৰতত প্ৰচলিত ৭৫ শতাংশ ঔষধ উৎপাদন কৰিছে বিদেশী কোম্পানীসমূহে। সিহঁতে নিজ খুচিমতে ঔষধৰ দাম বঢ়াইছে আৰু সকলোতকৈ ডাঙৰ কথা হ'ল যিবোৰ ঔষধ বিদেশত প্ৰচলন কৰাতো আইনমতে দণ্ডনীয় সেইবোৰ ঔষধ সিহঁতে ভাৰতত প্ৰচলন কৰিছে। বিভিন্ন নামেৰে। এই ক্ষেত্ৰত বা ঔষধৰ গুণাগুণ সম্পৰ্কত চৰকাৰে মাত মাতিব নোৱাৰে, মাত মতাৰ অধিকাৰ চৰকাৰৰ নাই। চৰকাৰৰ হাত ভৰি বন্ধা বিশ্ববেংকৰ চৰ্তযুক্ত ঋণৰ জালেৰে। তদুপৰি জনসংযোগৰ মাধ্যম যেনে দূৰদৰ্শন, ৰেডিও, বাতৰি কাকত, আলোচনী আদি ডাংকেল প্ৰস্তাৱ, পশ্চিমীয়া অপসংস্কৃতি আদিৰ কৰালগ্ৰাসত। এই মাধ্যম সমূহে ভাৰতৰ সমস্যা সম্পৰ্কে, ভাৰতীয় সংস্কৃতি সম্পৰ্কে ভাৰতীয় নাগৰিক সকলক এটা সুস্থ ধাৰণা দিববলৈ ব্যৰ্থ হৈছে। তাৰ পৰিবৰ্তে এই মাধ্যম সমূহ ব্যস্ত (বিশেষকৈ T.V.) পশ্চিমীয়া অপসংস্কৃতি, বহুজাতিক কোম্পানী সমূহৰ বিজ্ঞাপন প্ৰচাৰ কৰাত। সম্পূৰ্ণ ভাৰতীয় প্ৰথাগত ভাবে নিযুক্ত কৰ্মী সকল যেনে - মুচি, কমাৰ, কুমাৰ, ৰাজমিস্ত্ৰী, চৰ্মকাৰ, তাঁতী, বাঢ়ৈ আদিৰ ভাৰতীয় জাতীয় অৰ্থনীতিত অৱদান কিমান সেই বিষয়ে প্ৰচাৰ হৈছেনে? অথচ এইসকল কৰ্মীয়েই ১৯৮০ চনৰ পৰা ১০বছৰৰ ভিতৰত ভাৰতলৈ ২৬০০ কোটি ডলাৰৰ বৈদেশিক মুদ্ৰা কঢ়িয়াই আনিছিল। প্ৰবাসী ভাৰতীয় সকলে কঢ়িয়াই অনা কোটি কোটি ডলাৰৰ মুদ্ৰায়ে যে দেশ টনকিয়াল কৰিব পাৰে সেই কথা সৰ্বসাধাৰণৰ জ্ঞাতাৰ্থে জনোৱা যায় নে? প্ৰচাৰ মাধ্যম সমূহ কেৱল ব্যৱহাৰ হয় বিশ্ববেংক, আই এম এফ আদিৰ সপক্ষে ঢাক ঢোল পিটিববলৈহে।

ওপৰৰ আলোচনাৰ পাছত সাম্প্ৰতিক পৰিস্থিতিত স্বদেশী আন্দোলনৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত কাৰো দ্বিমত থাকিব নোৱাৰে। এতিয়া কথা হ'ল এনে পৰিস্থিতিত স্বদেশী আন্দোলনৰ জৰিয়তে কেনেদৰে দেশক উদ্ধাৰ কৰিব পাৰি। এটা কথা মনত ৰখা উচিত যে স্বদেশী আন্দোলন মানে স্বদেশী বস্তু গ্ৰহণ আৰু বিদেশী বস্তু বৰ্জন মাত্ৰ নহয়। ইয়াৰ অন্তৰালত যিটো মহৎ শক্তিয়ে কাম কৰে সেইটো হৈছে - দেশপ্ৰেম। স্বদেশী আন্দোলন গভীৰ দেশাত্মবোধ অবিহনে সম্ভৱ নহয়। ভগিনী নিবেদিতা, ঋষি অৰবিন্দ কিম্বা গান্ধীজীৰ স্বদেশী আন্দোলনো কেৱল মাত্ৰ বিদেশী বস্তু বৰ্জন নাছিল, তেওঁলোকৰ স্বদেশী আন্দোলন উদ্বুদ্ধ হৈছিল জাতীয় চেতনা, গভীৰ দেশাত্মবোধ আৰু নিজৰ কৃষ্টি সংস্কৃতিৰ প্ৰতি থকা প্ৰেমানুভূতিৰে।

আমি ভাৰতীয় সকলে আজি নিজৰ চহকী কৃষ্টি-সংস্কৃতি, বৈদিক সভ্যতা, জাতীয় অৰ্থনীতি আদিৰ বিষয়ে সঠিক খবৰ ৰাখিছোনে? মনুস্মৃতি, শুক্ৰনীতি, যাজ্ঞবল্ক্য, সংহিতা বা কৌটিল্যৰ অৰ্থ শাস্ত্ৰ সম্পৰ্কে চৰ্চা কৰোনে? কিন্তু কৌটিল্যৰ অৰ্থ শাস্ত্ৰ বৰ্তমান বিদেশৰ কিছু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম। আনৰ উৎকৃষ্টখিনি গ্ৰহণ কৰাত কাৰো আপত্তি থাকিব নোৱাৰে, কিন্তু বিদেশৰ বুলিয়ে যিহকে তিহকে গ্ৰহণ কৰাটো বা নিজৰ চহকী সভ্যতা সংস্কৃতি পাহৰি পৰনিৰ্ভৰশীল হোৱাটো নিশ্চয়ে কাৰো বাবে শোভনীয় হব নোৱাৰে।

আহক, আমি সকলোৱে আচাৰে - ব্যৱহাৰে, পোচাকে - পৰিচ্ছদে, মনে- প্ৰাণে, আৰ্থিক, সামাজিক, ভাষা-কৃষ্টি আদি সকলো দিশেৰে ভাৰতীয় হওঁ। নিজৰ ভৰিত নিজে ঠিয় হব নোৱাৰিলে বা আত্ম নিৰ্ভৰশীল হব নোৱাৰিলে এই বিশ্বত নিজৰ চিনাকি হেৰুৱাবলৈ বেছি সময় নালাগিব।

এইখিনিতে তলত দেশীয় কোম্পানী আৰু বিদেশী কোম্পানী সমূহৰ দ্বাৰা উৎপাদিত নিত্য ব্যৱহাৰ্য্য সামগ্ৰী সমূহৰ তালিকা এখন দিয়া হ'ল। দেশীয় কোম্পানীসমূহৰ দ্বাৰা উৎপাদিত সামগ্ৰী ব্যৱহাৰ বৰ্জন কৰি আমি বিদেশী সাম্ৰাজ্যবাদী অৰ্থনীতিৰ হাতোৰাৰ পৰা নিজকে ৰক্ষা কৰিব পাৰো লগতে দেশীয় কোম্পানী সমূহক উৎসাহিত কৰি দেশৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিত সহায় কৰিব পাৰোঁ। এইটোৱে হব স্বদেশী আন্দোলনৰ সৰ্বোত্তম উপায়। ব্যৱহাৰিক জীৱনৰ প্ৰয়োজনীয়তাৰ দাবীত আমি বাৰু লংপেণ্ট- চাৰ্টেই পিন্ধিম, কিন্তু সেই লংপেণ্ট-চাৰ্ট প্ৰস্তুত কৰিব লাগিব আমি নিজেই, অৰ্থাৎ দেশীয় কোম্পানী সমূহে। উচ্চ প্ৰযুক্তি বিজ্ঞান যি আমাৰ দেশত নাই তাক বিদেশৰ পৰা আমদানি কৰাত আপত্তি কৰিব লগীয়া একো নাই। কিন্তু সাধাৰণ স্ক্ৰু ডাইভাৰ, আলুৰ চিপ্‌চ, বিলাহীৰ জেলি, মৰ্টন, চকলেট, চাবোন, তেল, দাঁত ঘঁহা পাউদাৰ আদিৰ বাবে যদি অন্য দেশৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয় তেন্তে তাৰ সমান লাজৰ কথা এখন দেশৰ বাবে কি থাকিব পাৰে?

**স্বদেশী কোম্পানীৰ দ্বাৰা উৎপাদিত**

**বিদেশী কোম্পানীৰ দ্বাৰা উৎপাদিত**

<u>গা - ধোৱা চাবোন আৰু পাউদাৰ</u>

নিৰমা, নিম, মাৰ্গো, স্বস্তিক, মাইশুৰ চেন্দেল, উইপ্ৰ, চিকাকাই, চন্দ্ৰিকা, আফ্‌গান বিউটি, নিৰমা বাথ, হিমানী, (ভাৰতীয়)

পামোলিভ, পণ্ডচ, জনচন, ক্লিয়াৰেচিল, ডেটল, নিম, হামাম, চন্দন, জেচমিন, জয়মতি, অ'কে, গডৰেজ, প্ৰক্টৰ এণ্ড কেম্বল আৰু হিন্দুস্তান লিভাৰৰ সকলো চাবোন।

<u>কাপোৰ ধোৱা চাবোন - পাউদাৰ - নীল</u>

নিৰমা, জনতা, বিমল, হিপোলিন, ৫৫৫, প্লচ ময়ুৰ, নিৰ্মল, মোদী, সসা, বুলেট, হিৰো, ম্যাগনাম, আধুনিক ব্লুবাৰ্ড, ৰতন, উজলা, সোনা। (ভাৰতীয়)

এৰিয়েল, চেক, গডৰেজ, চাৰ্ফ, হিন্দুস্তান লিভাৰৰ সকলো চাবোন। ৰবিন ব্লু।

<u>টুথপেষ্ট পাউডাৰ ব্ৰাছ</u>

বাবুল, প্ৰুডেন্ট ক্লাচিক, ডিলাক্স, ৰিকো, চেজে, নিম, অজন্তা, বৈদ্যনাথ, গাইচাপ, ডঃস্ট্ৰং ডাবৰ, অজয়, প্ৰমিজ (ভাৰতীয়)

কলগেট, ফৰহেন্স, চিবাকা, ক্লোজআপ, পেপচোডেন্ট, চিগনেল, প্লিমএপো ফাৰ্ম

<u>চেভিং ক্ৰিম - ব্লেড</u>

আফগান, ইমামী, চুপাৰ, পোলচাৰা, চুপাৰমেক্স, টপাজ, লেজাৰ, চিলভাৰ প্ৰিন্স, বিজন, ডিলাক্স, ভাৰত (ভাৰতীয়)।

পামোলিভ, অল্ডস্পাইচ, নেভিয়া, পণ্ডচ, মেন্থল, চেভেন অ'ক্লক, বিলমন ৰিপ্টেজ, ইৰেচমিক।

<u>প্ৰসাধন সামগ্ৰী, তেল</u>

ইমামী, আফগান, লেকমি, বৰ'প্লাচ, নিম, তুলসী, আৰ্ণিকা, ডাবৰ বৰ'লিন, বৰ'কেলেণ্ডুলা, ৰিকো, হাৰ্বি, লেভেণ্ডাৰ, কেয়োকাৰ্পিন, শালিমাৰ, পেৰাচুট, কেণ্ঠাৰাইডিন, হেয়াৰ কেয়াৰ, অমলা, জবা কুসুম, লক্ষীবিলাস, হিমতাজ, মহাভৃঙ্গ ৰাজ ওয়েচিচ, বনফুল। (ভাৰতীয়)।

চাৰ্মচ, জনচন, নেভিয়া, পণ্ডচ' অল্ড স্পাইচ, ক্লিয়াৰেচিল, ৰিলক্ৰিম, ফেয়াৰ এণ্ড লাভলী, ভেলভেট, মেডিকেয়াৰ, নাইচিল, লিৰিল, চিন্থল।

<u>চাহ-কফি</u>

অসমটি, বেঙ্গলটি, ব্ৰহ্মপুত্ৰ, ৰেডহৰ্ণ, ব্লুকহৰ্ণ, গোলাঘাট, গ্ৰীণ ভেলী, গুৰুকুল, চচাইটি, ৰায় এণ্ড কোম্পানী, টাটা, ইণ্ডিয়ান কফি, (ভাৰতীয়)।

ব্ৰুকবণ্ড, তাজমহল, ৰেডলেভেল, লিপ্টন, গ্ৰীণলেবেল, টিটপ, নেচকেফে, নেচলে, গল্ড, টাইগাৰ, ডায়মণ্ড।

<u>বিস্কুট -ব্ৰেড-চকলেট গাখীৰ</u>

পাৰ্লে, আমোল, জুপিটাৰ প্ৰিয়া, শালিমাৰ, স্বাদ, সেনকো, উইনাৰ, সোবিস্কো, পৰশ, মাল্টোভা, নিউট্ৰামল, ভিভা, পপিনস্, বি. এম. পি. ইণ্ডানা. স্বপন, মধু, স্থানীয় উদ্যোগৰ উৎপাদিত বিস্কুট আদি। ইনডানা, অমূল্য, মিল্কেকয়ৰ (ভাৰতীয়)।

নেচলে, কেডবেৰী, বৰ্ণভিতা, হৰলিক্স, বুষ্ট, ককপ্লান, মিল্কমেইড, ফেৰেক্স, অনিকস্প্ৰে, মেগী. গ্লুকুজ ডি, চি, ই, নেচ্প্ৰে, ফেৰেক্স, এভাৰেডি, গল্টকো।

<u>খোৱা তেল</u>

গডৰেজ, চানফ্লাৱাৰ, মাৰুতি, পোষ্টম্যান, গগন, ভাইটাল, গনেশ, অমৃত, গোপী, হনুমান, তৃপ্তী (ভাৰতীয়)।

ডালডা, ক্ৰিষ্টল, সোয়াৰিফাইন, লিপ্টা।

<u>শীতল পানীয় আৰু আইচ ক্ৰীম</u>

থামস্আপ, লিমকা গোল্ডস্পট, মাজা, সিট্ৰা, পাৰ্লে, ৰসনা, কোয়ালিটি, জয়, দিশা, ফ্ৰুটি, (ভাৰতীয়)।

লেহৰ পেপচি, চেভেন আপ, টীম, মিৰাণ্ডা, কোকাকোলা, মেকডুৱেল, পেপ্চিকোলা, কেডবৰী, নাইস, ডোলপ্।

<u>বৈদ্যুতিক সৰঞ্জাম ফ্ৰিজ- বেটাৰী- টৰ্চ-টিভি ৰেডিঅ'</u>

বেঙ্গল লেম্প, বাজাজ, মাইশূৰ, সীমা, সূৰ্য, প্ৰকাশ, অ্যাঙ্কৰ, অশোক, অৰুণ, ওৰিয়েণ্ট, উষা, খৈতান, পোলাৰ, সন্তোষ, কেল্টন, শক্তি, জীপ, বি. পি. এল., ক্ৰম্পটেন, সিনী ইউনিক্ৰাচ্, অনুপম, কোহিনুৰ, ইউনিভাৰচেল, তাৰা, গডৰেজ, অস্কাৰ, নেলকো, কেলট্ৰন, ট্ৰেকসলা, আপট্ৰন টেলেৰামা, কোনাৰ্ক, ওয়েবল (ভাৰতীয়)।

জি. ই. চি., ৰেলীজ, ফিলিপচ, সোনী, নেচনেল, টি জী. কে. এভাৰেডি, কেলভিনেটৰ, অনিডা ............

<u>ঘড়ী - পেইন</u>

এইচ. এম. টি, টাইটান, উইলচন, কেম্লীন, ডেল্টা, চিকো ৰোমাৰ, ওয়েষ্টান ওৱাচ (ভাৰতীয়)।

পাইলট্, উইংচান, ৰেনাৰ্ল্ড, পাৰ্কৰ,

<u>কাপোৰ - জোতা</u>

খাদী, অন্য স্থানীয় সকলো কাপোৰ, লিবাৰটি, লাখানী, ভাৰতলেডাৰ, ফ্লেক্স, কেৰোনা খাদিম, ডাকবেগ, ৰূপা, শ্ৰী লেডাৰ, ৰায়পুৰিয়াচুজ, একচন (ভাৰতীয়)।

এডিডাচ্, বেঙ্গলাৰজিৰ, পাৱাৰ, লুই ফিলিপ, ডানহুচেইন, বাটা, পাৱাৰ, চেৰী ব্লাসম বি. এচ. চি. কিবিচু পলিচ।

<u>টায়াৰ</u>

বিক্ৰম, জে. কে. মোদী, বিড়লা, হিৰো, এম. আৰ. এফ. সাহনী (ভাৰতীয়)।

পিয়োমা, ডানলোপ, গুডইয়াৰ, চিয়েট। 📖

***সম্পাদকৰ টোকা ঃ প্ৰবন্ধটো ৰাজগত প্ৰাসংগিক হ'ব বুলি তালিকাখন ৰছপোৱা হ'ল। ইয়াৰদ্বাৰা নিশ্চয় পাঠক সমাজ উপকৃত হ'ব।***

*ৰজীব বায়ন স্নাতক ৩য় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ।*

# দৰ্শনৰ মণি মুকুতা

ড° জগদীশ পাটগিৰী

দৰ্শন হ'ল সুদীৰ্ঘ মানৱ জীৱনৰ ইতিহাসৰ অবিস্মৰণীয় ফচল। এখন দেশৰ সভ্যতা আৰু সংস্কৃতিৰ উত্তম সাৰ খিনিয়েই হ'ল দৰ্শন। দৰ্শনৰ গুৰি কথা জানিবলৈ হ'লে আমি অতীত হৈ যোৱা মানৱ ইতিহাসৰ পৃষ্ঠা লুটিয়াবই লাগিব। প্ৰাক্ ঐতিহাসিক যুগৰ মানুহৰ বিষয়ে যদিও আমাৰ জ্ঞান সীমিত, বৰ্তমানৰ অধ্যয়ন গৱেষণাই কিন্তু পাঁচ-ছয় হেজাৰ বছৰীয়া প্ৰাচীন গ্ৰীক ৰোমান, মিছৰ, ইজিপ্ত, ভাৰত আৰু অন্যন্য দেশৰ বিষয়ে বহুতো তথ্য দাঙি ধৰাত আমাৰ জ্ঞানৰ পৰিধি ব্যাপক হৈছে। এই দেশ সমূহৰ প্ৰাচীন চিন্তাধাৰাৰ পৰাই বৰ্তমান সকলোদেশৰ বৈজ্ঞানিক আৰু দাৰ্শনিক ভেঁটি নিৰ্মাণ হৈছে। মানুহৰ চিন্তাধাৰাও দিনে দিনে গাঢ় আৰু চহকী হৈ আহিছে। ফলত মানুহে জীৱন, জগত, জগতৰ অন্তৰ্নিহিত শক্তি তথা সামৰ্থৰ ব্যাখ্যাও বিভিন্ন স্তৰৰ মাজেদি দিবলৈ অহৰহ চেষ্টা চলাই আছে। ধ্ৰুপদী আৰু মধ্যযুগীয়া দৰ্শনৰ পুনৰ ব্যাখ্যা, বিশ্লেষণ আৰু পৰীক্ষা নিৰীক্ষাৰ মাজেৰেই আধুনিক দৰ্শনৰ ভিত্তিভূমি তৈয়াৰ হৈছে।

আধুনিক মানুহ বিভিন্ন ধাৰণা, প্ৰত্যয় আচাৰ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃ প্ৰোত ভাবে যুক্ত। কিন্তু প্ৰাচীন মানুহৰ ধ্যান-ধাৰণা আধুনিক মানুহৰ তুলনাত বিপৰীত আছিল। আজি আমাৰ বাবে থিবোৰ কোনো সমস্যাই নহয়, প্ৰাচীন মানুহৰ বাবে সেইবোৰেই অজ্ঞেয় সাঁথৰ আছিল। পৃথিবীয়ে সূৰ্য্যৰ চাৰিওফালে ঘূৰে, গ্ৰহ নক্ষত্ৰৰ আকৰ্ষণৰ বাবেই জোৱাৰ-ভাটাৰ সৃষ্টি হয়- ইত্যাদি ঘটনা- উপঘটনাসমূহ সাধাৰণ মানুহৰ বাবেও বৰ্তমান স্পষ্ট, কিন্তু এইবোৰ প্ৰাচীন অথবা মধ্য যুগৰ মানুহৰ বাবেও দুৰ্বোধ্য আছিল। যথাৰ্থতে আজিৰ মানুহে যি ধাৰণা, প্ৰত্যয়, পৰম্পৰা বিশ্বজগত সন্দৰ্ভত গ্ৰহণ কৰিবলৈ সমৰ্থবান হৈছে -- সেই আটাইবোৰেই শ্ৰম আৰু অসীম কষ্টেৰে অৰ্জন কৰিছে প্ৰাচীন বুৰঞ্জীৰ বিভিন্ন স্তৰৰ মাজেদিহে। আধুনিক মানুহৰ আৰ্জিত জ্ঞানৰ অমৃত ভাণ্ডাৰ অতীতৰ বুৰঞ্জী ধূসৰিত অশ্ৰু আৰু ঘামৰ বন্যাৰে বোৱা বীৰদীপ্ত মৃত্যুহীন সংগ্ৰামৰ সোণালী পৰিণতি। আমাৰ পূৰ্বপুৰুষ সকলে সঞ্চিত কৰা জ্ঞান বৃক্ষৰ অমূল্য সম্পত্তি উত্তৰাধিকাৰ সূত্ৰে আমি মাথোন ধুই, সাঁচি যুগোপযোগী কৰি লৈছোঁ। আগৰ পুৰুষে ৰুই যোৱা গছৰ ফল আধুনিক মানুহে মাথোন তৃপ্তিৰে খাইছোঁ।

আলোচিত কথাখিনিৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে, আধুনিক জীৱনৰ বিভিন্ন দিশ যেনে দৰ্শন, বিজ্ঞান, প্ৰযুক্তিবিদ্যা, শিল্পতত্ব, অধিবিদ্যা, ভূতত্ব, নৃতত্ব, ৰাজনীতি, সমাজনীতি, সংস্কৃতি, ৰসায়ন, প্ৰাণীবিদ্যা, পদাৰ্থ বিদ্যা ইত্যাদি অধ্যয়নৰ বাবে মানৱ চিন্তাধাৰাৰ ইতিহাস অধ্যয়ন অতীৱ প্ৰয়োজন। মানৱ চিন্তাধাৰাৰ ইতিহাসেই দাৰ্শনিক চিন্তাধাৰা অথবা দৰ্শনৰ ইতিহাস। দৰ্শনৰ ইতিহাসে আমাক বিভিন্ন যুগত ভিন ভিন স্তৰৰ মাজেদি কেনেদৰে মানুহৰ চিন্তা - চেতনাৰ ক্ৰম বিকাশ হৈছে সেই বিষয়ে জানিবলৈ দিয়ে। দৰ্শনৰ ইতিহাসৰ এনেকুৱা বোধে (understanding) আমাৰ সম-সাময়িক জীৱনধাৰাক নতুন ৰূপত আৱিষ্কাৰ কৰাত প্ৰচুৰ ইন্ধন যোগায়। ইয়াৰ উপৰি এনেকুৱা বোধে বিশ্বপ্ৰকৃতিৰ অন্তৰালত থকা মৌলিক নীতিসমূহৰ ওপৰত থকা আমাৰ নৈমিত্তিক ধাৰণা আৰু প্ৰত্যয়সমূহো জাগ্ৰত কৰি তোলে। দ্বিতীয়তে দৰ্শনৰ ক্ৰমবিকাশৰ ইতিহাসৰ অধ্যয়নে জীৱজগত, তথা সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ড আৰু জীৱনৰ ওপৰত এটা সুস্পষ্ট নীতি গঢ়ি তোলাত আমাক প্ৰচুৰ সহায় কৰে। দৰ্শনৰ ইতিহাস বিশাল মূল্যবান সামগ্ৰীৰ ভড়াল। চিন্তাশীল লোক সকলে সেই ভড়ালৰ পৰা অসংখ্য মণি - মুকুতা বুটলি নিজে প্ৰজ্ঞাৰে আলোকিত হোৱাৰ উপৰিও সমাজ, ৰাষ্ট্ৰ, দেশ তথা আৰ্ন্তজাতিক জগতক দীপ্তিমান কৰি তোলে।

দৰ্শন হ'ল সত্যৰ প্ৰতি অনুৰাগ। সকলো সত্য অন্তৰ্ভুক্ত জ্ঞানৰ ভাণ্ডাৰ; য'ত সকলো সত্য এক মহান অখণ্ডতাৰ ভিতৰত সুবিন্যস্ত। দৰ্শন হ'ল বিশ্বজগতৰ সামগ্ৰিক সমস্যাৰাজি বুজিবলৈ কৰা প্ৰচেষ্টা। সত্য জ্ঞান লাভেই যিহেতু দৰ্শনৰ মূল উদ্দেশ্য, সেইবাবে ভাৰতীয় সাহিত্যত ইয়াক darsana বা vision of truth বুলি কোৱা হৈছে। 'দৰ্শন' শব্দটো সংস্কৃতৰ পৰা আহিত যাৰ অৰ্থ দেখা। সংস্কৃত, দেশ্' ধাতুৰ পৰা লোৱা। দৰ্শন শব্দৰ অৰ্থ দেখা যদিও এই দেখা আমাৰ চৰ্ম চকুৰে দেখা নহয়। দৰ্শন মানে তত্ব দৰ্শন, জগত আৰু জীৱৰ স্বৰূপ উপলব্ধি অৰ্থাৎ সত্যৰ প্ৰত্যক্ষ উপলব্ধি। যিসকলে সত্যক প্ৰত্যক্ষ ভাৱে দেখিছে অৰ্থাৎ উপলব্ধি কৰিবলৈ সক্ষম হৈছে ভাৰতীয় পৰিভাষাত তেওঁহে দাৰ্শনিক। প্ৰাচীন কালত ব্ৰহ্মজ্ঞান প্ৰাপ্ত ঋষি মুনি সকলক তত্বদৰ্শী বোলা হৈছিল। এই তত্বদৰ্শী শব্দটোৱে ইংৰাজীত seer ক বুজায় যাৰ অৰ্থ 'oxford dictionary' এনেদৰে দিছে "prophet, persen who seer visions persion of preternatural insight as ragards the future" ঈশ্বৰৰ ইচ্ছাক ব্যাখ্যা কৰাই হ'ল (prophet) যথা হজৰত মহম্মদ হল এজন প্ৰফেট। আনহাতে ইংৰাজী (philosophy শব্দটো 'philos' আৰু sophia') নামৰ গ্ৰীক শব্দটোৰ পৰা আহিছে। (philos) শব্দৰ অৰ্থ হ'ল অনুৰাগ আৰু sophia মানে হল জ্ঞান অৰ্থাৎ philosophy মানে হ'ল জ্ঞানৰ প্ৰতি অনুৰাগ বা জ্ঞান তৃষ্ণা আমাৰ দেশত 'দৰ্শন আৰু (philosophy) দুয়োটা শব্দই সাধাৰণতে সমাৰ্থক হিচাপে ব্যৱহৃত হৈ আহিছে যদিও দুয়োটাৰ মাজত কিছু প্ৰভেদো বিদ্যমান। দৰ্শনে সমগ্ৰ জীৱন আৰু জগতকে এক বিশেষ

দৃষ্টিৰে নিৰীক্ষণ কৰি তাৰ এক সুষম সমন্বয় সাধনৰ চেষ্টা কৰে আৰু জীৱন আৰু জগতৰ অন্তৰ্নিহিত স্বৰূপ ব্যাখ্যা কৰে। philosopher হ'ল প্লেটোৰ ভাষাত "সৰ্বকালৰ দ্ৰষ্টা (he is the spectator of all time and existence)। অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ বিষয়ে এটা সামগ্ৰিক সৰ্বজন গ্ৰাহ্য দৃষ্টি গ্ৰহণ কৰিবলৈ তেওঁ সক্ষম। weber ৰ ভাষাত দৰ্শন মানে প্ৰকৃতিৰ সামগ্ৰিক দৃষ্টিলাভৰ অনুসন্ধান আৰু সাৰ্বিক ব্যাখ্যা দানৰ প্ৰচেষ্টা। "It is the search for a comprchensive view of nature, an attempt at a uriversal explanation of things.(Histary of philosophy, page-1)"

পাশ্চাত্য দৰ্শনৰ ইতিহাসত আমি মূলতঃ চাৰিটা ধাৰণা পাওঁ। প্ৰথম ধাৰণা অনুসৰি দৰ্শন হ'ল বিজ্ঞানৰ প্ৰবচন (Proposition) সমূহৰ ওপৰত যুক্তি পূৰ্ণ বিশ্লেষণ (logical analysis of the propositions of science)। চতুৰ্থ ধাৰণা অনুসৰি দৰ্শন হ'ল অধিবিদ্যা বা তত্ত্বৰ যথাৰ্থতা (Metaphysic of reality)। চতুৰ্থ ধাৰণাটোৰ লগত যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়। পূৰ্বতেই উল্লেখ কৰা হৈছে যে ভাৰতীয় দাৰ্শনিক সকলৰ মতে দৰ্শন হ'ল পূৰ্ণসত্যক উপলব্ধি (dirbct expenence or vision of the aesotuts truth) কৰা বিদ্যা। দৰ্শনৰ ধাৰণাত বহুতো মতবাদ গঢ়ি উঠিছে যদিও প্ৰতিটো মতেই যে নিখুঁত অথবা স্বয়ংসম্পূৰ্ণ নহয়। প্ৰত্যেকটো মতবাদ বে কৰবাত নহয় কৰবাত ত্ৰুটি ৰৈ গৈছে। কিন্তু বিভিন্ন দৰ্শন শাস্ত্ৰৰ গৱেষক সকলে সম্প্ৰতি নিমোক্ত কথাখিনিত প্ৰায় একমত। দৰ্শন চিন্তাৰ বিষয়। প্ৰত্যেকটো মতবাদ কৰবাত নহয়, কৰবাত ত্ৰুটি ৰৈ গৈছে। কিন্তু বিভিন্ন দৰ্শন শাস্ত্ৰৰ গৱেষক সকলে সম্প্ৰতি নিমোক্ত কথাখিনিত প্ৰায় একমত। দৰ্শন চিন্তাৰ বিষয়। প্ৰত্যেক দাশনিকে বিভিন্ন দৃষ্টি কোণৰ পৰা জগত জীৱন সন্দৰ্ভত গভীৰ ভাৱে চিন্তা চৰ্চা কৰে আৰু উপযুক্ত ভাৱ, অনুভূতি, প্ৰজ্ঞা তথা যুক্তিৰে বিষয়ৰ লগত যুক্ত সমস্যাৰ ব্যাখ্যা দান কৰে। দাৰ্শনিক চিন্তা অতিশয় জটিল। চক্ৰেটিছ, প্লেটো, এৰিষ্টোটল, ডেকাৰ্টে, হিওম, কাণ্ট, হেগেল, শ্বোপেন হাৱাৰ, ৰাছেল, উইটগেনইটাইল, জ্জটি প্ৰমুখ্যে দাৰ্শনিক সকলে দুৰ্গম কণ্টকাকীৰ্ণ পথ অতিক্ৰমি জগত জীৱনৰ সমস্যা সমূহৰ সমাধানকল্পে সস্তীয়া ভাবাবেগৰ স্থান নাই। বৈজ্ঞানিক আৰু লৌকিক তত্বসমূহ দাৰ্শনিকে গভীৰভাৱে পৰ্যালোচনা কৰি নিৰ্দিষ্ট চিন্তাৰ পথৰে আগবাঢ়ে দাৰ্শনিক পদ্ধতি যুক্তিসংগত (logical) দাৰ্শনিকৰ দৃষ্টিভংগী জগতজোৰা (synoptic)। জগতৰ অন্তৰালত থকা পৰম সত্বাক গভীৰ ভাৱে উপলব্ধি কৰাৰ বাবে দাৰ্শনিকে চেষ্টা কৰে জগতৰ মূল সত্বা, পদাৰ্থ, আত্মা, সংসাৰৰ স্বৰূপ, জীৱৰ অৰ্থ, জীৱৰ সংসাৰত স্থান, উদ্দেশ্য, জীৱনৰ চৰম মূল্য ইত্যাদি বিভিন্ন সমস্যা দৰ্শনতযুক্তি পূৰ্ণভাৱে আলোচিত হয়। দৰ্শন হ'ল জীৱনৰ এটা যুক্তি পূৰ্ণ প্ৰতিফলন (phiosophy is the rational reflection on life) বা জীৱনৰ সমালোচনা। (philosophy is the criticisim of life) দৰ্শনে জীৱনৰ স্বৰূপ, অৰ্থ, উদ্দেশ্য আৰু ভাগ্যৰ অনুসন্ধান কৰে। মূল্য আৰু তাত্বিক দুয়োদিশৰ ফালৰ পৰাই দৰ্শনে জীৱনৰ বাখ্যা দান কৰে। জীৱন আৰু জগতৰ মাজত সুসমন্বয় স্থাপন কৰি চৰম আদৰ্শ দান কৰে। বৰ্তমান দৰ্শন সম্পূৰ্ণৰূপে মানৱ কেন্দ্ৰীক। মানুহৰ ইচ্ছা, স্বাধীনতা, আকাঙ্খা এইবোৰেই দৰ্শনৰ প্ৰধান আলোচ্য বিষয়। হাৱোৱে দাৰ্শনিকৰ প্ৰকৃত কাৰ্য্য সন্দৰ্ভত কোৱা কথাখিনি এইক্ষেত্ৰত উল্লেখ যোগ্য "To be a philosopher is not merely to have subtle thoughts. nrr eveo to found a school, but so to love wisdom as to live, according to it's dictates, a life of simplicity, independence mananimity and trust " ইয়াৰ দ্বাৰা "এইটোৱে বুজায় যে যদি দৰ্শন জীৱনৰ পূৰ্ণতা আৰু প্ৰকাশৰ বাহক তেতিয়া হ'লে ই মৃত অতীত বা চিন্তাৰ তুচ্ছতা অথবা ওপৰ ভাগৰ চামনি অথবা অৱভাসৰ অস্পষ্ট ছিটিকনিয়ে নহয়, বৰং দৰ্শন হ'ল মাটিৰ গভীৰ তলিলৈকে প্ৰসাৰিত আত্মাৰ সনাতন জ্যোতি। গতিকে "A philosopher is a beares of the trust which will not only exnable him but also is bound to edify mankind for whom he bears it." 🕮

*ডঃ জগদীশ পাটগিৰী, মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ এগৰাকী অধ্যাপক।*

# মৃচ্ছকটিকম্ এখন কালজয়ী নাটক এটি আলোচনা

গায়ত্ৰী ভৰালী

যিকোনো সাহিত্য কৰ্ম কালজয়ী হ'বলৈ হ'লে, তেনে সাহিত্যকৰ্মই সৃষ্টি কালৰে পৰা ধৰি অনাগত যিকোনো কাললৈকে সকলো ৰসগ্ৰাহীৰ হৃদয় জয় কৰিবলৈ সমৰ্থ হ'ব লাগিব। বিশ্ব সাহিত্যত অলেখ কালজয়ী সাহিত্যৰ সৃষ্টি হৈ মানুহৰ মাজত প্ৰকৃত মানৱতাবোধৰ উন্মেষ ঘটাই আহিছে। যান্ত্ৰিক সভ্যতাই মানৱ হৃদয় মৰিমূৰ কৰিবলৈ চলাই অহা দুৰ্দমনীয় গতিক সাহিত্যৰ স্থিতপ্ৰজ্ঞাই গিৰিৰাজ হিমালয়ৰ দৰেই ভেটা দি শান্তিৰ মন্দাকিনী সোঁত চিৰ প্ৰৱাহমান কৰি আহিছে।

মেক্‌লে চাহাবে ভাৰতীয় সাহিত্যক এটা 'আলমিৰাৰ দুটা চেল্‌ফ'তে সীমাবদ্ধ কৰিব পাৰি বুলি মন্তব্য কৰিলেও, গুণগত দিশৰ পৰা সেই সাহিত্য হনুমানৰ নেগুৰ দাঙিব নোৱাৰাৰ দৰেই অত্যন্ত গধুৰ। ভাস, কালিদাস ভৱভূতি, শূদ্ৰক আদি মহাকবি, নাট্যকাৰ সকলে কালজয়ী অমৰ সাহিত্যৰে ভাৰতীয় সাহিত্যক অমৰ কৰাৰ লগতে বিশ্ববাসীলৈ মেটমৰা অৱদান দি গৈছে।

মহাকবি কালিদাসৰ প্ৰৱল ব্যক্তিত্ব ভাৰতীয় নাট্যজগতত সূৰ্য্যৰ দৰেই প্ৰভাৱশালী হলেও, শৰতৰ শুভ্ৰ জ্যোৎস্নাৰ দৰে আন ভালেমান নাট্যকাৰেও স্বমহিমাৰে বিকশিত হৈ গৈছে। ৰজা শূদ্ৰক তেনে এজন অমৰ নাট্যকাৰ আৰু তেওঁৰ ৰচিত নাটককেইখনৰ ভিতৰত 'মৃচ্ছকটিকা' নিঃসন্দেহে কালজয়ী নাটক। মহাকবি কালিদাসৰ শকুন্তলাৰ নাটকীয় কাহিনীয়ে স্বৰ্গ মৰ্ত্ত্য সমানে বিচৰণ কৰিছে; কিন্তু শূদ্ৰকৰ মৃচ্ছকটিকা নাটকৰ কাহিনীয়ে মাটিৰ বুকুতে থাকি মাটিৰ মানুহৰ প্ৰেম-প্ৰীতি, হিংসা, দ্বেষ, ক্ষমতাৰ টনা আজোৰাৰ বাস্তৱ সন্মত চিত্ৰ দাঙি ধৰিছে। ভাবিলে আচৰিত লাগে, আনুমানিক খৃষ্টাব্দৰ প্ৰথম শতিকাতে ৰচনা কৰা শূদ্ৰকৰ মৃচ্ছকটিকাৰ কাহিনীভাগ পঢ়ি যোৱাৰ লগে লগে কুৰি শতিকাৰ পৰা ক্ৰমে একৈশ শতিকাৰ ফালে অগ্ৰসৰ হোৱা সমাজখনৰ যেন এক হুবহু ৰূপ ফুটি উঠিছে।

উজ্জয়িনীত চাৰুদত্ত নামৰ এজন সজচৰিত্ৰৰ শ্ৰেষ্ঠ ব্ৰাহ্মণ সদাগৰ আছিল। তেওঁ যিদৰে সম্পত্তি উপাৰ্জন কৰিছিল, তাতকৈ বেছিকৈ দান কৰি সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হলেও ক্ৰমে দৰিদ্ৰ হৈ গৈছিল। এটাসময়ত তেওঁৰ ব্যক্তিত্ব, মহাসতী পত্নী, শিশুপুত্ৰ, এগৰাকী পৰিচাৰক, এগৰাকী পৰিচাৰিকা আৰু সুখ-দুখৰ লগৰীয়া সত্ৰেয় নামৰ বন্ধুজনৰ বাহিৰে কোনো নাথাকিল। বসন্তসেনা নামৰ নগৰৰ শ্ৰেষ্ঠা, অতীবসুন্দৰী আৰু সম্পদশালী গণিকা গৰাকীয়ে চাৰুদত্তৰ ব্যক্তিত্বত মোহগৈ তেওঁক জীৱন লগৰী কৰি পাবলৈ বিচাৰি, এদিন সন্ধ্যা সেই উদ্দেশ্যে গৈ থাকোতে সেই দেশৰ ৰজা পালকৰ খুলশালিয়েক শকাৰে তেওঁক খেদি গ'ল। বসন্তসেনাই চাৰুদত্তৰ ঘৰত সোমাই নিজৰ অলংকাৰসমূহ চাৰুদত্তক দি তেওঁক ঘৰত থৈ আহিবলৈ কয়। বসন্তসেনাৰ পৰিচাৰিকা এগৰাকীক বিয়া কৰাবলৈ মন কৰি শৰ্বিলক নামৰ ব্ৰাহ্মণ যুৱকে চাৰুদত্তৰ ঘৰত চুৰ কৰি বসন্তসেনাৰ অলংকাৰ সমূহ প্ৰেয়সীক দিয়েগৈ। পৰিচাৰিকাই অলংকাৰ চিনি পাই বসন্তসেনাক দিয়ে। বসন্তসেনাই পৰিচাৰিকা গৰাকীৰ মনৰ ভাৱ বুজি সৰ্বিলাক চমজি দিয়ে। চাৰুদত্তৰ পত্নী ধূতাদেৱীয়ে স্বামীৰ কলংক মোচনৰ কাৰণে নিজৰ হাড়দাল বসন্তসেনালৈ পঠায়। বসন্তসেনাৰ প্ৰেমানুৰাগ অধিক তীব্ৰ হয়। সালাংকৃতা বসন্তসেনা চাৰুদত্তৰ ঘৰত আলহী হৈ থাকোতে চাৰুদত্তৰ পুতেকে মাটিৰ গাড়ীৰ পৰিবৰ্তে সোণৰ গাড়ী লাগে বুলি কন্দাশুনি সোণৰ গাড়ী কৰিবলৈ নিজৰ অলংকাৰ ল'ৰাটোক দি দিয়ে। নাটকৰ নামো তাৰ পৰাই হয়।

আন এদিন পূৰ্ব আলোচনা মতে চাৰুদত্তই বসন্তসেনাক পুষ্পকাৰণ্ড উদ্যানত লগ পাবলৈ তেওঁৰ গৰু গাড়ীখন গাড়োৱানৰ হাতত পঠাই বাট চাই থাকিল । যানজোঁটৰ (Trafic Jam) কাৰণে বসন্তসেনাই ভুলক্ৰমে শকাৰৰ গাড়োৱানে চলোৱা গাড়ীত উঠি উদ্যানলৈ গ'ল। তাত ৰৈ থকা শকাৰে অভাৱনীয়ভাৱে বসন্তসেনাক পাই প্ৰেম নিৱেদন কৰি ব্যৰ্থ হৈ ডিঙি চেপি, মৰিল বুলি ভাৱি গছ পাতেৰে ঢাকি থৈ আহি, বিচাৰালয়ত চাৰুদত্তই অলংকাৰৰ লোভত বসন্তসেনাক হত্যা কৰিলে বুলি গোচৰ দিয়ে। গোচৰৰ বিচাৰত চাৰুদত্তক মৃত্যুদণ্ড বিহা হ'ল।

সেইসময়তে আৰ্য্যক নামৰ এজন বিদ্ৰোহী যুৱকে শাৰ্বিলক আদি সহযোগী সকলৰ সহায়ত ৰজা পালকক হত্যাকৰি সিংহাসনৰ অধিকাৰী হয়। আৰ্য্যকে চাৰুদত্তক মুক্ত কৰি সেই অংশৰ শাসক পাতি, বসন্তসেনাৰ লগত বিয়াত সন্মতি দিয়ে। এজন বৌদ্ধ ভিক্ষুৱে বসন্তসেনাক আৰোগ্য কৰে। শকাৰক বন্দী কৰি চাৰুদত্তৰ ওচৰলৈ আনি বধ কৰিবলৈ অনুমতি দিবলৈ সকলোৱে প্ৰাৰ্থনা কৰে যদিও মহানুভৱ চাৰুদত্তই শকাৰক ক্ষমা কৰি মুক্ত কৰে। চাৰুদত্তৰ মৃত্যুদণ্ডৰ কথা শুনি পতিপ্ৰাণা ধূতাদেৱীয়ে চিতা সাজি সতী যাবলৈ উদ্যত হওতেই সকলোৱে আহি ৰক্ষা কৰে। অতি সংক্ষেপে কাহিনীভাগ এনেধৰণৰ।

নাটকত চাৰুদত্ত — বসন্তসেনাৰ প্ৰণয় কাহিনীৰ উপৰিও শৰ্বিলক আৰু মদানিকাৰ প্ৰেম কাহিনী, ৰাজনৈতিক বিদ্ৰোহ, ৰজাৰ বিচাৰ ব্যৱস্থা, সেইসময়ৰ ধৰ্মীয় ব্যৱস্থা, ৰাজনৈতিক, সামাজিক আৰ্থিক আদি সকলো ব্যৱস্থাৰ এখন হুবহু চিত্ৰ দেখিবলৈ পোৱা যায়।

পুৰুষে একাধিক নাৰী বিয়া কৰোৱাটো আজিও নতুন কথা নহয়। আজিও বিশ্ববিখ্যাত নেতাই সত্তৰ বছৰ বয়সৰ পাছত নিজৰ বিবাহিতা পত্নী থকাৰ পাছতো আনক বিয়া কৰায়। নাৰী তেতিয়াৰ দৰেই আজিও মুক্ত নহয়। শকাৰে বসন্তসেনাক জোকোৱাৰ দৰেই আজিৰ পুৰুষ চামৰ হাতত নাৰী ধৰ্ষিতা, লুণ্ঠিতা, সৰ্বশ্ৰান্তা হ'ব লাগিছে। মদাহী জুৱাৰীৰ প্ৰকোপ, সিহঁতৰ মাৰপিতৰ চিত্ৰ আজিৰ দৰেই। লটাৰী, জুৱা আৰু বিলাতীমদ

**পুৰুষে একাধিক নাৰী বিয়া কৰোৱাটো আজিও নতুন কথা নহয়। আজিও বিশ্ববিখ্যাত নেতাই সত্তৰ বছৰ বয়সৰ পাছত নিজৰ বিবাহিতা পত্নী থকাৰ পাছতো আনক বিয়া কৰায়। নাৰী তেতিয়াৰ দৰেই আজিও মুক্ত নহয়। শকাৰে বসন্তসেনাক জোকোৱাৰ দৰেই আজিৰ পুৰুষ চামৰ হাতত নাৰী ধৰ্ষিতা, লুণ্ঠিতা, সৰ্বশ্ৰান্তা হ ব লাগিছে।**

নগৰ - চহৰৰ শোভাবৰ্দ্ধক হৈ পৰিছে। হত্যাকাৰীয়েই গোচৰীয়া হৈ নিৰ্দোষীলোকক আইনৰ ভেকোভাওনা পাতি জগৰীয়া কৰা, ৰজাৰ খুলশালিয়েক সৰ্বশক্তিমান হৈ পৰাৰ দৰে আজি প্ৰভাৱশালী ৰাজনীতিকৰ ভাতৃ- ভগ্নী, খুলশালীয়েক সকল সৰ্বশক্তিমান হৈ উঠা, যাৰ আগত চৰকাৰৰ উচ্চপদস্থ বিদগ্ধ পণ্ডিত বিষয়াসকলো নিস্প্ৰভ হৈ পৰা দৃশ্য মন কৰিবলগীয়া। জ্ঞানৰ 'গ'টোও নথকা শকাৰে নিজৰ পণ্ডিতালীৰ চমক দেখুৱাবলৈ গৈ কৈছে এনেদৰেঃ "ৰামৰ ভয়ত দ্ৰৌপদী পলোৱাদি পলাইছা কিয়? .......... বিশ্বাবাসুৰ জীয়েক সুভদ্ৰাক হনুমানে হৰণ কৰাদি এতিয়াই তোমাক মই হৰণ কৰিম।"

(আমাৰ এচাম ৰাজনীতিক আৰু তেওঁলোকৰ চেলা চামুণ্ডা ৰ জ্ঞানৰ দৌৰ তুলনীয়।) বসন্তসেনাৰ অলেখ সম্পত্তি আৰু আঠ মহলীয়া অট্টালিকাই সেই সময়ৰ অৰ্থনৈতিক দিশৰ টনকিয়াল ৰূপটো ডাঙি ধৰে। মানুহে বাণিজ্য কৰি অলেখ সম্পত্তি অৰ্জন কৰিছিল যদিও মদ, জুৱা আদিতো সমানে খৰছ কৰিছিল। আজিৰ দৰেই নগৰত প্ৰমোদ উদ্যান আছিল য'ত প্ৰেমিক - প্ৰেমিকাই নিৰিবিলি পৰিবেশত মনৰ কথা পাতিছিল। ধনীলোক সকলে আজিৰ দৰেই গৃহ - ভৃত্য ৰাখিছিল। নগৰত চোৰাং চোৱা ৰাখিছিল। আজিৰ সন্ত্ৰাসবাদীক ধৰিবলৈ সামৰিক পৰীক্ষণ চকী বহুৱাৰ দৰেই বিদ্ৰোহী পলাতক আৰ্য্যকক ধৰিবৰ বাবে নগৰত তালাচী চকী বহুৱাইছিল। পৰীক্ষা চকীৰ চকুত ধূলি মাৰি কাৰ্য্যসমাধাকাৰী ডাঙৰ লোকৰ মাৰুতি ভানত সন্ত্ৰাসবাদী পলোৱাৰ দৰেই বিদ্ৰোহী আৰ্য্যক চাৰুদত্তৰ গাড়ীত উঠি পলায়ুৰ্দ্ধং কৰিছিল।

মুঠতে সকলো দিশৰ পৰা বিচাৰ কৰি চালে, শূদ্ৰকৰ মৃচ্ছকটিকম্ নাটকখনৰ কাহিনী ভাগত মানৱ সমাজৰ যুগে যুগে ঘটি অহা আৰু অদূৰ ভৱিষ্যতত ঘটিব পৰা সকলোধৰণৰ কথাই ঠাই পাইছে। সেয়ে 'মৃচ্ছকটিকম্' এখনি সঁচা অৰ্থত কালজয়ী নাটক। 🕮



*গায়ত্ৰী ভৰালী, ইংৰাজী বিভাগৰ স্নাতক ২য় বৰ্ষৰ ছাত্ৰী।*

# ভাৰতীয় সামন্ততন্ত্ৰ বনাম কৃষক বিদ্ৰোহ

নৱজিৎ তালুকদাৰ



মাৰ্ক্সীয় দৃষ্টিত সামন্ততন্ত্ৰও এক প্ৰকাৰৰ বিশেষ উৎপাদন ব্যৱস্থা। সামন্ততন্ত্ৰত প্ৰকৃতিৰ স'তে মানুহৰ সংগ্ৰাম পৰিলক্ষিত হয় উৎপাদিকা শক্তিৰ বিকাশৰ মাজেদি। এই ব্যৱস্থাত উৎপাদনৰ মূল উপকৰণ হ'ল ভূমি আৰু ভূমি দাস। উৎপাদনৰ উপকৰণ আৰু উৎপাদিত সামগ্ৰীৰ মালিক হ'ল ভূস্বামী সকল। এই ব্যৱস্থাত সম্পদ কেৱল তাৎক্ষণিক ভোগৰ বাবেই উৎপাদন কৰা হয়। কিন্তু উদ্বৃত্ত উৎপাদনৰ ব্যৱস্থা নথকাত সামন্ততন্ত্ৰত মুদ্ৰাশ্ৰয়ী অৰ্থনীতিৰ প্ৰসাৰ নঘটে।

ভাৰতীয় সামন্ততন্ত্ৰৰ উত্থান ইউৰোপীয় সামন্ততন্ত্ৰৰ উত্থানৰ সমসাময়িক। ভাৰতীয় সামন্ততন্ত্ৰৰ উত্থান ঘটিছিল ৩০০ - ৬০০ খৃষ্টাব্দত। আনহাতে এই ব্যৱস্থাই ৬০০- ৯০০ খৃষ্টাব্দত ভাৰতত ব্যাপক প্ৰসাৰ লাভ কৰে আৰু ৯০০- ১২০০ খৃষ্টাব্দত পূৰ্ণৰূপ প্ৰাপ্ত হয়। ভাৰতীয় আদি সামন্ত যুগৰ (৩০০ - ৬০০ খৃঃ) কেতবোৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল — (ক) এই সময়ছোৱাত বিভিন্নস্তৰৰ ভূস্বামী শ্ৰেণীৰ উদ্ভৱ হয় আৰু সম্পত্তিৰ যৌথ মালিকানাৰ পৰিবৰ্তে ব্যক্তিগত মালিকানা প্ৰতিষ্ঠাই প্ৰাধান্য লাভ কৰে; (খ) ভূমিৰ ওপৰত কৃষকৰ অধিকাৰ আৰু কৃষকৰ স্বতন্ত্ৰতা বিলোপ হোৱাৰ উপৰিও কৃষক সকল 'আশ্ৰিত মালিক'ত পৰিণত হয়; (গ) কাৰিকৰী শিল্পৰ পৰিমাণ হ্ৰাস পাই আহে আৰু কাৰিকাৰী বৃত্তিৰ সৈতে জড়িতলোক সকল কৃষি ক্ষেত্ৰত নিয়োজিত হয়; (ঘ) গ্ৰাম্যকেন্দ্ৰীক স্বনিৰ্ভৰ অৰ্থনীতিয়ে গা কৰি উঠাৰ ফলত মুদ্ৰাশ্ৰয়ী অৰ্থনীতিয়ে বিকাশ লাভ কৰিব নোৱাৰে; (ঙ) মুদ্ৰাৰহিত অৰ্থনীতিৰ বিকাশ ঘটাৰ ফলত ৰিনিময় কেন্দ্ৰ হিচাপে নগৰৰ তাৎপৰ্য্য হ্ৰাস পায়।

মধ্যকালীন সামন্তযুগত (৬০০ - ৯০০ খৃঃ) ভাৰতীয় কৃষিয়ে ব্যাপক প্ৰসাৰতা লাভ কৰে। এই প্ৰসাৰণৰ কাৰণ আছিল ধাতুৰ ব্যৱহাৰ, নাঙল, কোৰ আদি সঁজুলিৰ উদ্ভাৱন ইত্যাদি। এই কালছোৱাত ধাতু শিল্প, চিনামাটিৰ শিল্পৰ প্ৰসাৰ ঘটাৰ উপৰিও ধাতু শিল্পৰ ব্যৱহাৰো উল্লেখযোগ্যভাৱে বৃদ্ধি পায়। বাৰ শ শতিকাৰ আৰম্ভণিতে উৎপাদন শক্তিৰ বিকাশৰ লগে লগে ভাৰতীয় অৰ্থনীতিত বাণিজ্য পুঁজিৰ উদ্ভৱ হয়। অন্তঃবাণিজ্য আৰু আন্তঃবাণিজ্যৰ সমান্তৰাল ভাৱে উত্থান ঘটে। গুজৰাট, গোৱা, দাক্ষিণাত্য, কালিকূট, কোচিন, মালাবৰ আদি বন্দৰ বিদেশী বাণিজ্যৰ অন্যতম ঘাটি হৈ পৰে।

আনহাতে মোগল যুগটো অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত এক উত্থান-পতনৰ যুগ। মোগল অৰ্থনীতিত প্ৰাক্ পুঁজিতন্ত্ৰৰ আটাইবোৰ লক্ষণ দেখা গৈছিল। এই যুগত ক্ষুদ্ৰ ক্ষুদ্ৰ কুটিৰ শিল্পই গঢ় লৈ উঠিছিল আৰু ব্যৱসায় বাণিজ্যই ব্যাপক প্ৰসাৰতা লাভ কৰিছিল। এই কালছোৱাত অন্তঃবাণিজ্য আৰু বহিঃবাণিজ্যৰ ক্ষেত্ৰত বৃহৎ বণিকশ্ৰেণীটোৰ ভূমিকা লেখত লবলগীয়া আছিল।

ভাৰতীয় বণিক শ্ৰেণীৰ মাজত এক প্ৰকাৰ স্তৰভেদ আৰু পাৰস্পৰিক অৰ্থনীতিত কৃষক সকলৰ মাজত স্তৰভেদ আৰু পাৰস্পৰিক নিৰ্ভৰশীলতাৰ অনুৰূপ ভাৱেই গঢ় লৈ উঠিছিল।

এই সময়ছোৱাত ৰাষ্ট্ৰৰ সৈতে বণিক শ্ৰেণীৰ সংঘাত আৰু বুজাপৰা দুয়োটাই আছিল। ১৭৩২ চনত চুৰাটৰ বণিকদ্বয় পৰিবাৰ চেলাবি আৰু মহম্মদ আলিয়ে সশস্ত্ৰ বিদ্ৰোহৰ যোগেদি চুৰাটৰ অত্যাচাৰী শাসন কৰ্তাক নিৰ্বাসিত কৰিছিল। কিন্তু বণিক শ্ৰেণীয়ে কেতিয়াও সমগ্ৰ কাঠামোৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ সাহস কৰা নাছিল। অৱশ্যে মোগল যুগত কেইবাটাও স্থানীয় আৰু এলেকাভিত্তিক কৃষক বিদ্ৰোহৰ উত্থান ঘটিছিল। আকবৰৰ দিনত মোগল সাম্ৰাজ্যৰ যিদৰে বিস্তাৰ ঘটিছিল, ঠিক সেই কৃষক প্ৰতিৰোধ সংগ্ৰামো তীব্ৰ হৈ আহিছিল। মোগল যুগৰ কেতবোৰ উল্লেখযোগ্য কৃষক বিদ্ৰোহ হ'ল —

১। কোচ বিহাৰৰ কৃষক বিদ্ৰোহ (১৫১৫ - ১৬)
২। আগ্ৰাৰ কৃষক বিদ্ৰোহ (১৫৬২ আৰু ১৫৭৭)
৩। যাট্টাৰ কৃষক বিদ্ৰোহ (১৬১২)
৪। কাশ্মীৰৰ কৃষক বিদ্ৰোহ (১৫৮৬)
৫। কুৰ্মি কৃষক বিদ্ৰোহ (১৬৭০-৮০)
৬। গুজৰাটৰ মাতিয়া কৃষক বিদ্ৰোহ (১৬৮৫)
৭। পৰগনা মেওৱাট অঞ্চলৰ সৎনামী কৃষক বিদ্ৰোহ (১৬৭২)

ইয়াৰ উপৰিও জমিদাৰ আৰু কৃষক শ্ৰেণীৰ সম্মিলিত বিদ্ৰোহ সমূহ হ'লঃ

১। দিল্লী আৰু মথুৰা অঞ্চলৰ জাঠ বিদ্ৰোহ (১৬৮৬-৮৮)
২। কোচবিহাৰৰ কোচ বিদ্ৰোহ (১৬৬২)
৩। বাংলাৰ শোভা সিংহৰ বিদ্ৰোহ (১৬৯৮)
৪। মাৰাঠী জমিদাৰ আৰু কৃষক সকলৰ আন্দোলন।

১৭৯৩ চনৰ পিছত ভাৰতবৰ্ষত বৃটিছ যুগৰ সূচনা হয়। বৃটিছ সকলে ভাৰতত যি উপনিবেশিক উৎপাদন সম্পৰ্ক প্ৰতিষ্ঠা কৰিলে, তাত ভাৰতীয় কৃষিৰ স্বাভাৱিক বিকাশ ৰুদ্ধ হৈ পৰিল। এই উৎপাদন সম্পৰ্কৰ সূচনাই ভাৰতীয় উপমহাদেশত পুঁজিবাদী শিল্পৰ উত্থান ঘটাব নোৱাৰিলে। বৰং ভাৰতীয় হস্ত শিল্পী সকলেহে নিজৰ বৃত্তি এৰি দি কৃষি ক্ষেত্ৰৰ সৈতে চানিল হৈ পৰে। কৃষিৰ ওপৰত অতিৰিক্ত চাপ বৃদ্ধিৰ ফলত ভূমিৰ খণ্ডিকৰণ বৃদ্ধি পায় আৰু কৃষিৰ মান নিম্নগামী হয়। বৃটিছৰ কৃষিনীতিয়ে ভাৰতীয় কৃষক সকলক বিতুষ্ট কৰাত বৃটিছ আমোলত সৰু-বৰ কেতবোৰ কৃষক বিদ্ৰোহে মুৰ দাঙি উঠিছিল। তাৰ ভিতৰত উল্লেখযোগ্য বিদ্ৰোহসমূহ হয়ঃ

১। সন্ন্যাসী বিদ্ৰোহ (১৭৬৩-১৮০০)
২। বাৰাণসী বিদ্ৰোহ (১৭৮৯)
৩। চাওঁতাল বিদ্ৰোহ (১৮৫৫-৫৭)
৪। মহা বিদ্ৰোহ (১৮৫৭)
৫। নীলবিদ্ৰোহ (১৮৫০-৭৩)
৬। মনিপুৰৰ স্বাধীনতা সংগ্ৰাম (১৮৯০-৯১)
৭। উত্তৰ-পশ্চিম সীমান্ত পাঠান উপজাতিৰ বিদ্ৰোহ (১৯৩০-৩১)
৮। ছোটনাগপুৰৰ কোল বিদ্ৰোহ (১৮১০ - ১৯০০)
৯। নগা বিদ্ৰোহ (১৯৩০ - ৩২)
১০। উৰিষ্যাৰ প্ৰজা বিদ্ৰোহ (১৯৩৮)
১১। ত্ৰিপুৰাৰ ৰিয়াং বিদ্ৰোহ (১৯৪২)
১২। পাথৰুঘাটৰ কৃষক বিদ্ৰোহ ()
১৩। হাজং বিদ্ৰোহ (১৯৪২)
১৪। নৌ বিদ্ৰোহ (১৯৪৬)
১৫। ত্ৰিবাঙ্কুৰ প্ৰজা বিদ্ৰোহ (১৯৪৬)
১৬। তেলেঙ্গানাৰ কৃষক বিদ্ৰোহ (১৯৪৬ - ৫১)
১৭। কাকদ্বীপ সোণাৰপুৰৰ কৃষক বিদ্ৰোহ (১৯৪৬-৪৮)
১৮। তেভাগাৰ বিদ্ৰোহ (১৯৪৬ - ৫০)

১৯৪৭ চনৰ পৰা বৃটিছ সাম্ৰাজ্যবাদে ভাৰতৰ সৈন্যবাহিনী আৰু প্ৰশাসনৰ ওপৰত দেখাত কৰ্তৃত্ব অৰ্পণ কৰি ভাৰত এৰি গৈছে ঠিকেই, কিন্তু অৰ্থনীতি, ৰাজনীতি আৰু ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ ক্ষমতাৰ ভাগ এৰি থৈ যোৱা নাই। বৰং আমেৰিকা-জাৰ্মান, ফ্ৰান্স, আদিও নতুনকৈ আহি ভাৰতবৰ্ষৰ ৰাষ্ট্ৰ ক্ষমতা নিয়ন্ত্ৰণৰ ভাগ ললেহি। তেলেঙ্গনা তেভাগাৰ কৃষক বিদ্ৰোহৰ পৰিণাম ৰূপে জমিদাৰী প্ৰথা বিলোপ আইন, ভূমিৰ উৰ্ধসীমা নিৰূপণ আইন প্ৰণয়ন কৰা হল; কোনো কোনো ৰাজ্যত ভূমি সংস্কাৰো কিছু পৰিমাণে কাৰ্যকাৰী হ'ল। কিন্তু ভাৰতীয় অৰ্ধ সামন্তীয় কৃষি সম্পৰ্কৰ কোনো মৌলিক পৰিবৰ্তন নঘটিল।

ষাঠিৰ দশকৰ মাজভাগত চৰকাৰে সেউজ বিপ্লৱৰ কাৰ্যসূচী হাতত ল'লে। কিন্তু সেউজ বিপ্লৱেও কৃষি উৎপাদন বৃদ্ধিত কোনো অৰিহণা যোগাব নোৱাৰিলে। প্ৰথম অৱস্থাত কিছু পৰিমাণে উৎপাদন বৃদ্ধি পালেও পাছত ই হ্ৰাস হ'ল। ১৯৮১- ৮২ চনত উৎপাদন বিগত বছৰ সমূহৰ তুলনাত বহু কমি গ'ল। কিন্তু ভাৰত চৰকাৰে প্ৰচাৰ মাধ্যমৰ যোগেদি সেউজ বিপ্লৱৰ গুনানুকীৰ্তন কৰি থাকিল। কৃষিৰ কিছু যান্ত্ৰিকীকৰণ কৰাহ'ল সঁচা, উন্নতবীজ, সাৰ, কীটনাশক দ্ৰব্য আদিৰ যোগান ধৰিলেও বা কৃষক সকলৰ বাবে চৰকাৰী ঋণৰ ব্যৱস্থা কৰিলে এই কাৰ্য্যসূচীবোৰে মূলতঃ সাম্ৰাজ্যবাদী লবীসমূহ আৰু বৃহৎ জমিদাৰ আৰু বুৰ্জোৱা শ্ৰেণীটোকে লাভাম্বিত কৰিলে।

অন্ধ্ৰপ্ৰদেশৰ তেলেঙ্গানাত কৃষক সকলে সশস্ত্ৰ কৃষক সংগ্ৰামৰ যোগেদি প্ৰায় পয়ত্ৰিশ হাজাৰ খন গাওঁ মুক্ত কৰি কৃষকৰ শাসন ব্যৱস্থা কায়েম কৰিছিল। ১৯৬৭ চনত পশ্চিম বংগৰ নক্সালবাৰীত কৃষকসকলে সশস্ত্ৰ গেৰিলা যুদ্ধৰ সূচনা কৰিছিল। অৱশ্যে ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ নৃশংস আক্ৰমণৰ পৰিণতি ৰূপে নক্সালবাৰী আন্দোলন সাময়িক ভাৱেহে স্তিমিতহৈ পৰিছিল।

কিন্তু, ৰাষ্ট্ৰৰ দমন নিপীড়ন মোকাবিলা কৰি 'প্ৰকৃত কৃষকৰ হাতত ভূমি' আৰু কৃষক কমিটিৰ হাতত সকলো ক্ষমতা অৰ্পণ' কৰাৰ লক্ষ্য আগত ৰাখি বিহাৰ, অন্ধ্ৰৰ দণ্ডকাৰণ্য সহ ভাৰতৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠা কৃষক সংগ্ৰামে আজি আৰ্ন্তজাতিক পৰ্যায়তো গুৰুত্ব লাভ কৰিছে।

[ বিঃদ্ৰঃ - প্ৰবন্ধটো যুগুত কৰোতে মুক্তিকামীত প্ৰকাশিত শৌভিক গাঙ্গুলীৰ প্ৰবন্ধ এটাৰ সহায় লোৱা হৈছে। ]

*নৱজিৎ তালুকদাৰ, স্নাতক ১ম বাৰ্ষিকৰ গণিতৰ ছাত্ৰ*

# এক উপলব্ধি ঃ জীৱন, মৃত্যু আৰু বাস্তৱ!

স্বপ্নালী বৰগোহাঁই

'নদীৰ বুকুত
সময়ে ভাস্কৰ্য্য আঁকে।
পাখিলগা কাঁড়ৰ এটি কোণত
ৰৈ যায়,
জীৱনৰ এক অমোঘ মমতা!'

বিজয় বেজবৰুৱা

**'জীৱন' –**

শিহৰণ উদ্রেককাৰী এটি মধুৰ শব্দ! অনুভৱৰ তুলাচনীখন কেতিয়াবা আনন্দ আৰু কেতিয়াবা বেদনাৰে উপচাই পেলোৱা এটি ৰহস্যময় শব্দ এই জীৱন। বিভিন্নজনৰ বিভিন্ন ধাৰণা জীৱন সম্পৰ্কত। আমাৰ চিৰনমস্য মহান পুৰুষ সকলে জীৱন মানে বুজিছিল -- এক দৃষ্টিভংগী, প্ৰয়াস অথবা এক দায়িত্ববোধ। তেওঁলোকে অন্তৰেৰে উপলব্ধি কৰিব পাৰিছিল যে ক্ষণভঙ্গুৰ এই মানৱজীৱনটোৰ মাধুৰ্য্য সদায় প্ৰচেষ্টাতহে থাকে; প্ৰাপ্তিত নহয়। জীৱনৰ প্ৰতি আৰোপ কৰা তেনে এটা দৃষ্টিভংগীয়ে তেওঁলোকক স্বাভাৱিকতে অত্যুৎসাহী কৰি তুলিছিল অনাগত প্ৰতিটো বিপদ- সঙ্কুল পৰিস্থিতিক হাঁহিমুখে গ্ৰহণ কৰিবলৈ আৰু সংঘাতময় জীৱনটোৰপৰা চেপি চেপি উলিয়াই অনা অমৃতময় সুধা পান কৰিবলৈ।

মানুহৰ জীৱনকালছোৱা তেনেই ক্ষন্তেকীয়া। সময় হ'ল ইয়াৰ মাপকাঠি। যিবিলাক মানুহে সময়ক মূল্য দিব নোখোজে, তেওঁলোকৰ কাৰণে জীৱনটোও মূল্যহীন -- কাৰণ জীৱনটো মুহূৰ্ত্তৰ সমষ্টিৰ বাহিৰে আন একো নহয়। ব্যক্তিৰ জীৱনটো ইমানেই বেছি ক্ষন্তেকীয়া যে তাক যাপন কৰিবলৈ আৰম্ভ নৌ কৰোঁতেই অনন্তৰ অন্ধকাৰত সি লীন হৈ যায়। প্ৰকৃতিয়ে কি উদ্দেশ্যে কোটি- অৰ্বুদ বছৰ সাধনা কৰি এনে এটা ক্ষণভঙ্গুৰ জীৱন সৃষ্টি কৰিলে সেয়া জনাটো মানুহৰ সাধ্যাতীত। সমগ্ৰ বিশ্বভুৱনৰ ক্ষুদ্ৰ ধূলিকণাটোৰ পৰা আৰম্ভ কৰি বিশাল মহাকাশলৈকে সকলোবোৰ কথা জানিব পাৰিলেও জীৱনৰ ৰহস্যৰ কথা আমি জানিব নোৱাৰিম। আৰু এই যে প্ৰকৃতিয়ে জীৱনটো এইদৰে ৰহস্যাবৃত কৰি ৰাখিছে, সেয়ে ইয়াৰ প্ৰতি আমাৰ আকৰ্ষণো অন্তহীন। দুষ্প্ৰাপ্য এই জীৱনটোক পৰিপূৰ্ণভাৱে উপভোগ কৰাৰ অন্তৰালতেই লুকাই থাকে জীৱনৰ চৰম সাৰ্থকতা। পৃথিৱীত কোনো মানুহৰেই জীৱন সমূলি ব্যৰ্থ অথবা নিৰানন্দময় হ'ব নোৱাৰে; যদি কোনবোৰ উৎসৰপৰা জীৱনৰ সাৰ্থকতা বিচাৰিব লাগে সেই কথা তেওঁ জানে। ইতিবাচক আৰু নেতিবাচক জীৱনৰ দুটা প্ৰধান দিশ। পৰিশ্ৰমবিমুখ বা নিষ্কৰ্মাৰ দুশ্চিন্তাই জীৱনৰ প্ৰতি নেতিবাচক মনোভাৱৰ জন্ম দিয়ে। আনহাতে, পৰিশ্ৰমী মানুহৰ কাৰণে জীৱনটো বিশেষভাৱে অৰ্থপূৰ্ণ হৈ পৰে। তেওঁলোক সদায়ে আশাবাদী আৰু আত্মবিশ্বাসী হয়। সাধাৰণভাৱে জীৱনৰ লক্ষ্য যদিও আমাৰ সকলোৰে ভিন- ভিন, কিন্তু মূল লক্ষ্য মাথোঁ এটাই -- 'পৰিপূৰ্ণভাৱে জীৱনটো উপভোগ কৰা।'

'প্ৰান্তিক' আলোচনীৰ তৰফৰ পৰা ড° জয়ন্ত কুমাৰ শৰ্মা আৰু ড° মেহফুজা ৰহমানৰ সৌজন্যত চলোৱা 'জীৱন সম্পৰ্কে ধাৰণা' শীৰ্ষক এটি সমীক্ষাত প্ৰায় ৪০% যুৱতীয়ে জীৱন সম্পৰ্কে পোষণ কৰা মত আছিল - 'জীৱনটো এবাৰেই আহে, সেয়ে নিজৰমতে জীয়াই থাকিব লাগে।' আনহাতে প্ৰায় ৯০% যুৱকে বিশ্বাস কৰিছিল যে, জীৱনটো এবাৰেই আহে, ই সম্পূৰ্ণ নিজস্ব যদিও অধিক অৰ্থপূৰ্ণ হৈ পৰে, যেতিয়া আনৰ কাৰণে জীয়াই থকা হয়।'

সম্প্ৰতি যুগৰ পৰিৱৰ্তন হৈছে। লগে লগে জীৱনৰ প্ৰতি মানুহৰ মূল্যবোধো সলনি হৈছে। আনৰ কাৰণে জীয়াই থকাতকৈ কেৱল নিজকলৈয়ে গোটেই জীৱন ব্যস্ত থাকিব পৰাটোতহে আজিৰ মানুহে জীৱনৰ সাৰ্থকতা বিচাৰি পায়। সামাজিক দায়িত্ব তথা কৰ্তব্যবোধক সম্পূৰ্ণৰূপে আওকাণ কৰি ঘোৰ আত্মকেন্দ্ৰিক ও স্বাৰ্থপৰতাৰে জীৱনটো অতিবাহিত কৰাৰ অন্তৰালতেই সমাজৰ অধিকাংশ লোকে তথাকথিত সুখৰ ছাঁয়া দেখিবলৈ পায়।

জীৱন সম্পৰ্কে আমাৰ একান্ত নিজা উপলব্ধি -- 'নানা ধৰণৰ ঘাত-প্ৰতিঘাত, আশা-নিৰাশা, হৰ্ষ-বিষাদ ও পূৰ্ণতা- অপূৰ্ণতাৰে পৰিপূৰ্ণ আমাৰ এই ক্ষণভঙ্গুৰ মানৱ জীৱনটো। সংঘাতপূৰ্ণ, চিৰৰহস্যময় এই জীৱনৰ পথটো অতি বিপদ-সঙ্কুল। কিন্তু হতাশাত ভাগি পৰি হিয়া ভুকুৱাই কান্দিলেই বিপদ নিজে নিজে আঁতৰি নাযায়। তেনেস্থলত ভয়ঙ্কৰ বিপদ বা দুৰ্ভাগ্যক ভেঙুচালি কৰি হাঁহি হাঁহি জীৱনৰ কণ্টকময় পথ অতিক্ৰম কৰিব পৰাকৈ আমি সকলোৱে সাহসী হোৱা উচিত। জীৱন মাত্ৰেই একোটা লক্ষ্য থাকে আৰু আমি জনাত সেই লক্ষ্য কেতিয়াও অৰ্থহীন হ'ব নোৱাৰে। কঠোৰ পৰিশ্ৰমেই হ'ল সেই লক্ষ্যত উপনীত হোৱাৰ একমাত্ৰ উপায়। এক কথাত কামেই হ'ল জীৱনৰ শ্ৰেষ্ঠতম উপাসনা। এতেকে, ক্ষন্তেকীয়া জীৱনটোৰ আৰম্ভণিৰে পৰা এক আশাবাদী মনোভাৱ গ্ৰহণ কৰি, সময়-সাপেক্ষে পৰস্পৰৰ মাজত সহায়-সহযোগিতা অটুট ৰাখি, প্ৰবল আত্মবিশ্বাসেৰে উত্তৰ পুৰুষচামৰ কাৰণে আদৰ্শস্বৰূপ হৈ পৰাকৈ সৎ কৰ্ম্মৰে আমি নিজকে প্ৰতিষ্ঠা কৰি থোৱা উচিত বা যাবলৈ চেষ্টা কৰা উচিত; সংঘাতময় জীৱনটোক প্ৰত্যাহ্বান হিচাপে লৈ জীৱনৰ দুৰ্গম পথত অগ্ৰসৰ হ'ব পৰাতেই আমাৰ প্ৰকৃত সাহসিকতাই আত্ম প্ৰকাশ কৰে।'

**'মৃত্যু' —**

হীৰুদাৰ ভাষাত —

" মৃত্যুওতো এটা শিল্প!
জীৱনৰ কঠিন শিলত কটা
নিৰ্লোভ ভাস্কৰ্য্য!"

মানৱ মনত অনন্ত কৌতূহল উদ্ৰেককাৰী আন এটি ৰহস্যময় শব্দ হ'ল - মৃত্যু। পাৰ্থিৱ শৰীৰটোৰ হঠাতে হৃদস্পন্দন বন্ধ হৈ নিথৰ হৈ পৰিলে লৌকিক অৰ্থত আমি তেওঁৰ মৃত্যু হোৱা বুলি বুজোঁ। অৱশ্যে বিখ্যাত মনোৰিদ ছিগমুণ্ড ফ্ৰয়েডৰ এযাৰি উক্তি এইখিনিতে উল্লেখ কৰিব পাৰি - -- মৃত্যু সম্পৰ্কীয় বহুধৰণৰ পৰীক্ষা-নিৰীক্ষাৰ অন্তত তেওঁ আমাৰ জ্ঞাতাৰ্থে এয়া জনাইছিল যে, 'মানুহৰ মৃত্যু মগজুতহে হয়। মগজু সক্ৰিয় হৈ

থাকিলে ক্ষন্তেকৰ কাৰণে হৃদস্পদন বন্ধ হৈ গ'লেও জীৱন ঘূৰাই আনিব পৰাৰ ব্যৱস্থা বৰ্তমান।'

মৃত্যুৰ প্ৰতি আমাৰ ধাৰণা স্বাভাৱিকতে অলৌকিক। মৃত্যুৰ পৰৱৰ্তী পৰ্য্যায় কি হ'ব পাৰে সেয়া আমাৰ অজ্ঞাত। পাই হেৰুওৱাৰ লগাৰ বেদনাত গধুৰ হৈ পৰাৰ কাৰণেই কিজানি 'মৃত্যু'ক আমি কোনেও সহজভাৱে লব নোৱাৰোঁ। তথাপি, কোনেও ইয়াক উলংঘা কৰিব নোৱাৰে। ই এক প্ৰকৃতিগত বিধান। তেনেস্থলত আহিব ধৰা 'মৃত্যু'ক হাঁহি হাঁহি আকোঁৱালি লব পৰাকৈ আমি নিজকে সাজু কৰি তুলিব পাৰিব লাগিব আমাৰ জীৱিত কালছোৱাত। বাহিৰত কোনোদিন প্ৰকাশ নকৰিলেও এয়া আমি সকলোৱে স্বীকাৰ কৰিবলৈ বাধ্য যে স্বাভাৱিক বা সহজাত প্ৰবৃত্তি যি কাৰণতেই নহওক কিয় আমাৰ সকলোৰে অন্তৰত এক 'মৃত্যুভয়' প্ৰতি মুহূৰ্ত্ততে বিৰাজমান। মৃত্যুৱে স্বাভাৱিকতে অন্তৰত কাৰুণ্যভাৱৰ উদ্ৰেক কৰে। অচিনা অজানা ক'ৰোবাৰ মৃত্যুয়েও কেতিয়াবা আমাৰ অন্তৰত সহানুভূতিৰ দৰে কিছুমান কোমল অনুভূতিৰ জন্ম দিয়ে। যুগৰ পৰিৱৰ্তন হৈছে। আজিকালি মৃত্যু সুলভ হৈ পৰিছে সকলোৰে কাৰণে। অবাঞ্ছনীয় ও অকল্পনীয়ভাৱে দৈনন্দিন কত ধৰণৰ মৃত্যুৰ লগত যে মুখামুখি হ'ব লগা হয় সকলোৰে-লেখ, জোখ নাই। জীৱনৰ কিছুমান মাদকতাময় মুহূৰ্ত্তত 'মৃত্যু'ৰ কথা ৰোমন্থন কৰি আনন্দমুখৰ মুহূৰ্তখিনি হঠাতে বিষাদময় কৰি তোলো আমাৰ অজানিতে। কিন্তু সেই বুলিয়ে জীৱনৰ চৰম উপভোগৰ সময়খিনিত মৃত্যু বা মৃত্যুৰ পৰৱৰ্তী পৰ্য্যায়ৰ কথা চিন্তা কৰি বহমূলীয়া সময়খিনি অবাবতে নষ্ট কৰিবলৈ যাম; সেয়াও হ'ব নোৱাৰে। প্ৰকৃতিগত বিধান বুলি আমাৰ সকলোৰে কাৰণে মৃত্যু কেৱল অনিবাৰ্য্যই নহয়; ই বাঞ্ছনীয়ও। মৃত্যুৰ অবিহনে যে জীৱনটো তেনেই মূল্যহীন!!

**"বাস্তৱ"** —

বাস্তৱৰ আভিধানিক অৰ্থ - প্ৰকৃত সত্য ও যথাৰ্থ। অবাঞ্ছনীয় হ'লেও বাস্তৱ গ্ৰহণযোগ্যক কাৰণ সেয়া যে বাস্তৱ; সেয়াই যে সত্য! সাধাৰণতে বাস্তৱ আমাৰ কাৰণে এক নিষ্ঠুৰ, নিৰ্ম্মম প্ৰত্যাহ্বান স্বৰূপ। জীৱন সম্পৰ্কত বাস্তৱে যি দৰে এটা ইতিবাচক ভূমিকা গ্ৰহণ কৰে, মৃত্যু সম্পৰ্কত সেয়া নেতিবাচক হৈ পৰে। কেতিয়া কিছুমান অবাঞ্ছনীয় ও অকল্পনীয় ঘটনাই বাস্তৱটোক আমাৰ সম্মুখত ইমানবেছি নিষ্ঠুৰ আৰু নিৰ্দ্দয় ৰূপত থিয় কৰায় যে পুনৰ এবাৰ তাক সহজভাৱে উপলব্ধি কৰাৰ ন্যূনতম আগ্ৰহখিনিও আমাৰ লোপ পাই যায়। অৱশ্যে আমি এয়া ক'বলৈ যোৱাতো উচিত নহ'ব যে "বাস্তৱ মানেই আমাৰ কাৰণে এক নিষ্ঠুৰ সময় মাথোঁ!" —ই সম্ভৱো নহয়। সপোনপুৰীত পৰিকল্পিত আমাৰ সেউজীয়া ঘটনাৱলীয়ে যেতিয়া বাস্তৱৰূপত মূৰ্তমান হৈ উঠিব, তেতিয়া আমাৰ কাৰণে সি খুবেই মাদকতাময় ও উপভোগৰ অন্যতম উপাদানস্বৰূপ হৈ পৰে। অনিৰ্বচনীয় আনন্দৰ খোৰাক হৈ পৰে। তেতিয়া বাস্তৱ আমাৰ কাৰণে কিন্তু ক্ষন্তেকীয়া জীৱন কালছোৱাত কাচিৎহে এনে হোৱা পৰিলক্ষিত হয়। সাধাৰণ দৃষ্টিকোণৰ পৰা ই আমাৰ কাৰণে সদায়েই নিষ্ঠুৰ। তথাপি এয়া সকলোৰে কাৰণে অনুভৱৰ যোগ্য যে নিষ্ঠুৰ বাস্তৱক প্ৰত্যাহ্বান স্বৰূপে লৈ হলেও জীৱনৰ চৰম লক্ষ্যত আমি উপনীত হ'ব লাগিব। অজেয় ইচ্ছাশক্তি ও প্ৰচুৰ আত্মবিশ্বাসক এই ক্ষেত্ৰত আমি উচ্চস্থান দিব লাগিব। ব্যক্তিগত অভিজ্ঞতাৰ ফালৰ পৰা এয়া অনুমেয় যে সময় সাপেক্ষে বাস্তৱ সকলোৰে কাৰণে দয়া আৰু নিষ্ঠুৰতাৰ প্ৰতীক স্বৰূপ।

জীৱন, মৃত্যু আৰু বাস্তৱ! পৰস্পৰে পৰস্পৰৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সময়ে নিৰ্ণয় কৰে জীৱনৰ তাৎপৰ্য্য!

জীৱনে নিৰ্ণয় কৰে - মৃত্যুৰ তাৎপৰ্য্য! আৰু,
মৃত্যুৱে নিৰ্ণয় কৰে - বাস্তৱৰ তাৎপৰ্য্য!

মৃত্যু অহিৱনে যিদৰে জীৱন মূল্যহীন; জীৱন অবিহনেও বাস্তৱৰ কোনো মূল্য নাই। জীৱনৰ বেছিভাগ গভীৰ সুখৰ লগতেই মিহলি হৈ থাকে বাস্তৱৰ নিষ্ঠুৰতা আৰু মৃত্যুৰ চিৰবিষাদ। শেষত, 'এণ্ড্ৰুমাডেল'ৰ অবিস্মৰণীয় ভাষাত এয়াই ক'ব পাৰি —

'জীৱনৰ এটা চিৰন্তন পেৰাডক্স হ'ল এই যে, জীৱনটো নশ্বৰ অথবা মৃত্যুৰ লগত জড়িত কাৰণেই সি ইমান মাদকতাময়। আনহাতে, এই নশ্বৰতা অথবা মৃত্যু ভয়েই হ'ল - জীৱনৰ চিৰ বিষাদৰ উৎস।

(সহায় লোৱা গ্ৰন্থ - "আত্মানুসন্ধান" – হোমেন বৰগোহাঞি) "

*স্বপ্নালী বৰগোঁহাই, স্নাতক ১ম বাৰ্ষিকৰ অসমীয়া বিভাগৰ ছাত্ৰী*

# উদ্যোগীকৰণ আৰু পৰিবেশ সংৰক্ষণ

**মাধৱ কুমাৰ দেউৰী**

উদ্যোগীকৰণৰ ওপৰতেই এখন দেশৰ উন্নতি আৰু সাফল্য নিৰ্ভৰ কৰে। অগ্ৰগতিৰ দিশলৈ ধাৱমান হোৱাত পৃথিৱীৰ ৫০০ বিলিয়ন নাগৰিকে আজি কেনেকৈ তেওঁলোকৰ সীমিত সম্পদৰাজি দৈনন্দিন ব্যৱহাৰত সু-ব্যৱহাৰ কৰিব পাৰি, তাৰেই চিন্তাত নিমগ্ন হৈ পৰিছে। দিনক দিনে বস্তু আৰু সেৱা সমূহৰ প্ৰতি থকা উপভোগৰ চাহিদা বৃদ্ধি পাব ধৰিছে। ইয়াৰ পৰিপূৰণৰ আহিলা হিচাপে পৃথিৱীৰ বিভিন্ন দেশত আজি নানান ধৰণৰ উদ্যোগে গা কৰি উঠিছে।

ভাৰত পৃথিৱীৰ দ্বিতীয় সৰ্ববৃহৎ জনসংখ্যাৰ দেশ। ইয়াত বৰ্দ্ধিত জনসংখ্যাৰ বাবে প্ৰয়োজনীয় অন্ন-বস্ত্ৰ, বাসস্থানৰ সুবিধা, চিকিৎসাৰ সুবিধা, নিয়োগৰ সুবিধা, শিক্ষাৰ সুবিধা, আদি দিব নোৱাৰাৰ ফলত জনসাধাৰণে দাৰিদ্ৰতাত ভুগিব লগা হৈছে। সেয়েহে পৰিকল্পনা প্ৰস্তুতকাৰী আৰু দেশৰ অভিজ্ঞ অৰ্থনীতিবিদসকলে এই কথা উপলব্ধি কৰিলে যে, উদ্যোগ স্থাপনৰ জৰিয়তে এই সমস্যাবোৰৰ আশু সমাধান কৰিব পৰা যাব। আজি এইটো প্ৰমাণিত হৈছে যে খৰতকীয়া উদ্যোগীকৰণৰ যোগেদি এখন দেশৰ আৰ্থিক উন্নয়ন সম্ভৱ কৰি নুতুলিলে (ভাৰতো এখন) বহুতো দেশ অনুন্নত হৈয়ে ৰ'ব আৰু দেশৰ পৰা দৰিদ্ৰতা নিৰ্মূল কৰাটো দুঃসাধ্য হৈ পৰিব। ভাৰত মানৱ শক্তি আৰু প্ৰাকৃতিক সম্পদত চহকী। এনে সম্পদসমূহৰ উচিত ব্যৱহাৰ হ'বলৈ হ'লে ভাৰতৰ উদ্যোগীকৰণ হ'বই লাগিব। আকৌ ভাৰতকে আদি কৰি পৃথিৱীৰ উন্নয়নশীল বহু দেশৰ জনসাধাৰণৰ উপাৰ্জন কম। উপাৰ্জনৰ মাত্ৰা বৃদ্ধি কৰিবলৈ হ'লেও উদ্যোগীকৰণৰ আৱশ্যক। কৃষিৰ উন্নতিৰ বাবেও উদ্যোগ স্থাপনৰ গুৰুত্ব নুই কৰিব নোৱাৰি। তাৰোপৰি বিভিন্ন ধৰণৰ দ্ৰব্য উৎপাদন কৰি বৈদেশিক বিনিময় অৰ্জন কৰিবলৈ হ'লেও উদ্যোগ স্থাপনৰ প্ৰয়োজন। আকৌ, দেশৰ নিৰাপত্তাৰ খাতিৰতো উদ্যোগীকৰণ খৰতকীয়া কৰিব লাগিব। অস্ত্ৰ-শস্ত্ৰ আৰু যুঁজ - বাগৰৰ অন্যান্য সামগ্ৰীৰ বাবে দেশ এখনে সদায় আনৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। নিজৰ দেশৰ স্বাধীনতা ৰক্ষা আৰু ভৌগোলিক সীমা ৰক্ষাৰ বাবেও দেশখনে প্ৰস্তুত হৈ থাকিব লাগিব। গতিকে এই ক্ষেত্ৰত প্ৰতিৰক্ষাৰ বয়বস্থ তৈয়াৰ কৰিবলৈ উদ্যোগ স্থাপন কৰাটো বাঞ্ছনীয়। এনেকুৱা আৰু বহুতো কাৰণত পৃথিৱীৰ বিভিন্ন দেশত উদ্যোগীকৰণৰ প্ৰক্ৰিয়াটো বৃদ্ধি পাব ধৰিছে। ইউৰোপত আৰম্ভ হোৱা উদ্যোগ বিপ্লৱৰ মূলতে আছিল বিজ্ঞান ভিত্তিক প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰ। এই বিপ্লৱে আনিছিল অৰ্থনৈতিক উন্নতি আৰু সেই কাৰণেই সমগ্ৰ পৃথিৱীয়ে ইয়াক আজি সমাজিক পৰিৱৰ্ত্তনৰ আহিলাৰূপে গ্ৰহণ কৰিছে। মুঠতে আমি ইয়াকে গম পালো যে, বৰ্ত্তমান এখন দেশৰ উন্নতি তথা সমৃদ্ধি নিৰ্ভৰ কৰে উদ্যোগীকৰণ প্ৰক্ৰিয়াৰ ওপৰত।

এতিয়া যদি আমি লক্ষ্য কৰো যে ইয়াৰ ফলত সমাজত কিবা কু-প্ৰভাৱ পৰিছে নেকি? তাৰ উত্তৰত আমি ইয়াকে গম পাম যে বৰ্তমান সভ্যতাত উন্নতমানৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ কাৰিকৰী কৌশলে সমগ্ৰ বিশ্বতে প্ৰাকৃতিক পৰিবেশত ভাবুকিৰ সৃষ্টি কৰিছে। এফালে অত্যাধুনিক সা-সৰঞ্জামে জীৱন নিৰ্বাহৰ মান উন্নত কৰিছে। আনফালে আমাৰ চৌদিশৰ পৃথিৱীখন ধ্বংসৰ ফালে ক্ৰমে আগবাঢ়ি গৈছে। গছ - বন, জীৱ-জন্তু আনকি স্বয়ং মানৱেও আজি প্ৰকৃতিৰ ৰোষত পৰি হাঁহাকাৰ কৰিব লগা হৈছে। গ্ৰীণ হাউচৰ পৰিণতি, এচিদ বৰষুণ আৰু অ'জন স্তৰত ফুটা ওলোৱা আদিৰ দৰে ঘটনাসমূহে মানুহক ভৱিষ্যতৰ বিপদ সম্পৰ্কে অধিক চিন্তিত কৰি তুলিছে। শিল্প উদ্যোগ, যান-বাহন আদিৰ পৰা নিৰ্গত হোৱা কাৰ্বন- ডাই-অক্সাইড, মিথেন, ক্লৰফ্লৰ - কাৰ্বণ, নাইট্ৰাচ - অক্সাইড আদিয়ে বায়ুমণ্ডলত গেছৰ পৰিমাণ বৃদ্ধি কৰিছে। এই গেছ সমূহৰ উপস্থিতিয়ে ভূ-পৃষ্ঠৰ উষ্ণতা বৃদ্ধিৰ মূল কাৰণ বুলি বিজ্ঞানী সকলে মতপোষণ কৰিছে। উদ্ভিদে দহনত $CO_2$ শোষণ কৰি বায়ুমণ্ডলত জীৱজগতৰ বাবে অক্সিজেন গেছ এৰি দিয়ে; কিন্তু জীৱশ্ৰেষ্ঠ মানৱসমাজে ভূ-পৃষ্ঠৰ পৰা বনাঞ্চল কাটি মৰুভূমিত পৰিণত কৰাৰ ফলত বায়ুমণ্ডলত $CO_2$ ৰ পৰিমাণ বৃদ্ধি পাইছে। গছ-গছনিৰ অভাৱে চহৰ সমূহৰ উষ্ণতা বৃদ্ধি তথা বৃষ্টিহীনতাৰ অন্যতম কাৰণ। ডাঙৰ ডাঙৰ চহৰ,ওদ্যোগিক অঞ্চলসমূহত কল-কাৰখানাৰ পৰা সৃষ্টি হোৱা শব্দই সমগ্ৰ মানৱ জাতিৰে বিস্তৰ ক্ষতি সাধন কৰিছে। সঘনাই ব্যৱহৃত উচ্চমানৰ শব্দৰ বাবে আজি মানৱ সমাজে নানান ৰোগৰ দ্বাৰা (হাওঁফাও ৰোগ, বুকু ধপধপনি) আক্ৰান্ত হৈছে। আকৌ মাত্ৰাধিক শব্দৰ বাবে পশু-পক্ষীৰ প্ৰজনন ক্ষমতা হ্ৰাস পাইছে বুলি প্ৰকৃতিবিদসকলে মত প্ৰকাশ কৰিছে।

বিভিন্ন উদ্যোগ, কল কাৰখানা আদিৰ পৰা নিৰ্গত হোৱা ৰাসায়নিক পদাৰ্থ, তেল, আৱৰ্জনা আদিয়ে মাটিৰ উৰ্বৰা শক্তি হ্ৰাস কৰাৰ উপৰিও মাটিত বাস কৰা ক্ষুদ্ৰাতি ক্ষুদ্ৰ জীৱ আৰু উদ্ভিদৰ ক্ৰমবিকাশত ব্যাহত জন্মাইছে।

জীৱজগতৰ সকলো শ্ৰেণীৰ জীৱৰ বাবে পানী অপৰিহাৰ্য্য। যাৰ বাবে কোৱা হয় - 'পানী প্ৰাণীৰ প্ৰাণ'। বৰ্দ্ধিত উদ্যোগ, কল-কাৰখানাই মাটি, বায়ু আৰু শব্দ প্ৰদূষণ কৰাৰ উপৰিও পানী প্ৰদূষণ কৰি এক বিভীষিকাৰ সৃষ্টি কৰিছে। মুক্ত পানীত বিভিন্ন ধৰণৰ ৰোগৰ বীজানু আৰু ৰাসায়নিক পদাৰ্থ মিহলি হৈ থকাৰ উপৰিও উদ্যোগ আদিৰ দাঁতি কাষৰীয়া নৈ, বিল, জান-জুৰি আদিত সীহ, পাৰা, আৰ্চেনিক, চায়েনাইড আদি অধিক পৰিমাণে দ্ৰবিত হৈ থাকে। গতিকে এই পানী খোৱাৰ ফলত মানুহ নানান ৰোগত আক্ৰান্ত হৈ পৰিছে। এতিয়া আমি এইটো গম পালো যে উদ্যোগ স্থাপনৰ ফলত আমাৰ চাৰিওফালৰ পৰিবেশৰ ওপৰত এক আতংকৰ সৃষ্টি হৈছে। আকৌ আমি এইটোও গম পালো যে উন্নত মানৱ জীৱন-যাপনৰ বাবে উদ্যোগীকৰণ আৰু পৰিবেশ সংৰক্ষণ দুয়োটাই সমানে প্ৰয়োজনীয়।

কাৰণ কাগজ, জুইশলা, প্লাইউদ, আঠা, ৰবৰ, আহ, পাত, নানান ধৰণৰ কুটীৰ শিল্প, ঔষধ, তেল, ৰং, মুগা, ধুপ-ধুনা, কয়লা, মৰাপাট, সোণ, ৰূপ আদি বহু উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচামাল সংগ্ৰহ কৰা হয় কেৱল আমাৰ চাৰিওফালৰ পৰিৱেশৰ পৰাই। এই দ্ৰব্যবোৰ আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত হয়। গতিকে এইক্ষেত্ৰত আমাৰ চাহিদা পূৰণৰ বাবে উল্লেখিত উদ্যোগৰাজি বৰ্ত্তি থাকিবলৈ হলে পৰিবেশ সংৰক্ষণ কৰাটো নিতান্তই প্ৰয়োজনীয়। আকৌ অন্য এটা দিশৰ পৰাও পৰিবেশ সংৰক্ষণ প্ৰয়োজন। উদ্যোগৰ পৰাই সৃষ্টি হোৱা, ওপৰত আলোচনা কৰি অহা বিভিন্ন ধৰণৰ প্ৰদূষণমূলক সমস্যাৰ সমাধানৰ বাবেও পৰিবেশ সংৰক্ষণ নিতান্তই প্ৰয়োজন। অৰ্থাৎ দুটা প্ৰধান কাৰণত পৰিবেশ সংৰক্ষণ প্ৰয়োজন — ১। উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচামাল আহৰণৰ বাবে আৰু ২। উদ্যোগৰ পৰা সৃষ্টি হোৱা প্ৰদূষণমূলক সমস্যা নিবাৰণ কৰাৰ বাবে। উদ্যোগীকৰণ

আৰু পৰিবেশ সংৰক্ষণ -- এই সম্পৰ্কীয় চিন্তা চৰ্চা এটা নতুন বিষয় নহয়। ইউৰোপৰ উদ্যোগ বিপ্লৱৰ সময়ত উদ্যোগীকৰণৰ পৰিবেশৰ ওপৰত যি প্ৰভাৱ, একবিংশ শতিকাৰ দুৱাৰদলিত ইয়াৰ ব্যাখ্যাই এক বেলেগ মোৰ লৈছে। বস্তুতাত্বিক দৃষ্টিকোণৰ পৰা আমি উদ্যোগীকৰণৰ প্ৰতিক্ৰিয়াবোৰ লক্ষ্য কৰি যিদৰে শংকিত হৈছো, ষাঠিৰ দশকত হাৰ্বাট মাৰকিউজ নামৰ এজন দাৰ্শনিকে উদ্যোগীকৰণে কিদৰে মানুহৰ মানসিক পৰিবেশ প্ৰদূষিত কৰিছে তাৰ ব্যাখ্যা কৰিছে। তদুপৰি কালমাৰ্ক্সৰ আলোচনাতো উদ্যোগীকৰণে মানুহৰ সামাজিক জীৱনৰ ভাৰসাম্য কিদৰে বিনষ্ট কৰিছে তাৰ ব্যাখ্যা পোৱা যায়। আকৌ বিভিন্ন সমাজতত্ববিদে আধুনিক পৰিয়ালৰ বিভিন্ন সমস্যা যেনে - বিবাহ-বিচ্ছেদ, একক পৰিয়াল, নিৰাপত্তাহীনতা আদি বিঘটনৰ বাবে উদ্যোগীকৰণ আৰু নগৰীকৰণকে দোষী কৰিছে। ইয়াৰ লগতে মূল্যবোধৰ অৱক্ষয়, অপৰাধ প্ৰৱণতা, যান্ত্ৰিক জীৱনৰ জঠৰতা আদিয়েও পৰিবেশৰ গ্ৰাফডাল নিয়ন্ত্ৰণ কৰে। সেয়েহে প্ৰশ্ন হয়, আমি কেৱল ধোঁৱা, শব্দ অথবা পোহৰকে ভয় কৰি থাকিলে হ'ব জানো? দৰাচলতে পৰিবেশ এক ব্যাপক ধাৰণা। এইখিনিতে উল্লেখ কৰি থোৱা ভাল হব যে এই আলোচনাটিত প্ৰকৃতি আৰু পৰিবেশ প্ৰায় সমাৰ্থক ৰূপত ব্যৱহাৰ কৰা হৈছে। ই যিমান প্ৰাকৃতিক, সিমান মানসিকো। তদুপৰি পৰিবেশৰ প্ৰভাৱ কেৱল শাৰীৰিক জীৱনৰ নিৰ্ণায়কেই নহয়, বৰঞ্চ মানসিক আৰু সামাজিক জীৱনৰ এক মানদণ্ডও। অৱশ্যে এই লিখাটোত কেৱল উদ্যোগীকৰণৰ লগত সংগতি থকা পৰিবেশ (সংৰক্ষণৰ) বিষয়েহে বিশেষভাৱে আলোকপাত কৰিবলৈ বিচৰা হৈছে।

১৯৭২ চনত ৰাষ্ট্ৰসংঘৰ মানৱ পৰিবেশ অধিবেশন ষ্টকহমত অনুষ্ঠিত হোৱাৰ পাছত পৃথিবীৰ সকলো ৰাষ্ট্ৰই পৰিবেশ সম্পৰ্কে অধিক সচেতন হৈ পৰিল। প্ৰাকৃতিক পৰিবেশ সংৰক্ষণৰ বাবে সমগ্ৰ বিশ্বতে বিজ্ঞানী বুদ্ধিজীৱীসকলে নিতৌ ন ন উপায় উদ্ভাৱনৰ চিন্তা - চৰ্চা কৰিছে। পৰিবেশ সংৰক্ষণৰ বাবে আমি প্ৰথমতে উদ্ভিদ জগতক সংৰক্ষণ কৰিব লাগিব। কিন্তু সংৰক্ষণ মানে তাক আহৰণ বা ব্যৱহাৰ কৰিব নালাগে। এইটো নুবুজায়। উপযুক্তভাৱে ৰক্ষণাবেক্ষণ দি বৈজ্ঞানিকভাৱে আহৰণ কৰাটোকে সংৰক্ষণ বুলি কোৱা হয়। সমাজৰ আৰ্থ-সামাজিক ভাৰসাম্যতাৰ বাবে ই অতিশয় দৰকাৰী।

ভাৰতীয় বন আৰু পৰিবেশ সংস্থাৰ শেহতীয়া প্ৰতিবেদন অনুসৰি বৰ্ত্তমান ভাৰতত থকা বনাঞ্চলৰ পৰিমাণ মাত্ৰ ২৩ শতাংশ। কিন্তু ই হ'ব লাগে সমতল ভূমিত ৩৩ শতাংশ আৰু পাহাৰীয়া অঞ্চলত ৬০ শতাংশ। কাৰণ বনাঞ্চলে বৰষুণ সৃষ্টি হোৱাত, বানপানী আৰু খহনীয়া প্ৰতিৰোধত, ভূমিস্খলন, ভূমিকম্প আদি প্ৰতিৰোধ কৰাত প্ৰভূত সহাঁৰি আগবঢ়ায়।

ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থাৰ (এফ. এ. অ') এটি সমীক্ষামতে ভাৰত তথা দক্ষিণ পূব এছিয়াৰ ক্ৰান্তীয় অঞ্চলত খেতিৰ বাবে মাটি মোকলোৱা, খৰিৰ বাবে গছ-গছনি কটা, গৰু ম'হ আদি চৰোৱা কাৰণত প্ৰায় ২৮ মিলিয়ন একৰ বনানি নষ্ট হৈছে। যোৱা দশকৰ মাজভাগলৈ নিৰ্বনিকৰণে বায়ুমণ্ডললৈ ৮০পৰা ৯০ টন কাৰ্বন এৰি দিছে। যোৱা দশকত নেপালৰ কাঠমাণ্ডু উপত্যকাত বাস কৰা প্ৰায় এক নিযুত মানুহৰ বাবে খৰিৰ প্ৰয়োজন হোৱাত হিমালয়ৰ বহুতো মূল্যবান গছ কটাৰ ফলত উপত্যকাটোৰ বননি ১৮ শতাংশলৈ কমি গৈছে। ফলত বিতোপন পৰিবেশ নষ্ট হোৱাৰ উপৰিও তাত পানীৰ সংকটৰ সৃষ্টি হৈছে। পৰিবেশ সংৰক্ষণৰ বাবে বিভিন্ন ব্যৱস্থা হাৰত লব পাৰি। শব্দ প্ৰদূষণ বোধৰ বাবে উদ্ভিদেই একমাত্ৰ প্ৰতিৰোধী কাৰক। কেঁচুৰিণা, আহঁত, নিম আদি কিছুমান উদ্ভিদৰ শব্দ শোষণ কৰিব পৰা ক্ষমতা আছে বুলি বিজ্ঞানীসকলে চিনাক্ত কৰিছে। এই উদ্ভিদসমূহে শব্দ শোষণ কৰাৰ উপৰিও বায়ুমণ্ডলত থকা অত্যধিক $CO_2$ শোষণ কৰি জীৱজগতৰ বাবে বিশুদ্ধ অক্সিজেন এৰি দিয়ে। গতিকে এই ক্ষেত্ৰত প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাত সহায় কৰিবলৈ বিভিন্ন প্ৰজাতিৰ উদ্ভিদ ৰোৱাতো সহায় কৰিবলৈ আমি সকলোৱে প্ৰচেষ্টা চলাব লাগে। এইক্ষেত্ৰত আমি অইল ইণ্ডিয়াৰ কথা উনুকিয়াব লাগে। অইল ইণ্ডিয়াই সেউজীয়া বনাঞ্চল গঢ়ি তুলিবলৈ কাৰ্য্য পৰিচালনা কৰা অঞ্চলত বছৰি ১৫,০০০ জোপা গছ ৰোৱাৰ কাৰ্য্যসূচী গ্ৰহণ কৰিছে কেৱল পৰিবেশ সংৰক্ষণৰ নামত — যিটো আমাৰ বাবে অতি সুখবৰ। উদ্যোগৰ পৰা সৃষ্টি হোৱা জাৱৰবোৰ পোটাই জৈৱিক সাৰ প্ৰস্তুত কৰিব লাগে। পাছত এইবোৰে শস্য উৎপাদনত অধিক সহায় কৰিব আৰু লগতে খাদ্য সামগ্ৰীৰ নাটনিৰ ফলত উদ্ভৱ হোৱা সমস্যাবাজিৰো কিছু সমাধান কৰিব।

মুক্ত পুখুৰীৰ চৌপাশে বেৰা দি ওখ ঢাপ বান্ধি বাহিৰৰ নৰ্দমাৰপৰা পানী সোমোৱাত বাধা দিব লাগে, গৰু- ছাগলী আদিৰ পৰাও ৰক্ষা কৰিব লাগে। আমি বাস কৰা অঞ্চল সমূহত থকা ৰাজহুৱা পুখুৰী বিলাকৰ ওপৰত স্কুটাৰ, গাড়ী আদি ধোৱাত নিষেধাজ্ঞা আৰোপ কৰিব লাগে।

শেহতীয়াভাৱে ১৯৯২ চনত ৰিও দি জেনেৰিওত অনুষ্ঠিত ধৰিত্ৰী শীৰ্ষ সম্মিলনে সমগ্ৰ বিশ্বৰ মানৱ জাতিৰ মাজত পৰিবেশ সম্পৰ্কে সজাগতা বৃদ্ধি কৰিছে। পৰিবেশ দিৱস, বন মহোৎসৱ, বন্যপ্ৰাণী সপ্তাহ আদিৰ জৰিয়তে মানৱ জাতিক বৃক্ষৰোপনৰ বাবে অনুপ্ৰাণিত কৰিছে। এইটো আজি সকলোৱে স্বীকাৰ কৰিবলৈ বাধ্য যে সমাজত বাস কৰা সকলোৱে এইক্ষেত্ৰত কিছু কৰণীয় কাম আছে। সেয়েহে প্ৰথমতে, নিজৰ ঘৰখন তথা চুবুৰীটো প্ৰদূষণ মুক্ত কৰিব লাগিব। এটা সময় আছিল, মানুহে যি কোনো উদ্যোগকে সম্পদৰূপে গ্ৰহণ কৰিছিল। কিন্তু আজি এটা উদ্যোগ স্থাপন কৰিবলৈ হ'লে প্ৰশ্ন আহে ই অঞ্চলটোৰ বায়ু, পানী বা মাটিখিনি প্ৰদূষিত কৰিবনে নকৰে আৰু যদি কৰে কিমান পৰিমাণে কৰিব। এনেবোৰ অপকাৰিতাৰ পৰা মুক্ত হ'বলৈ পৰিবেশ বিশুদ্ধিকৰণৰ যন্ত্ৰ পাতিও স্থাপন কৰা হৈছে। এইটো অনস্বীকাৰ্য্য যে, যিকোনো এটা উদ্যোগৰ অবিহনে আমাৰ আধুনিক সভ্যতা অচল। গতিকে উদ্যোগ স্থাপন কৰাৰ ক্ষেত্ৰত আমি চাব লাগিব যাতে ই আমাৰ জীৱনৰ বাবে প্ৰয়োজনীয় বায়ু আৰু পানীকণ প্ৰদূষিত নকৰে। এনেদৰে বিভিন্ন উপায় অৱলম্বন কৰি আমি পৰিবেশ সংৰক্ষণ কৰিব পাৰো। মুঠতে, ইয়াৰ বাবে প্ৰয়োজন জন-সাধাৰণৰ সচেতনতা। কাৰণ সৰ্ব্বোপৰি আমাৰ সকলোৰে সজাগতা আৰু সাৱধানতাইহে সুন্দৰ, পৰিস্কাৰ আৰু সুস্থ-জীৱন গঢ় দিব। দেশৰ প্ৰত্যেকজন নাগৰিকে সময় থাকোতেই ঐকান্তিক চেষ্টা আৰু অধ্যৱসায়েৰে এইক্ষেত্ৰত কৰ্ম কৰিলে সমাজখন প্ৰদূষণমূলক সমস্যাৰাজিৰ পৰা মুক্ত হ'ব। গতিকে আমি শেষত এইটো সিদ্ধান্তলৈ আহিব পাৰো যে, দেশ এখনৰ উন্নতি তথা সমৃদ্ধিৰ বাবে দ্ৰুত উদ্যোগীকৰণ আৰু পৰিবেশ সংৰক্ষণ দুয়োটাই সমানে প্ৰয়োজনীয়। ইয়াকে কৰিব পাৰিলে বৰ্তমান তথা ভৱিষ্যতৰ প্ৰজন্মই সুখ-শান্তি, আৰু সমৃদ্ধিৰে জীৱন অতিবাহিত কৰিব পাৰিব। 📖

*মাধৱ কুমাৰ দেউৰি, স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ, অৰ্থনীতি বিভাগৰ ছাত্ৰ*

# ছাত্ৰ সমাজৰ বৰ্দ্ধিত উচ্ছৃংখলতা

**আৰাধনা প্ৰিয়ম্বদা ভূঞা**

ছাত্ৰ সমাজ প্ৰকৃততে কি? ই কেৱল ছাত্ৰক লৈয়েই গঢ়িত নে আন কিবা। মই ভাবো ছাত্ৰ সমাজ বুলিলে কেৱল এটা অনুষ্ঠানত শিক্ষা গ্ৰহণ কৰি থকা এচাম লোকক নুবুজাই ই এক বৃহৎ সত্বাক সামৰি লয় য'ত অভিভাৱক, শিক্ষক আৰু সৰ্বাতোপৰি চাৰিওপাশৰ সমাজৰ এক অভিনৱ অৱদান আছে। বৰ্তমানৰ ক্ৰমবৰ্দ্ধিত উচ্ছৃংখলতাৰ বাবে কেৱল ছাত্ৰ সমাজকেই সমস্ত দোষ জাপিদি হাতত হাত থৈ বহি থাকিলে ন'হব। ইয়াৰ প্ৰধান কাৰণবোৰ বিচাৰি উলিয়াই তাক ৰোধ কৰাৰ কিবা উপায় আছে নেকি ভাবিবৰ হ'ল। ইতিহাসে কয় - উচ্ছৃংখলতা ছাত্ৰ সমাজৰ আধুনিক ব্যাধি নহয়। ই অতীজৰে পৰাই অতি দকৈ শিপাই আহিছে আৰু বৰ্তমানৰ ৰঘুমলাৰ এই শিপাৰ পৰাই সৃষ্টি হৈছে। এই লতাডালৰ গুৰি বিচাৰি গ'লে বহু কথাই পোহৰলৈ আহে। যিবোৰৰ পৰা এইটো স্পষ্ট হয় যে এই সকলোবোৰ ভয়াবহতাৰ গুৰি আমাৰ তথাকথিত আধুনিক সমাজখন। বৰ্তমান এই উচ্ছৃংখলতাই সমগ্ৰ বিশ্বৰ সৃষ্টি আকৰ্ষণ কৰিছে কাৰণ এতিয়া ই এক ধ্বংসাত্মক ৰূপ লৈছে। আমাৰ ভাৰততো ইয়াৰ অৱস্থা অতিকে ভয়ানক।

প্ৰথমতেই এই কথা উনুকিয়াব পাৰি যে ছাত্ৰ সমাজ আমাৰ বৃহৎ সমাজখনৰেই এক গুৰুত্বপূৰ্ণ অংশ। ছাত্ৰসকল কোনো বেলেগ গ্ৰহৰ প্ৰাণী নহয় যে সৰ্বসাধাৰণে কৰা ভুলবোৰৰ পৰা মুক্ত থাকিব। ছাত্ৰ সকলৰ আচাৰ ব্যৱহাৰত সমাজৰেই প্ৰকৃত স্বৰূপ প্ৰকাশিত হয়। কাৰণ চাৰিওফালৰ পৰিবেশৰ পৰা যি পোৱা যায় কথা আৰু কামত তাৰেই প্ৰতিফলন হ'ব। তাৰ বাবে কেৱল ছাত্ৰ সকলক দোষ দি লাভ নাই। প্ৰধান কথা হৈছে নিজৰ বিবেকৰ ওপৰত যেতিয়া বুদ্ধিমত্তাৰ প্ৰয়োগ অতি বেছি মাত্ৰাত হয় তেতিয়াই আৰম্ভ হয় নিৰাশা। বৰ্তমানৰ সমাজত বিজ্ঞানৰ আধিপত্যই বিৰাজমান। সকলো কথাতে বিঞ্জানে দাবী কৰে যুক্তিৰ। গতিকে যি কোনো বিষয়তে যুক্তিৰে কাম কৰিবলৈ চেষ্টা কৰিলে বিবেক আৰু মনৰ মাজত এক অদৃশ্য বেৰৰ সৃষ্টি হোৱা স্বাভাৱিক। কাৰণ যেতিয়া নৈতিক ভাবাবেগ বোৰ আমি যুক্তিৰে চালি জাৰি চাবলৈ চেষ্টা কৰো এনে লাগিব এইবোৰৰ প্ৰকৃত অৰ্থত কোনো প্ৰয়োজন নাই। ইয়াৰ অবিহনেও জীৱন সুন্দৰ হ'ব পাৰিব। এই ভুল ধাৰণাৰ কীটটো এবাৰ মগজুত প্ৰৱেশ কৰিলে আৰু ৰক্ষা নাই। সকলো পৌৰাণিক ধ্যান ধাৰণা আমাৰ কাৰণে হৈ পৰে যুক্তিহীন ফোপোলা আদৰ্শ। যাৰ বৰ্তমানৰ বস্তুবাদী সমাজত কোনো স্থান নাই। ই কিহৰ কাৰণে হৈছে? কিহৰ প্ৰভাৱত এনে হৈছে? কথাটো ভাৱি চাবলগীয়া।

এইবাৰ আহো আমাৰ তথাকথিত ৰাজনীতি নামৰ বিষয়টোলৈ। বৰ্তমান ই ছাত্ৰ সমাজৰ এক অভিশাপ স্বৰূপে দেখা দিছে। আজিকালি ৰাজনীতি মানেই এক কলুষিত খেল। ই ছাত্ৰ সমাজত বাৰুকৈয়ে শিপাইছে। বৰ্তমান একো একোখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য সকলক মনোনীত কৰে একোটা ৰাজ্যনৈতিক দলে। তাত কোনে কিমান ভোটদাতাক নিজৰ ফালে আকৰ্ষণ কৰিব পাৰে তাৰ এক অদৃশ্য কিন্তু শক্তিশালী প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। ছাত্ৰ সমাজত যিদৰে ৰাজনীতিয়ে দূৰলৈকে শিপাইছে তাৰ লগতে বৰ্দ্ধিত হাৰত বাঢ়িছে তেওঁলোকৰ উচ্ছৃংখলতা। কিন্তু কিয় এইটো হ'বলৈ পাইছে? ইয়াত কেৱল ছাত্ৰসকলৰেই দোষ নিশ্চয় নাই।

বৰ্তমান শিক্ষা ব্যৱস্থাটোৱো ছাত্ৰ সমাজৰ এই উচ্ছৃংঙ্খলতাত এক বিশেষ অৱদান আছে। শিক্ষা ব্যৱস্থাটোৰ এনে কিছুমান দিশ আছে যে ই ছাত্ৰক কেৱল হতাশা আৰু নৈৰাশ্যবাদৰ বাদে একো নিদিয়ে বৰ্তমান শিক্ষাৰ ব্যৱস্থাই যেনেকৈ মানুহক জ্ঞানী কৰে তেনেকৈ অতিমাত্ৰা ৰূপত ই অনিষ্টও কৰে। আমাৰ বৰ্তমান শিক্ষা ব্যৱস্থাটো এনে যে ই ছাত্ৰক ভৱিষ্যতৰ সোণালী সপোন দেখুৱাবহে পাৰে, তাক বাস্তৱত ৰূপায়িত কৰাত ইয়াৰ অৱদান নিচেই কম। যিমানেই কাৰিকৰী শিক্ষাগত অৰ্হতাৰে পুষ্ট নহক এজন ছাত্ৰ, তথাপি তেওঁ ইয়াক ডাঠি কব নোৱাৰে যে বিশ্ববিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰিয়েই তেওঁ এটা চাকৰি যোগাৰ কৰি ল'ব পাৰিব য'ত নেকি তেওঁ job sabtisfaction পাব? কোনো এজন ছাত্ৰই যেতিয়া প্ৰথম দিনা আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ বাবে স্কুল বা কলেজত ভৰি দিয়ে এটা প্ৰশ্নই আৰু এটা

> **জীৱনটো বৰ্তমান ইমানেই জটিল আৰু ব্যস্ত হৈ পৰিছে যে তাত ঘৰুৱা পৰিবেশৰ বাবুকৈয়ে অভাৱ। ফলস্বৰূপে ছাত্ৰ সমাজত মানবীয় অনুভূতি, মৰম ভালপোৱা শ্ৰদ্ধা আদি শব্দবোৰৰ মূল্যৰ অভাৱ পৰিলক্ষিত হৈছে, অসাৱধান আৰু উদাসীন ঘৰ এখনে এজন উচ্ছৃংখল ছাত্ৰ জন্ম দিয়াৰ বাদে একো কৰিব নোৱাৰে।**

অহেতুক ভয়ে তেওঁৰ সমগ্ৰ চিন্তাধাৰাক গ্ৰাস কৰি থাকে। অনবৰতে মনত অন্তৰ্দ্বন্দ চলি থাকে তেওঁ লাভ কৰা শিক্ষাৰ প্ৰকৃত উপযোগিতাৰ বিষয়ে উঠা সন্দেহৰ বিপক্ষে চিন্তাধাৰাৰ।

বৰ্তমানে ছাত্ৰ আৰু শিক্ষক সকলৰ মাজৰ সম্বন্ধৰ মান বহু পৰিমানে অৱনমিত হৈছে। অভিভাৱক আৰু অনুপ্ৰেৰণাৰ উৎস স্বৰূপ শিক্ষক সকল আৰু ছাত্ৰৰ মাজত আগৰ অতীতৰ সেই মধুৰ সম্বন্ধ নাই। শিক্ষকজনৰ প্ৰতি অশ্ৰদ্ধা আৰু তেওঁ পাঠদান কৰা বিষয়টোৰ প্ৰতি অনীহা এই দুয়োটাই ছাত্ৰজনক উচ্ছৃংখলতাৰ ফালে ঠেলি লৈ যায়। কাৰণ যেতিয়া কোনো এটা ব্যৱস্থা অন্তঃকৰণেৰে গ্ৰহণ কৰিব পৰা নেযায় তেতিয়াই আমাৰ অৱচেতন মনৰ কৰবাত অকস্মাতে ব্যৱস্থাটোৰ প্ৰতি প্ৰচণ্ড বিক্ষোভ থাকি যায়। ইয়েই সময় আৰু সুবিধা পালে উচ্ছৃংখলতাৰ ৰূপত ধৰা দিয়ে। মূলত আমাৰ শিক্ষা ব্যৱস্থাটো হৈ পৰিছে পৰীক্ষা পাছ কৰাৰ বাবে; লাগিলে তাৰ কাৰণে যিকোনো অসৎ উপায়েই অৱলম্বন কৰা নহওক কিয়। বৌদ্ধিক

আৰু মানসিক স্তৰত নতুনত্বৰ আৰু শুদ্ধ ভাবাবেগৰ বিকাশ ঘটোৱাত ইয়াৰ ভূমিকা নিচেই নগন্য।

যি খন দেশত ৰাজনৈতিক নেতা সকলৰ প্ৰতিটো কথাই আখৰে আখৰে বিশ্বাস কৰা হয় আৰু তেওঁলোকৰ ভুলেই হওঁক বা শুদ্ধই হওঁক সকলো আদেশেই পালন কৰা হয়, তেনে এক ব্যৱস্থাত উচ্ছৃংখলতাই দেখা দিয়াতো অত্যন্তই স্বাভাৱিক। এই নেতাসকলৰ চিন্তাধাৰা আৰু ছাত্ৰ সমাজৰ চিন্তাধাৰাই বহু সময়ত দুটা বেলেগ দিশত গতি কৰে। সেয়েহে ইয়াক বিচাৰ কৰাটো ছাত্ৰ সমাজৰ বাবে দুৰুহ হৈ পৰে যে তেওঁলোকৰ চিন্তাধাৰা আৰু আদৰ্শবাদ সঁচা নে নেতাজনৰ কোৱা চিন্তাধাৰা। এই দুটাৰ মাজত যেতিয়াই সংঘৰ্ষৰ সৃষ্টি হয় তেতিয়াই উচ্ছৃংখলতাৰ স্বৰূপ বাঢ়ি যায়। মূল্যবোধৰ পৰিৱৰ্ত্তনেও ইয়াত বহু পৰিমানে অৰিহণা যোগায়। মূল্যবোধৰ গভীৰতাত যেতিয়া নিজৰ বিবেক আৰু বুদ্ধিমত্তাৰ পলস নপৰিব তেতিয়া শৈক্ষিক আৰু সামাজিক পৰিবেশত এক শূন্যতাই বিৰাজ কৰিব যাক নেকি বহুত পৰিমাণৰ শুদ্ধ চিন্তাধাৰাইও পূৰ কৰিব নোৱাৰে।

বৰ্তমানৰ ছাত্ৰ সমাজত দেখা দিয়া উচ্ছৃংখলতাৰ আন এটা অতি গুৰুত্বপূৰ্ণ আৰু এৰাব নোৱাৰা কাৰণ হৈছে সঁচা আদৰ্শ আৰু সঠিক লক্ষ্যৰ অভাৱ। ই এক প্ৰমাণিত সত্য যে আজিৰ বস্তুবাদী সমাজত আদৰ্শবাদৰ মূল্য তেনেই কম। সকলো ধৰণৰ চিন্তাধাৰাৰ শেষ সীমা হৈছে জীৱনৰ বাবে প্ৰয়োজনীয় আৰু বহুক্ষেত্ৰত অপ্ৰয়োজনীয় কিছুমান সামগ্ৰী। কিন্তু এই আগ্ৰহৰ কৰবাত অকনমান আদৰ্শৰ সুবাস থকাটো জৰুৰী। বিজ্ঞানৰ অভূতপূৰ্ব বিকাশেও ছাত্ৰ সমাজত বহু পৰিমানে প্ৰভাৱ বিস্তাৰ কৰিছে। ই ছাত্ৰসমাজক বস্তুবাদী হোৱাত বহু পৰিমানে অৰিহণা যোগাই কাৰণ ভিন্ ভিন্ আৱিষ্কাৰেৰে ভৰপূৰ আমাৰ সমাজত স্থান পাবলৈ হ'লে আদৰ্শবাদীতাতকৈ বস্তুবাদীতাৰ ওপৰত অধিক আগ্ৰহশীল হোৱাতো প্ৰয়োজনীয় হৈ পৰে। কিন্তু তাকে কৰিবলৈ যাওঁতে সৃষ্টি হৈছে বহুত ভুল ধাৰণা আৰু মিছা আদৰ্শৰ।

অভিভাৱক সকলৰ উদাসীনতাও ছাত্ৰ সমাজত উচ্ছৃংখলতা বৃদ্ধিৰ বাবে বহু পৰিমানে দায়ী। আধুনিকতাৰ ই আন এটা ৰূপ। বৰ্তমান সকলোৰে মাজত সময়ৰ অভাৱ। কিবা এক অদৃশ্য শক্তিয়ে সকলোৰে গতি যেন দুগুণ বঢ়াই তুলিছে। সকলোৰে মনত গঢ় লৈ উঠিছে প্ৰতিযোগিতাৰ মনোভাৱ। হয়তো ই প্ৰতিপত্তি, ক্ষমতা বা বৈষয়িক লালসাৰ এক সহ দৌৰ প্ৰতিযোগিতাৰ বাদে একো নহয়। কিন্তু তাৰ ফল ভোগ কৰিব লগা হৈ তেওঁলোকৰ-সন্তানসকলে অৰ্থাৎ ছাত্ৰ সমাজে। জীৱনটো বৰ্তমান ইমানেই জটিল আৰু ব্যস্ত হৈ পৰিছে যে তাত ঘৰুৱা পৰি বেশৰ বাৰুকৈয়ে অভাৱ। ফলস্বৰূপে ছাত্ৰ সমাজত মানৱীয় অনুভূতি, মৰম ভালপোৱা শ্ৰদ্ধা আদি শব্দবোৰৰ মূল্যৰ অভাৱ পৰিলক্ষিত হৈছে, অসাৱধান আৰু উদাসীন ঘৰ এখনে এজন উচ্ছৃংখল ছাত্ৰ জন্ম দিয়াৰ বাদে একো কৰিব নোৱাৰে। লো যেনেকৈ কমাৰশালত গঢ় দিয়া হয় একেদৰে এজন ছাত্ৰইও জীৱন যুঁজত যুজিবলৈ সঠিক অস্ত্ৰৰ যোগান ঘৰখনৰ পৰাই পায়। কিন্তু যোগান ধৰা প্ৰত্যেকপাত অস্ত্ৰই যদি মামৰে ধৰা হয় তেন্তে জীৱনৰ বাটত পিছলি পৰা স্বাভাৱিক।

আমি যদি ভাৰতৰ ছাত্ৰসমাজৰ মাজত বিক্ষোভ আৰু উচ্ছৃংখলতাৰ উদাহৰণ ল'বলৈ যাও তেন্তে দেখা পাম যে বেছিভাগেই সংঘটিত হৈছে ৰাজনৈতিক ভাৱে অশান্ত ৰাজ্যত। ৰাজনৈতিক অশান্তিয়ে ছাত্ৰ সকলৰ মানসিক সুস্থিৰতাত বহু পৰিমানে প্ৰভাৱ বিস্তাৰ কৰে। ই শৈক্ষিক পৰিবেশো বিনষ্ট কৰে।

ছাত্ৰ শক্তি বৃহৎ শক্তি। তেওঁলোকৰ সহায়ত বহু অসাধ্যও সাধন কৰিব পৰা যায়। তেওঁলোক অফুৰন্ত শক্তিৰ আধাৰ। সেয়েহে ৰাজনৈতিক সংগঠন আৰু ৰাজনৈতিক নেতা সকলে ছাত্ৰ সমাজক নিজৰ লক্ষ্য সাধনৰ বাবে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিবলৈ অকণো কুণ্ঠাবোধ নকৰে। ছাত্ৰসকলেও উত্তেজনা আৰু কৌতুহলৰ বশৱৰ্তী হৈ সহজে তেওঁলোকৰ চিকাৰ হয়। ফলস্বৰূপে ছাত্ৰ সমাজত সৃষ্টি হয় বিশৃংখলতাৰ। কাৰণ যেতিয়া এচাম ছাত্ৰই কোনো এক নিৰ্দিষ্ট ৰাজনৈতিক নেতাক অন্ধ অনুকৰণ কৰিবলৈ লয় তেতিয়াই সৃষ্টি হয় আন এচামৰ লগত সংঘাতৰ। উচ্ছৃংখলতাৰ পৰা হাত সাৰিবলৈ হ'লে ছাত্ৰসকলে নিজৰ বিবেক আৰু বিচাৰ বুদ্ধিৰে অনুচিত উচিত ঠিৰাং কৰাটো বাঞ্ছনীয়।

এইটো আন এটা দুখৰ বিষয় যে বৰ্তমানৰ বিশ্ববিদ্যালয় সমূহ সমাজৰ মূল জীৱন শক্তিৰ পৰা সম্পূৰ্ণ পৃথক। এক অদৃশ্য শক্তিৰ সুদৃঢ় দেৱালে ইয়াক সমাজৰ মূল ধাৰাৰ পৰা পৃথক কৰি ৰাখিছে। বিশ্ববিদ্যালয় সমূহ এতিয়া এক সশস্ত্ৰ প্ৰহৰী য'ত কেৱল কিছুমান নিবনুৱা ছাত্ৰক ৰক্ষণাবেক্ষণ দিয়াৰ বাহিৰে একো উৎপাদনমূলক কাৰ্য্যকলাপ সাধিত নহয়। এই ছাত্ৰসকল আজিকোপতি ক্ৰমবৰ্দ্ধমান যান্ত্ৰিক সভ্যতাৰ লগত খোজত খোজ মিলাই যাবলৈ ব্যৰ্থ হৈছে কেইজনমান মুষ্টিমেয়ৰ বাদে; কাৰণ যি শিক্ষাৰে তেওঁলোক পুষ্ট হৈ ওলাই আহে জীৱন সংগ্ৰামত যুঁজ দিবলৈ সেয়া সকলো সময়তে যথেষ্ট হৈ নুঠে। ফলস্বৰূপে হতাশাৰ কেন্দ্ৰস্থল হৈ পৰে এই শিক্ষানুষ্ঠানবোৰ।

ছাত্ৰসকলে কোনো সুসংহত যোগসূত্ৰ বিচাৰি নেপায় যাৰ সহায়ত তেওঁলোকে মনৰ মাজত উদ্‌গীৰণৰত সুপ্ত শক্তি প্ৰকাশ কৰিব পাৰে। বৰ্তমানৰ passive entertaiment যুগত ছাত্ৰ সকলে কোনো এটা সুস্থ সবল মাধ্যম বিচাৰি নেপায় যাৰ দ্বাৰা বিকশিত হ'ব পাৰে তেওঁলোকৰ প্ৰতিভা। সেয়েহে উপযুক্ত মাধ্যমৰ অভাৱত বহুত প্ৰতিভা অথলে যায় আৰু ছাত্ৰ সমাজৰ চিন্তাধাৰাও বিপথে পৰিচালিত হয়। ইয়াক ৰোধ কৰিবলৈ হ'লে এনে এক শক্তিশালী সূত্ৰৰ আৱিষ্কাৰ হ'ব লাগিব যি ছাত্ৰ সমাজকেই কেৱল প্ৰতিনিধিত্ব কৰে আৰু তেওঁলোকৰ ভাৱধাৰা, বিচাৰভঙ্গী, সঠিক ৰূপত দাঙি ধৰিবলৈ সক্ষম হয়। আৰু এটা কথাৰ প্ৰতি লক্ষ্য ৰখা দৰকাৰ আৰু ই হৈছে হতাশা। হতাশাই বহু সময়ত জন্ম দিয়ে কিছুমান উচ্ছৃংখল কাৰ্য্য সমষ্টিৰ। সেয়েহে ইয়াক কিদৰে দূৰ কৰিব পাৰি তাৰ চেষ্টা ছাত্ৰ আৰু সমাজ দুয়ো মিলি কৰাটো অতিকে প্ৰয়োজনীয়। ছাত্ৰ সমাজৰ উচ্ছৃংখলতা আৰোগ্যহীন ব্যাধি নহয়। কিন্তু ইয়াৰ নিৰাময়ৰ বাবে আৱশ্যক ধৈৰ্য্য, সাহস আৰু যুটীয়া প্ৰচেষ্টাৰ। লগতে চাৰিও কাষৰ পৰিবেশৰ পৰা পোৱা সহযোগ। ছাত্ৰ সমাজক সকলোৱে বুজিবলৈ চেষ্টা কৰক। তেতিয়াই উচছৃংখলতাৰ ৰূপ অতি শীঘ্ৰেই বুজাপৰা আৰু সহনশীলতালৈ সলনি হ'ব। 📖

*আৰাধনা প্ৰিয়ম্বদা ভূঞা, স্নাতক ১ম বৰ্ষ, প্ৰাণী বিজ্ঞান বিভাগৰ ছাত্ৰী*

# শব্দ শিল্প



## সঁচা কথাই জগৰ লগায়

কমল কুমাৰ মেধি
স্নাতক ২ য় বৰ্ষ

যিটো সঁচা - সেয়াই সবাতোকৈ গোপনীয়
সঁচা কথাবোৰ কাকোৱেই শুনাব নোৱাৰি
সঁচা কথাই জগৰ লগায়
যথা ঃ
তোমাৰ প্ৰেমৰ নীলাৰে নীলিম হৈয়ো কেতিয়াবা
ক'ব নোৱাৰো - মই তোমাক ভালপাওঁ। ক'লেই জগৰ
লাগিব।
জঁকি উঠিব পাৰে অ-প্ৰেমী দুনিয়া। যদিও ই সচাঁ

বেয়নেটৰ খোচত ক'লা পৰা বুকুলৈ চায়ো মোৰ দেউতাই
ক'ব নোৱাৰে তোমালোকে আমাক শোষণ কৰিছা
ক'লেই জগৰ লাগিব। দুফাল কৰি দিয়া হ'ব পাৰে
তেওঁৰ মুখ অথবা ফায়াৰিং স্কোৱাডত থিয় কৰাব পাৰে- আমাৰ সপোন।
কিন্তু ই সঁচা।

মোৰ আইৰ লুণ্ঠিত শৰীৰৰ পিনে চায়ো ক'ব নোৱাৰো
- আমাৰ স্বাধীনতা আপোনাসৱৰ বাবে ভেৰোণীয়া বেশ্যা।
ক'লে জগৰ লাগিব। মোৰ যৌনাংগত বোৱাই দিয়া হ'ব
বৈদ্যুতিক সোঁত। কিন্তু ই মিছা নহয়।

খৰি লুৰিবলৈ যোৱা মণ্ডলুহঁত গুলিত মৰিল
সিহঁতৰ গাত কোনো দোষ নাছিল - সকলোৱে জানে
কিন্তু কোনেও নকয়। ক'লেই জগৰ লাগিব।





## অভিমানী পৃথিৱী

সংগীতা গগৈ
স্নাতক ২ য় বৰ্ষ (ইংৰাজী)

তোৰ দুখৰ তৰপে তৰপে
গজি উঠি মোৰ অসহায় হুমুনিয়াহ
কি দুখত তই তেজেৰে বুলালি
ৰূপে - ৰসে - ৰঙে ভৰা তোৰ সেউজ শেতেলী
তোৰ বুকুৰ ফুলনিত ওমলিব খোজা
মই যে এটি অম্বৰী পখিলী

কিয় বাৰু নুবুজ
তই মোৰ হৃদয়ৰ কিমান আপোন
তোৰ বুকুতেই গুজি দিব খোজো মোৰ
যৌৱনৰ সকলো সাঁচতীয়া সপোন

তই জানো নাজান
মোৰ একান্ত ইচ্ছা আৰু উপায়হীনতাৰ কথা
কিদৰে সপোনতো মই বিচাৰি ফুৰো
তোৰ দুখৰ ৰক্তক্ষয়ী শিপা
বুজিব খুজিও নোৱাৰো
তোৰ সজল দুচকুৰ সবাক মৌনতা
তই মুখ ফালি নকলে জানিম কিদৰে
তোৰ দুখ, খং, অভিমানৰ আঁৰৰ কথা

তোৰ বুকুৰ এন্ধাৰ আঁতৰাবলৈ মই
হ'ব খোজো পুঁৱতিৰ কোমল ৰ'দালি
কিহেৰে পূজিলে তোৰ মনটি পাম
অ'মোৰ অভিমানী প্ৰেমিক পৃথিৱী।

## সন্দিকৈ কলেজৰ তুমি সাগৰিকা বৰদলৈ

**প্ৰণৱ কুমাৰ বৰ্মন**

স্নাতক ২য় বৰ্ষ (ক'লা)

তুমি সাগৰিকা বৰদলৈ
কুশলে আছাতো!

তোমাৰ বাবেই মোৰ শব্দৰ দুহাতত
গজি উঠে হুমুনিয়া
পাণবজাৰলৈ নাযাবা সন্ধিয়া
সান্ধ্য আইনেৰে মাতাল দিঘলীপুখুৰী পাৰ
অশ্লীল হৈ পৰিব পাৰে তৰাবোৰ
কিমান অশান্ত বতাহ, নিশান্তৰ কামনা!

সাগৰিকা, তুমিতো জানাই মই প্ৰেমিক চৰাই
তোমাৰ অভিমানৰ পুখুৰী সিঁচি লৈ আহিম ডৰিকনা
মোৰ একুৰাৰিয়ামত নাচিব সি!

মই ডৰিকনা ধৰিবলৈ বৰশী নাবাও
তোমাৰ অভিমানৰ পোছাক ধুবলৈ
মই ধোৱা হওঁ .............

সাগৰিকা, তুমি কি ভালপোৱা গৰমত
— চিত্ৰা, মিৰিণ্ডা নে পেপ্‌চি, থামচ্ আপ
'আমেৰিকা' আমাৰ বাবে ঘৃণণীয় শব্দ
ঘোলা পানীত কলেৰা খাই যৌৱন প্ৰাপ্ত
............ মোৰ দেশৰ অযুত শৈশৱ
তুমি কি ভালপোৱা — মেডোনা নে মাইকেল জেকচন
মোক বধিৰ কৰি পেলোৱা সাগৰিকা
সেই চিঞৰ বুভুক্ষু মানুহৰ মই সহিব নোৱাৰো
আশীৰ দশকৰ মাজেৰে খোজকাঢ়ি অহা
প্ৰতিজন মানুহক সোধা — বেত্ৰাঘাতৰ সংজ্ঞা
আই সকলক সোধা — তেওঁলোকক কিমানবাৰ
উলংগ কৰা হৈছিল এন্ধাৰত ............

চোলাৰ জেপত যেতিয়া লৈ ফুৰো হৃদয় ৰঙৰ এটি খাম
বন্ধু সকলে জোকায় — কিয় লৈ ফুৰা ৰেচনৰ কাৰ্ড
তেওঁলোকেতো নাজানে তাত লিখা থাকে
ঃ বসন্ত আৰু প্ৰেমৰ ঠিকনা

তুমি চিচিফাচৰ সাধু শুনিছানে ? স্পাটকাছৰ ??
কিদৰে মাংস খাও বুলি ছাগলীৰ মূৰটো লৈ
ওভোতে শিক্ষক বায়ৰণ
টি, বি, ত মৰে খেতিয়ক কীট্‌ছ, উতনুৱা শ্যেলী নিৰুদ্দিষ্ট হয়

তুমি হিকমতক কেতিয়াবা হাত দুখন খুজিছানে? ল'ৰ্কাক ?? নেৰুদাক??

খাবা? খোৱা মোৰ হৃদয় ৰুচিয়াৰ ভদকা
খাই জানোচা হাঁহে খিলখিলাই
তোমাৰ হৃদয়ৰ এপাহ খৰিকাজাই।

মই ধূমপান কৰো — ই মোৰ নিচা - তুমি এটা গানৰ চিগাৰেট
তুমি ধূমপান নকৰা
- তোমাৰ বোধ হয় আন কোনা নিচা নাই
লগ পালে মোৰ দেউতাক সুধিবা
তেওঁৰ নিচা - পথাৰৰ সেউজীয়া অৰণ্যৰ দুখ
শোষণৰ ভৰত তেওঁ এজন কুঁজা মানুহ!

সাগৰিকা, দুখৰ অৰণ্য নাথাকিলে
ক'ত আহি জিৰাবহি সুখৰ চৰাই
দুখৰ বতাহতো যদি উৰি
থাকে তোমাৰৰ হাঁহিৰ নিচান
এদিন তুমিও গুছি যাবা মোৰ বুকুৰ ৰক্তজৱা চিঙি
- জালুকবাৰী, নক্সালবাৰী নাই বা গৃহিনী
দি যাবা মাথো মোৰ কলমত তেজৰ চিঁয়াহী
বাৰুদৰ আখৰ লিখিম।

তুমি সাগৰিকা বৰদলৈ
কুশলে আছাতো!



## আঃ কি জয়াল ৰাতি !

**অৰুণ জ্যোতি দাস**

মাজ নিশাৰ নিস্তব্ধতা ভাঙি -
বাজি উঠে হঠাতে
গিৰিপ গাৰাপ বুট জোতাৰ
গহীন শব্দ !

মাজে মাজে শুনা যায়
ভতুৱা কুকুৰৰ ভুক্ ভুকনি
নৈৰ সিপাৰে যেতিয়া নিশাটো
শুই পৰে,
আঘোণৰ শেঁতা শেতেলীত
ঠেঁটুৱৈ ধৰা বতাহত তেতিয়া
ভাঁহি আহে ঘন কুৱলীৰ
নীৰৱ উচুপনি!

আঃ কি জয়াল ৰাতি !!

## পথাৰ গৰ্ভৱতী হ'ব

ডালিম চন্দ্ৰ দাস
উঃ মাঃ১ম বৰ্ষ

নৈখনৰ
নীলিম সলিল ৰাশিত লয়লাস নাচোনেৰে
গৈ আছিল সূৰ্য্য
আৰু,
কৰাল মূৰ্ত্তি ধৰি দিগন্তৰ সমীপত
ভোকাতুৰ অন্তগিৰি বৈ আছিল — নিষ্ঠুৰতাৰে!
মই হাবাথুৰি খাওঁ — ক'ত আছে জীৱন?
.......................... ??
হেজাৰ সুৰুজমুখীৰ চকুলোকে
আৰ্দ্ৰ বতাহ
মোৰ অন্তৰতম অনুভৱ বৃক্ষত
সেই বতাহে খুন্দিয়াই যায়
প্ৰতি পল অনুপল .......

শ্ৰমসিক্ত জ্যোৎস্না বিটৌত ৰাতিও
কান্দি কান্দি আধাসাৰি হয় সপোন
জগলীয়াৰ পথাৰত
তেজ ঘামৰ অব্যৰ্থ বীজ সিঁচি সিঁচি
গৈ থাকোঁতে
জোঙাল কোনো ৰক্তলোলুপ হাঁতোৰাই
কাঢ়ি ললে সোণালী আঘোনৰ
স্বপ্ননীল ফচল।
তথাপিও আমঠুত প্ৰোথিত হয়
আশাৰ পুলি
সপোন দেখিবলৈ এতিয়াও যে
পাহৰা নাই আমি!
জীৱনৰ উদগ্ৰ আহ্বানত
ধৰাৰ বুকুত বুকু থওঁ —
খৰাং পথাৰত এইবেলি
বসন্ত আহিছে!
আকাশত সপোনবোৰ ডাৱৰ হৈ
উৰিছে
............. হুৰ্ হুৰ্ ...........
গগণভেদী ঢোলৰ তেজসনা শব্দৰ শোভাযাত্ৰা
কিৰিলি পাৰি উঠে সময়
......... মুখৰিত আকাশে কলহৰ কানে
বৰষিব পাশুপাত
......... পথাৰ গৰ্ভৱতী হ'ব! .........

## স্বাধীনতা

নাৰায়ন মালাকৰ
স্নাতক ১ ম বৰ্ষ (অসমীয়া)

অৱশেষত মই
এৰি আহিলো মোৰ ঘৰ চুবুৰী, ধাননি
লগত লৈ আহিলো মোৰ পৰিয়ালৰ মৃত হাঁহিৰ জোন
তুলি ললো হাতত নিষিদ্ধ বাৰুদৰ টোপোলা
এতিয়া মই অধিকাৰৰ সপক্ষৰ ৰণুৱা ঘোঁৰা
কিয়নো মই স্বাধীনতা ভাল পাওঁ।
মোক লাগে স্বাধীনতা।

বাৰে বাৰে হ'ল মোৰ আই লুণ্ঠিতা
বাৰে বাৰে হ'ল ভগ্নী ধৰ্ষিতা
গেলি পচি জহি গ'ল পিতা
ভাইৰ পিঠিত বেইনেটৰ মালিতা
সেয়ে মই ভাল পালো নিষিদ্ধ
সুৰ এটা গান এটা
অ'মোৰ প্ৰিয় স্বাধীনতা

নিষিদ্ধ কৰা হ'ল শিশুৰ বাবে চৰাইৰ গুণ গুণনি
বুট জোতাৰে দপদপনি
খবৰ কাগজত ধৰ্ষিতা জননী
কিয়নো মই স্বাধীনতা ভাল পাওঁ।
মোক লাগে স্বাধীনতা।

মোক স্বাধীনতা লাগে
যি স্বাধীনতাই মুক্ত কৰিব শোষিতক
যি স্বাধীনতাই নাশ কৰিব দানৱক
যি স্বাধীনতাই কঢ়িয়াই আনিব
জোন জিলমিল হাঁহিৰ জোনাক
মোক লাগে, মোক লাগে তাক।



# স্বপ্ন ভংগৰ পিছৰ স্বপ্ন

**নৱজ্যোতি পাঠক**
স্নাতক ৩য় বৰ্ষ (অৰ্থনীথি)

(১)

কজলা মেঘৰ মোহনাইদি জোনাক সৰি পৰা গধুলি
তুমি যেতিয়া হাঁচতি খুলি শুনিছিলা 'বুঢ়ী আইৰ সাধু'
তেতিয়া আয়ে মোক ভোকৰ বিৰুদ্ধে যুঁজাৰ প্ৰশিক্ষণ দিছিল
কুঁৱলী সনা ৰাতিপুৱা কাঁচিয়লী ৰ'দ লৈ
তুমি যেতিয়া পঢ়িছিলা 'বেলি আৰু বতাহ'
মোক তেতিয়া ৰৰপিতায়ে শিকাইছিল নাঙল কান্ধত লোবাৰ কিটিপ
ৰামধেনু দেখা কোনোবা বাৰিষাৰ আবেলি
তুমি যেতিয়া বাগিছাৰ ফুলৰ পাহিত লাগি থকা বৰষুণৰ টোপাল ফুটাইছিলা
মই তেতিয়া চৰণীয়া পথাৰৰ চিপচিপীয়া পানীত দৌৰি মাতালহৈ
গাইছিলো গৰখীয়া গান

আমনি আমনি লগা ৰাতি
তুমি যেতিয়া মাৰ নিচুকনি গান শুনি কলম তিয়াইছিলা
মই তেতিয়া উইচিৰিঙাৰ ঝি ঝি চিঞৰ শুনি আঠুৱনী পানীত
জোৰ কাটিবলৈ নামিছিলোঁ

হয় তুমি ঠিকেই অনুমান কৰিছা
মই খেতিয়কৰ সন্তান, মই মাছমৰীয়া
নাঙল মোৰ বাপতি সাহোন
বানপানী মোৰ বছৰেকৰ বিহু
ভোক মোৰ একান্ত আত্মীয়

(২)

মই এতিয়া ভোকৰ বিৰুদ্ধে যুঁজিব পৰা নিপুন সৈনিক
কান্ধত লেঠেৰী নিচিঙা আঘোনৰ ধানৰ ভাৰ নিব পৰাকৈ
পাগ্‌লা দিয়াৰ বানত কলগছৰ 'টাইটানিক' চলাব পৰাকৈ
সতেজ - তেজাল নিপুন তৰুণ
আৰু তুমি,
লিখিব পাৰা দেখোন আখৰ
নে আঙুঠিৰ বাখৰ
লিখিবাচোন কেতিয়াবা
নাঙলৰ কেঁকুৰিত বিষে দেওঁধনী নচাৰ কাহিনী
বানত ডুবি থকা মোৰ আজলি - সাদৰা পথাৰৰ স্বপ্ন ভংগৰ কাহিনী
উটি ভাহি চিঙি চিটিকি যায়
ক'লা বগা ৰঙা কজলা- হালোৱা আৰু খিৰতী গাই
তাইৰ নাতি-পুতি
অহিন- আঘোন- আহু-শালি

আৰু লিখিবা সেই কাহিনী
তোমাৰ আজলী ৰোৱনী হাতে মোৰ বুকুত ৰুই থোৱা সেউজীয়া সুৰাটাৰ
কাহিনী

তেতিয়াৰ পৰা যে মই মাতাল কবি
কলিজাত লৈ ফুৰো
যৌৱন উত্তলা
কজলা সন্ধিয়া

য'দে বৰষুণে এন্ধাৰে জোনাকে
সৰ সৰকৈ নামি আহে তোমাৰ সাঁচতীয়া মাছুৰৈ শব্দবোৰ
যেন মোৰ ৰোৱনী আইৰ বিহুৱতী তাঁতৰ সৰু সূতা
শব্দবোৰে উজাই ভটিয়াই
মই তোমাক বিচাৰি যাওঁ
সেই সুৰটোৰ কথা ক'বলৈ
তুমি মোৰ বুকুত সিঁচা সেউজীয়া সুৰটো
আৰু বৰ পিতাইয়ে ধান দাৱতে পকা ধানত কাচি লাগি হোৱা
চিৰিপ চিৰিপ সুৰটো
একেই।।



# ক্ৰান্তিকাল

**চেনিৰাম গগৈ**
স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ (অসমীয়া)

তোৰ আইক ময়ো আই বুলি মাতিম
হাঁহিৰ হিসাৰৰ কজলা পুখুৰীত
ময়ো সাতুৰিম,
মাটিৰ পৰা মেঘলৈ বিয়পাই দিম
প্ৰেম শান্তি সুখ

মই হাত দিলেই ঢুকি পাওঁ নৈ
চিনাকী অচিনাকী দীঘল বাটচোৰা
তেজীমলা সাধু শুনি
প্ৰথম বাৰৰ বাবে স্বপ্নবোৰে
উচুপি উচুপি কান্দিছিল
আৰু মতলীয়া ৰাতিবোৰ সেউজ বাটত
তেজৰ বৰষুণত তিতিছিল

এইখিনিতে আমি এৰা এৰি হৈছিলো
চকুৰ পৰা টোপনিক আঁতৰাই
প্ৰেমে পতিবাদে
একেখন তামোলকে ভগাই খাইছিলো
দুহাতে চকুলো মচি
ইটোৱে সিটোৰ মুখলৈ চাইছিলো

যৌৱনৰ স'তে বহু আলাপ
ক্ৰমশঃ চুই চাব পৰা আকাশৰ নীৰৱতা
তুমি নাজানা নেকি?
এতিয়া গাঁৱৰ খবৰ খুব বেয়া
য'ত নিশাবোৰ মোৰ বাবে
এটা দীঘল হুমুনিয়াহ।

## কটন কলেজত এটা আড্ডাবাজ কবিতা

**ৰাজেন দাস**

[যাৰ ফুলৰ সুগন্ধত আৰু প্ৰেমৰ স্পৰ্শত অনুগত হয় জীৱন তেওঁলোকৰ হাতত]
শূণ্য শূণ্য ছয় অথবা কবিতাৰ কাৰ্য্যালয়ত এইদৰে
প্ৰায়েই বিনিময় কৰোঁ হৃদয়
বিষয়ঃ দুৰ্ভিক্ষৰ পৰা আমেৰিকালৈ, নেৰুদাৰ পৰা হীৰুদালৈ
আমাৰ কাষত কোনো নাথাকে অথবা থাকিবলৈ ইচ্ছা নকৰে
যেনে ধৰক এজন শিক্ষক এখন অৰণ্য অথবা এখন পানীপথ
কোনো যুদ্ধই আমাক স্পৰ্শ নকৰে কোনো বোমাই নাহানে আঘাত
আমি কেৱল মানুহ হও একো এজনা একো নুশুনা বুৰ্বক মানুহ

প্ৰণৱ নামৰ মাতাল লৰাজনক আমি কোনেও চিনি পোৱা নাছিলো
লাহে লাহে সি আমাৰ বুকুত বগাবলৈ লৈছিল
আৰু আচৰিত ভাৱেই প্ৰেমিক হৈ পৰিছিল সাগৰিকাৰ চহৰৰ
এতিয়াও সি ইয়ালৈ আহে মাজে মাজে মাতাল হৈ কথা পাতে
নাজানে ক'ত তাৰ ঘৰ কত আছে, তাৰ শোষিত দেউতা
নাজানে সি জন্মদিন নামৰ কোনো দিন-বাৰ-তাৰিখ
আমি সকলোৱে তাৰ এটা নাম দিছিলো
'পোৱাকুছিৰ প্ৰণৱ'।
শূণ্য শূণ্য ছয় অথবা কবিতাৰ কাৰ্য্যালয়ত এইদৰে
প্ৰায়েই বিনিময় কৰোঁ হৃদয়

গছৰ নাম দিয়া লাচিত - ফুটুকীয়া জেপত অনবৰত লৈ ফুৰে প্ৰেমৰ চিঠি
সাগৰ নেদেখা পাগলাদিয়াৰ অঘৰী ল'ৰা সি
এতিয়াও যি আহে চকুৰ হালধীয়াত নাম থয় গছৰ
আৰু আমি চাপৰিৰ তালে তালে প্ৰেমৰ দুহাতত
এটা নদী হওঁ - উজানৰ নদী।

জীৱনানন্দৰ বনলতা আমি নাম দিছো ৰক্তিমা
তাইৰ হাতত মাৰ্ক্সবাদ, ওঠত ভোকৰ গান
বাগানৰ 'বাবুৰ' বিৰুদ্ধে তাই ঘোষণা কৰে জেহাদ
শোষণৰ শ্লোগানত উদভ্ৰান্ত চহৰ
তুলি দিয়া; তুলি দিয়া আৰামী বাবুৰ সাম্যবাদ
মাজে মাজে তাই জ্বলাব খোজে মহাজনৰ ঘৰ
আমি বাধা নিদিও, কোনেও বাধা নিদিও
আকৌ যদি লগ হওঁ বিপ্লৱৰ ৰাছিয়া
লগ হও নক্সালবাৰী কলিকাতা।

শূণ্য শূণ্য ছয় অথবা কবিতাৰ কাৰ্য্যালয়ত
এইদৰে প্ৰায়েই বিনিময় কৰোঁ হৃদয়

বেলতলা পথাৰত আহে হেমাঙ্গ বিশ্বাস
বুকুত তেজৰ শষ্য আমি নাম দিছো, 'নয়ন বৈশ্য'
কমৰেড কেনে আছা বলি সুধিবলৈ তাৰ ভয় নাই
বন্দুকৰ ট্ৰিগাৰত আঙুলি থবলৈও তাৰ ভয় নাই

মাজে মাজে সি কয় এতিয়া হেনো তাৰ বয়স, যুদ্ধৰ বয়স
তাৰ অভাৰ ব্ৰীজৰ তলত সাহসী ঈশ্বৰৰ সন্ধান
জানাইতো তাৰ নাম কমল
নক'বাদেই কাকো, ভুলতেও নক'বা
অত্যাচাৰৰ পৃথিৱীত ঈশ্বৰ নাহিবা, নাহিব কোনোদিন, কোনোকাল।

চাপৰিত কবিতা লিখা হীৰেণ এটা গুণগুণ গানৰ কৰবী
কি নাম থম, কি নাম থম শোকৰ প্ৰস্তাৱক শিমলীয়াৰ আবেদুৰ।

ৰাজেনৰ কথা নকবা, নকবা কাকো
ভোক তাৰ প্ৰিয় খাদ্য অৰণ্য প্ৰিয় ঠিকনা
কামিজ খুলি হৃদয় নেদেখুৱায় সি
বাৰুদৰ বোজা বোৱা সি ম্যানমাৰৰ গৰখীয়া ল'ৰা।
নকলেও যাবা, গাওঁৰ ঘৰত, এতিয়া তাৰ তেজৰ উৎসৱ চলিছে।
যদি আকৌ ভোগালী হয় মঞ্জুবাইদেউৰ চোতালত এইদৰে আকালৰ ৰাতি

যদি আকৌ একান্ত হৈ পৰে আমাৰ বতাহ
আমি কি নাম থম আমাৰ
—— সময় পালেই তোমালোক প্ৰত্যেকেই ভাবিবা।

শূণ্য শূণ্য ছয় অথবা কবিতাৰ কাৰ্য্যালয়ত
এইদৰেই প্ৰত্যোকেই বিনিময় কৰে হৃদয়।





## এমুঠি পোহৰৰ অপেক্ষাত

**ঝৰণা বৰুৱা**
স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ (দৰ্শন বিভাগ)

আজি বহুদিন হ'ল বহুদিন হ'ল
মই দেখা নাই পোহৰ
মই দেখা নাই শৰতৰ স্নিগ্ধ জোনাক
মই দেখা নাই বকুল বনৰ বতাহ

এন্ধাৰৰ বন্ধ কোঠাত, বন্ধ কোঠাত
ছটফটায় মোৰ সত্বা জোনাকৰ প্ৰতীক্ষাত
সৌ সিদিনা ছয়াময়া পাৰ হৈ গৈছিল এজাক ধুমুহা
থকা সৰকা কৰিছিল মোৰ কোমল কলিজা
সেই ৰাতিটো যিটো আছিল ভয়লগা
আৰু আছিল তাৰ অসহায় কৰুণ উচুপনি
দুখৰ পৃথিৱীত- যি পৃথিৱী পংকিল
মই যুঁজিছো এন্ধাৰৰ স'তে মই হাৰিছো এন্ধাৰৰ স'তে
কোনে দিব মোক এমুঠি পোহৰ! এমুঠি পোহৰ!
প্ৰেৰণাহীন জীৱনত পাশৱিকতাৰ বলি — মই
শূণ্যতাৰ জীৱনত বন্যতাৰ বলি — মই
নিষ্ঠুৰতাৰ চুৰিকাঘাতত — ক'লৈ গ'ল
ক'লৈ গ'ল, ক'লৈ গ'ল
শান্তিৰ বতৰা অনা চিনাকী কপৌযোৰ

কাৰ নিঠুৰ গুলিত ...................
মনত পৰিলেই হাড়ে হাড়ে কঁপনি উঠে
সেই কদৰ্য ৰাতিৰ বিবৰ্ণ ৰূপ!
আজি মোৰ বুকুৰ কোনো বা খিনি বৰকৈ বিষাইছে
মোৰ বাবে পোহৰ কিমান দূৰত, কিমান দূৰত!

# সুবালা

**প্ৰতিভা বৰ্মণ**
স্নাতক ১ম বৰ্ষ (ইংৰাজী)

সুবালা, ফুটহাঁই ৰঙৰ আবেলিটোৱে চুই যোৱা
তোৰ আলতীয়া দেহত এতিয়া আৰু বৰদৈচিলা নাহে
নঙলা মুখৰ ডালিমৰ পাতত টোপ টোপকৈ নপৰে
বগলী বগা বৰষুণৰ সেউজীয়া শব্দ
কাঙাল দিনৰ জুয়ে পোৰা সময়ত
পেটত গামোচা বান্ধি পাৰ কৰিছ কত উলংগ নিশা
তইতো নাজান হায়!
আয়েৰৰ অশুচি তেজেৰে জ্বলিছিল
তোৰ প্ৰাণৰ টিমিক চামাক চাঁকি
সুবালা, তোৰ ওঠৰ তেজ-ৰঙা ৰ'দত পুৰি মৰে
হাজাৰজন নিলাজ প্ৰেমিক
গৰখীয়া সন্ধিয়া জোনাকৰ গাখীৰতী বাটেদি আহি
ৰিচাৰে তোৰ উতলা মাতাল মঙহ, লগত
খমখমীয়া এখন পাটৰ মেখেলা
(তই বাৰু কিয় পুৰিলি, মেখেলাখন?)
তামৰঙী আকাশক সাক্ষী কৰি
দাৰিদ্ৰৰ সাতামপুৰুষীয়া বাটত খোজ দিয়োতে
তই বাৰু এবাৰো শুনা নাইনে
পৃথিবীৰ কঠিন জৰায়ু চিৰা-চিৰ কৰি ওলাই অহা
খৰস্ৰোতা নৈখনৰ কামাতুৰ গতি
সুবালা বাঁহীৰ মাতত তিতি বুৰি তই পাতিছিলি
অলেখ লুভীয়া নৈশ উৎসৱ
চাকিৰ মায়াবী পোহৰত আদিম হৈ উঠিছিল
হিংস্ৰতাৰ পোছাক পিন্ধা উতনুৱা যৌৱন
পুৱাবাতি কাঙালীনিৰ দৰে বিচাৰি ফুৰিছিলি
অন্তৰংগ আলাপ, এপাচি মৰম
কোন আছিল বাৰু তোৰ প্ৰিয়তম?
কোনে পান কৰিছিল তোৰ হৃদয় মদিৰা?
নৰেণ, বঞ্চিত নে কান্তি?
জেতুকাৰ বোলত ৰঙা হৈছিলনে তোৰ
সাতাম পুৰুষীয়া ধূসৰ সপোন
সুবালা, তোৰ চকুপানীৰ ভৰত বাট হেৰুৱালে
ডুব যাব খোজা সুৰুযৰ অন্তিম অংশ
পাঁচটকা, দহটকা, বিশটকাত
নিলামত বিক্ৰিহোৱা তোৰ সোনালী দেহত
বয়স নামৰ পিশাচটোৱে বাঁহ লৈছে
এতিয়া তোৰ বক্ষৰ জোনাকত উন্মাদ নহয়
হেঙুল সাজ পিন্ধা কজলা গধূলি
জীৱনৰ লেকামডাল এৰি দিছ সময়ৰ হাতত
চা চোন, এবাৰ খেপিয়াই চা
পাবনে বিচাৰি তোৰ সেউজীয়া হিয়া।



# ৰূপৱতী নদীৰ দুখ

**প্ৰশান্ত কুমাৰ বৰুৱা**

মই নদী এখনৰ নীৰৱ প্ৰেমত পৰো

মসৃণতা ভাঙি উজায় এজাক বৰদোৱা, এজাক চন্দা
পানী ফালি ভুমুকি মাৰি মাতে
আজোককাৰ দিনৰে পৰা তাক শিহু বুলি আমি জানো
চুঙাৰ খোপত তাৰ শীতল মেদ, অস্থি

দুখৰ টোপোলা ভৰা
গেৰুৱা পালতৰা নাওবোৰে বিচাৰি ফুৰে
পাৰঘাট; এই যেন —
মাতে মোৰ নাম ঠিকনা,

নিৰবে নিৰ্বোধ নদী এখনৰ প্ৰেমত পৰো

নীৰ দেখি দিক্‌হাৰা হওঁ
মোৰ দ্বিধা জাগে
কেতিয়াবা —
বতাহজাকে খুন্দা মাৰি যায় ভেনাচিয়ান মৰমেৰে
কেতিয়াবা - বৰষুণজাকে
গৰ্ভিনী নদীক এৰি গুছি যোৱাৰ শংকা জাগে

প্ৰেমৰ প্ৰথম পত্ৰতে গম পালো, — প্ৰকৃততে
নদী হোৱাৰ বেদনাতহে নদীখনে কান্দে
এই যে
ৰ'দে ছাঁই কৰা বুকু

মই গভীৰ প্ৰেমত পৰো
এখন, দুখন, বহুতো নদীৰ...........!



## ৰতনপুৰৰ জোনালী নিশাৰ গোন্ধ

**পৱন বৰুৱা**

দুৰ্গম পথৰ সীমাহীন ক্লান্তিৰ শেহত
আহি পালোঁ ৰতনপুৰ
ৰূপহী আৰু জেংৰায়ে সাৰুৱা কৰা
ভাহানিৰ সেই ৰতনপুৰ
তুমি নেদেখিলা বন্ধু
কি যে এক মাদকতা ভৰা তাৰ
নিৰ্মল বায়ু সুবিশাল আকাশ
জোনৰ পোহৰে উজ্বলাই তোলা ৰতনপুৰ
চহৰৰ কোৰ্হাল নাই
নাই তাত চকু চাত মৰা ৰূপৰ পোহাৰ
আছে মাথো নিবিড় নীৰৱতা
য'ত জোনাক পিচলি যায় কৃষ্ণচূড়া আৰু
খেৰকটীয়া কলেজৰ প্ৰাংগণত
তুমি নেদেখিলা বন্ধু
ৰতনপুৰত ৰিনি ৰিনি বাজি থাকে
মহৰ ঘণ্টাৰ ধ্বনি আৰু
মিছিং দেউৰী গাঁৱৰ সৰল জীৱনৰ স'তে
উমলি থাকে আপঙৰ মৌ মিঠা গোন্ধ
অনতি দূৰৈৰ ফুলনিত
নৰ সিংহ সত্ৰৰ চোতালত
অতীতে ৰিঙিয়াই মাতে আৰু
জেংৰাইৰ নাঁৱৰ টিঙৰ ক'লা তুলসীয়ে
মাজুলীৰ দুকুলটকা বানতো
দিয়ে সাহসৰ অমোঘ মন্ত্ৰ।



## চাং ঘৰ

**লাচিত বৰ্মন**
স্নাতক ৩য় বৰ্ষ (অসমীয়া)

তোক ব'বলৈ তাঁতৰ মাকো নালাগে অ' দুপৰ বেলা
তোক ব'বলৈ পলু পুহি পৰ দিব নালাগে জাৰৰ নিশা
তোক ব'বলৈ কিনি আনিব নালাগে
অ' ৰঙা-নীলা বহুৰঙী সুতা

তোক সজাবলৈ, তোক ৰঙাবলৈ, তোক যৌবন কৰিবলৈ
মোৰ সপোন বাঁহনিত চাৰি ঘাপ্ মাৰিলেই
আনিব পাৰি জাতি ভলুকা - মাকাল - ঘোৰা.....

মোৰ কামিহাড়ৰ দৰেই সজাই লওঁ তোক
এপাট এপাটকৈ গাঁথি সোণৰ ৰূপৰ 'চাং পঁজা'
প্ৰথমে -- তোৰ বুকুৰ খোলা
দ্বিতীয়তে -- তোৰ দেহৰ চোলা
তৃতীয়তে -- তোৰ মুখৰ জপনা
শেষত -- তোৰ খোজৰ লেথা
য'ত হয়তো কাহানিও নহ'ব পাৰে শুৰোতাৰ
আৰাম লওঁতাৰ খট্‌খট্ বুটজোতা ..........

বাঁহীৰ মাত শুনিলেই ভৰি যাব খোজে
তোৰ মনৰ শুৱণি কোঠা
য'ত তোৰ সোঁৱে- বাঁৱে, তলে - ওপৰে কুণ্ডলী পকাই
বগাই ফুৰে একুৱা তুঁহ - জুইৰ ধোঁৱা।
মাকবোৰে হেম্বেলীয়াই মাতে
চেলেকি খাই বনগীত এটিৰ দৰে নিজ পোৱালীৰ দেহা

সিহঁতে আমি এৰাবোৰেই খায়
ভাল পাই মলৰ জাব্‌ৰা
যিয়ে আজিও শিকা নাই প্ৰতিবাদী ভাষা
অথচ বগাই বগাই উঠি সিহঁতে তোৰ বুকুৰ বেদনাৰ খোলা

তোৰ বাবে সিহঁতে নহয়নো কি আপোন বেটা
তোৰ বাবে সিহঁতে নহয়নো কি ককাইদেউতাৰ সাধুকথা
তোৰ বাবে সিহঁতে নহয়নো কি ......
নহয়নো কি মাঘ-ফাগুনৰ ইনাম দিওঁতা

জনাবিলাকেওঁতো নাজানে 'তোৰ সকলো কথা
যেনেদৰে নাজানে সিহঁতৰ স'তে তোৰ সঠিক হলি-গলি কেইবছৰীয়া
তোৰ মৰমৰ বাবে বিচাৰি বিচাৰি তোক
সাং কৰে বহু বৰ্ষাৰ সন্ধিয়া
যেনেদৰে প্ৰতিজন পথৰুৱা কৰিবে নিগাজিকৈ থাকিব পাৰে
ঋতু আৰু ঋতুৰ মাজত একোটা মাতাল নিশা
কৰিতা লিখাৰ নিশা......
বৰষুণৰ নিশা.....
মৰণা মৰাৰ নিশা ........!!
তোৰ মৰমৰ বাবেই বাঁহীৰ সুৰত উৎসৱৰ সন্ধিয়া
*হে হে হেইয়া ..... উৎসৱৰ সন্ধিয়া --- কিমান যে আকলুৱা*
হালৰ হালুৱা
গাড়ীৰ ঘোঁৰা
মাইকী - পোৱালী, পখৰা চিখৰা, ৰঙা, ব'গা, ক'লা

অথচ তোৰ নাম নাজানে সিহঁতে
কিয় ৰখা হৈছে --
চাংঘৰ অথবা চাং পঁজা।।

## তৈলচিত্ৰত দুহেজাৰ চন

**কমল কুমাৰ তাঁতী**
উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান শাখা - ক)

ধোঁৱাৰে ধূসৰিত প্ৰাচীন নগৰখনিৰ
ভগ্নাৱশেষ এটুকুৰাত
বিধ্বস্তপ্ৰায় বেলগছৰ দৰে
মই সাৱটি আছিলোঁ এলান্ধুময় পৰিবেশ এটি।

অনাহুত বাৰিষাই
লো- কংক্ৰিটৰ টুকুৰাবোৰ
পৰিণত কৰিছে,
যামৰলৈ, বিশুদ্ধ মামৰ।
ধ্বংসস্তুপৰ আৱৰ্জনাৰপৰা মৃতদেহবোৰলৈ
এন্দুৰ- নিগনিৰ সমদল।
সিহঁতবোৰ বৰ্তমান আনন্দ- উল্লাসত মত্ত।
মৃতদেহবোৰৰ গলিত মাংসৰ ৰসালতাত
মতলীয়া হৈ উঠিছে পৰুৱাবোৰ।
কপালৰ পৰা ভৰিৰ তলুৱালৈকে সিহঁতৰ বিৰামহীন শোভাযাত্ৰা।
অট্টালিকাৰ বৃহদাকাৰ বেৰবোৰে
নীৰৱে- নিশব্দে হাঁহিবলৈ ধৰিছে।
অৱজ্ঞা কৰিছে মানৱ সভ্যতাক।
তাচ্ছিল্য কৰিছে মানৱ ব্যৰ্থতাক।
নলা- নৰ্দমাবোৰৰ ক্লেদাক্ত পানীয়ে
ধুই নিছে নগৰৰ বিষাক্ত মাটি।
জন্ম দিছে কিলবিলাই থকা অসংখ্য পোক-পতংগৰ।
মই এই প্ৰাচীন নগৰখনিৰ সৰ্বশেষ মানৱ।
আজি মই শেষপৰিণতি দেখিছোঁ;
মানৱৰ, মানৱসৃষ্ট চমকপ্ৰদ সভ্যতাৰ।
মই এতিয়া মুক্তিৰ উপায় বিচাৰিছোঁ।
হে পাঠকবৃন্দ!
মোক এতিয়া কি উপায় দিব?



## একবিংশ শতিকাৰ কবিতা

**নম্ৰতা ফুকন**
উঃ মাঃ ২য় বৰ্ষ (কলা)

সৃষ্টি ঃ চাওঁ, দুৱাৰ আৰু খিৰিকীবোৰ খুলি থোৱাঁ।
প্ৰহেলিকা ঃ কিন্তু কিয়? এতিয়াতো ৰাতি এঘাৰটা!
তোমাক এতিয়া কৃষ্ণপক্ষৰ জোনাক লাগে,
নে মৃত্যুৰ দূষিত বতাহ?
কি কৰিছা? খুলিছা কেলেই!
তোমাৰ ভয় লগা নাই? এই ৰাতিখিন কিহে পাইছে?

সৃষ্টি ঃ ভয় ??
নহয়, নহয়; তুমি বুজা নাই।
এয়া আৰু মাত্ৰ অলপপৰ বাকী
প্ৰহেলিকা ঃ বাকী? তুমি এইবোৰ কৈছা কি?
সৃষ্টি ঃ তেনেহ'লে শুনা - যদিহে তুমি এতিয়াও বুজা নাই।
আৰু এঘণ্টা পিছত হব —
"আৰম্ভণি এটি সম্পূৰ্ণ নতুন,
এটি সম্পূৰ্ণ নিকা শতিকাৰ,
'একবিংশ শতিকাৰ'।"
তেতিয়া,
মানুহৰ মনবোৰ মুকলি থৈ পৰিব — সেউজীয়া পথাৰৰ দৰে
ৰাতিৰ অন্ধকাৰলৈ অথবা দূষিত বায়ুলৈ
ভয় নেথাকিব, তুমি বুজা নাই কিয়?
প্ৰহেলিকা ঃ বুজিছোঁ, বুজিছোঁ মই - তুমি বৰকৈ সপোন দেখিবলৈ লৈছা।
কাইলৈৰ বাবে তুমি যিমানবোৰ সপোন ৰচিছা
ময়ো আশা কৰোঁ সেইবোৰ সঁচা হওক।
সপোন ?? তুমি এনেকৈ কিয় ভাবা?
মই নিশ্চিত, "আকউ নতুন প্ৰভাত হ'ব -
কাল ৰাতিও নেথাকিব ......"

প্ৰহেলিকা ঃ বন্ধ কৰা সৃষ্টি! বন্ধ কৰা।
ব'লা ভিতৰলৈ যাওঁ; দুৱাৰখন.......

সৃষ্টি ঃ শুনিছানে? দূৰত সৌৱা শুনিছানে তুমি?
টং টং কৈ সেয়া ঘড়ীত ঘন্টা বাজিছে —
বাৰটাৰ ঘন্টা।
সৌৱা চোঁৱা - ডবা শংখ বজাই
হাতে হাতে জোৰ লৈ
শুধ বগা সাজেৰে, সেয়া নতুন প্ৰজন্মৰ শোভাযাত্ৰা!

নেপথ্য ঃ দুয়ো আগবাঢ়ি যায় আৰু
ক্ৰমাৎ বেগেৰে ধাৱমান হয়।
নতুনৰ পিনে —
এটি দুঃস্বপ্নৰ পাছৰ
কোমল, স্বপ্ন ভৰা এটি নতুন প্ৰভাতৰ পিনে।

## পৰুৱা

**(উছৰ্গা ঃ প্ৰতিজন বিফল প্ৰেমিকৰ প্ৰতি)**

**ৰূপম বড়ো**
উঃ মাঃ ৩য় বৰ্ষ

বহুদূৰ গৰকি অহা, তোমাৰ কিছু দূৰে দূৰে
সি আছিল এটা প্ৰশস্ত বাট।
অথচ তুমি নজনাকৈয়ে মোক
অসংখ্যবাৰ পৰুৱাই পাইছিল।
প্ৰত্যেকবাৰেই মই পাইছিলোঁগৈ
সেই গোমা নদীৰ পাৰ— কাষত শূন্য নাও;
মাজত এডাল লিকলিকিয়া সাকোঁ।
বতাহে কাণত সুহুৰিয়াই আছিল যদিও
গছৰ পাত এটিও কঁপা নাছিল - আৰু সিপাৰে!
সিপাৰে আছিলা তুমি, পাতসিয়া চৰাইৰ বাহ সজা চাই।
আৰু কি আচৰিত? তোমাক এটা ৰিঙ্ মাৰিব খুজিলেই
মই প্ৰশস্ত পথটো পাওঁহি ওচৰতে ক'ৰবাত ডাউকে মাতে
কোৱাক্, কো - ৱা - ক্

## এজাৰ নিজাৰ পৰিল

**দিব্যজ্যোতি বৰা**
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

কনকচম্পাৰ উগ্ৰ-তীব্ৰ - অনিন্দ্য
এটা সুৰ মই মোৰ তেজত তগবগাই ফুৰা দেখিছিলো ব'হাগতো
এনেকৈয়ে আছে? নহয়নে? আছে তেনেকে'
যেনেকে' এটা জৰী-বাটত বগাই মোৰ বয়সে বহিছেহি এতিয়া
আগফালৰ বাৰাণ্ডাৰ আৰামী চকীখনত, পদুলিৰ এচুকত
মোৰ দৰে চুলি বগা হৈ যোৱা এজোপা তগৰ, নাতিল'ৰাৰ জেপত
তাৰে মৰহা ফুল এপাহ দুপাহ - 'ককা শুঙাচোন ইমান ধুনীয়া গোন্ধ!'
উৱা তুমি দেখোন বিকটাই পেলালা মুখ-ৰিহ্নাম এটা নাজানা
সদায় সেইসোপা অ' হৰি অ' ৰাম' -
'পাহৰিলো' মিছাকে ক'লো তাক! আহ! বুঢ়া হ'লো - নতুনকৈ
ভবাৰ বয়স আৰুতো নাই - যিৰা ভাবো সোঁৱৰণীৰ বিলাপ সিওঁ; নাই।
নাই আবেগ - অভিমান- অনুৰাগ জীৱন- আছিল যি
তোমাৰ মৰিশালিত ফুলিছে চাগে দোৰোণ ফুল হৈ আৰু
তোমাৰ বুকু জুৰাই আছে - কেনেকে বুকুত লগাওঁ
জীৱনৰ বাকীবোৰ! ভুলবোৰ! জমা খৰছৰ হিচাপত
কি বহাগ কি ফাগুন
সব এক্কেই - কোন ঋতুত কি ফুল ফুলে কি গান গায়
কোন চৰায়ে - বেলিকৈ
কেতিয়া বেলি ওলায় - তৰে ৰাতিয়ে চন্দ্ৰতাপ!
একেই সব - সব একে! বুঢ়া হ'লো -
বিষাদ; যি অপাৰ্থিৱ, বতৰে বতৰে উকমুকনি মন গহনত।
তাৰ ৰং - বেহো সময়ৰ দৰে। মন পকে আৰু দৃষ্টিৰ ভেউকা সৰে।
কালি এদল গুচৰি আহি মোক হাই- হুহ নকৰাকে'
ছয়াময়াকে নাচি গ'ল। বেয়া লাগিল।
আজিকালি তাতে নুশুনোও নহয়।

## নদী, মৰু, মৰীচিকা আৰু এটি আশা

আকাশবন্তি গগৈ
স্নাতক ৩য় বৰ্ষ (ইংৰাজী বিভাগ)

বহুত দিনৰ আগতেই শুনা সাধু—
এখন দেশত এজন ৰজা
এজনী ৰাণী আছিল

আকাশীলতাৰ শিপা বিচাৰি বহুত দিন কাটি গ'ল

বাৰীৰ চুকত বগৰী পুলি ৰুই
তাই বগলী হ'বলৈ গ'ল

আকাশৰ বুকুত ডাৱৰ আছিল কিন্তু
পানী নাছিল

পানীপিয়াৰ বাবে পানীগছাই যথেষ্ট নাছিল

এদিন তাই সৰীসৃপৰ দৰে
নিজেই বগাই
বৰষুণ হ'বলৈ গ'ল।



## প্ৰেমৰ বাবে

**পৰীবুল দেৱী**
স্নাতক ৩য় বৰ্ষ (অসমীয়া)

বেলিটো লহিওৱাৰ পৰত
কিচিৰ -মিচিৰ শব্দৰে উভতিছিল চৰাইজাক
হেঙুল আকাশত উৰি ফুৰিছিল এজাক উঁইচিৰিঙা

সন্ধিয়াৰ বাঁহীৰ সুৰে
আকাশত জোন গলাইছিল।

জোনৰ কাষতে থকা এটি তৰাই
মোৰ কাণে কাণে বিৰবিৰাই সুধিলে
"প্ৰেম মানে কি?"
প্ৰেমৰ অৰ্থ বিছাৰি মই
বাৰে বাৰে থমকি ৰৈছিলো....

মোৰ বাবে প্ৰেম আছিল
নীলা বেদনাৰে পূৰ্ণ
আঁউসী ৰাতিৰ বিধ্বস্ত সপোন।
তৰাটোৱে বিচাৰিছিল নেকি
জোনৰ প্ৰগলভ প্ৰেম?

সি হয়তো কোনোদিন দেখা নাছিল
হৃদয়ৰ দুৱাৰ ভাঙি উৰি যোৱা
হেমন্তৰ বুলবুলি।।



## এটা প্ৰেমৰ কবিতা

**দিপম কুমাৰ বম ন**
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (বিজ্ঞান শাখা)

মনত পৰেনে তোৰ নাজমা,
যোৱাবেলিৰ পথাৰ ভৰি পৰা প্ৰেমিক শইচবোৰ।
হেঙুলীয়া আকাশৰ আঁৰত বহি,
আবেগৰ শাঁত ৰিচাৰি
সিহঁতৰ আলিঙ্গনৰ উমাল আবেলিবোৰ।

হৃদয়ৰ প্ৰেমিক বনজুইৰ উম লৈ
বসন্ত ও য'ত আঁখে ফুটাদি ফুটিছিল।

নিয়ৰত সেমেকি উঠা তোৰ ওৰণাখনিত
মোৰো যে হৃদয় গলিছিল

প্ৰেম গোন্ধোৱা সেই ধূসৰ আবেলিবোৰত
আবেগৰ বকুল সৰিছিল।
পৰেনে মনত তোৰ
মনত পৰেনে তোৰ সৌ সিদিনা
পবিত্ৰ ৰোজাৰ আবেগ উজাৰি,
ঈদৰ নামাজে তোৰে মোৰে বাবে যে গোলাপ চিঙিছিল
বড় মছজিদৰ বহল চোতালত
প্ৰেমিক ৰছুলে যে এটি জিকিৰ গুণগুণাইছিল।
কিন্তু আজি মোল্লা চাহাবৰ সেই ইবাদতবোৰ
মোৰ নিৰস নিৰস লাগিছে।
যেন কুকুৰে চোবোৱা হাড় এটুকুৰাত
শুকান কাঠফুলা গজিছে।
কাৰণ তই যে আজি আৰু নাই,
ঘূৰি নহা প্ৰতিশ্ৰুতিবোৰ থৈ গলি হৃদয় ভৰায়।

কবৰৰ সীহ গুচাই তোক চাবলৈ, মৰম কৰিবলৈ
মোৰ এতিয়াও বাৰুকৈয়ে মন যায়,
কিন্তু মোৰ মনৰ সাহ যে আজি ভাগৰুৱা হায় ;
তিক্ততাৰ বাঁহ ফলা শব্দ, হুল পুতা চিৎকাৰে
মনৰ পৃথিৱীত খলকনি লগায়।

মহামাৰীৰ শুকান ছাঁত শুইপৰা তোৰ দেহটোৰ,
গেলা মাংসৰ গোন্ধেৰে সেমেকা কবৰৰ অস্থিবোৰে
কেনেদৰে আজি মৰমৰ আঙুলি বুলাব,
তয়েই কচোন মৰমী নাজমা, মোক্তাবৰ দুখৰ চাৰিআলিত,
আত্তি ক্লান্তিৰ সুহুৰিবোৰে তোৰ অৰিহনে বাৰু
কেনেদৰে সপোন পুহিব..................।।



## সৃষ্টি

**ৰক্তিমা হুজুৰি**
স্নাতক ২য় বৰ্ষ

দুবৰিৰ দৰে তোমাৰ
দুচকুৰ নিয়ৰ মই বহন কৰোঁ
কুঁহিপাত হওক তোমাৰ হৃদয়
তাৰ ভৰসাত মই আকাশ হওঁ

তেজৰঙী ফুলবোৰ ফুলক দিয়া
তেহে যদি সলনি হয় তেজৰ বৰণ
এয়া যে ঋতুৰ শেহত
আন এটি ঋতুৰ বতৰ।

হিম-শিখা হৈ জ্বলা তুমি,
গলি নদী হৈ বোৱা
কুঁহুমীয়া ৰ'দত
তপত বালিত বহি
আমি পাতিম
বীজ সিঁচাৰ উৎসৱ
সেউজময় হ'ব স্পৰ্শকাতৰ ধৰা।।

## কবিতা

**সৌৰভ দাস**
স্নাতক ৩য় বৰ্ষ (ইংৰাজী)

জোনাকী পৰুৱাৰ ক্ষীণ পোহৰতেই
চেৰীফুলবোৰ ফুলিল
গভীৰ হ'ল হেঁপাহৰ দিহিংপৰীয়া নিশা।
পথাৰৰ ঠেক আলিয়েদি তোৰ সঘন আঁহযাঁহ।
হৃদয়ত লৈ নূপুৰৰ ঝুনুক ঝানাক শব্দ
তই হাঁহ নে নৈ খনে কথা কয়
ঠন ধৰি উঠে ভৰ পক দিয়া শস্য

তুলসী মোৰ আজন্ম সখি
হেমন্তত বুকুভেদি ওলায় কুঁৰলি
কহুৱা ফুলাৰ বতৰতেই চেহনাইৰ শব্দত
মাহ হালধিৰে গা ধোৱে হাঁহিমুখীয়া যৌৱন।
তোৰ কিজানি খবৰেই নাই
নিয়ৰবোৰেও কথা কয় নিঃশব্দে
কৰবৈৰ তললৈ নামি আহে জোন

তই জানো নাজান কিহৰ বাবে যোৰ পাতি উৰে নীড় মুখী পখীবোৰ
জেঠৰ দলনিত নাচে ৰূপালী মাছ
আজলী কাজলি পাতি উৰাই দে ধক্ধকীয়া পাৰৰ ৰুণ
মই ভাল পাওঁ - ভাল পাওঁ তোক।
বতাহৰ শব্দত কান পাতি শুনিবি হৃদয়ৰ ধপ্ ধপ্নি
অৰ্থ বিচাৰি হাবাথুৰি নাখাবি মদমত্ত শব্দবোৰৰ
আলফুলে মাতিবি পৰ্বতৰ দাঁতিত লুকাভাকু খেলিম
ডালিমী তোৰ লিহিৰি আঙুলি কেইটাৰে জপাই দিবি
মোৰ ওঁঠ।।

## গছ

**ভাস্কৰ জ্যোতি গগৈ**

হঠাৎ
মৰা গছজোপাৰ পৰা
ওফৰি অহা ধুমুহাজাকে
মোক ভুবাই থৈ গ'ল



পানীত

হালধীয়া মাছবোৰে
পানীৰ লোৰ কাটি
মোক বাট দেখুৱাই নিলে
মেটেকাৰ বেঙুনীয়া গোন্ধবোৰ সোমাই গ'ল
মোৰ বুকুৰ গলিয়েদি
সেউজীয়া শেলাইৰ জখলাইদি
মই উঠি আহিলোঁ
পানীৰ ওপৰলৈ'
হাতমেলি ঢুকি পোৱা এখন নাৱেৰে
মই ভটিয়াই গলোঁ
তোমাৰ বুকুৰ ভিতৰলৈ
মই তোমাৰ বুকুৰ ভিতৰত
গজি উঠা
এজোপা গছ।।



## বৰষুণ

**কুশল দত্ত**

ক চোন ক সোণ
এই ছিৰাল-ফটা পথাৰখনৰ সিপাৰৰ নীলা নৈ খনৰ নাম কি?
চকুৰে নমনাৰ সিপাৰৰ উৰণীয়া ডাৱৰ জাকৰ ঘৰ ক'ত?

আবেলি- ৰেলিকা তয়ে ময়ে ওলাই যাম
আঁহত গুৰিৰ বৰবিলত বৰশী বাম
ধনগুলৈ খেদি ঘৰলৈ ঘুৰিম
বাঘধেনু ঘুৰাই তাইক মাতিম তাইক মাতিম .........

উৰণীয়া পথাৰখন ঘূৰি ঘূৰি ডাৱৰবোৰ থুপ খাব নামনিত

গাজি-গুমৰি বতাহৰ ৰথত উঠি তাই আহিব
দিগন্তৰ সিপাৰলৈ জুৰুলি জুপুৰি হৈ সৰাপাতে নাচিব
পূবৰ আকাশলৈ' উঠি উঠি আহিব দলনিৰ দীঘল- ডিঙিয়া আজান পখী

ঠিক তেতিয়াই যাত্ৰাৰম্ভ কৰিম আমি
ঘৰলৈ ঘূৰা ধুমুহা এজাকৰ গোঁজৰণিত
এপদ এপদকৈ কাপোৰ খুলি নাচি থাকিব তাই ওৰে ৰাতি।

## জুই আৰু তোমাৰ ছবি

**ৰঞ্জিত কুমাৰ দাস**
স্নাতক প্ৰাৰম্ভিক বৰ্ষ

কলিজাৰ ৰক্তজবা পাহ আতৰাই নিদিবা
গ'ল জানো কোনোবা ভাণ্ডি পৰা বুকু গচকি
এন্ধাৰ চকুত গজি উঠা মকৰা জালৰ চিক্ মিক্নিত
সাৰ পায় জানো অৰণ্যৰ মাজৰে ধৰা এটি বাট
তোমাৰ তৰোৱালৰ তীব্ৰ আঘাতত।

## বৰপানী দলঙৰ পৰা

**শিৱ প্ৰসাদ বড়া**
স্নাতক ১ম বৰ্ষ (বুৰঞ্জী বিভাগ)

আবেলিটো বেছ্ হালধীয়া হৈ পৰিছিল।
মৰম কোমল জোনাকৰ দৰে,
স্নিগ্ধ। তেওঁৰ দেহৰ ভাঁজবোৰৰ দৰে, সপোনময়।
দলঙৰ ৰেলিঙত আঁউজি তেওঁৰ স'তে মই বৈ আছিলোঁ আৰু
নিবিড় নয়নেৰে স্পৰ্শ কৰিছিলোঁ নৈখনৰ করুণাময় গতি।
সপ্ৰেম সকৰুণ চেঁচা।

মই কোনো কালে কোৱা নাছিলোঁ তেওঁক মোৰ নিঃস্বতা অথবা দীনতাৰ কথা।
অথচ কি এক অবাক অহংকাৰত উতলা হৈ লালন কৰিবলে খুজিছিলোঁ ৰূপালী ৰাতিৰ দুঃখ!
..... ক্ৰমে বৰপানী নৈৰ ছন্দোময় দুখেৰে গধুৰ হৈ আহিছিল সময়।
জাকপাতি উৰি গৈছিল দূৰণিৰ বগা চৰাইবোৰ। নৈপৰীয়া নিজানত
তেনেই অকলশৰীয়াকৈ ফুলিছিল এপাহ খৰিকাঁজাই।
জোপোহাৰ তলেৰে গোপনে আগবাঢ়িছিল বিষাদ— কোমল আন্ধাৰ।
ক্ৰমাত্ গো-ধূলিৰে ধূসৰ হৈ পৰিছিল উৎকৰ্ণ পথ-পদূলি- চোতাল।

তেওঁ নজনাকৈয়ে মই শিপাই আছিলোঁ তেওঁত আৰু বুৰ গৈছিলোঁ
তেওঁৰ শৰীৰৰ প্ৰগাঢ় বৰ্ণময়তাত।

ঠিক
এই যেন
এই এজাক বৰষুণ নামি আহিব,
ধাৰাসাৰে তিয়াই পেলাব
মোৰ আপোন বিষাদ।

আহ!
তেওঁৰ গাৰ আটাইতকৈ বগা চাদৰখন হৈ তেওঁক চুমি চাব পৰা হ'লে!

( বৰপানী ঃ এখনি সৰু পাহাৰীয়া নৈ)

## নাচনী পৰ্দা

**নিবেদিতা ফুকন**
স্নাতক ১ম বৰ্ষ (ভূগোল বিভাগ)

এক
পৰ্দাখন যি নচুৱাই গুচি গ'ল
সি আৰু নাহিল
পৰ্দাখন নাচি নাচি নিজেই
নাজানে কেতিয়া টোপনি গ'ল

নাচনী পৰ্দা নাচি আছে বতাহত

দুই
বতাহত নাচি থাকে পৰ্দাখন
দুৱাৰৰ বুকুত
তাইৰ ফুলবোৰে শুনি থাকে সিপাৰৰ চিএৰবোৰ
বতাহত নাচে, যিখনত তাই ওলমি আছে
সেইখন শুই থাকে

নিদ্ৰাচাৰী সেই দুৱাৰখনেৰে পাৰ হৈ যায় পৰ্দা
নচুৱা মানুহটো, সেইখন শুই থাকে
তাৰ হাতত জহা জহা গোন্ধ
তাইক নচাই যোৱাৰ আগতো-পাচতো

তিনি
সপোনত তাই কুচি মুচি শুই থাকে
ৰঙা ৰঙা ফুলবোৰে নাচে
টোপনিত তাইৰ মূৰটো এবাৰ তললৈ এবাৰ ওপৰলৈ দো খায়

ৰঙা ফুলবোৰ নাচি নাচি ওপৰ পাই
পিছলি নামি আহে, চোঁচৰাৰ খেলা
খেলি থাকে

টোপনিত তাই খোজ কাঢ়িব নোৱাৰে
সপোনৰ পিঠিত উঠি গৈ থাকে
পৰ্দা নচুৱা মানুহটোক বিচাৰি বিচাৰি
ৰঙা ৰঙা ফুলবোৰে চিএৰে
অ' পৰ্দা নচুৱা মানুহটো তাই তোমাকেই দেখে
সপোনত।





## তিনিটা কবিতা

**কুশল দত্ত**

কবিতা / ১
জোনাক আৰু তৰাফুল সৰিবলৈ'
তুমি তোমাৰ ঘৰৰ মূধছত ৰাখি থোৱা জলঙা
উজাগৰ নিশা। জলঙাৰে সৰে তোমাৰ চেঁচা-চকুলোৰ বৰষুণ

তুমি যি সপোন বুলি ভাৱা
তুমি নভৱাকৈয়ে তোমাৰ চেতনাত মুহূৰ্ত্তৰ কল্পনা-বিলাস সি

কাগজৰ পোকে কুটি একৱায় চিনাকি শব্দৰ সুৱদি শৰীৰ
উতনুৱা বতাহত উৰি যায় বৰ্ষণ-মুখৰ ঘনীভূত ভাৱৰ

মই তোমাৰ বিশ্বাসত স্থাপন কৰোঁ মোক
ন্যায্যতাৰ ন্যায়ালয়ত হত্যা কৰোঁ বিশ্বাসৰ বিশ্বাস
ৰ'দৰ বতাহ চুবলে' বগাই পাৰ হওঁ হিমালয়ৰ চূড়া

কবিতা/ ২
চিতাৰ জুইত থৈ অহাৰ কথা নাছিল মোৰ কলডিলীয়া কলিজাটো
কোনোদিনে দেখাৰ কথা নাছিল ক্ৰমশঃ হালধীয়া সেই সপোনটো

শুধ-বগা ৰূপ এজাউৰিয়ে লৈ অহাৰ কথা আছিল দুপৰৰ দুৰ্জয় নিৰ্জনতা
সোঁৱৰণিৰ সঁফুৰা খুলি গুণ গুণ গান এটাই শইচ্ সেউজীয়া পতাকা

আচলতে কথাবোৰ ইমান সহজ বা অসহজ নাছিল
অথচ এটাৰ পিছত এটাকৈ ঘটি যায় অনিবাৰ্য ভাৱে।

# কথা শিল্প





# হৃদয় এপাহ ৰজনীগন্ধা

পাপৰি শইকীয়া

বৰ জোৰেৰে বলিবলৈ আৰম্ভ কৰিছে বতাহজাক। কি ভয়ংকৰ ভাবে কঁপাই নিছে উপাসনাৰ আঁচল। উপাসনা কিন্তু উঠি যোৱা নাই। আকাশলৈ চাই চাই তাই গুণগুণাই আছে এটা গীতৰ কলি। অচিৰেই হয়তো এজাক বৰষুণ হ'ব।..... এই মুহূৰ্ত্তত বৰ অকলশৰীয়া লাগিছে নিজকে উপাসনাৰ। 'প্ৰত্যেক মানুহৰে চাগে এটা গোপন দুখ থাকে। যি দুখৰ সাক্ষী তেওঁৰ একান্ত নিজস্ব সময়। আজি কিছুদিনৰপৰা এনেকৈ অকলশৰে বহিলেই কিয় জানো এটা অনামী দুখে উপাসনাৰ বুকুখন চুই যায়।

এই মুহূৰ্ত্তত অনুপল লগত থকা হলে! দুয়ো মিলি উপভোগ কৰিলেহেঁতেন সন্ধ্যাটোৰ এই বাউলী ৰূপ। কিন্তু! কি থিক অনুপল লগত থকা হলেও এই মুহূৰ্ত্তত হয়তো কলেহেঁতেন – "এই! ইমান জোৰেৰে বতাহ বলিছে! বলা, ভিতৰলৈ বলা।" ... আজি কিছুদিনৰপৰা কি জানো হৈছে অনুপলৰ! কেৱল কাম আৰু কাম। আহৰি পালেও যেন আগৰদৰে তাইৰ সতে বহি অসংলগ্ন সৰু সৰু কথাবোৰ পতা, অপৰিকল্পিতভাৱে কটোৱা কিছু নিবিড় মুহূৰ্ত্তৰ বাবে অনুপল লালায়িত হয় সেই আগৰদৰে। অথচ এটা দিন আছিল জীয়াই থাকিবলৈ সিহঁতক লাগিবই আকাশ, জোনাক আৰু সেউজীয়াৰ স্পৰ্শ – এয়াই আছিল অনুপল আৰু উপাসনাৰ একান্ত বিশ্বাস......

"উপা, মই জানো, তোমাৰ বাদে অন্য কৰো সতেই মই জীৱনটো ভাগ কৰিব নোৱাৰো। কাৰো কোলাত মূৰ থৈ চাব নোৱাৰো আকাশ, জোনাক আৰু সেউজীয়া"......

উপাসনা আৰু অনুপলৰ সেই সপোনে বাস্তৱ ৰূপ পালে। জীৱনক চিৰদিনৰ বাবে নিজৰ কৰি ললে দুয়োৱে। অকণমানি আকাশ আহিল। অনুপল আৰু উপাসনাৰ প্ৰেমৰ প্ৰথম স্বাক্ষৰ। সকলো, সকলো থিকেই আছিল, কিন্তু তাৰ মাজতেই লাহে লাহে যেন কিবা এটা শূন্যতা আহি পৰিছে। সময়ৰ লগে লগে সলনি হয় নেকি মানুহৰ একান্ত অনুভূতি? – ভাবে কোনোবা মুহূৰ্ত্তত উপাসনাই। কিন্তু তাইতো সলনি হোৱা নাই! ব্যস্ততা উপাসনাৰো আছে। এখন সংসাৰ নিয়াৰিকৈ চলাই, আকাশক চোৱাচিতা কৰাৰ পৰা কলেজত অধ্যাপনালৈকে এইবিলাকেই উপাসনাৰ দিনটোৰ সমস্ত সময় কাঢ়ি লয় তথাপি তাৰেই ফাঁকে ফাঁকে উপাসনাই নিবিড় আবেগেৰে স্পৰ্শ কৰিব বিচাৰে জীৱন। চাব খোজে জোনাক .....।

সেই তাহানিৰ দৰে অনুপলৰ সতে কটাব খোজে কিছু অপৰিকল্পিত মিঠা মুহূৰ্ত্ত। কিন্তু সেয়া আৰু হৈ নুঠেগৈ। অফিছৰ পৰা আহি পুনৰ বন্ধু-বান্ধৱ, ফাইল অথবা অন্যান্য কাৰ্য্যসূচীয়ে কাঢ়ি লয় অনুপলৰ সময়। নাইবা কিছু আজৰি পালেই আকাশক কোলাত লৈ হূলস্থূল লগাব অনুপলে "উপা, ওলোৱা বহুতদিন চিনেমা চাবলৈ যোৱা নাই; আজিৰ ডিনাৰ বাহিৰত কৰিম।" কিয় অনুপলে নকয়, তোমাৰ সতে কটাব খোজো অকণমান সময়। ..... বেছি আচৰিত হৈ পৰে উপাসনা, যেতিয়া দেখে নিজৰ এই ব্যস্ততাৰ বাবে অনুপলৰ অকণমানো আক্ষেপ নহয় আজিকালি। কিমান সহজে সি চুক্তি কৰি লৈছে সময়ৰ লগত। অথচ এদিন .......................

(২)

এদিন এইটো অনুপলেই উপাসনাৰ প্ৰতিটো একান্ত মুহূৰ্ত্ত উপচাই দিছিল ফুল, তৰা আৰু গানেৰে। কবিতা কবিতা লগা আছিল অনুপলৰ প্ৰতিটো কথা। সঁচা কবলৈ গলে উপাসনাৰ ভিতৰৰ মানুহজনীক প্ৰথম জগাই তুলিছিল অনুপলেই। অনুপল জীৱনলৈ অহাৰ পাছতেই উপাসনাই বুজিছিল অকাৰণতো জাগি থাকি আকাশ চোৱাৰ কি আনন্দ! উপলব্ধি কৰিবলৈ শিকিছিল মায়াময় জোনাকৰ আমন্ত্ৰণ কিমান দুৰ্বাৰ!........

প্ৰেমবিহীন এটা জীৱন কিমান সুবাসহীন হব পাৰে সেয়া উপাসনাই নাজানে কিয়নো জীৱনৰ সোতৰটা বসন্ত পাৰ কৰাৰ পাছতে উপাসনাৰ জীৱনলৈ প্ৰেম আহিছিল।

প্ৰেম!
সীমাৰ সিপাৰৰ এক সেউজীয়া দেশ!
জীৱনৰ মধুৰতম কবিতা!.........

উপাসনাৰ জীৱনলৈ প্ৰেম আহিছিল সংগোপনে! অনুপলৰ মাজেৰে। অনুপলেই লৈ আহিছিল উপাসনালৈ প্ৰেমৰ সেই অনিৰ্বচনীয় অনুভূতি সিও আছিল এক মধুৰ কাহিনী। বুকুৰ মাজত সংগোপনে জীয়াই থাকে সেই সেউজীয়া স্মৃতি...

"স্মৃতিৰো যে আছে এটা নিজস্ব দাবী!

(৩)

১ জানুৱাৰীৰ পিক্‌নিক্। স্থানীয় ল'ৰা ছোৱালীখিনিৰ লগতে হোষ্টেলৰপৰা ওলাইছিল উপাসনা, অন্তৰা নীলাক্ষীহঁত। কলেজীয়া জীৱন। মুক্ত, প্ৰফুল্ল সুবাসময় জীৱন!

পিক্‌নিক্ বুলি কাৰো গাত তৎ নাই। গোটেই ৰাস্তা চিএৰ আৰু

হাঁহিত কাণ ফাটো ফাটো। কিন্তু সেইদিনাৰ সেই ৰ'দালী দিনটো হঠাতে বিষন্ন হৈ পৰিছিল উপাসনাৰ কাৰণে।..... আচলতে সেইদিনাৰ সেই ঘটনাটো আছিল পৰিকল্পিত। ক্লাছটোৰ ভিতৰতে সাংঘাতিক বুলি নাম থকা অজয়, বিদ্যুত, পৰিমলহঁতৰ আচনি আছিল সেইয়া। ক্লাছটোৰ ভিতৰতে ধুনীয়া আৰু কম কথা কোৱা উপাসনাই সদায় সিহঁতৰ পৰা বজাই ৰখা সচেতন দূৰত্বই যেন সিহঁতৰ পৌৰুষত্বত আঘাত কৰিছিল। সেইবাবেই ......

উপাসনা! অজয়ৰ মাতত উচপ খাই উঠিছিল নদীখনলৈ তন্ময় হৈ চাই থকা উপাসনা। মুখ ঘূৰাই চালে তাই। অদূৰত বিদ্যুত, পৰিমল, জয়ন্ত......

বতাহত উৰি থকা দীঘল চুলি থিক কৰি উপাসনাই কৈছিল -- কি হ'ল ?

"তোমাক নীলাক্ষীহঁতে মাতিছে। সেই যে গৰাটো, তাৰ ভিতৰতে সিহঁতি বহি আছে।" ..... তেতিয়াহে মন কৰিছিল উপাসনাই কাষতচোন কোনোৱেই নাই! ভাবত বিভোৰ হৈ থাকোতে কবই নোৱাৰিলে তাই, কেতিয়াৰ সিহঁত আতৰি গ'ল ... নিজকে গালি পাৰি পাৰি তাই খোজ আগবঢ়াইছিল আৰু প্ৰায় দৌৰিয়েই গৈ নামি পৰিছিল গৰাটোত। কিন্তু এইয়া কি! গৰাটোত সোমাইহে মন কৰিছিল উপাসনাই .... নাই, কাবেৰী, নীলাক্ষী, অন্তৰা.. কোনো নাই। বহি আছে অনুপল হাতত গীটাৰখন লৈ। এক মুহূৰ্তৰ বাবে যেন বোবা হৈ পৰিছিল উপাসনা। ..... এনেতে হুৰমুৰকৈ ক'ৰপৰা জানো ওলাইছিল কাবেৰীহঁত ...... "উপাসনা! তুমি ইয়াত যে ! আমি আকৌ কিবা ভাবি থকা দেখি তোমাক ডিষ্টাৰ্ব নকৰি সেই হাবিখনৰপৰা আহিলোঁগৈ। এতিয়াহে জানিছো প্ৰগ্ৰেম বেলেগ!" ৰঞ্জনাৰ কথাকিটাৰ লগে লগে উফৰি আহিছিল এসোপা খিলখিল হাঁহি.. এনেতে কাষ চাপি আহিছিল বিদ্যুতহঁত, দুষ্ট হাঁহি এটা মুখতলৈ অজয়ে কৈছিল - -- " ৰঞ্জু, কাবেৰী! তোমালোক মহা আনৰোমান্টিক দেই। আঁহা আঁহা, আমি কামত লাগো। উপাসনা! enjoy yourself " আকৌ এসোপা অৰ্থপূৰ্ণ হাঁহি বিয়পি পৰিছিল চৌপাশে ..... উপাসনাই বুজি উঠিছিল এইয়া অজয়হঁতৰে প্লেন আছিল। কিন্তু অনুপল! তাকতো এনে বুলি ভবা নাছিল তাই! ছি ..... কি ভাবিছে বাৰু চবেই তাইক! দুহাতেৰে মুখ ঢাকি উপাসনা দৌৰিছিল, অনুপলে চিএগৰিছিল --- "উপাসনা! শুনাচোন! তাই মাথো দৌৰিছিল। সেইদিনা পিক্‌নিকৰ পৰা আহি হোষ্টেলত সোমাইয়ো বিচনাত পৰি হুকহুকাই কান্দি উঠিছিল তাই।

গধুৰ মনটো লৈয়ে পিছদিনা উপাসনা ক্লাচলৈ ওলাই গৈছিল। ধাৰাষাৰ বৰষুণ দি আছিল সেইদিনা। পকা সুমথিৰা ৰঙৰ ছাতিটো লৈ সাৱধানে খোজ দিছিল তাই।

'উপাসনা! -- উচপ খাই উঠিছিল তাই। ক্লাচৰুম পাবলৈ অলপ দূৰ থাকোতে কৃষ্ণচূড়াজোপাৰ তলত সেই বৰষুণত তিতি ৰৈ আছিল অনুপল।

"উপাসনা! কালিৰ কথাটোৰ বাবে তুমি মোক বেয়া পাইছা, নহয়? মই কিন্তু একোকে নাজানো, তুমি এনেয়ে ভুল বুজিছা.........." গোটেই গা বৰষুণত তিতা, চুলিৰ আগেৰে টপ্‌টপ্‌কৈ পানী পৰি থকা অনুপলক সেই মুহূৰ্ত্তত ভীষণ নাৰ্ভাছ যেন লাগিছিল। সৰল চকুহালৰ অজলা চাৱনিটোত এক অবুজ মৰম উপজি গৈছিল তাইৰ ...... কিন্তু আগদিনাৰ ঘটনাতো মনলৈ আহিয়েই নেকি এটা অদ্ভুত খঙত কব নোৱাৰাকৈয়ে তাইৰ মুখৰ পৰা ওলাই আহিছিল ---- "হব, হব। এতিয়া অভিনয় নকৰিলেও হব। যি লাজ দিবলগীয়া আছিল, কালিতো দিলাই। তোমালোক চব একেই" ........... খৰখোজেৰে আতৰি গৈছিল উপাসনা ......... সেইদিনা ক্লাচত



অজয়হঁতো যেন কিছু গহীন হৈ আছিল। ক্লাচ শেষ কৰিয়েই তলমূৰকৈ ওলাই অহা উপাসনাক বেৰি ধৰিছিল সিহঁত কেইটাই। অজয়েই আৰম্ভ কৰিছিল--- "উপাসনা, আমি বুজিছো, তুমি খুব বেয়া পাইছা আমাক। সেইদৰে ধেমালি কৰিব নালাগিছিল আমি। ভুল হৈ গ'ল। কিন্তু তুমি অনুপলক ভুল নুবুজিবা। সি সঁচাকৈ একো নাজানে। আমিয়েই ...... অজয়ৰ কথাৰ ওপৰতে বিদ্যাতে কৈ উঠিছিল -----

"অনুপলে কৈছে তুমি যদি তাক ভুল বুজি থাকা, সি আমাক কেতিয়াও ক্ষমা নকৰে। উপাসনা, অনুপলৰ দৰে ল'ৰা এটাৰ বন্ধুত্বক আমি হেৰুৱাব নোখোজো।"..... উপাসনাৰ চকুৰ আগত মাথো ভাঁহি উঠিছিল বৰষুণত তিতি থকা চুলিৰে অনুপলৰ চকুহাল! আঃ কিয় বাৰু সেইদৰে কলে তাই .......

পিছদিনা ক্লাচৰুমত সোমাই তাই চকু ফুৰাইছিল - নাই, সকলো আছে। মাথো অহা নাই অনুপল। তাৰ পিছদিনা তাৰ পিছদিনাও কোনে জানো কোৱা কাণত পৰিছিল --- "অনুপলৰ খুব জ্বৰ।" ইচ! সেইদিনা বৰষুণত তিতিয়েই চাগে তাৰ জ্বৰ হৈছে। অথচ তাই কি নিষ্ঠুৰভাৱে ......... অনুশোচনাত গোপনে ভাঙি পৰিছিল উপাসনাৰ অন্তৰ। জীৱনত প্ৰথমবাৰ কাৰোবাৰ বাবে গোপনে কান্দিছিল তাইৰ অভ্যন্তৰ। উপাসনাই থিক কৰিছিল এইবাৰ অনুপল আহিলেই তাই সকলো সংকোচ কাতি কৰি থৈ তাক সেইদিনাৰ ব্যৱহাৰৰ বাবে ক্ষমা বিচাৰিব। কিন্তু উপাসনাই নজনাকৈয়ে জীৱনে তেতিয়া বহু মধুৰ আশ্চৰ্য্যক গোপনে কঢ়িয়াইছিল তাইলৈ; অজানিতেই অনুপলৰ সেই মুহূৰ্ত্তৰ বৰ্ষাস্নাত প্ৰতিচ্ছবি বুকুৰ মাজত বন্দী হৈ গৈছিল উপাসনাৰ। আৰু এই মধুৰ আশ্চৰ্য্যক যেতিয়া তাই আবিষ্কাৰ কৰিছিল, তেতিয়ামানে অনুপলেও হৃদয়ত সমস্ত সততাৰে লিখি পেলাইছিল এটা নাম- 'উপাসনা'! এবোজা সংকোচেৰে নিজৰ ব্যৱহাৰৰ বাবে ক্ষমা খুজিবলৈ অনুপলৰ ওচৰলৈ যোৱা উপাসনা আৰু কোনোদিন উভতি আহিব পৰা নাছিল নিজৰ কাষলৈ। চিৰদিনৰ বাবে বন্দী হৈ গৈছিল উপাসনাৰ হৃদয়! কিমান সুখৰ এই বন্দীত্ব! যাৰ বাবে মানুহে হাজাৰ স্বাধীনতাক কবৰ দিব পাৰে .......

এই উপলদ্ধিয়েই অনুপল- উপাসনাক লৈ গৈছিল এখন নতুন পৃথিৱীলৈ।

হৃদয়ৰ আবিষ্কাৰৰ যাত্ৰা প্ৰকৃততেই যে বৰ মধুৰ!

.......... বকুলফুলা এটা ক্ষণত অনুপল উপাসনাই এদিন চুক্তি কৰিছিল আজীৱন এক হৈ থকাৰ! হৃদয়ৰ অলিখিত চুক্তি। সেইদিনা অজয়, বিদ্যুত, জয়ন্তহঁতে হাঁহিছিল। হাঁহিছিল কাবেৰী, নীলাক্ষীহঁতেও। সেইয়া হৃদয়ৰ সঁচা হাঁহি ।.....

"মানুহক জীয়াই থাকিবলৈ সকলোতকৈ উৰ্দ্ধত যে প্ৰেমৰেই প্ৰয়োজন।"

**(৪)**

দেওবাৰৰ ৰাতিপুৱা। ব্যস্ততাৰ পৰা সেইদিনা উপাসনা কিছু মুক্ত। বিচৰামতে ৰুটিন তৈয়াৰ কৰে তাই। পৰাপক্ষত অনুপলো ঘৰতেই থাকে। সেইদিনা নিজ ইচ্ছাৰে উপাসনাই অনুপলৰ পছন্দমতে ৰন্ধা-বঢ়া কৰে, ঘৰৰ কাম কাজ কৰে। —

পুৱা সাত বজাৰ বাতৰি লবলৈ T. V. ৰ সন্মুখত বহি আছে অনুপল কোলাত আকাশকলৈ। উপাসনা পুৱাৰ খোৱাৰ আয়োজনত ব্যস্ত। অনুপলে বৰ ভাল পায় ৰুটি আৰু আলু মটৰৰ তৰকাৰী।

"উপা, ইয়ালৈকে লৈ আঁহা" — চিঞৰিছিল অনুপলে।

দুয়োৰে বাবে ৰুটি তৰকাৰী সজাই উপাসনাও বহিলহি অনুপলৰ কাষতেই। বাতৰিৰ পিছতে যে তাইৰ প্ৰিয় অনুষ্ঠান। বনকৰা ছোৱালী কামিনীয়ে আকাশক লৈ গল অনুপলৰ কোলাৰপৰা। এবছৰৰ পৰাই কামিনীৰ কোলাত উঠি উঠি আকাশে আজিকালি অকণো আমনি নকৰে তাইক। বৰ মৰম কামিনীৰ আকাশলৈ ।

........... উপাসনাই সযত্নে বনোৱা তৰকাৰীৰ পৰা সুস্বাদু গোন্ধ বিয়পি পৰিছে। আগ্ৰহেৰে ৰুটিৰ টুকুৰা ছিঙিছিল অনুপলে। নিজেও এটুকুৰা মুখত ভৰাই উপাসনাই T. V. ৰ পৰ্দাত চকু থৈছিল আৰু লগে লগেই শিয়ৰি উঠিছিল তাই। কৰবাত ব'মা বিস্ফোৰণ হৈছে। চাৰিওফালে সিঁচৰতি হৈ পৰি আছে মৃতদেহৰ টুকুৰা, তেজৰ ডোঙা বান্ধিছে..... আৰু ........ আৰু ......... তাৰ মাজতে পৰি আছে এটা শিশুৰ খণ্ডিত মৃতদেহ! আকাশৰ সমানেই বয়স হব চাগে' তাৰ ..... দুচকু মুদি দিছিল উপাসনাই।

...."ইমান ভাল লাগিছে জানা উপা" — অনুপলৰ মাতে চক খুৱাই দিলে তাইক। অবাক বিস্ময়ত বহল হৈ গৈছিল উপাসনাৰ চকুহাল — "কি? কি ভাল লাগিছে পল?"

"আৰে তৰকাৰীখন আকৌ! ইমান ধুনীয়াকৈ ৰান্ধিছা তুমি" ......... বুকুখন বিষাই উঠিছিল উপাসনাৰ। ইমান নিৰ্বিকাৰভাৱে অনুপলে সেই দৃশ্যটো চাই চাই খাই আছে! যেন ক'তো একোৱেই হোৱা নাই! এইটো অনুপলেই এদিন দুৰ্ঘটনাত পতিত এখন বাছৰ মানুহ দেখি তিনিদিন ভাত খাব পৰা নাছিল। কি এক কৰুণতাই আৱৰি আছিল তাৰ চকুহাল.........

হাতত লৈ থকা ৰুটিৰ থালখন দলিয়াই দিয়াৰ ইচ্ছা হৈছিল উপাসনাৰ, দুচকুত মাথো ভাঁহি উঠিছিল এটা ৰক্তাক্ত শিশুৰ খণ্ডিত মৃতদেহ ... তেজ .... বিবৰ্ণ মুখেৰে উপাসনা দৌৰিছিল বেডৰুমলৈ.........

"এই, উপা কি হ'ল" .................. অনুপলক কোনো উত্তৰ দিব পৰা নাছিল উপাসনাই। তাই আহি মাথো বিচনাত পৰি গাৰুটোত মুখখন হেঁচা মাৰি ধৰিছিল। এইবাৰ অনুপলৰ মুখখন ভাঁহি উঠিছিল তাইৰ দুচকুত। সেইখন যেন এখন অচিনাকি মানুহৰ মুখ! তেন্তে কি .... অনুপল সঁচাকৈ হেৰাই গৈছে! উপাসনাৰ জীৱনলৈ প্ৰথম প্ৰেম কঢ়িয়াই অনা সেই অনুপলক উপাসনাই হেৰুৱাব নোখোজে। কেতিয়াও হেৰুৱাব নোখোজে ............. আৰ্ত্তনাদ কৰি উঠিল তাই।

**(৫)**

কলেজৰ পৰা আহি থাকোতে বাটতে খবৰটো পাইছিল উপাসনাই। ধুমুহাৰ গতিৰে স্কুটাৰ চলাই আহি থকা ৰূপমে তাইক দেখি বাটতে স্কুটাৰ ৰখাই কৈ গৈছিল — "উপা বাইদেউ! খবৰটো পাইছেনে নাই? বজাৰত বোমা বিস্ফোৰণ" .......... ঢক্‌কৈ উঠিছিল উপাসনাৰ বুকুখন।

"ক'ত ৰূপম? কোনখিনিত?"

"শুনিছো, চেইন্ট মেৰীজৰে ওচৰতে হেনো। মই গৈ আছো ...... মুৰটো ঘূৰাই গৈছিল উপাসনাৰ। 'চেইন্টমেৰীজ'! আজি তিনিমাহ হৈছে মাত্ৰ, চাৰিবছৰীয়া আকাশক সেইখন স্কুলত ভৰ্ত্তি কৰি দিয়াৰ। উদভ্ৰান্তৰ দৰে উপাসনা দৌৰিছিল ঘৰৰফালে। চিনাকি বাটটোতে উজুটি খাইছিল তাই। প্ৰচণ্ডভাৱে ঢপঢপাইছিল বুকুখন.........

'মা।' গেটখন খোলোতেই আগবাঢ়ি আহিছে আকাশ, পিছে পিছে কামিনী। দুয়োটাৰে মুখত হাঁহি.... উঃ উপাসনাৰ বুকুৰ শিলচটা কোনোবাই আঁতৰাই দিলে। আনন্দত দুচকু সজল হৈ উঠিল তাইৰ। তেতিয়াহে উপাসনাই ঘড়ীলৈ চালে। এতিয়াতো তিনি বাজি গ'ল! আকাশ স্কুলৰপৰা আহে দুই বজাতে...... উত্তেজনাৰ কোবত সকলো পাহৰি গৈছিল তাই। দৌৰি অহাদি আহি উপাসনাই আকাশক কোলালৈ তুলি লৈ চুমাৰে উপচাই পেলালে। আকাশৰ তপত, কোমল দেহটো বুকুত সাবটি কেইটামান মুহুৰ্ত্তৰ বাবে তন্ময় হৈ ৰ'ল উপাসনা। ...... কিন্তু! পিছ মুহুৰ্ত্ততে উচপ খাই উঠিল যেন তাই। সঁচাই, কি যে স্বাৰ্থপৰ হৈ পৰিছে এই মুহুৰ্ত্তত তাই। আকাশক নিৰাপদ দেখি এক মুহূৰ্ত্ততে তাই পাহৰি গ'ল যে আজি কোনোবা আততায়ীৰ ষড়যন্ত্ৰৰ বলি হৈছে এজাক নিৰ্দোষ মানুহ, . .. কোনে জানে, কাৰ বুকুৰ সাঁচতীয়া সপোন আজি থান - বান হৈ গৈছে ............. ভাৱাক্ৰান্ত মনটো লৈ আকাশক কামিনীৰ সতে এৰি তাই ভিতৰলৈ সোমাই গ'ল ....... এই স্বাৰ্থপৰতাই চাগে মানুহৰ সকলোতকৈ ডাঙৰ দুৰ্বলতা, যাৰ বাবে মানুহে প্ৰিয়জনৰ উত্তাপ বুকুত বান্ধিও মুহুৰ্ত্ততে ছাৰখাৰ কৰি পেলাব পাৰে আনৰ স্বপ্নৰ পৃথিৱী! বিচনাখনত পৰি চকুদুটা মুদি দিলে উপাসনাই।.......

"উপা, উপা! অনুপলৰ মাতত উপাসনাৰ সম্বিৎ ফিৰিল।

ধুমুহাৰ দৰে অনুপল ভিতৰলৈ সোমাই আহিছে।

"তুমি ? ইমান সোনকালে আহিলা?" আচৰিত হ'ল উপাসনা।

"অফিছতে শুনিলো ব'মা বিস্ফোৰণৰ কথা। মই ৰব নোৱাৰিলো। স্কুটাৰ লৈ চিধা আকাশৰ স্কুল পালোগৈ। পাহৰিয়ে গলো যে তাৰ ২ বজাতে ছুটি হয়। গৈ পাইহে মনত পৰিছে, তাত গৈ যি দেখিলো উপা, মন সঁচাকৈ কিবা হৈ গ'ল।........... অনুপলৰ কণ্ঠত অনামী বিষাদ।

উপাসনা কাষ চাপি আহিল অনুপলৰ। "তাত কি দেখিলা পল?"

............. "থিক স্কুল ছুটী হৈছিল আৰু। বাছখন কিছু দূৰত আছিল বাবে সৰহখিনি বাচি গৈছে। কিন্তু সেইখিনিতে আইচক্ৰিম ৱালাটোৰ পৰা আইচক্ৰিম কিনি থকা সৰু সৰু কেইটামান ল'ৰা, আইচক্ৰিমৱালাটো, ওচৰৰ দোকানখন চব শেষ ... চাৰিওফালে তেজ" ........ দুচকু ঢাকি ধৰিলে অনুপলে।

"উস্ আৰু নকবা" বিচনাত পুনৰ পৰি দিলে উপাসনা।

কেইবাটাও নিৰৱ মুহুৰ্ত্ত পাৰ হৈ গ'ল। কোঠাটোৰ বতাহো যেন ভাৱাক্ৰান্ত হৈ উঠিছে।

উপা। অনুপলৰ মাতত চকু মেলি চালে উপাসনাই।

"কিয় এনে হয় বাৰু!" অনুপলৰ মাতত এটা কান্দোনৰ আভাস। অদ্ভুত বিষাদত জঁই পৰা মুখ। অনুপলৰ দুচকুলৈ চালে তাই, সেই তাহানিৰ কৃষ্ণচূড়াৰ তলত বৰ্ষামুখৰ দিনটোত ৰৈ থকা অনুপলৰ চকু সেইহাল, সৰল নামহীন বিষাদত সজল.....

উপাসনা অনুপলৰ কাষ চাপি গ'ল............

'প্ৰেমেই মানুহৰ শেষ আশ্ৰয়'

যন্ত্ৰণা আৰু হাঁহাকাৰৰ পৰা মানুহ যেতিয়া পলাব খোজে তেতিয়াই আশ্ৰয় বিচাৰে প্ৰিয়জনৰ বুকুত।

উপাসনাৰ সুকোমল বুকুত মূৰ গুজি এটা অবুজ শিশুৰদৰে অনুপল শুই আছে। আৰু উপাসনাই গভীৰ এক মমতাৰে অনুপলৰ চুলিত হাত বুলাইছে।

নাৰীৰ বুকুত মমতাৰ সাগৰ থাকে।

আছে উপাসনাৰ বুকুতো। আৰু আজি সেই মমতাক বিচাৰি আহিছে অনুপলে।

আজি কিমানদিনৰ মূৰত অনুপলক ঘূৰাইপাইছে উপাসনাই।

"জানা উপা, আকাশৰ স্কুলৰ ওচৰত সেই দৃশ্য দেখাৰ পাছতেই মনটো এনেকৈ কিবা হৈ গল যে অফিছলৈ ঘূৰি নগলো। চিধা গুছি আহিলো তোমাৰ ওচৰলৈ।" অনুপলৰ গভীৰ আন্তৰিকতাৰে কোৱা কথাষাৰে উপাসনাৰ বুকুৰ গোপনতম প্ৰদেশত স্পৰ্শ কৰিলে। চলচলীয়া হৈ পৰিল তাইৰ দুচকু।

"উপা, কিয় এনে কৰে মানুহবোৰে! আজি আমাৰ আকাশ বাচি গ'ল আমাৰ ভাগ্য আছিল বাবেই। কিন্তু সেই শিশুকেইটা সিহঁততো কাৰোবাৰ আকাশ? ....... দুটোপাল চকুলো জিলিকি উঠিল অনুপলৰ চকুত। সাৱটি ধৰিলে অনুপলে উপাসনাক।

কঁপি উঠিল আবেগত উপাসনাৰ বুকু। গভীৰ স্নেহ আৰু মমতাৰে উপাসনায়ো অনুপলক সাৱটি ধৰিলে।

আজি আকৌ এবাৰ প্ৰেমত পৰিছে উপাসনা, অনুপলৰ, পৃথিৱীৰ প্ৰতিজন মানুহলৈ হৃদয়ত সঁচা সহানুভূতি ৰখা সেই অনুপল, উপাসনাৰ জীৱনলৈ প্ৰথম প্ৰেম কঢ়িয়াই অনা অনুপল .........

উপাসনাই গুণগুণালে – " এনেকৈয়ে সংগোপনে জীয়াই থাকে মানুহৰ ভিতৰত মানুহ। গোপনে ফুলা ৰজনীগন্ধাৰ দৰে সাৰ পাই উঠে সি। যন্ত্ৰণা আৰু ..... অপ্ৰেমে মানুহক প্ৰেমৰ ওচৰলৈ লৈ যায়। লৈ যায় প্ৰিয়জনৰ কাষলৈ। যিদিনা প্ৰতিজন মানুহে এই যন্ত্ৰণাক বুকুত ধাৰণ কৰিব সিদিনা কাৰো বুকুৰ পৰাই আকাশ হেৰাই নেযাব।" ......... এক গভীৰ প্ৰত্যয়েৰে উপাসনাই আকাশখনলৈ চালে। আকাশত বহুত জোনাক।



*পাপৰি শইকীয়া, অসমীয়া বিভাগৰ স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষৰ ছাত্ৰী।*

# মৃত্যু ঃ মহাকাব্যিক



সত্যকাম বৰঠাকুৰ

এখন নদী বৈ গৈছে — নদীখনৰ কাষতে পৰি আছিল মৃতদেহটো- পৰি নহয়, পেলাই থোৱা হৈছিল তাক- মৰাৰ পাছত নদীৰ শুকান বালিত তাক পেলাই থোৱা হৈছিল - তাক ঢাকি থোৱা আছিল- তাৰ মৰচেওঁৰাখন বগা আছিল - ধক্ - ধকীয়া বগা - বগলিৰ দৰে বগা - মৰচেওঁৰা এখন বগা হয় কিয় - কিয় তাক বগা কাপোৰেৰে ঢাকি থোৱা হৈছিল - মই ঠিক ধৰিব পৰা নাই - তাক যে পেলাই থোৱা আছে তাৰ কাষৰ নদীখন শুকান নে স্ৰোতস্বিনী তাকো জনা নাযায় — সাধাৰণতে মৃতদেহৰ কাষত এজোপা তুলসী থাকে — এই মৃতদেহটোৰ মূৰৰ পিনে এডাল শুকান ঝাওবন-বনডাল শুকাই কৰকৰীয়া মাৰিছিল - ওপৰত এটা মৰা জিঁএ়া লাগি আছিল - মৃতদেহটোৰ কোনো আত্মীয় নাই - তাৰ অন্তিম সংস্কাৰ কৰিবলৈকো কোনো নাই - নাইনে কোনো - নাই যদি তাক মৰচেওঁৰাখন কোনে দিলে - নাঃ তাৰ কোনোবা থাকিবই লাগিব— ধৰক তাৰ এজনী মাক আছে— নহয় মাক থকা হ'লেতো কাষত বহি কান্দি থাকিলেহেঁতেন— ধৰক তাৰ এজনী পত্নী আছিল - ক'তা বিধবাৰ কান্দোনোতো নাই - ধৰক তাৰ এটা পুতেক আছিল - ক'তা তাৰ মুখাগ্নি কৰিবলৈকেচোন কোনো নাই — হয়জানো— তাৰ কোনোবা আছিল জানো — তাৰ কোনোৱেই নাছিল - সি এটা দ্বীপৰ দৰে মানুহ আছিল— যি প্ৰেমত পৰিছিল - পানীৰ পানী বৈ গ'ল কিন্তু তাৰ হৃদয়ৰ খবৰ ল'বলৈকো আহৰি নহ'ল — সি এদিন মৰিল- - মৰিলনে মাৰিলে - সঠিককৈ ক'ব নোৱাৰিলেও তাৰ গিঠিত যে এটা ডাঙৰ ক্ৰছ লাগি আছিল সেইকথা সকলোৱেই জানে - সি মৰিল বুলি সকলোৱেই কয় - সঁচায়ে মৰিলনে - যদি মৰিল তেন্তে তাৰ কি হৈছিল - বাৰ্দ্ধক্য — অসম্ভৱ— তাৰ মুখততো মৃত্যুৰ পাছতো হাজাৰটা যৌৱনৰ গোন্ধ - সি কিয় মৰিল — বেমাৰ হৈ— বেমাৰ হৈছিল তাৰ - মগজুত এসোপামান কেৰেলুৱা সোমাইছিল - কেৰেলুৱাৰ দৰে মৰণ সি মৰিলে - সি মৰিলে এটা পোকৰ দৰে— এটা ঘুণপোকৰ দৰে— হয়জানো - নাঃ— তাৰ সবল পেশীবোৰততো কোনো পোকীয়া ঠাই নাই - নাঃ— তাক হত্যা কৰা হ'ল তাৰ ভৰিত শিকলি বান্ধি তাক হত্যা কৰা হ'ল — ভৰিৰ শিকলিবোৰ কঠিন আছিল - এডাল হাতীবন্ধা শিকলিৰ দৰেই মনবন্ধা সঁজুলি- সিখোজকাঢ়িব নোৱাৰা হ'ল- তাৰ মৃত্যু হ'ল- ভৰিত- বান্ধিছিলনে তাক - নে হাতত বান্ধিছিল - সি এজন কবি আছিল- তাৰ কলমটো ধৰিব নোৱাৰাকৈ তাৰ হাতত বান্ধি হোৱা হৈছিল- তাৰ হাতত চিপ দিয়াদি গাঁঠি দিয়া হ'ল — সি গান গাব নোৱাৰা হ'ল- তাৰ উশাহ বন্ধ হৈ গ'ল- সি মৰিল — হয় জানো- তাৰ হাতত বন্ধা হ'লেতো তাৰ ভঙা কলমটো কোনোবাই পালেহেঁতেন - হয়তো তাক বুকুত বান্ধি থোৱা হৈছিল - যি এজন প্ৰেমিক আছিল - তাৰ কামি হাড়বোৰ কাৰোবাৰ চিতাৰ খৰি কৰা হ'ল- চিতাৰ জুইত তাৰ কলিজাটো পুৰি গৈছিল — স্বাভাৱিকতো তাৰ মৃত্যু হৈছিল — হয় জানো- সি প্ৰেমিক আছিলনে- সি প্ৰেমিক নে হত্যাকাৰী আছিল - হয়তো সি এইকেইখন হাতেৰেই এদিন এশজনী গৰ্ভৱতী মাতৃক হত্যা কৰিছিল — যি এদিন অনিৰূদ্ধকো হত্যা কৰাৰ পৰিকল্পনা কৰিছিল - অজ্ঞাত আততায়ীৰ গুলীত সি প্ৰাণ হেৰুৱালে - সি নদীৰ পাৰত পৰি থাকিল - কিন্তু হত্যাকাৰীৰ দেহৰ মৰচেওঁৰাৰ ৰং বগা কিয়- তাৰ কপালততো এখিলা সেউজীয়া গছৰ পাত পৰি আছে — মই জনাত হত্যাকাৰীৰ মৰচেওঁৰাৰ ৰং ৰঙা ইয়াৰতো বগা - নাঃ নহয় ই এজন মানুহ আছিল এজন সাধাৰণ নাগৰিক মৰাৰ দৰে ই মাউৰত পৰি মৰিল- সি গান ভাল পাইছিল - কিন্তু এদিন এজাক গান হত্যাকাৰীয়ে তাক পালে- তাৰ পাছত সিহঁতে তাক গানৰ সমৰ্থক বুলি হত্যা কৰিলে- হত্যা হয় জানো হত্যা- আকৌ সন্দেহ- নহয় — যিকোনো প্ৰকাৰেই ই মৰিল- মৰিল হয় —— কিন্তু ইয়াৰ দেহৰ মৰচেওঁৰাখন বগা কিয়- ই একেবাৰে নিষ্পাপ আছিল নেকি - পৃথিৱীত নিষ্পাপ মানুহ থকাটো সম্ভৱনে- বাৰু সি নিষ্পাপেই আছিল- কিন্তু বগাই হেনো শান্তিক বুজায় - তেন্তে মৃত্যুত কিবা শান্তি আছে নেকি- মৃত্যুৰ আন নাম শান্তি নেকি- যদি মৃত্যুত শান্তি আছে তেন্তে মৃতকৰ অজস্ৰ আত্মীয়ই মৃত্যুৰ বেলা ৰাউচি জুৰি কান্দে কিয়- মায়া- আমি প্ৰতিজন মানুহেই মায়াৰ পৰা উৰ্দ্ধতনে - যদি নহয় তেন্তে মায়ামোহ ত্যাগ কৰি মৃত্যুক সাৱতি লোৱা মৃতকৰ জীৱনত শান্তি ক'ত - জীৱনৰ পৰা পলায়নত শান্তি আছেনে - ধৰক এই মৃতদেহটো এজন আত্মহত্যাকাৰীৰ মৃতদেহ — তাৰ জীৱনৰ প্ৰতি মায়া নাই — কিন্তু এয়া মায়াহীনতা নে পলায়নবাদ- আচলতে মৃত্যুত আছে এক মুমুৰ্ষ জীৱনৰ স্বপ্নভংগৰ শিল্পময় দুখ — সেইবাবেই মৰচেওঁৰাৰ ৰং বগা হোৱাৰ মই বিৰোধী- ধৰক আমাৰ মৃতদেহটো অভিমন্যু আছিল - বীৰৰদৰে অভিমন্যুৱে মৃত্যুবৰণ কৰিলে - - কাপুৰুষৰ দৰে অভিমন্যুক বধ কৰা হ'ল — কিন্তু অভিমন্যুৰ বাবে মৃত্যুচিৰশান্তি আছিল নে - ব্যৰ্থ স্বপ্নই অভিমন্যুক বিদ্ধ কৰা নাছিলনে- বাৰু এই মৃতুদেহটো পুৰুষৰ নে স্ত্ৰীৰ একোৱেই স্পষ্ট চিন নাই — নে মৃতদেহটো নপুংসক আছিল নেকি - বৃহন্নলা আছিল নেকি বাৰু - নহয় - মৃতদেহটো পুৰুষৰো নহয় নাৰীৰো নহয় মৃতদেহটো এক মানুহৰ মৃতদেহ আছিল- কিন্তু মৰচেওঁৰাৰ ৰংটোৱেহে মোক আকৌ আমনি দিছে বাৰে বাৰে- এদিন বোধ হয় প্ৰতিখন মৰচেওঁৰাৰ ৰং ৰঙা নহ'লেও অন্ততঃ ৰঙচুৱা হ'ব— অন্ততঃ বগা নহ'ব— মই মৃতদেহটো চাই ভাবি আছোঁ - এনেতে তাত এটা পপীয়া তৰা খহি পৰিল — আকাশত এটা ধুমকেতু ওলাল — চাৰিওপিনৰপৰা কিছুমান বিকট যন্ত্ৰৰ ঘৰ - ঘৰণি ভাঁহি - আহিল - লাহে লাহে মৃতদেহটো অদৃশ্য হৈ আহিল — আঃ মৃতদেহটো এজন মহাপুৰুষৰ আছিল ...........

*সত্যকাম বৰঠাকুৰ, স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ, অসমীয়া বিভাগৰ ছাত্ৰ*



# কেকেৰীকুটীৰ পিছৰছোৱা

আকাশবন্তি গগৈ

(কেকেৰীকুচীৰ দুৰ্ঘটনাৰ অৱলম্বনত)

কোঙা কৰি নিব খোজা বতাহজাকত যেন মিহলি হৈ আছে ঘন উচুপনিবোৰ। এন্ধাৰবোৰত যেন ভাঁহি আহিছে কোনো অশৰীৰী আত্মাৰ গধুৰ পদশব্দ। অলপ আঁতৰত কেইবাটাও কুকুৰে উচপ খাই খাই ৰাউচি জুৰিছে - সিহঁতে যেন দেখিবলৈ পাইছে আন্ধাৰৰ আঁৰত মৃত্যুদূতৰ আগমনৰ আগজাননী। কাষৰ ঘৰবিলাকৰ পৰা চিটিকি আহিছে টি মিক টামাক কিছুমান পোহৰ, চৌপাশৰ জয়াল পৰিবেশৰ মাজত হাত আগবঢ়াই দি যেন কৈছে, "আহা, আমি আছো তোমাৰ স'তে।"

দীপান্বিতাই কোঠাটোৰ আটাইকেইখন খিৰিকীৰ পৰ্দা টানি পেলাই দিলে। বুকুৰ ভিতৰখন যেতিয়া আন্ধাৰত ডুব গৈ আছে, কি কৰিব তাই বাহিৰত জোনাক - জোনাকী লৈ সপোন ৰচি? আছিল, এনে এটা দিন নথকা নহয় যেতিয়া তাই বহু ৰাতিলৈ উজাগৰে কটাইছিল জোন আৰু জোনাকীৰ মাজত দূৰত্ব লেখি লেখি, এই সৰো এই সৰোকৈ থকা শেৱালী সৰিবলৈ লগা সময় হিচাপ কৰি, গুণগুণাই থকা ৰাতিৰ মায়াময় সুৰ এটাৰ লগত লুকাভাকু খেলি খেলি।.......... এই সকলোবোৰৰ এটা সময় আছিল। কিন্তু আজি! তাই জানো পাৰিব গান গাব। কবিতা পঢ়িব অথবা স্বপ্নালী, মঞ্জুলাহঁতৰ লগত তৰ্ক কৰিবলৈ জীৱন - ৰাজনীতি - সাম্প্ৰতিক সময়!

আভ্যন্তৰৰ কোলাহলে হয়তো সাময়িক ভাৱে হলেও পাহৰাই ৰাখে বাহ্যিক পৃথিৱীখনৰ কথা। চৌপাশৰ আতিভৌতিক পৰিবেশ, ঘৰখনত বিৰাজ কৰা জয়াল পৰিৱেশ - এইবোৰ একোয়েই তাইৰ মনত কোনোধৰণৰ ক্ৰিয়া কৰিব পৰা নাই। দুৱাৰ খিৰিকী বন্ধ কোঠাটোৰ নিশ্চিদ্ৰ অন্ধকাৰেও তাইৰ উশাহ বন্ধ কৰা নাই। তাইৰ যেন আজন্ম সম্বন্ধ অন্ধকাৰৰ সতে, জয়াল পৰিৱেশৰ মাজতেই যেন বাস কৰি আহিছে যুগ যুগ

মণিকা পেহীয়ে কৈছিল, "দীপা, ঘৰৰ প্ৰতিটো কোঠাৰে লাইট জ্বলাই ৰাখিবি। আৰু শুন, ভয় লাগিলে গুছি আহিবি আমাৰ ঘৰলৈ। ভয়, তাই কালৈ ভয় কৰিব? নিজৰ মাক- দেউতাক, ভনীয়েকলৈ? যদি মণিকা পেহীয়ে কোৱাৰ দৰে তেওঁলোক আহে, আহক তাই জীৱিত শৰীৰ নহ'লেও অশাৰীৰিক ছাঁকে চাই সান্তনা লভিব! আহ, তায়ো যদি থাকিলহেঁতেন সিদিনা একেলগে! তেতিয়াতো তাই আজিৰ দৰে জীয়াই থাকিব নালাগিলহেঁতেন, ইমান অকলশৰীয়াহৈ। ভনীয়েকৰ প্ৰতিটো চিঞৰৰ স'তে শেষহৈ যোৱাহেঁতেন তাইৰো জীৱন!

কাৰোতো অন্যায় কৰা নাছিল সিহঁতে। দেউতাকে মাহৰ মূৰত যি টকা পাইছিল তাৰেই খাইছিল, পিন্ধিছিল চাৰিটা প্ৰাণীয়ে। তাই স্কুল পাছ কৰিলত খোৱা -পিন্ধাৰ পৰা অলপ বচাই তাইক কলেজত পঢ়াইছিল ঘৰৰ পৰা অলপ আঁতৰত। অহা যোৱাৰ অসুবিধাৰ বাবে তাই হোষ্টেলত আছিল। এৰা, ইমানখিনিলৈ ঠিকেই আছিল। দেউতাকৰ চাকৰিটোও অসৎ কাৰ্যৰ সুবিধা পোৱা বিধৰ নাছিল, আনৰ কথাতে হয়ভৰ দি গুছি অহা মাটিৰ মানুহেই আছিল তেওঁ। সিহঁত দুজনীও দেখোন পঢ়া - শুনাত বেছি চোকা নহলেও ঠিকেই আছিল। এইবাৰ ভনীয়েকে মেট্ৰিক পাছ কৰিলে তাইৰ লগতে একেলগে কলেজত দিয়াৰ কথা ভাবিছিল। কাৰো লগত হুলস্থুল কৰি, ঘূৰি ফুৰি সময় কটোৱাৰ কথা তাইৰ মনত নপৰে। কিতাপ পঢ়ি ভালপোৱা দেউতাকে দুই এখন কিতাপ আনি দিছিল। তাকেই উৰাই ঘূৰাই পঢ়িয়েই সময় কটাইছিল সিহঁতে। আৰু মাক! ঘৰ আৰু পথাৰৰ বাহিৰে মাকৰ পৃথিৱীত আন কিবা আছিল বুলি তাই ভাবিবই নোৱাৰে। তেন্তে, কিয় এনে হ'ল? কিয়, কাৰো অন্যায় নকৰা মাক দেউতাকে নিজৰ ঘৰ মাটি নিজৰ সন্তানক এৰি গুছি যাব লগা হ'ল! কিয় "বাইদেউ মই হোষ্টেলত থাকিলে তোৰ লগত নহয় বেলেগ ছোৱালীৰ লগতহে থাকিম, তেতিয়াহে তাইৰ বিষয়ে, সিহঁতৰ ঠাইৰ বিষয়ে জানিব পাৰিম।" বুলি কোৱা ভনীয়েকে মনৰ সকলো আশা তেজৰ স'তে মিহলাই আঁতৰি যাব লগা হ'ল? কিয় তাই তাইৰ মনৰ মানুহ, জীৱন সংস্কৃতি জনাৰ সকলো হেপাহ এৰিব লগা হ'ল? কিয়, কি দোষ আছিল তাইৰ মানুহ জানিবলৈ বিচৰাত? "মোৰ ঘৰত দুটি জ্যোতিকণা; তহঁতে মোৰ ঘৰ উজলাব লাগিব" বুলি কোৱা দেউতাকে কিয় লৈ গ'ল তাৰে এটা কণিকা! কিয় এৰি থৈ গ'ল ছাল বেৰৰ আবেষ্টনীৰ মাজত এটি অকলশৰীয়া শিখাক? আজি তাই দুৱাৰ খিৰিকী বন্ধ কৰি আন্ধাৰকোঠাত বহুত সময়ৰ পৰা সোমাই আছে, অথচ তাইৰ মাক দৌৰি অহা নাই তাইৰ কাৰণে। "মানু, তোৰ কিবা হৈছে নেকি?" সিহঁতে তাইৰ মাককো লৈ গ'ল তাইৰ পৰা ব........ হু........ত দূৰলৈ।

নাই, তাই নাকান্দে। দেউতাকে কৈছিল "জীৱনত কান্দি নহয়, ধৈৰ্য্যৰেহে সিদ্ধান্ত ল'ব লাগে। কান্দিলে মন দুৰ্বল হয়, সাহস আৰু ধৈৰ্য্যেৰে চিন্তা কৰিবি, দেখিবি সমাধান তই পাবিয়েই।" "দেউতা, দেউতা, মই আজি কন্দা নাই, মই ধৈৰ্য্যৰে সিদ্ধান্ত লব খুজিছো, ইয়াৰ পিছত জীৱনটো কেনেকৈ আৰম্ভ কৰো? মণিকা পেহীয়ে কোৱাৰ দৰে আহিব নেকি বাৰু দেউতা!"

" চা, চুনুয়ে যেতিয়া কান্দে, তেতিয়া আমি জানো যে তাইক কিবা

এটা লাগে। তোৰ হাতৰ পেঞ্চিলডাল, বজাৰৰ পৰা নতুন ফ্ৰক এটা আনি দিলে, অথবা তই বেছিকৈ লোৰা কমলাটো তোৰ হাতৰ পৰা কাঢ়ি আনি দিলে তাই শান্ত হয়। তেনেকুৱাই ঘটিছে সাম্প্ৰতিক সকলো ক্ষেত্ৰতে। এই যে আন্দোলন, বিপ্লৱ, সন্ত্ৰাসবাদ সকলোবোৰ তোৰ আৰু চুনুৰ কাজিয়াখনৰ দৰেই। মাৰ, মোৰ বা আন বেলেগৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰে কিন্তু বেছি নহয়।" সৰুতেই দেউতাকে তাইক বিপ্লৱ সন্ত্ৰাসবাদৰ সৰলীকৃত তত্ত্ব বুজাইছিল। ডাঙৰ হৈ তায়ো কৈছিল। "নিজৰ জীৱনৰ ৰক্ষা, প্ৰাপ্য মৰ্য্যদা লাভ, জাতীয় ভাষা - সংস্কৃতি আৰু সন্মান ৰক্ষাৰ বাবে দৰকাৰ হ'লে আমিও আন্দোলন কৰিম, থিয় দিম যিকোনো শক্তিৰ বিপক্ষে, লাগিলে যিমানেই বিশাল নহওক কিয় সেই শক্তি। কিন্তু প্ৰথমেই আমাৰ দাবী হ'ব লাগিব ন্যায্য, যুক্তিসন্মত আৰু সহনশীল। আনৰ ওচৰত নিজৰ প্ৰাপ্য বিচাৰি যাওঁতে প্ৰত্যেকেই আত্মবিশ্লেষণ কৰিব লাগিব, আমি নিজে কাৰোবাৰ প্ৰাপ্য অধিকাৰ খৰ্ব কৰিছো নেকি!" এইক্ষেত্ৰত অস্ত্ৰৰ প্ৰয়োগ? চলিত শতিকাৰ আটাইতকৈ ডাঙৰ প্ৰশ্নটোৰ সন্মুখীন হওঁতে তাই থমকি ৰৈছিল। পিছত লাহেকৈ কিন্তু এটা এটাকৈ শব্দবোৰ উচ্চাৰণ কৰি তাই কৈছিল, "কাৰোবাক জীৱন দিয়াৰ সামৰ্থ্য আমাৰ আছে জানো?"

কাৰোৰেই কাকো জীৱন দিয়াৰ সামৰ্থ্য নাই। গতিকেই কাৰোৰেই জীৱন লোৱাৰো অধিকাৰ নাই; কাৰো বুকুৰ মাজৰ পৰা প্ৰিয়জনক কাঢ়ি নিয়াৰ অধিকাৰ নাই। — এয়া তাই ভাবিছিল, চয়নিকাই ভাবিছিল, মঞ্জুলাই চিঞৰি উঠিছিল; তাইৰ দেউতাকে তাইক সৰুৰেপৰা মন্ত্ৰপাঠ কৰাইছিল। যদি জীৱন লোৱাসকলৰ জীৱন দিয়াৰ সামৰ্থ্য থাকিলহেঁতেন তাই আজি ঘৰৰ ভিতৰত দুৱাৰ - খিৰিকী বন্ধ কৰি সোমাই নাথাকিলহেঁতেন; সিহঁত য'তেই নাথাকক তাই বিচাৰি উলিয়ালেহেঁতেন আৰু যিকোনো মূল্যৰ বিনিময়ত মাক - দেউতাকহঁতৰ জীৱন ভিক্ষা খুজিলেহেঁতেন। কি দোষ আছিল দেউতাকহঁতৰ, কি দোষ আছিল যতীন খুৰা; কমলা বাইদেউহঁতৰ? কি দোষত সিহঁতক জীয়াই থাকিবলৈ দিয়া নহ'ল? কি অপৰাধত একে ৰাতিতে সকলোকে এনেদৰে হত্যা কৰা হ'ল? হাল বাই ভাত খোৱা যতীন খুৰাই কি হাতৰ মুঠিত লুকুৱাই ৰাখিছিল নেকি সিহঁতৰ ন্যায্য প্ৰাপ্য? কি বিচাৰিছিল সিহঁতে মাকৰ ৰান্ধনীশালত, ভনীয়েকৰ দেহৰ ওপৰত? কেইটামান নিৰীহ প্ৰাণৰ বিনিময়ত পাব নেকি সিহঁতৰ ইপ্সিত লক্ষ্য? "অহ্ দেউতা, পৃথিৱীখন আপুনি ভবাৰ দৰে নহয়! বিপ্লৱ সন্ত্ৰাসবাদৰ সংজ্ঞা দিওঁতে আপুনি পাহৰি গ'ল। চুনুৱে এদিন খণ্ডতে দলিয়াই ভঙা গিলাচটোৰ কথা, সিহঁতৰ লক্ষ্য পথত আমি সকলোবোৰ মাথো চুনুৰ কাঁচৰ গিলাচটোৰ দৰে। সিহঁতৰ লক্ষ্য প্ৰাপ্তিৰ অগ্নিযজ্ঞত আমাৰ জীৱন মাথোঁ কিছুমান মূল্যহীন কয়লাৰ টুকুৰা।............ এই কথাকে বুজাবৰ বাবে সিহঁতে মোক ইমান ডাঙৰ উদাহৰণ দিলে!"

যন্ত্ৰণাত দীপান্বিতাই কাণদুখন হেঁচা মাৰি ধৰিলে। আজি - কালি যিকোনো শব্দই তাইৰ আৰ্তনাদ যেন লাগে, ভৰিৰ তলৰ প্ৰতিখোজ মাটিতে তেজ থকা যেন লাগে। তাই যেন এখন তেজৰ নদীত খোজ কাঢ়ি ফুৰিছে। ঘৰখনৰ প্ৰতিটো কোঠাতে এতিয়া তাই অনুভৱ কৰে কাৰোবাৰ অশৰীৰি অস্তিত্ব।...... শোৱাকোঠাৰ এইখন বিচনাতে বহি বহি ছাগৈ ভনীয়েকে মুখস্থ কৰি আছিল নিউটনৰ গতিসূত্ৰ। সিফালৰ জুহালত বহি দেউতাকে ৰান্ধনীশালত ভাত ৰান্ধি থকা মাকৰ লগত চিঞৰি চিঞৰি কথা পাতিছিল, "বুজিছা কাইলৈ যেতিয়া মানুমা আহিব.................।" ভনীয়েকেও ছাগৈ ভাবি থৈছিল স্কুলৰ বেঞ্চত তাইৰ নাম লিখি ৰখা যোগেশ, ৰাজীৱহঁতৰ কথা কবলৈ। সকলোৱে বাট চাই আছিল তাই আহিব হোষ্টেলৰ পৰা বহুদিনৰ মূৰত। কিন্তু পদুলি মুখত তাইলৈ ৰৈ থাকিবলৈ কোনো নাথাকিল, তাইৰ বাবে বাট চাই থাকিল চোতালত বগা কাপোৰেৰে ঢকা কেৱল কেইটামান শৱদেহ!

সুন্দৰভাবে সজাই লোৱা সপোনবোৰ এটা এটাকৈ তাইৰ চকুৰ আগৰ পৰা খহি পৰিবলৈ ধৰিলে। সুশৃংখল- সুবাসিত জীৱনৰ আশা, আকাংক্ষা, হেপাহবোৰ হেৰাই গ'ল দূৰ সুদূৰৰ ক'ৰবাত। চাৰিওফালে আঁৱৰি থকা মৰম- আশ্ৰয় নিৰাপত্তাৰ আচলখন উৰি গুছি গ'ল কোনোৱা ক'ৰবালৈ। জীৱনৰ সকলো সুখ আনন্দৰ উৎসই বিলীন হৈ গ'ল শূন্যৰ বুকুত; মাথোঁ পৰি ৰ'ল তাই অকলশৰে এক বিশাল শূন্যতাৰ মাজত। তাইৰ চাৰিওফালে এতিয়া কেৱল শূন্য আৰু শূন্য; শূন্যতাৰ অনুকাৰৰ এই সিপাৰে কি আছে তাই নাজানে, কৰবাত যে ইয়াৰ শেষ আছে তাকো তাই নাজানে; মাথো জানে এতিয়া মাথো বতাহে কোবাই থকা এটি ক্ষীণ মমৰ শিখা; চৌপাশৰ প্ৰতিকূলতাৰ বিপক্ষে যুঁজি যুঁজি সিও যেন নোহোৱা হৈ যাব কিছু ক্ষণৰ পাছতে!

নাই, নাই, তাই শেষ হৈ যাব নোখোজে; তাই জীয়াই থাকিব খোজে। কোনো এটা সময়ত দুৰ্বৃত্তদলৰ প্ৰতিশোধ লোৱাৰ এক দুৰ্বাৰ বাসনা জাগি উঠে তাইৰ মনত। ইমান কেইজন নিৰীহলোকৰ হত্যাৰ প্ৰতিবাদ তাই যেন হত্যাৰে কৰিব। অস্ত্ৰৰ প্ৰয়োগ সমৰ্থন নকৰা দেউতাকহঁতৰ মৃত্যুৰ প্ৰতিবাদ তাই অস্ত্ৰেৰে কৰিব। যি আনৰ জীৱনৰ মূল্য নুবুজে, তেওঁলোকৰ প্ৰাণৰ মূল্য ক'ত? প্ৰচণ্ড ক্ৰোধত কঁপি উঠে তাই। তাই যেন এজন এজনকৈ নৃশংসভাৱে হত্যা কৰিব সিহঁত সকলোকে!!

এটি হাঁহিভৰা জীৱন, এখন সুন্দৰ পৃথিৱী কামনা কৰিছিল তাই, যিখন পৃথিৱীত থাকিব তাই, তাইৰ আপোনাজন, বহুতো জোনালীৰ মিঠা চুমা, বহুবোৰ আশাৰ সোণোৱালী সুৰ, জোনাকীৰ স'তে লুকা-ভাকু খেলি বহুবোৰ eusalmed dallres এনে এখন পৃথিৱীকেই ফুটাই তুলিছিল তাইৰ তুলিকাত, এনেবোৰ সুৰেই গুণগুণাইছিল তাই, এনে এখন জগতেই তাই বিচাৰি ফুৰিছিল কিট্‌চ, জীৱনানন্দ, হীৰেণ ভট্টৰ পৃথিৱী ঠেলি। সমুজ্জলেও তাইক এনে এখন পৃথিৱী দিয়াৰ কথাকে কৈছিল। এনে এখন পৃথিৱী! নাই, নাই যিখন ঠাইত তাইৰ দেউতা থাকিব নোৱাৰিলে, তাইৰ আজলি মাকৰ স্থান নহল, সেইখন ঠাইত এই সকলোবোৰ মিছা। ইয়াত প্ৰেম, সুন্দৰ, সত্য বুলি একো নাই। নাই, ইয়াত একো থাকিব নোৱাৰে। তাই ইমানদিন এখন অলীক পৃথিৱীত বিচৰণ কৰি আছিল। বাস্তৱক উলাই কৰি তাই সপোনৰ কাৰেং সাজিছিল। এইবোৰ সকলোবোৰ ভ্ৰম, সকলোবোৰ বৃথা। মাথো এটাই সঁচা- এইখন পৃথিৱীত কাৰো জীৱনৰ, কাৰো ভাৱধাৰাৰ, আবেগ অনুভূতিৰ মূল্য নাই। হৃদয়হীন এদল দুৰ্বৃত্তৰ হাতত আমি সকলোবোৰে মাথোঁ মৃত্যুৰ বাবে বাট চাই আছো।

বুকুৰ মাজৰ পৰা ওলাই আহিব খোজা কান্দোনটোক জোৰেৰে হেঁচি ধৰি তাই ডাঙৰকৈ চকু দুটা মেলি দিলে, যেন তাতে তাই বিচাৰি পাব তাইৰ জীৱনৰ আটাইতকৈ কঠিন প্ৰশ্নটোৰ উত্তৰ!! এতিয়া তাই কেনেকৈ জীৱনটো আৰম্ভ কৰিব? কিন্তু চকুৰ আগৰ শূন্যতাখিনিত তাই একোকে নাপালে, মাথোঁ দেখা পালে চৌপাশৰ আন্ধাৰখিনি গোট খাই তাইৰ আগত থমকি ৰৈছে এক বিৰাট প্ৰশ্নবোধক চিন হৈ!

*আকাশবন্তি গগৈ, স্নাতক ৩য় বৰ্ষৰ, কলা শাখাৰ ছাত্ৰী*

# উভতি অহাৰ গান

প্ৰতিভা বৰ্মন



**মানুহজন আকৌ আহিছে ঃ**

হাৰে! মানুহজন আকৌ আহিছে। পিন্ধনত একেই আগৰ দৰে এখন মলিয়ন লুঙী — বুকুৰ হাড়বোৰ ওলাই থকা ফটাছিটা লেতেৰা গেঞ্জীটো। মানুহজনৰ কান্ধত এখন মোনা — নাই, নাই, তাক আৰু মোনা বুলি কোৱাতকৈ .........! আচলতে ওলোমাই লব পৰাকৈ চিলাই লোৱা এখন লেতেৰা কাপোৰ। কাষত ল'ৰাজন— সদায়ে থাকে, সদায়ে থাকে সি। তাৰ দুচকুত আশাহীন — নহয়, নহয় তাৰ দুচকুত অযুত ছায়াময় স্বপ্ন। মানুহজন এতিয়াও মানুহ হৈ আছে নে ? ওখ ক্ষীণ, দটীয়া সেই মানুহজন- - যি আজি আকৌ আহিছে!

**তাইৰ কথা ঃ**

মানুহজন তাইৰ ঘৰলৈ মাজে মাজে আহে কিবা খুজিবলৈ— একাৰ্থত ভিক্ষাৰী। বহুত ভিক্ষাৰী তাই লগ পাইছে — মন্দিৰত, ৰাস্তাৰ দাঁতিত, এনেকি কলেজ চৌহদতো। কিন্তু তাইহঁতৰ ঘৰলৈ আহি থকা ভিক্ষাৰীটো অইনতকৈ বেলেগ। আহি সি একো শব্দ নকৰে। গেটৰ কাষত থিয় হৈ থাকে। গৃহস্থই নেদেখিলে বোধহয় উভতি যায়গৈ। তাই কিন্তু মানুহ জনক প্ৰায়েই লগ পায়। প্ৰায়ে তাই তাক কিবা দিয়ে। মানুহজনৰ প্ৰতি তাইৰ বিশেষ সহানুভূতি নাই। কিন্তু তাৰ লগত অহা ল'ৰাজন— মৰম লগা ল'ৰাজন — তাই বিমোৰত পৰি যায়!

**প্ৰথম পুৰুষত তাইৰ কথা ঃ**

এমাহমান হ'ল চাগে' ল'ৰাটোৰ সৈতে মানুহজন আমাৰ ঘৰলৈ দুপৰীয়া আহিছিল। সেই দিনা মোৰ সৰু ল'ৰাটোক নিচুকাই মই বাৰান্দাত বহি আছিলো। মানুহজনে আহি একো মাতবোল নকৰাকৈ থিয় হৈ আছিল। মোৰ ল'ৰাটোৰ বোধ হয় ভোক লাগিছিল। সি পেঘেনিয়াই আছিল - মোৰ চাদৰৰ আঁচলত ধৰি টানিছিল। তাক কিবা অলপ খাবলৈ দিবলৈ মই সোমাই গৈছিলো ভিতৰলৈ। আৰু যেতিয়া মই ওলাই আহিলো লৈ আনিলো এখন পাঁচ টকীয়া নোট। আহি একো নেদেখিলো — নহয় দেখিলো যে তাৰ লগত অহা ল'ৰাটোৱে ফেকুৰি ফেকুৰি কান্দিছে। কিয় জানো - নাজানো - মোৰ হৃদয়ত পুতৌৰ ভাব উপজিছিল তালৈ। মই কাষলৈ গৈ সুধিছিলো - কিয় কান্দিছা ? কান্দিছা কিয়? মোৰ বেয়া লাগিছিল যে মই সিহঁতক বাৰান্দাতে বহিবলৈ দিছিলো। বাৰান্দাত বহি মানুহজনে তাৰ জীৱনৰ অধ্যায়বোৰ মুকলি কৰিছিল মোৰ আগত। হাচিম আলী তাৰ নাম আছিলনে?

**হাচিম আলীৰ জীৱন বৃত্ত ঃ**

হাচিম আলী, মুছলমান বস্তি অঞ্চলত বাস কৰা এজন সহজ সৰল গাঁৱলীয়া ল'ৰা। বাবাকৰ মৃত্যুৰ পিছত সৰু কেচা তৰকাৰীৰ ব্যৱসায়টো হাচিমেই চম্ভালি ললে। হাচিমহঁতৰ দৰে মানুহৰ জ্ঞানৰ পৰিসৰ নিচেই সীমিত। তেওঁলোকৰ মতে জীৱনটো জীৱনেই - কিবাকৈ লঘোন নপৰাকৈ খাব পৰা, লজ্জা নিবাৰণৰ কাৰণে এখন কাপোৰ আৰু থাকিবৰ কাৰণে এটা জুপুৰীয়েই যথেষ্ট। তেওঁলোক তাতেই সফল আৰু তাতেই বিচাৰি পায় স্বৰ্গীয় সুখ। কেইবছৰমানৰ পিছত হাচিমৰ জীৱনলৈ আমিনা আহিল। আমিনাক বিয়া কৰাই তৰকাৰীৰ ব্যৱসায়টোৰে টুক টাককৈ সুখেৰেই চলি আছিল। সেই সুখৰ হাৰ আৰু বৃদ্ধি হ'ল যেতিয়া তেওঁলোকৰ জীৱন কণমানি ৰছিদৰ হাঁহিয়ে ভৰাই তুলিলে। জটিলতা, শঠটা, দুৰ্নীতিবিহীন এখন সৰু পৃথিৱীত তেওঁলোকে হাঁহি আৰু আশা বুকুত লৈ জীয়াই থাকে, যি পৃথিৱী তেওঁলোকৰ একান্ত নিজা। কিন্তু তাৰ মাজতো কিবা যেন ভুল হৈ গ'ল।

**আমিনাৰ বুৰঞ্জী ঃ**

হাচিমহঁতৰ অঞ্চলটো খুব পিছপৰা। আটাইবোৰ মানুহেই মুছলমান সম্প্ৰদায়ৰ। দেশ বিভাজন হোৱাৰ পিছতে তেওঁলোক ইয়ালৈ পলাই আহি নিগাজিকৈ থাকিবলৈ ললে। প্ৰতি ঘৰতে কুকুৰা, হাঁহ, ছাগলী আদি পোহে। পাঁচ কিলোমিটাৰমান আঁতৰত থকা সৰু চহৰখনৰ পৰা মাজে মাজে পাইকাৰী আহে কণী নিবলৈ আৰু তাহাতে কণীবোৰ নি চহৰত বিক্ৰী কৰে। জাভেদ মিঞা নামৰ কণীৰ পাইকাৰী এজন মাজে মাজে হাচিমহঁতৰ ঠাইলৈ আহি থাকে। জাভেদ হাচিমৰ চিনাকি। এদিন তেনেকৈ আহোতে সন্ধিয়া হোৱাত আৰু আবতৰীয়া বৰষুণজাকৰ বাবে জাভেদে ঘুৰি যাব নোৱাৰিলে। আগৰ চিনাকিৰ সূত্ৰে জাভেদে হাচিমৰ ঘৰতে ৰাতিটো থকাৰ কথা ভাবিলে। সেইদিনা ৰাতিয়েই হাচিমৰ ঘৈণীয়েক আমিনাৰ লগত প্ৰথমবাৰৰ বাবে

জাভেদৰ চিনাকি হ'ল। আমিনাই ভাত বাঢ়োতে জাভেদে তাইৰ পিনে চাই থকাটো আমিনাই লক্ষ্য কৰিছিল। তেতিয়া তাই অলপ অপ্ৰস্তুত যেন অনুভৱ কৰিছিল। পিছদিনা ৰাতিপুৱা জাভেদ গুছি গ'ল; কিন্তু কিবা যেন এটা এৰি গ'ল হাচিমৰ ঘৰত, আমিনাৰ ওচৰত। জাভেদে সেই ঠাই খনলৈ আহিলেই হাচিমহঁতৰ ঘৰত এবাৰ সোমাই যোৱা হ'ল। আমিনাৰ মুখখন নেদেখিলে বা তাইৰ লগত এষাৰ কথা নাপাতিলে সি শান্তি নোপোৱা হ'ল। লাহে লাহে আমিনাইও জাভেদৰ উপস্থিতি ভাল পোৱা হ'ল। সম্পৰ্কটো বৰ আচৰিত বস্তু-বিশেষকৈ প্ৰেম। কেতিয়া কেনেকৈ আৰু কাৰ লগত নিজৰ অজানিতে সম্পৰ্কৰ গঢ় লৈ উঠে কোনেও নাজানে। ই স্থান, কাল, পাত্ৰ একোৰে বিচাৰ নকৰে। দিন যোৱাৰ লগে লগে জাভেদ আৰু আমিনাৰ মাজতো এটা অজান সম্পৰ্ক গঢ় লৈ উঠিল-- যদিও আমিনা বিবাহিতা আৰু এটা এবছৰীয়া সন্তানৰ মাতৃ। হোজা হাচিম আৰু কণমানি ৰছিদক ফাঁকি দি সিহঁতৰ অবৈধ কাৰ্য্যকলাপ চলি থাকিল। হাচিমৰ অজানিতে সিহঁতৰ হিয়া- দিয়া- নিয়া চলিল। কিন্তু সময় আৰু বয়সৰ কুটিল স্পৰ্শ আৰু সংযমহীনতাৰ বাবেই জাভেদৰ তেজৰ দাগ আমিনাৰ গৰ্ভত স্থায়ীকৈ ৰৈ গ'ল। আমিনা জাভেদৰ সন্তানৰ মাক হ'ব ওলাল। কেতিয়াবা মানুহে এনেকুৱা এটা সময়ত জীৱনৰ এনেকুৱা এটা দুৰ্বিসহ মুহূৰ্তত উপনীত হয় যে তাৰ পৰা ওলাই অহাৰ বিকল্প পথ নাথাকে। আমিনাৰ জীৱনলৈ সন্ধিয়া নামি আহিছিল। তাই ৰাতিৰ আন্ধাৰক ভয় কৰে, তাইৰ সাহস নাই বাস্তৱতাৰ সৈতে মুখামুখি হ'বলৈ আৰু সেই বাবে হাজাৰটা প্ৰশ্নই তাইক অৱশ কৰিলৈ পেলায়, বেদনাৰ ভৰত তাই কাবু হৈ যায়। দুজন পুৰুষৰ দেহ আৰু মন আসক্তা এজনী নাৰীয়ে কাক আপোন কৰি ল'ব — ৰছিদক নে গৰ্ভস্থ সন্তানটোক? আমিনাই কথাবোৰ ভাবিব নোৱাৰে, আজি কালি প্ৰায়েই বিষাদগ্ৰস্থ মনেৰে বহি থাকে। তাই ৰছিদৰ নিস্পাপ চকু দুটা চাবলৈ ভয় কৰে, হাচিমৰ শুকান মুখখনলৈ চাবলৈ তাইৰ সাহস নহয়। আনহাতে গৰ্ভস্থ শিশুটিকো উপেক্ষা কৰিব নোৱাৰে। শিশুটোৱে বাৰে বাৰে যেন তাইক কৈছে-- মোক জন্ম দিয়া, তোমালোকৰ পাপৰ বাবে মোক কিয় পৃথিবীৰ পোহৰৰ পৰা বঞ্চিত কৰা। আমিনাৰ বাবে আজিকালি দিন-ৰাতি সমান। বহুদিন তাই টোপনিৰ লগত বন্ধুত্ব কৰা নাই। চকু দুটা ভিতৰলৈ সোমাই গৈছে। তাইৰ আৰু সহ্য নহ'ল। হাচিম আৰু ৰছিদক নিষ্ঠুৰভাৱে এৰি থৈ পাঁচমহীয়া কেচুৱাটোক গৰ্ভত লৈ এদিন জয়াল নিশা জাভেদৰ লগত পলাল।

**প্ৰথম পুৰুষত হাচিম ঃ**

ক'ব পৰা কি হৈ গ'ল মই একো ধৰিবই নোৱাৰিলো। চকুৰ আগতেই মোৰ সুখৰ সংসাৰখন চাৰখাৰ হৈ গল, মুৰৰ ওপৰৰ আকাশখন কলীয়া ডাৱৰে আৱৰি ধৰিলে। ৰছিদ সৰু ল'ৰা, তেৰবছৰ হৈছে মাত্ৰ। ৰছিদৰ টেটু ফলা চিঞৰে মোক আৰু দুৰ্বল কৰি তুলিলে। এখন্তেকৰ কাৰণেও তাক এৰি যাব নোৱাৰি। এইফালে কাঁহটোৱে উগ্ৰৰূপ ধাৰণ কৰি আহিছে। মই ব্যৱসায় এৰি দি ঘৰতে সোমাই থকা কৰিলো, নহ'লে উপায় নাই। ৰছিদৰ কান্দোনে মোৰ হিয়াখন তিয়াই পেলায়। মোৰ পুৰুষ সত্তাৰ প্ৰতি ধিক্কাৰ জন্মিল। কিন্তু ঘৰত সোমাই থাকিলেই খোৱাৰ ভাত মুঠি জোগাৰ নহয়। এইপিনে দুখ, চৰম হতাশা আৰু বেমাৰৰ ভৰত মই ক্ৰমান্বয়ে আৰু বেছি দুৰ্বল হৈ পৰিছো। মোৰ মাংসহীন কান্ধ দুখনত পাচলিৰ পাচী দুটা কঢ়িওৱাৰ শক্তিখিনি হেৰুৱাই পেলাইছো। আৰু এনেকৈয়ে এদিন ভোকৰ তাড়নাত ক্ষুধাৰ বিৰুদ্ধে যুঁজ দিবলৈ ভিক্ষাৰী জোলোঙা লৈ জনসমুদ্ৰত সোমাই পৰিলো। লগত মাতৃহীন ৰছিদ।

**মোৰ অনুভৱৰ ছাঁ ঃ**

সেইদিনা মানুহজনৰ কথাবোৰ শুনি মোৰ হিয়াত যি শিহৰণৰ সৃষ্টি হৈছিল পাহৰিব নোৱাৰো। সৰুৰে পৰা জীৱনটোক বুজিবলৈ, শিকিবলৈ চেষ্টা কৰিছিলো, সকলো কথাতে জীৱনৰ লগত বুজা পৰা কৰিবৰ যত্ন কৰিছিলো। কিন্তু মানুহজনৰ কথাবোৰ শুনি মোৰ নিজৰ ওপৰতে পুতৌ উপজিল। একোৱে নাজানো আমিবোৰে। আমি জীৱনটোক উপভোগহে কৰিব জানো, অনুভৱ কৰিব নাজানো। খুব বেয়া লাগিছিল। মোৰ ক'ব লগা একো নাছিল, মাথো মই অনুভৱ কৰিছিলো - মোৰ হাতখন ল'ৰাটোৰ মুৰৰ ওপৰত। অলপ পিছত সিহঁত সেইদিনাখন গৈছিল।

আজি সেই মানুহজনেই আকৌ আহিছে, লগত ৰছিদ। আজি তেওঁ মোক অবাক কৰি আইদেউ বুলি মতাত মই ভিতৰৰ পৰা ওলাই আহিলো। আজি তেওঁৰ কথাবোৰ অলপ বেলেগ ধৰণৰ। হাচিমেই প্ৰথমতে আৰম্ভ কৰিলে — 'আইদেউ সেইদিনা আপোনাক মই আটাইখিনি কথাকে ক'লো। এতিয়া আকৌ এটা নতুন সমস্যাই দেখা দিছে। আপোনাক আপোন বুলি ভাবি ক'ব খোজো, যদি বেয়া নাপাই ........ " মই হাচিমৰ বাক্যটো শেষ কৰিব নিদি তাক কথাটো ক'বলৈ অনুমতি দিলো। "আইদেউ, আমিনা আকৌ উভতি আহিছে, লগত জাভেদৰ সন্তানটো। জাভেদে হেনো এজনী ছোৱালী আনিছে আৰু সেই বাবে তাইক মাৰপিট কৰি খেদি দিলে। তাই কেচুঁৱাটোক লগত লৈ আকৌ মোৰ ঘৰলৈয়ে উভতি আহিছে। মাক ঘূৰি অহাত ৰছিদৰ আনন্দৰ সীমা নাই। ময়ো বেয়া পোৱা নাই, কাৰণ মই বেমাৰী আৰু অৱশ। মোৰ দৰে মানুহে এইবোৰ ধৰি থাকিব নোৱাৰো। এতিয়া সমস্যা হৈছে কেচুঁৱাটোক লৈ। সি জাভেদ মিঞাৰহে সন্তান। আমিনাইও মোৰ আগত তাক মৰম কৰিবলৈ ভয় কৰে। তাই কেৱল কান্দি থাকে। মোৰ পিছে লৰাটোলৈ বেয়া ভাৱ নাই। তাৰতো একো দোষ নাই। সকলো আল্লাৰে লীলা। সি মোৰ ল'ৰা নহ'লেও আমিনাৰ ল'ৰা, মই তাক ৰাখিম। মই হোজা মানুহ। জীৱনৰ জটিলতা মই নুবুজো। মোৰ জ্ঞান তেনেই সীমিত, আইদেউ আপোনাৰ পৰা এটা দিহা পাম বুলি আহিছো।

মই তাৰ শেতা দুচকুলৈ চালো। একধৰণৰ মাদকতাত তাৰ দুচকু ভৰি আহিছে। আমিনা আহিছে। সিও আজি আকৌ আহিছে।

*প্ৰতিভা বৰ্মণ, স্নাতক ১ম বৰ্ষ ইংৰাজী বিভাগৰ ছাত্ৰী*



# এটা বিদ্ৰোহ

## সেউজীয়াৰ বাবে

**প্ৰাণজিৎ বৰা**

ঘৰখনত আমাৰ তিনিওজনী বাই-ভনীৰ ভিতৰত ককাদেউতাই মোকেই আটাইতকৈ ভাল পাইছিল বুলি এতিয়াও আনকি মোৰ ভাৱ হয়। মোৰ ককাই সকলোৰে লগতে তেনেই কম কথা কৈছিল, কিন্তু যিকেইটা কথা কৈছিল কেৱল তাৰ মাধ্যমেৰেই সকলোকে হহুৱাই ৰঙিয়াল কৰি তুলিছিল। মই গম পোৱাত কাৰো প্ৰতিয়েই তেওঁৰ মনত কোনো বিদ্বেষ ভাৱ অথবা খং, অনুৰাগ আদি একোৱেই নাছিল। আনহাতে মোৰ আইতা আছিল, তেওঁৰ সম্পূৰ্ণ ওলোটা স্বভাৱৰ। আইতাই দিনটোৰ ওঠৰ ঘণ্টা সময়েই তামোলেৰে মুখখন সেঙেতাই আনৰ ঘৰৰ ভিতৰুৱা কথাবোৰ ঘৰৰ কাম কৰা মানুহবোৰৰ লগত আলোচনা কৰি থাকিবলৈ ভাল পাইছিল। আনহাতে কোনোবাই কিবা এটা সামান্য জগৰ লগালেই তেওঁৰ প্ৰচণ্ড খং উঠিছিল আৰু মুখেৰে যিহকে পাই তাকে বলকিছিল। মোৰ ওপৰৰ বাইদেউ দুজনীয়ে আইতাৰ সেই স্বভাৱ উপভোগ কৰি বেচ ভাল পাইছিল - দিনটোৰ বেছিভাগ সময় সিহঁত তেওঁৰ লগতেই ব্যস্ত হৈ থাকিছিল। কিন্তু মই ককাৰ মাজত আইতাই আনি দিব নোৱাৰা কিবা এক বেলেগ ধৰণৰ উম বিচাৰি পাই ইমানেই পুলকিত হৈছিলো যে ককা সন্ধিয়া চাপৰিলৈ ফুৰিবলৈ যাওতে আৰু ফুৰি আহি গোঁসাই ঘৰত সোমাওতেও অহৰহ তেওঁৰ কাষতে মই ছাঁটোৰ নিচিনাকৈ লাগি আছিলো। মোৰ দেউতা আছিল ঘৰৰ পৰা আঁতৰত থকা চাহ বাগিছাৰ উচ্চপদস্থ কৰ্মচাৰী - আনহাতে কলেজৰ অধ্যাপিকা মোৰ মাৰ বেছিভাগ সময়েই অতিবাহিত হৈছিল একমাত্ৰ দেওৰেকটোৰ সৈতে ঘৰখন চোৱাচিতা কৰোতেই। দেউতা আৰু মাৰ নিৰন্তৰ ব্যস্ততাত সেয়েহে ককাই আছিল মোৰ প্ৰধান সংগ। ককা বেচ ধৰ্মপৰায়ণ মানুহ আছিল - নিতৌ সন্ধিয়া ভালেমান সময় ধৰি তেওঁ থাপনাৰ সমুখত গদ্‌গদ্‌হৈ নাম প্ৰসংগ কৰাত ব্যস্ত হৈ থাকিছিল। কিন্তু মৃত্যুৰ কেইমাহমানৰ অগেৰে পৰা সম্পূৰ্ণৰূপে সলনি হৈ গৈছিল তেওঁ। বাৰ্দ্ধক্যজনিত উপসৰ্গবোৰৰ বাদে তেওঁৰ আন একো বেমাৰ হোৱাৰ কথা মোৰ মনত নপৰে — কিন্তু মৃত্যুৰ কেইমাহমানৰ আগৰে পৰা বিৰাট ৰুগীয়া মানুহৰ দৰেই তেওঁ অনবৰত বিচনাতে পৰি থাকিবলৈ লৈছিল - ঘৰখনৰ প্ৰায় আটাইবোৰ মানুহৰ সংগকেই অতি সাৱধানে তেওঁ এৰাই চলিবলৈ আৰম্ভ কৰিছিল। কিন্তু মই লক্ষ্য কৰি গম পাইছিলো যে মোৰ লগত তেওঁৰ ব্যৱহাৰ পূৰ্বৰ দৰেই অটুট হৈ আছিল। মনে মনে মোৰ বেচ ভালো লাগিছিল অৱশ্যে সেই কথা গম পাই।

সেই দিনকেইটাত গোঁসাইঘৰ সৰা-মচা কৰাৰে পৰা আৰম্ভ কৰি সন্ধিয়া বেদীৰ আগত বন্তি জ্বলোৱালৈকে সকলো কাম ককাই মোৰ ওপৰতে এৰি দিছিল। মই ভাল পাইছিলো - কিন্তু প্ৰাৰ্থনাৰ বা নাম-প্ৰসংগৰ কথা ওলালেই বিৰক্ত হৈ পৰা ককাৰ মুখখন দেখি সেইসময়ত ভিতৰি ভিতৰি বৰ বিষাদো অনুভৱ কৰিছিলো। জীৱনৰ শেষৰ দিনকেইটাত হঠাতে ঈশ্বৰৰ ওপৰত বীতশ্ৰদ্ধ হৈ পৰা ককাক মৃত্যুৰ ঠিক পাছতেই যেন ঈশ্বৰে আকাশৰ বহু ওপৰৰ পৰা তললৈ পেলাই দিব - ঠিক এনেকুৱা ধৰণৰ ভাৱ এটাই সেইসয়মত মোৰ মাজত ক্ৰিয়া কৰিছিল বুলি ৰিনিকি ৰিনিকি মোৰ এতিয়া মনত পৰে।

ইতিমধ্যেই মই বহুতো কথা বুজিব পৰা হৈছিলো যদিও হঠাতে সলনি হৈ যোৱা ককাৰ সেই আচৰণৰ আঁৰত কি কাৰণ থাকিব পাৰে বহু ভাবিও ঠাৱৰ কৰিব পৰা নাছিলো। দিন যোৱাৰ লগে লগে নিজৰ নিজৰ কামত সদাব্যস্ত ঘৰখনৰ মানুহবোৰেও হয়তো ককাৰ সেই আচৰণ মৃত্যুমূখী যাত্ৰাৰেই এক অৱধাৰিত অংশ হিচাপে ধৰি লৈছিল। কিন্তু মই ককাৰ সেই আচৰণক আনৰ দৰে ইমান সহজে গ্ৰহন কৰিব পৰা নাছিলো কাৰণ মই তেওঁক অন্তৰৰপৰাই আটাইতকৈ ভাল পাইছিলো। আনহাতে সেইসময়ত কিনো কৰা উচিত তাকো মই ভাবি উলিয়াব পৰা নাছিলো।

মৃত্যুৰ দুদিন আগতে মাথোন মোৰ হাতত ধৰি ধৰি ককা আকৌ চাপৰিলৈ গৈছিল। তেওঁৰ শৰীৰৰ তেনেই দুখলগা অৱস্থাটো চাই ঘৰখনৰ সকলোৱে বাধা দিছিল তেওঁক, কিন্তু কাৰোৰেই বাধাক তেওঁ গ্ৰাহ্য কৰা নাছিল। নিৰ্দ্ধিধাই স্বীকাৰ কৰোঁ তেওঁ চাপৰিলৈ যাবলৈ ওলোৱাৰ কথাটো শুনি মইও প্ৰথমে আচৰিত হৈছিলো। — কিন্তু পাছমুহূৰ্ততে ভাবি লৈছিলো

যে তেওঁৰ সেই ইচ্ছা সম্পূৰ্ণ স্বাভাৱিক। চিৰদিনলৈ গুচি যাব বুলি নিশ্চিত হোৱাৰ পাছত এসময়ত নিজহাতে গঢ়ি তোলা চাপৰিটো চাই যাবলৈ ইচ্ছা কৰাটো সম্পূৰ্ণ স্বাভাৱিক। সেই কথা ভাৱিয়েই মই নিজে ককাক হাতত ধৰি চাপৰিলৈ লৈ গৈছিলো।

আমি গৈ পাওঁ মানে পশ্চিমৰ গোটেই আকাশখনতে প্ৰাক্ বাৰিষাৰ ৰঙচুৱা ডাৱৰবোৰ ইমূৰ পৰা সিমূৰলৈ অসাধাৰণ বৰ্ণচ্ছটাৰে বিয়পি পৰিছিল। দূৰৈৰ পৰা সেইবোৰ কোনোবা অজ্ঞাত ঠাইৰ বাসিন্দাৰ ৰঙচুৱা মাটিৰে লেপা শাৰী শাৰী ঘৰৰ নিচিনা দেখা গৈছিল। আৰু সেই বিৰাট বৰ্ণময় ৰঙাৰেই এচমকা তললৈ সৰি পৰি গোটেই চাপৰিৰ সেউজীয়াবোৰৰ লগ লাগিছিলহি। মোৰ হাতত ধৰি একেথিৰে চাপৰিৰ সেই কুঁহিপাতময় বৃক্ষৰাজিলৈ চাই ৰোৱা ককাক তেনেই সৰু ল'ৰা এটা যেন লাগিছিল মোৰ সেইসময়ত। কিন্তু ইমান নিবিষ্টমনেৰে, তেওঁ সেই বৃক্ষৰাজিলৈ চাই আছিল যে সেইসময়ত তেওঁৰ মাজত দেখা পোৱা সৰু ল'ৰাটোক কিবা কৈ আমনি দিবলৈ মোৰ অকনোৱেই মন যোৱা নাছিল। অৱশেষত তেওঁ নিজে নিজেই কৈ উঠিছিল, "গোটেইখন সেউজীয়া গোন্ধাইছে অ' মইনা।" অলপ বৈ আকৌ কৈছিল, "কিন্তু অলপ পাছতে এন্ধাৰবোৰ নামি আহিব ইয়ালৈকো।"

যেন অন্তৰৰ একেবাৰে নিভৃততম কোণৰ পৰা তেওঁ কথাবোৰ কৈছিল মোৰ এনে ভাব হৈছিল। হয়তো কথাৰ লগে লগে তেওঁৰ মুখনিঃসৃত গভীৰ হুমুনিয়াহটোৰ বাবেই মোৰ তেনেকুৱা যেন লাগিছিল।

সেইদিনা চাপৰিৰ পৰা উলটি আহি আকৌ আগৰ দৰেই বিচনাত পৰিছিলগৈ ককা। পাছৰ দিনটোৰ সন্ধিয়ালৈকে আহাৰ হিচাপে পানীৰ বাদে আন একোৱেই গ্ৰহণ কৰা নাছিল তেওঁ - কাৰোবাক কিবা বিচাৰি অকণো আমনিও আনকি কৰা নাছিল তেওঁ। পাছদিনা পুৱাই কেইদিনমানৰ ছুটীলৈ দেউতা আহি ওলাইছিল। ককাৰ শিতানতে ওৰেটো সময় বহি আছিল দেউতা - মাজে মাজে কিবাকিবি সুধি আছিল ককাক। কিন্তু একোৱেই নামাতি শূন্য দৃষ্টিৰে মাথোন ককাই দেউতাৰ ফালে চাই ৰৈছিল। খুৰাদেউ, মামা-মাহী, বিয়া হৈ গুৱাহাটীলৈ গুচি যোৱা পেহীদেউ সকলো আহিছিল। কিন্তু কাকোৱে একো কোৱা নাছিল তেওঁ। অথচ সচৰাচৰ মৃত্যুপথযাত্ৰী এজন যি কমা অৱস্থাত থাকে সেই অৱস্থাতো ককা নাছিল। তেওঁৰ গোটেই মুখমণ্ডলতে বিয়পি আছিল শূন্যতাৰ করুণ অথচ প্ৰশান্ত উপলব্ধিৰ এক অতুলনীয় আভা। পাছদিনা সন্ধিয়া ককাই মোক মাতি নি সেহাই সেহাই এটুকুৰা কাগজ আৰু পেঞ্চিল যোগাৰ কৰি দিবলৈ কৈছিল। পলকতে কাগজ-পেঞ্চিল লৈ ককাৰ ওচৰলৈ যাওঁতে তেওঁ মোৰ মূৰত হাত ফুৰাইছিল আৰু সকলোকে তাৰ পৰা আঁতৰাই নি তেওঁক কিছুসময় অকলে এৰি দিবলৈ কৈছিল।

ঘৰখনৰ আটাইবোৰ মানুহেই মনে মনে ভাবিছিল যে ককাই হয়তো তেওঁৰ সম্পত্তিৰ বিষয়ে কিবা লেখি থৈ যাব খুজিছে। ককাৰ বিৰাট পৰিমানৰ সম্পত্তিৰ তেতিয়াও ভাগ কৰা হোৱা নাছিল। ককাই কাগজ-পেঞ্চিল বিচৰাৰ কথাটো গম পায়েই সেয়েহে কিবা এক গোপন আশাই মানুহবোৰৰ চকুবোৰ মুহূৰ্তলৈ উজ্জ্বলাই গৈছিল। সকলোৱেই আঁতৰি গৈছিল। কিন্তু কিছুসময় পাছতে ককাৰ কোঠাত সোমাই তেওঁলোকে যি আৱিষ্কাৰ কৰিছিল কেৱল সিয়েই তেওঁলোকে বিস্ময়ত হতবাক কৰি দিব পৰাকৈ যথেষ্ট আছিল।

ককা চকুমুদি অনন্তকালৰ বাবে শুই পৰিছিল আৰু তেওঁৰ শিতানত গাৰুৰ ওচৰতে থকা কাগজ টুকুৰাত গোটে গোটে আখৰত জিলিকি আছিল এইষাৰ কথাঃ "মোৰ শেষ ইচ্ছা এয়ে যে মোক যেন তঁহতে আমাৰ ধৰ্মৰ ৰীতি অনুসৰি খৰি নিদিব। চাপৰিতে গাত এটা খান্দি মোক পুতি থবি।" কথাষাৰৰ তলতে ককাৰ চহীটোও স্পষ্ট হৈ জিলিকি আছিল।

গোটেই জীৱন মহা ধৰ্মপৰায়ন হৈ কটাই দিয়া মোৰ ককাৰ নিচিনা মানুহ এজনে জীৱনৰ অন্তিম কালত ইমান ধৰ্মবিৰুদ্ধ কাম এটাৰ বাবে কিয় অগ্ৰসৰ হ'ল বাৰু? কেৱল ঘৰখনতেই নহয়, গাঁৱৰ সমাজখনতো বিৰাট হৈ চৈ আৰু বিস্ময়ৰ সৃষ্টি হ'ল ককাৰ এই শেষ-ইচ্ছাটোক কেন্দ্ৰ কৰি। প্ৰচলিত হিন্দু ৰীতিমতে কাঠসংস্কাৰৰ যি ৰীতি যুগৰ পাছত যুগ ধৰি পালন কৰি অহা হৈছে, তাক উলংঘা কৰিবলৈ সমাজৰ মানুহবোৰ প্ৰথমতে অমান্তি হ'ল। দেউতাই কি কৰা যায় ভাবি চকুৰে ধোঁৱা-কোৱা দেখিলে, অসহায় হৈ তেওঁ চোতালতে পায়চাৰি কৰিবলৈ আৰম্ভ কৰিলে। গাঁৱৰ প্ৰতিপত্তিশীল গাওঁবুঢ়াও হয়তো দেউতাৰ এই অৱস্থাটো হোৱালৈকেই আগ্ৰহেৰে ৰৈ আছিল। চকুৰ ঠাৰেৰে দেউতাক ক্ষান্ত হ'বলৈ কৈ ডাঙৰ ডাঙৰকৈ গাওঁবুঢ়াই এইবাৰ মাত লগালে, 'বাইজ, মোৰ বোধেৰে এইখিনি সময় আমাৰ ৰীতি ৰখা নৰখাৰ কথা ভবাৰ সময় নহয়। এইখিনি সময় হ'ল মৃতকৰ আত্মাৰ বাবে চিন্তা কৰাৰ সময়। মই ভাবো, ৰাইজ, মৃতকে নিজেই যেতিয়া তেওঁৰ শেষ-ইচ্ছা সেই বুলি লেখি থৈ গৈছে - গতিকে, কেৱল এসময়ত মহাধৰ্মপ্ৰাণ তেওঁৰ আত্মাৰ শান্তিৰ বাবেই আমি তেওঁক তেনেকৈয়ে সৎকাৰ কৰিব লাগে। তেওঁৰ শেষ-ইচ্ছাক অৱমাননা কৰা মানেই ওৰেজীৱন ধৰ্মপ্ৰাণ হৈ কটোৱা তেওঁৰ আত্মাক অৱমাননা কৰা। এনে হ'বলৈ দিয়া উচিত হ'ব জানো ৰাইজ?' গাওঁবুঢ়াৰ কথাত প্ৰথমে মানুহজাকৰ মাজত গুণগুননি উঠিছিল যদিও শেষত শান্ত হ'ল সকলো। ককাক চাপৰিৰ মধুৰি আমকেইজোপাৰ কাষতে পুতি থোৱা হ'ল। যথাসময়ত শ্ৰাদ্ধ কাৰ্যও আনকি সুকলমে শেষ হৈ গ'ল।

শ্ৰাদ্ধ - কাৰ্য্য হৈ যোৱাৰ এসপ্তাহৰ পিছতে দেউতাক কৈ গাওঁবুঢ়াই তেওঁৰ সৰুটো ল'ৰাক বাগিছাত সুমুৱাই দিলে। কিন্তু তাৰো বহুদিন পাছলৈকে ককাৰ সেই শেষ-ইচ্ছাক লৈ সমাজৰ মানুহবোৰৰ মাজত অনেক বু-বা চলিয়েই থাকিল। ওৰেটো জীৱন ধৰ্মপৰায়ন হৈ কটাই দিয়া ককাই জীৱনৰ শেষমুহূৰ্ত্তত নিজ ইচ্ছাৰে ধৰ্মবিৰুদ্ধ কাম এটাত হাত দি মানুহবোৰৰ বাবে হৈ ৰ'ল ৰহস্যৰ অপ্ৰতিৰোধ্য উৎস। মই নিজেও বহু দ'কৈ ভাবিও একোৱেই কাৰণ সঠিককৈ নিৰ্ণয় কৰিব নোৱাৰিলো। বহুতে কোৱা শুনিলো যে ককাই নিজহাতে গঢ়ি তোলা প্ৰাণসম চাপৰিটোৰ মৰমৰ বাবেই তেনে কৰিলে। কিন্তু যদিহে চাপৰিৰ প্ৰতি থকা অবিচলিত ভালপোৱাৰ বাবেই তেনে কৰিলে তেন্তে চাপৰিতে দেখোন তেওঁক পোৰাৰ বাবেও লেখি থৈ যাব পাৰিলেহেঁতেন? এই প্ৰশ্নৰ উত্তৰ হিচাপে বহুতে ভাবি ললে যে ককাৰ জীৱনত ছাগৈ কোনেও গম নোপোৱাকৈ সাংঘাতিক কিবা এটা দুখ গোটমাৰি বুকুতে লুকাই আছিল। মানুহবোৰৰ এইটো কথা সমৰ্থনযোগ্য বুলি মোৰ মনত ভাৱ হ'ল -- কিন্তু কি সেই দুখ? দুটাকৈ ল'ৰাৰ এটা চাহবাগিছাৰ মেনেজাৰ, বোৱাৰী, কলেজৰ অধ্যাপিকা, এটা ল'ৰা ডাঙৰ ব্যৱসায়ী আৰু সিহঁতৰ নাতি-নাতিনী সমন্বিতে ইমান ভৰপূৰ সংসাৰ এখনৰ মাজত থকা সত্বেও কি দুখে বাৰু ককাক কোবাই গৈছিল? মই জনাত বহুতৰ দৰে সংঘাতময় জীৱন এটাৰ মাজেৰেও ককা আগুৱাই যাবলগীয়া হোৱা নাছিল। তেন্তে উৎস দুখৰ?

সময় যোৱাৰ লগে লগে ঘৰখনৰ মানুহবোৰৰ মনত ককা হৈ পৰিল এক স্বাভাৱিক স্মৃতি। সমাজৰ মানুহবোৰেও সহজেই ককাৰ কথা পাহৰি থাকিল। অথচ বহু যত্ন কৰিও ককাক মই কোনোমতেই পাহৰিব নোৱাৰিলো।

তেওঁৰ লগত জড়িত সেই উত্তৰবিহীন প্ৰশ্নই বয়সৰ বিভিন্ন স্তৰে স্তৰে খেদিয়েই থাকিল মোক - কি আছিল সেই বিষম দুখ যি ইমানকৈ কাতৰ কৰি তুলিছিল মোৰ ককাক? কি নাম সেই দুখৰ? কেনেকুৱা তাৰ বৰণ?

ককাৰ মৃত্যুৰ কেইমাহমানৰ পাছতে দেউতা আকৌ এবাৰ ঘৰলৈ আহিল। আগতে কাহানিও চাপৰিলৈ নোযোৱা দেউতা নিজেই এইবাৰ চাপৰিলৈ গ'ল। লগতে মোৰ মাও গ'ল। দুয়োৰে মনত হয়তো দৃঢ় বিশ্বাস হৈছিল যে ককাই একমাত্ৰ চাপৰিটোকে নিজৰ নিচিনাকৈ ভাল পাইছিল। সেইবাৰ নিজেই দুজন মানুহ চাপৰিটো ভালদৰে চোৱা-চিতা কৰিবলৈ ঠিক কৰি দি উলটি গ'লগৈ। চাপৰিত ককাই নিজহাতে ৰুই যোৱা সামান্য গছ এডালৰো যত্নত অলপো ত্ৰুটি নহয় তাকে দঢ়াই দঢ়াই কৈ গ'ল দেউতাই।

নিশ্চয়কৈ দেউতাই ভাবি লৈছিল যে চাপৰিটো উপযুক্তভাৱে চোৱাচিতা কৰাৰ ব্যৱস্থা কৰাই ককাৰ প্ৰতি থকা তেওঁৰ পিতৃঋণ পৰিশোধৰ শেষ একমাত্ৰ সুযোগ। দেউতাৰ আদৰ্শ স্ত্ৰী হিচাপে মোৰ মায়েও হয়তো পৰিয়ালটোৰ সম্পত্তিৰ প্ৰতি থাকিবলগীয়া তেওঁৰ ঐকান্তিক শ্ৰদ্ধা আৰু প্ৰীতি প্ৰকাশৰ উপযুক্ত সুযোগ হিচাপেই দেউতাৰ কাৰ্যত পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। কিন্তু ভিতৰি ভিতৰি অকনোৰেই শান্তি পোৱা নাছিলো মই। মা-দেউতাৰ কাৰ্যই মোৰ গোটেই মানুহজনীৰ ভিতৰত অনবৰতে উদ্ভ্ৰান্তৰ দৰে ঘুৰি ফুৰা সেই উত্তৰবিহীন প্ৰশ্নটোৰ অধিক উজ্জ্বলহে কৰি তুলিছিল।

মোৰ বিয়া হৈ যোৱাৰ সম্পূৰ্ণ দহবছৰৰ পাছত মই যেতিয়া মৃত্যুশয্যাত ছট্‌ফটাই থকা দেউতাৰ বিচনাৰ কাষত বহিছিলোগৈ মোৰ মাজত ইমানদিনে সংগোপনে জীয়াই থকা ককা আৰু অধিক জীৱিত হৈ পৰিছিল। দেউতাই মোৰ ল'ৰাদুটাৰ মূৰত হাত দি মুখেৰে কিবা বিৰ্‌বিৰাইছিল - হয়তো আৰ্শীবাদ কৰিছিল। ল'ৰাদুটাই 'ৰ লাগি সিহঁতৰ মৃত্যুমুখী ককাকৰ কোটৰগত চকুদুটালৈ চাই আছিল - একোৱেই বুজি পোৱা নাছিল সিহঁতে। কিন্তু মই স্পষ্টভাৱে দেউতাৰ মৃত্যুমুখী মুখৰ লগত মোৰ ককাৰ সেই মৃত্যুমুখী মুখৰ পাৰ্থক্য ধৰিব পাৰিছিলো। শয্যাশায়ী দেউতাৰ খবৰ কৰিবলৈ অহা সকলোৰে লগত উদ্‌বাউল হৈ দেউতাই কথা পাতিব খুজিছিল - কিন্তু তেওঁৰ মুখৰ ক'তোৱেই ককাৰ মুখৰ সেই শূন্যতাৰ কৰুণ আৰু প্ৰশান্ত উপলব্ধিয়ে আনি দিয়া আভা বিয়পি পৰা নাছিল। দেউতাৰ দুচকুৱে বাৰে বাৰে কাষতে বহি থকা মাৰ ফালে চাইছিল -- সেই দুচকুৰ চাৱনি দেখি মোৰ ভাৱ হৈছিল পৰা হ'লে তেওঁ যেন আকৌ এবাৰ মেনেজাৰ হৈ বাগিছালৈ ঘূৰি গ'লহেঁতেন, আকৌ এবাৰ তেওঁ নিজৰ দেউতাকৰ প্ৰতি থকা ঋণ পৰিশোধ কৰিবলৈ চাপৰিত মানুহ নিয়োগ কৰিলেহেঁতেন। কলেজৰ অধ্যাপিকা মোৰ মায়ে তাকে বুজি পাই হয়তো চাদৰৰ আঁচলেৰে বাৰে বাৰে চকুদুটা মাচি লৈ দেউতাৰ ফালে মূৰ দাঙি চাইছিল — তেওঁ হয়তো ভাবিছিল যে নিজৰ মানুহটো আকৌ এবাৰ দৰে হোৱাহেঁতেন পুনৰ এবাৰ তেওঁ আৰ্দশ স্ত্ৰী হিচাপে পৰিয়ালটোৰ প্ৰতি থকা তেওঁৰ দ্বায়িত্ববোধ স্বামীক নিবিষ্ট চিত্তে পালন কৰি দেখুওৱাৰ সুযোগ পালেহেঁতেন। যি নহওক, দেউতাৰ মৃত্যুশয্যাৰ কাষত বৈ থকাৰ সেই সময়খিনিতেই আশ্চৰ্যজনকভাৱে প্ৰথমবাৰলৈ মোৰ বোধ হৈছিল — মই যেন ককাৰ সেই সাংঘাটিক দুখটোৰ আঁৰৰ জগতখন ধৰা পেলাব পাৰিছোঁ, মই যেন ওৰেটো জীৱন ধৰ্মভীৰু হৈ কটাই হ'লেও বুজি পাবলৈ আৰম্ভ কৰিছোঁ।

আৰু সেই যে অলপ অলপ বুজা, বুজিও নুবুজা হৈ থকা মোৰ ককাৰ ৰহস্যজনক মনটো, তাৰ সকলো ৰহস্য আজি অলপ দিনৰে পৰা সম্পূৰ্ণ ফট্‌ফটীয়া হৈ ধৰা দিছে মোৰ সমুখত। ১৯৯৯ চনৰ ডিচেম্বৰ মাহ এইটো। মোৰ ডাঙৰ ল'ৰাৰ কেইবামহলীয়া ফ্লেটৰ ছাঁদত এয়া মই এতিয়া বহি আছো। বাৰ্দ্ধক্যই ইতিমধ্যেই মোৰ কপালত, দাঁতবোৰত, চুলিকোছাত আৰু এসময়ৰ গোটেই ভৰুণ শৰীৰটোতে স্পষ্ট আঁচোৰ বহুৱাইছেহি। ঠিক এই বয়সত জীৱনৰ বিৰুদ্ধে সচৰাচৰ কোনো অভিযোগ মোৰ আৰু নাই - মোৰ ল'ৰাহঁতে সিহঁতৰ সমস্ত আদৰ-যত্নৰে মোৰ বাৰ্দ্ধক্যৰ এই সময়ছোৱা পূৰ্ণ কৰি ৰাখিছে। কোনো ক্ষেত্ৰতেই মই ক'ব নোৱাৰো যে সিহঁতে মোক অনাদৰ কৰিছে বা উপযুক্তভাৱে সংগ দিয়াত কাৰ্পন্য কৰিছে। মোৰ এম. এচ. চি. ডিগ্ৰীধাৰী আই. এ. এছ. বোৱাৰীয়ে মোক চায়-হাত-ভৰি, গা-মূৰ পিটিকি দিয়ে। মোৰ নাতিহঁতে সন্ধিয়া হাত ধৰি মোক ফুৰাবলৈ নিয়ে, ছাঁদত বহি মোৰ ওচৰত হাঁটীপটিৰ কোনোবাকলীয়া সাধু শুনে।

তথাপিও মোৰ কিবা এটা দুখ। সুস্পষ্ট এটা দুখ। মোৰ প্ৰত্যেকটো দিনেই যেন অহৰহ সেই দুখে কঢ়িয়াই অনা শূন্যতাৰ চেতনাত অৰ্থহীন হৈ যাবলৈ আৰম্ভ কৰিছে আৰু ক্ৰমাৎ মই যেন হৈ পৰিছো পৃথিৱীয়ে এনেয়ে জীয়াই ৰাখিব লগীয়া হোৱা বিশাল এক বোজা। সমগ্ৰ পৃথিৱীৰ বাবেই অবাঞ্ছনীয় এক অৰ্থহীন উপস্থিতি।

মই বাৰে বাৰে আশা কৰিছিলো যে অন্ততঃ নিজৰ বুকুৰ গাখীৰ খুৱাই ডাঙৰ কৰা মোৰ ল'ৰাদুটাই জীৱনৰ সেই সত্যবোৰ বুজিব যিবোৰ সকলো শিক্ষা-দীক্ষাৰ ডিগ্ৰী, সকলো ধন-সম্পত্তিতকৈও বহু হাজাৰগুণে বেচি মূল্যবান। নিজৰ সমস্ত ধৈৰ্য আৰু যত্নেৰে সিহঁতৰ বুকুত মই ৰোপন কৰিব খুজিছিলো সেই সত্যৰ সেউজীয়াবোৰ। মৃত্যুৰ দুদিন আগতে মোৰ ককাই দেখা তেওঁৰ চাপৰিৰ সেই সেউজীয়াবোৰ।

কিন্তু মই যেন তেনেই দুৰ্বল শৰীৰ এটাৰেই বগাব খুজিছিলো বিৰাট থিয় এটা পাহাৰ- আৰু অৱশ্যম্ভাৱীভাৱেই অৱশেষত আধাৰপৰাই খহি পৰিবলগীয়া হ'ল। শিলবোৰে মোলৈ চাই সিহঁতৰ সমস্ত কদৰ্যতাৰে খিল্‌খিলকৈ হাঁহিলে। কেতিয়া যে চাই থাকোতেই মোৰ দৃষ্টিৰ পৰা আঁতৰি গ'ল ল'ৰাদুটা ধৰিবই নোৱাৰিলো মই। সিহঁত ডাঙৰ মানুহ হ'ল। সম্পত্তিবান হ'ল। কিন্তু মোৰ ককাৰ দুখৰ উপলব্ধি সিহঁতৰ চেতনাত সূৰ্যমুখী হৈ নুফুলিল। সিহঁত মোৰ দেউতাৰ নিচিনা হ'ল - মোৰ দেউতাই ককাৰ চাপৰিটোৰ ইমানকৈ যত্ন লৈছিল যদিও কোন পাকতনো বলিয়া পাগলাদিয়াই আহি তাক শেষ কৰি পেলালে গমেই নাপালে। গছ বনেৰে ভৰপূৰ হৈ থকা চাপৰিটোৰ ইমান যত্ন লৈছিল তেওঁ, তাকেই যেতিয়া নিয়তিৰ অপ্ৰতিৰোধ্য শক্তিয়ে চিন্-চাব নোহোৱাকৈ মহতিয়াই লৈ গ'ল দেউতাই দুখ কৰিলে, কিন্তু নিয়তিৰ সেই কালান্তক শক্তিয়ে কোনোমতেই শেষ কৰিব নোৱাৰা বুকুৰ চাপৰিটো সেউজীয়া কৰাৰ ওপৰত মুঠেও গুৰুত্বই নিদিলে। মোৰ ল'ৰাহঁতো ঠিক একেই হ'ল। এই সকলোবোৰ মোৰ চকুৰ আগতে ঘটিল অথচ তৰ্কিবই নোৱাৰিলো মই। তৰ্কিবই নোৱাৰিলো জন্মদাত্ৰী মাতৃৰ ঋনৰ বোজা পাতলোৱাৰ স্বাৰ্থত মোৰ ল'ৰাহঁতে কেতিয়াৰ পৰানো মোক সংগ দিবলৈ আৰম্ভ কৰিলে।

আকৌ সেই একেই দুখ। বৰ বিশাল এই দুখৰ আবেষ্টনী। বৰ কষ্টদায়ক। মই নিজৰ ভিতৰতে থক্‌থক্‌কৈ কঁপো। ম্ৰিয়মান হৈ উঠোঁ। আনে একোৱেই বুজিবই নোৱাৰে।

মোৰ মনত আছে এদিন মোৰ ককাৰ ওচৰলৈ' আহিছিল কেইজনমান ফটা-ছিটা কাপোৰ পিন্ধা মানুহ। সিহঁত দেউতাৰ বাগিছাৰ পৰা আহিছিল। দেউতাই নজনাকৈ সিহঁতে ককাক সিহঁতৰ সমস্যাৰ কথা ক'বলৈ আহিছিল। বাগিছাৰ মালিকপক্ষই সিহঁতৰ কেইবাপুৰুষে গৰকা ভেঁটিৰ মাটি ভাঙি

তাত ফেক্টৰী সাজিবলৈ ওলাইছে -- সিহঁতৰ হৈ তেওঁ দেউতাৰ এবাৰ মাথোন ক'ব লাগে। ককাই বৰ আগ্ৰহেৰে মানুহকেইজনৰ কথাবোৰ শুনিছিল। তেওঁ পাছত সিহঁতৰ হৈ দেউতাক কৈছিল। ককাৰ পৰামৰ্শমতে সিহঁত সকলো একগোট হৈ থিয়ও দিছিল। কিন্তু অৱশেষত পুলিচ নমাই সিহঁতক বিপৰ্যস্ত কৰা হৈছিল। মোৰ মনত আছে ককাই সেই খবৰ পোৱাৰ দিনা গা বেয়া বুলি কৈ ভাত খাবলৈ যোৱা নাছিল।

এটা বিৰাট গভীৰ দুখ। সকলো থাকিও কিবা এটা নথকাৰ দুখ। সকলো কৰিও কিবা এটা কৰিব নোৱাৰাৰ দুখ। বৰ দ'লৈকে শিপাই যোৱা সেই দুখৰ সোঁতে বুকুৰ মোহনাত এৰি যায় শিলাময় আৱৰ্জনাৰ দ'ম।

অলপতে মোৰ উকীল সৰুল'ৰাটোৰ ওচৰলৈ কোনোবা ভিতৰুৱা ঠাইৰ কেইটামান ডেকা ল'ৰা আহিছিল। কেইদিনমানৰ আগতে সিহঁতৰ সেই ভিতৰুৱা গাঁওখনৰ ওচৰতে উগ্ৰপন্থী দমনৰ নামত কেইবাটাও ল'ৰাক হত্যা কৰি মটৰৰ টায়াৰেৰে সিহঁতৰ শবোৰ জ্বলাই দিয়া হৈছিল। সেই ঘটনাটোতে চৰকাৰী পক্ষৰ উকীল আছিল মোৰ সৰু ল'ৰাটো। সেই কথা কেনেবাকৈ গম পায়েই গাঁৱৰ ডেকাকেইটা সন্ধিয়া মোৰ ঘৰ ওলাইছিলহি। সিহঁতৰ মাজৰে তেনেই ক্ষীণ-মীন ডেকা এটাই মোৰ সৰু ল'ৰাটোলৈ চাই কৈছিল, "মই সকলো নামঘৰতে শপত খাই ক'ব পাৰো মোৰ দাদা কোনোকালেই উগ্ৰপন্থী নাছিল। কিন্তু কি কাৰণত পথাৰত হাল বাবলৈ যাওতেই তাক হত্যা কৰা হ'ল মই নাজানো। আপুনি বিৰোধী পক্ষৰ উকীল হ'ল কি হ'ল, আপু নি মানুহৰ দয়া-মায়া কাক কয় নিশ্চয় বুজে। আপুনি আমাৰ ফালে অলপ চাব লাগিব, চাৰ।" - কথাবোৰ কৈ কৈ ক্ষীণ-মীন সেই ডেকাটোৱে অৱশেষত হুক্‌হুককৈ কান্দি দিছিল। মই তাক আশ্বাস দিছিলো যে মোৰ সৰু ল'ৰাই সিহঁতৰ কথাটো নিশ্চয় চাব। কিন্তু মোৰ ধাৰণা ভুল হৈছিল -- কে'চটোত আদালতে চৰকাৰৰ ফালে ৰায় দিছিল।

বহুত এনেকুৱা ঘটনাৰ মাজত এইটো মাথোন এটা সৰু ঘটনা। সকলোবোৰ ঘটনাতে মই যি বিচাৰো, তাৰ ওলোতাটো হৈছে। মোৰ বোৱাৰীয়ে ল'ৰাদুটাই সকলোতে নিজৰ হাতত কৰিব পৰাৰ শক্তি থকা সত্বেও সন্তৰ্পনে নিৰাপদ দূৰত্বত অৱস্থান গ্ৰহণ কৰিছে। লগে লগে মোৰ বুকুতো দোপত দোপে বাঢ়ি আহিছে ককাদেউতাৰ সেই দুখ। ককাদেউতাৰ দৰেই যেন সকলোবোৰ নীৰৱে হজম কৰি মই আগবাঢ়িছো। আগবাঢ়িছো মৃত্যুৰ সেই পোহৰবিহীন সৰ্পিল পথটোৰ পিনে।

আৰু বেছি সময় যে মোৰ হাতত নাই সেই কথা গম পায়ো মই ভিতৰত অনুভৱ কৰা নাই কোনো বিষাদ। গোটেই জীৱনটো বিৰাট প্ৰাত্যহিক কামবোৰ কৰি থাকোতেই মই পাৰ কৰি দিলোঁ - কিন্তু এতিয়া সেই কামবোৰৰ তুচ্ছতা মৰ্মে মৰ্মে উপলব্ধি কৰিও যেতিয়া মই বুজি পোৱাটো কৰিব পৰা নাই জীয়াই থাকিয়েইবা কি লাভ মোৰ? কি কৰিব বিচাৰিছো বাৰু মই এতিয়া? মোৰ সেই তুচ্ছ কামবোৰৰ বিপৰীতে কি কৰিব খুজিছো বাৰু মই এতিয়া? এবাৰৰ বাবে ককাৰ সেই সেউজীয়া চাপৰিটো চাবলৈ কিয় বাৰু হঠাতে মন গৈছে মোৰ?

সেই যে মধুৰি আম কেইজোপাৰ কাষৰ সেই স্মৃতিসৌধটো, তাৰ পৰা হঠাতে যেন মোৰ ককা উঠি আহিছে। সৌৱা আৰু মোক হাতত ধৰি লৈ গৈছে চাপৰিৰ একেবাৰে মাজৰ গছবোৰৰ ফালে। ককা আৰু মোৰ দুয়োৰে মূৰৰ ওপৰত অনন্ত পৰিব্যাপ্ত আবেলিৰ ৰঙচুৱা আকাশ চৌপাশে নিশ্চিদ্ৰ সেউজীয়াৰ বহুদূৰব্যাপ্ত মেলা। মই মৃত্যুপথযাত্ৰীৰ দৰেই আবেগসজল নয়নেৰে তধা লাগি চাই ৰৈছো সেই উৎসৱময় সেউজীয়া, আৰু হঠাতে যেন তন্ময়তাৰ এক চৰম মুহূৰ্ত্তত মোৰ ভাৱ হৈছে -- জীৱনৰ শেষসময়ত সকলো তুচ্ছ প্ৰাত্যহিকতাৰ বিপৰীতে যি মই বিচাৰি ফুৰিছিলো সেয়াই হ'ল এই সেউজীয়া! তন্ময়তাৰ সেই চৰম মুহূৰ্তৰ উপলব্ধি জীৱনৰ দৰেই মোৰ ভাল লাগি গৈছে আৰু মোৰ কাষতে ৰৈ থকা সৰু ল'ৰাটো হেন ককাক উদ্দেশ্যে মোৰ মুখৰ পৰা ওলাই আহিছে ঃ "গোটেইখন সেউজীয়া গোন্ধাইছে অ' মইনা। কিন্তু অলপ পাছতে এন্ধাৰজাক নামি আহিব ইয়ালৈকো।" কথাষাৰ কৈয়েই মই হুক্‌হুকাই কান্দি পেলাইছো আৰু ককাই হতবাক হৈ মোৰ মুখলৈ চাই ৰৈছে।

কিন্তু অকস্মাতে কাৰোবাৰ হাতৰ স্পৰ্শত মই যেন আকৌ জাগি উঠিলো। মোৰ ডাঙৰ ল'ৰাটোৰ সৰু ছোৱালীজনীয়ে তাইৰ কণ কণ আঙুলিকেইটাৰে মোৰ চকুৰ পানীবোৰ আলফু লকৈ মচি দিছে আৰু মোলৈ আচৰিত হৈ চাইছে। তাই যেন কিবা এটা ক'ব খুজিছে - কিন্তু মোৰ দুচকুত পানী দেখি হতবুদ্ধি হৈ ৰৈ গৈছে।

মই জোৰেৰে তাইক বুকুৰ মাজত সাৱটি ধৰিলো। তাই সৰুকৈ ক'লে, তোমাৰ কি হৈছিল আইতা? কিয় কান্দিছিলা তুমি? তুমি কান্দিলে ইমান যে বেয়া লাগে মোৰ!"

ঠিক যিদৰে মই এদিন মোৰ ককাৰ বুকুত কুচি-মুচি সোমাই পৰিছিলোঁ, তাইয়ো মোৰ বুকুত তেনেকৈয়ে সোমাই পৰিছে। তাইৰ অকনমাণি শৰীৰটোৰ উম লাগি মই যেন আকৌ ঘূৰাই পাব ধৰিছো মোৰ মাতৃত্ব, এনে ভাৱ হৈছে মোৰ।

মই নাৰী। জীৱনৰ সমস্ত সম্ভাৱনা, আনকি পুৰুষৰ পৌৰুষকো ধাৰণ কৰিব পৰা মই অসামান্য শক্তিৰে গঢ়া সৃষ্টি। মই সকলোৰে প্ৰতিবাদ কৰিম। এই বাৰ্দ্ধক্যত মোক মোৰ পো-বোৱাৰীৰ আদৰ, আপ্যায়ন একেবাৰেই আৱশ্যক নাই - একেবাৰেই নালাগে। মোক এই উঠি অহা কণ কণ ল'ৰাছোৱালীকেইটাৰ কাৰণে মোক মাথোন সিহঁতৰ পৰা অলপ সেউজীয়া লাগে। এন্ধাৰৰ মাজতো উজ্জ্বলি থাকিব পৰা সেউজীয়া।

মই সিহঁতক ক'ম -- জীৱনৰ শেষ মুহূৰ্তত ধৰ্ম উলংঘা কৰিব পৰা সেই আশ্চৰ্যজনক কামটো কৰি মোৰ ককাই বিদ্ৰোহ কৰিছিল আচলতে জীৱনৰ সকলো তুচ্ছ প্ৰাত্যহিকতাৰ বিৰুদ্ধে।

মোৰ ককা আচলতে সেউজীয়াৰ কাৰণে মৰিছিল -- যি সেউজীয়া তেওঁৰ পুতেকহঁত আৰু ঘৰখনৰ মানুহবোৰৰ পৰা চেষ্টা কৰিও তেওঁ বিচাৰি পাব পৰা নাছিল। এৰা, আজিয়েই সিহঁতক মই সকলোবোৰ খুলি ক'ম।



*প্ৰাণজিৎ বৰ, স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ ইংৰেজীৰ ছাত্ৰ*

# গতি, প্ৰেম আৰু সংজ্ঞাহীনতাৰ খবৰ

নয়ন কুমাৰ পাঠক

উপত্যকাটোত এতিয়া গতি আৰু গীতালি
সংজ্ঞাৰ পৰা সংজ্ঞালৈ, আৰু সংজ্ঞা হীনতালৈ
আৰু ঋতুৰাণীৰ স'তে আমাৰ মিতিৰালি

**স্বপ্নৰ খুটিগুত -**

এটা এঢলীয়া নৈ- চাপৰিত আয়োজন কৰা হৈছিল বালিভোজৰ। মানুহবোৰে এদিনৰ বাবে হ'লেও জাগতিক আৱৰণবোৰ খুলি লৈছিল আৰু বালিয়ে বালিয়ে দৌৰিছিল। কিছুমানে ৰং আৰু কেনভাছ লৈ কিবাকিবি ছবি আঁকিছিল, কিছুমানে হোৱাই- নোহোৱাই চিঞৰিছিল। মুহূৰ্ত্তে আকাশখন ভৰি পৰিছিল অসংখ্য চিলাৰে – ৰঙা, নীলা, সেউজীয়া, বাদামী, হালধীয়া ......... বিভিন্ন ৰঙৰ চিলাৰে। গুলপীয়া বৰণৰ উৰি থকা চিলা এখনৰ ইমূৰত থকা সূতাদাল ধৰি ময়ো মুকলি দিন এটাৰ আনন্দকণ সম্পূৰ্ণকৈ উপভোগ কৰাৰ চেষ্টা কৰিছিলো। পৰিবেশটো আৰু আকাশখন ভৰি গৈছিল ৰঙেৰে ...... ৰঙ আৰু ৰঙ .......... কেৱল ৰঙ।

হঠাৎ জানো কি হ'ল- হোঁ-হোঁকৈ প্ৰচণ্ড জোৰেৰে বতাহ বৰলৈ ধৰিলে। বতাহৰ শব্দত মানুহবোৰৰ চিঞৰ বাখৰ সকলো তল পৰিল। একোৰত বতাহে নৈৰ পাৰত তৰা তম্বুখন উৰুৱাই নিলে, চিলা উৰুৱাই থকা মানুহবোৰ নিজৰ নিজৰ চিলাবোৰ বচোৱাত ব্যস্ত হৈ পৰিল। কিন্তু বতাহৰ কোবৰ তুলনাত মানুহবোৰৰ চেষ্টাবোৰ তেনেই ক্ষুদ্ৰ হৈ পৰিল। টপ টপকৈ মানুহবোৰৰ চিলাৰ সূতাখোৰ চিঙিব ধৰিলে শেষত মোৰ গুলপীয়া চিলাখনৰ সূতাদালো বতাহে চিঙি পেলালে। চিলাখন বতাহত ক্ৰমান্বয়ে মোৰ পৰা আঁতৰি যাবলৈ ধৰিলে। দূৰলৈ .... আৰু দূৰলৈ। মই চিলাখনৰ পিছে পিছে কিছুসময় দৌৰিলো আৰু এটা সময়ত বালি চাপৰিত হামকুৰি খাই বাগৰি পৰিলো। চিলাখন আঁতৰি গ'ল........ দূৰলৈ, বহু দূৰলৈ। এঢলীয়া নৈ চাপৰিটোত সিচঁৰতি হৈ পৰি ৰৈছিল চাউল - দাইল আদিৰ মিশ্ৰিত খাদ্যসম্ভাৰ। মানুহবোৰ বালি চাপৰিত যেনিয়ে তেনিয়ে পৰি ৰৈছিল। তেওঁলোকৰ চুলিৰ মাজত চাৰ্টৰ কলাৰত আৰু শাৰীৰ আঁচলত তেতিয়াও লাগি ৰ'ল কিছুমান হৃদয় ভঙা গানৰ টুকুৰা আৰু তাঁৰ ছিগা গীতাৰৰ দৰে অক্ষম চিঞৰৰ কিছুমান।



**বাস্তৱৰ কেনভাছত –**

দুৱাৰত টোকৰ পৰাত সাৰ পাই গ'লো। চকু দুটা মেলাৰ লগে লগে খিড়িকীৰ মাজেৰে সোমাই অহা উজ্বল ৰ'দ এচেৰেঙাই আঘাত কৰিলেহি। চকুদুটা পুনৰ মুদি দিলো। বহুত দেৰি শুলো নে কি?

পুনৰ দুৱাৰত টোকৰ! কোন হব পাৰে বাৰু?

অলসভাৱে বাওঁহাত খন দাঙি পিন্ধি থকা ঘড়ীটোলৈ চালো। সাত বাজিছে। বহুদেৰি শুলো তেনেহলে।

শেষৰাতি সপোন এটা দেখিলোঁ। অস্ফুটভাৱে চিঞৰিলোও নেকি? তাৰ পাছতে সাৰ পাই গলো। বিছনাৰ কাষতে থকা টেবুলখনৰ পৰা পানী গিলাচ খাই বহুত সময় সপোনটোৰ কথাকে ভাবিলোঁ। তাৰ পাছত কেতিয়া যে পুনৰ টোপনি আহি গ'ল?

দুৱাৰত পুনৰ সেই ব্যগ্ৰ টোকৰ। কোন বাৰু? বিশেষ দৰকাৰ নহলে সংযুক্তা চৌধুৰীৰ ৰুমৰ দুৱাৰত ইমান জোৰেৰে নক্ কৰাৰ সাহস এই হোষ্টেলত কাৰোৰেই নাই, সেইটো মই জানো। "ৱেইট, ৱেইট জাষ্ট ৱান মিনিট' আঠুৰাখন দাঙি বিচনাৰ পৰা উঠিলো। চুলিখিনিত বান্ধ এটা দি আয়নাত মুখখন এনেয়ে এবাৰ চালো। ঠিকেই আছে। চেণ্ডেল চোঁচোৰাই আগবাঢ়ি দুৱাৰৰ হুকটো খুলিলো।

দুৱাৰ মুখত জুনিয়ৰ ছোৱালী এজনী ৰৈ আছে।

"কি হ'ল?"

"সংযুক্তা বা, অজান দা আহিছে।"

অজান আহিছে? এই ৰাতিপুৱাতে? অলপ আচৰিত হ'লো। সি আহিলেই মোৰ অলপ ভয় লাগে। ক'ত বা কি কৰি আহিছে?

"ক'ত আছে?"

"তলত ৰৈ আছে।"

দুমহলীয়া আমাৰ এই প্ৰাইভেট হোষ্টেলটোৰ ফাৰ্ষ্ট ফ্লোৰৰ এমূৰে থকা মোৰ এই ৰুমটোৰ দুৱাৰ মুখৰ পৰা তললৈ চাই পঠিয়ালোঁ। লোহাৰ প্ৰকাণ্ড গেটখনৰ ওচৰতে অজানৰ ৰঙা মটৰ চাইকেলখন। তাৰ বাওঁফালে আমাৰ ফাৰ্ষ্টইয়েৰৰ ছোৱালীবোৰে মিলি কৰা ফুলনি খনৰ ওচৰতে অজানৰ ৰঙা মটৰ চাইকেলখন। তাৰ বাওঁফালে আমাৰ ফাৰ্ষ্ট ইয়েৰৰ ছোৱালীবোৰে মিলি কৰা ফুলনি খনৰ ওচৰতে সি ব্যগ্ৰভাৱে খোজ দি আছে ইফালৰ পৰা সিফাললৈ।

"অলপ সময় ৰ'বলৈ কোৱা, মই গৈ আছো।"

ছোৱালীজনী যাবলৈ ওলাল। তাই দুখোজমান দিয়াৰ পাছত পুনৰ মাত দিলো, "শুনাচোন, ৰ'বা" ছোৱালীজনী পুনৰ ঘূৰি আহিল।

"কি হ'ল সংযুক্তাবা?"

এইজনী হায়াৰ চেকেণ্ডাৰী ফাৰ্ষ্ট ইয়েৰৰ ছোৱালী। হোষ্টেলত সোমোৱা বেছিদিন হোৱা নাই। নামটো জানো কি আছিল ৰীতা নে মিতালী তেনেকুৱাই কিবা এটা আছিল, পাহৰিলো। ভয় মিহলি চাৱনি এটাৰে তাই মোলৈ চাই আছে।

"নামটো কি আছিল তোমাৰ?"

"জীতা।"

"অ' জীতা। ভিজিটিং ৰুম খোলা নাই নেকি?"

"নাই খোলা"

"হৰিকাইক কোৱাগৈ ভিজিটিং ৰুমটো খুলি দিবলৈ। আৰু তেওঁক, মোৰ গেষ্টজনক তালৈ নি বহুওৱাগৈ। মই গৈ আছো। পাৰিবা নহয়?" কিয় জানো কথাখিনি কওঁতে নিজৰে খেলি-মেলি লাগিল।

"পাৰিম"

"যোৱা"

ৰবৰৰ চেণ্ডেলযোৰৰ পৰা যিমান পাৰি কম শব্দ হোৱাকৈ মৃদু খোজেৰে ছোৱালীজনী ষ্টেপেৰে তললৈ নামি গ'ল। ছোৱালীজনী যোৱালৈ চাই কিয় জানো চাৰিবছৰ আগৰ কথা এটা মনত পৰিল .......................

প্ৰাইভেট গাৰ্লচ হোষ্টেলটোৰ ওপৰ মহলাৰ ৰুম এটা। নিশা ন মান বাজিছে। ৰুমটোৰ সোঁমাজত থকা টেবুল এখনৰ ওপৰত বেপৰোৱা ভংগীত বহি আছে 'দিদি' টাইপৰ ছোৱালী চাৰিজনী। তাৰ সম্মুখতে থিয় হৈ আছে হোষ্টেললৈ নতুনকৈ অহা নজনী ছোৱালী। তাৰ ভিতৰত কামৰূপ জিলাৰ ... অখ্যাত গাওঁ এখনৰ পৰা অহা সংযুক্তা চৌধুৰী নামৰ ছোৱালীজনীও আছে। সেয়া আছিল চিনাকি পৰ্ব। দুজনীমান ছোৱালীয়ে চিনাকি দিয়াৰ পাছত সংযুক্তাৰ পাল পৰিল। টেবুলত বহি থকা "দিদি" এগৰাকীয়ে চকু পকাই সংযুক্তাক সুধিলে, "নাম কি? ক'ৰ পৰা বা আগমন?"

তাই নামটো আৰু গাওঁখনৰ নামটো কৈছিল।

"বাহ ধুনীয়া নামটো। বয়ফ্ৰেণ্ড আছে?"

সংযুক্তা নিমাতে ৰ'ল।

"মই কি কৈছো শুনা নাই নে কি? গাওঁত থাকোতে পীৰিতি কৰিছিলা নে নাই?"

এক মুহূৰ্তৰ কাৰণে সংযুক্তাৰ চকু দুটা জ্বলি উঠিল। ক'ত জানো ইমান সাহস পালে, তাই কৈ উঠিল, "বাইদেউ, মই ইয়ালৈ পঢ়িবলৈ আহিছো। মোক শান্তিৰে পঢ়িবলৈ দিলেই মই ভাল পাম।"

মুহূৰ্ততে টেবুলৰ ওপৰত বহি থকা চিনিয়ৰ কেইজনী জঁকি উঠিল, "কি, কি কৈছা? কাৰ লগত কথা কৈছা, গম পাইছা?"

"কিয়, কি কৰিব আপোনালোকে?" এখোজ আগুৱাই গ'ল সংযুক্তা

ক'ত জানো ইমান সাহস পাই যাওঁ। ঘটনাটো মনত পৰি হাঁহি উঠিল। হঠাতে তললৈ চকু পৰাত দেখিলো অজানৰ মটৰ চাইকেলখন ৰৈ আছে। খৰখেদাকৈ ৰুমৰ ভিতৰলৈ সোমাই গ'লো।......................

বাথৰূমৰ পৰা ওলাই তিতা টাৱেলখনেৰে চুলিখিনি মেৰিয়াই ভিজিটিং ৰুমলৈ গ'লো। অজান বহি আছে।

"কি হ'ল ইমান দেৰী কৰিলা যে?"

অজান বহি থকা চকীখনৰ সম্মুখৰ চকীখনত বহি পৰিলো "কিমান দেৰী হ'লনো?"

"কিমান দেৰী হ'ল মানে? আধাঘণ্টা হ'ল!"

"আপেক্ষিকভাৱে চাবলৈ নিশিকা কিয়? চিনেমা হ'লৰ সামান্য টিকট এটাৰ বাবে এঘণ্টা 'কিউ' কৰা দেখোন?" তাক জোকাই লবলৈকে কলো।

"পাঁচ মিনিটৰ বাবে নেপোলিয়নে যুদ্ধ এখন হাৰিছিল। আপেক্ষিকভাৱে চোৱা। বাৰু বাদ দিয়া। "মহোদয়া" অজানৰ কথাৰ সুৰ সলনি হ'ল "আপোনাক মায়ে মাতিছে।"

"কিয়বা?"

"আজি ভণ্টিক চাবলৈ মানুহ আহিব" এটা ভৰিৰ ওপৰত আনটো ভৰি দি অজানে ক'লে।

"মই কি কৰিব লাগে?"

"কিয়, ননদৰ বিয়াৰ পূৰ্ব প্ৰদৰ্শনীত বৌৱেক উপস্থিত নাথাকিলে কোন থাকিব?" ইমান তীৰ্য্যক তাৰ শব্দবোৰ!

"প্লিজ, বি চিৰিয়াছ। আচ্ছা অজান। তুমিতো পঢ়া শুনা কৰা ল'ৰা। তোমাৰ ভনীয়েৰাক তুমি ইমান কম সময়তে বিয়া দিবা নে? তাকো এইটো চিষ্টেমেৰে?"

"ভাল ল'ৰা এটা পাইছো যেতিয়া আপত্তি কি? আইন মতেতো তাইৰ বিয়াৰ বয়স হৈ গৈছে। আৰু চিষ্টেম! ফ'ৰ দা টাইম বিয়িং, চিষ্টেমটো এনেকৈয়ে চলিব। একজিবিচন কাম চেল।" নিৰ্দ্দিষ্ট কিছুমান শব্দত জোৰ দি অজানে ক'লে।

"চলি থাকিবলৈ দিলেই হ'ল! ছোৱালীৰ মাক দেউতাকে ল'ৰা ঠিক কৰিব, ল'ৰাই মাক-দেউতাকৰ সৈতে আহি দোকানৰ বস্তু চোৱাদি ছোৱালী পছণ্ড কৰিব — বাঃ কি চিষ্টেম। তাৰ মাজত ছোৱালীজনীৰ নিজস্ব চিন্তা বিবেচনা চব জহন্নামে যাওঁক! তোমালোকে বাৰু ছোৱালীবোৰক শ্ব পিচ বুলি ভাবা কিয়?" মোৰ অলপ খং উঠিছে, নিজেই ধৰিব পাৰিলো।

"মিছ সংযুক্তা চৌধুৰী" মাতটোলৈ কৃত্ৰিম গাম্ভীৰ্য্যতা আনি অজানে আৰম্ভ কৰিলে, "আপুনি ডিগ্ৰী চেকেণ্ড ইয়েৰৰ ফিজিক্সৰ ব্ৰিলিয়াণ্ট ছাত্ৰী, আপোনাৰ বিবেচনা শক্তি থকাটো স্বাভাৱিক। আপোনাৰ গাওঁৰ তৃতীয় শ্ৰেণীতে স্কুল এৰা পদুমীহঁতৰ বিবেচনা শক্তিটো বাৰু কেনেকুৱা ধৰণৰ হব? আপোনাৰ এম্বিচন আই পি এছ অফিচাৰ হোৱা আৰু পদুমীৰ 'এম্বিচন' ভাল দৰা এটা পোৱা — পাৰ্থক্যটো এইখিনিতেই।" সুবিধা পালেই অজানে মোৰ এম্বিচনটোক আক্ৰমণ কৰে, আজিও কৰিলে।

"আচ্ছা তুমি বাৰু মোৰ কথাবিলাক পিওৰ ফেমিনিষ্টিক ভিউপইণ্টৰ পৰা কোৱা বুলি কিয় ভাবা? মোৰ মতে ইট্‌ছ এ মেটাৰ অফ্ জেনেৰেল এটিটিউদ।" মই তাক বুজোৱাৰ সুৰত ক'লো।

"প্লিজ, মেদাম কিৰণ বেদী, মই হাৰিছো, হ'লতো? এতিয়া মোৰ বহুত কাম আছে। তুমি দয়া কৰি ওলাবানে? মা ৰৈ আছে।" মই তাৰ বাইকৰ পিছফালে নুঠো। বুলি সি জানে, তথাপিও ক'লে।

"তুমি গৈ থাকা। মই ৰিক্সা এখনকে লৈ যাম।"

"তুমহাৰী মৰ্জ্জি।" অজান যাবলৈ বুলি বহাৰ পৰা উঠিল। তাক আগবঢ়াই দিবলৈ ময়ো উঠিলো। এখোজ দি সি মোৰ পিনে ঘূৰিল।

"তোমাৰ মেখেলা - চাদৰ দুযোৰমান আছে নহয়। তাৰে এযোৰ পিন্ধিবা।" মই পিন্ধি থকা ট্ৰাউজাৰ আৰু টি চৰ্টটোৰ পিনে বেঁকাকৈ চাই সি ক'লে।

"অ' কে বছ।"

অজানক আগবঢ়াই দিবলৈ হোষ্টেলৰ গেটৰ ওচৰলৈ আহিলো।

মটৰ চাইকেল ষ্টাৰ্ট দি মোৰ ফালে বিশেষ দৃষ্টি এটাৰে চাই ৰ'ল সি। কিবা ক'ব খুজিছে সি।

"কোৱা অজান।"

"আচলতে কি জানা সংযুক্তা? ভন্টিক ইমান সোনকালে বিয়া দিবলৈ মোৰো বেয়া লাগিছে। মোতকৈ এবছৰে সৰু তাই, কিন্তু মোৰ লগত একেবাৰে বন্ধুৰ দৰে তাই। কিন্তু মা-দেউতাই ডক্তৰ জোঁৱাই পাইছে, এৰি দিব খোজা নাই। মইতো তেওঁলোকৰ মনত বাচ্ছা ল'ৰা, মোৰ কথাৰ কি মূল্য!" আহত সুৰ এটাৰে সি ক'লে। অলপ আগৰ সেই অজান যেন নাই। "বাৰু বাদ দিয়া, দেৰী হৈছে। তুমি আহা দেই সোনকালে।" মটৰ চাইকেলখন ধীৰ গতিৰে আঁতৰি গ'ল।

ভাল লাগে। তাৰ কথাৰ এই বিশেষ ষ্টাইলটোৰ বাবেই তাক ভাল লাগে। সঁচা কথাটো সি শেষত স্বীকাৰ কৰেই। সেই বাবেই সি মোৰ এজন ভাল বন্ধু। ............................

মই যেতিয়া হোষ্টেল আহি সোমাওঁ, তেতিয়া সন্ধিয়াই হৈছিল। তলৰ মহলাৰ কৰিদৰত ছোৱালীবোৰ গোট খাইছিল, প্ৰেয়াৰৰ বাবে। তাৰ পিছত এটেন্‌দেন্স লোৱা হব। মই হায়াৰ চেকেণ্ডাৰী ফাৰ্ষ্ট ইয়েৰত থাকোতেই কেইদিনমান প্ৰেয়াৰলৈ আহিছিলো, তাৰ পিছত আৰু কোনোদিনেই অহা নাই। অনৰ্থক নিয়ম এটা! আজিও পোনে পোনে নিজৰ ৰুমলৈ আহিলো। তলাটো খুলি লাইটটো জ্বলাই দিলো। ৰুমৰ ভিতৰৰ নিসংগতাই মুহূৰ্ততে মোক স্বাগতম জনালে "আহা, তোমাৰ বাবেই মই ৰৈ আছো।" দুৱাৰৰ হুকটো লগাই বিছনাত দীঘল দি পৰিলো। ভাগৰতে মূৰটো বিষোৱা যেন লাগিল।

এইটো আচলতে দুজনীয়া ৰুম। মোৰ কাষৰ চিটটো খালী আছে। কাকো এলট কৰা নাই এতিয়াও। হোষ্টেলটোৰ বাকীবোৰ ৰুম তিনিজনীয়া। ৱাৰ্ডেন মেদামে কৈছিল — "তুমি অকলে থাকিব নেলাগে। কৰবীহঁতৰ ৰুমত ছিট এটা আছে, তুমি সেইটোতে থাকা নহলে তিনিজনীয়া ৰুম এটাৰ পৰা কাৰোবাক আনি তোমাৰ ইয়াত দিওঁ।" মই কৈছিলো,

"নালাগে মেদাম। মোৰ এইবাৰ ফাইনেল এগজাম এটা আছে যেতিয়া অকলে থাকিলে মোৰ বেছি পঢ়া হব।" মিছা কৈছিলো। আচলতে নিজৰ একান্ত ব্যক্তিগত সময়খিনি ৰুমমেটৰ সৈতে শ্বেয়াৰ কৰিবলৈ একেবাৰেই ভাল নালাগে। আৰু সাহস! সৰুৰে পৰাই গাওঁৰ মানুহে দেউতাক কৈছিল, "চাবা দেই দাইটি, এইজনীৰ স্বভাবটো একেবাৰে ল'ৰামতীয়া হৈছে।" মাহঁতে কৈছিল, "আই, গাভৰু ছোৱালী অলপ আবুৰত থাকিব লাগে।" মই যে সকলো ভুল কথাতে মুখ পাতি ধৰিছিলো, সেইবাবেই মই ল'ৰামতীয়া। দেউতাৰ কিন্তু মোৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছিল। আৰু সেইবাবেই মেট্ৰিক পাছ কৰাৰ পাছতে সৰু চহৰখনৰ নাম থকা এই কলেজখনত নাম লগাই দিছিল। আৰু এই প্ৰাইভেট হোষ্টেলটোত এডমিশ্যন দিয়াই দিছিল।

এটেন্‌ডেন্স লোৱা বোধহয় শেষ হ'ল। কেইজনীমান ছোৱালী খিলখিলাই হাঁহি ষ্টেপেৰে ওপৰলৈ উঠি অহাৰ শব্দ কাণত পৰিল। এতিয়া কিছুমান পঢ়িবলৈ বহিব আৰু বাকী কিছুমান চেপা মাতেৰে সৰু সৰু আড্ডাত বহিব যিবোৰ আড্ডাৰ বিষয় বিউটী পাৰ্লাৰ, অক্ষয় কুমাৰ বা নতুন ডিজাইনৰ চুৰিদাৰ। এনেবোৰ আড্ডাত মই কোনোদিনেই বহি পোৱা নাই। আৰু খোলাকৈ ক'বলৈ গ'লে হোষ্টেলৰ বেছিভাগ ছোৱালীৰ লগতে মোৰ বিশেষ একো সম্পৰ্ক নাই। বিউটী পাৰ্লাৰলৈ মই নাযাওঁ, মাৰ্কেটিং সাধাৰণতে মই নিজেই কৰো। চিনেমা কেতিয়াবা চাবলৈ গ'লে মোৰ লগৰ মেৰিণা নামৰ ছোৱালীজনীৰ লগতে ওলাও। সেইবুলি হোষ্টেলৰ কোনো ছোৱালীৰ লগতে মোৰ একো কাজিয়া নাই। কিন্তু দূৰত্ব, কিবা এটা দূৰত্ব আছে।

আৰু অজান! অজানৰ সৈতে মোৰ বন্ধুত্ব লৈ মানুহেতো বহুত কিবাকিবিয়েই কয়!.................................................

দিনটো দেওবাৰ আছিল। ৰাতিপুৱাতে মেৰিনা আৰু মই গীৰ্জালৈ যাব ওলাইছিলো। মেৰিনাই জীনৰ স্কাৰ্ট এটাৰ লগত বগা কোট এটা পিন্ধিছিল। সেইটো পোছাকত তাইক খুব উৎফুল্লিত আৰু ধুনীয়া দেখা গৈছিল। ডিচেম্বৰ মাহৰ কুঁৱলীয়ে বাট-পথ আৱৰি আছিল। তাৰ মাজে মাজে আমি গীৰ্জালৈ আগবাঢ়িছিলো। গোটেই বাটটো মেৰিনাই অনৰ্গল কথা কৈ গৈছিল আৰু হাঁহিছিল।

বৰদিনলৈ বোধহয় এসপ্তাহমানহে আছিল। গোটেই গীৰ্জাটো বিয়াঘৰৰ নিচিনাকৈ ৰঙীন কাগজ আৰু সৰু সৰু লাইটৰ মালাৰে সজোৱা হৈছিল। ডাঠ কুঁৱলী পৰি আছিল বাবে লাইটবোৰ তেতিয়াও জ্বলিয়েই আছিল। দেওবাৰৰ প্ৰাৰ্থনাৰ বাবে গীৰ্জাটোত বহুত মানুহ গোট খাইছিল। মেৰিনাই প্ৰাৰ্থনা কৰি থকা সময়খিনিত মই গীৰ্জাটোত নতুনকৈ লগোৱা শিল্পকৰ্মবোৰ পৰ্য্যবেক্ষণ কৰিছিলো।

প্ৰাৰ্থনাৰ শেষত এজুম মানুহৰ মাজতে মেৰিনাও ওলাই আহিছিল ডেকা ল'ৰা এজনৰ লগত হাঁহি হাঁহি কথা পাতি। ল'ৰাজনক মই চিনি পাইছিলো। এডুইন নামৰ এই ল'ৰাজন মেৰিনাৰ প্ৰেমিক আছিল। কাষৰ চহৰখনৰ পাৱাৰ প্লেন্টটোৰ সি ইঞ্জিনিয়াৰ আছিল। মেৰিনাই প্ৰায়েই দেওবাৰে গীৰ্জালৈ আহি তাক লগ ধৰিছিল। এডুইনে মোৰ লগত দুই এটা সৌজন্যমূলক কথা পাতিছিল। তাৰ পাছত আমি গুচি আহিছিলো।

আহোতেও গোটেই বাটটো মেৰিনাই হাঁহি আৰু কথা কৈ আহিছিল। মাজতে তাই অজানৰ কথা উলিয়াইছিল। অজানৰ সৈতে মোৰ আত্মীয়তা – আনকি সিহঁতৰ ঘৰতো যে মোৰ সঘন আহ-যাহ — এইবোৰৰ পৰা মানুহে যে আমাৰ সম্পৰ্কটো প্ৰেমৰ সম্পৰ্ক বুলি ধৰি লৈছে - সেই কথাটো কৈছিল। লগতে অজান ল'ৰাটো বেয়া নহয় বুলিও জোকাইছিল। মই মেৰিনাক এবছৰমান আগতে ঘটা ঘটনাটোৰ কথা কৈছিলো। সেই দিনটোত অজানৰ লগত মই কলেজৰ পৰা আহি আছিলো। বাটতে লগ পোৱা অজানৰ লগৰ দুটা ল'ৰাই মোক 'ভালনে নবৌ' বুলি খবৰ সুধিছিল। দুয়োটা ল'ৰাকে অজানে খুউব বেয়াকৈ পিটিছিল। এটা ল'ৰাই তিনিমাহমান হাতত বেণ্ডেজ এটা লৈ ফুৰিবলগীয়া হৈছিল। আমাৰ বন্ধুত্ব লৈ যে আমি গৌৰৱ কৰো, সেই কথাটোও মই মেৰিনাক কৈছিলো। মেৰিনাই ইংৰাজীতে কৈছিল, "তই ছোৱালীজনী ইমান ধুনীয়া, মনটো ইমান ৰাফ কিয়? লাভ ইজ গড। চাবি, তই এদিন ডিঙিৰ গুৰিলৈকে প্ৰেমত পৰিবি।" মই স্বভাৱজাত কঠিনতাৰে কৈছিলো, "প্ৰেমত পৰা চব মানুহেই স্বাৰ্থপৰ। তই জানো প্লেটফৰ্মৰ কুলী এটাৰ প্ৰেমত পৰিব পাৰিবি? যিবিলাকে স্বৰ্গীয় প্ৰেমৰ অভিজ্ঞতা থকা বুলি ক'য়, সিহঁত আচলতে হিপ'ক্ৰাইট। ফ'ৰ গড'চ চেক, তই মোক প্ৰেম-চেমৰ কথা নকবি।"

চাৰিওফালৰ কুঁৱলীৰ ঘেৰটো আৰু বেছি ডাঠ হৈছিল। ৰং চঙীয়া কৈ সজোৱা গীৰ্জাঘৰটো আমি ইতিমধ্যে বহুদূৰত এৰি লৈ আহিছিলো।

খবৰটো মই এসপ্তাহমান পাছতহে পাইছিলো। কলেজ উইক চলি থকা বাবে এইকেইদিন কলেজলৈ যোৱা নাছিলো। অজানো অহা নাছিল। মেৰিনাই কলেজত শুনি আহি মোক কথাবোৰ কৈছিল। অজানৰ দেউতাক

দুৰ্নীতিৰ অভিযোগত চাকৰিৰ পৰা নিলম্বিত হৈছে। অজানে এই কথাটো লৈয়ে মাক-দেউতাকৰ লগত কাজিয়া কৰি ঘৰ এৰি দিছে। এতিয়া হেনো সি পাচলি বজাৰৰ ওচৰত ৰুম এটা ভাড়া কৰি তাতে আছে।

খবৰটো পাই লগে লগে অজানৰ ওচৰলৈ ওলাইছিলো। নৈৰ পাৰৰ এঢলীয়া ৰাষ্টাটোৰে গৈ পাচলি বজাৰৰ কাষৰ গলিটোতে ৰিক্সাখন ৰখাইছিলো। দুই চাৰিজনক সোধাৰ পাছত অজানৰ ৰুমটো উলিয়াব পাৰিলো। ঠেক গলি এটাৰ এমূৰত এটা তৰ্জ্জাৰ ৰুম। মই দুৱাৰৰ মুখতে ৰৈ ইফালে সিফালে চাওঁতেই দুৱাৰ খুলি আঠ - দহ বছৰীয়া ছোৱালী এজনী ওলাই আহিল। অজানক বিচাৰিছো নেকি সুধিলে। মই অ' বুলি কোৱাত মোক ৰুমৰ ভিতৰলৈ নি বহিব দিলে। অজান এতিয়াই আহিব হেনো।

অপৰিষ্কাৰ অন্ধকাৰ সৰু এটা কোঠা। ছিন্নটি পাৱাৰৰ জ্বলি থকা বাল্টটোৱে কোঠাটোৰ অন্ধকাৰৰ চামনিখন আঁতৰাবলৈ একেবাৰেই অসমৰ্থ। এফালে এখন বিশৃংখল বিচনা, তাৰ ওচৰতে চকী-মেজ এযোৰ। মেজৰ ওপৰত বহী কিতাপৰ দম এটা। মেজৰ এচুকত হুইস্কিৰ বটল এটা। কোঠাটোৰ এচুকত বন্ধা তাঁৰ এডালত ওলমি থকা অজানৰ কাপোৰ খিনি দেখি চিনিব পাৰিলো। তাত বাদে, কোঠাটোৰ মজিয়াত য'তে ততে অসংখ্য চিগাৰেটৰ টুকুৰা। অজান বাৰু এইটো পৰিবেশতেই আছেনে? মই চকীখনত বহি পৰিলো।

অলপ পাছতে অজান ওলাই আহিছিল। তাৰ চকু দুটা গাঁতলৈ সোমাই গৈছিল। গালদুখনো বহি গৈছিল। ক্লিন শ্বেভ কৰা তাৰ মুখখনত তেতিয়াও কিন্তু কিবা এক উজ্জ্বলতা আছিল। সি তাৰ ফেভাৰিট ডেনিম জিনছ এজোৰ পিন্ধি আছিল।

তীক্ষ্ণ মাত এটাৰে অজানে বহুত কথা ক'লে। মাজে মাজে তাৰ মাতটো চিঞৰৰ নিচিনা হৈ গৈছিল মাজে মাজে একেবাৰেই থোকাথুকি হৈ পৰিছিল। অজানে আদৰ্শৰ কথা, ভবিষ্যতৰ কথা — বহুবোৰ কথা কৈছিল। সি যে দেউতাকৰ দুৰ্নীতিৰ টকাৰে ইমানদিনে জীয়াই আছিল, সেই কথাটো লৈ আক্ষেপ কৰিছিল। এতিয়া বাইক, ষ্টেৰিও- এইবিলাক এৰি আহি সি যে বেছ ফূৰ্ত্তিত আছে সেই কথাটোও কৈছিল। বেছিভাগ ক্ষেত্ৰতে মই শুনিয়েই আছিলো। আচলতে দেউতাকৰ ব্যৱহাৰৰ কাৰণে তাৰ আদৰ্শত আঘাত লাগিছে, সেই কাৰণেই সি মোৰ ওচৰলৈ অহা নাছিল। লাজত, অপমানত।

এঘণ্টামান বহাৰ পাছত মই আহিবলৈ ওলালো। অজানে মোক আগবঢ়াই দিবলৈ আহিল। গলিটোৰ শেষ প্ৰান্তত ৰৈ সি ক'লে "মই এতিয়া বেছ সুখী। কিন্তু মাৰ কাৰণেহে বেয়া লাগে। আমি দুয়োটা ইজনে সিজনৰ ওপৰত খুউব নিৰ্ভৰশীল আছিলো।"

অজানৰ চকুলৈ চালো। আকুল নয়নেৰে সি মোৰ ফালে চাই আছে, ঠিক যেন বিপদত পৰা এটি শিশু, মাকৰ আচলৰ মাজত আশ্ৰয় বিচাৰিছে! নাই নহয়, এয়া যেন পুৰুষৰ চিৰন্তন আহ্বান নাৰীৰ ওচৰত আশ্ৰয় বিচাৰি, মোৰ জানা কি হ'ল! এনে লাগিল যেন এই মুহূৰ্ত্ততে অজানক বুকুৰ মাজত আঁকোৱালি ল'ম! তাক আশ্ৰয় দিম!

বহুত কষ্ট কৰি নিজকে সম্বৰণ কৰিলো। ৰিক্সা এখন লৈ অজানক এৰি থৈ আহিলো। তাৰ আকুলতাৰে ভৰা চকুযুঁৰি কিন্তু মোৰ লগতে গুচি আহিল।..................................

সুখৰ সেউজীয়া চোলা পিন্ধি
আমি সকলোৱেই আজি খেলিম
ঘাতকৰ হাতৰ দুই চেকেণ্ড খেল
আৰু পূৰ্ণ কৰিম চকু আৰু পিয়লাৰ সম্পূৰ্ণ ৰিক্ততা.................

হোষ্টেললৈ ঘূৰি অহাৰ পাছতো বহু সময়লৈকে অজানৰ চকু যুঁৰিয়ে আমনি কৰি থাকিল। কি আছিল বাৰু তাৰ চকুত? ভয়! প্ৰেম! বিষাদ! মোৰ বাৰু কি হৈছিল তেতিয়া? মই যে ইমান দুৰ্ব্বল হৈ গৈছিলো! তাক এবাৰ আঁকোৱালি লবলৈ মোৰ ইমান দুৰ্ব্বাৰ হেঁপাহ হৈছিল! কিন্তু মই ইমান চঞ্চল হৈ পৰিছো কিয়? কি হৈছে মোৰ? প্ৰেম? হাঁহি উঠি গ'ল। এই সংযুক্তা চৌধুৰীৰপ্ৰেম? নাঃ প্ৰেম বোলা বস্তুটোকে মই ঘৃণা কৰো। ইটছ অল ৰাবিছ!

পানী এগিলাচ খাই বিচনাতে বাগৰ দিলো। পুনৰ অজানৰ চকুযুঁৰি সম্মুখলৈ আহিল। কি আছিল তাত! পুনৰ অজানৰ পৰা বিদায় লোৱাৰ মুহূৰ্ত্তটো মনত পৰিল। এনে লাগিছিল যেন অসংখ্য বাদ্যযন্ত্ৰ এক মধুৰ সংগীতৰ সৃষ্টি কৰি একেলগে বাজি উঠিছিল।

চকু দুটা মুদি দিলো। মোৰ এনে লাগিল যেন মই শূন্যতহে ওপঙি আছো। মোৰ চৌপাশে যেন ৰঙা-নীলা অসংখ্য ফুল ফুলি উঠিছে। যেন কোনোবা বিখ্যাত সংগীতজ্ঞৰ চিম্ফনী এটা বাজিব ধৰিছে — মধুৰ আৰু ৰহস্যময় এক চিম্ফনী মই হাৰিম নেকি? সি যেন ক্ৰমাৎ সান্নিধ্যৰ অতনু উত্তাপেৰে, প্ৰেম আৰু কৰুণাৰ মদ্ৰিত সফেন তুহিন ৰাশিৰে মোৰ প্ৰাত্যহিক জীৱনক পৰিপূৰ্ণ কৰি তুলিছে। মেৰিনাৰ নিচিনা ময়ো ক্ৰমাৎ "সৰিয়হ ফুলৰ হালধীয়াত উমলি" ঋণী হৈ পৰিছো নেকি?

প্ৰচণ্ড বিষাদেৰে মই অনুভৱ কৰিলো, মই অজানৰ প্ৰেমত পৰিছো!

**উপসংহাৰ**

গুৱাহাটী অভিমুখী বাছখন প্ৰচণ্ড গতিৰে গৈ আছিল। আগফালৰ চিট এটাত ৰঙিয়াৰ পৰা পোন্ধৰ মাইল দূৰৰ গাওঁ এখনৰ সংযুক্তা চৌধুৰীও বহি আছিল। যোৱাৰাতিও তাই সপোনটো দেখিছিল! ধুমুহা বিধ্বস্ত এটা বালিভোজৰ সপোন। তাই উৰুৱাই থকা চিলাখন বতাহত উৰি গৈছে আৰু তাই পিছে পিছে দৌৰিয়েই আছে, দৌৰিয়েই আছে .................................. তাই ভাবিছিল, এইবাৰৰ পৰীক্ষাটো ভালকৈ দিলে আৰু এটা বছৰহে থাকিব, তাৰ পিছতে তাই আই পি এছৰ কাৰণে পঢ়িব।............. ঘৰৰ ওচৰৰে কলেজখনতে তাই চেষ্টা এটা কৰিব পাৰ্ট ৱান পৰীক্ষাটো দিব পাৰি নেকি? প্ৰেক্টিকেলত দিগদাৰ হব অৱশ্যে। নহলে অহা বছৰ দিব লাগিব আৰু!

সংযুক্তাই বাছৰ খিড়িকীৰে বাহিৰলৈ চালে। ৰাস্তাৰ কাষত বিস্তীৰ্ণ পথাৰ। সংযুক্তাৰ মেৰিনাৰ কথা মনত পৰিল। বৰ কষ্ট হ'ল বেচেৰীৰ! অফিচিয়েল কাম - কাজবোৰ তায়েই কৰি দিলে। বাছখন এৰাৰ আগ মুহূৰ্ত্তলৈকে তাই যে সংযুক্তাক সাৱটি ধৰি কান্দিয়েই আছিল।................ অজানলৈ তাই মেৰিনাৰ হাততে সৰু ন'ট এটা এৰি থৈ আহিছে ............... "ফ'ৰ ফিনানচিয়েল ৰিজন্চ, আই এম লিভিং দি কলেজ ............" ......... সংযুক্তাৰ ওঠৰ কোণত কঠিন ৰহস্যময় হাঁহি এটা বিৰিঙি উঠিল।

সংযুক্তাই বাওঁহাতৰ ঘড়ীটোলৈ চালে। ঘৰ পাবলৈ এতিয়াও দেৰ ঘণ্টা বাকী। তাই ঘৰ পায়েই কি কৰিব বাৰু! তাইৰ মাক-দেউতাকে যেতিয়া জানিব তাই একেবাৰেই কলেজ আৰু হোষ্টেল এৰি থৈ আহিছে, তেতিয়া তাইক কি কব বাৰু!

সংযুক্তা ছিটটোত পোন হৈ বহিল।

*নয়ন কুমাৰ পাঠক, স্নাতকোত্তৰ চূড়ান্ত বৰ্ষৰ ইংৰাজী বিভাগৰ ছাত্ৰ*



# অসংলগ্ন

অনুৰাগ দৈমাৰী

বিল্ডিঙটোৰ ওপৰৰ চাদত অৰণ্য এখন বাঢ়িছে। দুজোপামান কলগছ, বনছাই বুলি কোনোমতে ক'ব নোৱাৰা আইঁত কেইজোপামান, বগাই বগাই তললৈ নামি যোৱা লতা আৰু কেইটামান ঋতুফুলৰ টাব! এটা বিল্ডিঙৰ ওপৰত অশেষ যত্ন-পালিত এখন পাৰ্ক। এইলৈ বিদিশাৰ এক অনাবিল অহংকাৰবোধ। সেই অপূৰ্ব দৃশ্যৰাজিৰ মাজত এখন চকীত বহি লৈ তাইৰ গল্প গুজব — মীনাক্ষীৰ স'তে, মাকৰ স'তে, দেউতাকৰ স'তে, ঋতুপৰ্ণৰ স'তে বা উৎপতীয়া ভায়েক মুন্‌লুৰ স'তে! চাদৰ ওপৰেৰে কাউৰীজাক উৰি আছে। কিন্তু অজ্ঞাত কাৰণত সিহঁতে চাঁদত পৰিবলৈ সাহস কৰা নাই। সিহঁতৰ কোঢ়াল বাঢ়িছে। সেই কোঢ়ালত ইংৰাজী গানৰ সুৰ এটা হেৰাই গৈছে। বিদিশাৰ মূৰৰ বিষ — অলপ বাঢ়িছে।

চহৰখন প্ৰাচীন। বিশেষকৈ নামটো প্ৰাচীন। অত্যাধুনিক প্ৰযুক্তি বিদ্যাৰে তৈয়াৰী দালানবোৰ এনেকুৱা সুপৰিকল্পনাৰে সজা হৈছে যে চহৰখনৰে এক নান্দনিক ৰূপ চকুত উদ্ভাসি উঠে। তথাপি কবৰাত ডাঙৰ হৰফেৰে লিখা আছে - য়হা পেচাব কৰণা মানা হ্যায়! ছবিঘৰৰ সন্মুখত বৈ চানাবেপাৰীজনে চিনেমাৰ ইন্টাৰভেললৈ অপেক্ষা কৰিছে। সেইখিনি সময় তাৰ ভাগ্য লক্ষ্মী উদিত হোৱাৰ সময়। এতিয়া সি সোঁহাতেৰে নাকটো খুচৰি আছে। ইণ্টাৰভেলত মানুহবোৰে তাক ঘেৰি ধৰি জুম বান্ধিছে। সি এতিয়া ভীষণ ব্যস্ত। ঘোঁৰাটো লেকেচিয়াই লেকেচিয়াই জনপথৰ ভীৰৰ মাজেদি আহি আছে। হঠাৎ সি ৰৈ গৈ উভতি চাইছে। তাৰ কান্ধৰ ঘাঁৰ পৰা গোন্ধ এটা বিয়পিছে। ঘাঁত পৰি থকা এজাক মাখি উৰি গৈ চানাৱালাটোৰ কেঁচা বুট, মটৰ, বাদামত পৰিছে।

দুদিন আগতে বেশ্যা ৰমাক পুলিচে ফুটপাথৰ পৰা গ্ৰেপ্তাৰ কৰিছে। এতিয়া ঘোঁৰাটোৰ কাষতে তাইক দেখা গ'ল। তাই গ্ৰাহকলৈ বৈ আছে। তাই হাঁহিছে। তাই অশ্ৰাব্য ভাষাত কৈ আছে দুৰাতি পুলিচে লক আপত তাইৰ স'তে কি কি কৰিছিল। বতাহ নোহোৱাতো তাইৰ শাৰীখন উৰি আছে। ভেনামাখি এটাও উৰি আছে। ছবিঘৰত দীঘলীয়া ঘণ্টা বাজিছে। মানুহজনৰ পিন্ধা কানি কাপোৰ দেখি ভিক্ষাৰী যেন লাগে। সি হেফাই হেফাই আহি তাইৰ কাষত ৰ'ল। — তোৰ বাচ্চাটা মাৰা গেলৰে ৰমা। ৰমাক বিৰক্ত হোৱা দেখা গ'ল। তথাপি তাই কান্দোন চেপি ৰাখিব নোৱাৰিলে। গ্ৰাহকজনো বিৰক্ত হ'ল। সি দামদৰ কৰি আছিল তাইৰ লগত। তাই ভিক্ষাৰী যেন লগা মানুহজনৰ পিচে পিচে যাব খুজিছিল। খৰিদ্দাৰজনে থাপ মাৰি ধৰিলে। দুয়োৰে জোঁটাপুতি লাগিল। — 'চোৰ দে, চোৰ দে মোক — মোৰ সোনাৰ বাচ্চাটা মৰিয়া গেল।' ভীক্ষাৰী যেন লগা মানুহজন আকৌ উভতিছে। কৈছে — 'তাই আৰু এই সব কৰাৰ দৰকাৰ নাই - চোৰ দে তাইৰ হাথ। তাইৰ বাচ্চাটা মৰিয়া গেছে।' অদ্ভুত ভাষা। অদ্ভুত ভাষাৰ চহৰ। আৰু বল্কল যেন লগা নতুন ডিজাইনৰ পোছাকেৰে গাভৰুজাক 'অন্‌লি ফৰ লাভাৰ্চ' নামৰ গীফ্‌টৰ দোকানত সোমাইছে।

জিলা পুথিভৰালত 'ফিল্ম ফেষ্টিভেল' চলি আছে। আজি দুদিন ধৰি তাত জাৰ্মানী চিনেমা এখন দেখুৱাই আছে। নগন্য দৰ্শক। ওচৰৰে ছাত্ৰাবাসৰ পৰা যোৱা চিন্তা চৰ্চা থকা যেন লগা কেইজনমান চেঙেলীয়া যুৱক প্ৰেক্ষাগৃহৰ সমুখৰ শাৰীত বহি আছে। পৰ্দাত দুইচেকেণ্ড মান সময় ৰঙা ঘোঁৰা এটা দৌৰি আছে। দুই চেকেণ্ড পিছতে গভীৰ চুম্বনৰত দুখন মুখ ভাঁহি উঠিছে। আকৌ ঘোঁৰাটো দৌৰিছে। আকৌ চুম্বনৰত দুখন মুখ। ৰঙা ঘোঁৰাটো কোনেও চাব খোজা নাই। সকলোৰে উৎকণ্ঠা চুম্বনৰ শেষত কি। উৎকণ্ঠাৰ সমাপ্তি ঘটাই পৰ্দাত ভাঁহিল এখন চহৰ। ৰাতিৰ চহৰ। গাড়ীৰ হেডলাইটৰ চঞ্চল গতি, স্থিৰ ষ্ট্ৰীট লাইট। তথাপি আন্ধাৰত ডুবি থকা এখন চহৰ।

বিশাল ঐতিহ্যময়ী পুখুৰীটোৰ পানী পাই লাইটৰ পোহৰে নাচিছে। তাৰ পূব পাৰেৰে যোৱা প্ৰধান পথৰ পৰা যিটো লেন পূবলৈ সোমাই গৈছে তাৰ কাষত থকা দ্বিতীয়টো দুমহলীয়া ঘৰেই 'কলা বিথীকা' তাৰ পৰা ভাঁহি আহিছে মৃদু সংগীতৰ সুৰ। চৌৰাচিয়াৰ বাঁহীৰ সুৰ। নামী দামী শিল্পীৰ পেইণ্টিংবোৰৰ প্ৰদৰ্শনী নিয়মীয়াকৈ চলে। মায়াবী পৃথিৱী এখন। এবাৰ সোমালে নিজকে হেৰুৱাই পেলাব লাগে। যেন বেৰত ওলোমাই থোৱা ছবিবোৰৰ মাজে মাজে এক পৰিভ্ৰমণ — অফুৰন্ত প্ৰাণ চঞ্চলতাৰে; এক কলম্বাচ শিহৰণেৰে, এক মানসিক নৱজন্মৰ বেদনা অথবা আনন্দেৰে। কেনভাচত যিবোৰ গছ গৰ্বেৰে আকাশ চোৱাৰ ভংগীত থিয় হৈ আছে সেইবোৰে আচলতে পৰা নাই। সেই গছৰ পৰা যিবোৰ চৰাই আকাশ চোঁ বুলি উৰি হৈছে সেইবোৰেও আকাশ চুব নোৱাৰে। মাথো আমাৰ দৃষ্টি হেৰায় অথবা দৃষ্টিত হেৰায় চৰাইবোৰ। সিহঁতে যিহেতু আকাশ চুব নোৱাৰে আকৌ উভতি আহে গছলৈ। ধৰা পৰে সিহঁতৰ ভ্ৰম অথবা অক্ষমতা।

এখন প্ৰাচীন চহৰ। এটা লাওখোলা। এখন আনবিক হাত। ভগা দেৱাল এখন - বহুত পুৰণি। এয়াই আছিল ছবিখনৰ বিষয়বস্তু। কিন্তু চমৎকাৰ। অতি চমৎকাৰ। পাহাৰলৈ উঠি গৈ থাকিলে মেথিৰ ঘৰ। যোৱাৰাতি মেথিৰ ঘৰতে মেথিৰ বোৱাৰীয়েক জ্বলি শেষ হৈ গৈছে। চলিহানীয়ে বজাৰৰ বেগটো দাঙিব নোৱাৰি ৰাস্তাৰ কাষতে বৈ গৈছে। চলিহা বহুত আগত। চলিহা উভতি আহি বেগটো দাঙি ললে। ক'লে — 'মাকন, তুমি চল্লিছৰ দশকতে জন্মিছা। তেতিয়া তোমাৰ আঙুলিটো পুৰিলে ঘৰখনত হাহাকাৰ। এতিয়া গোটেই মানুহজনী পুৰিমৰা কোনেও নামাতে। ময়ো। গতিকে দুখ নকৰিবা।' সকলো বৈ গৈছিল ছবিখনৰ সমুখত এক মুহূৰ্ত বেছিকৈ। আৰু বেচিসময় বৈ গৈছিল এজন। যি প্ৰদৰ্শনীৰ প্ৰতিটো দিনেই ছবিখনৰ সমুখত থিয় দি আছিল - প্ৰশান্ত বৰুৱা। সদায়ে বৈ আছিল তেওঁ। সদায়ে কমেণ্ট লিখিছিল - আপোনাৰ তুলিকাৰ কবিতা মোৰ প্ৰিয়। মোৰ প্ৰিয় এই ৰেখাংকনৰ বতাহ। উজ্বল দিনৰ প্ৰতীক্ষা — আমি আকৌ প্ৰাচীন চহৰলৈ উভতি যাও। অতি চমৎ কাৰ! শিল্পী নিজেও আচৰিত হৈছিল — কি অদ্ভুত মানুহ এই জন পায়। অদিতিয়ে কৈছিল - তোৰ প্ৰেমত পৰিছে বেচেৰা। মই প্ৰশান্ত বৰুৱা - বহুত ভাল লাগিল - এই যে আপোনাৰ পেইণ্টিং, আপোনাৰ ৰং - তুলিকাই গান গোৱা যেন লাগিছে। আচ্ছা, আচ্ছা ফুকন — নাটাছা ফুকন - মুঠতে মোৰ ভাল লাগিল — ছবিবোৰ আপোনাক। দিল্লীত এম, এফ, হুচেনৰ চোৱাৰ সৌভাগ্য হৈছিল। তাতকৈও যেন আপোনাৰ এয়া দৰ্শকলৈ চাৰপ্ৰাইজ। আঠ বাজিলেই - বহুত ধন্যবাদ। কাইলৈ আহিম — আহিমনে? আহিমনে ফুকন? তাই মূৰ দুপিয়ায় — নিশ্চয়! নিশ্চয়!! অদিতিয়ে খুব হাঁহিছে - "বোকোচাত উঠি সংসাৰ সাগৰ পাৰ হ'বলৈ ৰঘুনাথ এজন পালি। আমাৰ ভাই পেইণ্টিংৰ সমুখত দুমিনিট ৰ'বলৈ কাৰো সময় নাই"। তাই হাঁহিছে। নাটাছাৰ লাজবোৰ লাগি আহিছে ক্ৰমশঃ।

নাকান্দিবি, নাকান্দিবি তৰালি, আমি আছো নহয়। তই এই সব একো নাভাবিবি। উত্তেজনা আৰু আবেগৰ গোলামী মানি ল'ৰা কেইজনে তৰালীক বুজাইছে — 'আমি বিয়া কৰাম তোক'। তাৰ পাছত সিহঁত আৰু অহা নাই তাইৰ খবৰ কৰিবলৈ। তৰালীয়ে তথাপি হাঁহিছে শালৰ পাতত — আমি বিয়া কৰাম তোক। পাঁচজন ডেকাৰ পত্নী হোৱা সম্ভৱনে? সিহঁতেও তাইক ধৰ্ষণ কৰিব খুজিছিল নেকি? 'নাকান্দিব, নাকান্দিব দেউতা, আপোনাৰ এজন পুত্ৰ মৰিছে — আমি হাজাৰজন আছো নহয়।' সিহঁত আৰু অহা নাই। প্ৰশান্ত কিন্তু আহিছে — ছবিবোৰ চাবলৈ -। দত্তবৰুৱাহঁতৰ এল, চি, চিয়ান কুকুৰটো পগলা হৈছে। কলিকতাৰ পৰা আনিছিল তাক। মৰমতে সকলোৱে জেকী বুলি মাতিছিল। এসময়ত কথাছবিৰ এজন জনপ্ৰিয় নায়কৰ নাম জেকী আছিল। কাম কৰা ল'ৰা মদনে তাক প্ৰাত ভ্ৰমণলৈ নিছিল। দত্ত বৰুৱাই হৈ নুঠিল। চোতালত সি জপিয়াই, ল'ৰা ঢপৰা কৰি ত্ৰাসৰ সৃষ্টি কৰিছিল দত্তবৰুৱাৰ ফেমিলিয়ে দুৱাৰৰ অৰ্গল লগাই খিৰিকিৰ আইনাৰে তাৰ তামাচা চাইছে। আৰু দেখিছে তেজেৰে ৰঙা হৈ যোৱা মদনৰ চটফটাই থকা দেহা। দত্তবৰুৱাই ফোনৰ ডায়েল ঘুৰাইছে। হেল্লো পুলিচ...........। "কুকুৰটো চহৰখনৰ বাটে পথে। যদি বেয়া নাপায়, মই আপোনাক ড্ৰপ কৰাই দিম। কুকুৰটো ঘুৰি ফুৰিছে — সাৱধান হোৱা উচিত।" নাটাছাই সেপ ঢুকিছে। "ধন্যবাদ, বহুত ধন্যবাদ। সহায়ৰকথা মনত ৰাখিম।" মোৰ কথা মনত নাৰাখে? কথাটো একেটাই। 'আহো বহুত ধন্যবাদ বিদিশাৰ আৰু চিনেমা চোৱা নহয়গৈ। অসহ্য মূৰৰ বিষ। ৰিচিভাৰটো ডাঙিয়ে ঋতুপৰ্ণক তাই বেয়াকৈ ক'লে — সকলো সময়তে ফোন কৰি বিৰক্ত কিয় কৰা? সি কেৰেপ নাই কৰা — তোমাক ভাল পাওঁ কাৰণে। পাৰ্ক লৈ আহিবা নেকি? ঠিক পাঁচ বজাত!

— মই আৰু নোৱাৰো। আজি কেইদিনমান লক্ষ্য কৰিছো মোৰ প্ৰতি যেন তোমাৰ কোনো দায়িত্ব নাই! মোৰ ভাৱিবলৈ ভয় লাগে তুমিয়েই প্ৰশান্ত নে - যি ঘণ্টাৰ পিছত ঘণ্টা মোৰ ছবিৰ সমুখত থিয় হৈ আছিলা? নাটাছাৰ কথাত প্ৰশান্তই একো নামাতে। তাৰ অভিমান বাঢ়ে, কন কন দাড়িবোৰ বাঢ়ে চুলি আউলি বাউলি। নাটাছাৰ ছবিৰ প্ৰদৰ্শনী জাৰ্মানীত হ'ব। তাইৰ ছবিৰ সমুখত বৈ থাকে দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ চাকৰি কৰা মি. সুদীপ্ত বৰগোহাঁঞি। সি একে থিৰে চাই থাকে তাইক নে তাইৰ ছবিবোৰক। সুদীপ্তৰ নিজা গাড়ী মটৰ আছে — দিল্লীত ফ্লেট। অথচ প্ৰশান্তই তাইক ৱাশ্বিং মেচিন এটা কিনি দিব পৰা নাই - ফ্ৰীজ এটা, কালাৰ টি. ভি. এটা। তাৰ নিজকে কাপুৰুষ যেন লাগিছে। তাৰ চাকৰিৰ টকাৰে ইমান কাম সি কৰিব নোৱাৰে। তাইক শাৰী এখনকে দিব নোৱাৰে সি। এই লৈ তাৰ হীনমান্যতা। সি সুদীপ্তক সহজ ভাৱে ল'ব নোৱাৰে। হ'ব নোৱাৰে তাৰ লগত চিনাকী। প্ৰশান্ত তুমি মোলৈ বৈ থাকিব নালাগে। গৈ থাকা সুদীপ্তৰ লগত মই যাম পাৰিম। শব্দ কিটা বন্দুকৰ গুলিতকৈও তীক্ষ্ণ লাগে তাৰ। লাহে লাহে ব্যৱধান এটা বাঢ়ি আহে। সকৰুণ সুৰ তুলি অন্ধ বাঁহীবাদক জনে সন্ধিয়াটো অধিক কৰুণ আৰু নান্দনিক কৰি তোলে। ফাৰ্মাচীৰ সমুখত যুৱক যুৱতীৰ ভীৰ। সকলোৰে বেমাৰ - প্ৰশান্তই দেখে নাটাছাই সুদীপ্তৰ লগত ভেলপুৰী খাইছে। হাঁহিছে। হাঁহি হাঁহি তাই তাক কিবা বুজাইছে। হাঁহিছে বুজাইছে। বুজিছে হাঁহিছে। প্ৰশান্তৰ সহ্য নহয়। ৰঙৰ পৃথিৱীত সুদীপ্ত হেৰাইছে। ঈৰ্ষাৰ পৃথিৱীত প্ৰশান্ত হেৰাইছে। নাটাছাক মাতিব পৰা নাই প্ৰশান্তই। সহজভাৱে। লাহে লাহে দুয়ো দুয়োৰে পৰা বিচ্ছিন্ন হৈছে। একেখন পালেঙত দুয়ো শুইছে কিন্তু দুয়ো একেলগে বিচৰণ কৰিব পাৰ নাই। প্ৰশান্তই বেচি সময় ঘৰৰ বাহিৰত কটোৱা কৰিছে। সি দামী মদৰ গ্ৰাহক হৈ পৰিছে। তাৰ গালে মুখে দাড়িবোৰ বাঢ়ি আহিছে। সি ৰাতি পলমকৈ ঘৰ সোমাইছে - ঢলং -পলং! মেজত ঢাকি থোৱা ভাত বাহী হৈছে। এটা সন্দেহৰ আৱৰ্ত্তত তাৰ পল অনুপল। নাটাছাৰ অসহ্য লাগিছে - তোমাৰ হৈছেকি? সুধিব পৰা নাই। তাই কান্দিব নে প্ৰশান্তৰ আচৰণত হাঁহিব ধৰিব পৰা নাই। তায়ো ৰং তুলিকাক লৈ বেচিকৈ ব্যস্ত আছে। সুদীপ্তই দিল্লীত একক প্ৰদৰ্শনী এখন পতাত সহায় কৰিব বুলি তাইক কথা দিছে।

সুদীপ্তৰ সৰবৰহী চৰিত্ৰই তাইক আকৰ্ষণ কৰিছে। তাই কলা বিথীকাত সময় পাৰ কৰিব খুজিছে যন্ত্ৰণাৰ সময়। ঘোঁৰাটোৰ ঘাঁ ডোখৰ গেলিছে। ঘাঁৰ পৰা গোন্ধ এটা বিয়পিছে। - মোক তোমাৰ কেনে লাগিছে নাটাছা? সুদীপ্তৰ প্ৰশ্নত চমকি উঠিছে তাই। কেনে লাগিছে মানে, কেনে লাগিছে মানে? হাৰে, কি কুৱেশ্চন — মানে কি? - সঁচা কৈছো নাটাছা, মই কিন্তু তোমাৰ প্ৰেমত পৰি গৈছো। নাটাছা জিকাৰ মাৰি উঠিছে। কালি পগলা কুকুৰটোক কোবাই মৰা হ'ল। তাৰ শটো ৰাস্তাৰ দাঁতিত পৰি আছে। পৌৰ নিগমৰ কৰ্মচাৰী সকলে হাতত প্লেকাৰ্ড লৈ প্ৰচেচন উলিয়াইছে। সিহঁতৰ ধৰ্মঘট আছে অনিৰ্দিষ্ট কাললৈ। — মই জানো প্ৰশান্তৰ লগত তোমাৰ দৰে বুদ্ধিমতী নাৰী সুখী হ'ব নোৱাৰা। মই তোমাক বহুত সুখী কৰিম নাটাছা। তুমি কানাডা, আমেৰিকা, চীন, সকলোতে প্ৰদৰ্শনী পাতি ঘুৰি ফুৰিবা। মই কাইলৈ দিল্লীলৈ যাম। তুমি ............। নাটাছাৰ কাণ মূৰ গৰম হৈ গৈছে। তাই বৰ অসহায় হৈ পৰিছে। এই যেন প্ৰশান্তই তাইক নিবলৈ আহিব। বিদিশাৰ কিবা নিজকে পুৰুষ পুৰুষ যেন লগা হৈছে। নাৰী ... গুণবোৰ নাইকিয়া হৈছে। কিয় এনেকুৱা হৈছে তাইৰ এটা ভয়! বিদিশাহঁতৰ ঘৰৰ ওপৰৰ চাদত জংগল বাঢ়িছে। ফুলৰ টাবো বাঢ়িছে। ফুল ফুলি সৰিছে - ধুনীয়া ফুলৰ পাহিয়ে তলডোখৰ লেতেৰা কৰিছে। বিহাৰী ঝাড়ুৱালী জনী বহুত দিন অহা নাই। তাই ৰেললাইনৰ কাষত গঢ়ি উঠা বস্তিত থাকে। ৰাতি তাই দুই নম্বৰী কাৰ্য কৰে বুলি সকলোৰে ধাৰণা। তাইৰ তেজতো এটা বেমাৰ বাঢ়িছে। তাইৰ কাষ চপা - পুৰুষলৈ বিয়পিছে সেই বেমাৰ। বহুদিনৰ মূৰত আজি শোৱনি কোঠাত সোমাই নাটাছাই দেখিছে বস্তু বাহানি লাংখা- লিংখি পৰি আছে। সোত - মোচখাই বিচনা চাদৰ মজিয়াত এটা গাৰু ভৰি পথানত। নাটাছাৰ কান্দিবলৈ বৰ মন গৈছে — প্ৰশান্তৰ বুকুত সোমাবলৈ। তাইৰ অজান আশংকা এটা বাঢ়িছে। প্ৰশান্তৰ হাতৰ স্পৰ্শ পাবলৈ তাই উদ্বাউল হৈ উঠিছে যেন। — লাইফ চাইজ আইনাখন চাই তাই বুজি উঠিছে প্ৰশান্তৰ স'তে তাই অভিমান কৰিবলৈ বহুদিন হৈ গ'ল। তাৰ ফলশ্ৰুতিত এই ঘৰটো বেচিজিল হৈ পৰিছে। ধূলি মাকতিৰে আইনাখন ঢাক খাই আছে। তাই আইনাখনৰ ওচৰত থিয় হ'ল। নাই, একো নেদেখি। তাইক নিজকো। ধুলি মাকতিয়ে আয়নাখনৰ চৰিত্ৰ নষ্ট কৰিছে। আকৌ ভয় খাইছে নাটাছাই। তাই আলনাডালৰ পৰা টাৱেল এখন আনি আয়নাখন পৰিষ্কাৰ কৰিবলৈ ধৰিলে লাহে লাহে। আৰু তাই আয়নাত দেখিলে, নিজক নেদেখিলে, দেখিলে শোৱনি কোঠাৰ দুৱাৰত আউজি মানুহ এজনে তাইলৈ অপলক চাই আছে। মানুহজনৰ আউলি, বাউলি চুলি, কন কন দাড়ি তাই সঠিক চিনি পালে — অলপো ভুল নোহোৱাকৈ। আৰু মানুহজনৰ চকুত তাই দেখা পালে, এখন ভগা দেৱাল, এটা লাওখোলা, ৰাস্তা, ফুটপাথ, মৃত কিছুমান গছ, বাগী, ধুনীয়া ৰণুৱা ঘোঁৰা এইবোৰ একোকে নেদেখিলে — দেখিলে তাইক নিজকে।

**শেষৰ পিচৰ আৰম্ভণি ঃ** - ঋতুফুলবোৰ ফুলিছে বাবে ছাদখন তলৰ পৰা বিচিত্ৰ লগা হৈছে। বিদিশাৰ অহংকাৰত জংগল বাঢ়িছে। তাই হাত চাপৰি বজাইছে - এয়া চোৱা এজোপা কলগছ বাঢ়ি দুজোপা, এয়া চোৱা বটলব্ৰাচ ফুলিছে - এয়া চোৱা কেকটাচ এয়া চোৱা কেতেকীৰ জোপোহা এয়া চোৱা আকাশত গঢ়ি উঠা উদ্যানলৈ চোৱা তোমালোকে। তাৰ মাজে মাজে ঘুৰি ফুৰা লিকলিকিয়া ক'লা সৃৰীসৃপ তাই দেখা নাই। তাইক দেখা নিদিয়াকৈ এই সৰীসৃপবোৰ বগুৱা বাই ফুৰিছে। বেতৰ চকীত বহি হেডফোনত গান শুনি থকা মুনলু জড় হৈ, নীলা হৈ চটফটাইছে। মাফৰ কান্দোনক চেৰপেলাই এনফিল্ডখন ৰৈ গৈছে আৰু দৌৰি দৌৰি ঋতুপৰ্ণ ওপৰলৈ উঠি আহিছে - সি ঘামিছে। ডক্তৰ ক'ত? ডক্তৰ ক'ত? হ'পলেচ, হাৰে হপলেচ নহয় কি - আজি এসপ্তাহে চিকিৎসক সকলৰ ধৰ্মঘট চলি আছে। কি যে............!?।



*অনুৰাগ দৈমাৰী, স্নাতক ২য় বৰ্ষৰ ছাত্ৰ*

# তাচপাতৰ ঘৰ

ৰূপম বড়ো



যোৱাৰাতি বিৰাট ভয় লগা সপোন এটা দেখিলোঁ।

ৰাতিৰ কথাখিনি ভাবি আকৌ এবাৰ জ্বৰত ঘামাদি ঘামিলো। উস্ কি ভয়ানক সপোন আছিল সেইটো। কেইটামান বদমাচ যেন লগা ল'ৰাই মোক দাঙি নি এসোপা ক'লা - বোকাৰ মাজত দলিয়াই দিছে। মই লাহে-লাহে বোকাত পোত যাব ধৰিছোঁ - হাত ভৰি আফালি তৎ পোৱা নাই আৰু সেই ল'ৰা কেইটাই আতৰৰ পৰা মোৰ পিনে চাই ঢেকুঢেকাই হাঁহিছে। ক্ষন্তেক পিছতেই মই ডিঙিলৈকে পোত গ'লো। আচৰিতভাবে তেতিয়াহে মোৰ খেয়াল হ'ল মই চিঞৰি-চিঞৰি অইন মানুহৰ সহায়ো বিচাৰিব পাৰোচোন। কথাটো ভাবি চিঞৰিবলৈ মুখ মেলাৰ লগে - লগেই ঘিণলগা বোকা এসোপা মোৰ মুখেৰে সোমাই গ'ল। ল'ৰা কেইটাই আকৌ খিক্‌খিকাই হহাঁ শুনিলোঁ। সিহঁতে বাৰু মোক কিয় ইয়ালৈ দলিয়াই দিলে - ৰং চাইছে নেকি? কথাখিনি ভবাৰ লগে -লগেই অস্বস্তিকৰভাবে নাকেৰে বোকা উজাই যাব ধৰাৰ উমান পালোঁ। চিঞৰিব খুজিও পৰা নাই - গোটেই মুখতে বোকা। উস্! ঠিক তেতিয়াই আবিষ্কাৰ কৰিলোঁ- মই বিচনাত। বিৰাট ভাল লাগি গ'ল। এটা সপোনৰ কিম্ভুত -কিমাকাৰ দৃশ্যবোৰেও যে আমাক ভয় খুৱাব পাৰে বুজিলোঁ। লাহে - লাহে টোপনিৰ আবেশটো কাটি যোৱাৰ পিছত এঙামুড়ি দি শুই থকাৰ পৰা বিচনাত উঠি বহিলোঁ। এক মুহূৰ্তৰ কাৰণে এতিয়া মই কি কৰিম ভাবি ওলিয়াব নোৱাৰিলোঁ। গাৰুটো কোলাত লৈ হাত দুখন তাৰ ওপৰত থ'লো আৰু অনলশভাবে টোপনিৰ পিছৰ এলাহিখিনি উপভোগ কৰিবলৈ ধৰিলোঁ।

আচৰিতভাবে আজিৰ দিনটোৰ চাৰিভাগৰ তিনিভাগ কাটি গ'ল। ৰাতিপুৱাৰে পৰা উঠি গৈছিলোঁ। তাতে আজি দেওবাৰ -কলৈকো যোৱাৰ অশান্তিও নাই। সপ্তাহযোৰা ব্যস্ততাৰ অন্তত আজি গোটেই দিনটোৰ সম্ভাৱনীয়তা দেখি ৰাতিপুৱা শুই উঠিয়েই উৎফুল্লিত হৈ পৰিছিলোঁ। সকলো যেন পূৰ্ব নিৰ্ধাৰিত। আৰামৰ ষোলঅনা উপভোগৰ সমান সুখানুভূতি আন একোৱেই দিব নোৱাৰে। সঁচাকৈয়ে ভবা মতেই সকলো হৈ গ'লেও গোটেই দিনটো মই স্মৃতি ৰোমন্থন কৰি, ৰেকৰ্ড প্লেয়াৰত অৰ্কেষ্ট্ৰা শুনি শুনিয়েই কটাই দিলোঁ। আজি আৰু কিতাপ পঢ়িবৰ মন নগ'ল। বিচনাত শুই থাকোতেই গোটেই সময়খিনি পাৰ হৈ গ'ল। কিন্তু আটাইতকৈ কষ্টকৰ হৈছে দেখোন এতিয়াহে। এয়া-মই বিচনাত গাৰুটো সাবতি বহি আছোঁ আৰু এতিয়া বৰ্ত্তমানত মোৰ চেতনাৰ পৃথিৱীত কোনো স্থিতি নাই। আতংকিত হৈ মই আবিষ্কাৰ কৰি পেলালোঁ যে, এই মুহূৰ্তত মোতকৈ দুৰ্ভগীয়া আৰু এই পৃথিৱীত কোনো নাই।

অবসাদৰ ভাবটো মাৰ নিয়াবলৈ কোলাত লৈ থকা গাৰুটো সজোৰে পঢ়া মেজৰ কাষৰ চকীখনলৈ মাৰি পঠিয়ালোঁ। সশব্দে গাৰুটো চকীত পৰিলগৈ আৰু চকীখন লুটিখাই পৰিল। সেইখন উঠাবলৈকে মই বিচনাৰ পৰা নামি আহিলোঁ। হাত- ভৰিবোৰ অলস-অলস লাগিল। নিজকে বহুদিন ৰোগশয্যাত পৰি থাকি প্ৰথমবাৰৰ বাবে গা-টঙাবলৈ বিচনাৰ পৰা নামি অহা ৰোগী যেন লাগিল। চকীখন দাঙি, বিচানাখন পৰিপাটি কৰি হাত-মুখ ধুবলৈ বাহিৰলৈ ওলাই গ'লোঁ।

বাথৰুমৰ পৰা হাত মচি মচি ওলাই আহোতে কথাটো মই অনুভৱ কৰিলোঁ। সঁচাকৈয়ে মোৰ নিজকে কিবা অপৰাধী অপৰাধী লাগিছে। অৱশ্যে দিনটো এনেয়ে শুই-বহি কটোৱাত একো অস্বাভাবিকতা নাই ; কিন্তু কিয় জানো মোৰ মনত অনুশোচনাৰ ভাব জাগি উঠিল। গোটেই দিনটোৰ কামৰ খতিয়ান লৈ মই যি পালোঁ সি হ'ল এটা প্ৰকাণ্ড শূন্য। আকৌ শূন্যতাবোধে ক্ৰিয়া কৰিবলৈ ধৰিলে। পৃথিৱীতে যেন মোৰ স্থিতিয়েই অসাৰ। তুলনামূলক কথাবোৰ মনৰ মাজেদি খেলি গ'ল। ফলত চিন্তাৰ পাক যিমানেই বাঢ়িল, তাতকৈ বহুগুণে বাঢ়ি গ'ল মোৰ নিজৰ গুৰুত্বহীনতাৰ অনুভৱ। মুঠতে আঁত নোহোৱা চিন্তাবোৰে মোক এক প্ৰকাৰৰ self-delusion ত ভুগালে - মই মানুহটো নৈৰাশ্যবাদী হৈ পৰিলোঁ।

এতিয়া যদি মনটো পুণৰ জীপাল কৰি তুলিবই লাগে, তেন্তে মোৰ নিখিলৰ ওচৰলৈ যোৱাটো নিতান্তই প্ৰয়োজনীয়। কিছু সময় চিন্তা কৰি এটা সিদ্ধান্তলৈ আহিলোঁ। নিখিল মোৰ লগৰে ছাত্ৰ। এক্কেবাৰেই আপোন স্বভাৱৰ ল'ৰা। সকলোৰে লগত তৎমুহূৰ্ততে মিলি যাব পাৰে। যথেষ্ট কিতাপ পঢ়িছে। মগজুত জ্ঞানো আছে যথেষ্ট। কথা কোৱাত তাৰ এটা আচৰিত দক্ষতা আছে। এবাৰ সি এটা বিষয়ৰ কথা আৰম্ভ কৰিলে - শেষলৈ নুশুনাই থাকিব পৰাটো টান ; কিবা যেন চুম্বক শক্তি। জ্ঞানী আৰু বাক্পটু বাবেই নেকি তাৰ কথাবোৰ শুনি থাকিলে মই নিজে পুণৰ জন্ম পোৱা যেন পাওঁ। মোৰ দৃষ্টিৰ অগোচৰে থকা কিবা এটা দিশহে যেন সি উন্মোচিত কৰিলে - তেনে লাগে।

মোৰ খুপুৰীটোৰ পৰা সি থকা ঠাইলৈ পাঁচ মিনিটৰ বাট।

মই গৈ নিখিলৰ খুপুৰী পাই দেখো দুৱাৰখন কাণি-দুৱৰীকৈ মেলি থোৱা আছে। তাক দুবাৰ মাতিলোঁ।

"নিখিল-এই নিখিল।" কোনো সাৰি সুৰ নাই । সি নিশ্চয় টোপনিত লালকাল। ময়েই তাক জগাব লাগিব। অগত্যা উপায়হীন হৈ ময়েই দুয়াৰখন হেচি সোমাই গ'লোঁ। কিন্তু কোঠাৰ ভিতৰ সোমাই মই যি দৃশ্য দেখিলোঁ তেনে এটা দৃশ্যৰ সম্মুখীন হ'ম বুলি মই কল্পনাও কৰা নাছিলোঁ। পকাই থোৱা লেপখনৰ ওপৰত দুটা গাৰু। তাৰ ওপৰত নিখিলৰ কঁকালৰ তলৰ

অংশ; ভৰিৰ গোৰোহা দুটা বেৰত লাগি আছে। মুৰটো আছে লেপ আৰু গাৰুৰ পাহাৰতকৈ বহুত তলত অৰ্থাৎ বিচনাত। আৰু আচৰিত - মুৰটো ঢাকি ৰাখিছিল এখন চিত্ৰালোচনীয়ে। আলোচনীখনৰ বেটুপাতত দুজনী ক'ম কাপোৰ পিন্ধা ছোৱালী।

"ঢং ঢং ঢং ঢং -" সি অলপতে কিন্সা পেন্দুলাম ঘড়িটোয়ে চাৰি বজাৰ ঘন্টা মাৰিলে । মই নিখিলক সেই অৱস্থাত দেখি আচৰিত হৈ গ'লোঁ আৰু তাক নজগোৱাকৈ গোটেই কোঠাটো চকু ফুৰালোঁ। গোটেই মজিয়াতে টুকুৰা-টুকুৰা কাগজ যেন কিছু সময় আগয়েহে সিবোৰ সি চিঙিছিল। পঢ়া-মেজত পঢ়া কিতাপতকৈ বাহিৰা কিতাপৰ সংখ্যাই বেছি। বেৰত ওলমাই থোৱা মাৰ্ক্সৰ ফটোখনৰ এটা কোণৰ টেপ এৰাই যোৱাত ওপৰৰ এটা কোণ দো-খাই পৰিছে। মেজত ফিজিক্সৰ কিতাপৰ পৰা আদি কৰি শেষ হৈ যোৱা ম'মলৈকে লাংখা-লিংখি বস্তু। মেজখনৰ কাষত বাওঁফালে ট্ৰাংকটোৰ ওপৰত পেপাৰৰ দ'ম। তাৰ কাষতে পৰি আছে এজাপ চিঠি। বেছিভাগেই নিশ্চয় ছোৱালীৰ পৰা অহা । লেফাফাবোৰেৰে বৰ শকত দেখা গৈছে চিঠিবোৰ। মেজখনৰ নাতিদুৰত দুখন চকী। এখনত এসোপা নোধোৱা লেতেৰা ক'লাৰৰ চাৰ্ট। আনখনত তাৰ আৰ্গেনটো পৰি আছে। বহু দিনৰ আগতেই দুৱাৰৰ বাওঁফালে আঁৰি থোৱা নাজীফুলৰ মালাডাল শুকাই খৰ্খৰীয়া হৈ গৈছে। উত্তৰৰ পিনে থকা খিৰিকীখনৰ গ্লাছ নোহোৱা ঠাই খিনিত এতিয়াও নতুনকৈ গ্লাছেই হওঁক বা কাগজেই হওঁক লগোৱা হোৱা নাই। সেই ফালে দিয়েই কৰবাৰ পৰা এটা ধুনীয়া ভুৰ্ভুৰীয়া গোন্ধ মিহলি বতাহএছাটি সোমাই আহিছে; ক'ৰ পৰা আহিছে, মই ঠিক ধৰিব পৰা নাই।

"অঁ - প্ৰণৱ দেখোন, কেতিয়া আহিলি ? " - হঠাৎ মোৰ পিছফালৰ পৰা মাতটো আহিল। মই ঘুৰি চাই দেখো ইতিমধ্যেই নিখিল উঠি বহিছে। সি মুখৰ পৰা চিত্ৰালোচনীখন গুচাই মেলা অৱস্থাতেই বিচনাৰ সিকাষে থ'লে। মই দেখিলোঁ আলোচনীখনৰ এফালে দুটামান পাতলৈকে আধাঅংশই ভিজি আছে। মুৰ বেকাঁকৈ শোৱাত তাৰ মুখৰ পৰা ওলোৱা লেলাৱতিয়েই যে কামটো কৰিলে মই নিশ্চিন্ত হ'লোঁ। ভিজা অংশত থকা চিত্ৰাভিনেত্ৰী গৰাকীৰ মুখখন কিম্ভুত-কিমাকাৰ দেখা গৈছে।

"তই অহা বহুত সময় হ'ল নেকি ? মোক নজগালি কিয় ?"

তাৰ প্ৰশ্নৰ উত্তৰ নিদি মই আলোচনীখনলৈ আঙুলিয়াই দেখুৱালো "সেয়া কি হ'ল?"

মোৰ দৃষ্টি অনুসৰণ কৰি সি যেতিয়া আলোচনীখনলৈ চালে ; এক মুহূৰ্তৰ বাবে সি নিশ্চুপ হৈ গ'ল। কিবা এটা চিন্তা কৰি আকৌ তৎক্ষণাত ক'লে - হয় হয় হৈ যায়। সকলোবেই কেতিয়াবা তেনে হয়। ধৰি ল' তয়েই এদিন তোৰ পূৰবীলৈ চিঠি লেখি- লেখি বিচনাতেই শুই গলি ; আৰু এটা সময়ত তোৰ মুৰটো গাৰুৰ পৰা বাগৰি গাৰুত বেকাঁটক লাগি থাকিল। মুখৰ তলতে পূৰবীলৈ লেখা চিঠিখন। বাকীখিনি তই নিজেই ভাব। টোপনিৰ পৰা উঠি যেতিয়া দেখিবি পূৰবীলৈ গোট- গোট আখৰেৰে পঠিওৱা ভাৱবোৰ চিঞাহীৰ ৰঙেৰে নীলা হৈ গৈছে -ভাব, ভাবি থাক্। মই মুখ ধুই আহিছোঁ।"

আলোচনীখন খিৰিকীৰ ৰ'দ পৰা অংশত বিশেষ কিটিপেৰে থৈ নিখিল ওলাই গ'ল।

নিখিলে কৈ যোৱা কথাখিনি মই আকৌ এবাৰ ভাবিলোঁ। কিছু মুহূৰ্তৰ পিছত মই আৱিষ্কাৰ কৰিলোঁ যে সচাঁকৈয়ে কেতিয়াবা নহয় - প্ৰায়েই মানুহে এনে কিছুমান মুহূৰ্তৰ সমষ্টিত এনেভাবে বাস কৰে, যিবোৰ মুহূৰ্তত আমি সেইজন মানুহক চোৱাটো উচিত নহয়। সকলোবোৰ প্ৰকৃতিয়েই নিয়ন্ত্ৰণ কৰে বাবেই হয়টো সেই মুহূৰ্ততেই মানুহৰ অৱস্থা হৈ পৰে আটাইতকৈ পুতৌলগা। আৰু পুতৌয়েই গৈছে পৃথিৱীৰ আটাইতকৈ কামত নহা বস্তু। মানুহৰ এই বিশেষ দুৰ্দশাটোৰ কথা ভাবিয়েই মই নিজে নিজেই তাচ্ছিল্যৰ হাঁহি মাৰি উঠিলোঁ - সেই তাচ্ছিল্য কাৰ প্ৰতি মই নিজেই ক'ব নোৱাৰোঁ।

হাত দুখন মোহাৰি মোহাৰি নিখিল সোমাই আহিল। বিচনাৰ পৰা টাৱেলখন লৈ সি খিৰিকীখনৰ কাষ পালেগৈ। খিৰিকীখন দেখাৰ লগে লগেই ৰূমটোৰ সেই ভুৰ্ভুৰীয়া গোন্ধটোৰ উপস্থিতি পুণৰবাৰ অনুভৱ কৰিলে।

নিখিলে গ্লাছ নোহোৱা অংশৰে বাহিৰলৈ অনিমেষ দৃষ্টি নিক্ষেপ কৰিছে। " কি দেখিছ' -থ'ৰ হৈ গলিচোন ? " মই বিচনাত বহি ক'লোঁ। বেডশিট্খন যথেষ্ট লেতেৰা হৈছে।

" একো দেখা নাই অ' - ভাবি আছোঁ। মই এইখিনি ঠাইলৈ আহি সদায় এটা কথা ভাবোঁ।"

"কথাটো কি?"

"এখন ট্ৰেজিক উপন্যাস। এই যে তই দেখিছ' ধুনীয়া গোন্ধ এটাই গোটেইখন আমোল মোলাই ৰাখিছে, সেই গোন্ধটোৰ উৎস ক'ত ময়ো নাজানো। কিন্তু উৎসটো যে বহুত দূৰৈৰ ক'ৰবাত আছে মই নিশ্চিন্ত। দূৰ মানে, এই ধৰিল' পঞ্চাশ মাইল ; এশ মাইলো হ'ব পাৰে।" সি সেইখিনিৰ পৰা আহি অৰ্গেন থকা চকীখনত বহি পৰিল।

"পাগল নেকি? এশমাইল গৰকি ফুলৰ গোন্ধ আহিব পাৰে।" মই বিৰক্তিৰ সুৰত ক'লোঁ।

" আৰে ! গোন্ধটো তোক ফুলৰ বুলি কোনে ক'লে। গোন্ধটোতো এগৰাকী নাৰীৰ । তাই আচলতে পৃথিৱীৰ সকলো মানুহৰ চৰিত্ৰৰ বিষয়ে জানিব বিচাৰিছিল। পিছে বহুত কাম তাইৰ।সেইবোৰ তাই তাইৰ দেহৰ ভুৰ্ভুৰীয়া গোন্ধটোকেই পৃথিৱী ভ্ৰমণত পাঠিয়াই দিলে। আৰু কিছুদিন আগবে পৰাগোন্ধটো এই চুবুৰীটোৰ মাজেৰে বৈ আছে আমি এয়া কথা পাতি আছো, চব গম পাই আছে তাই। আৰু কিমান যে চৰিত্ৰৰ কথা জানিলোঁ।" অৰ্গেনটো লিবিকি বিদাৰি সি গোটেইখিনি কথা ক'লে।

তাৰ কথা শুনি মই ওঁঠৰ তলতে হাঁহিবলৈ আৰম্ভ কৰিছিলোঁ। কিন্তু কি আচৰিত , নিখিল একেবাৰেই চিৰিয়াছ্।

"তাৰ পিছত?"

"অঁ - তাৰ পিছত কি হ'ব শুন। আমাৰ চুবুৰীটো পাৰ হৈ গৈ নদীৰ সিপাৰে টিলাৰ ওপৰত থকা ঘৰটো পাবগৈ এই গোন্ধটো। তাত থকা মানুহজন আচৰিত চৰিত্ৰৰ। ফুলৰ গোন্ধ সমূলি ভাল নাপায়। কাৰণ একমাত্ৰ জীৱেক জনীক বোলে ফুল ছিঙি থাকোতে গোন্ধে মতলীয়া কৰি তুলিছিল আৰু তাই উদ্‌বাউল হৈ পৰোতে কোন পাকত তাইক সাপে খুটি মাৰিলে কোনেও ক'ব নোৱাৰিলে। তেওঁ এই গেন্ধটোক কোঠা এটাত বন্দী কৰি ৰাখিব আৰু গোটেই ঘৰটো জ্বলাই দিব। পিছদিনা টিলাৰ নামনিত আশ্চৰ্য্যকৰ ভাবে মানুহজনৰ মৃতদেহটো পৰি থকা দেখা যাব।

" বঢ়িয়া! লেখি পেলা। একেবাৰে অজ্ঞাত শোকৰ ট্ৰেজেদী। বেচেৰা গোন্ধটোৰনো কি দোষ আছিল। বঢ়িয়া ট্ৰেজেদী। লেখি প্ৰেছত দি দে ; একপি ছপাবলৈ বেছি দিনো নালাগে।" মই বিৰক্তিৰে ক'লোঁ।

" মাত্ৰ একপি কিয়?"

" তোৰ কাৰণে আকৌ। তোৰ বাহিৰে আনে সেইখন ট্ৰেজেদী পঢ়িব বুলি

ভাবিছ' নেকি? অৱশ্যে সেইখন তোৰ প্ৰাইভেট ৰেকৰ্ডৰ ক্ষেত্ৰত কামত দিব।"

মোৰ কথাখিনি শুনিও তাক বিচলিত হোৱা দেখা নগ'ল। ভাবলেশহীনভাবে মাত্ৰ অৰ্গেনটো লিৰিক বিদাৰি থাকিল।

"এঃ বাদ দে সেইবোৰ।" হঠাতে নিখিল বহাৰ পৰা উঠি অৰ্গেনটো টেবুললৈ দলি মাৰি দি বিচনাৰ কাষ পালেগৈ।

"মোৰেই ভাগ্য ভাল দে, পূৰবী আজি তোৰ লগত নাই। খোলাখুলিকৈ মনৰ কথা ব্যক্ত কৰাৰ বাবে তোক ধন্যবাদ। পূৰবী থকাহেতেন যে কিমান ফ্লেটাৰ কৰিলে হয়।" কথাখিনি কৈ কৈ নিখিলে বিচনাৰ ওপৰৰ তুলিখনৰ এটা কোণ দাঙি তাচ জাপ উলিযাই আনিলে।

"অলপ টুৱেন্টি-নাইনকেই খেলো আঁহ। বতৰটোও গোমা; ভাল লাগিব।" সি আগ্ৰহেৰে ক'লে।

"আজি একেবাৰেই খেলাৰ মন নাই। আৰু আচলতে কি জান', মোৰ এই তাচপাত বস্তুটোয়েই বিৰাট বেয়া লাগে। বাধ্যত পৰিহে মই তাচপাতত ধৰোঁ জান'নে? তাৰ প্ৰস্তাব প্ৰত্যাখ্যান কৰিলোঁ।

"তেতিয়াহ'লে যি ক'ৰ ক'ৰ।" কৈয়েই সি তাচপাত জাপ টেবুলৰ ওপৰত দলি মাৰি দি চকীত থকা চাৰ্ট এটাৰ পকেটৰ পৰা চিগাৰেট এটা উলিয়াই জ্বলাই ল'লে। দুবাৰ মান জোৰে জোৰে হুপি মুখেৰে চমকা-চমক ধোঁৱা এৰি চকীখনত অলস ভাবে বহি পৰিল। ধোঁৱাবোৰ কুণ্ডলী পকাই ওপৰলৈ উঠি বতাহত মিলি গ'ল। সি শূন্য হৈ যোৱা খিনিলৈ চাই ৰ'ল।

"চিগাৰেট খাই চা নহ'লে আজি! খাবি?"

মই নাখাওঁ বুলি কোৱাত সি কিবা এটা চিন্তা কৰিলে আৰু হঠাতে মোক জেৰা কৰাদি খু-ও-ব আগ্ৰহেৰে সুধিলে।

"তই সেই চিনেমাৰ আলোচনীৰ ছোৱালীবোৰৰ ফটো চাবলৈ ভাল পাবিনে? নাইবা প্ৰাপ্তবয়স্কৰ চিনেমাবোৰ?"

"দুনিয়াখনত কি আন কামৰ আকাল হ'ল? মানে মই ক'ব খুজিছোঁ যে জীৱনত জীৱিকাৰ সন্ধান কৰাৰ বাহিৰেও তোৰ কিবা ডাঙৰ বা মহান অভিলাষ আছে?" ভ্ৰূ-কুঞ্চিত কৰি সি সুধিলে।

"নাই-কিয়? মানে এতিয়ালৈকে ভাবি চোৱা নাই।"

"আচলতেই তোৰ নাই। ভাবি চোৱাৰ প্ৰশ্ন তাত নাহে। বাৰু প্ৰণৱ তই কিহক লৈ জীয়াই আছ।"

তই তাচপাত নেখেল', চিগাৰেট নাখাৱ', আলোচনীত ছোৱালীৰ ফটো চাব নিবিচাৰ। তোৰ জীৱনৰ সুখৰ উৎসবোৰ কোনবোৰ ? এই যে তই এতিয়াও জীয়াই আছ', কিহৰ কাৰণে জান?"

"কিহৰ কাৰণে?" তাৰ পৰা আচৰিত কিবা এটা আশা কৰিয়েই মই তাক উৎসাহিত কৰিলোঁ।

"পূৰবীৰ কাৰণে। এতিয়াই যদি পূৰবীৰ মৃত্যু হয় বা কিবা কাৰণত তাই তোৰ পৰা আতৰি যায় পিছদিনাখনৰ পৰাই তই চূড়ান্ত হতাশগ্ৰস্ত হৈ পৰিবি। আৰু ঠিক তই পাগলো হৈ যাব পাৰ।"

"পূৰবীয়েই যে মোৰ জীৱনৰ চালিকা শক্তি তই কেনেকৈ জানিলি?"

"তই বুজি পোৱা নাই। সেইটো জনাৰ কথা ইয়াত নাহে? ফ্ৰয়েডে কৈয়েই গৈছে যে কেৱল উচ্চাকাংখা আৰু বিপৰীত লিংগৰ প্ৰতি থকা আকাৰ্ষণেইহে মানুহক জীয়াই থকাত প্ৰেৰণা যোগায়। গতিকেই তাৰে দুয়োটাই যদি জীৱনৰ পৰা নোহোৱা হৈ যায়, তোৰ জীৱনত থাকিল কি?"

মোৰ এনে লাগিল যেন সি কথাখিনি জনাৰ বাবেই মোৰ আগত কৈ দিলে। তাৰ চিন্তাখিনি কিছু অপৰিপক্ক যেন লাগিল। আৰু -

"কল্পনা কৰিবলৈ শিক - প্ৰণৱ। কাৰণ কল্পনাহীন মানুহ আৰু যন্ত্ৰৰ মাজত বিশেষ একো তফাৎ নাই। কেৱল কল্পনাইহে আমাক উচ্চাকাঙ্খী হ'বলৈ প্ৰেৰণা যোগায়; আৰু উচ্চাকাঙ্খা নিজেই জীৱনৰ মজবুত ইঞ্জিন। এয়া তই চা - মই কেনেকৈ প্ৰতি মুহূৰ্ততে সুখী হৈ থাকো। এই যে মই তাচপাত খেলোঁ চিগাৰেত খাওঁ, আলোচনী পঢ়ো - এই সকলবোৰ মই প্ৰতিটো চেকেণ্ডৰ ষোল অনা আনন্দ উপভোগ কৰিবলৈকে কৰোঁ। আৰে, জীৱন মানে নো কি? বহুত চেকেণ্ডৰ সমষ্টি! আৰু জীৱনটো আছে মানেইটো ইয়াক যাপন কৰাটোয়েই আমাৰ কাম নে কি? " মোৰ চিন্তাত ব্যাঘাট জন্মাই নিখিলে কথাখিনি ক'লে। তাৰ পিছত সি দুবাৰ জোৰে জোৰে হোপা মাৰি চিগাৰেটৰ আগত লাগি থকা ছাঁইখিনি জোকাৰি পেলালে। ইয়াৰ পিছত আকৌ ক'বলৈ প্ৰস্তুত হ'ল।

"সুখী মানুহবোৰ আচলতে বি-ৰা-ট ভাব বিলাসী হয় জান'নে? মানে মই ক'ব খুজিছোঁ - এই ধৰ্ এজাক বৰষুণ বা চৰাই দেখি তই তোৰ মাজত লুকাই থকা প্ৰাণ প্ৰাচুৰ্যক আবিষ্কাৰ কৰিলি আৰু তাৰ তাড়নাতেই অস্বাভাবিক কিবা এটা কৰি পেলালি। তেনে এটা সৃষ্টিৰ মাজত লুকাই থকা সুখৰ অনুভূতিৰ কথা চিন্তা ক'ৰচোন। কালি ৰাতি ময়েই তেনে এটা কাম কৰি পেলালো চা।" সি মজিয়াত সিঁচৰতি হৈ পৰি থকা কাগজৰ টুকুৰাবোৰলৈ আঙুলিয়াই দেখুওৱালে।

"কি - কিবা লেখিছিলি নেকি? মই সুধিলোঁ। তাৰ এই উৎসাহেৰে কৈ থকা কথাবোৰ খুওব মনোযোগেৰে শুনি গ'লোঁ। কাৰণ মই ঠিক তেনে জাতীয় কিবা এটা লেকচাৰ শুনিম বুলিয়েই তাৰ ওচৰলৈ আহিছিলোঁ। মোৰ আগ্ৰহক একো গুৰুত্বই নিদি সি কৈ গ'ল।

'কালি সন্ধিয়া যেতিয়া বতৰটো বিৰাট ফৰকাল হৈ পৰিছিল, উত্তৰৰ পৰা বতাহছাটি বৈ আহিছিল, সেই সময়ত মোৰ নিজকে এজন কমিউনিষ্ট-কমিউনিষ্ট লাগি গৈছিল। মই যেন মা(Mother) উপন্যাসখনৰ কোনো এটা চৰিত্ৰ, টিলাৰ ওপৰৰ চাপৰ ঘৰ এটাত কমৰেডসকললৈ বৈ আছোঁ। বিশ্বাস কৰ্ - কথাখিনি ভবাৰ পিছত মোৰ ইম্মান ভাল লাগিল যে মই পিছ মুহূৰ্ততে পঢ়া-মেজত বহি 'সাম্ৰাজ্যবাদ'ৰ ওপৰত এটা বিৰাট কেইবা পৃষ্ঠা জোৰা প্ৰবন্ধ লেখি পেলালোঁ। অৱশ্যে কথাখিনি মই আগতেই জুকিয়াই থৈছিলোঁ। সেইটো লিখি শেষ কৰাৰ পৰত কিজানি মোতকৈ সুখী মানুহ পৃথিৱীত দ্বিতীয় এটা নাছিল। এই যে আমি হঠাতে উৎসাহিত হৈ পৰো, কিবা এটা কৰি পেলাও, এনেবোৰ ঘটনাই আমাক উচ্চাকাঙ্খী কৰি তুলে। আৰু তেতিয়াই আমি পৃথিৱীত জীয়াই থকাৰ অত্যুগ্ৰ বাসনা অনুভৱ কৰোঁ।" কথাখিনি শেষ কৰিয়েই সি চিগাৰেটটো মজিয়ালৈ দলিয়াই দিলে আৰু তাচপাতবোৰ টেবুলৰ ওপৰত সিঁচৰতি কৰি দিলে।

"কিন্তু তই তেনে এটা প্ৰবন্ধ কিয় ফালি-ছিৰি টুকুৰা-টুকুৰ কৰি পেলালি।" মই আচৰিত হৈ সুধিলোঁ।

"পিছত - অলপ পিছত ক'ম। তইতো ডন কিখ্‌টে (DON QUIXOTE) পঢ়িছ। আচলতে আমি প্ৰত্যেকেই একো একোজন ডন কিখ্‌টে হোৱা উচিত। কাৰণ কেৱল তেওঁৰ দৰে আমিও একোটা অসাধাৰণ সপোনক বাস্তৱায়িত কৰাৰ চেষ্টাত ব্ৰতী হ'লেহে জীয়াই থকাৰ পূৰ্ণ আনন্দখিনি উপলব্ধি কৰিব পাৰিম।" কৈ কৈ নিখিল পশ্চিমৰ খিৰিকীখনৰ কাষ পালেগৈ আৰু খিৰিকীখন খুলি দিলে। সেই ফালেদিয়েই দেখিলোঁ চুবুৰীটোৰ ল'ৰা ছোৱালীবোৰে খেলিবলৈ ওলাই আহিছে। বৰষুণ শাম কটাত য়ে সিহঁত

আনন্দিত , সেয়া বুজা গৈছে। চিঞৰি বাখৰি সিহঁতে খেলিবলৈ ফিল্ডখনলৈ নামি গ'ল। খুওব ভাল লাগিল মোৰ দৃশ্যটো।

" আৰু কেতিয়াবা কি জান'? কিছুমান অৰ্থহীন, অদ্ভুত কথা ভাবিও অফুৰন্ত আনন্দ পাব পাৰি।" নিখিলৰ মাতত মোৰ কল্পনাৰ আঁত হেৰাল।

" যেনে ধৰ্ - এই যে মানৱ - সভ্যতাই আজি উত্তৰ-আধুনিক যুগত ভৰি দিছেহি তাৰ মূল সচাঁৰ কাঠি কি জান'নে? এই আঙুলিবোৰ। " আঙুলিকেইটা নচুৱাই নচুৱাই সি ক'লে।

" আঙুলিবোৰ ?"

" অঁ - কথাটো অদ্ভুত। ভাবি চাচোন মানুহৰ হাতৰ আঙুলিৰ গঠন যদি এনেকুৱা সুবিধাজনক নহ'লহেতেন, মানুহে প্ৰথম চকাটো কেনেকৈ বনালেহেতেন? ছপাশালটো কেনেকৈ বনালেহেতেন, ডাক্তৰে তোক বেজীটো কেনেকৈ খুচিলেহেতেন! ব্ৰেইনৰ ডেভেলপ্ হৈছে মানিছোঁ ; কিন্তু তেতিয়া যদি আমাৰ সুবিধাজনক আঙুলিৰ পৰিবৰ্তে হৰিণাৰ দৰে খুৰা থাকিলে হয়, আমাৰ অৱস্থা কি হ'লহেতেন।" কথাখিনি কৈ সি আকৌ টেবুলৰ কাষলৈ আহিল আৰু তাচপাতবোৰ থিয় কৰি ধৰিলে। তাৰ কথা শুনি মোৰ হাঁহি উঠিল যদিও সেইবোৰ 'ফু' তে উৰাই দিব পৰা বিধৰো নাছিল। মই ' টু ' শব্দ এটাও নকৰিলোঁ, যদিও মই জানো যে তাৰ সতে মোৰ মত বিৰোধ হৈ যাব ও পাৰে অন্তত: এবাৰ চিন্তা কৰি চোৱাৰ পিছত ; কাৰণ মই কেৱল তাৰ লেক্চাৰ শুনিবলৈহে আহিছিলোঁ, মই দিবলৈ নহয়।

" কি? " মই সুধিলোঁ।

" মৃত্যু। এই মৃত্যুৰ চেতনাইতো আমাৰ - আমাৰ কি গোটেই পৃথিৱীৰ সমাজ-ব্যৱস্থাক চলাই আছে। আমি যে সমাজ পাতি বাস কৰো কেৱল আমাৰ মৰাশটোৰ বাবেহে। প্ৰত্যেকেৰই নিজৰ অজ্ঞাতে অবচেতন মনত খেলাই থাকে, তেওঁৰ মৃত্যুৰ পিছত শৱ-দেহটোৰ কি হ'ব? আচলতে এই শৱ-দেহেই আমাৰ সমাজখন চলাই আছে। আৰু আমি প্ৰত্যেকেই প্ৰত্যেকৰ ডেড্-বডিক লৈ চিন্তিত।" নিখিলৰ কথাবোৰ কিবা আচৰিত লাগিল মোৰ। কথাখিনি সি ইমান লাহে লাহে কৈছিল যে মই তন্দ্ৰাচ্ছন্ন হৈ কথাখিনি শুনা যেন লাগিল। আৰু প্ৰত্যেকটো শব্দ উচ্চাৰণৰ লগে লগে সি একোখনকৈ তাচপাত থিয় কৰাই তাৰ ওপৰত পথালিকৈ আকৌ তাচপাত দি এটা মিনাৰ বানোৱাৰ চেষ্টা কৰিছিল।

" এনেকুৱা কথাবোৰ ভাবি হাঁহিও উঠে - আকৌ চিৰিয়াছ্ - চিৰিয়াছো লাগে নহয়নে? কিন্তু কল্পনা কৰাত কাৰো বাধা নাই। তয়ো ভাবিব পাৰ। আৰু সুখানুভুতিৰ বাবেটো তই কল্পনা কৰিবই লাগিব নে কি? চা-এতিয়া তয়েই যদি মোৰ তালৈ নহাকৈ ৰুমতে বহি এনেকুৱা কল্পনা কৰি থাকিলিহেতেন তোৰ সময়খিনি সুন্দৰকৈ কাটি গ'ল হেতেন। ষ্টুপিদৰ দৰে কিবা কিবি এসোপা ভাবি থাকিবি। ব'ৰ নহৈ হ'বি কি? আৰু সান্ত্বনা বিচাৰি - আচলতে সান্ত্বনা বিচাৰিও নহয়, নিজৰ পৰা পলাই মোৰ ওচৰলৈ আহিবি। আহি আকৌ তাচ নেখেল', চিগাৰেট নাখাব। আৰে তেন্তে তোৰ ধৰ্তব্যৰ ভিতৰত আছে কি?"

আকৌ লাহে লাহে মুখত একো ভাব নুখুটাই সি ক'লে। ইতিমধ্যেই সি তাচপাতৰ মিনাৰটোৰ চূড়াটো বনাইছে। তাৰ ঘৰ বনোৱাৰ দক্ষতা দেখি মই আচৰিত।

" চা-প্ৰণৱ, মোকেই চা; আজি দুসপ্তাহ ধৰি মই এটা কল্পনাকেই কৰি আছোঁ। এই যে তই কোঠাটোৰ ভিতৰত ভুৰ্ভুৰীয়া গোন্ধটো পাইছ, সেইটো আচলতে এইটো চুবুৰীৰেই কাৰোবাৰ ফুলনিৰ পৰা আহিছে। কিন্তু মই গোন্ধটোক লৈয়েই এটা আচৰিত কল্পনা কৰি পেলাইছোঁ। গোন্ধটোক লৈ যেন এখন ট্ৰেজিক উপন্যাস লেখিব পৰা যাব, য'ৰ কাহিনীটো হ'ব বিৰাট অদ্ভুত আৰু আলৌকিক ধৰণৰ। কাহিনীটো তোক মই কৈছোয়েই। আথচ কি জান'? মই নিজেই নিশ্চিত যে তেনে এখন উপন্যাস মোৰ দ্বাৰা কাহানিও লেখা নহ'ব। যিখন উপন্যাসৰ বাস্তৱ ভিত্তি নাই তাক কোনেও ভাল নাপাব - সাহিত্যিত ধ্ৰুপদী যুগ কাহানিবাই পাৰ হৈ গৈছে।

মই কমেও বিশবাৰ উপন্যাসখন লেখিবলৈ চেষ্টা কৰিছোঁ। কিন্তু প্ৰত্যেকবাৰেই সকলো এই টুকুৰাত পৰিণত হৈছে।" সি মজিয়াত সিচঁৰতি কাগজৰ টুকুৰাবোৰলৈ চাই ক'লে।

" আচৰিত। তই কি সকলো সৃষ্টিয়েই ফালিবলৈকে সৃষ্টি কৰ'?" মই ভ্ৰূ-কুঞ্চিত কৰি সুধিলোঁ।

শেষৰ তাচপাতখন দি সি মিনাৰটো সম্পূৰ্ণ কৰিলে। আৰু কিছুসময় তন্ময় হৈ সেইটোলৈ চায় ৰ'ল।

" মোৰ লেখাবোৰ কিয় ফালো জানানে? কাৰণ মোৰ সৃষ্টিবোৰ আহে কল্পনাৰ পৰা; আৰু কল্পনা নিজেই এটা তাচপাতৰ মিনাৰ। মই যে তোক ইমানবোৰ কল্পনা কৰি পৃথিৱীখন চাবলৈ দিছোঁ, সকলো কিহৰ কাৰণে বুজিছ'ইটো? জীৱনটোৰ প্ৰতি এটা আশাবাদী মনোভাব আনিবলৈহে; জীৱনটোক কল্পনা সৰ্বস্ব কৰিবলৈ নহয়। কল্পনাই তোক আশা দিব পাৰে, উৎসাহ, ৰঙীন দৃষ্টি দিব পাৰে। কিন্তু কল্পনাই যিটো বস্তু দিব নোৱাৰে সি হ'ল বাস্তৱত তোৰ স্থিতি। আৰু বাস্তৱ স্থিতি অবিহনে তোৰ পৃথিৱীত কোনো মূল্যই নাই। সেই কাৰণেই মই জীৱনৰ কাষ চাপিবলৈ কল্পনাৰ ভেটিত লেখো আৰু কল্পনাৰ পৰা হাত সাৰিবলৈ উদ্ভত কল্পনাৰ প্ৰভাব থকা লেখাবোৰ ফালি পেলাওঁ। আৰু আজি ৰাতিপুৱা সেই কাৰণেই ফিজিক্সৰ কিতাপখন হাতত লৈ কালি সন্ধিয়া লেখা প্ৰবন্ধটো ফালি পেলালোঁ।"

নিখিলৰ কথাখিনি এবাৰ জুকিয়াই চাবলৈ চেষ্টা কৰিলোঁ। কিন্তু এটা সিদ্ধান্তলৈ অহাৰ আগতেই নিখিলে আকৌ মাত দিলে।

"এনেকৈ ঘৰৰ ভিতৰত কথা পাতি থকাটোও তাচপাচৰ মিনাৰ সজাৰ দৰেই কাম। বৰষুণ কাহানিবাই কমিল। অলপ ফুৰি আহোঁ ব'ল -- বতৰটোও গোমা ভাল লাগিব। "

কিয় জানো হঠাতে তাৰ প্ৰস্তাৱটো মোৰ বিৰাট ভাল লাগি গ'ল। অগত্যা মই একো নকৈ তাৰ লগত যাবলৈ ওলালোঁ। নিখিলে লাহেকৈ তাচপাতৰ মিনাৰটোৰ একোণত এখন তাচপাত আঙুলিৰে অলপ হেচি দিলে। মিনাৰটো 'হুৰুস্' কৈ ভাঙি গ'ল।

আমি দুয়োটাই বাহিৰলৈ ওলাই গ'লোঁ। বাহিৰত সুন্দৰ বতাহ। সেই ভুৰ্ভুৰীয়া গোন্ধটোও আছে। কাষৰ ফিল্ডখনত তেতিয়া নিজৰ ডেড-বডিক লৈ চিন্তিত ল'ৰা ছোৱালীবোৰে দুগুণ জোৰেৰে চিঞৰি - চিঞৰি - অলং - দলং-খেলিছে।

*ৰূপম বড়ো, উ.মা. ২য় বৰ্ষ (বিজ্ঞান)*

# অনুবাদ শিল্প



শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ

## পল ৰবচনৰ কবিতা

### "জো হিল"

মোৰ সপোনত যোৱা নিশা আহিছিল
মোৰ দৰেই জীৱন্ত মূৰ্তক জো হিল।
মই ক'লো, "তোমাৰ মৃত্যুৰ আজি দহোটা বছৰ"
তেওঁ ক'লে, "মই মৰা নাই, মই যে অমৰ !
" কিন্তু তামৰ খনিৰ মালিকইঁতে
তোমাকতো মাৰিছিল নিৰ্মম ভাবে।
তুমিতো এজন
কিন্তু উদ্যত কেইবাটাও আগ্নেয় অস্ত্ৰই
দিছিল মৃত্যু নিৰ্মম ভাবে
জোই উত্তৰ দিলে ঃ মই নমৰিলো
মই মৰা নাই
সহস্ৰ শ্ৰমিকে দিনে নিশাই কাম কৰা
প্ৰতিটো খনি আৰু কলৰ বুকু
য'ত আছে সিহঁতৰ স্বত্বৰ দাবী
য'ত সিহঁতে সিহঁতৰ স্বত্ব ৰাখিছে জীয়াই
— বিচাৰিলে তাতে পাবা মোক
—মোৰ অস্তিত্ব সিহঁতৰ শিৰাই শিৰাই।



### "আমি একেখন নাৱৰে যাত্ৰী"

আমি ভাই একেখন নাৱৰে যাত্ৰী
আমি ভাই একেখন নাৱৰে যাত্ৰী
যদি আমি ভৰ দিওঁ এটি টিঙত
কঁপিব যে আনটিও
————একেই নাওৰে যাত্ৰী
হে ঈশ্বৰ ! চোৱা।
পবিত্ৰ স্থানৰেই পৰা
হে প্ৰভু মোৰ! কি যে বিশাল সাগৰ!
কি যে উচ্চ শিখৰ
আৰোহিবলে' মানুহে তাক।
সেয়ে সাজি দিলা নাওখনি হলো আমি যাত্ৰী

চকুৰ ৰহন হ'ল ক'লা
কিংবা মুগা
কিংবা নীল জলধি
আৰু তাৰেই বাবে
তোমাৰ আৰু মোৰ
এখনি আকাশ আৰু এখনি পৃথিৱী



অনুবাদ ঃ তৰুণ শৰ্মা।

(পল ৰবচনৰ জন্ম হৈছিল ১৮৯৮ চনৰ ৭ এপ্ৰিলত নিউ জাৰ্চিৰ প্ৰিন্সটন চহৰত। সম্পূৰ্ণ নাম পল লেৰয় ৰবচন। তেওঁ আছিল আজীৱন সাম্যবাদী। নিঃ স্ব, শোষিত জনৰ দুখ যন্ত্ৰনা, আশা,আকাংখ্যাই মূৰ্ত ৰূপ পাইছে তেওঁৰ 'স্পিৰিচুৱেল মিউজিক'ত। ১৯৭৬ চনত তেওঁৰ মৃত্যু হয়। তেওঁৰ জন্ম শতবৰ্ষত আমাৰ হিয়াভৰা শ্ৰদ্ধাৰ্ঘ। —সম্পাদক।)

# বি দ্ৰো হী পৃ থি বী ৰ ক বি তা

## মি. ৰুজভেল্টে দুখ প্ৰকাশ কৰিছে

(প্ৰসংগ ঃ ডেট্ৰয়েট ৰায়ত - ১৯৪৩ )
মূল ঃ পল মুৰে

তুমি কি বিচৰা হে ক'লা ল'ৰা -
যেতিয়া তোমাৰ প্ৰতিটো দাঁত উভালি পেলোৱা হয়
লাঠীৰ প্ৰহাৰত মূৰ হয় চাৰিফাল
তোমাৰ পেট ফালি দিয়ে তীক্ষ্ণ ছুৰীৰে
আৰু মৃত তোমাক নৰ্দমাত পেলাই দিয়া হয়
তেতিয়া.........(!)
অথবা, পুলিচে যেতিয়া পিছফালৰ পৰা গুলি কৰে
তোমাৰ তেজৰ দাগবোৰ মচি নেপেলোৱা পৰ্যন্ত
তোমাক বান্ধি ৰখা হয় বেল্টেৰে বিচনাত
তুমি কি পোৱা
সাৰ্থক মানুহজনৰ ওচৰত চিৎকাৰ কৰি কৰি
ঈশ্বৰৰ পিছতেই যাৰ শক্তি বুলি ভাবি
বিচাৰ খোজা
তোমাক ৰচাবলৈ প্ৰাৰ্থনা কৰা
সেই সৰ্ব্বোচ্চ মানুহজনে তোমাক
কি উত্তৰ দিয়ে হে ক'লা - ল'ৰা
"মি. ৰুজভেল্টে দুখ প্ৰকাশ কৰিছে"

( কবি পৰিচিতি ঃ এই গৰাকী কৃষ্ণাঙ্গী মহিলা কবিৰ জন্ম হয় বল্টিমৰত চনত বাল্টিমোৰৰ মেৰীলেণ্ডত। আইনৰ শিক্ষা শেষ কৰ কেলিফোৰ্ণিয়া আৰু নিউইয়ৰ্কত ওকালতি কৰিছিল। বৰ্ণবিদ্বেষৰ বিৰুদ্ধে আৰু নাৰী স্বাধীনতাৰ হকে গোটেই জীৱন সংগ্ৰাম কৰিছিল। )



## মুখাপিন্ধা মানুহ

মূলঃ পল্ লৰেন্স ডানবাৰ

মুখাপিন্ধা মানুহজনে অনৰ্গল মিছা কথা কয়
হাহেঁ মুখাৰ আঁৰত
আচল মুখাছবি দৃষ্টিৰ সিপাৰত
এই চতুৰালিৰ বাবেইতো
ঋণ পৰিশোধ কৰো আমি
ৰক্তাক্ত আৰু ক্ষত-বিক্ষত হৃদয়েৰেও
আমি হাঁহো
মিছা অট্টালিকা সজাওঁ
আমাৰ চকুপামী, দীৰ্ঘনিশ্বাস হিচাপ কৰাৰ বাবে
পৃথিৱীৰ কোনেইবা মূৰ ঘমাব
বৰং আমি যেতিয়া পিন্ধি ল'ম সেই মুখা
তেতিয়াই যেন দেখা হ'ব তোমালোকৰ মতে
আমাৰ আৰ্তনাদ তোমাৰেই প্ৰতি উত্থিত
হে ঈশ্বৰ নিৰ্যাতিত আত্মাসম্ভূত, আমি গীত গাওঁ
ভৰি তলত কোমল মাটি
বোকাতহে ঈশ্বৰ আগুৱাব নোৱাৰি
এনেদৰেইতো দূৰত্বও গৈছে বাঢ়ি , ক্ৰমশঃ আৰু বেছি
কিন্তু তেঁওৰেই সকলো নহয়।
এই পৃথিৱীয়ে আমাক অন্যধৰণেই চাওঁক,
মুখপিন্ধা মানুহবোৰে।।

(কবি পৰিচিতি ঃ পিতৃসূত্ৰে দাস পল্ লৰেন্স ডানবাৰে জন্মগ্ৰহণ কৰিছিল ১৮৭২ চনত। কলেজত পঢ়াৰ সুযোগ নোপোৱা ডানবাৰে 'লিফট অপাৰেটৰ' হিচাপে কাম কৰিছিল। তেঁওৰ প্ৰথম পুথি প্ৰকাশ হৈছিল ১৮৯৩ আৰু জাতীয় সন্মান পাবলৈ সক্ষম হৈছিল ৰজ্জুগুহ চনত। মৃত্যু হয় ১৯০৬ চনত। )

অনুবাদক - বিপুল কুমাৰ দত্ত।

## মহিষ

মূল ঃ হেন্ৰি ডুমাচ

শেষ পৰ্য্যন্ত
মই প্ৰকাণ্ড ষাঁড়টোক
নিধন কৰিব পাৰিছিলো -
ধূলি
ৰক্তৰ কনিকাৰ দৰে ছিটিকি পৰিছিলো
বতাহত
মই কি ইমানদিনে ভাবি আহিছো (?)
ষাঁড়টোৱে মোক আক্ৰমণ কৰিলেই
মৰি যাম ।।



(কবি পৰিচিতি ঃ- এই গৰাকী কবিয়ে জন্ম গ্ৰহণ কৰিছিল আৰাকানচাচত ৰজ্জুগুপ্ত চনত। দক্ষিণ ইলিয়েনচ বিশ্ববিদ্যালয়ত শিক্ষকতা কৰি থকা সময়ত মাত্ৰ ৰজ্জৰ বয়সত মৃত্যু বৰণ কৰে। পুলিচৰ গুলিত হাৰলেম ষ্টেচনত। তেঁওৰ মৃত্যুৰ পৰবৰ্ত্তী সময়ত '

# বি দ্ৰো হী পৃ থি বী ৰ ক বি তা

## কাৰাগাৰৰ গল্প

মূল ঃ জেলখানার গল্প
**সুভাষ মুখোপাধ্যায়**

উভতি আহিছিলোঁ নীৰৱে
তৰু-পখী, পথাৰ আৰু হাট-ঘাট চাঁই চাই।
হঠাৎ,
কোনেনো চিঞৰিবলৈ ধৰিলে, পাছফালৰ পৰা
"কম-ৰেড", "কমৰেড" বুলি।
ঘূৰি চাই দেখোঁ, চিনাকী মুখ।
দেখি থাকিম হয়তোবা কোনোবা মিছিলত নাইবা মিটিঙত।
মুখত বিধ্বস্ত দাড়ি
ভংগুৰ গাল, নিতান্তই ৰোগগ্ৰস্ত হৈ পৰা
চুটি ধুতি আৰু মাৰ্কাযুক্ত খাকী হাফচাৰ্ট।
ওচৰ চাপোতেই মনত পৰিল, আকস্মিকভাৱে
এটা সময়ত আমি একেলগে
        একে জেলতেই আছিলোঁ।
মুখবোৰ মনত আছিল মোৰ,
কিন্তু কোনোকালেই যে মনত নপৰিল নামটোৰ কথা।
        হায় মোৰ পোৰা কপাল!
                আছে স্মৃতিৰ এলবামত যিবোৰ ছবি
                সকলোবোৰেইতো মছখাই গৈছে।
বেঞ্চ এখনিত আমি দুয়ো বহি পৰিলোঁ
        হাজিৰ হ'লহি, তেতিয়াই দুগিলাচ চাহ –
ভাঙাফুটা টেবুলখনিত গৰম গিলাচ দুটি বহুৱাই লৈ
        পুৰণা দিনৰ গল্প, সেয়াও খুব ৰসালকৈ, কোৱা হ'ল।
দাঁতে দাঁতে লগাই কোনোমতেই নাখাবলৈ কৰা আপ্ৰাণ চেষ্টা,
চিড়িবোৰ বন্ধ হৈ থকাৰ কথা, বাৰান্দাত ঢালি থোৱা পানীৰ কথা,
'টিয়াৰ' গেছৰ কথা, ওৰেটো নিশা জাঁই জাঁই গুলীৰ শব্দ শুনাৰ কথা।
তথাপিও কি আনন্দ! ভাবাছোন এবাৰ
        কি সুন্দৰকৈ পাৰ হৈ গৈছিল সেই দিনবোৰ।
কৈ থাকোঁতেই সংগোপনে পানীৰে ভৰ খাই উঠে আমাৰ চকুযুৰি।
মুখবোৰ ভাসমান হৈ উঠে, মনত পৰে প্ৰভাত মুকুল সুমথলৈ।
তাৰপিছত উদ্ভাসিত হয়,
আজিৰ দিনৰ বিচিত্ৰ কথা,
কোনবা ক'ত আছে,
কোনেইবা কি কৰিছে – এইবিলাক।
        চকুত আমাৰ ভয়ৰ চিৰন্তনতা।
দুয়োজনেই নীৰৱ, একো আৰু ভাঙিব নিবিচাৰোঁ আমি।
কোন আজি আছে ক'ত?
        কোনফালে - যিয়েই নোকোৱা,
        সেই তেনেকুৱাহি প্ৰচণ্ড এক টোৰে
বাগৰি আহি
দুহাতেৰে দুজনক তুলি লৈ
        আছাৰ মাৰি পঠিয়ালে।
সন্মুখত মাথোন দেৱাল
লোৰ পিঞ্জৰাত ধৰি অপেক্ষা কৰিছোঁ,
        বাহিৰত যে এন্ধাৰ।
মূৰ তুলি চাই দেখোঁ, আমি পুনৰ একে অৱস্থাতে,
নিজৰেই তৈয়াৰী জালত আমি নিজেই বন্দী।

অনুবাদ — কমল তাঁতী



## যেতিয়া সাৰ পাওঁ

মূলঃ ৰেমণ্ড আৰ্ পেটাৰচন্

যেতিয়া টোপনি ভাঙে
সি কয়- "শুই থাকা, লৰচৰ নকৰিবা
তেওঁলোক সকলোৱে মৃত"
সি কয় ..............
মই প্ৰশ্ন কৰো- "কোন সকল"
সি উত্তৰ দিয়ে- "গোটেই পৃথিবী"
মই কওঁ- "তেনেহ'লে বৰং যাওঁ"
সি প্ৰশ্ন কৰে "কিয়, কি লাভ হ'ব তাত"
মই উত্তৰ দিও- "মই চাব লাগিব

(কবি পৰিচিত ঃ এই গৰাকী কবিৰ জন্ম হয় ১৯২৯ চনত নিউইয়ৰ্কত। '26 Ways of looking at a black man' তেখেতৰ বিখ্যাত কাব্যগন্থ।
অনুবাদক - বিপুল কুমাৰ দত্ত।)

# বিদ্ৰোহী পৃথিৱীৰ কবিতা



## যদি মৰিবই লাগে, তেনেহ'লে

মূল ঃ ক্লড্ ম্যাকে

যদি মৰিবই লাগে
কুকুৰৰ নিচিনাকৈ যেন নমৰো
খেদা খাই খাই , খেদা খাই খাই
ঠিক যেন আমাৰ দুৰ্ভাগ্যক ব্যঙ্গ কৰি কৰি
এপাল ক্ষুদাৰ্ত্ত কুকুৰ ভেউ.....ভেউ ..কৈ
দৌৰি আহে চাৰি ওফালৰ পৰা

যদি মৰিবই লাগে
আমাৰ যেন মহান মৃত্যু হয়
মূল্যবান ৰক্তৰ এটোপালো যেন
বৃথাপাত নহয় কেতিয়াও
যি পিশাচ বোৰক মই অস্বীকাৰ কৰিছো
তেঁওলোকে যেন বাধ্য হয়
শ্ৰদ্ধাবনত হ'বলৈ
হেৰা,
তোমালোকে এদিন নহয় এদিন
মোকাবিলা কৰিবই লাগিব শত্ৰু সকলৰ লগত
যদিও লোকবল কম
আমাৰ অন্ততঃ সাহসৰ পৰিচয়
প্ৰমানিত হোৱাচোঁ জৰুৰী
সমুখৰ খোলা কবৰমুখী পথটো
খোলা ৰ'ল বা নৰ'ল
লাভ ক্ষতি কি - - -
কাপুৰুষ খুনীসকলৰ মতে মোকাবিলা কৰিম
মানুহৰ দৰে
দেৱালত খুন্দা খালেও
মৃত্যু হ'লেও
যুদ্ধৰ উত্তেজনাৰে উত্তেজিত হৈ হৈ মোকাবিলা কৰিম।।

(কবি পৰিচিতি ঃ ১৮৯০ চনত জামাইকাত জন্মগ্ৰহণ কৰা ক্লড ম্যাকে 'Liberator' পত্ৰিকাৰ সম্পাদক আছিল। কুৰি শতিকাৰ কাব্য আন্দোলনৰ এজন অন্যতম হোতা ম্যাকেৰ গদ্য ৰচনাবোৰো আছিল জনপ্ৰিয়। মৃত্যু ১৯৪৮ চনত। )

## ডকাইতৰ দল

মূল – সাবিত্ৰী (তেলেগু)

যেতিয়া পাঠশালাৰ পণ্ডিতে কৈছিল ঃ
যদি ভালকৈ পঢ়িব নোৱাৰ
তোক বিয়া দি দিম
মই ভয় খাইছিলো।

মোৰ ভাইটোৱেও যেতিয়া ক'লে,
মোৰ দৰাটোৱেই আচলতে 'বচ'
যি কেতিয়াও ছুটী দিবলৈ নাৰাজ
আনকি খুউব জৰুৰী মুহূৰ্তটোতো
মোৰ সন্দেহ হৈছিল।

ওচৰ চুবুৰীয়াইও যেতিয়া ক'লে
তেওঁতো এজন পুৰুষ, এজন 'মহাৰজা'
তেওঁৰ জানো কিবা অভাৱ আছে?
মই বুজিব পাৰিছিলো।

যে, বিয়া হ'ল এক সাংঘাতিক শাস্তি
আৰু দৰা হ'ল তেওঁ যি স্বাধীনতা গিলি খায়
আৰু যি আধা মনুষ্যজাতিকেই
বুকুৰ গাখীৰ দি ডাঙৰ কৰিছে
তেঁৱেই আমাৰ সমগ্ৰ সময় শাসন কৰি গৈছে।

(তেলেগু কবি সাবিত্ৰীৰ জন্ম ১৯৪৯ চনত। মাথোন ৪০বছৰতে মৃত্যুবৰণ কৰা সাবিত্ৰীৰ কবিতাৰ নাৰীবাদী কণ্ঠস্বৰ স্পষ্ট আৰু তীক্ষ্ণ। আমাৰ অনুবাদটি সুবোধ সৰকাৰ কৃত অনুবাদৰ পৰা কৰা হৈছে।)

# ভা/ৰ/ত/ব/ৰ্ষ/ৰ/ক/বি/তা

অনুবাদ ঃ প্ৰাণজিৎ বৰা

## দিল্লীলৈ আমি কাক পঠিয়াওঁ
**মূল – সুবোধ সৰকাৰ (বঙালী)**

প্ৰথমতে, সেইসকলক
যাৰ বঙালী ভাল নহয়
কানাড়ী ভাল নহয়
মাৰাঠী ভাল নহয়
আৰু ইংৰাজী শুনিলে ভাৱ হয়
যেন পেটত ভেকুলী সোমাইছে

দ্বিতীয়তে, সেইসকলক
যাৰ ভূগোল ভাল নহয়
ইতিহাস ভাল নহয়
ৰাষ্ট্ৰবিজ্ঞান ভাল নহয়

কলেজৰ ছাত্ৰ-ছাত্ৰীহঁত এদিন আহিল
সদ্য নিৰ্বাচিত এজন সাংসদৰ কাষলৈ ঃ

আপুনি ক্ৰিকেট খেলে কেতিয়াবা ?
হয়, খেলো
আপুনি পঢ়াশালিত শিকাব পাৰে?
হয়, পাৰো
আপুনি বোমা বনায়?
ওঁহো
আপুনি হত্যা কৰিছে কাহানিবা?
ওঁহো
আপুনি ঘোচ্ খাইছে কেতিয়াবা ?
ওঁহো
আপুনি ইলিয়াড, ওডিচি পঢ়িছে?
মই ৰামায়ণ পঢ়িছো
আপুনি মদ খায়?
ওঁহো
চিগাৰেট?
নাখাওঁ
চাধা?
নাখাওঁ
আপুনি কোনো নাৰীক দুৰ্ব্যৱহাৰ কৰিছে?
নাই, নাই, ওঁহো

সমীক্ষাৰ পৰা দেখা গ'ল, আমি যাক দিল্লীলৈ পঠিয়াওঁ
তেওঁলোকে ঘোচ্ নাখায়, হত্যা নকৰে, চাধা নাখায় লেডিজ এন্ড জেন্টলমেন
সমীক্ষাৰ পৰা দেখা গ'ল আমি যাক দিল্লীলৈ পঠিয়াওঁ
তেওঁলোকে ৰামায়ণ পঢ়ে।

লেডিজ এন্ড জেন্টলমেন,
ৰামায়ণৰ পঢুৱৈ বাঢ়ি গৈ আছে
আহক এইবাৰ আমি তেন্তে
মহাভাৰতৰ ভোটাৰসকলক লৈ এটা সমীক্ষা কৰোঁ। ◆

(বংগদেশৰ নতুন চাম স্বনামধন্য কবিৰ ভিতৰত সুবোধ সৰকাৰ সুপৰিচিত। তেওঁৰ গদ্যধৰ্মী কবিতাত প্ৰকাশ পোৱা সময় আৰু সমাজ সচেতনতাৰ ব্যংগাত্মক দিশটো বাংলা কবিতাৰেই এক অনন্য বৈশিষ্ট্য হৈ পৰিছে।)

## কোৰা, আন্ধাৰনো আচলতে কি !
**মূল – প্ৰীতিশ নন্দী (ইংৰাজী)**

আচলতে এন্ধাৰ কি আমি গম পাওঁ
সোঁৱৰণীৰ লেখীয়া আমাৰ প্ৰেম
আৰু এন্ধাৰৰ দৰেই তোমাৰ চকু

আমাক বাদ দি
একোৱেইতো হ'ব নোৱাৰে

বৈ যাব নোৱাৰে নদী
চুব নোৱাৰে বাসনাই শৰীৰ
ভটিয়াই যাব নোৱাৰে জাহাজ

আমাক বাদ দি
শুনা পোৱা নাযায় সেই বতাহ
তাৰ সৰ্পিল পদধ্বনি আৰু সুঁহুৰি

যি ঘৰ আমি কাহানিও নকৰিলো ভ্ৰমণ
যি জলপ্ৰপাত আমি কাহানিও নকৰিলো দৰ্শন
আমাক বাদ দি
সেয়া একোৱেই হ'ব নোৱাৰে

আমাক বাদ দিলে
জানকি পথবোৰো হেৰাই যায় পথৰ বুকুত । ◆

(ভাৰতীয় ইংৰাজী সাহিত্যৰ প্ৰখ্যাত কবিসকলৰ ভিতৰত প্ৰীতিশ নন্দীৰ কবিতাই বহন কৰিছে এক সুকীয়া ঐতিহ্য। নন্দীৰ কবিতাৰ সংবেদনশীলতা তীক্ষ্ণ আৰু চমকপ্ৰদ, প্ৰকাশভংগীও সৰল আৰু সহজে হৃদয়স্পৰ্শী।)

# ভা/ৰ/ত/ব/ৰ্ষ/ৰ/ক/বি/তা

## মোৰ মৰমৰ মা
**মূল – মেম ছৌবি (মনিপুৰী)**

অৰণ্যৰ কাঠৰ নিচিনা শান্ত চৰ্দাৰৰ জী
ফলৰ দৰে গম্ভীৰ, পাহাৰৰ সৰ্বসহনশীলা মাতৃ
মোৰ মৰমৰ মা,
ভালকৈ মূৰ ঢাকি, কঁকাল টঙাই
বিৰাট পাহাৰৰ ঢাল বগাই খালী ভৰিৰে গৈ থাকে
ক্ৰমশঃ ওপৰলৈ উঠে বোজা বৈ নিয়া কান্ধৰ সৈতে
পৰ্বতৰ খাঁজ ভাঙি দীঘল পৰ্বতমালাৰ ওপৰেদি গৈ থাকে
পাহাৰী ঝৰ্ণাৰ পৰা পানী আনে, সন্ধিয়া আহাৰ মুঠি খায়
তেওঁ সুদূৰ ক্লান্তিৰ উপত্যকাৰ মাটি খান্দি গঢ়ি তোলে শইচ,
আৰু যিবোৰে সেই ফচল খাবলৈ আহিছিল, সেই বুঢ়া জন্তু
আৰু বান্দৰবোৰেও প্ৰশংসা কৰি যায়

মোৰ পাহাৰী আইক এদিন সুধিলোঁ
তোমাৰ টুকুৰিত কি আছে?
দেখুওৱা না এবাৰ কি আছে, মা, মাত্ৰ এবাৰ দেখুওৱা
কান্ধৰ বোজা ননমোৱাকৈয়ে মায়ে তেতিয়া
বাহিৰ কৰি আনিলে, যাক তেওঁ ইমানদিনে বৈ আছে,
মই ভয়ে ভয়ে চকু দিলো, ই কি!
টুকুৰিৰ ভিতৰত তেওঁৰ বুঢ়া স্বামী আৰু যুবক
সন্তান দুয়ো বহি আছে। এইয়া কি মা?
মই অবাক হৈ প্ৰশ্ন কৰিলো -

মায়ে এবাৰ মোৰপিনে চালে, তাৰ পাছত শান্তভাৱে ক'লে
মই পিঠিত লৈ নুফুৰিলে ইহঁত বাচিব কেনেকৈ!
আৰু এটাও কথা নকৈ মা এইবাৰ
পুনৰ উঠিবলৈ লাগিল ওপৰলৈ, সদায় উঠাৰ দৰেই,
শান্ত আৰু গম্ভীৰ, মোৰ চেনেহৰ মা। ◆

(মনিপুৰী কবি মেম ছৌবিৰ জন্ম ১৯৫৫ চনত। বৃত্তিত তেখেত এগৰাকী শিক্ষক। তেখেতৰ প্ৰকাশিত কবিতাৰ পুথি ৩ খন। মনিপুৰৰ পাহাৰী জীৱনৰ ছন্দ এখেতৰ কবিতাৰ প্ৰাণ। এই কবিতাটি মল্লিকা সেনগুপ্তৰ বাংলা অনুবাদৰ পৰা কৃত।)

## মেঘ
**মূল – ৰমাকান্ত ৰথ (উৰিয়া)**

মেঘবোৰ উঠি আহিছে পাহাৰৰ টিঙলৈ
উঠি আহিছে ডাঙৰ ডাঙৰ ঘৰবোৰৰ বাৰান্দালৈ
এসময়ত হাঁহিৰে তিৰ বিৰাই আছিল মেঘৰ মুখবোৰ
কিন্তু এতিয়া মেঘৰ চকু বিয়পি অশ্ৰুধাৰা
তথাপি আগুৱাই আহি আছে মেঘ, আলিংগন কৰিবই মেঘে
মোৰ পশ্চামুখী জীৱনে নিষিদ্ধ এই মেঘক জনায়
শেষ নমস্কাৰ।

মেঘৰ চকুত নিঃশব্দ গীতিকবিতাৰ অশ্ৰু।
নীৰৱে মূৰ দুপিয়াই সি,
তাৰ মূৰত অবিন্যস্ত চুলি।
মোৰ হাত কঁপে।
ব্যৰেল পূৰ্ণ হৈ থকা যি তেজ বজাৰত বিক্ৰী হয়
মোৰ এই সাধাৰণ হাতৰ শিৰাই শিৰাই
সেই তেজেই প্ৰবাহিত হৈ আছে।

অক্লান্ত মেঘৰ ভিজা নিঃশ্বাসে
মোক টানি নিয়ে প্ৰবলভাৱে।
হঠাৎ বৰষুণৰ চিপ্ চিপ্ সুগন্ধত
মোৰ মৃত্যু সুৰভিত হৈ উঠে। ◆

("শ্ৰী ৰাধা" নামৰ কবিতা গ্ৰন্থৰ বাবে বিখ্যাত, বৰ্তমান সাহিত্য অকাডেমীৰ সভাপতি ৰমাকান্ত ৰথৰ এইটো কবিতা সুজিৎ সৰকাৰকৃত অনুবাদৰ পৰা কৰা হৈছে।)

## ঢোল বাজি থাকে
**মূল – সংস্কৃতিৰাণী দেশাই (গুজৰাটি)**

ঢুলীয়াই ঢাম ঢামকৈ ঢোল বজাই থাকে তলত
আৰু মই দুডাল বাঁহৰ মাজেৰে বন্ধা ৰচীৰ ওপৰেদি
ভাৰসাম্য ৰক্ষা কৰি
যত্ন কৰো এইমূৰৰ পৰা সিমূৰলৈ যাবলৈ
তলত মানুহৰ ভিৰ লাগি যায়
এই সাংঘাতিক খেল চোৱাৰ বাবে
কোনো কোনোৱে হাতচাপৰি বজায়
কোনোৱে কয় "চা ....... পৰিব ...... এইবাৰ পৰিব"
কিন্তু মোৰ এই খেলত এটা পাৰ্থক্য আছে।
ৰচীৰ সিটো মূৰ মই কাহানিও দেখা নাপাওঁ
তথাপি ভাৰসাম্য ৰক্ষাত অসুবিধা নহয় অকণো
হ'লেও দৰ্শকক উত্তেজিত কৰাৰ বাবেই
যেন পৰিয়েই যাম এইমাত্ৰ
এনেকুৱাকৈ ভাও ধৰি থাকো
কিন্তু কেতিয়াবা কেতিয়াবা সঁচাকৈয়ে ভাৰসাম্য হেৰায়, আৰু
তলত ঢুলীয়াই ঢাম ঢামকৈ বজায়েই থাকে তাৰ ঢোল। ◆

(গুজৰাটৰ তৰুণ প্ৰজন্মৰ মাজত সুপৰিচিত সংস্কৃতিৰ প্ৰকাশিত কবিতাপুথি দুখন। ফণীশ্বৰনাথ ৰেণু পুৰস্কাৰ বিজেতা সংস্কৃতিৰ এই কবিতা পৌলমী সেনগুপ্তকৃত অনুবাদৰ পৰা কৰা হৈছে।)

# ভিন্ন শিল্প



## ভিন্ন ভাষাৰ কবিতা ঃ

## মানব অধিকার

পম্পী বৰ্দ্ধন
উঃ মাঃ ১ম বৰ্ষ (কলা)

মানব অধিকার সে তো এক
বেজায় বড় কথা;
বুঝতে গেলে বন্ বন্ বন্
ঘুরেই যাবে মাথা।
দেশ বিদেশে রূপ কত তার
বোঝাই বিষম দায়।
লড়াইটা কি মিটবে...........
মাপকাঠিটা ছাড়া
ভেবে দেখ তোমার আমার
সত্তা সবার আছে;
অসৎ নীরধ শেষনে তার
জীবন ধরা আছে।
যতদিন তুমি বাঁচিবে মানা।
লরাই কেন গো তরে,
মিলে মিশে থাকরে সবাই
তবেই ভাল ফল হবে ।।

## আমি খুন হয়েছি

হুমায়ন কবীৰ
স্নাতক ৩ য় বৰ্ষ (কলা)

ফুল চুরি করতে গিয়ে দেখি
দু'টি চোখ সূর্যের মতো নিষ্পলক,
পালাতে গিয়ে কাঁটায় আট্‌কে পড়ি,
সাদা কাপড় লাল হয়,
শামুকের মতো গুটিয়ে যাই,
চোখ দু'টি আরো ঝল্‌সে ওঠে,
তখন বুঝি
আমি খুন হয়েছি
চোখ দু'টির আলোতে।



## শ্ৰদ্ধাঞ্জলি

জয়দীপ চক্ৰবৰ্তী

শতাব্দের ঐতিহ্যের ভার শরীরে নিয়ে
দাঁড়িয়ে আছে, হে কটন কলেজ!
শুধুই কি শতবৎসরের? অসম্ভব!
গণনাতীত সহস্র অযুত কোটি বৎসরের মহাকাল সাগরের স্রোত—
মানুষের চিরপিপাসার ঝুলিতে যাকিছ দিয়েছে ঢেলে,
সাহিত্য, সংস্কৃতি, জ্ঞান-বিজ্ঞান- কলা, ধর্ম- দর্শন,
সবই তোমাতে সমাহিত।
ছাত্র শিক্ষক বই ঃ এই ত্রি ধারায়।

নবীন, প্রবীণ অসংখ্য জ্ঞান - তপস্বদের তপোভূমি তুমি।
অসম গৌরব, ভারতীর চিরলীলা ভূমি।
যদিও কিছুকাল ধরে অশুব শক্তির ছায়া
ঘনাচ্ছে তোমার আকাশে,
কিন্তু বিশ্বাস এই আমাদের
মেঘ ক্ষণিকের, সূর্য চিরস্থায়ী।

আজ শুভলগ্নে, হে সুপবিত্র জ্ঞানবৃক্ষ!
সার্থক কর আশ্রিতের শ্রদ্ধানিবেদন।
তোমার ফল খেয়ে,
স্বৰ্গচ্যুত যারা, তারা যেন পুনরায় স্বৰ্গ ফিরে পায় —
এই কামনাই করি শুধ মনে।

## सफर

सुजाता भट्टाचार्य
एम. ए सी प्रथमबर्ष

चलो, एक लंबे सफर पे चलें
बस, यूँ ही, चुपचाप
जहाँ सिर्फ मैं और तुम हों
और खामोशी का साथ हों
चलो, एक लंबे सफर पे चलें

तुम अपने माज़ी का ज़िक्र न छेड़ो
मैं कोई भुली याद न दोहराँऊ
जहाँ केबल तन्हाई का साथ हो
चलो, एक लंबे सफर पे चलें।

तुम कोई शिकायत न करो
में कोई उम्मीद न रखुँ
बस यूँ ही चलते रहें, साथ -साथ
केबल साँसों की गर्मी हो
दिलों को धड़कन हों
जज्बातों के तरन्नूम हों
चलो, एक लंबे सफर पे चलें ॥

## खौचेथि

Bibi Prasad Brahma

सोरमोन नों जोहोलाव ?
छ'से सम नुजा ब्रबनानै
संसारनि माया गेलेनानै
थांखे मानो,
बेसेबा गोजानाव
मा सान्दों मोन नों जोहोलाव,
माथाय मा जालांखो
गावनि हारीनि गेजेराव
जुथुम लांवायमोन नों जोहलाव,
खौचेथि जयै, गाहामै
नाथाय जोहोलाव -
नों गोमोर लांनायनि उनाव
जालांबाप जोनि हारीनि गेजेराव,
लेथेर-पेथेर, गोदाव-सोराव ।
हाबाब जोहोलाव
नाजा फेफिनदो नों,
जोनि गेजेराब
ग साइनि रादाय लानानै,
दाबो सम छं -
फोथोफित्रो , फोजाफित्रो,
खौचेथि लाबो फित्रो,
जोनि गेजेराव ॥



## आदुंगारी
## (SPINSTER)

Bibi Prasad Brahma
T.D.C. 3rd year (Maths)

बोथोरा थाडाने रवोन्दो - रवोन्दो,
समा थाइने गोदाना फैयी,
हरा जोबो साना नुजायो।
आय आंनि जीउनि र जे,
नेयो आं नोंखौ, हाबानि बोथोर ष ब्ला,
नायफैगीन - लाफैगीन हीन्नी।

जाउनि लोगो हिसाबै
ब जबगोन हीन्ना।
नाथाय बोथोरा बिचिनो ब्रा - ब्रायैनो थाइने -
सोर जागोन, आंनि जीउनि र जैया -
नायै नायैनो आदुंगारी जालांबाद मां,
ग साइया दंमोरीना गैया जामारख
आनि बैसोनि सायावलाइ
अ साइया दंमोरोना गैया जामारखौ
आनि बैसोनि सायावलांइ
अ गसाइ रिमां मुयो आं समसम
जीउनि सना नोंखै -
असेयैनो फैमारगोनदा
रजे नों - ?
मोकयाइनव आंनि जीउनि रजे जानानै।
जेब्लाबे दं आं रजे ..........
नों खौ नेनानै आदुंगारी जानानै,
हाले - दैलो, आलो - आलो, गोदो -गोदो
संसारनि गेजेराव।



Missing Poem

## KOTONIAN

(The cottonian)

**Raimon Pegu**

Koton Kolejke lusar potin
Kotonian,
Takamcm ainc ayangko bilang
Koton ancmc pu:pajarpo molang
Genc adi:tcmpc
Lo:dvpc du:yar molang,

Takam Ko :- ko:ncngcm
Pokainc Abu-Anc kvdarcm
Ainc agomcm
Rcngam turnanc
Do:yingc atdopc
Ayangko bilang,

No dvtag dvtaglo
Ainc anu anu agomcm
Anu anu lckorcm
Lcngkan bolang,

Koton anckc avo-amma:ngcm
Ainc lckorcm korbolang
Ainc ainc agomcm lukailang
Nampo:nc appunpc punmolang
Do:nyi po:lo unkampc unbolang
Karpumpuli takarpc
Lo:dvpc dorjvg dorjvgpc
Karra du:molang
Sc mo:di:sok do:dotakamcm,

Avkc dvrbv-dvrlabcm
So:man yirmancm
No du:yar molangka
So:yung- Pakkom alvngki
Ni:tom - kabancm banmolang,

Koton anckc amincm gvmolang
Binnc asipc biyyar molang
Vr pongkvrpc co:dvpc du:yar molang
Kotonianno.

## Mc:pang

(স্মৃতি)

**Mohan Chandra Mili**

Aipc narc:nc okumdo
Do:nyi-po:lokc ru:ad ara:lo
Ainc Tani Ajonbulum,
Kapo-Kanganpc, mcpo-mcngapc,
Rvgsu:tungai ngo vrc-ponkvrpc.

Su:paksin mc:padag Ngo--
Kangksnnc appunki, tataponc gomugki,

Sa:rbuluk luyire, agomcm
Turnam lcgapc, Regam lcgapc,
Cotton college lok sc-mo:diso.
Kombong-po:lodok Ajon-arumki,
Kou-pakkompc lunam do:yingcm----
Oi-nitom, Anu-nitom gomsarki
Cotton ruidok appun amv:do
Nehru parkdok soman-momancm.
Ansinc asilok binam ayangcm
Lodv:pc mcpaye ngo--
Sarnc csarkc, bitnc asikc dogncdcm
Sc:Asomsok tani takamlo
Pv:ang molai anku:nc ayirdo.

মিচিং কবিতাটিৰ অসমীয়া অনুবাদ ঃ

**কেতিয়াবা মনত পৰে —**

এখনি পৱিত্ৰ স্থানত য'ত চন্দ্ৰ সূৰ্য্যৰ আলোক পৰে, হাঁহি-ফুৰ্ত্তি আনন্দময়ী দিনবোৰ পাওঁ, চিৰ চেনেহীৰ বন্ধু-বান্ধৱীৰ সতে। এতিয়াও মনত পৰে এপাহি ফুলেৰে, মুক্ত ভাষাৰে, চিকুন চিকুন জ্ঞানৰ ভাণ্ডাৰ- কটনৰ আঁৰতেই দিয়া মহোদয়সকলৰ কথা। আকৌ কেতিয়া মনলে বাৰে বাৰে আহে, বসন্তৰ আগমণিত, কুলি- কেতেকী অগণন চৰাই চিৰিকটিৰ বিননি, অজস্ৰ ডেকা গাভৰুৰ মাত কথা আৰু গুঞ্জন, সুললিত কণ্ঠেৰে মুখৰিত হোৱা, কটনৰ কাষতে থকা নেহেৰু উদ্যান।

সেয়ে মই পাহৰিব নোৱাৰো এনে এক মহান পৱিত্ৰ স্থান, অসম মাতৃভূমিতেই পাই থকা হীৰা মুকুতা। আহা, বন্ধু-বান্ধৱীসকল আমি শীতল পানীৰে ধুই নিকা কৰো, আদৰ্শৰ আশ্ৰয় লৈ সকলো ব্যক্তি সতে আগবাঢ়ি যাওঁ -- অনাগত সেই দিনবোৰলৈ .......।

শ্ৰী মোহন চন্দ্ৰ মিলি

## KANGKINSUTO

**Mg. Raimon Pc:gu**



Ansv:nc a:ng gcnc
Lcdu mokutsunc ope:
Mc:mi suto, kami suto
Cdvko lcdu mokutsul du:ji,

Pvator du:nc amigkanc tani:ya
Miglupc mc:suyok
Kckon-kesakpc ka:to
Kcra:pc kato,
Nokkc lottado aima:nc csarc sara:dung

Nokkc kosagcm amme rolbomdung
Mimagcm mopa:yc
Turra du:pcmvl,

Sc, mo:pvsc mimgmoko lottc
Mimagmola turpa:yc
Mimagvl sipa:yc,
Nokkc ngasodc bojcrungko kadung
Gvpcnam lamtc bojcrungko dung
Lcdu mokufsul,
yupla du:mvlo aiyc:lang?

Do:ying Abuki
mittuk pvtanc tani:ki
Aro lcamtcki
No kangkinsuto,

Avkc opvncm, avkc i:ycm
Avkc agomcm, avkc dvrbcm
No kangkinsuto.



## Life's Losses

**Sujata Bhattacharjcc**
M.S.C.Final ycar

The emptiness of today frightens me
The dark and foggy night
Synchronizes with my blues
The great losses I have suffered
Not in death but in living on
The separation of the friends whom
I held so dear
With time to become indistinct figures in day
The conscious and unconcious
Loss of passions
The childhood romance and those beautiful rela-
tionships
The betrayal of trust and sympathy
The innocence of tears shed in solitude
Beholding the heart breaking beauty
The dreams and expectations to see a different
moment
I have seen them crumble brick by brick
And more so
The loss of my younger self
The self that would be untouched
invulnerable and immortal
With each loss I've grown unknowingly
Out of the worldly morass
Into an adulthood paralysis.

প্ৰাচীৰ পত্ৰিকা ঃ

# বাঁহীৰ সুৰৰ দৰে

**প্ৰাণজিৎ বৰা**

হাবিতলীয়া বাট। জোনাকবোৰ যেন বৰফৰ গুড়িৰ দৰে সৰিছিল গাওঁখনৰ নিজম শৰীৰলৈ। বাটৰ কাষৰ খাৰৈৰ বিহমেটেকা ফুলবোৰ জোনাকত যেন আৰু বেছি বেঙুনীয়া হৈ উঠিছিল। প্ৰণতিৰ খোজবোৰো ধীৰ হৈ আহিছিল। সম্পূৰ্ণ দুটা বছৰৰ মৃবত আকৌ এবাৰ যেন তাইৰ বাবে সাৰ পাই উঠিছে নিশাটো। জোনাকত তিতি থকা গছৰ পাহ - ফুল সকলোৱেই সাৰ পাই উঠিছে। কিন্তু তথাপিও কিয় যেন কৰবাত কিবা এটা তেনেই ৰিঙা লাগিছে তাইৰ!

নিশাৰ জোনাকৰ দৰেই কাতৰ, লাহী আৰু সপ্ৰতিভ এটা বাঁহীৰ সুৰ আজিও যেন বৈ বৈ বাজে আৰু তাৰ লগে লগে তাইৰ দুচকুত ভাঁহি উঠে শান্ত, মৰ্মাহত এখন মুখ। নীলিম। তাইতকৈ দুবছৰৰ জুনিয়ৰ নীলিমক লগ পাওতে তাই স্নাতকোত্তৰ মহলাৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰী। কোনোবা এটা হোষ্টেলৰ নবাগত আদৰণি সভাত সি বাঁহী বজাইছিল। তাইৰ বাবে সেই বাঁহীৰ সুৰ আছিল যেন বৰষুণত তিতা এটি আবেলিৰ সুকোমল গোন্ধ। তাই মনে মনে তিতিছিল বয়সৰ ব্যৱধানৰ কথা পাহৰি গৈছিল। তাৰ পাছত বুকুৰ সমস্ত সেউজীয়াৰে গঢ়া শব্দ কিছুমান তাই তাক কবলৈ মনে মনে সাজু হৈছিল, কিন্তু তাইৰ সাহস হোৱা নাছিল। তেনেতে এদিন টকা বিচাৰি নীলিম আহি তাইৰ ওচৰ পাইছিলহি ঃ "প্ৰনতি বা এড্মিশ্যনৰ বাবে অলপ টকা লাগিছিল মোক।"

প্ৰণতিয়ে উপযাচিয়েই এশ টকা বেছিকৈ দি দিছিল। তাই ভাবিছিল অন্ততঃ অন্তৰংগ হোৱাৰ, লগ হোৱাৰ বাট এটা মেল খালে। কিন্তু সেয়া আছিল মিছা ধাৰণা। টকাখিনি লোৱাৰ পাছৰে পৰা আৰু তাই নীলিমৰ মুখ নেদেখা হৈছিল, বহু চেষ্টা কৰিও, কাৰোবাৰ আগত খবৰ দিও লগ পোৱা নাছিল। লাহে লাহে নীলিমৰ কথা তাই পাহৰি আহিছিল যদিও তাৰ বাঁহীৰ সুৰটোৱে প্ৰায়েই তাইক আমনি কৰি আনিছিলহি। দিনবোৰ গৈ আছিল প্ৰণতিয়ে কলেজ এখনত চাকৰিও পাইছিল, সময়ত - বিয়াও হৈ গৈছিল।

কিন্তু বিয়াৰ দুবছৰৰ পাছত আজি কলেজৰ পৰা আহি তাই আবিষ্কাৰ কৰিলে, সেই সাংঘাতিক বস্তুতো ঃ নীলিমৰ পৰা তাইৰ নামত এখন মনি অৰ্ডাৰ আহিছে। লগতে সৰু এখন চিঠি ঃ

মৰমী প্ৰণতি বা,

তোমাৰ টকাখিনি সময়ত দিব নোৱাৰি আঁতৰি ফুৰিলো। ঘৰৰ অৱস্থা ভাল নহলেও মই টকাতো যেনে তেনে তোমাক সময়মতে ঘূৰাই দিব পাৰিলোহেঁতেন। কিন্তু তোমাৰ আগত পুনৰবাৰ ওলাবলৈ ভয় লাগিছিল মোৰ। বয়সত সৰু হলেও আচলতে কোনেও মোক তোমাৰ নিচিনাকৈ মৰম কৰা নাছিল। সেই দুৰ্বলতা অতিক্ৰম কৰিবলৈ মোৰো সাহস নাছিল। যি নহওক তোমাৰ খবৰবোৰ পাইছো। সুখী হোৱা জীৱনত — নীলিম।"

তেনেই সৰু এখন চিঠি। কিন্তু দুপৰীয়া সেই চিঠিখন পঢ়ি উঠিয়েই প্ৰণতিৰ ভাব হৈছিল জোনাকময় পূৰ্ণিমাৰ নিশাটোত তাইৰ বাবে আজি নীলিমৰ সেই বাঁহীৰ সুৰটোৰ দৰেই কৰুণ আৰু বগা হৈ ৰ'ব! ☐

দেৱালৰ স্বৰ                    নবাগত আদৰণি সংখ্যা

সম্পাদক ঃ নয়ন কুমাৰ পাঠক ।



## দুঃসময়

**স্মৃতিমালা শৰ্মা**

উঃ মাঃ, প্ৰথম বাৰ্ষিক

মোৰ হৃদয় কাননৰ নব প্ৰস্ফুটিত গোলাপফুলবোৰ
বাৰুদৰ আঘাতত মৰহি গ'ল।
এক অবৰ্ণনীয় যন্ত্ৰণাত ছটফটাই আছো মই
মাথো মৃত্যুৰ বাবে।

O O O O O

মোৰ জীৱন বন্তিৰ শেষ শিখাটি নুমাবলৈ
আৰু এটি মুহূৰ্ত বাকী আছে।
অগ্নিনিৰ্বাপক বাহিনীৰ আৱশ্যক নাই
ক্ৰমান্বয়ে শীতল হৈ অহা মোৰ দেহৰ চাৰিওফালে
মানৱতাহীন অজস্ৰ স্বাৰ্থপৰৰ সমদল।

O O O O O

দুৰ্ৱণিত ক্লান্ত ফেঁচাজনীয়ে
মৰকৈ মাতিছে
নিথৰ দেহটো লৈ পৰি আছো মই
মাথো মুক্তিৰ বাবে।

O O O O O

ৰাজপথৰ গৰাকীবিহীন কুকুৰ জাকে
মোক শুঙি শুঙি আতৰি গ'ল,
স্মৃতি গাথাঁৰ এখিলা পাতত পৰি ৰ'লোঁ মই
দুঃসময়ৰ চিৰন্তন প্ৰতীক হৈ।
দুঃসময়ৰ কোবাল সোঁতত
মানুহৰ মানৱতা হেৰাল
মানুহে পাহৰি গ'ল জীৱনৰ অৰ্থ। ☐

*প্ৰাচীৰ পত্ৰিকা - শাশ্বত (সৰস্বতী পূজা সংখ্যা),*
*নলিনী বালা দেৱী ছাত্ৰী নিবাস।*

# স্মৃতিময় জীৱনৰ ধূসৰ ক'লাজ

মানবেন্দ্ৰ ডেকা

**জীৱনৰ কুঁহিপাতৰ সেউজীয়া গান ঃ**

এটা সেউজীয়া সপোনৰ পিছে পিছে মই দৌৰিছোঁ। য'ত পৃথিৱী মানে অন্তহীন দিগন্ত, দীপ্ত সূৰ্য্য। দীপ্ত সূৰ্য্যৰ প্ৰতিটো ৰঙকে নিজৰ কৰি লোৱাৰ আকুল হাবিয়াস। অসীম আকাশ ভেদি দূৰন্ত গতিত উৰি যাবলৈ মোৰ চেষ্টা অবাৰিত। সেয়ে মই দৌৰিছো সপোনটোৰ পিছে পিছে ভীষণ অথবা দুৰন্ত গতিত।

*** *** *** ***

জীৱনটোৰ সমুখত থিয় হৈ জীৱনটোক এটা বিশেষ ৰূপত চাব খোজা সকলৰ প্ৰাৰম্ভিক স্বীকাৰোক্তি এয়া। এই স্বীকাৰোক্তিৰ ওপৰত নিৰ্ভৰশীল হৈ চলাৰ বাবে মানৱ জাতিৰ হাবিয়াস অত্যুগ্ৰ। সেইবাবেই হয়তো জীৱনে সদায় কৃতকাৰ্য্যতা লাভ কৰিবলৈ সমৰ্থ হৈছে। জীৱনে কেতিয়াও পৰাজয় বৰণ কৰিব নোখোজে। সময় বালিত যিসকল মনীষীয়ে খোজৰ চিহ্ন স্পষ্টতৰ কৰি থৈ গৈছে, তেওঁলোকৰ দৃষ্টান্তই ইয়াৰ জ্বলন্ত প্ৰমাণ। উইল ডুৰাণ্টৰ দুশাৰীমান বাক্যৰ জৰিয়তে কথাটো পৰিষ্কাৰ হৈ পৰে – "বহু বছৰ আগতে ১৪ শ শতাব্দীত আৰম্ভ হোৱা নৱজাগৰণৰ প্ৰধান হোতা লিওনাৰ্ডো - ডা- ভিঞ্চিয়ে নিজৰ টোকাবহীত সৰু সৰু আখৰেৰে এটা সৰু বাক্য লিখিছিল। বাক্যটো হ'ল মই মানুহৰ বাবে ডেউকা সাজিম। বেচেৰা লিওনাৰ্ডোৰ সপোন নফলিয়ালে। মানুহে আকাশত উৰা দেখিবলৈ পোৱাৰ আগতে লিওনাৰ্ডোৰ মৃত্যু ঘটিল। তাৰ পিছত বহুত চেষ্টা কৰিও মানুহে নিজৰ বাবে ডেউকা সজা কামত সফলকাম নহ'ল। কিন্তু তথাপিতো জীৱন নিৰাশ নহ'ল। প্ৰায় চাৰি শতিকাৰ অন্তত ১৮ শ শতাব্দীত ৰাইট ভ্ৰাতৃদ্বয়ে উৰাজাহাজ আৱিস্কাৰ কৰি উলিয়ালে। মানুহেও চৰাইৰ নিচিনা আকাশত উৰিব পৰা হ'ল। অৰ্থাৎ শেষ মুহূৰ্ত্তত হ'লেও জীৱনে হাৰ নামানিলে। মানুহৰ হাততো ডেউকা আহিল। ব্যক্তি বিশেষে জীৱন ব্যৰ্থ হ'ব পাৰে, কিন্তু জীৱন কেতিয়াও ব্যৰ্থ নহয়। ই অপৰাজেয়।"

**জীৱনৰ হালধীয়া অন্তৰাগ ঃ**

জীৱনটো এটা চিগাৰেট মাত্ৰ। চিগাৰেট এটা যেনেকৈ এফালৰ পৰা পুৰি পুৰি শেষ হৈ যায়, তদ্ৰূপ আয়ুস বৃদ্ধিৰ লগে লগে জীৱনৰ বন্তিও নুমুৱাই যায়। চিগাৰেটৰ ছাইৰ বাহিৰে যিদৰে অৱশিষ্ট একো নাথাকে, তদ্ৰূপ জীৱনটোতো এৰা বোটলা স্মৃতিৰ বাহিৰে একো নাথাকে।

*** *** *** ***

জীৱনটোৰ পৰা বহুখিনি পাবৰ বাবে আশাবাদী লোকৰ আশাভংগৰ স্বীকাৰোক্তি; হতাশাৰ চিহ্ন এয়া। কিন্তু যাত্ৰা পথত জীৱন হতাশ হয় কিয়? এই প্ৰশ্নৰ সদুত্তৰ বিচাৰি আমি কিমান দূৰবলৈ ঢাপলি মেলিব লাগিব। নিজৰ মনৰ ভিতৰতে আমি এই প্ৰশ্নৰ উত্তৰ পাব নোৱাৰোনে? এক সাধাৰণ দৃষ্টিকোণৰ পৰাই পৰ্য্যবেক্ষণ কৰিলে আমাৰ প্ৰথমে লক্ষ্যণীয় হৈ পৰে যে আমি কিছুমান কামৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়াৰ পৰিৱৰ্ত্তে অন্যান্য কিছুমান দৰকাৰী কামতো গুৰুত্ব আৰোপ নকৰোঁ। ফলশ্ৰুতিত যিবোৰ কামৰ ওপৰত গুৰুত্ব আৰোপ নকৰোঁ, সেই বিলাকৰ কাৰণেই জীৱন হতাশাগ্ৰস্ত হয়। জীৱনক হতাশগ্ৰস্ততাৰ কৱলৰ পৰা মুক্ত কৰিব নোৱাৰিনে? জীৱনক হতাশগ্ৰস্ত নোহোৱাকৈ ৰাখিবলৈ হ'লে, আমি প্ৰখ্যাত সংগীতজ্ঞ ভৰ্দিয়ে কোৱা এষাৰ কথাই স্মৰণ কৰিব পাৰোঁ। ভৰ্দিয়ে কৈছিল —

"মই এটা নতুন সুৰ সৃষ্টি কৰিবলৈ যিমান মনোযোগ প্ৰদান কৰোঁ সেই একেখিনি মনোযোগে দিওঁ সুমথিৰা টেঙা এটাৰ বাকলি গুচোৱা সময়তো।"

আমি যদি ভৰ্দিৰ কথাষাৰ প্ৰাতঃস্মৰণীয় হিচাপে গ্ৰহণ কৰিব পাৰো তেতিয়া জীৱন হতাশামুক্ত হ'বই আৰু ইয়াৰ প্ৰকৃত মূল্যায়ন সম্ভৱ হ'ব। □

# বিহঙ্গম দৃষ্টিত স্বাধীনতাৰ পাঁচটা দশক

ৰমেন শৰ্মা
স্নাতকৰ তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ

"জন গণ মন অধিনায়ক জয়হে ভাৰত ভাগ্য বিধাতা .....।" ধ্বনিৰে গণতন্ত্ৰৰ ধ্বজা উৰুওৱা ভাৰতবৰ্ষই ১৯৯৭ চনৰ ১৫ আগষ্টৰ দিনা ভৰি দিলে স্বাধীনতাৰ স্বৰ্ণজয়ন্তী বৰ্ষত। আকৌ এবাৰ গোটেই জাতিটোকে জোকাৰি গ'ল--গান্ধী, নেহেৰু, নেতাজীকে ধৰি খ্যাত- অখ্যাত অলেখ স্বাধীনতা সংগ্ৰামী শ্বহীদৰ স্মৃতি আৰু স্বাধীনতা লাভৰ ৰোমাঞ্চকৰ শিহঁৰণে। এখন ৰাষ্ট্ৰৰ বাবে ই নিশ্চয় অতি সুখৱৰ। ...... কিন্তু স্বাধীনতা লাভৰ পাঁচটা দশকৰ পিছতো আমি বুকু ডাঠি ক'ব পৰা হৈছোনে ——

"চাৰে জাহা চে আচ্ছা –
হিন্দুস্তান হামাৰা হামাৰা।"

স্বাধীনতাৰ পিছৰ পৰা ১৯৭৭ চনলৈকে ভাৰতত কেবাখনো স্থিৰ চৰকাৰ আহিছিল আৰু ৰাজনৈতিক বাতাবৰণো আছিল প্ৰায় সুস্থিৰ। কিন্তু ইয়াৰ পিছতে লাহে লাহে সলনি হ'ব ধৰিলে ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপট। ৰাজনৈতিক অস্থিৰতাৰ মৃদু বতাহে কোবাই গ'ল ভাৰতীয় গণতন্ত্ৰৰ মিনাৰ। ... আৰু সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ সঘন পৰিবৰ্তন তথা আঞ্চলিক ৰাজনৈতিক উত্থানে কঁপাই তুলিছে ভাৰতীয় গণতন্ত্ৰৰ লাইখুটা। ইয়াৰোপৰি, সাম্যবাদ, সন্ত্ৰাসবাদো হৈ পৰিছে ভাৰতীয় গণতান্ত্ৰিক পদ্ধতিৰ প্ৰতি এক প্ৰত্যাহ্বান তথা ভাবুকি। স্বাধীনতাৰ পাঁচটা দশকতেই দুৰ্নীতিত অভিযুক্ত হৈ ন্যায়ৰ কাঠগড়াত উপবিষ্ট হ'ব লগা হ'ল অনেক প্ৰাক্তন প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী। জনদিয়েক নিক্ষেপিত হ'ল জেইল পৰ্যন্ত।! এনেদৰেই ভাৰতভূমিত পৈণতা আৰু পৰিপক্কতাৰ ফালে ধাবমান হৈছে ভাৰতীয় গণতন্ত্ৰ!

বিগত পঞ্চাশ বছৰত অৰ্থনীতিৰ ক্ষেত্ৰত ভাৰতবৰ্ষই বিশেষ একো অগ্ৰগতি দেখুৱাব নোৱাৰিলে। বৰং স্বাধীনতাৰ পিছত প্ৰথম চাৰিটা দশকৰ

পৰীক্ষা-নিৰীক্ষাই দেশখনক অৰ্থনৈতিক সংকটৰ মাজলৈহে ঠেলি দিলে। যাৰ ফলত এই গভীৰ অৰ্থনৈতিক সংকটৰ পৰা পৰিত্ৰাণ পাবৰ নিমিত্তে ১৯৯১ চনত বিত্তমন্ত্ৰী ড° মনোমোহন সিঙে প্ৰবৰ্ত্তন কৰিলে নতুন আৰু পৰিবৰ্ত্তিত অৰ্থনৈতিক পৰিক্ৰমা।

শিক্ষাৰ ক্ষেত্ৰত বিগত পাঁচটা দশকত ভাৰতে আশানুৰূপ সাফল্য লাভ কৰিব পৰা নাই। যদিও বা ১৯৮৬ চনৰ নতুন শিক্ষানীতিয়ে বৰ্তমানৰ ৫২ শতাংশৰ পৰা ২০০০ চনৰ ভিতৰত ৫৬ শতাংশলৈ স্বাক্ষৰতাৰ হাৰ উন্নীত কৰাৰ লক্ষ্য স্থিৰ কৰিছে এই লক্ষ্য কিমান দূৰ সফল হয় তাক সময়েহে ক'ব। "দুহেজাৰ চনত সকলোৰে বাবে শিক্ষা" - এই শ্ল'গানৰ বাস্তৱ ৰূপায়নৰ সেই দিনটোলৈ আমি বাট চাম আগ্ৰহেৰে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত ভাৰতে যথেষ্টখিনি অগ্ৰগতি লাভ কৰিছে যদিও ইয়াৰ প্ৰসাৰ আৰু প্ৰচাৰৰ সীমাবদ্ধতাই প্ৰয়োজনীয় সুফল দিব পৰা নাই। বিশেষকৈ গ্ৰামাঞ্চললৈ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জ্ঞানৰ প্ৰসাৰ আৰু প্ৰায়োগিক দিশৰ কাৰ্য্যকাৰিতাই গা- কৰি এতিয়াও উঠিব পৰা নাই। স্বাধীনতাৰ পাঁচটা দশকৰ পিছতো এনে অৱস্থা সঁচাই দুভাগ্যজনক!

স্বাধীনতাৰ পাঁচটা দশকৰ পিছতো সম্ভাৱনাপূৰ্ণ প্ৰতিভা থকা স্বত্বেও খেলৰ ক্ষেত্ৰত ভাৰতে বিশেষ উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিব পৰা নাই। বিশেষকৈ অলিম্পিকত ভাৰতৰ প্ৰদৰ্শন তেনেই নিৰাশজনক।

.......... এই পাঁচদশকতেই ভাৰতভূমিৰ পৰা দুই মহান আৰু মহিয়সী ক্ৰমে মহাত্মা গান্ধী আৰু মাদাৰ টেৰেছাৰ মহাপ্ৰস্থান বিশ্বৰ বাবে একোটা দুঃখবৰ।

এচিয়াৰ ভিতৰতেই ভাৰতৰ প্ৰতিৰক্ষা বাহিনী দ্বিতীয় বৃহৎ। এই আঢ়ৈ কুৰি বছৰতে চীন আৰু পাকিস্তানৰ লগত দুখনকৈ যুদ্ধ অতিক্ৰম কৰিলেও বৰ্তমানে প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ভাৰত স্বাৱলম্বী। বৈদেশিক সম্পৰ্ক আৰু নীতি সামগ্ৰিকভাৱে সন্তোষজনক বুলিয়ে ক'ব পাৰি।

........... বিহংগম দৃষ্টিত স্বাধীনতাৰ পাঁচটা দশকত ভাৰতবৰ্ষই নানা সংকট আৰু প্ৰত্যাহ্বানৰ মাজেৰে উন্নতি আৰু অগ্ৰগতিৰ যি সোপান ৰচনা কৰিছে সিয়ো আশাপ্ৰদ বুলিব নোৱাৰি। ইয়াৰ কাৰণ হয়তো ভাৰতৰ ভৌগোলিক, ৰাজনৈতিক, ভাষিক আদি বিভিন্ন দিশৰ ভিন্নতা আৰু বৈচিত্ৰতা আৰু হয়তোবা উপনিবেশবাদে এৰি যোৱা ৰঙা ফিটাৰ মেৰপাক। যি নহওক স্বাধীনতাৰ পঞ্চাশ বছৰ পিছতো ভাৰতবাসীৰ কাৰণে আটাইতকৈ ডাঙৰ তথা দুভাৰ্গ্যজনক কথাটো হ'ল ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় অৰ্দ্ধেক জনগণে আজিও দৰিদ্ৰ সীমাৰেখাৰ তলত জীৱন কটায়! তথাপিও আমি আশা কৰিম অনাগত স্বাধীনতাৰ শতবাৰ্ষিকী উদ্‌যাপনত ভাৰতবাসীৰ সৰ্বতোপ্ৰকাৰ উন্নতি আৰু দৰিদ্ৰতা মুক্ত এখন সমাজ প্ৰত্যক্ষ কৰাৰ। ❑



সাম্প্ৰতিক ঃ

# বুদ্ধক সুৱঁৰি

১৯৯৮ চনৰ মে মাহত ভাৰতে ৰাজস্থানৰ পোখৰাণত পাৰমাণৱিক বিস্ফোৰণ ঘটাই দক্ষিণ এছিয়া অঞ্চলত অস্ত্ৰ প্ৰতিযোগিতাৰ আন এখন বহল দুৱাৰ মুকলি কৰি দিলে। ইয়াৰ লগে লগে পাকিস্থানেও বালুছিস্তানৰ ছাগাই অঞ্চলত ছটাকৈ পাৰমাণৱিক বোমাৰ এলানি পৰীক্ষা চলায়। ভাৰতীয় ৰাষ্ট্ৰনায়কসকলৰ ভাষ্য অনুসৰি এই পাৰমাণৱিক পৰীক্ষাই অহিংসাৰ মূৰ্ত প্ৰতীক বুদ্ধদেৱৰ মুখত হাঁহি বিৰিঙাই তুলিলে। এয়া ধৰ্মক বিকৃত কৰাৰ প্ৰয়াস নে শব্দ ব্যৱহাৰৰ দুৰ্বুদ্ধি। যিয়েই নহওক ই মানৱ সভ্যতাৰ প্ৰতি এক চৰম প্ৰত্যাহ্বান। ৰাষ্ট্ৰনেতাসকলৰ এনে বিধ্বংসী পদক্ষেপৰ বিৰুদ্ধে শুভবুদ্ধিসম্পন্ন শিল্পী সাহিত্যিকে বিষোদগাৰ কৰি বিভিন্ন লেখনি প্ৰকাশ কৰিছে - - বিশ্বমানৱৰ জীয়াই থকাৰ অধিকাৰৰ সপক্ষে থিয় দিছে। পাৰমাণৱিক বোমাৰ বিৰুদ্ধে লিখা তিনিতা ভিন্নভাষাৰ প্ৰতিবাদী লেখনিৰ নিৰ্বাচিত অংশ তলত আগবঢ়োৱা হ'ল। আমাৰ বিশ্বাস ই সৰ্বসাধৰণ মানুহৰ হৃদয়ৰ বাণীকো প্ৰতিফলিত কৰিছে .....

'দ্যা গড্ অৱ স্মল থিংছ'ৰ ৰচয়িতা, আৰু বুকাৰ বটা বিজয়ী

অৰুন্ধতী ৰয় ঃ

যদি এখন পাৰমাণৱিক যুদ্ধ সংঘটিত হয়, তেন্তে আমাৰ শত্ৰু চীন বা আমেৰিকা বা অন্য কোনো দেশেই হৈ নাথাকিব। আমাৰ শত্ৰু হৈ পৰিব এই বিশ্ব প্ৰকৃতিখন নিজেই, ইয়াৰ প্ৰধান উপাদান আকাশখন, বায়ু- মাটি-পানী সকলোবোৰেই আমাৰ বিপক্ষে থিয় দিব। ইহঁতৰ ক্ষোভ আমাৰ বাবে হৈ পৰিব ভয়ংকৰ অভিশাপস্বৰূপ।

আমাৰ চহৰ আৰু হাবিবোৰ, পথাৰ আৰু গাওঁবোৰ এদিনতে জ্বলি ধ্বংস হৈ যাব। নদীবোৰে বিষাক্ত জলধাৰা বহন কৰিব। বায়ু জুইলৈ ৰূপান্তৰিত হ'ব, বতাহে ইয়াৰ শিখা চৌদিশে বিয়পাই দিব। যেতিয়া গোটেইবিলাক জ্বলিব আৰু জ্বলি জ্বলি জুই শিখা নুমাই যাব, ধোঁৱাই দশোদিশ আচ্ছন্ন কৰিব আৰু সূৰ্যটো ঢাক খাই পৰিব। পৃথিৱীখন আন্ধাৰে আৱৰি ধৰিব। তেতিয়া দিন নাথাকিব তাত, বিৰাজ কৰিব ৰাতিৰ অন্ধকাৰ। অস্বাভাৱিকভাৱে তাপমাত্ৰাৰ সলনি হ'ব। ৰেডিয়াম ইউৰেনিয়ামৰ বিষাক্ত টুকুৰা ভূমি আৰু জলপৃষ্ঠত মিহলি হৈ পৰিব।

এনে ভয়ংকৰ পৰিস্থিতিৰ পিছতো যিসকল জীয়াই থাকিব তেওঁলোকে কি কৰিব? অৰ্ধদগ্ধ, অন্ধ, ক'লা আৰু অসুস্থ এইসকলৰ উত্তৰপুৰুষেও বহন কৰিব লাগিব কৰ্কটৰোগৰ নিচিনা বেমাৰৰ বীজাণু। তেতিয়া তেওঁলোক কলৈ যাব? কি খাব? কি পান কৰিব? কিসেৱন কৰিব?... মই প্ৰত্যেকজন পুৰুষ-তিৰোতা আৰু যুৱককে কব খোজা যে এনে বিধ্বংসী কাৰ্য কৰাৰ অধিকাৰ কোনো জাতি, কোনো চৰকাৰ, কোনো মানুহ, কোনো ভগৱানৰে নাই। সেয়েহে ইয়াৰ বিৰুদ্ধে থিয় হওঁক আৰু প্ৰতিবাদ কৰক।

...ভাৰতৰ পাৰমাণৱিক পৰীক্ষাই শাসকশ্ৰেণীৰ ইয়াৰ জনসাধাৰণৰ প্ৰতি চৰম বিশ্বাসঘাটকতাকে সূচালে। তথাপিও বৈজ্ঞানিকসকলৰ আমি ডিঙিত ফুলৰ মালা পিন্ধাই সম্বাষণ জনালো, তথাপিও তেওঁলোকৰ বুকুত বেজ আঁৰি দি ওলগনি জনাইছো। কিন্তু সত্য এইটোৱেই যে চাৰিশ নিযুত মানুহক শিক্ষিত কৰিব পৰাতকৈ এটা বোমা নিৰ্মান কৰা অতি সহজ। ... যিজন মানুহে নিজৰ নামটো লিখিব নাজানে সেইজনৰ বাবে পাৰমানৱিক বোমাৰ প্ৰাথমিক জ্ঞানখিনিও অৰ্জন কৰাটো সম্ভৱনে? তেওঁ কৰিবলগীয়া সংগ্ৰামখনত পাৰমানৱিক অস্ত্ৰৰ যে কোনো প্ৰয়োজন নাই সেইটো কোনোবাই তেওঁক কৈছিনে? এই বিষয়ত সন্মানৰ কোনো প্ৰশ্ন নাই, গৌৰৱ কৰিব লগীয়া একো নাথাকে।...

...পাৰমাণৱিক বোমা হ'ল গণতন্ত্ৰবিৰোধী, জাতীয়তাবিৰোধী, মানৱতাবিৰোধী,সম্পূৰ্ণৰূপে এক অমংগলজনক বস্তু যিটো মানুহে ইতিমধ্যে নিৰ্মাণ কৰাৰ কৌশল আয়ত্ব কৰিলে। যদি আপুনি এজন ধাৰ্মিক মানুহ তেন্তে মনত ৰাখিব এই বোমা ভগৱানৰ প্ৰতিয়েই মানুহৰ এক জেহাদ। থোৰতে এনেকৈও ক'ব পৰা যায় "তুমি সৃষ্টি কৰা প্ৰতিটো বস্তুকেই ধ্বংস কৰাৰ শক্তি আমাৰ আছে"।

যদি আপুনি ধাৰ্মিক মানুহ নহয় তেন্তে আপোনাৰ দৃষ্টি ভংগী হোৱা উচিত আমাৰ এই পৃথিৱীখন চাৰি হাজাৰ ছশ নিযুত বছৰ পুৰণি।

বিশিষ্ট বাংলা কবি শঙ্খ ঘোষ ঃ

... এইখন পৃথিৱীত নৈতিকতাৰ কি কোনো মূল্য নাই? ইয়াৰ উত্তৰত সহাসংকটৰ এনে আৱৰ্তিত সময়ত এটা কথাই স্পষ্টভাবে কোৱা উচিত যে নৈতিকতা অবিহনে আজি আৰু মানুহৰ মুক্তিৰ কোনো পথেই খোলা নাই। পাৰমাণৱিক অস্ত্ৰ নিৰ্মানৰ সামৰ্থ থকা পাচখন শক্তিশালী ৰাষ্ট্ৰৰ আগত আমি নিতান্তই তুচ্ছ, সম্পূৰ্ণ অসহায় — হৈ মনোভাৱ পোষণ কৰাটো উচিত নহয়। পৃথিৱীৰ সৰু - বৰ অজস্ৰ দেশে এতিয়াও সমবেত হৈ তেওঁলোকৰ বিশ্বাস প্ৰতিষ্ঠিত কৰিব পাৰে, গঢ়ি তুলিব পাৰে পাৰমাণৱিক বোমাৰ বিৰুদ্ধে প্ৰতিৰোধ যদিও সেইটো সম্ভাৱনা বহুত দূৰত। সেই সম্ভাৱনাক লৈ সাধাৰণ মানুহখিনি কিন্তু যথেষ্ট আশাবাদী; অথচ আমাৰ ৰাষ্ট্ৰনায়ক সকলে এই আশাবাদক মযিমূৰ কৰি মূঢ় অহামিকাবোধৰহে পৰিচয় দিবলৈ চেষ্টা কৰাটো পৰিতাপৰ কথা ফেচিবাদ যাৰ চূড়ান্ত পৰিণতি। অথচ আজিও মানুহৰ মনত এক স্বাভাৱিক মিলন ক্ষুধা আছে, এখন দেশৰ মানুহে আন এখন দেশৰ মানুহৰ লগত অন্তৰংগতাৰে বন্ধুত্ব স্থাপন কৰিব বিছাৰে, কিন্তু এইসকলো আকাংক্ষাকে মযিমুৰ কৰি দিব বিচাৰিছে বিভিন্ন দেশৰ দূষিত ৰাষ্ট্ৰযন্ত্ৰই। ফলত দিনক দিনে হিংস্ৰতাই মূৰ দাঙি উঠিব লাগিছে। আমাৰ দেশেও কি সেই পথকেই অনুসৰণ কৰিব? আমেৰিকাই গ্ৰহণ কৰা পথেই আমিও গ্ৰহণ কৰিম? ভণ্ডতাৰেই ভণ্ডতাৰ বিৰুধে যুদ্ধ ঘোষণা কৰিম? অস্ত্ৰ তৈয়াৰ কৰিয়েই কম—অস্ত্ৰ নিষিদ্ধ কৰক? পৰিবেশ ধ্বংস কৰি আহ্বান জনাম-পৰিবেশ ৰক্ষা কৰক? পাৰমাণৱিক অস্ত্ৰ প্ৰতিযোগিতাত অংশ

নোলোৱা যিবিলাক দেশে ইমানদিনে ভাৰতৰ নৈতিকতাৰ ওপৰত ভৰষা ৰাখিছিল তেওঁলোকক এতিয়া কি কোৱা হ'ব?

ভাৰতে ঘোষণা কৰিছে যুদ্ধত আমি এই অস্ত্ৰ ব্যৱহাৰ নকৰো। পাকিস্থানেও জনাই দিছে তেওঁলোকক আক্ৰমণ নকৰা পৰ্যন্ত ইয়াক ব্যৱহাৰ কৰা নহয়। কিন্তু অভিজ্ঞতাই আমাক সোঁৱৰাই দিয়ে যে ইয়াৰ কোনো এটা কথাৰে সত্যতা নাই। সত্য এইটোই যে ইয়াৰ দ্বাৰা সকলোৰে মনত ভয়ৰ শিহৰণ জগাই তোলা হৈছে গোটেই উপমহাদেশখনত, পৃথিৱীজুৰি এক আলোড়নৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰা হৈছে। হিৰোছিমা - নাগাচাকিত কৰা ভুলৰ ভূক্তভোগী সকলৰ দুঃস্বপ্নক পুনৰ মথিত কৰা হৈছে। সেয়েহে এনে বিধ্বংসী কাৰ্যৰ বিৰুদ্ধে সৰ্বসাধৰণ এক মহামিছিলত যোগদান কৰাৰ প্ৰয়োজন আহি পৰিছে য'ত ঘোষণা কৰিব পাৰ যাব এই পৃথিৱীখনক আৰু নষ্ট হবলৈ এৰি দিব নোৱাৰি; আমাৰ সমবায়ৰ স্বপ্ন, মিলনৰ স্বপ্ন, অন্তৰভৰা বিশ্বাসক আন এখন হিৰোচিমালৈ ঠেলি দিব নোৱাৰি।

<u>সাহিত্যিক সাংবাদিক, 'গৰীয়সী'ৰ সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়া ঃ</u>

...পৃথিৱীৰ মহাপৰাক্ৰমীসবলে তেওঁলোকৰ যুদ্ধখনেই শেষ যুদ্ধ বুলি, পৃথিৱীৰ সকলো যুদ্ধ শেষ কৰিবলৈ সেই যুদ্ধ অপৰিহাৰ্য বুলি, যুগে যুগে ঘোষণা কৰি থাকে। মহাপ্ৰাণ আব্ৰাহাম লিংকনে ঘোষনা কৰিছিল, তেওঁৰ দিনত সেই গৃহযুদ্ধখনেই আমেৰিকাৰ মানুহৰ বাবে শেষ যুদ্ধ হ'ব ঃ কিন্তু লিংকনৰ স্বপ্ন বিনষ্ট কৰি সেই আমেৰিকায়েই আকাশমাৰ্গৰপৰা পৃথিৱীলৈ নিক্ষেপ কৰিলে দুটা আনৱিক বোমা। যুদ্ধৰ ভয়ংকৰ আয়োজনেৰে ভৱিষ্যতৰ সকলো যুদ্ধ নিৰ্মূল কৰা ঃ এনে আসুৰিক প্ৰতিশ্ৰুতিৰে পুনৰাবৃত্তি ঘটিছে বাৰে বাৰে। ৰাজস্থানৰ উত্তপ্ত মৰুভূমিত পৰামাণু বিস্ফোৰণেই শেষ বিস্ফোৰণ হ'বনে? একমাত্ৰ লক্ষ্য কি? তাৰ একমাত্ৰ লক্ষ্য হ'ল মানুহক হত্যা কৰা, সেই মানুহ যিকোনো দেশৰে নহওক লাগিলে। পৃথিৱীৰ কেবাখনো ৰাষ্ট্ৰৰ পাৰমাণৱিক প্ৰতিযোগিতাৰ এনে ভয়াবহ ভাবুকিয়ে মানুহক আতংকৰ পণবন্দীত পৰিণত কৰিছে। বুদ্ধপূৰ্ণিমাৰ দিনা সেই পাৰমাণৱিক বিস্ফোৰণ ঘটাৱা হ'ল বুলি যি গৌৰৱ কৰা হৈছে, সেয়া হ'ল ভাৰতীয় সংস্কৃতিক উপেক্ষা কৰাৰ এক আসুৰিক প্ৰচেষ্টা ঃ বুদ্ধ হ'ল শান্তি আৰু অহিংসাৰ প্ৰতীকঃ তেওঁৰ জন্মৰ লগত কেৱল হিংসা আৰু মৃত্যুৰ সম্পৰ্ক থকা এক বিস্ফোৰণক একাকাৰ কৰি ভাৰতীয় ইতিহাসৰ সৰ্বশ্ৰেষ্ঠ পুৰুষজনক অৱজ্ঞা কৰা হোৱা নাইনে?

পৃথিৱীত মাত্ৰ দুটা আনৱিক বোমা এতিয়ালৈকে নিক্ষেপ কৰা হ'ল, তাকো অৰ্ধশতাব্দীৰ পূৰ্বতে। তাৰ পিছত সেইবোৰ মহাপৰাক্ৰমী দেশে এতিয়ালৈকে হাজাৰ হাজাৰ আনৱিক বোমা নিৰ্মাণ কৰিলে। তাৰ একমাত্ৰ লক্ষ্য পৃথিৱীৰ মানুহক (সেই মানুহ শত্ৰু দেশৰে হওক লাগিলে) আতংকিত কৰি ৰখা ঃ সহজ ভষাত মানুহক পণবন্দী কৰি ৰখা। পাকিস্থানৰ শতকৰা পঞ্চাছভাগ লোক আৰু ভাৰতৰ শতকৰা পঞ্চল্লিশ ভাগ লোক দৰিদ্ৰতাৰ সীমাৰ তলত বাস কৰে। কিন্তু সেই পাকিস্থানে মানুহৰ জীৱনক তুচ্ছ কৰি আণৱিক বোমা নিৰ্মাণ কৰে আৰু ভাৰত তাৰ প্ৰত্যুত্তৰত একেই কাৰ্য্যত ব্ৰতী হয়। সেই বিপুল পৰিমানৰ ধনেৰে মানুহক দুৰ্ভিক্ষৰ পৰা, বানপানীৰ পৰা, মানুহক ৰোগৰ গ্ৰাসৰ পৰা ৰক্ষাৰ নানা পৰিকল্পনা সফল কৰিব পৰা গ'লহেঁতেন। ... ভাৰতৰ বৰ্তমান সৰ্ববৃহৎ দায়িত্ব হ'ল, শান্তিৰ পথ যিমান পাৰি সিমান বিস্তৃত কৰা ঃ পৃথিৱীত আণৱিক যুদ্ধৰ সম্ভাৱনাৰ বিৰুদ্ধে পৃথিৱীব্যাপি এক শান্তিৰ আন্দোলন ব্যাপক কৰি তোলা। কাৰণ আণৱিক যুদ্ধ এখনত কোনো এটা পক্ষই জয়ী হোৱাৰ সামান্য আশাও নাই। ভাৰতীয় বৈজ্ঞানিকৰ গৌৰৱ বৃদ্ধি পালে সন্দেহ নাই, কিন্তু শতকৰা পঞ্চল্লিশ ভাগ লোকক দৰিদ্ৰতাৰ সীমাৰ তলৰ পৰা ৰক্ষা কৰিবৰ বাবে সেইসকল বৈজ্ঞানিকৰ আচঁনিৰ কথা ভাৰতবাসীয়ে জনাৰ সম্পূৰ্ণ অধিকাৰ আছে। পৃথিৱীব্যাপি বৈজ্ঞানিব আৰু শুভবুদ্ধি সম্পন্ন সাহিত্যিক শিল্পী দাৰ্শনিকসকল এখন অস্ত্ৰবিহীন শান্তিপূৰ্ণ পৃথিৱীৰ সপক্ষে জাগ্ৰত হোৱাৰ এয়া হ'ল প্ৰকৃত সময়। এক কৌটি টকাৰ এটা পৰমাণু অস্ত্ৰ নিৰ্মাণ কৰাৰ আসুৰিক আনন্দক এক কৌটি টকাৰে দৰিদ্ৰক দিব পৰা আনন্দত পৰিণত কৰিলেহে 'জয় বিজ্ঞান' ধ্বনি সাফল্যমণ্ডিত হ'ব।

* * * * * * * * *

হে তথাগত!

হে বিশ্বশান্তিৰ মহামন্ত্ৰৰ শ্ৰষ্টা বুদ্ধ!

তোমাৰ মোক্ষপ্ৰাপ্তিৰ এই মহান ভাৰত ভুমিক যিসকলে সাম্ৰাজ্যবাদ (যুদ্ধৰ বেপাৰী) ৰ ওচৰত মুক্ত অৰ্থনীতিৰ নামত বন্ধকত থবলৈ ক্ৰমাৎ এৰি দিছে সেই সাম্ৰাজ্যবাদীৰ পদলেহনকাৰী ভাৰতীয় শাসক চক্ৰয়েই দক্ষিণ - পশ্চিম এচিয়াত নিজৰ প্ৰভুত্ব বিস্তাৰৰ ইচ্ছাতেই পাৰমাণৱিক ৰাষ্ট্ৰৰ বাহুবল দেখুৱাবলৈ পোখৰাণৰ পাৰমাণৱিক বিস্ফোৰণ ঘটাই দক্ষিণ - পশ্চিম এচিয়াত অস্ত্ৰ প্ৰতিযোগিতাৰ দুৱাৰ মুকলি কৰি দি বিশ্বশান্তি বিঘ্নিত কৰিব বিচাৰিছে; সেইসকলৰ মুঢ়তাক ক্ষমা কৰা।

*অৰবিন্দ চক্ৰৱৰ্তী, স্নাতক ৩য় বাৰ্ষিকৰ ইংৰাজী বিভাগৰ ছাত্ৰ।*

**ৰম্যৰচনা ঃ**

# বুদ্ধিজীৱী ভৱ

**বীৰেন্দ্ৰ নাথ বৰপূজাৰী**

আপুনি এজন বুদ্ধিজীৱী হ'বলৈ খোজে নেকি? যদি খোজে 'সৰ্বধৰ্মান পৰিত্যজ মামেকং শৰণং ব্ৰজ' আৰু মোৰ কথাবোৰ মনোযোগেৰে শুনক। খুব কম দিনতে আপোনাক এজন জাকত জিলিকা বিশিষ্ট বুদ্ধিজীৱী বনাই দিম। কাৰণ মোৰ ওচৰত শৰণ লোৱা মানে আপুনি হ'ল মোৰ শিষ্য আৰু মই হ'লো আপোনাৰ গুৰু। আপুনি আমাৰ দেশখনক প্ৰগতিৰ শিখৰলৈ লৈ গৈ থকা জনপ্ৰিয় কথাছবিবোৰত দেখিয়ে আছে দেখোন -- প্ৰকৃত গুৰুৱে কেতিয়াও প্ৰকৃত শিষ্যক বিমুখ নকৰে। ময়ো নকৰো।

প্ৰথমতে আপুনি প্ৰকৃত বুদ্ধিজীৱী সম্পৰ্কে আগবঢ়োৱা মোৰ মহা মূল্যবান সংজ্ঞাটো বুজিবলৈ চেষ্টা কৰক। অ' অকণমান ৰ'ব। কথা এটা গুপুতে আপোনাক কওঁ- সংজ্ঞাটোৰ সৃষ্টিকৰ্ত্তা প্ৰকৃততে মই নহয়। মোৰ এজন বন্ধুহে। ধৰক, তেখেতৰ নাম মিষ্টাৰ পাঠক। মিষ্টাৰ পাঠকৰ সংজ্ঞাটোকে মই বুদ্ধি কৰি অলপ ইফাল-সিফাল কৰি মোৰ নামত চলাই দিব খুজিছোঁ। বুদ্ধিজীৱী হিচাপে মোৰ কাৰণে এইটো এটা অতি সাধাৰণ কাম।

প্ৰথমতে খুউব মনোযোগেৰে সংজ্ঞাটো পঢ়ি তাক হৃদয়ঙ্গম কৰিবলৈ চেষ্টা কৰক। সংজ্ঞাটো হ'ল, "যি জীৱই ইহ সংসাৰত বিশেষ একো কাম-বন নকৰাকৈয়ে বুদ্ধি কৰি মাথোন বুদ্ধিৰ বলতে মহা আৰামত জীয়াই থাকিব জানে তেওঁকেই এজন প্ৰকৃত বুদ্ধিজীৱী বোলা হয়।" দেখিলেনে কিমান সহজ এজন বুদ্ধিজীৱী হোৱা। ইতিমধ্যে আমাৰ অসমীয়া সমাজত প্ৰকৃত বুদ্ধিজীৱীৰ সংখ্যা দিনকদিনে বাঢ়িব লাগিছে। এইটো প্ৰকৃততে অসমীয়া জাতিৰ কাৰণে এটা গৌৰৱৰ কথা। 'আমি অসমীয়া নহওঁ দুখীয়া; কিহৰ দুখীয়া হম।' আমি ভোদা খাৰ খোৱা অসমীয়া জাকে 'নুবুজো নলওঁ গম' কাৰণেহে আপচোচ কৰি মৰো - আমাৰ সমাজত প্ৰকৃত বুদ্ধিজীৱী বৰ কম বুলি। কিন্তু প্ৰকৃততে প্ৰকৃত বুদ্ধিজীৱী উভৈনদী হৈ পৰিছে। তথাপি যি অলপ সংখ্যক ভোদা ধৰণৰ লোক এতিয়াও প্ৰকৃত বুদ্ধিজীৱী হ'ব পৰা নাই, তেখেত সকলোকো বুদ্ধিজীৱী বনোৱা মহান কৰ্ত্তব্য বুলি বিবেচেনা কৰি মই এই মহামূল্যবান লেখাটো মোৰ বহুমূলীয়া সময় বৰবাদ কৰি লিখিবলৈ প্ৰয়াস কৰিছোঁ। অ' আপুনি যদি মোৰ কথাত পতিয়ন যাবলৈ এতিয়াও দোধোৰ মোধোৰ কৰি আছে ভুল কৰিছে। কাৰণ মই গৰ্ব কৰি বীৰদৰ্পে কব পৰা হৈছো যে মই প্ৰকৃতাৰ্থত এজন মহান বিশিষ্ট প্ৰকৃত বুদ্ধিজীৱী হৈছোৱেই। আপুনি বিশ্বাস কৰক বা নকৰক সকলো মানুহকে একোজন প্ৰকৃত বুদ্ধিজীৱীত পৰিণত কৰাৰ কায়দা কিটিপ মই আয়ত্ব কৰি পেলাইছো। কিন্তু আজি এই লেখাটো মাথোন কলেজৰ অধ্যাপক-অধ্যাপিকা সকলৰ প্ৰতি দৃষ্টি ৰাখিহে লিখিবলৈ ওলাইছোঁ। কাৰণ, আজিৰ যুগত প্ৰত্যেকেই নিজৰ মানুহখিনিৰ কথাহে প্ৰথমতে চিন্তা কৰে। গতিকে মই এজন কলেজ শিক্ষক হিচাপে প্ৰথমতে মোৰ নিজৰ অৰ্থাৎ কলেজ শিক্ষক জাতিটোৰ কথা চিন্তা কৰা উচিত। এই কাৰণে যদি কোনোবাই মোক 'কমিউন্যাল' বুলি ভাবে, ভাবক। মই কেয়াৰ নকৰো। প্ৰকৃত বুদ্ধিজীৱীয়ে সেইবোৰ সৰু সুৰা কথাত কাণ নিদিয়ে।

ধৰিললোঁ, আপুনি মোৰ দৰে এজন কলেজৰ অধ্যাপক। কিন্তু আপুনি প্ৰকৃত বুদ্ধিজীৱীলৈ প্ৰমোচন নাপাই ভোদা হৈ আছে। তেনেহলে আপুনি কৰিব লাগিব কি? ৰ'ব, ভয় নকৰিব। অধ্যাপক হ'ল বুলিয়েই আপুনি যে কষ্ট কৰি পঢ়ুৱাবলৈ পঢ়িব লাগিব, জ্ঞান অৰ্জন কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞান বিতৰণ কৰিব লাগিব, লিখনিৰে সমাজ বা জাতিৰ পথ প্ৰদৰ্শক হব লাগিব- তেনে কোনো জটিল, মহা কষ্টকৰ কাম একোৱে কৰিব নেলাগে। মাথোন কায়দা-কিটিপখিনি আয়ত্ব কৰি লৈ বুদ্ধিৰে চলিব জানিব লাগিব। ক্লাছ মন গ'লে মাহে- পষে দুই এটা লব পাৰে, নললেও বিশেষ একো কথা নাই। ভয় নাই। আপোনাৰ চাকৰিও নাযায়, দুৰ্নামো নহয়। কিন্তু প্ৰকৃত বুদ্ধিজীৱী হিচাপে আপুনি বুদ্ধি কৰি চলিব জানিব লাগিব। তথাপি সময় সুবিধা হলে মাজে-সময়ে কলেজলৈ এপাক মৰা ভাল। যিদিনা যায় কিবা এটা বাহানা উলিয়াই হলেও অধ্যক্ষকো এবাৰ দেখা দি যাবলৈ নাপাহৰিব। মুৰব্বী অধ্যাপক বিভাগৰ কমন ৰুমত থাকিলে সেইদিনা অলপ বেছি সময় থাকিব। নাথাকিলে লগে লগে ফুটিব। কাৰণ প্ৰকৃত বুদ্ধিজীৱী হিচাপে আপোনাৰ বাহিৰতহে কামৰ ভিৰ হ'ব। বাধ্যত পৰি যিদিনা কমন ৰুমত থাকিব লগা হয়, সেই সময়ত ক্লাছ থাকিলে বেলপৰাৰ লগে লগে হঠাৎ গোপীসৰৰ মাজৰ পৰা শ্ৰীকৃষ্ণ অন্তৰ্দ্ধান হোৱাৰ দৰে কিছু সময় অন্তৰ্দ্ধান হ'ব। ছাত্ৰ-ছাত্ৰীয়ে 'ছাৰ নাই' বা বাইদেউ নাই' বুলি গুছি যাব। দহ-পোন্ধৰ মিনিট মান পিছত পুনৰ আবিৰ্ভাব হৈ ৰেজিষ্টাৰ বহীখন উলিয়াই চহীটো কৰি থৈ দিব। চাওঁক, কিমান আৰামত আপোনাৰ ক্লাছটো ৰেজিষ্টাৰ বহীত সুকলমে হৈ গ'ল। অৱশ্যে বহুদিন তেনে কৰিলে ছাত্ৰ-ছাত্ৰীবোৰ বিৰক্ত হব। হওঁক। তাৰো উপায় দিছোঁ ৰ'ব। যিদিনা ক্লাছলৈ যায় কিবা এটা 'নোটছ' লৈ যাব কিন্তু ভুলতো নোটছবোৰ নিজে নকৰিব। ভোদা বিলাকেহে দহখন কিতাপ পঢ়ি ঘণ্টাৰ পিছত ঘণ্টা সময় নষ্ট কৰি ছাত্ৰ-ছাত্ৰীৰ কাৰণে 'নোটছ' বনায়। আপুনি আমাৰ সংজ্ঞাত পৰা প্ৰকৃত বুদ্ধিজীৱী হিচাপে তেনে কৰা উচিত নহ'ব। গতিকে বুদ্ধি কৰি প্ৰাক্তন ভাল ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰি ল'ব। পৰীক্ষৰ বহী চাওতে খুউব ভাল ল'ৰা-ছোৱালীৰ বহী পালে তাৰ পৰাও 'ফটো ষ্টেট' কৰি লব পাৰে। ক্লাছত গহীন-গম্ভীৰ ভাৱে সোমাব। ৰোল কল কৰিব। শশমাযোৰ খুলি (প্ৰকৃত বুদ্ধিজীৱী হিচাপে জিব' পাৱাৰ হলেও শশ্মা এজোৰ থকা ভাল) ৰুমালেৰে লাহে লাহে মচি মচি গহীন-গম্ভীৰভাৱে আৰম্ভ কৰিব এনেদৰে - 'তোমালোকৰ কোৰ্চ যোৱাই নাই। উপায় নাই। ক্লাছলৈ আহিব ওলালেই কিবা এটা লেঠা। পিয়ন এটা আহি ক'ব 'অধ্যক্ষই মাতিছে'। কলেজখনৰো এশ এবুৰি সমস্যা। অধ্যক্ষই অকলেই বা কৰিব কি? যি হওক, তোমালোকৰ কোৰ্চখিনি যেনেতেনে শেষ কৰিব লাগিব। মই কেইটামান 'নোটছ' দিম, পৰীক্ষাত তাৰ ভিতৰতে আহিব। কথাখিনি কোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ আপোনাৰ ওপৰত উঠি থকা খং-ৰাগ নিমিষতে নাইকিয়াতো হ'বই, সিহঁতে আপোনাক

বহুদিনৰ বিৰতিৰ পিছত গোপীসয়ে শ্ৰীকৃষ্ণক দেখাদি দেখিব। চকুমুখ চিপি কোনোমতে প্ৰথমৰ তিনিটামান মাহ কটাই দিয়ক। তাৰ পিছত আহিলেই নহয় নাটকবোৰ মানে পৰীক্ষাৰ নাটকবোৰ। মেট্ৰিকৰ পৰা আৰম্ভ কৰি আটাইবোৰ পৰীক্ষাৰ নাটকত বিভিন্ন ভাও লওক। ভয় নাই। আপুনি যে নিখুঁত ভাৱে তাত ভাও দিব লাগিব তেনে কোনো কথা নাই। শুনা যায় সেইবোৰ নাটকত ভাও দিয়া ভাৱৰীয়া সংখ্যা হেনো দেৱৰো দুৰ্লভ হৈ পৰিছে। গতিকে প্ৰযোজকসকল বৰ উদাৰ হৈ পৰিছে। ইয়াত লাভেই লাভ। কলেজলৈ নগলেও এনে ক্ষেত্ৰত মুৰব্বী, অধ্যক্ষ কোনোৱে আপোনাক একো নকয়। কি দৰকাৰ বাটৰ কচু গাত ঘঁহি খজুৱাই মৰিবলৈ। ইয়াৰ পৰা আপেনাৰ এটা এক্সট্ৰা ইনকামো হ'ব। আজিকালি বস্তুৰ যিহে জুইছাই দাম হৈছে, গতিকে যিমান পাৰে, এক্সট্ৰা ইনকামৰ বাট মুকলি কৰি লব পাৰে সিমানেই ভাল। এই বিষয়ত এটা অতি সহজ উপায় গুপুতে দিও শুনক। বৰ 'মুনাফা' থকা ব্যৱসায়টো লওক। সেইটো ব্যৱসায়ত একো 'কেপিটেল' নালাগে। কিন্তু ভুলতো তলৰ ক্লাছৰ ছাত্ৰ-ছাত্ৰীক নলব। সিহঁতে নানান প্ৰশ্ন সুধি আপোনাক বিপদত পেলাব পাৰে। গতিকে স্নাতক, স্নাতকোত্তৰ তেনেবিধ ছাত্ৰ-ছাত্ৰীক লওক। তেওঁলোক বৰ ভাল। ডাঙৰ ল'ৰা-ছোৱালী নহয়— দুই চাৰিটাৰ বাহিৰে প্ৰায় সকলোবোৰেই নাম লগোৱাৰ আগতেই তেওঁলোকৰ পাঠ্যক্ৰমত থকা সকলোবোৰ খৰচিমাৰি পঢ়ি জ্ঞান লাভ কৰি আহে। আপুনি মাথোন 'নোটছ' কেইটা দি দিলেই তেওঁলোক ধন্য হব। আগতেই কৈছো নহয়, সেইবোৰ সংগ্ৰহ কৰি লব। পাঠ্যক্ৰমত থকা যিকোনো বিষয়তে আপুনি 'অল ৰাউণ্ডাৰ' বুলি বিবেচিত হব। লগতে 'সৰ্বপাঠ্যক্ৰম বিশাৰদ বা বিশাৰদা, বুলি আপোনাৰ নাম চাৰিওফালে বিয়পি পৰি সুনামো অৰ্জন কৰিবলৈ সক্ষম হ'ব।

এইবোৰৰ বাহিৰেও এটা বিশেষ উপদেশ দিব লগা আছে। ল'ৰা-ছোৱালীৰ লগত আপুনি এটা 'সুমধুৰ সম্পৰ্ক' কৰি ল'ব। মনত ৰাখিব 'সুমধুৰ' সম্পৰ্ক গঢ়ি উঠা প্ৰকৃত গুৰুক শিষ্যই কোনো কাৰণতে বিপদত নেপেলায়। দুই এটা বাঘৰ আগ তেল খোৱাই প্ৰতিবাদ কৰিব খুজিলেও প্ৰকৃত শিষ্যবোৰে সিহঁতক কথাছবিৰ 'দাদা'ই কৰাদি ঠাণ্ডা কৰি থব।

মাজে মাজে মুৰব্বী অধ্যাপকে মেল-মিটিং মাতিব। বিভাগৰ বিষয়ে আলোচনা কৰিব। পাঠ্যক্ৰমৰ বিষয়ে কিবা কিবি ক'ব। কবলৈ দিয়ক। তেখেতৰ কাম তেখেতে কৰিব আৰু আপোনাৰ কাম আপুনি কৰিব। আপুনি মাথোন বুদ্ধি কৰি এনে মোচন দি তাত এনেদৰে অংশ গ্ৰহণ কৰিব যেন মুৰব্বীতকৈ বিভাগটোৰ কাৰণে আপোনাৰ চিন্তা বহুত বেছি। বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ মঙ্গল কামনাই যে আপোনাৰ শিক্ষক জীৱনৰ মহান ব্ৰত-সেইটো বুদ্ধি কৰি ফুটাই তুলিব পাৰিব লাগিব। গাধৰ দৰে সদায় খাটি থকা আপোনাৰ লগত কিছুমানে আপোনাৰ লাখটকীয়া কথাবোৰ শুনি হেবাং বনি থাকিব আৰু আপুনি বিক্ৰমাদিত্যৰ ৰাজসভাত কালিদাস জিলি কাদি মুৰব্বীৰ চকুত জিলিকি উঠিব।

আপুনি যদি ইতিমধ্যে মুৰব্বী অধ্যাপক হৈছে, বিভাগৰ কোনো কাম নিজে নকৰিব। সকলোখোৰ তলৰ বিলাকক ভগাই দিব। মুৰব্বী হিচাপে আপুনি চহীবোৰ কৰাহে দৰকাৰ। সকলো অফিচৰ কাম তেনেদৰে চলে হেনো। আপোনাৰ অফিচটো তেনেদৰে নচলিলে সকলোৱে ভোদা বুলি হাঁহিব। ক্লাছ মন গলে লব, মন নগলে নলব। বিভাগৰ ইমানবোৰ গুৰু দায়িত্ব পালন কৰি সেইবোৰ সৰু-সুৰা কামৰ কাৰণে সময়ৰ যে অভাৱ সেইটো প্ৰথমতে ছাত্ৰ-ছাত্ৰীয়ে নুবুজিলেও লাহে লাহে বুজা হৈ আপোনাক আমনি নকৰা হ'ব। ইয়াৰ বাহিৰেও আপুনি সদায় দুৰ্বাসাৰ ৰূপত থকা ভাল। তেতিয়া আপোনাৰ আশ্ৰমৰ কোনো শিষ্যই ওজৰ-আপত্তি লৈ দিগদাৰি দিবলৈ সাহস নকৰিব। ফলচ আপোনাৰ আশ্ৰমত চিৰশান্তি বিৰাজ কৰিব। এটা কথা মনত ৰাখিব- আপুনি মুৰব্বী হিচাপে আপোনাৰ তলত কাম কৰা প্ৰকৃত বুদ্ধিজীৱী সকলতকৈ আপোনাৰ স্থান এক নম্বৰত থাকিব লাগিব। নহলে সকলোৱে আপোনাক ভোদা বুলি ভাবিব।

শেষত, এটা কথাৰ ওপৰত বিশেষ ধ্যান দিয়ক। আপোনাৰ কলেজতো আমাৰ সংজ্ঞাত পৰা প্ৰকৃত বুদ্ধিজীৱী সংখ্যাত তাকৰ হলেও নিশ্চয় আছে. তেখেতসকলক অনুকৰণ কৰক। অসুবিধা পালে দিহা-পৰামৰ্শ দিবলৈ আমিতো আছোৱেই। আপোনাক এজন প্ৰকৃত বুদ্ধিজীৱী বনা বলৈ আমি চেষ্টাৰ অলপো ত্ৰুটি নকৰো। কাৰণ আমাৰ এই অসম নামৰ মহাদেশখনৰ (এদিন হেনো হ'বই) মহাবিদ্যালয়বোৰ হেনো দিনক দিনে জহন্নামলৈ গতি কৰিব ধৰিছে। ইতিমধ্যে তামৰ হৈ পৰা এই মহাবিদ্যালয়বোৰক বুদ্ধিৰে সোণৰ কৰি ইয়াক বেহেস্তলৈ নিয়াৰ দায়িত্ব আপোনাৰ মোৰ দৰে শিক্ষক সকলৰে নহয় জানো? গতিকে প্ৰত্যেকেই আমাৰ মহামূল্যবান সংজ্ঞাটো বেদবাণী বুলি মানি প্ৰকৃতাৰ্থত একোজন 'বুদ্ধিজীৱী ভৱ।' 🕮

---

*বীৰেন্দ্ৰ নাথ বৰুজাৰী অসমীয়া বিভাগৰ এগৰাকী অধ্যাপক।*

**ব্যংগ ৰচনাঃ**

# ব'ৰ

**সংগীতা গগৈ**

কি কৈছা? তুমি মোৰ নাম শুনা নাই? মোৰ নাম ব'ৰ। মোৰ বাসস্থান? মই জাতি-ধৰ্ম বৰ্ণ নিৰ্বিশেষে আধুনিক যুগৰ প্ৰায় সকলো যুৱক -যুৱতীৰে "ডায়লগ"'ত বাস কৰো। বিশেষকৈ সেইসকল যুৱক-যুৱতীৰ 'ডায়লগ'ত যি সকলে অলপ হ'লেও আধুনিক শিক্ষা নামৰ বস্তুটোৰ সোৱাদ পাইছে। বৰ্তমান কথাই প্ৰতি মোক ব্যৱহাৰ কৰা এক জনপ্ৰিয় "মৰ্ডাণ ফেশ্বন'ত পৰিণত হৈছে। স্থান-কাল- পাত্ৰভেদে সকলো কথাতে মোৰ অবাধ প্ৰয়োগ। বিশেষকৈ কলেজীয়া ছোৱালীবোৰে বোধহয় হিন্দী চিনেমাৰ "হিৰো"'বোৰতকৈ মোকহে বেছি ভাল পায়। সেয়ে হয়তো কলেজৰ বাৰান্দাতে হওক বা ক্লাচৰ ভিতৰতে হওঁক নাইবা কলেজৰ বাহিৰতে হওঁক, দিনটোত দুবাৰ মানকৈ সিহঁতে মোৰ নাম নোলোৱাকৈ যেন থাকিবই নোৱাৰে। মোৰ প্ৰতি দুৰ্নিবাৰ প্ৰেমেৰে মন প্ৰাণ উপচাই পেলোৱা দুজনীমান যুৱতীৰ কেইটামান "ডায়লগ" তোমাৰ আগত কওঁ শুনা —

"ইচ্, ইমান ৰ'দ দিছে! আজি গোটেই দিনটোৱেই গৰমত ব'ৰ হব লাগিব।"

"এই ক্লাচটো যে ইমান ব'ৰ! কি পঢ়াই আছে গ'মেই নাপাওঁ। 'ক্লাচৰোম'ৰ ভিতৰত সোমালেই টোপনি ধৰে।"

"কাৰ কথা কৈছ? অ, সেই যে ক্ষীণ আৰু দেখিলেই "চিৰিয়াচ" যেন লগা ল'ৰাটো। কান্ধত ডাঙৰ বেগ এটা ওলোমাই লৈ ইটোৰ গাছত সিটোকৈ কেৱল "ক্লাছ" কৰাৰ বাহিৰে সি আন একোৱেই নাজানে? কি যে এটা মস্ত ব'ৰ!"

"অই জান? আজি 'দিলতো পাগল্ হেই" চালো, শ্বাহৰুখ খানৰ

"এক্সপ্ৰেশ্বন"'বোৰ ভাল লাগিল, কিন্তু মাধুৰীৰ "এক্টিং" একেবাৰে ব'ৰ।"

"সৰুৰে পৰা আৰু কিমান দিন আনে লিখা কিতাপ সোপাকে পঢ়ি পঢ়ি পৰীক্ষা দি থাকিম? কিতাপৰ নিৰস কথাবোৰ পঢ়ি পঢ়ি ব'ৰ লাগিব ধৰিছে।

এয়া দেখিছা, সিহঁতৰ ব'ৰ প্ৰীতিৰ নমুনা। সমাজৰ ভৱিষ্যৎ নিৰ্মাতা যুৱক-যুৱতীসকল এইদৰে মোৰ প্ৰেমত মচগুল হৈ থকা দেখিলে বুকুখন আনন্দত ফুলি উঠে আৰু মুখখন ভেমতে এপাচি হৈ পৰে। সময় পাওঁতেই মই তোমাক এই কথা জনাই থওঁ যে এইদৰে নিৰন্তৰ গতিত অহেতুক ব'ৰপ্ৰীতি বৃদ্ধি পাবলৈ ধৰিলে অদূৰ ভৱিষ্যতে সিহঁতৰ 'হ'ল লাইফ' টোৱেই হৈ পৰিব এক মস্ত ব'ৰ। ❐



*সংগীতা গগৈ স্নাতক ৩ বৰ্ষ ইংৰাজী বিভাগৰ ছাত্ৰী*



## এক গণ্ডা লিমাৰিক

**প্ৰবাল পীযুষ**

(এক)

'নেকিন' শব্দৰ আৱিষ্কাৰক আমাৰ প্ৰণৱ খুড়া  
পঢ়াৰ ফালে দিয়ে পিঠি নিতৌ খেলে জুৱা  
চুলিত লগায় ট্ৰু ট'ন  
প্ৰশ্ন কৰাত বৰ মন  
(কেতিয়াবা) নিজেই নিজক প্ৰশ্ন কৰে 'মই ডেকা নে বুঢ়া'।)

(দুই)

কংকণ নামৰ হেন্‌চমটো আহিল দিল্লীৰ পৰা  
ঢাণ্ডা আছিল আচামৰ প্ৰগেম এটা কৰা  
মামাৰ গাড়ীত আহি গৌহাটী পাই  
জাকে জাকে ৰমণী চাই  
এজনৰ প্ৰেম প্ৰস্তাৱত পৰিল সি ধৰা।

(তিনি)

ইংৰাজী ক্লাচত আমাক পঢ়ায় দু, দিদ্ 'দান'  
ডিচ্ কলেজিয়েট টাৰ্মটো সহজকৈ লোৱা টান  
শিক্ষকতকৈ একোৱ ছাত্ৰ চাৰ  
মাত্ৰ ৬০% উপস্থিতিৰ হাৰ  
ইয়াৰ কম হ'লে পৰীক্ষা দিয়াই টান।

(চাৰি)

ইংৰাজী বিভাগৰ জ্যোতিৰ্ময়, কটনৰ ছাত্ৰ  
অম্লান চাৰৰ মেমৰিৰ মাজত তাকহে পাবা মাত্ৰ  
আদ্দাত জেক খায়  
কলেজত ছোৱালী চায়  
অৱশেষত সি হয় হাঁহিয়াতৰ পাত্ৰ। ❐

সম্পাদকৰ বাচনি:

# লক্ষ্মীনাথ বেজবৰুৱাৰ চিঠি

**কমলাকান্ত ভট্টাচাৰ্য্যলৈ**

**সম্বলপুৰ, ৪/৪/২৮**

ৰাজহুৱা হিচাপত অষ্টাবক্র - সংহিত - কাৰ দাৰ্শনিক ডাঙৰীয়া, ভিতৰুৱা হিচাপত সপ্তাবক্র হৰি ভকত, অন্তৰংগ হিচাপত আমাৰ পুবফলীয়া সত্ৰাধিকাৰ আতৈ, আৰু নিজা হিচাপত সোপাসোপে মৰমৰ, লাডুৱে লাডুৱে চেনেহৰ বান্ধে আৰু পুবফলীয়া সত্ৰৰ পকামিঠৈ।

আপোনাৰ চিঠি পালোঁ পঢ়িলো আৰু গিলিলোঁ। এই চিঠি আপোনালৈ পোন পটিয়েই নেলেখি অলপ বেকা পটিয়েদি লিখি পঠালো। কাৰণ পোনতকৈ বেকাটো অনেক সময়ত সুখ লগা। সেই দেখি চিঠিখন ডেকা গোঁসাইৰ (যিজনে আমাক, আমাৰ সত্ৰৰ সমূহ বাপুসকলক জ্ঞান দি আনন্দিত কৰে) বিজোগত সংযোগ কৰি দিলোঁ, তেখেত শুচি হৈ হস্তলিপিখনি ঠগি এখনৰ ওপৰত থৈ অতি সন্তৰ্পনে পঢ়ি অধিকাৰ প্ৰভুকে প্ৰমুখ্য কৰি ভকতসকলক শুনাব। বিশেষকৈ আপুনি আন হিচাপেও পাবলিক মেন; 'পাবলিক সিটো' নহয়, এতেকে আপোনালৈ প্ৰাইভেট চিঠি লিখাটো দোষ।

সদ্যহতে এই দূৰণিবটীয়া ভকতৰ গাটি ভালেই আছে, মনটিও ঠন ধৰা আৰু গতি বক্র হোৱা নাই। ভকতনী বুঢ়ীৰো গা ভাল, মন ভাল, আৰু জী-জোৱাই আমা-ডিমা ল'ৰা ছোৱালীবোৰতো কথাই নাই। সকলোকে হৰি ভগৱন্ত বস্তুৱে কুশলে ৰাখিছে। আপোনাৰ আৰু ডেকা গোঁসাইৰ আৰু মাজু বহাৰ আতৈৰো মংগল্যাদিৰ বাতৰি পাবলৈ আশা কৰি ৰলোঁ। ঈশ্বৰে আপোনাসকলক ভালে ৰাখক আৰু যেন আমাৰ সত্ৰৰ বস্তি নুনুমায়- এই প্ৰাৰ্থনা।

'অসমীয়া'ত গুৱালপাৰাৰ আবাল, চন্দ্ৰ অসাধন কেইজনক পাৰি থকা আপোনাৰ গুৱালগালি শুনি সন্তোষ পাইছোঁ, তেওঁলোকক যেন সুমতি দিয়ে। ভাল কথা কলে মানুহে প্ৰথমতে বেয়া পায়; কিন্তু লাহে লাহে সেই কথাই বেয়া পাওঁতাজনক ভাল কৰে।

আপোনাৰ 'বুঢ়ীগৰাকী'য়ে আপোনাক যি পৰামৰ্শ দিছে, সেইটো অতি উত্তম। আপোনাৰ মীমাংসা আৰু উত্তৰটো ঠিক হোৱা নাই। নিশ্চয় জানিব, বুঢ়ীৰ কিল খোৱাতকৈ গাভৰুৰ লাঠি খোৱাটো শতগুণে ভাল, সুখকৰ আৰু গৌৰৱজনক। এতেকে কথাটোৰে চানি বিচাৰ কৰি 'ৰদ' কৰি বুঢ়ীগৰাকীৰ' বাক্য শিৰোধাৰ্য্য কৰি বিজ্ঞতা আৰু বিচক্ষণতাৰ চিনাকি দি আমাৰ সত্ৰৰ সন্মান ৰক্ষা কৰিব, এই গোঁহাৰি কৰিলোঁ। ইংৰাজীত কয় "A stich in time saves nine" এষাৰ ইংৰাজী মাতো ক্ষমা কৰিব, কাৰণ ইংৰাজীয়ে মোৰ মুখত বৰকৈ সুৰসুৰাইছে।

Let not thy wirged days be spent in vain when gone, ro gold can buy them back again.

মোৰ আকৌ উভতি তালৈ যোৱাটো ভৱিষ্যতৰ উদৰত। প্ৰসৱৰ সময়ত মোৰ নিজৰ বন্ধুসকলক জান নিশ্চয় দিম। আৰু আমাৰ অধিকাৰে তাৰ নাড়ী কাটিবই লাগিব। আজিলৈ ইমানতে বহা সুখ সামৰিলোঁ।

আপোনাৰ 'হৰিভকত'

**চন্দ্ৰকুমাৰ আগৰৱালালৈ**

মাজিউ,

তোমাৰ চিঠি পায়েই লৰালৰিকৈ এইটো লিখি দিলোঁ। পাহৰি আছিলোঁ। ৰত্নাৰ Result এতিয়াও ওলোৱা নাই। অৰুণা M. A. দিবলৈ প্ৰস্তুত হৈছে। কলিকতালৈ গৈছে। ল'ৰাটো আৰু ছোৱালীজনী ইয়াত থৈ গৈছে। ল'ৰাটো আগৰ পৰাই আছে।

exam - Aug ৰ 1st week অত।

জ্ঞানক মোৰ হৈ চুমা দিবা। আৰু তেওঁক cheerful কৰি ৰাখিবাঁ।

Hati বাবুক মৰম ও প্ৰীতি।। Mrs. Agarwala ক **শ্ৰদ্ধা, ল'ৰাইঁতক মৰম। তুমি মোক গোটাগোটে ল'বাঁ।**

মৰমৰ

"বেজ"

Sambalpur

মাজিউ,

চিঠি পালোঁ। "মিলন", সাহিত্যসভা পত্ৰিকা মোলৈ পঠিয়াবৰ আৱশ্যক নাই। মই সেইবোৰ পাওঁ।

শ্ৰী যুত বাণী কাকতিক পালে ভাল। কিন্তু Rs. - 50/- কৰ পৰা কেনেকৈ দিয়া যায়! উপেন্দ্ৰক ভাৰ নিদিবা, unfit.

মই মোৰ লেখা যি পাৰোঁ অলপতে আকৌ পঠিয়াম।

মোৰ মৰম লবানে? - ইমান সৰহ আৰু গধুৰ যে কিজানি তাৰ ভাৰ বব নোৱাৰিবা।

জ্ঞানক আৰু হাতীডাঙৰীয়াক বাঁহীত লিখিবলৈ নোকোৱা কিয়? জ্ঞানে 'অসমহিতৈষী'ত প্ৰবন্ধ লিখিছে দেখিছোঁ। হাতীডাঙৰীয়াৰ প্ৰবন্ধটো খেৰণিয়ে বননিয়ে।

মৰমৰ

"বেজ"

**যতীন্দ্ৰ নাথ দুৱৰালৈ**

My dear Jatindra

তোমাৰ চিঠি পালোঁ। মই আহিবৰ পৰা যে কি কৰি ক'ত ফুৰিছোঁ, তাৰ লেখ দিব নোৱাৰোঁ। দেখা হলে মুখেৰে ক'ম। মুঠত মোৰ এই বয়সত এনে কাম, এনে হাবিত, ঠিক কাৰ্য্য নহয়। মই শীঘ্ৰে উভতি যাবলৈ চেষ্টা কৰিছোঁ।

তোমাৰ নিমিত্তে J. Baruah ক দি এই Certificate লেখালোঁ। কাইলৈ আচলখন পাবা এইখন Copy হে।

মোৰ মৰম আৰু আশীৰ্বাদ।

অভিমত ঃ

# অসমৰ সাম্প্ৰতিক বৌদ্ধিক সংকট মোচনত কটনিয়ানৰ ভূমিকা

## এই সম্পৰ্কে কেইগৰাকীমান কটনিয়ানৰ অভিমত

### পদ্ম পাটোৱাৰী

সংকট বোলা কথাষাৰ দ্ব্যৰ্থবোধক। বৰ্তমান বুদ্ধিজীৱিৰ সংজ্ঞা যি অৰ্থত নিৰূপণ কৰা হয় তেনে অৰ্থত আজিৰ অসমত বুদ্ধিজীৱিৰ তথা বৌদ্ধিক সংকট হোৱা নাই। প্ৰকৃততে সংকট হ'ল বুদ্ধিজীৱিৰ প্ৰমূল্যবোধৰ। দ্বিতীয়তে, বুৰঞ্জীৰ পাত লুটিয়ালে পোৱা যায়, বুদ্ধিজীৱিসকল সদায় সমাজৰ মধ্যবিত্ত আৰু তেওঁলোক সদায় সমাজত নিজৰ স্বাৰ্থৰ কাৰণে কাম কৰে।

"আমি এতিয়া বুৰঞ্জীৰ সন্ধিক্ষণত উপনীত হৈছো" -- আজিৰ সমাজত প্ৰায়ে শুনিবলৈ পোৱা এফাকি বাক্য। প্ৰথমতে আমি সমাজৰ সুস্থ অগ্ৰগতিত আবেগক প্ৰশ্ৰয় দিয়াৰ কোনো প্ৰয়োজন নাই। আৱেগৰ বশবৰ্ত্তী হৈ সমাজৰ গুৰি ধৰোতাসকল অস্থায়ী আৰু তেওঁলোক অসুস্থ সমাজৰ বাহক। আমি বৰ্তমান বুৰঞ্জীৰ সন্ধিক্ষণত উপনীত হৈছোনে নাই তাক নিৰ্ধাৰণ কৰিব বুৰঞ্জীয়ে, আমি নহয়। (আজিৰ কটনিয়ানৰ আবেগ?)

অসমৰ সাম্প্ৰতিক বৌদ্ধিক সংকটত কটনিয়ানৰ ভূমিকা এক আষাৰতে ক'বলৈ হ'লে ই হ'ব আত্মবিশ্লেষণ। আজিৰ কটনিয়ানৰ প্ৰথম কাম হ'ল নিজক সুশিক্ষিত তথা সুচৰিত্ৰবান কৰি গঢ়ি তোলা। আজিৰ কটনিয়ানৰ কাম কোনো বিপ্লৱী বা সন্ত্ৰাসবাদী সংগঠনক অন্ধভাৱে অনুকৰণ কৰা নহয়। আজিৰ কটনিয়ানে দেশ স্বাধীন কৰাৰ আগতে নিজৰ চিন্তাভাৱনাক বা যুক্তিযুক্ততাক স্বাধীন কৰা।

বৰ্তমান কটনিয়ানৰ বৌদ্ধিক জ্ঞানৰ অভাৱ হোৱা নাই; অভাৱ হ'ল সুস্থ মনৰ। আজিৰ সমাজত বৌদ্ধিক সংকটৰ পৰিবৰ্তে সংকট হৈছে সাধাৰণ জ্ঞান (Comnon Sense) ৰ। আমাৰ বৰ্তমান সমাজত প্ৰতিস্থাপিত ধাৰণা সমূহ নিজৰ মনত খাপ খুৱাই লব নোৱাৰাটোৱেই সমাজৰ অসুস্থিৰতাৰ কাৰণ। উদাহৰণ এটা - আমি বৰ্তমানৰ ধৰ্মনিৰপেক্ষ সমাজত বাস কৰো। ধৰ্মনিৰপেক্ষতা আজি আমাৰ সমাজৰ মহৎ আদৰ্শ। কিন্তু কথা হ'ল আমি প্ৰত্যেকেই ব্যক্তিগতভাৱে কিমান নিৰপেক্ষ? ব্যক্তি আৰু সমাজ জীৱনৰ মাজত ইমান প্ৰভেদ কিয়? কটনিয়ানৰ ভাৱি চোৱাৰ সময়।

কোনো এটা সামাজিক সংকট, দুৰ্যোগ নাইবা সামাজিক ব্যাধিসমূহ আতৰ কৰিবলৈ সামাজিক ভাৱে যিমান আগ্ৰহী ব্যক্তিগতভাৱে সিমান আগ্ৰহী হয়নে? আমি সমাজৰ ব্যাধি সমূহ আতৰাবলৈ নিজৰ মনৰ বিৰুদ্ধে গৈ নিস্বাৰ্থতাৰ পৰিচয় দিওঁনে? ব্যক্তিজীৱনত বিৰোধ থকা স্বত্বেও সমাজজীৱনত অভিনয় সূচক সন্মতি জনোৱা সকল গাওঁলীয়া হোজা মানুহ নে তথাকথিত বৌদ্ধিক জ্ঞানৰ ভূ পোৱাসকল? আমি কিমান কটনিয়ান তেনেকুৱা অভিনেতা? বৃত্তিমুখী শিক্ষাৰ খাতিৰত প্ৰকৃত শিক্ষাক আওঁকাণ কৰিছো নেকি? ❑

### মধুমিতা শইকীয়া

বৰ্তমান আমাৰ অসমৰ মানুহবোৰৰো বৌদ্ধিক চিন্তা-চৰ্চা কৰিবলৈ সময় নোহোৱা হৈ পৰিছে ফলত সমগ্ৰ অসমতে এক বৌদ্ধিক সংকটে দেখা দিছে। আমি যদি এই বৌদ্ধিক সংকটবোৰৰ কাৰণ বিচাৰি চাওঁ তেতিয়া দেখিবলৈ পাম যে এই সংকটৰ প্ৰধান কাৰণ হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ অধিক কেৰিয়াৰিষ্ট মনোভাৱ। আমাৰ সমাজত বহিৰ্ভূত কিতাপ পত্ৰ গুৰুত্ব সহকাৰে অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এনেয়ে তাকৰ, পঢ়াসকলৰ বহুতে আকৌ কেৰিয়াৰ গঠন কৰিব পৰা আলোচনী আদিতেই অধ্যয়ন সীমিত ৰাখে তেন্তে প্ৰকৃতাৰ্থত বুদ্ধিৰ বিকাশ বা জ্ঞান আহৰণৰ বাবে পৰিবেশ অনুকূল হৈ নুঠে। অধিক সংখ্যক ছাত্ৰ ছাত্ৰীৰ উদ্দেশ্য হৈছে অধিক কেৰিয়াৰিষ্ট হৈ ক্লাছবোৰত উপস্থিত থাকি মাত্ৰ এটা "ডিগ্ৰী" লৈ মোটা ধনেৰে কেৱল এটা চাকৰি অৰ্জন কৰা। বৰ্তমান আমাৰ অসমৰ ছাত্ৰ-ছাত্ৰী সকলৰ এনে ধৰণৰ মানসিকতাৰ বাবে আমাৰ সমাজত এক বৌদ্ধিক সংকটে দেখা দিছে। ইয়াৰ উপৰিও অসমৰ মানুহৰ আত্মকেন্দ্ৰিকতা, বৰ্তমান আমাৰ সমাজত প্ৰচলিত হোৱা বিকৃত ৰাজনীতি আৰু আমাৰ শিক্ষানুষ্ঠানবোৰত প্ৰচলিত হৈ থকা আওপুৰণি পাঠ্যক্ৰম ইত্যাদিবোৰেও অসমৰ বৌদ্ধিক সংকট সৃষ্টি হোৱাত আংশিকভাৱে হ'লেও অৰিহণা যোগাইছে। মই ভাবো, আমাৰ অসমত বৌদ্ধিক সংকট সৃষ্টি কৰাত আংশিককভাৱে অসমৰ ছাত্ৰ-ছাত্ৰী, অসমৰ বুদ্ধিজীৱি সকল, মুঠতে অসমৰ প্ৰত্যেকজন লোক অলপ হ'লেও দায়ী। কিছুমান বুদ্ধিজীৱি আৰু আন কিছুমানলোকে অসমৰ বৌদ্ধিক সংকটৰ সমস্যাবোৰ সমাধান কৰিবৰ বাবে নানা ধৰণৰ আলোচনা কৰিছে যদিও গুৰুত্বসহকাৰে কোনেও এই বিষয়টো গ্ৰহণ কৰা নাই। ফলত আমাৰ সমাজত দিনে দিনে এই বৌদ্ধিক সংকটৰ সমস্যাটো বেছি হৈ আহিছে।

অসমৰ পৰা বৌদ্ধিক সংকটৰ সমস্যাটো সমাধান কৰাৰ বাবে সমাজৰ প্ৰত্যেকজন ব্যক্তিৰ দায়িত্ব আছে বুলি মই ভাবো। সমাজৰেই এজন হিচাপে আমাৰ কটনিয়ানসকলৰো এই সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত দায়িত্ব আছে। কটন কলেজ অসমৰ উৎকৃষ্ট শিক্ষানুষ্ঠান হোৱা হেতুকে কটনিয়ানসকলৰ ওপৰত সকলোৰে আশা বেছি। সেইবাবে এই বৌদ্ধিক সমস্যাটো অসমৰ পৰা আঁতৰ কৰাৰ ক্ষেত্ৰত কটনিয়ানৰ দায়িত্বও বেছি। ❑

### সিদ্ধাৰ্থ শংকৰ ডেকা

প্ৰাৰম্ভিক অৱস্থাত কটনিয়ান সকলে বহুকেইটা বাস্তৱসন্মত, ফলদায়ক কাৰ্য্যসূচী হাতত ল'ব পাৰে। এই কাৰ্য্যসূচীবোৰৰ সফলতাৰ বাবে অতিকৈ প্ৰয়োজন যাইকৈ তিনিটা অৱস্থাৰ-- ১। কটনিয়ান সকলৰ মাজত পাৰস্পৰিক সু-সম্বন্ধ; ২। বিশ্বাস আৰু ৩। সুস্থ পৰিবেশ, এই তিনিটা অৱস্থা অবিহনে কাৰ্য্যসূচীবোৰৰ সফলতা আশা কৰা নিৰৰ্থক। এই সকলোখিনি হোৱাৰ পাছত সৰ্বসন্মতি ক্ৰমে তেওঁলোকে অসমৰ বৌদ্ধিক সংকটৰ মূল কাৰণ সমূহ চিহ্নিত কৰি নিজৰ মাজতে তাৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ উপকাৰ আৰু পৰিত্ৰাণৰ উপায়ৰ বিষয়ে আলোচনা কৰিবলৈ কটনিয়ানৰ মুকলি

সভা আহ্বান কৰিব পাৰে। ইয়াৰ পাছত দ্বিতীয়টো পদক্ষেপ হ'ব - সৎ সাহসী বুদ্ধিজীৱী, কটন মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা আৰু সচেতন নাগৰিক সকলৰ উপস্থিতিত অন্য এখন মুকলি সভা আহ্বান কৰিব পাৰে য'ত অসমৰ বৌদ্ধিক সংকট সম্পৰ্কত তেওঁলোকৰ মন্তব্য আৰু কটনিয়ান সকলৰ দৃষ্টিভংগীৰ বিষয়ে বিশদভাৱে সমালোচনা হয়। লাহে লাহে কটনিয়ান সকলে নিজৰ কাৰ্য্যক্ষেত্ৰক বাস্তৱসন্মত ৰূপ দিবলৈ কটন মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰতে নানা সৃষ্টিশীল ৰচনা প্ৰচাৰ তথা আহ্বান কৰিব পাৰে, যাতে এটা বৌদ্ধিক আত্মচেতনাৰ পৰিবেশৰ সৃষ্টি হয়। মহাবিদ্যালয়ৰ পুথিভঁৰালত যথেষ্ট সংখ্যক সৃষ্টিশীল, প্ৰগতিশীল গ্ৰন্থ আলোচনীৰ অন্তৰ্ভুৰ্ক্তিৰ বাবে 'ডীন'ৰ দ্বাৰা 'লাইব্ৰেৰীয়ান'ক পৰামৰ্শ দিয়াৰ দৰে কাৰ্য কৰাৰ উপৰিও নিজ প্ৰচেষ্টাৰেও কটনিয়ান সকলে তেনে গ্ৰন্থৰ প্ৰচাৰ মহাবিদ্যালয়ত বৃদ্ধি কৰিব পাৰে। এই ধৰণৰ পদ্ধতিৰ দ্বাৰা অন্ততঃ কটনিয়ান সকলৰ চিন্তাৰ ধৰণ কিছু হ'লেও সলনি হ'ব বুলি আমাৰ বিশ্বাস।

কটন মহাবিদ্যালয়ক কেন্দ্ৰ কৰিয়েই কটনিয়ান সকলৰ এই মহৎ কাৰ্য্য আৰম্ভ হ'ব যদিও, ফুলৰ সৌৰভে বাগিচাক অতিক্ৰম কৰাৰ দৰে এই কাৰ্য্যৰ প্ৰভাৱেও কটন মহাবিদ্যালয়ৰ চাৰিবেৰ পাৰহৈ লাহে লাহে গোটেই অসমতে বিয়পি পৰিব। অসমত এতিয়াও সৎ-পৰিশ্ৰমী বুদ্ধিজীৱি জীৱিত আছে, মাত্ৰ উপযুক্ত পৰিবেশ আৰু সতীৰ্থৰ অভাৱত তেওঁলোকে বৌদ্ধিক সংকট মোচন কৰাত গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পৰা নাই। মেক্সিম গৰ্কী, ৰুছো, হেমিংওৱে, জাঁ পল চাত্ৰে, জন বীড, পৰাগ কুমাৰ দাস বা বিষ্ণু প্ৰসাদ ৰাভাৰ দৰে স্বনাম ধন্য বিপ্লৱী বুদ্ধিজীৱি, সাহিত্যিকৰ আদৰ্শক সাৱোগত কৰি আমাৰ কটনিয়ান সকলে যদি এইচাম সৎ- পৰিশ্ৰমী বুদ্ধিজীৱিক পৰোক্ষভাৱে হ'লেও সহায় কৰিব পাৰে, তেন্তে অসমত এটা নতুন যুগৰ সূচনা নিশ্চয় হ'ব। ❑

**গায়ত্ৰী ভৰালী**

বৰ্তমান নানা সমস্যাৰ কেন্দ্ৰবিন্দু অসম এক অগ্নিগৰ্ভা আগ্নেয়গিৰি। ভাষা, ধৰ্ম, সম্প্ৰদায়, পৃথক ৰাজ্যৰ দাবী, ভাৰত যুক্তৰাজ্যৰ পৰা পৃথক হৈ স্বাধীন অসম গঢ়াৰ ৰক্তাক্ত সংগ্ৰাম, ৰাজনৈতিক নেতাৰ ভ্ৰষ্টাচাৰ, দুৰ্নীতি, সামৰিক আৰু সন্ত্ৰাসবাদীৰ হত্যা-লুণ্ঠন - ধৰ্ষণ আদি এশ এবুৰি সমস্যাৰে অসম আজি এক জলন্ত উল্কাপিণ্ডত পৰিণত হৈছে। এই সমস্যা নিৰাময়ৰ ক্ষেত্ৰত অসমৰ বুদ্ধিজীৱী সৰহ ভাগৰে নিজৰ গাত দোষ নপৰা ধৰণৰ মন্তব্য, বহুতে নিজ গোষ্ঠীগত চিন্তাৰ উৰ্দ্ধলৈ উঠি নিৰপেক্ষ উত্তম পথৰ সন্ধান দিয়াত অপাৰগতা দেখা যায়। এই ক্ষেত্ৰত কটনিয়ান সকলৰ গভীৰ দায়িত্ব আৰু কৰ্ত্তব্য আছে।

কটন কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰতে প্ৰথম কলেজ নহয়, বৌদ্ধিক বিকাশৰো নাভিকেন্দ্ৰ স্বৰূপ। প্ৰতিবছৰেই অকল অসমৰেই নহয় উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ শ্ৰেষ্ঠ মস্তিষ্কৰ সমাহাৰ হয় কটন কলেজত। তদুপৰি সকলো ধৰ্ম সম্প্ৰদায়, ভাষা ভাষী ছাত্ৰ-ছাত্ৰীৰ মিলন থলী কটন কলেজ। অদৃশ্য সৰগ লাভৰ আশাত বন্দী মানৱৰ দৰে কটনত পঢ়িবলৈ পোৱাৰ দুৰ্বাৰ স্বপ্নত মোহাবিষ্ট উত্তৰ পূৰ্বাঞ্চলৰ সমস্ত ছাত্ৰ সমাজ। গতিকে সূৰ্য্যৰ দৰেই সৰ্বশক্তিমান হৈ কটনিয়ান সকলে অসমৰ সাম্প্ৰতিক বৌদ্ধিক সংকটত নিজ বৌদ্ধিক বিকাশৰ বাট দেখুৱাই অসমত শান্তিৰ সৰগ স্থাপন কৰিব লাগিব।

আজিৰ কটন কলেজৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়েই ব্যক্তিকেন্দ্ৰীক হৈ পৰিছে। প্ৰত্যেকেই যেন নিজ 'কেৰিয়াৰ' গঢ়াৰ চিন্তাত সদাব্যস্ত। পুৰা-গধুলি 'প্ৰাইভেট টিউশ্যন', দিনৰাতি পঢ়াৰ টেবুলত মূৰ তুলি চাবলৈ যেন কাৰো আহৰি নাই। আন এচামে ছাত্ৰ একতা সভাৰ পদৱী দখল কৰিবলৈ, বৰ্ত্তমান ৰাজনৈতিক নেতাৰ দৰে সকলো প্ৰকাৰ কৌশল প্ৰয়োগ কৰাৰ গুৰিতেই 'কেৰিয়াৰ বনোৱা'ৰ চিন্তা। ৰেগিং নামৰ দৈত্যৰ আচোৰ সৰ্বত্ৰ বিৰাজমান। মহাবিদ্যালয় সপ্তাহত প্ৰতিযোগীৰ সংখ্যা কমি আহিছে আৰু দৰ্শকো আগ্ৰহহীন। দেশৰ তথা ৰাজ্যৰ জ্বলন্ত সমস্যাৰ প্ৰতি উট চৰাইৰ ব্যৱহাৰ। পৰীক্ষাত সৰ্বোচ্চ স্থান দখল কৰা কটনিয়ান সকলৰ সৰহভাগেই সাম্প্ৰতিক অসমৰ সমস্যা সমাধানৰ ক্ষেত্ৰত ৰিয়াৰ আগৰ কালিদাসৰ দৰেই পুতৌৰ পাত্ৰ যেন অনুভূত হয়। ❑

**টিকেন্দ্ৰ জিৎ গগৈ**

বৌদ্ধিক সংকটৰ বাবেই বিধ্বংসী সমস্যা বিলাকে আজি আমাক আৱদ্ধ কৰি ৰাখিছে। যুৱ সমাজৰ সদস্য হিচাপে আমি কটনিয়ান সকলে যুৱ সমাজৰ এই উচ্ছৃংখলতা দূৰীকৰণৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা উচিত।

সমগ্ৰ দেশত প্ৰকৃত শিক্ষাৰ অভাৱতেই আজি দেশবাসীৰ বৌদ্ধিক ধ্বংসৰ পথ সুগম হৈছে। এই শিক্ষাৰ অভাৱতেই সৃষ্টি হৈছে ৰেগিং, নকল, বৰ্ব্বৰতা আদি সংস্কৃতিৰ। সাৰ্বজনীন শিক্ষা ব্যৱস্থাইহে এনে সমস্যা নিৰ্মূল কৰিব পাৰে। গতিকে আমাৰ কটনিয়ানৰ কৰ্তব্য হল শিক্ষা ব্যৱস্থা সাৰ্বজনীন কৰাৰ লগতে মানসিক বিকাশমুখী শিক্ষাৰ ব্যৱস্থা কৰা। সাম্প্ৰতিক বৌদ্ধিক সংকট তথা যুৱ উশৃংখলতাৰ ওপৰত নানা তৰ্কসভা, আলোচনাচক্ৰ আদি অনুষ্ঠিত কৰি কটনিয়ানসকলে ইয়াৰ সমাধানৰ পথ প্ৰশস্ত কৰিব লাগে। প্ৰকৃত মানসিক বিকাশমুখী শিক্ষাৰ প্ৰসাৰে নকলৰ দৰে বৃহৎ কুসংস্কৃতিৰ বিলুপ্তি ঘটাবলৈ সক্ষম হ'ব। কিয়নো প্ৰকৃত শিক্ষাৰ ফলত তেওঁলোকে উপলব্ধি কৰিবলৈ সক্ষম হ'ব যে শিক্ষাৰ প্ৰসাৰণৰ প্ৰয়োজন কেৱল পৰীক্ষাত উত্তীৰ্ণৰ বাবে নহয়, লগতে মানসিক বিকাশ তথা বৌদ্ধিক জগতৰ পথৰ উদ্‌গতি সাধন কৰাৰ বাবেও শিক্ষাৰ প্ৰয়োজন অপৰিহাৰ্য্য। তাৰোপৰি কটনিয়ানসকলে নকল বিৰোধী এখন আঁচনি প্ৰস্তুত কৰি তাক কাৰ্য্যকৰী কৰিবলৈ প্ৰয়াস কৰিলেও ই বহুপৰিমানে নিৰ্মূল হ'ব।

ৰেগিং নিৰ্মূলৰ বাবে আজি কটনিয়ান সকলে যিদৰে আগবাঢ়ি আহিছে তাৰ দৃষ্টান্ত অতি বিৰল। এটা সময়ত কটনৰ ৰেগিংৰ ভয়াবহতাই বাতৰিৰ প্ৰধান শিৰোনামা দখল কৰিছিল। কিন্তু ৰেগিং বিহীন আজিৰ কটনে জানো কটনিয়ানসকলৰ মানসিক পৰিৱৰ্তন ঘটোৱাৰে স্বাক্ষৰ বহন কৰা নাই। ৰেগিং বিৰোধী আঁচনিৰ দ্বাৰা আৰু সমগ্ৰ কটনিয়ানক আলোচনা চক্ৰৰ যোগেদি ৰেগিংৰ ভয়াবহতা তথা কুফলৰ বিষয়ে অৱগত কৰি ৰেগিংৰ বিৰুদ্ধে কটনিয়ানে যি পদক্ষেপ ললে সেয়া সঁচায়ে প্ৰশংসনীয়। সমগ্ৰ দেশৰ শিক্ষানুষ্ঠানৰ পৰা ৰেগিং নিৰ্মূলৰ বাবে কটনিয়ানসকলে প্ৰচেষ্টা হাতত লোৱাটো বাঞ্ছনীয়। সমগ্ৰ অসমবাসীকে কটনিয়ানসকলে ৰাজহুৱা আলোচনা সভা, তৰ্কসমিতি আদিৰ দ্বাৰা ৰেগিংৰ বিৰুদ্ধে জাগ্ৰত কৰিব পাৰিলে ৰেগিংৰ ভয়াবহতা বহু পৰিমানে নিৰ্মূল হ'ব। আন শিক্ষানুষ্ঠান সমূহেও যদি কটনৰ আদৰ্শ অনুসৰণ কৰি ৰেগিং বিৰোধী আঁচনি হাতত লয়, তেন্তে ৰেগিং নামৰ শব্দটিৰ ভয়াবহতা একেবাৰে নিৰ্মূল হ'ব। তেহে অসম হৈ পৰিব সকলো দিশৰ পৰা সৰ্বাসুন্দৰ আৰু উজ্জল।

উগ্ৰপন্থী সমস্যাও হৈছে যুৱসমাজৰ উচ্ছৃংখলতা তথা বৌদ্ধিক সংকটৰেই ফল। বিকাশমুখী শিক্ষাৰ ব্যৱস্থা কৰি কটনিয়ান সকলে এই সমস্যাও নিৰ্মূল কৰিব পাৰে। কিনো ... ❑

## অশান্ত অসম, ৰক্তাক্ত অসমত অপ্রীতিকৰ পৰিস্থিতিৰ উপশম ঘটাই শান্তি প্রতিষ্ঠা সম্ভৱনে ? – অভিমত আগবঢ়াইছে কটন মহাবিদ্যালয়ৰ কেইগৰাকী মান অধ্যাপক অধ্যাপিকাই ।

— সম্পাদক

**ব্ৰজেন্দ্ৰ নাথ তালুকদাৰ,** অধ্যাপক, বুৰঞ্জী বিভাগ

অসমৰ সাম্প্রতিক পৰিস্থিতিৰ উপশম ঘটাবলৈ প্ৰধানকৈ শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন ঘটাব লাগিব। আজিৰ শিক্ষা ব্যৱস্থাই ডিগ্ৰীধাৰী এখন সমাজৰ জন্ম দিব পাৰিলেও প্ৰকৃততে মানবীয় গুণ সম্পন্ন সমাজৰ জন্ম দিয়াত অক্ষম আৰু তাৰ ফলস্বৰূপে আজিৰ এই পৰিস্থিতিৰ সৃষ্টি হ'বলৈ পালে। এই শিক্ষা ব্যৱস্থাত শিক্ষিত যুৱকে বন্দুক লৈ কোনো কষ্ট নকৰাকৈ ধন ঘটিবলৈ শিকিছে। তাৰ পৰিবৰ্তে সিহঁতে পাহৰি গৈছে যে আমি মানৱ জাতি এক। আমি সকলো ভাই ভাই। এই ডিগ্ৰীধাৰী যুবক সকলে নিশ্চিন্ত মনে প্ৰাণ লৈছে নিজৰ ভায়েক সকলৰে। নিশ্চয় ই শিক্ষা ব্যৱস্থাৰ কেৰোণৰ বাবেই সম্ভৱ হৈছে। গতিকে এই শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন সাধি মানৱীয় প্ৰমূল্যবোধৰ শিক্ষা দিবলৈ আমি অধিক যত্নপৰ হ'ব লাগিব। এই ব্যৱস্থা স্কুল মাধ্যমৰ পৰাই আমি আৰম্ভ কৰিব লাগিব। এইটো এটা দীৰ্ঘম্যাদি প্ৰক্ৰিয়া আৰু যদি আমি হ্ৰস্যম্যাদি প্ৰক্ৰিয়াৰ কথা চিন্তা কৰো তেন্তে এটাই উপায় আছে সেইটো হ'ল আমি ৰাইজ চৰকাৰ আৰু বুদ্ধিজীৱী সকলোৱে একেলগ হৈ ৰাজপথলৈ ওলাই আহি ৰাইজক বুজাব লাগিব। সমস্বৰে ক'বপাৰিব লাগিব যে আমি সকলো এক। আমি ভাই - ভাই। □

**ড° অৰূপ জ্যোতি চৌধুৰী,** অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

ৰাজনৈতিক নেতৃবৃন্দই উগ্ৰপন্থী সমস্যাটো সমাধানৰ কাৰণে চৰ্ত্তহীন আলোচনা শীঘ্ৰেই আৰম্ভ কৰিব লাগে। তাৰ লগে লগে ৰাজ্যখনৰ ক্ষীপ্ৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এনে এক ৰাজনৈতিক আৰু অৰ্থনৈতিক উদ্যমে, মই ভাবো, বৰ্তমান অসমৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ উপশম ঘটোৱাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হব।

**বীৰেণ বৰপূজাৰী,** অধ্যাপক, অসমীয়া বিভাগ

"বৰ্তমান অসমৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ উপশম ঘটোৱাৰ বাবে চৰকাৰে দৃঢ় পদক্ষেপ ল'ব লাগিব। ইয়াৰ লগতে জনসাধাৰণেও চৰকাৰক পূৰ্ণ সহযোগ কৰিব লাগিব। কঠোৰ দৃষ্টিভঙ্গী অবিহনে বৰ্তমান অসমৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ উপশম ঘটোৱা মোৰ বোধেৰে অসম্ভৱ।

**মোৰাজ্জিদা ৰহমান,** প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

প্ৰথমতেই শিক্ষাৰ প্ৰসাৰতাত গুৰুত্ব আৰোপ কৰিব লাগিব। পুথিগত শিক্ষাৰ ওপৰিও বিভিন্ন ধৰণৰ শিক্ষা যেনে - নীতি শিক্ষা, শাৰীৰিক শিক্ষা, সংস্কৃতি সম্বন্ধীয় শিক্ষা ইত্যাদি।

দ্বিতীয়তে আমি স্বাৱলম্বী হবলৈ শিকিব লাগিব, এই বিশেষ গুণৰ অভাৱৰ বাবে আমি প্ৰত্যেক ক্ষেত্ৰতেই আনৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। তাৰ বাবেই আমি সকলো ক্ষেত্ৰতেই পিচপৰা।

তৃতীয়তে বৈষয়িক বিষয়ৰ ওপৰত কম গুৰুত্ব দিবলৈ ল'ৰা-ছোৱালীক কুমলীয়া বয়সৰ পৰাই শিক্ষা দিব লাগে। বৰ্তমান মানুহৰ যি নৈতিক অৱনতি ঘটিছে ইয়াৰ একমাত্ৰ মুখ্য কাৰণেই হৈছে বৈষয়িক বিষয়ত যথেষ্ট গুৰুত্ব আৰোপ কৰা। ইয়াৰ পৰিৱৰ্ত্তে আমি সৰুৰে পৰা ল'ৰা-ছোৱালীক ধৰ্মীয় শিক্ষা দিয়াটো প্ৰত্যেক পৰিয়ালৰ ক্ষেত্ৰত বাধ্যতামুলক কৰাটো দৰ্কাৰী হৈ পৰিছে। খুব কম সময়ৰ বাবে হ'লেও ৰাতিপুৱা ও সন্ধ্যা ধৰ্ম্মীয় প্ৰাৰ্থনা আৰু আলোচনা কৰাটো বাঞ্চনীয়।

চতুৰ্থতে বৰ্তমান পৰিস্থিতিৰ শাম কটাবৰ বাবে আলোচনাই হৈছে একমাত্ৰ পথ। কোনো ধৰণৰ হিংসাত্মক কাৰ্য্যৰ দ্বাৰা এই পৰিস্থিতিৰ অৱসান ঘটাব নোৱাৰি।

পঞ্চমতে আমাৰ ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ ওপৰতো গুৰুত্ব দিয়াটো বহু বেচি দৰ্কাৰী হৈ পৰিছে। এইবিষয়ত যুদ্ধকালীন ক্ষিপ্ৰতাৰে কাম হাতত লোৱাৰ সময় আহি পৰিছে। নহ'লে অনাগত দিনবোৰত অসমৰ যি ভয়াবহ অৱস্থা হ'ব কল্পনা কৰিবই ভয় লাগে।

সৰ্বশেষত সকলোতকৈ দৰকাৰী কথা হৈছে যে আমাৰ মাজত কাম কৰি (Work Culture) খোৱাৰ মানসিকতা গঢ়ি তুলিব লাগিব। কৰ্মই হৈছে জীৱন - এই সত্যটো আমি সকলোৱে উপলব্ধি কৰাটো বাঞ্চনীয়। ইয়াৰ লগতেই সাঙুৰ খাই আছে এটি নিকা প্ৰশাসনৰ প্ৰয়োজনীয়তা। প্ৰত্যেক নাগৰিকে অন্যায়ৰ প্ৰতিবাদ কৰিব শিকিবই লাগিব। আমি এই বিষয়ত বৰ বেচিকৈয়েই নিৰ্লিপ্ততা অৱলম্বন কৰো। কাৰণ এখন সমাজৰেই হওঁক বা ৰাজ্যৰেই হওক মূল চালিকা শক্তি হল ৰাইজ। □

**ৰৌচন আৰা বেগম,** পাৰ্চী বিভাগ

বৰ্তমান অসমৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ উপশম ঘটোৱাৰ ক্ষেত্ৰত অভিমত ব্যক্ত কৰিবলৈ যাওঁতে বহুতো কথা মনলৈ আহিছে। কিন্তু এই ক্ষুদ্ৰ পৰিসৰত সকলো ব্যক্ত কৰা সম্ভৱ নহয়। স্বাধীনতাৰ পিছৰে পৰাই দীৰ্ঘকালীন একদলীয় শাসন, দুৰ্বল আৰু অপৰিপক্ক নীতি নিৰ্ধাৰণ, প্ৰশাসনক নিজৰ হাতত ৰাখিবৰ বাবে ব্যাপক দুৰ্নীতিৰ পৃষ্ঠপোষকতা, শিল্পস্থাপনত অনাগ্ৰহ, কৃষিকাৰ্য্যত আধুনিকীকৰণৰ প্ৰতি অৱজ্ঞা, ভূমিসংস্কাৰত অনীহা, বেকাৰ সমস্যাৰ সমাধানৰ প্ৰতি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ অভাৱ আৰু অনিচ্ছা, বিভিন্ন সময়ত বিভিন্ন ৰাজনৈতিক দলৰ দ্বাৰা নিজৰ ব্যক্তিগত তথা ক্ষুদ্ৰ সংকীৰ্ণ স্বাৰ্থ চৰিতাৰ্থ কৰাৰ উদ্দেশ্যে এটা জাতি-গোষ্ঠিৰ বিৰুদ্ধে আন এটি জাতি-গোষ্ঠীৰ বিদ্বেষ ভাৱ জগাই তোলাৰ নিৰন্তৰ প্ৰচেষ্টা যেনেকৈ দায়ী, ঠিক তেনেকৈ অসমৰ সংখ্যাগৰিষ্ঠ জনগোষ্ঠীৰ সংখ্যালঘিষ্ঠ জনগোষ্ঠীৰ প্ৰতি দেখুওৱা অসহনীয়তা, উদাসীন মনোভাবো সমপৰিমানে এই পৰিস্থিতি সৃষ্টি কৰাৰ বাবে দায়ী। পৃথিৱীৰ ইতিহাসত দেখা গৈছে যে বিভিন্ন সময়ত বিভিন্ন পৰিস্থিতিত দেশৰ বুদ্ধিজীৱী শিল্পী, কলা-কুশলী, শিক্ষক, ছাত্ৰ

সমাজে বিভিন্ন সামাজিক তথা ৰাজনৈতিক পৰিবৰ্তনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি পৰিবৰ্তন সাফল্যমণ্ডিত কৰিব পাৰিছে। ঠিক তেনেদৰে অসমৰ এই অপ্ৰীতিকৰ পৰিস্থিতিৰ উপশম কৰাৰ বাবে অসমৰ সকলো বুদ্ধিজীৱী শিল্পী, শিক্ষক, সাহিত্যিক সকলোৱে জাতি-গোষ্ঠী, ধৰ্মৰ সীমাৰেখাৰ বান্ধ ভাঙি শান্তি স্থাপনৰ বাবে বৃহত্তৰ গণ আন্দোলনৰ মাধ্যমত আন্তৰিকভাৱে আগবাঢ়ি আহে তেনেহলেই এই পৰিস্থিতিৰ পৰিবৰ্তন সম্ভৱ হব। □

**ড° তিলোত্তমা বৰুৱা,** অধ্যাপিকা, নৃতত্ত্ব বিভাগ

অসমৰ অপ্ৰীতিকৰ সাম্প্ৰতিক পৰিস্থিতিৰ উপশম ঘটোৱাৰ ক্ষেত্ৰত মোৰ অভিমত বিচৰাত মই বৰ বিমোৰতে পৰিছো। কাৰণ প্ৰথম কথা আমাৰ অভিমতৰ ওপৰত কোনো প্ৰভাৱেই হয়তো নপৰিব। দ্বিতীয়তে এনে ধৰণৰ অভিমত অসমৰ বহুতো স্বনামধন্য ব্যক্তি, বুদ্ধিজীৱী, ৰাজনীতিজ্ঞ আদিয়ে বহুতো সময়ত বহু মঞ্চৰ পৰা দি আহিছে কিন্তু তাৰ প্ৰভাৱতো আজিলৈকে ক'তো পৰা নেদেখিলো বা সেই সম্পৰ্কে যি কাগজ বা আলোচনীতেই দেখিলো তাৰ পৰ্য্যালোচনা ক'তো নেদেখিলো। তথাপি আমি ভাৰতীয় নাগৰিক তথা অসমবাসী বুলি গৌৰৱেৰে কোৱা মনটো যেন আজিৰ পৰিস্থিতিত আগৰ দৰে মুকলি হব পৰা নাই। এসময়ৰ চিৰসেউজ অসমত আজি যেন সেউজ ৰঙ হেৰাই গৈছে। উগ্ৰপন্থী সমূহে তেওঁলোকৰ কাম কৰি গৈছে আৰু তাৰ বাবেই অপ্ৰীতিকৰ পৰিবেশৰ সৃষ্টি হৈছে। চৰকাৰেও পদক্ষেপ লব খুজিও যেন বাৰে বাৰে উজুতিহে খাইছে। সহজসাধ্য আলোচনা বিলোচনাৰ মাজেৰে সমস্যা দুয়ো পক্ষয়ে কিছু এৰা ধৰাৰ মনোভাৱেৰে সমাধান নকৰিলে দিনক দিনে অসম এশখোজ পিছুৱাই পিছত অসম বুলি থিয় হব নোৱাৰা হব। গতিকে আমাৰ অসমীয়া ৰাইজৰ হৈ দুয়োপক্ষলৈ অনুৰোধ জনালো অতি শীঘ্ৰে কিবা এটা মতামত প্ৰকাশ কৰি অস্ত্ৰৰে নহয় সত্য, ন্যায় আৰু সৎকৰ্ম্মৰে সোণৰ স্বাধীন অসম গঢ়ি তুলি সেউজীয়া অসম ৰক্তাক্ত নকৰি পুনৰ সেউজবুলীয়া শান্তি সম্প্ৰীতি অটুট ৰাখি দেশখন আগুৱাই নিয়াত গুৰুত্ব দিয়ে যেন। নহলে এইদৰে থাকিলে অসমীয়া ৰাইজৰ অস্তিত্বই নাইকিয়া হ'ব যেন অনুভৱ হয়।

বহুতো সমস্যাৰে জৰ্জ্জৰিত অসম ৰাজ্যৰ আজিৰ পৰিস্থিতি বৰ চিন্তাকাৰক হৈ পৰিছে। এনে পৰিস্থিতি চলি থাকিলে অদূৰ ভৱিষ্যতে আমি যে জীৱশ্ৰেষ্ঠ মানৱ তাক প্ৰমাণ কৰাৰ কোনো থলেই নাথাকিব। অসম স্খলনৰ অটল গহবৰত পোত খাই অস্তিত্ব হেৰুৱাই পেলাব যেনহে লাগিছে। গতিকে অভিমতনো কি দিম, আশা কৰিলো অস্ত্ৰ সম্বৰণ কৰি যেন আগৰ অসমখন আমি পুনৰ পাব পাৰো। শান্তি বিৰাজ কৰি অসমখন আগুৱাই যাওঁক। □

**মঞ্জু দেৱী পেগু,** অসমীয়া বিভাগ

বৰ্ত্তমান হিংসা প্ৰতিহিংসা, হত্যা-প্ৰতিহত্যা, ব্যক্তি-সন্ত্ৰাস, ৰাষ্ট্ৰ-সন্ত্ৰাস আদিয়ে অসমত এক চৰম অৰাজক আৰু অনিশ্চয়তাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি কৰিছে। শ্বাসৰুদ্ধ হৈ পৰিছে সৰ্বসাধাৰণৰ জীৱন। নিৰ্বিচাৰে হত্যা, লুণ্ঠন, অপহৰণ, ধৰ্ষণ আদি সাধাৰণ দৈনন্দিন ঘটনাত পৰিণত হৈছে। আবাবত প্ৰাণ হেৰুৱাবলগীয়া হৈছে ফুলকুমলীয়া শিশুৰ পৰা গৰ্ভৱতী নাৰীলৈকে অলেখ নিৰপৰাধ লোকে। বিভিন্ন গোষ্ঠী আৰু সন্ত্ৰাসবাদী গোটসমূহৰ মাজত সংগঠিত ভ্ৰাতৃঘাতী সংঘৰ্ষই অকালতে কাঢ়ি নিছে দেশৰ ভৱিষ্যত প্ৰজন্মক, অলেখ তেজাল যৌৱনক। চৌদিশে যেন নামি আহিছে ঘোৰ অমানিশাৰ কৰাল ছায়া। মৃত্যু যে হৈ পৰিছে এক সহজ শব্দ।

কত সমস্যাই ভাৰাক্ৰান্ত কৰিছে আমাৰ সমাজ জীৱন। কিন্তু ৰাজ্যখনৰ আইন শৃঙ্খলাজনিত পৰিস্থিতিয়ে এনে সৰ্বনাশী ৰূপ ধাৰণ কৰিছে যে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আকাশলঙ্ঘী মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজৰ জীৱন পঙ্গুপ্ৰায় কৰি তোলাৰ সময়তো ই এক জ্বলন্ত সমস্যাৰূপে গুৰুত্ব লাভ কৰিব পৰা নাই। অনাহতে বাধাগ্ৰস্ত হৈ পৰিছে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ পথ। এই অৱস্থাৰ অৱসান ঘটাবলৈ হ'লে প্ৰথমে সকলোধৰণৰ সন্ত্ৰাস বন্ধ হ'ব লাগিব। তাৰ বাবে চৰকাৰ আৰু সন্ত্ৰাসবাদী গোট উভয়ৰে আন্তৰিকতাৰ প্ৰয়োজন হ'ব। উগ্ৰপন্থী সমস্যাটোৰ ৰাজনৈতিক আলাপ-আলোচনাৰ মাধ্যমেৰে সমাধানৰ চেষ্টা নকৰি অকল দমনেৰে সমাধান কৰিব বিচাৰিলে বিৰূপ প্ৰতিক্ৰিয়াৰহে সৃষ্টি হ'ব, নল মৰি গজালি ওলায়ে থাকিব।

আনহতে ৰোগৰ প্ৰকৃত কাৰণ নিৰ্ণয় নকৰি ৰোগৰ উপৰুৱা লক্ষণ চায়েই চিকিৎসা কৰিলে তাৰ সুফল নোপোৱাৰ দৰে সমাজ জীৱনত দেখা দিয়া এই ভয়াবহ ৰোগৰ মুলো নিৰ্ণয় নকৰি কেৱল উপৰুৱা লক্ষণ চাই ইয়াক নিৰাময় কৰিব ৰিচাৰিলেও সুফল পোৱা নাযাব। বৰ্ত্তমানৰ অস্থিৰাৱস্থাৰ অন্তৰালত নিহিত থকা অৰ্থনৈতিক দিশটোৰ ওপৰতো গুৰুত্ব দিব লাগিব। প্ৰায় নিষ্কৰ্মা হৈ বহি থকা ত্ৰিশ লাখ কৰ্মশক্তি ক'ত নিয়োগ কৰা হৈছে ? আমাৰ শিক্ষা ব্যৱস্থা, সমাজ ব্যবস্থাই তেওঁলোকক নিৰাপত্তা দিব পাৰিছিনে ? দুৰ্নীতিত আকণ্ঠ নিমজ্জিত প্ৰশাসন যন্ত্ৰই তেওঁলোকৰ ক্ষোভক প্ৰশমিত কৰিব পাৰিছেনে ? 'অৱহেলিত অসম'লৈ কেন্দ্ৰই মঞ্জুৰ কৰা ধনৰ সুপ্ৰয়োগ হৈছেনে ? বিদেশী শোযনৰ কথা উচ্চস্বৰে আওৰাই থাকিলেই নহ'ব, আমি নিজেই শোষণ কৰাৰ বাটো বন্ধ কৰিব লাগিব। ক্ষমতাত অধিষ্ঠিত ৰাজনৈতিক নেতাসকলে ক্ষমতাৰ খোৱা-কামোৰাতে আৱদ্ধ নাথাকি এই নিৰ্মম সত্যবিলাকো উপলব্ধি কৰিব লাগিব আৰু জনকল্যাণৰ কামত আত্মনিয়োগ কৰিবলৈ সঁচা আন্তৰিকতাৰে ওলাই আহিব লাগিব।

অসমৰ থলুৱা আৰু স্থায়ী জনগোষ্ঠীসমূহৰ ক্ষোভৰ কাৰণ বিচাৰি উলিয়াই তাৰ যথাসাধ্য সমাধান সূত্ৰ উলিয়াব লাগিব। তাকে নকৰি প্ৰত্যেকটো বিক্ষুব্ধ গোষ্ঠীকে একোখন 'লেন্ড ' উপহাৰ দিলেই স্থায়ী সমাধান হ'ব বুলি, শান্তি ঘুৰি আহিব বুলি ক'ব নোৱাৰি।

ইতিমধ্যেই অসমখন এখন ৰণক্ষেত্ৰত পৰিণত হৈছে। চৰম নিৰাপত্তাহীনতাত ভোগা অসমৰ ৰাইজে এই শ্বাসৰুদ্ধকাৰী অৱস্থাৰ শীঘ্ৰেই অৱসান বিচাৰিছে। চৰকাৰ, সন্ত্ৰাসবাদী গোট, বিভিন্ন সংগঠন, জনসাধাৰণ সকলোৱেই নিজস্ব শক্তিক শান্তিৰ হকে নিয়োজিত কৰিলে অসমলৈ শান্তি ঘুৰি আহিবই। ইয়াৰ অবিহনে একবিংশ শতিকাক স্বাগতম জনাবলৈ আগবঢ়া প্ৰগতিশীল পৃথিৱীৰ বুকুত অসম হৈ ৰ'ব লাগিব এক অসহায় দৰ্শক মাথোন। □

**অভিমত গ্ৰহণ কৰিলে --- হিৰেন, ইন্দ্ৰজিৎ নাৰায়ণে**

**আমি 'কটনিয়ান' ৰ তৰফৰ পৰা তিনিশ কটনিয়ানক লৈ এক সমীক্ষা চলাইছিলো ঈশ্বৰ বিশ্বাসক লৈ। তিনিশ গৰাকীৰ ভিতৰত দুশ বাসত্তৰ গৰাকীয়ে ঈশ্বৰত অতি বিশ্বাসী। অৰ্থাৎ প্ৰায় ৯০.৭৪ শতাংশ কটনিয়ান ঈশ্বৰ বিশ্বাসী।**

আমাৰ প্ৰশ্নঃ **১) আপুনি কিয় ঈশ্বৰ বিশ্বাস কৰে বা কিয় নকৰে ?**
**২) একবিংশ শতিকাত আপুনি কি বিচাৰে?**

**— সম্পাদক**

উঃ- ১) মই ঈশ্বৰ বিশ্বাস কৰোঁ। কাৰণ বহুতো যন্ত্ৰণাকাতৰ মূহূৰ্তত, চৰম দুৰ্যোগৰ মূহূৰ্তত ঈশ্বৰৰ অস্তিত্ব হৃদয়ত উপলব্ধি কৰি মোৰ যন্ত্ৰণাৰ উপশম কৰিব পাৰিছো , হৃদয়ক শান্ত কৰিব পাৰিছো। ঈশ্বৰৰ ওচৰত নিজক অৰ্পণ কৰি হৃদয়ত বিষাদ লৈও হাঁহিব পাৰিছো , দুখক লৈয়ো সুখী হ'ব পাৰিছো।
উঃ- ২) একবিংশ শতিকাৰ বাবেমোৰ এটা অন্যতম সপোন এখন সমাজৰ সৃষ্টি হওঁক - য'ত সকলো মানুহৰ প্ৰকৃতি হ'ব মানৱতা - হৃদয় হ'ব মানবীয় প্ৰেমেৰে পৰিপূৰ্ণ। য'ত অন্ততঃ ঘৃণা কৰা হ'ব বৰ্বৰ হত্যাক।

**সুগন্ধি দাস**

উঃ- ১) মাছ বুলি নহয় , জিজি বুলি খাওঁ অৰ্থাৎ ঈশ্বৰ বুলি নহলেও এক অশৰিৰী শক্তিৰ ওপৰত মোৰ বিশ্বাস আছে কিয়নো মৃত্যুৰ সিপাৰৰ পৃথিৱীৰ পৰা আজি পৰ্যন্ত কোনো মানুহেই ঘূৰি নাহিল।
উঃ- ২) মানুহৰ জীৱনটো যদি সুখ আৰু দুখ এই দুটা ভাগত ভাগ কৰিব পাৰি তেনেহলে মই আহি থকা শতিকাটোত সকলো মানুহে যিবোৰ কাম কৰিলে সুখ লাভ কৰে ,আনন্দ পাই তেনেবোৰ কামৰ পৰিমাণ বৃদ্ধি, যিবোৰ কামৰ মাজেৰে দুখ আহে তেনেবোৰ কামৰ সংকোচন হোৱাটো বিচাৰিম আৰু লগতে একবিংশ শতিকাৰ সমাজখনত যাতে জাতি , ভাষা,ধৰ্ম আৰু ৰাষ্ট্ৰৰ নামত যুদ্ধৰ দুন্দুভি বজোৱা নহয় তাকেই আশা কৰিম।

**জিনটু হাজাৰিকা**

উঃ- ১) মই ঈশ্বৰ নামৰ শক্তি এটোক বিশ্বাস কৰোঁ। এই শক্তিক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি , উপলব্ধিহে কৰিব পাৰি।
উঃ- ২) চলিত শতিকাৰ ঘটি থকা দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদি লৈ লক্ষ্য কৰিলে পৃথিৱীখন এদিন (হয়তো- একবিংশ শতিকাত) ধ্বংশস্তুপত পৰিণত হ'ব। কিন্তু মোৰ বিশ্বাস, ধ্বংসৰ গৰাহলৈ আগবাঢ়ি যোৱা এই পৃথিৱীখনক উদ্ধাৰ কৰিবলৈ এক নতুন যুৱশক্তিৰ আৰিৰ্ভাৱ হ'ব আৰু মযো নিজকে এই যুবশক্তিত চামিল কৰিব বিচাৰোঁ।

**নয়নমণি ডেকা**

উঃ- ১) নকৰো, কিন্তু শৈশৱলগ্ন পাৰিপাৰ্শ্বিক অৱস্থাই কিবা এটা অস্তিত্বক বিশ্বাস কৰিবলৈ বাধ্য কৰাইছে। হয়তো ঈশ্বৰ নহবওঁ পাৰে।
উঃ- ২) শান্তি - শৃংখলাবদ্ধ এখন সমাজ গঢ়াত সামান্যতম হলেওঁ অবিহণা যোগাৱা।

**হিৰেণ দাস**

উঃ- ১) কৰো। কাৰণ, মই শুদ্ধ অন্তঃকৰণেৰে অনুভৱ কৰো যে এই বিশ্বাসে আমাৰ অন্তৰ পবিত্ৰ কৰে আৰু আমাৰ কৰ্মৰাজিক সংস্কাৰিত কৰি সমাজৰ বিশৃংখলতাৰ পৰা আতৰত ৰাখে আৰু দহৰ উন্নতিৰ কামত আগবাঢ়ি আহিবলৈ অনুপ্ৰেৰণা যোগায়।
উঃ- ২) একবিংশ শতিকাত মানৱীয় প্ৰমূল্যবোধৰ স্খলন ৰোধ কৰি সমাজত শান্তি সম্প্ৰীতি পুনৰাই প্ৰতিষ্ঠা কৰা কামত নিজকে নিয়োজিত কৰাৰ লগতে নাৰী স্বাধীনতা সাব্যস্ত হোৱাটো বিচাৰো।

**বৰষা ৰাণী বিশ্বাস**

উঃ- ১) মই ঈশ্বৰক বিশ্বাস কৰোঁ। কাৰণ পৃথিৱীৰ সকলো আঁতৰি যোৱাৰ পিচতো ভগৱান আমাৰ সংগী হয়। ভগৱৎ প্ৰীতিয়েই মানসিক শান্তিৰ প্ৰধান উৎস। মোৰ বাবে ভগৱানেই সকলো, তেওঁৰ ওপৰত আৰু কোনো থাকিব নোৱাৰে।
উঃ- ২) একবিংশ শতিকাৰ মই ভাৰতবৰ্ষৰ নিৰক্ষৰতা নিৰ্মূল হোৱাটো বিচাৰোঁ।

**স্তুতি বৰগোহাঁই**

উঃ- ১) ঈশ্বৰক বিশ্বাস কৰোঁ। কিয়নো, ঈশ্বৰৰ মাজতেই নিহিত হৈ আছে এক পৰম শক্তি, যিয়ে জীৱনৰ কঠোৰতম মুহূৰ্ততো আগুৱাই যাবলৈ প্ৰেৰণা আৰু সাহস যোগায়।
উঃ- ২) একবিংশ শতিকাৰ সপোন হ'ল — এক সুন্দৰ পৃথিৱী গঠন কৰা। য'ত নাথাকিব, ভ্ৰষ্টাচাৰ, হত্যা লুণ্ঠন আৰু দুনীৰ্তিৰ মেৰপাক।

**মিতালী বৰগোহাই**

উঃ- ১) মই চাৰ্বাক দৰ্শনত বিশ্বাসী।
উঃ- ২) বাস্তৱ বহু দূৰ। তথাপিও বন্দুকবোৰ কলম আৰু শুকান চিন্তা ধাৰাক জীপাল কৰি তোলা, লগতে তৃতীয় বিশ্বযুদ্ধ সৃষ্টি নকৰি সাদৰেৰে বিচাৰো নিৰাপত্তা, শান্তি আৰু শৃংখলা।

**ৰঞ্জিত কুমাৰ দাস**

উঃ- ১) কৰোঁ। যি অদৃশ্য শক্তিৰ হাতত প্ৰতি মুহূৰ্ততে হাৰ মানিবলগীয়া হয় সিয়েই ঈশ্বৰ।

**জ্যোতিমা চহৰীয়া**

উঃ- ১) কৰোঁ। 'ঈশ্বৰ' যুক্তি যুক্তিহীন। আৱন্তণিত উৎস লাগে, সেয়েহে সৃষ্টিৰো সৃষ্টি ঈশ্বৰতেই। শান্তি, মানৱত্ব আদি বিকাশৰ সূত্ৰধাৰ ঈশ্বৰ।
উঃ- ২) হত্যা, লুণ্ঠন, সন্ত্ৰাসৰ অৱসান ঘটোৱাত 'পজিটিভ' ভূমিকা লোৱা আৰু 'ইক'লজিকেল বেলেঞ্চ' থকা ভূমগুলৰ মানৱৰ এটা ভাল 'আইডিয়া' হোৱা সময়।

**প্ৰফুল্ল গগৈ**

উঃ- ১) ঈশ্বৰক বিশ্বাস কৰোঁ। কাৰণ, ঈশ্বৰ এনে এক অজান শক্তি যাৰ দ্বাৰা সংঘটিপূৰ্ণ জীৱনত আগুৱাই যাবৰ প্ৰেৰণা তথা অদম্য সাহস পাওঁ।
উঃ- ২) বৰ্তমানৰ গুলী - বাৰুদৰ দ্বাৰা নৰহত্যাৰ যি তেজাল নদীৰ সোঁত বৈছে তাৰ পৰিৱৰ্তে বিচাৰো এক সুস্থ সবল নিকা সমাজ।

**লিপিকা কলিতা**

উঃ- ১) সকলো অলৌকিক শক্তিৰ অন্তৰালত যিহেতু ঈশ্বৰ বিদ্যমান, সেয়ে মই ঈশ্বৰত বিশ্বাস কৰো।
উঃ- ২) একবিংশ শতিকাত বিজ্ঞানে মানুহলৈ বহু যান্ত্ৰিকতা আনি দিব।

**বিবেকানন্দ দাস**

উঃ- ১) ঈশ্বৰত মই সম্পূৰ্ণ বিশ্বাসী। যদিও ঈশ্বৰ অদৃশ্য তথাপি মই ঈশ্বৰৰ সত্তাক হৃদয়ত অনুভৱ কৰো কিয়নো বিশ্বাসেই সকলোৰে আদি মূল।
উঃ- ১) কুৰি শতিকাৰ দ্বিধাগ্ৰস্ত পৰিবেশত মোৰ বাবে একৈশ শতিকা বহু দূৰত। কুৰি শতিকাৰ হত্যা, ধৰ্ষণ, লুণ্ঠন, ৰাজনীতিৰ কদৰ্যতা আদিৰ মাজত থাকি একৈশ শতিকা সম্বন্ধে মই কোনো সপোনেই দেখা নাই।

**ধীৰেণ শৰ্মা**

উঃ- ১) কৰো। কাৰণ, ঈশ্বৰ বিশ্বাসে আমাৰ মনটোক সংস্কাৰিত কৰাত সহায় কৰে।
উঃ- ১) একবিংশ শতিকাত সুস্থ, শৃংখলাবদ্ধ সমাজ এখন গঢ় দিয়াত আত্মনিয়োগ কৰিবলৈ চেষ্টা কৰিম।

**ইন্দ্ৰজিৎ দাস**

উঃ- ১) নকৰো। কাৰণ মই আজিলৈ ইয়াৰ অস্তিত্ব বিচাৰি পোৱা নাই। মই ঈশ্বৰতকৈও নিজকে বেছি বিশ্বাস কৰো। মোৰ মনত ঈশ্বৰতকৈও নিজৰ আত্মবিশ্বাসহে শ্ৰেয়।
উঃ- ১) একবিংশ শতিকাত মই সকলো মানুহ আত্মনিৰ্ভৰশীল হোৱাটো বিচাৰো। আমাৰ দেশ প্ৰথম শ্ৰেণীৰ দেশলৈ উন্নীত হোৱাটো মই কামনা কৰো।

**পাৰ্থজ্যোতি ডেকা**

**Ans. 1)** Yes, To bring order into the lives of people.
**Ans. 2)** Seculer India, in the real sense of the term. As has done in recent times, not to depend much on foreign aids i.e. in some way to make the Indian economy self - dependent.

**Pinku Borkoch**

# ENGLISH SECTION



# Manuscripts in Assam

Dr. Ramcharan Thakuria

Literature is a powerful medium like painting, sculpture and architecture where one can find ample materials to study the history and culture of a given society. Literary richness depends considerably on the ancient heritage of a particular community. Before the coming of the printing machine people had to depend on handwritten manuscripts for literary exercises. Assam is a rich store-house of manuscripts, and it played a vital role in literary pursuits from the time immemorial. The saying like "purānam bhāratam vāpi rāmāyaṇam thāpivā/ likhitvā pustakam datvā bhukti mukti vāpniyāt" will sufficiently prove the rich literary tradition of ancient time.

It is stated in the *Horsacarita* of Bāṇabhatta that the Kāmrūpa king Bhāskar Varmana (7th century A.D.) sent presents to Harṣabardhana, the king of Kanauj through the former's emissary Hamsabega as token of friendship and goodwill. Such presents included colour of cucumber along with some writing materials made of 'bheṣaja' (herbal) tree bark. He also sent a 'tuli' (writing stick) and colour pot and some manuscripts written in 'Agaru' bark[1]. This is enough to prove that ancient Assam had a rich tradition of writing, and for that there was abundant use of writing materials, such as, Agaru or saci bark (sācipāt). Edward Gait, the eminent historian, in his book *A History of Assam* gives a detail picture of how the sācipāts are made. He writes: "A tree is selected of about 15 or 16 years' growth and 30 to 35 inches in girth, measured about 4 feet from the ground. From this the bark is removed in strips, from 6 to 18 feet long, and from 3 to 7 inches in breadth. These strips are rolled up separately with the inner or white part of the bark outwards, and the outer or green part inside, and are dried in the sun for several days. They are then rubbed by hand on a board, or some other hard substance, so as to facilitate the removal of the outer or scaly portion of the bark. After this, they are exposed to the dew for one night. Next morning the outer layer of the bark (nikari) is carefully removed, and the bark proper is cut into pieces of a convenient size, 9 to 27 inches long and 3 to 18 inches broad. These are put into cold water for about an hour, and the alkali is extracted, after which the surface is scraped smooth with a knife. They are then dried in the sun for half an hour, and, when perfectly dry, are rubbed with a piece of burnt brick. A paste prepared from matimah (Phaseolus radiatus) is next rubbed in, and the bark is dyed yellow by means of yellow arsenic. This is followed again by sun-drying, after which the strips are rubbed as smooth as marble. The process is now complete, and the strips are ready".[2]

Like Sācipāt, 'Tulāpāt' (made of cotton) is another kind of writing material, and the same was abundantly used in the writing of manuscripts in ancient Assam. It is stated in *Kathā-guru-carita* that Śaṅkaradeva, the Vaiṣṇava saint used Tulāpāt while painting for his play *Cihnayātra.*[3] Besides, tender bamboo slice, leaves of grass, similar to 'māduri' grass (Scripus tegaths), 'bhuja' leaf, animal slice, bamboo pieces etc. were also used in the writing of manuscripts. But Sācipāt and Tulāpāt were largely used. Again, between the two Sācipāt was preferred to Tulāpāt. No fixed rule differentiated them. But it is seen that most of the valuable royal manuscripts, important religious books, and picutre books were written in Sācipāt, while books of considering lesser importance and personal deeds were written in Tulāpāt.

There were two classes of people, 'Likhak' (copyist) and 'Khanikar' (sculptor), especially engaged for copying works, and for this "their skilled and artistic penmanship was so much in demand that one scribe usually specialised in the copying of one particular book instead of becoming a free-lancer in his profession."[4] Such copyists or scribes were held in high esteem. He had to work hard, bending their shoulders, waist and back, they were dedicated workers, and they made every effort to save manuscripts from decay.[5] Saying like "bhīmosyāpi rane bhaṅgo munināñca matibhramah/ yathā dṛṣṭaṃ tathā likhitaṃ lekhake nāsti dūṣaṇam" speak for the dedication of scribes, with some exceptions here and there. Professor Dr. Maheswar Neog once collected a manuscript of *Bhakti-ratnāvalī* somewhere from Jorhat wherein it is written at the end of the book that one Śrī Rāmakṛṣṇa Śarmā, having failed to pay his tax to the Mouzadar against his land-holding, had to copy the manuscripts of *Bhakti-ratnāvalī,* and thereby cleared his dues. It is written - "Śrīrāmakṛṣṇa ohi dukhamane/ lekhilā pustak ehi khājanā abihane". Such references make it clear that ancient Assam had a rich tradition among the people for writing, preparing manuscripts, and in their preservation. Perhaps this is the reason as to why Assam is rich in manuscripts and hand-written books.

Manuscripts were generally kept in the houses of royal families, in Sattras and Nāmaghars, religious temples and in the houses of aristocratic people. Copy works were also done in such places. Our Sattrādhikārs (heads of Sattras) and other religious heads used to prepare and preserve such manuscripts. The royal families had their even arrangements for such works. The Koch kings patronised such projects of manuscripts preparation and their preservation. They engaged professional scribes to copy such manuscripts whenever necessary. Ahom kings had their own people for such preparations. They also engaged some officers to look after such works. Such officers were known as Gondhiyā Baruā and Likhakar Baruā who supervised such manuscript preparation as their official duties.[6] Koch king Narnārayaṇa, Śrī Durlabh Nārāyaṇa, the king of Kamata, and Ahom kings like Rudrasingha, Śivasingha and Rajeśwarsingha were famous for their benign patronage in such works. Such manuscripts include inter alia *Hastividyārṇava, Ghorānidān* and many historical accounts. The Sattra institutions preserved manuscripts of *Kīrtan-ghoṣā, Daśama, Rāmāyaṇa, Mahābhārata, Nāma-ghoṣā, Bhāgavata, Ratnāvalī* along with many vaiṣṇavite writings with great reverence. Even Bargīts and Ankīyānāṭs are also found in the coffers of the Sattras. One can find a good number of manuscripts of Bhāgavata, Daśama, and other valuable writings in the ancient temples. Even in the houses of some leading men of status one can find a good number of valuable writings in their custody. Such people, every family preserved not only the religious scriptures but also books of grammers, medicine and mantras. Besides, Sanskrit a good number of Tāi manuscripts are available in Assam. Sanskrit books are found in Assamese scripts, while Tāi books are in Tāi scripts. In view of the styles used in those manuscripts one can trace three categories of scripts : (1) *Gadgañā,* (2) *Kāithelī or Lahkarī* and (3) *Bāmuṇīyā.* Gadgañā script is simple and straight, while the Kāitheli script is very artistic, clean and wavy, also known as Lahkarī in Kamrup. The Bāmuṇiyā script, on the other hand, is tortuous (resembling Devanāgarī,Old Bengali and Māithelī), These scripts generally could be seen in the manuscripts found in Goalpara and Kamrup.

Other writing materials included 'Kāp' (pen), 'Akmāri' (scale) and 'Bindhwnā' (borer), and 'Mohi' (ink) was made of Śilikhā, cow urine and some other stuffs. Noted historian Benudhar Sarma has written as to how ink was prepared in ancient Assam. Sarma says: "Ashes of the cooking pot, ashes of Bara-rice, cow urine, Śilikha, māngo bark etc. are boiled in a big canttron. Boiled liquid is kept in an clay pot, exposed to dew. The liquid stuff that oozes from out of the clay pot make the ink during the time. Such ink is indeliable. Often some kind of cheap ink is also to be found in use by the scribes.

When such ink loses its gloss and get blurred in course of time people use to overwrite on the blurred portions to preserve the valuable manuscripts.

People were not always satisfied with their writing alone. They often took to decorate their writings by painting around. Such painted writings could be seen in the manuscripts found in royal houses as well as in religious houses like Sattras. Manuscripts of this category include *Hastividyārṇava* (by Sukumār Barkāth), *Dharmapurāṇa* (by Kavirāj Dvija), *Ānanda Laharī* (by Ananta Ācārya), *Gita-govinda and Śaṅkhāsur-badha* (by Kavirāj Cakravartī), *Lava-Kuśar Yuddha* (by Haribar Vipra), *Darrang Rājbaṃśāvalī* (by Sūryakharī Daivagna), *Cahaparī Upākhyāna* (by Dwijarāma) and *Anādi-pātana* and *Aṣṭam-skandha Bhāgavata* (by Śaṇkaradeva). Moreover, many pictorial books were found in the different Sattras of Assam. For example, Śaṅkaradeva's *Daśam-skandha Bhāgavata* was found in the Bāli Sattra of Nagaon. Similarly, *Banamālī-carita* of Ramākānta Dija, Kumār-haraṇa of Ananta Kāyastha, *Udyog parvan Mahābhārata* of Rāmasaraswati, *Nāma-ghoṣā* of Mādhavadeva, *Srībhāgavata Matsya-carita* of Nityānanda Kāyastha and *Sundara-kāṇḍa* and *Laṅkā-kāṇḍa Rāmāyaṇa* of Mādhava Kandali are some of the examples of this category. Professor Dr. Suryya Kumar Bhuyan writes on these pictorial books : "The skill of a painter was generally requisitioned to decorate the labours of penmanship. The scribe was sometimes a painter himself; and if not, a regular painter supplemented the work of the transcriber by sketching appropriate pictures on spaces left blank for the purpose. The epics were generally illustrated, specially those prepared for the entertainment of princes, nobles and the principal Gosāins. When pictures could not be inserted, illuminated margins occasionally made up the deficiency."[8]

Assam undoubtedly had innumerable valuable manuscripts, but nobody can say anything regarding the total number of manuscripts and the number of manuscripts found and lost. In Assam no comprehensive catalogue of such manuscripts are there till today. Nor is there any history on the matter. Secondly, perhaps due to the tropical climate of Assam and also due to people's ignorance about the art of preserving them many valuable manuscripts from the beginning till the middle part of Vaiṣṇavite era were lost. Many such manuscripts are also lost because of flood, storm, fire, and natural calamities, while many of them are damaged by negligence of the descendants, while ants, rats, cockroaches, and thieves. The given śloka generally added to the end or the beginning of many old manuscripts will speak on the point : "caurāt rakṣa jalāt rakṣa rakṣa saṃsīath vandhanāt / ākhubhyaḥ narahastebhyaḥ ebaṃ vadati pustikā" //. Foreign invaders also took away a good number of valuable manuscripts . For lack of scientific preservation and also for lack of patronage many such manuscripts were lost and damaged. Mahāmahopādhyāya Dr. Ganganath Jha, in his presidential address in the All India Oriental Conferance, held in Madras, spoke on the ill-fated state of our hand written manuscripts . He stated : "India is subject to such ravages of fire and water that each year we are losing in the shape of manuscripts, burnt or washed or crumbled away, an amount of treasure, which could not be replaced in future even at the expenditure of millions of rupees ; and the callousness which the public displays towards this would be appalling anywhere else except in this unfortunate country. "[9] His remarks states the ill-fated condition of the handwritten manuscripts as well as their need for preservation . The same remark can be applied in case of the Old manuscripts in Assam . In Assam no serious and sincere attempt is made to preserve the Old manuscripts from total decay . However, from the last part of 19th century people like Rev. Nathan Brawn, Sir Edward Gait, Sir Archdel, and Pandit Hemchandra Goswami did considerable labour and collected a good number of manuscripts. However, credit goes singularly to Hemchandra Goswami for whose

untiring efforts institutions like Kāmarūpa Anusandhān Samiti was formed, subsequently followed by the institutions like the Department of Historical and Antiquarian Studies, Assam State Museum, Gauhati University, Dibrugarh University, Assam Sāhitya Sabhā, Bardowā Vaīsnavạ University and Nalbāri Sanjīwanī Sabhā. Such institutions are doing their best as regards collection and preservation of such manuscripts. Manuscripts are open to threat chiefly by dust, light and mites. In the past manuscripts were kept in wooden boxes placed over the fireside or in the wooden/ bamboo ceilings, believing that fire smoke and heat kept them unaffected by ants and mites.Manuscripts preserved this way do not last beyond 500 years. Numerous manuscripts lying scatterd throughout Assam are not being preserved in the best modern way. Hence, the latest modern techniques should be taught and used to preserve these manuscripts which document the achievments and the variety of thoughts and feelings of our predecessors.

## REFERENCES


1. 'agaru valkalalpita sañcayāni subhāsita bhañji pustakāni'.
2. Appendix - D, p.375. ed.2,1962
3. *Kathā-guru-carita*, ed. U.C.Lekharu, p. 36
4. Dr. S.K.Bhuyan, ' A Note of Assamese Manuscripts' ; *Descriptive Catalogue of Assamese Manuscripts*, 1930, p. XV
5. bhagnapṛstha kaṭigrīva stabdha dṛsti dṛta brata/ yatnen likhitaṃ pusti putravat pratipālayet //
6. Hiteswar Barbarua's "Note on Burañji', published in *Bāhi*, ed.14, p.237
7. See *Asamīyā Saṃkṛti*, ed. H.Neog and L. Gogoi, 1966, p.155
8. 'A Note On Assamese Manuscripts', *Descriptive Catalogue of Assamese Manuscripts,* 1930, Sm. XVII
9. Quoted from 'A Note On Assamese Manuscripts', *Descriptive Catalogue of Assamese Manuscripts*, 1930, p. XXVI

# THE OTHER SIDE OF INDIA'S FOREIGN POLICY

Rajen Boruah

In the month of May,'98, the "Buddha smiled" for the second time and we proved to the world our nuclear capability. But the subsequent economic sections have definitly affected our economy. GDP growth rate slowed down, industrial growth rate is falling, inflation rate is going to touch the two-digit mark etc.

Another shocking matter is the recent development of Sino-US economy and defence ties. China's increasing dominance over the South-east Asian region has set alarm bells ringing in India. India's influence over this region seems to be decreasing.

The US has proposed that the UN security council should be expanded to have ten parmanent members. Two of the new seats should go to Germany and Japan. Three additional seats should go to developing countries from Asia, Africa and Latin America. India is also a strong bidder for a permanent seat. India is the largest democracy in the world and its role towards keeping peace and tranquility world-over is well-known. So considering these as the criterion for a permanent seat, India deserves it. But the passage for India no longer remains smooth. India would not have lamented now if it had accepted the US proposal in 1955. In 1955 US proposed that India should have a permanent seat in place of China, but India declined. Our leaders, including the Prime Minister Jawharlal Nehru, sticked to the "Hindi Chini bhai-bhai" and Nehru himself declared from the soil of China that "we can't accept this, as it world be unfair to a great country like China not to be in the SC. India is not anxious to enter the SC at this stage". Subsequently China made it with the help of the US in 1971 and now shares equal power with the other permanent members in the UN's decision-making.

India learnt its mistake of adherence to a soft policy towards China in early 1950. China brutally invaded Tibet claiming it was part of "Greater China". Nehru was confused. In November 1959 the Dalai Lama fled to India bag and baggage. China urged India to accept China's right over Tibet. But India refused and Nehru proclaimed "China has suzerainity over Tibet, not sovereignity". Thus the so called bhai -bhai bond ended there and resulted in the Chinese invasion of 1962. It is known to all that India was compelled to go to Washington, begging for help. Now if India could side with the erstwhile Soviet Union in its illegal occupation of Afghanistan, then why not the same India accept China's claim over Tibet? Didn't we occupy Hyderabad from the

Nizam by our military might? Didnot we occupy the state of Junagadh from its Nawab? If China can accept our claim over these occupied territories, then why not we resort to the same policy towards China?

After partition, Pakistan suffered a severe internal turmoil. Dissatisfaction among various Islamic communities grew up. Mujibur Rahmen led the movement and raised the demand for a sovereign East Pakistan. He begged for India's help and without weighing the pros and cons, we sent our military forces there and liberated East Pakistan (now Bangladesh) in 1971. We still observe the day as "Vijay Divas" . Now similar turmoil is going on in our own homeland. The secessionist groups viz. JKLF, ULFA, NSCN etc are running armed struggles for sovereignity. It is obvious that the Pakistani intelligence agency ISI is fostering these movements and even training the outfits. Now India is urging Pakistan to stop this psuedo-war and sometimes threatens them to face severe consequences. But isn't India itself responsible for the present day turmoils ? Did not we once interfere in Pakistan's internal matter and even partition it into two separate states ? Now India must get ready to pay each penny for our own past mistakes.

The Afghans and Indians were very close to one another for centuries. Even after the formation of Islamic Pakistan, Kabul had far better relations with New Delhi than Islamabad. In 1978, when Atal Behari Vajpayee the then Foreign Minister, visited Kabul the then President, Amin told him "Let us have a secret pact, you take one part of Pakistan and we take the other part". He was refering to North West Frontier Province (NWFP). It is just one example of our good relations with the Afghans. But the relation nose-dived in 1980 when we sided with the then Soviet Union at the time of the invasion of Afghanistan. They felt betrayed. Only one voice was heard from Kabul: "How could you do so, you have been our friends". Since then India has not been able to win back the Afghans.

It is rather bitter to hear that most of our policies are directed towards seeking mere political gain and little attentions is paid to national interests. In the seventies, the demand for an independent Ealam (state) for the Hindu Tamils residing in Sri Lanka took the form of violence. Indian Tamils also extended support to their cause and persuaded the then P.M. Indira Gandhi to help the Lankan Tamils. Indira took it as an opportunity for accumulating popularity among the Indian Tamils. And it is an open secret that India harboured and nurtured the Tamil rebels and proliferated them with sophisticated arms and ammunition. The result is obvious : Assasination of Rajiv Gandhi and pushing Sri Lanka away from our age-old friendly ties.

Later, due to the endeavour of Rajiv Gandhi, PV Narashimha Rao and mainly due to the Gujral doctorine our relations with the Chinese was becoming better. Even the Presidents and Prime Ministers of both the countries visited each other. But after and before the Pokhran nuclear implosions, the uproar of our Defence Minister, George Fernandes maligned the entire process.

Therefore India should maintain restraint and should be very cautious in our own policy-making rather than blaming others, Now we have few countires to stand beside us at the time of need. Even our neighbour have started supporting the cause of China. So it sufficient and necessary measures are not taken immediately, India will soon convert to an Israel of the East.

---

*Rajen Baruah is a student of T.D.C. 2nd yr. (Physics)*

# Against the Current Nuclear Policy

*.......but for different reasons*

Monikut Sharma

No other country in this world has suf-fered so much, in terms of men, money, materi als, prestige and position in the comittee of nations and what not, due to a lopsided preference for idealism over ground realities, and for ethics over realpolitik. So much so that even when our soverignity itseft was threatened ( which happened on a number of occassions) we had to face a moral dilemna of either sticking to our idealistic stands or taking recourse to realistic action. And this dithering in the moments of crisis has cost the nation dearly, subjecting future generations to suffer the cumulative consequences of the earlier actions.

In 1947, India ( read Nehru ) back tracked from a winning position in the war over Kashmir and futher complicated matters by foolishly handing over the issue to the United Nations. The consequences of that blunder are now clearly evident. Pakistan's devious methods of sending in hordes of irregulars to take over the territory were over looked and it was India, and not Pakistan, which found itself in the dock. The costly proxy war over this 'disputed' territory, which was seriously affected the battle preparedness of some of the finest regiments in the army, maintenance of an armed outpost at the highest battlefield in the world at more than 365 crores of rupees a year plus a huge casualty rate due to both climatic conditions and enemy gunfire, are some of the 'fruits' of the blunder of 1947. On the other hand, Pakistan with the likes of Sir Mohd. Zafrullah Khan, Shahabzada Yakub Khan and Gohar Ayub skilfully articulating their country's stand, has managed to more or less involve the western powers on its side in its agenda of India baiting over the years. The two basically enjoy a symbiotic relationship on this issue as on one hand, it has enabled Pakistan with its feudal set-up, extreme inequalities in the distribution of wealth and income, and a largely heterogenous society rife with ethnic tensions and seeped in medieval practices - from breaking up into smaller pieces, especially as it's rationale for a separate homeland for Muslims was lost after a larger portion of the Muslims in the sub-continent preferred to stay in India rather than move over to Pakistan, and the carving out of Bangladesh from

East Pakistan. On the other hand , the western nations have used the Kashmir issue as an effective weapon to browbeat. India on matters of international significance - especially where India's principled stand on each matters had left many red faces in their ranks. Mention may be made of the linkage of human rights to economic issues and the dragging in of the Kashmir issue into this human rights plank to curtail the effects of India's stand on these issues.

Then again there is the Chinese problem. For years, India ignored the warning signals from across the Mc Mohan line - the annexation of Tibet, the military buildup on the Indo-Tibet border, infiltration of Chinese agents into the border areas and even the Chinese occupation ( without firing a single shot) of the Tnagla ridge in erstwhile NEFA, after crossing in through our virtually unguarded border - so that when the war broke out in 1962 India had been effectively ambushed by its supposed "Chini Bhais" in its own backyard. The humilating military defeat of our ill-eqipped, under armed forces had the effect of commiting some of the best Indian regiments (who had earned a number of laurels in such theatres of war as Burma, Cambodia, Normandy etc.) to the guillotine . India's image as a pathbreaker amongst newly freed nations and its growing stature in the world community in forces such as the NAM and the commonwealth was stunted after this fiasco.

The main purpose of devoting so much of space to the abovementioned cases is that our current nuclear policy should be analysed in the light of our earlier stands and their resultant effects. This assumes significance because never before had a central government, directly or indirectly, hinted at earlier lapses in formulating the national agenda on matters of vital interest. If anything was amiss, it was quickly hushed up - a fact demonstrated by the banning of Brigadier John Paul Dalvi's " The Himalayan Blunder" which analysed the Indian army's 'most crushing military defeat' in 1962.

The current nuclear policy of the government presents a departure from earlier times or it represent a strident step to address our security concerns in defiance, and not deferrence, of the so-called opinion of the international community (manufactured and packaged by a few powerful nations). But it is a different matter altogether how far it has succeeded in addressing its security concerns.

When we talk about the current nuclear policy, it basically refers to three things - the tests, the declaration of the unilateral moratorium on further such tests and the negotiations with the all-powerful United States of America on this nuke issue but which boils down to removal of barriers on transfer of dual -use technology in lieu of India signing the CTBT which it had all along rejected as discriminatory.

The tests on May 11 and 13 have indicated what was by and large an open secret, especially after the publication of books like "Critical Mass." If the solitary test in 1974 demonstrated India's capacity to detonate a nuclear device then Pokharan - II has proved India's capacity to carry on a limited nuclear war. The test in 1974 was not enough to be war-worthy as it was more or less an explosion carried out as per laboratory specifications. The war-head capacity has been achieved only after the second round of testing. The blasting of the hydrogen bomb has exploded the asinine aspersions cast by certain western powers on India's capacity to detonate such a device. The explosion of the sub-kiloton devices reveal a technological breakthrough achieved by very few nations, and the data from these tests would help in computer simulation of further tests. But the big question is how have these tests helped our defence preparedness and defence capabilities especially when our security threats are factored in? The government maintains that Shakti-I-V have enable the country to maintain a credible minimum deterence, but ground realities speak other-wise. And before proceeding further, it would be worthwhile to mention that our nuclear capability on the warfront cannot, and should not be viewed separtely from

the conventional military strength, and weaknesses of the country.

vi) 6 Joint Secretary.(including president, Cotton College E ployees' Association)
vii) 7 Organising Secretaries & General Secretary CCUS.
viii) Executive Members.

Two Representative of Hostel Superintendent, Two Representati of the Head of the Department, One representative from PWD (Building Division) (Govt. of Assam), One Representative om Education Department (Govt. of Assam), One Representative from UGC, One Representative from Finance & Plann ng ( Govt. of Assam),President Cotton College Teachers' Association, Two Representative of CCTA, Two Representative from CCEA, Three Representative from CCUS including Assistant General Secretary, One Representative from each teac ing department which is not represented in the Executive Committee by the above members.

One representative from each teaching department which is not presented in the Executive Committee by the above members.

**3. Sub-committees**

i) Finance Sub-Committee.
ii) Publication Sub-Committee.
iii) Physical infra-structure Sub-Committee.
iv) Cultural Sub-Committee.
v) Publicity & Office Sub-Committee.
vi) Academic Sub-Committee.
vii) Sports and Student Welfare Sub-Committee.
viii) Alumni Sub-Committee.

**4. Joint Committees**

i) Office and Publicity Sub-Committee with Almuni Sub-Committee.
ii) Publication Sub-Committee with Cultural Sub-Committee.
iii) Physical infrastracture Sub-Committee with Finance Sub-Committee.

iv) Academic Sub-Committee with Sports & Student Welfare Sub-Committee.

**Members of the Executive Committee**

| | | | |
|---|---|---|---|
| 1. | President | : | Dean, Cotton College. |
| 2. | Working President | : | Prof . D.K. Barooah (ECO). |
| 3. | - Do - | : | Dr.R. Thakuria (AS). |
| 4. | - Do - | : | Dr. K. Pathak (Phy). |
| 5. | - Do - | : | Prof. D. Dutta (Eng). |
| 6. | Vice president | : | Dr. R.N. Bhattacharya (Bot). |
| 7. | - Do - | : | Prof. B. Talukdar (Hist). |
| 8. | - Do - | : | Dr. R. Pathak (As). |
| 9. | - Do - | : | Prof. K.Choudhury (Chem). |
| 10. | - Do - | : | Prof. (Mrs) R. Ahmed (Zoo). |
| 11. | - Do - | : | Dr. I.K. Bhattacharya (Zoo). |
| 12 | - Do - Student Vice President CCUS | : | |
| 13. | General Secretary | : | Dr. S.K. Choudhury (Chem). |
| 14. | Treasurer | : | Prof. B. Bhagabati (Math). |
| 15. | Jt. Secretary | : | Prof. (Mrs) L.Das (Edu). |
| 16. | - Do - | : | Dr. (Mrs) M. Rahaman (Geog). |
| 17. | - Do - | : | Dr. S. Bora (Sansk). |
| 18. | - Do - | : | Prof. K. Bhuyan (Eng). |
| 19. | - Do - | : | Dr. A.Barman (Hindi). |
| 20. | - Do - | : | Mr. Hari Nath, President, CCEA. |
| 21. | Organising Secretary | : | Dr. S. Lahakar (Math). |
| 22. | - Do - | : | Dr. B.C. Kalita (Geog). |
| 23. | - Do - | : | Prof. R.Islam (Zoo). |
| 24. | - Do - | : | Prof. P. Sharma (Geog). |
| 25. | - Do - | : | Prof. R. Rajkhowa (Zoo). |
| 26. | - Do - | : | Prof. S. Baishya (Phy). |
| 27. | - Do - | : | Prof. S. Patgiri (Bot). |
| 28. | General Secretary, CCUS | | |
| 29. | Member ; President, CCTA | : | |
| 30. | - Do - ; Reprasentative of HOD | : | Prof. T. Sirkar (Math). |
| 31. | - Do - ; -Do - | : | Prof. S. Bhadra (Sansk). |
| 32. | - Do - ; Representative of Hostel Supdt | : | Prof. D. K. Bardaloi (Bot). |
| 33. | - Do - ; - Do - | : | Prof. (Mrs). S. Sarma (Zoo). |
| 34. | - Do - ; Representative of CCTA | : | Prof. (Mrs). L. Nath (Hist). |
| 35. | - Do - ; -Do - | : | Dr. J. Patgiri (Phil). |
| 36. | - Do - ; Representative of CCEA | : | Md. S. Ali. |
| 37. | - Do - ; - Do - | : | Md. M. Rahman. |
| 38. | - Do - ; Representative of CCUS (AGS) | : | |
| 39. | - Do - ; -Do - | : | |
| 40. | - Do - ; | : | |
| 41. | - Do - ; Representative from PWD. | : | |
| 42. | - Do - ; Representative from Education Department, Gove of Assam. | | |

43. - Do - ; Representative from U. G. C.

The committee felt that further development of the existing academic and infrastructural facilities of the college is a must for celebrating the Centenary from 27th May 2001 to 26th May 2002 in a befitting manner.

The college was established by the government in response to the demand from the people of the region. Naturally, therefore involvement of the government and the people is expected in the future development of the college as well. Keeping this in mind the Centenary Celebration Committee organised a public meeting on the 27th May ( the foundation day of the college), 1998. In that meeting views on the plans and proposals of the committee for the development of the college in connection with the Centenary Celebration were announced. A number of distinguished citizens gave us suggestions for the further development of the college as well as guidelines for meeting our objectives. We are keeping a record of their suggestions as a guide to success.

**Comments of some speakers at the public meeting held on 27.5.98**

**Pulin Das (Ex-student 1937 - 39) :** More emphasis ought to be laid on sports and games in the centenary activity ; the college hospital should be made effective and functional.

**Bibekananda Talukdar (Sport Secretary CCUS 1950) :** The Celebration Committee camnot afford to bank on Govt. and alone. Efforts sould be made to realise funds from MPs and MLAs who happen to be ex-student of the college. MPs should be requested to contribute Rs. 1,00,000/- each and MLAs Rs. 10,000/- each. Industrialist, Tea planters, the ONGC etc should be approached for funds. Silver emblems should be sold to ex-students at a price not below Rs.100/-.

**Suren Ram Phookan (Ex-Cottonian) :** Some concrete measure ought to be taken up for the development of sports activities of the college. Centenary Celebrations should not be confined to Cotton College or Guwahati alone but should be held in different parts of Assam. There is a strong need for a comprehensive budget. State Govt. should be forthcoming with financial assistance.

**Haren Das (Ex-Secretary CCUS) :** Cotton College being my alma mater, I am ready to contribute my writings in whatever capacity possible for the development of the college.

**Girin Barua (Cotton Blue, 1953) :** Factors responsible for non-completion of the Indoor Stadium of the college should be proved and the authorities concerned in this regard ought to be taken to task.

**S.N. Sarma, ex-secretary P.W.D. (Ex-Cottonian) :** The present hospital building ought to be pulled down and converted into a multi-storied one. The proposed wardens' building should also be 4 storeyed one.

**Himanta Biswa Sarma (Ex. General Secretary, CCUS) :** Cotton college should be made a deemed university in the real sense of the term. The centenary of Cotton College ought to be looked upon as the Centenary of higher education in the state.

**Satyendra Prasad Deka (Ex.Cottonian) :** Some kind of agreement ought to be made with the Publication Board with regard to the proposed centenary publications.

**Arnabjan Deka (Ex. Cottonian) :** Ex student of the college who are settled abroad should be requested to contribute hundred dollars each to the Centenary fund.

**Mr. V. B. Pyarelal, Education Commissioner, Govt. of Assam :** I congratulate the Centenary Committee for its efforts. It should be spelt out in clear terms whether Cotton College should be made an autonomous college or a deemed university. Further, I am strongly in the favour of the formation of a museum in the college. The college in my opinion should start collecting materials for building a museum and hold an exhibition, if possible.

**Professor A.K. Goswamee (Retd. Principal, Cotton College, Guwahati) :** The centenary celebration is an occasion to recapture the spirit of the earlier formative years. An alumni foundation should be started with a target of at least 4000 members who can contribute a minimum of Rs.5000/- each so that a sum of at least Rs.1 crore can be raised.

Over and above this the development of the college and the Assamese society finds its reflection in archival material which needs to be collected and preserved. For the same purpose an additional campus should be constructed. There should be, in the proposed museum, a section for the records of important events of the college in the past years.Cotton College should be developed into a centre of excellence in the complete sense of the term.

**Jatin Nath (Lecturer of the college in 1953 - 54) :** It is necessary to prepare biographical sketches and profiles of eminent professors and former faculty, whose contribution to the growth of Cotton College is seminal to its history. Besides selected works from the back volumes of Cottonian should be anthologised and republished both in English and Assamese.

**Dr. K.C.Paul, Dean Cotton College :** I earnestly request everybody to contribute towards the development of Cotton College.

Cotton College was established in 1901 as an under graduate college with 5 proffessors/lecturers and 45 students. The college has grown over the last 98 years as a first grade college with about 224 Lecturers/ Professors and nearly 4700 students. On the basis of the academic achievements the college was recognised as one of the best colleges under the Calcutta University in 1948. In fact Cotton College acted as a mother institution at the time of the establishment of the Gauhati University. In the period 1912-15 the college secured affiliation (under the Calcutta University) for Honours in all the arts and science subjects offered by it then with the exception of Persian ( in which the Honours course was introduced in 1925). In the course of time new subjects in science and arts stream were introduced in the college. All the subjects in science and arts stream taught to-day were introduced in the undergraduate level before 1965. From 1969 PG classes in science and humanities came to be gradually introduced in the college (In 1914 MA classes in English were started but were abolished in 1933). Now post-graduate and undergraduate courses in 21 subjects are being taught in Cotton College in addition to higher secondary classes.

Cotton College has produced generations of intellectuals who have contributed to the development of the state and the region in different spheres of the activity. Moreover it has been a centre of assimilation of rich cultural diversity of the region. The institute truly represents a cosmopolitan outlook befitting a unitary university. It has also been providing scope for the development of the latent talents of young generation from different parts of the state. The college should be accorded a special status of its own so that it can play a much larger role in nurturing young talents. It is worthwhile to mention here that the colleges of the similar standing elsewhere in the country or abroad have indeed been accorded special status long ago.

The completion of 100 years of the college at the dawn of the twenty first century, also suggests increasing responsibilities of the college for which it is urgently necessary that the college be declared an AUTONOMOUS INSTITUTE without delay.

The national policy on education also emphasises that a chain of institutions of excellence in the country may lead paneffective improvement of the academic environment. Such institutions will obviously provide integrated teaching facilities combining postgraduate teaching with there of undergraduate and research where teachers and students will get more scope and opportunity to make innovations and to respond quickly to the needs of the society as well as to the local and global requirements of human resources. To begin with, the grant of autonomous Status to Cotton College therefore, would provide the necessary motivation for the above purpose.

The philosophy underlying the concept of Cotton College in its role as AUTONOMOUS COLLEGE is that it will act as a pace setter and testing ground for bold experiments in teaching and evaluation and in learning, advancing and disseminating knowledge in the different areas of the humanities, social sciences and pure sciences. The college will stress on overall development of human excellence of individual students . The College will strive to reach a status of national importance and to serve as a catalyst in generating new knowledge and methods of instructions.

## Aims of Autonomy

Under the present set up as an affiliated college under an University with a large number of other colleges having different standards the institution cannot afford to experiment with innovative ideas. Nor can it introduce modern course of studies. It also becomes difficult to update the syllabus beyond a certain limit as the students of various institutions who generally come to the college from different




EXISTING LAYOUT OF CAMPUS PLANNING OF COTTON COLLEGE

socio-economic background cannot cope with equal competence. Under the existing system of affiliation a university cannot differentiate between the colleges in terms of academic standard. Consequently some outstanding colleges of the university which draw meritorious students and have the capacity to improve cannot introduce modern courses of studies or modify or restructure the syllabus or introduce reform in examination system.

The main aim of granting autonomy is to restructutre courses and to make them relevant to the needs of the society thereby providing for improving skill and capacity of the students, so that they are prepared for the challenges of new jobs that are coming and also for making themselves suitable for self employment without diminishing their scope to go for higher studies.

An autonomous college can introduce new courses, devise new methods of instruction and evaluation on experimental basis which the parent university can accept on their successful implementation as model for other colleges. All these exercise are meant to achieve higher standard and greater creativity and to formulate a model for future implementation by the parent university.

**Infrastructural facilities of the college in the context of centenary**

The existing structures in the college premises are sufficient to house and accommodate the 4700 odd students from higher secondary to PG level besides the 224 teachers of 21 departments. The only new structures erected in the recent past are the Banikanta Bhawan and A.C. Dutta Bhawan ( in the Botany department) and expansion has been actually very little whatever development has taken place is negligible considering the requirements for whatever the academic growth and co-curricular activities of the college.

It is a matter of amazement that the college does not even have a common room for boys. The makeshift common room for girls is also far too small to serve the needs of about 1500 girl students of the college. The library building is another instance of the inadequacy facilities provided to the students. Because of the lack of space no new facility has been introduced in the library. For 4700 students and 224 teachers, the present space of the library is ridiculously inadequate. Further, there are not enough facilities for the sports activities of the students. The existing hostels cannot fully meet the demands of the students besides being rather outdated in terms of utility and comfort. Each year a large number of meritorious students from different parts of the state have to return without fulfilling their dreams of studying in the college because of the non-availability of hostel accommodation. The problem has aggravated after the introduction of PG classes in all the departments of the college. Though the construction of an indoor stadium and a new PG hostel was started a long time ago they were left in incomplete stage. In the last few years, no effort has been made to complete them. Along with these unfinished structures, the construction of the Guest house remains to be completed. Again, some of the existing structures like the Chemistry building, the oldest and perhaps , most impressive building of the college, are in such deploable condition that they are not in a position to be repaired and it is unfortunate that new structures will sooner or later have to be erected in their place. Most of the Assam type hostel buildings are also in deplorable conditions. However if, some of these Assam Type Hostel building are replaced by multistoried buildings then the problem of the space for other new constructions can be solved to some extant. New constructions will be needed to accommodate the new faculties proposed to be introduced after granting of autonomy to the college, besides providing facilities to the students. The hospital of Cotton College is also in very bad shape and needs immediate renovation.

**Plans and proposals of the Centenary Committee**

Considering the present academic state and other infrastructural facilities and academic activities

of the college, the committee felt that the college should be further developed in these respects immediately. Again, during the Centenary Celebration it has been proposed to bring out a number of important publications to reflect the history of the college, its contribution over the last 100 years and other related matters significant to the development of the cultural and intellectual temper of the stall. The Centenary Committee has not finalised the programmes of the celebration yet. A general summary of the intended plans and proposals were made public in the meeting held of 27th May 1998. These plans and proposals are :

1. Improvement of existing academic infrustructural facilities of the college.
2. Improvement of academic activities by introducing Academic Autonomy of the college and the introduction of new subjects like Mass communication, Computer Science, Business Administration, etc.
3. Publication of a new commemorative volumes related to the role of Cotton College in the academic and socio cultural development of the North East India.
4. Completion of the unfinished structures which include Indoor Stadium, Guest House and PG Boy's Hostel.
5. Construction of Library Building as the Centenary Building.
6. Construction of new structures.
   i) Two numbers of three storied hostel block having the capacity of 200 students in each block.
   (Total cost Rs. 3,22,93,264.00)
   ii) Construction of grade IV employees quarters (three storied)
   (Total cost Rs. 95,66,199.00)
   iii) Construction of wardens, quarters (three storied)
   (Total cost Rs. 30,69,268.00)
   iv) Construction of new Academic Block (four-storied)
   (Total cost Rs.4,42,39,177.00)
   v) Construction of Parking area
   (Total cost Rs.11,23,837.00)
   vi) Construction of Data Centre, Students Day Home and Canteen
   (Total cost Rs. 43,47,794.00)
   vii) Construction of Museum (three storied)
   (Total cost Rs. 83,22,526.00)
   viii) Constrution of Open-air theatre
   (Total cost Rs.22,86,723.00)
   ix) Construction of Boundary walls (Main) and internal Main Roads and Peripheral drains etc.
   (Total cost Rs. 11,33,250.00)

These constructions are planned in the Central Zone of the College encompassed by Nabin Chandra Bardaloi Road, Ananda Ram Barua Road, College Hostel Road and Lakshmi Nath Bezbarua Road. In this area the KBR Auditorium, MCB Administrative Building, B.K. Kalita Bhawan, Principal's quarter, a few Hostels etc are currently situated.

The committee has worked out in detail the estimated cost of these proposed constructions. In future such type of planning can also be conceived for other areas of the college.




NORTH

PROPOSED LAYOUT FOR CAMPUS PLANNING
OF
COTTON COLLEGE
GUWAHATI

7. Formation of Alumni Association

Some other proposals may also be made for the future development of the college on the basis of the necessity and priority.

**Strategy for Implementation of plans and proposals**

The Centenary Committee has worked out the detail of the implementation of the various plans and proposals in connection with the centenary celebration. These are summarised below :

1. We have already received Government's approval for the construction of the Library Building. The Construction is already underway. We expect that the Government will take the initiative to complete the building by 2000AD.
2. We expect that the Government will come forward to complete the construction of the Indoor Stadium, Guest House and PG Boys' Hostel.
3. The cost of the publication of the commemorative volumes will be met by the fund raised from ex-Cottonians and well wishers of Cotton College.
4. We plan to approach various corporate houses both private and public, for the construction of the new structures.
5. Academic autonomy will have to be granted at the initiative of the Government. The Cotton College Teachers' Association has already initiated the move for autonomy. The Association has submitted a detailed proposal to the Government for implementing the Autonomy of the college. The introduction of new subjects will be brushed and formally processed after the autonomy of the college is granted.

**The Cotton College Centenary Celebration Committee has already initiated the following :**

The committee has already sent letters/ application to Sjt. Monmohan Singh, MP (through the Deputy Commissioner, Kamrup), Sjt. Bhubaneswar Kalita, MP and Sjt. Arun Sharma, MP requesting the necessary fund to complete the unfinished structures.

2. The committee has contacted the ex-Cottonians living in the USA and Canada through Internet for their involvement in the centenary. The response is quite encouraging.
3. The Committee has started registering the names of ex-Cottnians of Assam to form Alumni Association.
4. The committee has already approached the Consultative Committee of Tea Planters Association for their help in constructing some new structures.
5. The committee has already traced the descendent of Sir Henry Cotton in the UK. We have communicated to Sir John Cotton (89) who lives in Hanspshire, UK, and is the grandson of Sir Henry Cotton. We expect that at least one representative of the family of Sir Cotton will attend the Centenary Celebrations of the college.

   The Cotton College Centenary Celebration Committee hopes for and expects the whole-hearted involvement of the people of Assam in making this historical institution of higher education of the state a unique institution of its kind in the world on the occasion of its centenary. With the help and co-operation of all Cottonians, past and present and the people of Assam at large, we are sure that the centenary of Cotton College will be celebrated in a most grand manner, befitting the historic occasion. ❑



# কটন কলেজৰ প্ৰখ্যাত অধ্যক্ষ ডেভিদ টমছন্

চিদানন্দ দাস

সমাজ বা অনুষ্ঠান - প্ৰতিষ্ঠানৰ ওপৰত কোনো ব্যক্তি বিশেষৰ প্ৰভাৱ আৰু আদৰ্শ দীৰ্ঘস্থায়ী হৈ থাকে। একোজন লোকৰ এই প্ৰভাৱৰ উৎস হ'ল মহান ব্যক্তিত্ব, কৰ্মকুশলতা আৰু একনিষ্ঠ কৰ্তব্যজ্ঞান। সময়ৰ সোঁতত তেনে প্ৰভাব কিছু পৰিমাণে হ্ৰাস পোৱাটো স্বাভাৱিক। কিন্তু কেতিয়াও ইয়াৰ বিলুপ্তি নঘটে। সময়ৰ বালিত থৈ যোৱা তেওঁলোকৰ পদচিহ্নই অতীত গৌৰৱৰ স্মৃতি-ৰক্ষা কৰাৰ লগতে ভৱিষ্যতৰো প্ৰেৰণাৰ স্থল হৈ থাকে। তেনে লোকৰ সংখ্যা বিৰল।

কটন কলেজৰ দ্বিতীয়জন অধ্যক্ষ, ডঃ ডেভিদ টমছন্ আছিল এগৰাকী তেনেকুৱা লোক। নামটো পুৰণি; কিন্তু ইয়াৰ এটা স্বকীয় বৈশিষ্ট্য আছে। কোনো স্মৃতি-চিহ্ন নেথাকিলেও এটা বিশেষ ক্ষেত্ৰত ই স্মৰণীয় আৰু আদৰ্শনীয় হৈ আছে।

অধ্যক্ষ হিচাপে তেখেতৰ ভাৱমূৰ্ত্তি আছিল অতি উচ্চ। সেয়েহে তেওঁ অধ্যাপক আৰু ছাত্ৰসকলৰ মনত এটা দ সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। জীৱিত অল্পসংখ্যক অধ্যাপক আৰু বহুতো প্ৰাক্তন ছাত্ৰৰ মনত পৰা সেই সাঁচ এতিয়ালৈকে মাৰ যোৱা নাই বুলি কব পাৰি। সময়ৰ সুদীৰ্ঘ ব্যৱধানেও তেখেতৰ আদৰ্শ ম্লান কৰি পেলোৱা নাই। কটন কলেজৰ খ্যাতিৰ লগত তেখেতৰ নাম জড়িত হৈ আছে আৰু থাকিব। কেবছৰমান আগতে তেখেত স্বৰ্গী হৈছে।

১৯২৭ চনৰ মাৰ্চ মাহ। তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিকুলেছন পৰীক্ষা দিবলৈ শ্ৰীমহাদানন্দ দাস আৰু মই গুৱাহাটীলৈ আহিলো। তেজপুৰ জিলাৰ সদৰ ঠাই, কিন্তু তথাপিও তাত পৰীক্ষাৰ কেন্দ্ৰ নাছিল। সম্ভৱতঃ অসম উপত্যকাৰ সকলো পৰীক্ষাৰ্থীয়েই গুৱাহাটীলৈ আহিব লাগিছিল। আজি সেইটো আচৰিত কথা যেন লাগে। পৰীক্ষা পাতিছিল কটন কলেজিয়েট হাইস্কুলত। পৰিচালক আছিল কটন কলেজৰ অধ্যক্ষ ডঃ ডেভিদ্ টমছন চাহাব। প্ৰথম দিনাখন স্কুলৰ চোতালত পৰীক্ষাৰ্থী সকলৰ এটা জুম। মাজত থিয় দি স্বাস্থ্যবান দীৰ্ঘকায় আৰু দেখনিয়াৰ অধ্যক্ষজনে পৰীক্ষাৰ নিয়ম আৰু শৃঙ্খলা আদিৰ বিষয়ে ইংৰাজীতে স্পষ্ট আৰু টান ভাবাত এটা চমু ভাষণ দিছিল।

বিশ্ববিদ্যালয়ৰ প্ৰথম পৰীক্ষাৰ চিন্তাৰ লগতে ই আমাক স্বাভাৱিকতে কিছু পৰিমাণে আতঙ্কিত কৰি তোলে। অধ্যক্ষজনকো আমি সেই সময়তেই প্ৰথম দেখা পাওঁ।তেতিয়াই তেওঁৰ সম্বন্ধে আমাৰ এটা ধাৰণাও জন্মে। পিছলৈ সেই ধাৰণা দৃঢ় হয়।

মেট্ৰিকুলেচন পৰীক্ষা পাছ কৰাৰ পিছত এটা নতুন আনন্দ আৰু শঙ্কা মিশ্ৰিত ভাৱ লৈ অসমৰ 'প্ৰেসিডেন্সি কলেজ' কটনত ভৰ্ত্তি হবলৈ আহোঁ। তেতিয়া আৰ.এছ.এন কোম্পানীৰ যাত্ৰীবাহী জাহাজৰ বাদে তেজপুৰৰ লগত যাতায়াতৰ আন কোনো সুবিধা নাছিল।

অধ্যক্ষ টমছন্ চাহাব কিছুদিন অসম উপত্যকা আৰু পাৰ্বত্য জিলা সমূহৰ স্কুল পৰিদৰ্শক আছিল। আমাৰ দেউতা আছিল স্কুলৰ ডেপুটি ইন্সপেক্টৰ। সেই সূত্ৰে দেউতাৰ লগত তেখেতৰ পৰিচয় ঘটে। সেই বাবেই বোধকৰো আমাৰ হাতত তেখেতলৈ এখন পৰিচয় পত্ৰ দি পঠিয়াইছিল। কলেজত ভৰ্তি হবৰ দিনাখন অলপ ভয় ভাবেৰে চিঠিখন দিলোঁ।তেখেতে পঢ়ি চাই কলে "See me whenever there is any difficulty "। আমিও কিছু ঐতিহ্যপূৰ্ণ খেৰৰ চালৰ অ'ল্ড ব্লক নামে জনাজাত ছাত্ৰবাসত ভৰ্ত্তি হৈ কলেজীয়া শিক্ষা জীৱনৰ পাতনি মেলিলোঁ। আমাৰ হোষ্টেলৰ চুপাৰ ইনটেণ্ডেণ্ট আছিল বুৰঞ্জীৰ খ্যাতনামা অধ্যাপক ভুৱন মোহন সেন। তেখেত আছিল এজন ব্যক্তিত্বসম্পন্ন লোক।

কটন কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল এফ ডবলিউ স্মুড্‌মাৰ্ছন,

বি.এ (লন্ডন), আই. ই. এছ। তেখেতে সুদীৰ্ঘ ২৬ বছৰ কাল ধৰি (১৯০১ৰ পৰা ১৯২৬ লৈ) নিজ দক্ষতা আৰু নিষ্ঠাসহকাৰে কলেজখনৰ উন্নতি সাধন কৰি ইয়াৰ দৃঢ় ভেটি স্থাপন কৰি থৈ যায়। আমি ভৰ্ত্তি হোৱাৰ কিছু আগতেই অৱসৰ লোৱাত তেখেতৰ ছাত্ৰ হোৱা সৌভাগ্য নঘটিল। তেখেত স্বৰ্গগামী হোৱাৰ কেবাবছৰো হ'ল। কিন্তু নামটো হ'লে প্ৰচলিত আৰু চিৰস্মৰণীয় হৈ আছে। অসমৰ উচ্চশিক্ষা, বিশেষকৈ কটন কলেজৰ ইতিহাসত তেখেতৰ সুখ্যাতি চিৰযুগমীয়া হৈ থাকিব। তেখেতৰ পিছতেই দ্বিতীয়জন অধ্যক্ষ আছিল আমাৰ ডঃ ডেভিড টমছন্ এম.এ.পি.এইছ.ডী (গ্লাজগ' আৰু গটিনজেন)। এখেতকো দক্ষতা, কৰ্ত্তব্যনিষ্ঠা, নিয়মানুৱৰ্তিতাৰ বাবে প্ৰথমগৰাকী অধ্যক্ষৰ দ্বিতীয় সংস্কৰণ বুলি কব পাৰি। কটন কলেজৰ গৌৰৱপূৰ্ণ কালছোৱাত তেখেতৰো যথেষ্ট অৱদান আছিল।

টমছন্ চাহাবে স্যুডমাৰ্ছন সম্বন্ধে এইদৰে লিখি তেখেতৰ উচ্চমত প্ৰকাশ কৰিছিল ঃ

"The Cotton College was established in 1901; so it was a healthy ten-year-old institution when I joined the staff at the end of the February, 1911. Mr. Sudmersen was the principal and had been so, I think, from its inception. No principal ever gave more devoted and unstinting service to his charge than he did. As somebody said : " Mr. Sudmersen was the Cotton College and the Cotton College was Mr. Sudmersen." (A Reminiscence By David Thompspon, Ex-principal, Cotton College, Guwahati : The Golden Jubilee Volume : Cotton College, Gauhati, 1951-52, page - 81).

কলেজৰ প্ৰথম টাৰ্মিনেল পৰীক্ষা। দুদিন আগতে হ'ল মোৰ জ্বৰ। গতিকে পৰীক্ষা দিয়া নহ'ল। তাৰ বাবে মনত বিশেষ বেজাৰ পাইছিলো। অধ্যক্ষ টমছন্ চাহেবে প্ৰতি ৰবিবাৰে পুৱা হোষ্টেল সমূহ পৰিদৰ্শন কৰে। আমি অস্থায়ীভাৱে হোষ্টেলৰ চুপাৰইন্টেনেন্টৰ অফিচ ৰুমত থাকিবলৈ লৈছিলো। তেওঁ প্ৰথমতে আমাৰ কোঠাত সোমাই টেবুলৰ ওপৰত আধৰুৱা ঔষধৰ বটল এটা দেখা পালে। ঔষধ নিয়মীয়াভাৱে ব্যৱহাৰ নকৰা বুলি তেওঁৰ অনুমান হয়। সেইবাবে এটা ধমক দি ইংৰাজীত ক'লে,"মই চাহৰ লগত সদায় নিয়মীতভাৱে কুইনাইন টেব্‌লেট এটাকৈ খাওঁ আৰু তইঁতে জ্বৰ হলেও ঔষধ খাবলৈ হেলা কৰ। এইটো বৰ বেয়া কথা। কথাখিনি শুনি লাজ লাগিছিল। অৱশ্যে লগতে তেখেতৰ মেলেৰীয়া-ভীতিৰ আভাস পোৱা গৈছিল।

কলেজ হোষ্টেলসমূহৰ হস্পিতেলৰ ডাক্তৰ আছিল গুৱাহাটীৰ সুচিকিৎসক স্বৰ্গীয় দিদাৰুদ্দিন আহম্মদ। তেখেত এজন সৰল, মৰমীয়াল আৰু ভদ্ৰ ব্যৱহাৰৰ লোক আছিল। পৰীক্ষাৰ সময়ত ছাত্ৰক কিছু সহজতে মেডিকেল চাৰ্টিফিকেট দি সহায় কৰা বাবে কেতিয়াবা অধ্যক্ষই বেজাৰো পাইছিল।

কলেজৰ গাম্ভীৰ্যপূৰ্ণ পুৰণি প্ৰশাসনীয় ভৱনটোৰ পূৱ আৰু পশ্চিমফালে দুখন ডাঙৰ গেলেৰী আছিল। তাত বহুতো ছাত্ৰ বহাৰ সুবিধা আছিল। দ্বিতীয় মহাসমৰৰ সময়ত সেইবোৰ ভাঙি পেলাই গোটেই ঘৰটোত সামৰিক বাহিনীৰ হস্পিতাল পাতি দিছিল। এদিনাখনৰ কথা। পশ্চিম গেলেৰীত অসমীয়া শ্ৰেণী বহিছে। অধ্যাপকে হাজিৰা লোৱা শেষ কৰি পাঠ আৰম্ভ কৰিছে মাত্ৰ। গেলেৰীৰ ওপৰফালে বহা ছাত্ৰ এজনে ডাঙৰকৈ কথা-বতৰা পাতি গোলমাল আৰম্ভ কৰি দিলে। অধ্যাপক গৰাকীয়ে অসন্তুষ্ট হৈ তেনে কৰিবলৈ হাক দিলে। কিন্তু বিশেষ ফল নহ'ল। তেতিয়া বিৰক্ত হৈ ছাত্ৰজনৰ বিৰুদ্ধে অধ্যক্ষলৈ টোকা এটা পঠাই দিলে। তেখেতৰ অফিচ আছিল কিছু ওচৰতে। সেইখন পাই স্বাভাৱিকতে তেওঁৰ বৰ খং উঠিল। কিয়নো কোনো ধৰণৰে অনিয়মানুবৰ্তিতা সহ্য কৰাটো তেখেতৰ নীতি-বিৰুদ্ধ আছিল। ছাত্ৰজনক অফিচলৈ মাতি পঠালে। তেখেতেও জোতাৰে খট্‌খট্‌কৈ শব্দ কৰি কিছু শঙ্কিতভাৱে গেলেৰীৰ পৰা নামিবলৈ ধৰিলে। ইতিমধ্যে এটা আমোদজনক ঘটনা ঘটিল। গোলমাল কৰা ছাত্ৰজন অফিচ পোৱাৰ কিছু আগতেই আন এজন ছাত্ৰ অধ্যক্ষৰ কোঠালৈ সোমাই গ'ল। খং ভাৱত থকা অধ্যক্ষজনে সেইজনকে দোষী ছাত্ৰজন বুলি ভাবি বৰকৈ দাবি - ধমক দিবলৈ আৰম্ভ কৰি দিলে। ছাত্ৰজন আচৰিত আৰু হতবম্ব হ'ল। তেওঁ সাহস কৰি জনালে যে তেওঁ কলেজৰ টেনিচ খেল বিভাগৰ সম্পাদক। আগন্তুক কলেজ ডাবল্‌চ্ খেলত তেওঁ যোগ দিয়া বিষয়ে সুধিবলৈ আহিছে। তেতিয়া অধ্যক্ষৰ খং মাৰ গ'ল। তৎক্ষণাৎ দুখ প্ৰকাশ কৰি ভালদৰে কথা পাতিলে। ছাত্ৰজনেও ৰক্ষা পৰা যেন পাই ওলাই আহিল। পিছত দোষী ছাত্ৰজন কোঠালৈ সোমাল। তেতিয়ামানে তেখেতৰ খঙৰ তীব্ৰতা কমি গৈছিল। তথাপিও দাবি দি ভৱিষ্যতে তেনে নকৰিবলৈ সাৱধানবাণী শুনাই বিদায় দিছিল।

অধ্যক্ষজন নিয়মানুৱৰ্তিতাৰ এটা উদাহৰণ স্বৰূপ আছিল। প্ৰত্যেক দেওবাৰে ৰাতিপুৱা হাতত লাঠি এডাল লৈ ছাত্ৰাবাসমূহ পৰিদৰ্শন কৰাটো তেখেতৰ এটা নিয়ম আছিল। সেইবাবে শনিবাৰৰ পৰাই ভিখী জমাদাৰ প্ৰমুখ্যে মালি চকীদাৰ আদি বিশেষভাৱে ব্যস্ত হ'ব লগা হয়, যাতে ক'তো কোনো ময়লা আদি নাথাকে। হোষ্টেলৰ চুপাৰইনটেণ্ডেণ্ট আছিল ভুবন মোহন সেন, বিজয় চন্দ্ৰ সেনগুপ্ত, হৰ্ষনাথ সেন, ডঃ এচ. কে. ভুঞা, শ্ৰীনাথ চক্ৰৱৰ্তী, মৌলবী আবুল ফজল চাহাব প্ৰমুখ্যে কলেজৰ জ্যেষ্ঠ আৰু সন্মানিত অধ্যাপকসকল। এইবিষয়ত তেখেতসকলো সজাগ আছিল। ছাত্ৰসকলৰ অৱস্থাও প্ৰায় তেনেকুৱাই। কিয়নো তেখেতে মাজেসময়ে ৰুমৰ ভিতৰত সোমাই চোৰা-চিতা কৰিছিল। এদিন এজন ছাত্ৰৰ টেবুলত কাজলেৰে ভৰা কেৰাচিন লেম্পৰ চিমনি এটা আৰু আন এজনৰ মলিয়ন আঁঠুৱা এখন দেখি খং কৰিছিল।

সেই সময়ত আজিকালিৰ দৰে ছেনিটাৰী পায়খানা নাছিল। কলেজৰ চৌহদৰ মাজতে চাৰিওফালে টিনৰ বেৰৰ ভিতৰত শাৰী শাৰীকৈ কিছুমান পকা ছাৰ্ভিচ পায়খানাৰহে ব্যৱস্থা আছিল। তেখেতে ভিতৰলৈ সোমাই গৈ জমাদাৰে পায়খানা আৰু পকা নৰ্দমা আদি ভালদৰে পৰিস্কাৰ কৰা নকৰাৰো বুজ লৈছিল। চুপাৰইনটেণ্ডেণ্টসকলে অৱশ্যে কিছু অস্বস্তিভাৱে বাহিৰতে তেওঁ ওলাই অহালৈকে বাট চাইছিল। পৰিদৰ্শন হৈ গলে সংশ্লিষ্ট সকলোৰে এটা সকাহ পোৱা যেন হৈছিল।

পৰিদৰ্শনৰ সময়ত ঘুটমুটীয়া আৰু ক'লা বৰণীয়া কলেজৰ হেড চৌকিদাৰ জহৰমলক লগত লৈ আহিছিল। জহৰমলে এটা হাফচাৰ্ট আৰু খাকি হাফপেন্ট পিন্ধি কিছু বেগাই তেওঁৰ পিছে পিছে অহা দৃশ্যটো উপভোগ্য আছিল। জহৰমল আছিল কলেজৰ এটা অংগ স্বৰূপ। কৰ্তব্যনিষ্ঠা আৰু সহায়কাৰী সততাৰ বাবে তেওঁ সকলোৰে প্ৰিয়পাত্ৰ হ'ব পাৰিছিল।

৫০ বছৰৰো ওপৰকাল চাকৰি কৰি থাকোতেই ১৯৫৮ চনত স্বৰ্গী হয়। লগতে কলেজেও এজন বিশিষ্ট কৰ্মী হেৰুৱায়।

প্ৰশাসনত অধ্যক্ষজন কঠোৰ আছিল যদিও তেখেতৰ অন্তৰখন কোমল আছিল। বহু ক্ষেত্ৰত মুখেৰে টান ধৰণৰ দাবি-ধমক দিয়েই ক্ষান্ত আছিল। কোনো এটা দিনৰ ৰাতিপুৱাই কিবা প্ৰসঙ্গত জুবিলী বাগিচাত হোষ্টেলৰ কিছুমান ছাত্ৰই ভাৰতীয় জাতীয় কংগ্ৰেছৰ পতাকা উত্তোলন কৰেগৈ। তেখেতে খবৰটো পোৱাত পলম নহ'ল। বৃটিছ শাসনকালৰ বিদেশী প্ৰশাসক এজনে এই বাবে ক্ষুব্ধ হোৱাটো স্বাভাৱিক। গতিকে এদল ছাত্ৰক অফিচলৈ মাতি নি চমক খোৱা সুৰত ধমক দি ভবিষ্যতৰ কাৰণে সাৱধান বাণী শুনাইছিল। কলেজ চাৰ্টিফিকেটত এই কথাটো উল্লেখ কৰি লিখে বুলি বহুতৰ মনত আশংকা হৈছিল। কিন্তু পিছত দেখা গ'ল যে তেখেতে তেনে ধৰণৰ একো কৰা নাছিল।

এসময়ত কলেজৰ আলোচনী 'কটনিয়ান' সম্পৰ্কীয় বিষয় এটা লৈ বুজন সংখ্যক এচাম ছাত্ৰই আন্দোলন কৰিবলগা হৈছিল। আন্দোলনৰ কেইগৰাকীমান ছাত্ৰনেতা আমাৰ হোষ্টেলতে আছিল। তাৰপৰাই বেছিভাগ কাম - কাজো চলিছিল। সেইবাবো আন্দোলনকাৰীসকলক অফিচলৈ মাতি নি ভালদৰে দাবী-ধমক দিয়াত বাহিৰে আন একো কৰা নাছিল। আন্দোলন হ'লে সফল হৈছিল। কাগজ - কলমে কাকো অন্যায় নকৰা বুলি তেখেতৰ এটা সজনাম থকা কথা শুনা গৈছিল।

খৰালি কালৰ এটা খৰাং দিন। সিদিনাখন কলেজ বন্ধ আছিল। দুপৰীয়া খাই-বৈ উঠি কিছুমান ছাত্ৰই আমাৰ হোষ্টেলৰ আগ চোতালত বহি জিৰণি লৈ আছিল। একাষে তিনি চাৰিজনমানে জুইশলা লৈ কিবা খেলি আছিল। হঠাতে জ্বলি থকা কাঠি এডাল খেৰৰ চালৰ তলডাগত পৰিলগৈ। চালখন আছিল চাপৰ আৰু বৰ ডাঠ। ওপৰখন বৰ শুকাই থকা বাবে ওপৰে ওপৰে জুই আগবাঢ়ি গ'ল। কোনোবা এজনে এখন গামচা তিয়াই ওপৰলৈ দলি মাৰি দিলে। সুচতুৰ আৰু ছাত্ৰবৎসল হোষ্টেল চুপাৰইনটেণ্ডেণ্ট ভুবন মোহন সেন ডাঙৰীয়া মুহূৰ্তৰ ভিতৰতে ওলাই আহিল। এটা হৈ চৈ অৱস্থাৰ সৃষ্টি হ'ল। সকলোৰে মনত এটা ভয়মিশ্ৰিত আতঙ্ক। ইতিমধ্যে কেবাজনেও পানী মাৰি দিয়াৰ ফলত জুই বিয়পি নগৈ নুমাই গ'ল। অধ্যক্ষজনেও ক্ষন্তেকতে ঘটনাস্থলীত উপস্থিত হ'লহি। ইতিমধ্যে অধ্যাপক সেনে হাতত কিছু খেৰ আনি গুৰি কৰি ল'লে। অধ্যক্ষক দেখুৱাই কলে যে কিবা প্ৰাকৃতিক কাৰণতেহে এই জুই লগা যেন অনুমান হয়। কিছু থমকি অধ্যক্ষজনেও খেৰখিনি লাৰি-চাৰি চালে। সৰলচিতীয়া অধ্যক্ষজন আছিল ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক। তেখেতেও সেইটো সম্ভৱ বুলি সহাৰি দি বঙালাৰ ফালে গুচি গ'লগৈ। এটা অতি বিপদজনক ঘটনা এনে সহজ ধৰণে সমাধান হোৱাত সকলোৰে মুৰৰ ওপৰৰ পৰা আতঙ্কৰ ক'লা মেঘ আতৰি গ'ল।

অলপ দিন পিছতে হোৱা টাৰ্মিনেল পৰীক্ষাত 'Spontaneous Combustion' সম্বন্ধে এটা হেনো প্ৰশ্ন আছিল। কিছুদিন আগতে হোষ্টেলত হৈ যোৱা ঘটনাটো উল্লেখ কৰি লেখাটো তেখেতে আশা কৰিছিল। কিন্তু কিছুমানে সেইটো কৰিব নোৱাৰাৰ বাবে তেওঁ হেনো আক্ষেপ কৰিছিল। প্ৰকৃততে এই ঘটনাটো ইচ্ছাকৃত নে দুৰ্ঘটনামূলক সেইটো অৱশ্যে বহুদিনলৈকে সাঁথৰ হৈয়েই আছিল।

গৰমৰ দিনত শ্ৰেণীসমূহত বিজুলি পাঙ্খাবিলাক বেগেৰে চলি থাকে। কেতিয়াবা কেতিয়াবা বৰষুণ হ'লে বতৰ ঠাণ্ডা হয়। কিন্তু পাঙ্খাবিলাক হ'লে বন্ধ নহয়। তেনেকুৱা অৱস্থাত অধ্যক্ষজনে নিজে কমৰ ভিতৰত সোমাই বন্ধ কৰি থৈ যায়। এইটো তেওঁৰ মিতব্যয়ী গুণৰ পৰিচায়ক।

তেখেতে অতি সৰল, আড়ম্বৰহীন আৰু নিয়ন্ত্ৰিত জীৱন যাপন কৰিছিল। চিগাৰেট খোৱা আৰু সুৰাপান কৰা তেখেতৰ অভ্যাস নাছিল। আনকি সেই সময়ৰ সম্ভ্ৰান্ত য়ুৰোপীয়ান ক্লাবলৈ যোৱা - মেলা কৰা আমাৰ চকুত পৰা নাছিল। তেখেতৰ গাড়ী এখনো আছিল; কিন্তু চলাইফুৰা হ'লে দেখা মনত নপৰে। পোচাক-পৰিচ্ছদো আছিল অতি পৰিপাটী আৰু বিশেষ লাহ-বিলাহহীন। চলন-ফুৰণ আৰু কথা বতৰাতো আছিল গহীন-গম্ভীৰ। সেইবাবেই তেখেতক দেখা পালেই স্বাভাৱিকতে এটা ভক্তি ভাৱৰ উদয় হৈছিল। উল্লেখযোগ্য যে তেখেতে ছাত্ৰ আৰু অধ্যাপক সকলৰো মৰম আৰু সন্মান লাভ কৰিবলৈ সমৰ্থ হৈছিল।

তেখেতৰ সময়ৰ জ্ঞানো আছিল অতি উচ্চ ধৰণৰ। অধ্যাপক আৰু ছাত্ৰসকল নিৰ্দিষ্ট সময়ত কলেজলৈ অহা আৰু সময়মতে শ্ৰেণী বহা আদি বিষয়ত তেখেতৰ চোকা নজৰ আছিল। এই ক্ষেত্ৰত জ্যেষ্ঠ অধ্যাপক সকলৰো সজাগতাৰ গম পোৱা গৈছিল। নিজেও ঠিক সময়ত হাজিৰা লৈ সময় খৰচ নকৰাকৈ পাঠদান কৰিছিল। শ্ৰেণীত ছাত্ৰসকলে বহা কৌশলী ব্যৱস্থাৰ বাবেই অনুপস্থিত ৰোল নম্বৰটো চকু ফুৰায়েই জানি লৈছিল। তেতিয়া ছাত্ৰৰ সংখ্যা কম থকাবেই বোধকৰো সেইটো সম্ভৱ হৈছিল। কথাটো কিন্তু অভিনৱ ধৰণৰ।

শ্ৰেণীলৈ যোৱাৰ আগতে অফিচতে পাঠ্যপুথি পঢ়ি লোৱা এটা নিয়মীয়া অভ্যাস আছিল। এদিনাখন এজন জেষ্ঠ অধ্যাপকে তেখেতে কিতাপ চাই থকা সময়তে অফিচ কমৰ দুৱাৰখনলৈ গৈ "May I come in sir ?" বুলি সুধি লৈগে। তেওঁ হেনো কলে, "Not now, Professor " তেতিয়া অধ্যাপক জনে হেনো ক'লে, "Only for half a miunte , sir," তেতিয়া তেখেতে কিতাপখন জপাইথৈ ক'লে, "Full one minute, Professor."

কলেজৰ পৰীক্ষাসমূহ সময়মতে আৰম্ভ আৰু শেষ হোৱা বিষয়ে তেখেতৰ বিশেষ দৃষ্টি আছিল। এইটো নিশ্চিত কৰা বাবে অফিচৰ কোঠাৰ পৰা ওলাই কলেজৰ ইমুৰৰ পৰা সিমুৰলৈ পাক এটা মাৰিছিল আৰু শেষৰ ফালেও মাজেতে ইফালে সিফালে চাইছিলগৈ। এদিনাখন এজন ডেকো প্ৰৱক্তা কিছু পলমকৈ অহা দেখা পালে। তেখেতে একো নকলে। পোনে পোনে বিভাগীয় মুৰব্বীজনক লগ ধৰিলেগৈ। প্ৰৱক্তাজনে সদায় এনেকৈ পলম কৰে নেকি সুধিলে। সেইদিনাহে পলম কৰি অহা বুলি কোৱাত বিষয়টো তাতেই শেষ পৰিল। কথাটো সৰু। কিন্তু ই তেখেতৰ সুক্ষ্ম বিচাৰ বুদ্ধিৰ পৰিচয় দিয়ে।

আমাৰ সময়ত কলেজৰ টেনিচ্ কোৰ্ট আছিল দুখন। তাৰে এখনত ভুবনমোহন সেন, ৰায় বাহাদুৰ বিজয় চন্দ্ৰসেনগুপ্ত, হৰ্ষনাথ সেন আৰু আবুল ফজল চাহাব, শ্ৰী অতুল চন্দ্ৰ দত্ত প্ৰমুখ্যে কলেজৰ কেইগৰাকীমান

জ্যেষ্ঠ আৰু সন্মানিত অধ্যাপকে কিছু নিয়মিত ভাৱে টেনিচ্ খেলিছিল। খেলৰ মান উচ্চ নাছিল যদিও তেওঁলোকেৰ উৎসাহ প্ৰশংসনীয় আছিল। আন দুগৰাকী অধ্যাপক পি. চি. ৰয় আৰু ডঃ হিৰণ্য চন্দ্ৰ ভূঞাৰ খেল আছিল উচ্চমানসম্পন্ন আৰু শিক্ষাপ্ৰদ। তেওঁলোকে কিছুমান ট্ৰফিও অৰ্জন কৰি কলেজৰে গৌৰৱ বঢ়াইছিল। অধ্যক্ষ টম্ছন্ চাহাব নিয়মীয়া খেলুৱৈ নাছিল। কিন্তু গুৱাহাটী ডাবলছ টেনিছ্ প্ৰতিযোগিতা আদিত হ'লে যোগদান কৰিছিল। এবাৰ তাৰেই এখন খেলত তেখেতেৰ পাৰ্টনাৰ আছিল সেই সময়ৰ কামৰূপৰ উপায়ুক্ত মিঃ লেইনী, আই. চি. এছ আৰু মোৰ পাৰ্টনাৰ আছিল খ্যাতিমান টেনিচ্ খেলুৱৈ স্বৰ্গীয় বিবেকানন্দ ভৰালী। সেইখেলত আমি ভালদৰে জয়ী হওঁ। মই চাৰ্ভিচ কৰোঁতে বলটো মাটিত পৰি অলপ চুচৰি গৈছিল। ডঃ টম্ছন্ আছিল বেছ ওখ। তেখেতে হালি বলটো ধৰাত টান পাই ছিল। খেলতৰ শেষত বলটো সেই ধৰণে কেনেকৈ মাৰো সেইটো সুধিছিল, মই কিন্তু ভালকৈ বুজাব পৰা নাছিলো।

অধ্যক্ষ টমছনে আবেলি ৰেল লাইনৰ কাষে কাষে কিছুদুৰলৈ নিয়মীয়াভাবে ফুৰিবলৈ গৈছিল। খাকি হাফ্পেন্ট আৰু বগা হাফচাৰ্ট এটা পিন্ধি হাতত লাঠী লৈ দীঘলীয়া খোজ দি এনেদৰে ফুৰা দৃশ্যটো চকুত লগা আছিল।

" Sudmersen and Tompson used to go out for a walk just when the hostellers had their outing and they used to return just when the return bel rang for the students. Like students they too would sit behind the book case till bed-time. These were really wholetime principals. Both these were regorous in checking accounts, even hostel accounts." (My Reminiscences of a Generation Time: By Hem Baruah, Cotton College Diamond Jubilee Volume, Page - 149)

এইখিনিতে প্ৰসঙ্গক্ৰমে এটা কথা উল্লেখ কৰিব পাৰি। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাত অধ্যক্ষ স্থুড্মাৰ্ছন আৰু টম্ছন্ চাহাব দুয়োজনেই কটন কলেজেই বিশ্ববিদ্যালয় হোৱা বুলি ভাবি সুখ আৰু গৌৰৱ অনুভৱ কৰিছিল। এই ধাৰণাই তেখেত সকলৰ প্ৰিয় কটন কলেজৰ সাম্ভাব্যপূৰ্ণ ভৱিষ্যত সম্বন্ধে আশাবাদী মনৰ পৰিচয় দিয়ে। স্থুড্মাৰ্ছন চাহাবে এই বিষয়ে সন্তোষ প্ৰকাশ কৰি কাৰোবালৈ চিঠি লিখা বুলিও শুনিছিলোঁ। টম্ছন্ চাহাবেও তেওঁৰ পূৰ্ব-স্মৃতিত এই বিষয়ে বহু বিতংভাৱে উল্লেখ কৰিছিল।

১৯৩১ চন। তেতিয়া কলেজ এৰাৰ সময়। তাৰ আগতে এদিন তেখেতক দেখা কৰিলোঁগৈ। লগতে কলিকতাত এম. এ পঢ়া বিষয়েও জনালোঁ। কলিকতাত ক'ত থাকিম বুলি প্ৰশ্ন কৰিয়েই এইদৰে ক'লে, " Don't go to a cheap place. Cheap places are bad places." তেখেতৰ উচ্চমন আৰু নিকা পৰিবেশপ্ৰিয়তাৰ এইটোও এটা নিশ্চিত আভাস।

১৯৩৪ চনত মই এম.এ পাছ কৰোঁ। তাৰ পিছত কি কৰা যায় সেই বিষয়ে স্বাভাৱিকতে চিন্তা হ'ল। শিক্ষা বিভাগৰ কোনো কামৰ প্ৰতি হ'লে আগৰ পৰাই এটা আকৰ্ষণ আছিল। এই বিষয়ে পৰামৰ্শ বিচৰা ধৰণে আৰু কিবা সহায় হ'ব বুলি ভাবি ডঃ টম্চন্ চাহাবলৈ চিঠি এখন লিখিলো। তেতিয়া তেখেত আছিল গ্লাছগ'ত। অলপ দিন পিচতেই উত্তৰ হিচাপে ভাল ধৰণে লিখা চিঠি এখন পাই বিশেষ সুখী হৈছিলো। আচৰিত কথা, প্ৰায় আঠ বছৰকাল আগতে কলেজত থকা কালছোৱাত ছাত্ৰ আৰু খেলুৱৈ হিচাপে মোৰ প্ৰতি থকা তেখেতৰ ধাৰণা চিঠি খনত স্পষ্টভাৱে প্ৰকাশ পাইছিল। ভাবিলে কথাটো কিছু আচৰিত পৰিতাপৰ কথা যে চিঠিখন বৰ্ত্তমান মোৰ হাতত নাই।

এবাৰ কানিংহাম চাহাবে কেইমাহমানৰ চুটি লোৱাত তেখেত অসমৰ শিক্ষাধিকাৰ নিযুক্ত হয় সেইবাবে কলেজৰ অধ্যাপক সকল সুখী হোৱাটো স্বাভাৱিক। এদিনাখন কেইজনমান লগ লাগি তেখেতক চাৰ্কিট হাউচত সৌজন্যমূলক সাক্ষাতৰ উদ্দেশ্যেৰে লগ ধৰিলেগৈ। তেখেতে ওলাই আহি নমস্কাৰ জনাই বহিবলৈ দিলে। কিছুসময় কথা বতৰা চলিল। দীঘলীয়া কথা - বতৰা চলিলে সময় ক্ষতি হোৱা ভাবএটা মনত সোমাল। তাৰ অলপ পিছতেই তেখেতে হেনো " Good morning, gentlemen, time is not mine, not yours. It is public time." এইবুলি কৈ কোঠাৰ ভিতৰ সোমাবলৈ প্ৰস্তুত হ'ল। অধ্যাপক সকলেও বিদায় লৈ গুচি আহিল।

তেখেতে ১৯৩৩ চনত কামৰপৰা অৱসৰ লয়। কলেজ এৰি যাবৰ দিনাখনো কলেজলৈ আহি হেনো কিছু কাম-কাজ কৰিছিল। কেইগৰাকিমান অধ্যাপকে তেখেতক লগ ধৰিলে। তেওঁলোকৰ ইচ্ছা পাওঁলৈ গৈ অধ্যক্ষজনক ফেৰীত তুলি দি বিদায় দি আহিব। কাজেই 'Class Cancel' কৰাৰ বাবে অনুৰোধ জনালে। তেখেতে হেনো গহীন আৰু ধন্যবাদসূচক ইংৰাজী ভাষাত ক'লে, মই যোৱা মানুহ যামগৈ। তাৰ বাবে ক্লাছ ক্ষতি কৰা আৰু আপোনালোকে কষ্ট কৰাৰ কি আৱশ্যক? এনে কথাবোৰে অধ্যক্ষজনৰ সময়ৰ মূল্যবোধ আৰু উচ্চ কৰ্তব্য জ্ঞানৰ সম্যক পৰিচয় দিয়ে।

ইংলণ্ডত কটন কলেজৰ কোনো সহকাৰী বা প্ৰাক্তন ছাত্ৰক লগ পাবলৈ তেখেত আগ্ৰহান্বিত আছিল। কেতিয়াবা কাৰোবাক লগ পালে বৰ সুখী হৈছিল। বিলাতত গৱেষণাৰ কামত থাকোঁতে ডাঃ সূৰ্য কুমাৰ ভূঞাই হেনো এবাৰ তেখেতক দেখা কৰিছিল গৈ। ডঃ ভূঞাই তেখেতৰ আদৰ অভ্যৰ্থনা অতি সন্তোষেৰে উপভোগ কৰে। প্ৰাক্তন অধ্যক্ষ গৰাকীয়ে তেখেতৰ প্ৰিয় কটন কলেজ, মনত থকা সহকাৰীসকল, গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসমৰ বিষয়ে নানা কথা জানিব পাৰি বিশেষ সন্তোষ প্ৰকাশ কৰিছিল।

সংস্কৃতৰ প্ৰথিতযশা অধ্যাপক লক্ষীনাৰায়ণ চেটাৰ্জীৰ পুত্ৰ দেবব্ৰত চেটাৰ্জী আছিল কটন কলেজৰ এজন মেধাবী ছাত্ৰ। তেওঁ এডিনবৰাত উদ্ভিদ বিজ্ঞানৰ গৱেষণা চলাই থকা কালত এবাৰ টম্ছন্ চাহাবক দেখা কৰিবৰ মন কৰিলে। সেই মৰ্মে যোৱাৰ তাৰিখ আৰু সময় আদি জনাই তেখেতলৈ খবৰ দিলে। চেটাৰ্জীক লগ ধৰিবলৈ তেখেত যথাসময়ত গ্লাছগ' বাছ ষ্টেণ্ডত হাজিৰ হ'লহি। চেটাৰ্জীয়ে আহি পাই দেখে যে লাঠী এডালত ভৰ দি হালি টমছন্ চাহাবে তেওঁৰ কাৰণে অপেক্ষা কৰি আছে। তেওঁ এই টো মুঠেই আশা কৰা নাছিল। স্বাভাৱিকতে চেটাৰ্জী বৰ সুখী আৰু কৃতজ্ঞ হ'ল। লগতে অধ্যক্ষকজনৰ বয়সক নেওচা দিয়া উচ্চমানৰ বিশিষ্ট শিষ্টাচাৰ দেখি তেওঁ বিশেষভাবে আচৰিতো হৈছিল। দুদিনমান তেখেতৰ ঘৰতে আলহী থাকি সন্তোষ মনেৰে নিজ কৰ্মস্থলীলৈ তেওঁ ঘূৰি আহিল।

স্বৰ্গত চন্দ্ৰনাথ কলিতাই টমছন্‌ৰ বিষয়ে লেখিছিল— " Mr David Thompson, M. A. Ph. D (Glasgow & Gottingen), was principal and senior professor of chemistry in the college for a good number of yers between 1926 and 1933 and he served the cause of education in Assam also in other capacities as Inspector of schools and D.P.I. He was tall, straight and handsome, a staunch tectotaler in habits and severely puritanic in soul. He ably kept flying the high banner of Sudmersen by his inspiring example and singularly scrupulous sense of duty. Working every minute of his time, he would go through the entire ness accounts and reject any entry which was "not properly attested". The bell struck and he set his foot upon the college building, and working unremittently retired to his quarters only when the students dispersed at the final bell. It is said that the Englishman's God is the clock; it was more so with this scotchman." (The principals at the college) prof. C.N. kalita M.A, BL; the Golden Jubilee Volume; cotton college: Guwahati 1951-52; page 102)

অধ্যক্ষ ডঃ ডেভিদ টমছন্ সম্বন্ধে আৰু এটা বিশিষ্ট মত উল্লেখযোগ্য ঃ

" He burned with a zeal to do something for his students and he grudged no pains to see that everything ran in order. Dr. Thompson was a Scottish gentleman and had genuine sympathy for Indian aspirations unlike the Imperialists of his day. The tenacity in his work that he showed and the drive that he gave, I do not consider as matters of the past, since they are still reverberating in the atmosphere. When we look to the past, we see the light of other days around us." (A Glimpseof My College Days) Holiram Deka, Cotton College Diamond Jubilee Commemoration Volume (1901-1961), page -135)

মই তেতিয়া বিশ্ববিদ্যালয়ৰ কাম কৰি আছোঁ। এদিনাখন অধ্যক্ষ টমছন্ চাহাবলৈ হঠাৎ মনত পৰিল। প্ৰসঙ্গ কি আছিল মনত নাই। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱা জানি তেখেতে সুখী হোৱাটো জানিছিলোঁ। কাজেই ইয়াৰ বৰ্তমান অৱস্থা সম্বন্ধে কিছু খা-খবৰ দিয়াটো ভাল হ'ব বুলি মনত এটা ভাব খেলালে। বছৰেকীয়া প্ৰতিবেদনত বিশ্ববিদ্যালয় সম্পৰ্কীয় সকলো কথা যথাসম্ভৱ সম্পূৰ্ণকৈ লেখা হয়। কাজেই চিঠি এখন লিখি ১৯৫৯-৬০ চনৰ ছপা বছৰেকীয়া প্ৰতিবেদন এখন পঠিয়াই দিলোঁ। তেখেতৰ পৰা যে কিবা খবৰ পাম সেইটো হ'লে আশা কৰা নাছিলো। কিয়নো তেতিয়ামানে তেখেতৰ যথেষ্ট বয়স হৈছিল। তেনে অৱস্থাত অসমৰ শিক্ষা আদি বিষয়ত তেখেতৰ কিবা আগ্ৰহ থকাটো সন্দেহজনক বুলি ভবাৰো থল আছিল। কিন্তু অলপ দিন পিছতেই তেখেতে নিজ হাতে লিখা তলত (সিপিঠিত) দিয়া চিঠিখন পাই বিশেষভাবে সুখী হ'লো।

চিঠিখনে তেখেতৰ সৌজন্য আৰু শুভাকাঙ্খী মনৰ সম্যক পৰিচয় দিয়ে। লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ উন্নতিত প্ৰাক্তন শিক্ষাবিদ এগৰাকীৰ মানসিক সন্তুষ্টিৰো এটা স্পষ্ট আভাস পোৱা যায়। টমছন চাহাবে এইদৰে স্মৃতিচাৰণ কৰিছে;

"The cotton college was established in 1901; so it was a healthy ten-year-old institution when I joined the staff at the end of the February, 1911. Mr. Sudmersen was then *principal and had been so, I think, from its inception.* No principal ever gave more devoted and unstinting service to his charge than he did. As somebody said : "Mr. Sudmersen was the Cotton College and the Cotton College was Mr. Sudmersen."

By 1911, there were, if I remember aright about 500 students - all male - mainly Assamese and Bengali, but with samples of most other races in India. Indeed the college was a regular little cosmos of the greater India - a fact which made the work to me, at least, exceedingly interesting. The college had affiliation to Calcutta University upto B.A. standard in all the usual subjects, and to the B.Sc standard in Mathematics, Physics, and Chemistry. Affiliation to the M.A. standard in English, and to the I.Sc and B.Sc standard in Botany came later. The admission of the female students came later still when, on the retirement of Mr. Sudmersen, in 1926, I became principal. Assam owes a great debt of gratitude to the American Baptist Missionaries, and especially to my great friend the late Dr. Mrs. Tuttle, for admitting, without proselytising conditions, our lady students to the mission hostel at Satribari etc. Had they not done so, and thus helped to solve the very difficult problems of accomodation and guardianship, I don't think I should have dared to press for the admission of female students to the college at all.

When I retired in 1933, after seven years as principal there were, I think, about 750 students, including about 30 female students.I learn the college now has 1500 students, though I do not know how many female students are included. I hope they have increased proportionately. Educate a women and you educate a family. It is still true that the hand that rocks the cradle rules the world.

To meet the needs of 1500 students there are, I hope, now many new class rooms and new hostels, all duly equipped with electric lights and fans. Greatly increased library and laboratory accomodation must also be necessary. There would be no difficulty about increasing the staff.

During the course of the last world war I often wondered what was happening in Assam. I offered to go back at that time ; but my offer was declined with thanks. Rumour had it that the college had been shut down, and the building requisitioned by the Military authorities. I hoped that was untrue, but, as wholesale requisitioning was the order of the day here, it did not seem impossible. I am still in ignorance of the facts. Then there was the recent terrible earthquake. How did that effect you ? Rumour also had it that Cotton College was now the University of Assam, and

was transferred to a new site near Pandu. I hoped that was true. A site apart, with ample space for playing fields and hostels, some distance from the town, as at Murarichand College, brings great advantages. The cost, however, would be very high-far higher than in the case of the Murarichand College, owing to the general rise in the price of labour and materials caused by the war.

I understand there is now a Broadcasting station and an Aerodrome some where near Guwahati. In fact, I expect I should hardly recognise the old place if I went back now. I wish, with all my heart, that I could play a personal part in the forthcoming celebrations, if only to satisfy my natural curiosity regarding all these questions and to experience the joy of meeting old friends and students again. Alas, for health and other reasons that is not now possible.

Whatever happens, I hope the ideals we all did our best to inculcate in the past are still being taught, that your students of all races and creeds still live and learn and play happily together, and leave college (or University) better and healthier men and women than when they entered it, well fitted to play a helpful and unselfish part in the development of the new India that is to be. Above all, I hope they have learn to distrust any narrow nationalism or sectarianism, and while continuing to love their native land the best have discovered like Edith Cavell that "patriotism is not enough." The world of radios, jet-aeroplane and Radar has become too small for wars and selfish squabbling. Like the Rotarians of today "Service before Self" must be our watch word, and in that way the vision of the great poet of my country may yet be fulfilled. Robert Burns in his great poem : " A Man's Man For A' That" Says :

" For a' that an a' that,
Its comming yet for a' that,
That man to man the world over,
Shall brothers be for a' that".
FORWARD COTTONIANS!

(The Golden Jubilee Volume, Cotton College, Guwahati 1951 - 52 : pages 81 - 82)

ডঃ টমছনৰ কটনিয়ান সকললৈ পঠোৱা শুভেচ্ছা বাণীটো হ'ল ঃ

Dear Cottonians,

When I sent a contribution to the Golden Jubilee Volume ten years ago, I scarcely expected to live long enough to be asked to contribute also to the Diamond Jubilee Volume. I am now in my 83rd year. It is 50 years since I went to India and began an association with the Educational Services in Assam that lasted for 23 years.

I count myself a very lucky man indeed to have taken some part in the development of these services and to have had such a rich and varied experience, fast as senior professor of chemistry and subsequently as principal in cotton college. Owing to the reorganisation necessitated by world war 1, I also acted as officiating Inspector of Schools, first in the Assam Valley, and Hills District. In addition, I officiatted for Mr. Cunningham as Director of Public Instruction when he went on eight months leave in 1925.

At first, Cotton College was only an affiliated college of the University of Calcutta, tought relatively few sujects, an catered for less than 1000 students, of when in 1933 only about 30 were women. Now, Assam has its own University with 33 affiliated colleges, which together deal with more than 20,000 students, including about 1000 women. Both the women's colleges - Handique college in Guwahati and the Lady Keane College in Shillong give education up to B.A. standard. I regard this expansion and enrichment of women's education as great development, full of promise for the future of Assam.

I have also observe with pleasure other notable achievments, such as the establishment of a Agricultural College, A Medical College in Dibrugarh, and Engineering and Veterinary College in Guwahati. These and other institutions have an impressive record of research, both accomplished and in progress.

We, who knew India in the old days, and grew to love it and its peoples take special pride in watching the achievments of the new India. India continues to need all the university- trained men and women that it can get, to help with its many problems and to bring its prosperity and honour. I am sure that the coming flood of graduates from the University of Gauhati will go forth and bring credit to themselves and to their lovely country.

Ave atque vale : Hail and farewell.
David Thomson
Cotton College Diamond Jubillee commemoration
Volume : 1901 - 1961

অসমৰ শিক্ষা বিভাগৰ উচ্চ পদত সুদীৰ্ঘকাল সুখ্যাতি আৰু দক্ষতাৰে কাম কৰাৰ ফলত অসম আৰু বিশেষকৈ কটন কলেজৰ প্ৰতি তেখেতৰ প্ৰীতিভাৱ জন্মাটো স্বাভাৱিক। তেখেতৰ মনটোও সততে কলেজৰ উন্নতিকামী আছিল। কলেজৰ ছাত্ৰসকলৰ প্ৰতিও সদিচ্ছা আৰু অনুপ্ৰেৰণামূলক ভাৱ তেখেতৰ পূৰ্ব স্মৃতিত উল্লেখ কৰিছে। অসমৰ শিক্ষা সম্প্ৰসাৰণ - গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন আৰু অসমৰ স্ত্ৰী শিক্ষাৰ বিস্তাৰ হোৱা আদি বিষয়েও তেখেতে বিশেষ সন্তুষ্টি লাভ কৰা কথা তেখেতৰ পূৰ্ব স্মৃতিত ভালদৰে প্ৰকাশ পাইছে।

মানুহৰ বয়স বঢ়াৰ লগে লগে অতীতৰ প্ৰতিও মৰম বাঢ়ে। ইয়াত লেখা কথাবোৰ বেছ পুৰণি। মনত পৰিলে ভাল লাগে। সেয়েহে অতীত প্ৰীতিৰ চিনস্বৰূপে এজন বিশিষ্ট শিক্ষাবিদৰ বিষয়ে কিছু কথা লেখা হ'ল।

*( প্ৰবন্ধটো অসম প্ৰকাশন পৰিষদৰ আলোচনী 'প্ৰকাশ'ত প্ৰকাশ পাইছিল)*

# কলেজ

# চৌহদ



# কটনিয়ানৰ গৌৰৱ



সূৰজ ভাৰেচ
১ম স্থান, বিজ্ঞান শাখা



চন্দনদীপ নাথ
২য় স্থান, বিজ্ঞান শাখা



ভাস্কৰজ্যোতি বৰা
৩য় স্থান, বিজ্ঞান শাখা



জ্যোতিৰাজ শৰ্মা
৫ম স্থান, বিজ্ঞান শাখা



নয়নমনি ভেকা
৬ষ্ঠ স্থান, বিজ্ঞান শাখা



মৃদুপৱন দাস
১০ম স্থান, বিজ্ঞান শাখা



মৌচুমী চহৰীয়া
৩য় স্থান, কলা শাখা



মৃগাংক কুমাৰ শৰ্মা
৮ম স্থান, কলা শাখা



অমৃতা গোস্বামী
১০ম স্থান, কলা শাখা

# উদিত প্ৰতিভাৰ জিলিঙনি



পিংকী প্ৰধান
স্বৰ্ণপদক বিজেতা, আৰ্ম্ ৰেষ্টলিং



মুকুট আহমেদ
ৰূপৰ পদক বিজেতা, তৰ্ক ইয়থ ফেষ্টিভেল
গু. বিশ্ববিদ্যালয়



সুমনা দত্ত
চেম্পিয়ন, ভবা (ছোৱালী)





অমৰজ্যোতি শৰ্মা আৰু নয়নমণি গগৈ
চেম্পিয়ন, কেৰম ডবলচ



শৈলজানন্দ শইকীয়া
শ্ৰেষ্ঠ বেটচ্‌মেন কটন কলেজ সপ্তাহ



প্ৰশান্ত টায়ুং
শ্ৰেষ্ঠ ভলীবল খেলুৱৈ



শীতাংশু সিন্‌হা
চেম্পিয়ন, ভবা (ল'ৰা)



নম্ৰতা গগৈ
একক বিজয়ী কেৰম (ছোৱালী)



নৱজ্যোতি পাঠক
শ্ৰেষ্ঠ অভিনেতা
মহাবিদ্যালয় সপ্তাহ



অমৃতা গোস্বামী
শ্ৰেষ্ঠা অভিনেত্ৰী



মলয়া নেওগ
শ্ৰেষ্ঠা সমাজসেৱিকা



মৌচুমী চহৰীয়া
শ্ৰেষ্ঠা গায়িকা ১৯৯৬ - '৯৭



পল্লৱী নাথ
শ্ৰেষ্ঠা গায়িকা ১৯৯৭ - '৯৮



মানস কুমাৰ ডেকা
শ্ৰেষ্ঠ অভিনেতা গু.বি. যুৱমহোৎসৱ



দীপম বৰ্মন
শ্ৰেষ্ঠ কৌতুক অভিনেতা
মহাবিদ্যালয় সপ্তাহ



শ্ৰেষ্ঠ নাট্যদল, মহাবিদ্যালয় সপ্তাহ

থিয়হৈ - মনজিৎ ডেকা, নিতুল ভূঞা, অনন্ত স্মিথ
বহি - নৱজিৎ পাঠক (শ্ৰেষ্ঠ অভিনেতা), প্ৰদীপ বৰুৱা (অধীক্ষক), কৃষ্ণকান্ত দাস (শ্ৰেষ্ঠ পৰিচালক )



সৰজু ডেকা
শ্ৰেষ্ঠা একক অভিনেত্ৰী



মুনমুন মেধী
শ্ৰেষ্ঠা ধ্ৰুপদী নৃত্যপটিয়া



কৃষ্ণকান্ত দাস
শ্ৰেষ্ঠ পৰিচালক



প্ৰাঞ্জল প্ৰতীম দত্ত
শ্ৰেষ্ঠ হকী গোল ৰক্ষক



তপন দাস
সোণৰ পদক বিজেতা তাইকোৱাণ্ডো
(বি. শৰুৱাত অনুষ্ঠিত)



মনজিৎ ৰাজখোৱা ,
বেঁটুপাতৰ শিল্পী




শান্তনু গগৈ
পাঞ্জাব চেম্পিয়ন



ৰমেশ টেৰণ
শ্ৰেষ্ঠ এথেলেট



মনিকুন্তলা শইকীয়া
শ্ৰেষ্ঠা এথেলেট



সঞ্জীব বৰ্মন
মি. কটনিয়ান



প্ৰাণজিৎ বৰা
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



বাস্কেট বল বিজয়ী দল
বহি ঃ (বাওঁফালৰপৰা ) তপন দাস,
আলোকজ্যোতি মহন্ত, তপন দলৈ
থিয়হৈ ঃ (বাওঁফালৰ পৰা) প্ৰসুন চক্ৰৱৰ্ত্তী,
মাধুৰ্য্য ফুকন, এম. মেধি।



মহিলা ক্ৰিকেট বিজয়ী দল
নলিনীবালা দেৱী ছাত্ৰীবাস ঃ
এম. চেতিয়া (কেপ্তেইন), এম. শইকীয়া, এম. কলিতা,
বি. বৰুৱা, পি. ফুকন, বি. বৰুৱা, এম. দলগাফা, আৰ.শইকীয়া,
পি. কটকী, বসুমতাৰী, এচ. নেওগ, এম. দাস।



যুটীয়া ফুটবল চেম্পিয়ন, এ. আৰ. বি. ছাত্ৰাবাস
(আৰ. কে. বি. ছাত্ৰাবাসৰ ফটো পোৱা নগ'ল)



ভলীবল চেম্পিয়ন, এ. আৰ. বি. ছাত্ৰাবাস



ল'ৰাৰ মাৰ্চ্চ পাষ্টৰ ফটো



ছোৱালীৰ মাৰ্চ্চ পাষ্টৰ ফটো




NSS ৰ ফটো

# সম্পাদকলৈ চিঠি

***প্ৰিয় সম্পাদক ডাঙৰীয়া,***

*অসমৰ অন্যান্য মহাবিদ্যালয় সমূহৰ তুলনাত কটন মহাবিদ্যালয় অন্যতম শ্ৰেষ্ঠ মহাবিদ্যালয়। উৎ কৃষ্টতাৰ কেন্দ্ৰ। এইখন কলেজত নামভৰ্ত্তি কৰাৰ আগলৈকে আমাৰ মনতো বহু কিবা কিবি ধাৰণাই আছিল। ভাবিছিলো কটন কলেজত ছাত্ৰ-ছাত্ৰীৰ সা-সুবিধা অন্য মহাবিদ্যালয়তকৈ বহুত বেছি। কিন্তু এতিয়া দেখিছো — অন্য সাধাৰণ মহাবিদ্যালয়তকৈ ইয়াত বহুত সুবিধাই নাই।*

*ক) কটন কলেজৰ স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ, ৰাজনীতি বিভাগৰ শ্ৰেণী কোঠাৰ অৱস্থা (শীৰ্ষ মহলাত) ইমান বেয়া যে এজাক বৰষুণ দিলে শ্ৰেণীকোঠা পানীৰে ভৰি পৰে। শ্ৰেণীকোঠাত ডেস্ক, বেঞ্চৰ অভাব। শ্ৰেণীকোঠাৰ ওপৰৰ ছাঁদৰ অৱস্থা ইমান ভয়ংকৰ যে চাদৰ পকী খহি শিক্ষক — ছাত্ৰ-ছাত্ৰীৰ গাত সৰি পৰে।*

*খ) ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰয়োজনীয় গ্ৰন্থ পুথিভঁৰালত পাবলৈ নাই। যিবিলাক পোৱা যায় — out of syllabus*

*গ) মহাবিদ্যালয়ত থকা খোৱা পানীৰ ব্যৱস্থা সমূহ বহুদিন ধৰি বিকল হৈ আছে — যাৰ ফলত ছাত্ৰ-ছাত্ৰী বাহিৰলৈ পানী খাবলৈ যাব লগা হৈছে। কৰ্তৃপক্ষৰ মন - কাণ নাই।*

*ঘ) ছাত্ৰ-ছাত্ৰীৰ তুলনাত ছাত্ৰাবাস, ছাত্ৰীবাসৰ সংখ্যা তাকৰ। ইয়াৰ ফলত দুৰণিৰ ছাত্ৰ-ছাত্ৰীৰ অসুবিধাৰ অন্ত নাই। আনহাতে ছাত্ৰাবাস - ছাত্ৰীবাসত নামভৰ্ত্তি খাম খেয়ালি নোহোৱাকৈ হয় বুলি বিশ্বাস কৰিব পাৰোনে? শেষত কটন মহাবিদ্যালয়ত এগৰাকী স্থায়ী অধ্যক্ষৰ নিযুক্তি কামনা কৰিছো। জয়তু কটন কলেজ।*

*আয়ুবৰ ৰহমান*<br>
*স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ, ৰাজনীতি বিভাগ।*

***সম্পাদক মহাশয়,***

*নমস্কাৰ ল'ব। কেৱল পাঠ্যপুথি অধ্যয়ন কৰিয়ে এজন ছাত্ৰ বা এজনী ছাত্ৰীয়ে নিজৰ প্ৰতিভা বিকাশ কৰিব নোৱাৰে। এক কথাত মানসিক পৰিশ্ৰমৰ লগতে প্ৰকৃত উৎকৰ্ষ সাধনৰ বাবে শৰীৰীক পৰিশ্ৰমৰো দৰকাৰ। অথচ আমাৰ কলেজত এটা সৰু ব্যায়ামগাৰ নাই। খেল ধেমালীৰ কোনো সজুলি নাই। তাতোকৈ ডাঙৰ কথা — এখন নিজা খেলপথাৰ নাই। অন্য মহাবিদ্যালয়ত থকা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী কটন কলেজত আছে নে নাই আৰু যদি আছে তাৰ কাৰ্যাৱলীৰ বিষয়ে আমি কটনিয়ান সকলে একো নাজানো।*

*এনেকুৱা পৰিবেশত আমাৰ মুৰটো ডাঙৰ হৈ গৈ গৈ হাত ভৰিচেৰেলা পৰিবৰহে কথা। যুৱ সমাজ বিপথগামী হোৱাৰ প্ৰসংগও ইয়াতেই লুকাই আছে।*

*ধন্যবাদেৰে।*

*অংকুৰদেব চৌধুৰী, অৰ্থনীতি বিভাগ*<br>
*সুনীল চহৰীয়া*<br>
*অৰূপ কলিতা, ৰাজনীতি বিভাগ*

***মাননীয় সম্পাদক ডাঙৰীয়া,***

*প্ৰীতি সম্ভাষণ গ্ৰহণ কৰিব। আপোনাৰ দ্বাৰা সম্পাদিত 'কটনিয়ান'ৰ যোগেদি মোৰ মনত আলোড়িত হৈ থকা দুটামান ভাব প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছোঁ। মইও এগৰাকী এই মহাবিদ্যালয়ৰে ছাত্ৰী। মই আন কটনিয়ানসকলৰ দৰেই এই মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিছিলোঁ। মোৰ আশাক, মোৰ লক্ষ্যক সঁচা ৰূপত পাবলৈ সংকল্প লৈছিলো। কিন্তু মই এতিয়া হতাশাত ভুগিছোঁ। সৰুৰে পৰাই এই মহাবিদ্যালয়ৰ কৃতিত্ব, যশস্যা শুনি আপ্লুত হৈছিলো। মনতে কল্পনা কৰিছিলোঁ, মইও এদিন কটনিয়ান হ'ম। কিন্তু যেতিয়া এই কল্পনা কাৰ্য্যক্ষেত্ৰত পৰিণত হ'ল, তেতিয়া আজিৰ কটনিয়ানৰ মানসিকতাৰ লগত পৰিচিত হোৱাৰ সুবিধা পালোঁ। আজিৰ বহুতো কটনিয়ানে কেৱল পাঠ্য-পুথিৰ পৰা জ্ঞান আহৰণ কৰি পৰীক্ষাত ভাল ৰিজাল্টট' কৰিব বিচাৰে। নিজৰ মেধা শক্তিক সমাজৰ আগত পৰিচিত কৰাব বিচাৰে। কিন্তু কোনোৱে অফ্ পিৰিয়দ বা অন্য সময়ত গৈ পুথিভঁৰালৰ মূল্যবান কিতাপৰ লগত বন্ধুত্ব স্থাপন*

কৰিব নিবিচাৰে। সকলোৰে হাতত সময়ৰ অভাৱ। বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীটো দূৰৰে কথা, কলা বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ হাততো সময়ৰ অভাৱ। বহুতেই পুথিভঁৰালত গৈ ব'ৰ হোৱাতকৈ মহাবিদ্যালয়ৰ বাৰান্দাত বহি হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰি শ্ৰেণীত শিক্ষাদান কৰি থকা শিক্ষকক, বিৰক্তি দিয়াটো ভাল কাম বুলি ভাবে। ফলত পাঠকৰ অভাৱত পুথিভঁৰালৰ মূল্যবান কিতাপসমূহ তাতেই পৰি ৰ'ব ধৰিছে।

সমগ্ৰ অসমৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ভাল ৰিজাল্টট, কৰা ছাত্ৰ-ছাত্ৰসকলহে কটন কলেজলৈ আহে। কাৰণ ইয়াৰ ৰিজাল্ট অন্য কলেজৰ তুলনাত প্ৰতিবছৰেই ভাল হয়। কিন্তু তেওঁলোকৰ সম্পৰ্ক অকল পাঠ্যপুথিৰ লগতে সীমাবদ্ধ। অন্যান্য সামাজিক ক্ৰিয়াকলাপৰ লগত তেওঁলোকৰ সম্পৰ্ক নাই। ইয়াৰ উদাহৰণ কলেজখনত অনুষ্ঠিত হোৱা বিভিন্ন ধৰণৰ আলোচনাচক্ৰ প্ৰতিযোগীতা ইত্যাদিৰ পৰাই পাব পাৰি। কিন্তু সত্তৰৰ দশকৰ শেষলৈকে যুগটো আছিল কটন কলেজৰ কাৰণে সোণালী যুগ। সেইসময়ৰ কটনিয়ান সকলে পঢ়াশুনাৰ উপৰিও সকলো ক্ষেত্ৰতে উচ্ছাসেৰে অংশগ্ৰহণ কৰিছিল। প্ৰতিটো শনিবাৰে অনানুষ্ঠানিক বৈঠক অনুষ্ঠিত হৈছিল। বিভিন্ন ধৰণৰ বিষয়ৰ ওপৰত বিভিন্ন ধৰণৰ আলোচনাচক্ৰ অনুষ্ঠিত হৈছিল। আৰু কটনিয়ানসকলেও অতি আগ্ৰহেৰে সক্ৰিয়ভাৱে প্ৰতিটো ক্ষেত্ৰতে অংশগ্ৰহণ কৰিছিল। কিন্তু বৰ্তমানৰ কটনিয়ানসকলৰ সৃষ্টিশীল কাম কাজৰ প্ৰতি চৰম অনীহা। ইয়াৰ মূলতে কটনিয়ানসকলৰ কেৰিয়াৰৰ প্ৰতি অধিক সচেতনতা। কিন্তু আজিৰ সমাজে কটনিয়ানসকলৰ পৰা বহুখিনি আশা কৰে। কিন্তু তেওঁলোকে ইয়াক দিব পৰা নাই! তেওঁলোকৰ লক্ষ্য কেৱল মেধাৰ লগত ঘনিষ্ঠভাৱে সম্পৰ্ক স্থাপন কৰা। অৱশ্যে কিছু কটনিয়ান ইয়াৰ সম্পূৰ্ণ ব্যতিক্ৰমো কিন্তু বৰ্তমানৰ বহু কটনিয়ানেই হয়তো পিছত ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ দৰে বিশিষ্ট সাহিত্যিক, ড° হীৰেণ গোহাঁইৰ দৰে বুদ্ধিজীৱী, মনালিছা বৰুৱা মেহতাৰ দৰে খেলুৱৈ, মামনি ৰয়চম গোস্বামীৰ দৰে বিশিষ্ট সাহিত্যিক হ'ব। সেই প্ৰজন্মটোলৈ অধীৰ আগ্ৰহেৰে বাট চাই ৰৈছোঁ। আশাকৰিছোঁ কটনৰ পৰা এনে একচাম কটনিয়ান ওলাব যি এদিন সমগ্ৰ বিশ্ব তোলপাৰ লগাব। শেষত 'কটনিয়ান'ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

বন্দনা দাস
উঃ মাঃ ১ম বৰ্ষ

***To,***
***The Editor, Cottonian.***

*Sub : The need for a proper timetable in co-ordination with the positions of the different departments of Cotton College.*

*Sir,*

*On the verge of completing its centenary, Cotton College has a long history of pride and glory. Through many uprisings, challenges, and struggles it has finally come to the present to its present State. The college spans a large area and has got many departments. But these departments are situated at such a distance from one another that it takes quite a long time to go from one to the other. Moreover, the crossroads and the traffic make the matter further complicated. For instance, it takes about 15 minutes to walk from the Physics to Biology department. In order to save time many takes short cuts through the middle of boy's hostels. Natureally the girl students passing through these routes have to face a lot of embarassment of the boys and also leads to the eve teasing of girls.*

*Now, how does one solve the problem? Of course, all the departments cannot be brought together to one place. All that can be done therefore, is some alteration in the timetable of the classes. The two farthest departments are the Physics and Biology departments. But there are quite a few days in the week when for many of the classes the Physics period is immediately after the Biology or vice versa. It becomes very uncomfortable for the students to attend such classes. It can be cured just by adjusting the timetable keeping in view the positions of different departments. For eg, we have the departments in the following order from east to west - Botany, Zoology, Main building (English, Economics etc) Chemistry and Physics. So the timetables should be set in such a way that after Physics there is a Chemistry class. After Chemistry there should be class in the main building and then one in the Biology department. This order could also be reversed. If it is difficult to maintain this routine everyday, then there should at least be a gap in between two periods in the case of the departments set farthest apart. Moreover, better shortcut routes should also be developed.*

*All these steps would definitely save valuable time for the students as well as reduce the stress on students. The need of the hour is the implementation of these steps by the administration. For it is the will and determination of the authorities concerned that would make Cotton College, centre of excellence in the true sense of the term.*

*Your's Sincerely,*
*Arunav Jyoti Gogoi*

*To,*
***The Editor, Cottonian.***

*Sub : Cotton College at the doorstep of 21st century.*

*Cotton College, the premier educational institution of North East India - celebrates its centenary in 2001. It is a time of celebration as well as retrospection. The question that comes to our mind is what we have achieved over the years. Ask not what Cotton has given to you, ask what you have given to Cotton College. Today Cotton College is only a pale shadow of its glorious past. Cotton College has been declared a centre of Excellence but we still don't have modern courses and facilities to keep in pace with the educational advancement - what shpould we do in such a situation ? Instead of celebrating the century with much fan fare, we should address the basic problems of the Cottonians and help make Cotton College a centre of Excellence in its true sense.*

*Yours faithfully,*
*Rahul Das*
*T.D.C IIIrd year (Arts)*

*To,*
***The Editor, Cottonian.***

*Sir,*
*As you are aware, every year our college dishes out a good number of graduates. But talking from personal experience, if one questions them closely one would realize that 9 out of 10 graduates are undecided as to what they should do next. Prompt answers may come from a few starry-eyed students but the rest perhaps will only wait for destiny to take its own course. But somebody must tell them that man shapes his own destiny.*

*There are so many professional courses available for both science and arts graduates but the students are just not aware. I think its a terrible waste of human resource, a waste of intelligence, capacity, skill and talent. Via the medium of the college magazine, I would like to request you to make known the various post-graduate and post-graduate diploma cources in management, computer mass comunication, architecture, foreign trade etc available in our country and help the Cottonian give a better shape to their future.*

*Your's Sincerely,*
*Syeda Afrida Rahman*
*T.D.C. 2nd Year (English)*



## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

কটন কলেজ ছাত্ৰসন্থাৰ সাধাৰণ সম্পাদক হিচাপে বাৰ্ষিক প্ৰতিবেদন দাখিল কৰাৰ প্ৰাৰম্ভতে যিসকল মহান ব্যক্তি আৰু মনিষীৰ প্ৰচেষ্টাত এই মহান জাতীয় অনুষ্ঠানটিৰ সৃষ্টি হ'ল সেইসকলৰ প্ৰতি মই মোৰ সশ্ৰদ্ধ প্ৰণাম তথা কৃতাঞ্জলী যাছিলো।

কটন কলেজ শিক্ষাজগতৰ এক গৌৰবোজ্জ্বল অধ্যায়; ইয়াতে হয় ভৱিষ্যত সভ্যতাৰ অঙ্কুৰণ, অঙ্কুৰিত হয় ডেকা - গাভৰুৰ স্বপ্ন, প্ৰতিধ্বনিত হয় অতীত ঐতিহ্য, ভৱিষ্যত অসমৰ সোণালী স্বপ্নই ইয়াতে ৰূপ লয়।

এনে এক মহান অনুষ্ঠানৰ সাধাৰণ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰি সন্মুখত থকা কৰ্ত্তব্যৰাজি অনুধাৱন আৰু সম্পাদনত কিমান দূৰ সফল হলো তাক কটনিয়ানসকলে বিচাৰ কৰিব। ক্ৰমাৎ বিশালতৰ বিদ্যায়তনক ক্ষেত্ৰক সামৰি লোৱা এনে এক বিশাল প্ৰতিষ্ঠানৰ সকলো দিশৰ সমন্বয় সাধন আৰু কেন্দ্ৰীয় প্ৰশাসনৰ বাবে প্ৰয়োজন হোৱা এগৰাকী স্থায়ী প্ৰশাসকৰ অভাৱ অনুভৱ কৰো। এগৰাকী ডীনৰ দীৰ্ঘস্থায়ী কাৰ্য্যনিৰ্বাহে এই সমস্যাৰ অন্ত পেলাব পাৰে।

বিপৰ্যস্ত সামাজিক পৰিবেশে জন্ম দিয়া শৈক্ষিক শৃঙ্খলাহীনতা এটা ছাত্ৰসমাজৰ বাবে ডাঙৰ সমস্যা যাৰ প্ৰভাব আমাৰ কটনিয়ানৰ জীৱনতো নপৰা নহয়। শৈক্ষিক দিশত শৃঙ্খলা ঘূৰাই অনাৰ দিশত অতি প্ৰয়োজনীয়ACADEMIC CALENDER (শৈক্ষিক দিনপঞ্জী) এখনৰ অভাৱ বহুদিন অনুভৱ ধৰি আছিলো। এইক্ষেত্ৰত আগভাগ লৈ ১৯৯৮ শৈক্ষিক বৰ্ষত কাৰ্য্যকৰি হোৱাকৈ পোন প্ৰথমবাৰৰ বাবে COTTON COLLEGE ত এখনি ACADEMIC CALENDER প্ৰস্তুত কৰো। তাৰোপৰি গৰমৰ বন্ধ আৰু পূজাৰ বন্ধৰ দৰে দীঘলীয়া বন্ধৰ আমি বিলোপ সাধনৰ পক্ষপাতিত্ব কৰো। পৰৱৰ্তীসকলে এই বিষয়ত সিদ্ধান্ত লব বুলি আশা ৰাখিলো।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত ৫৩ জন ছাত্ৰক discollegiate কৰা বিষয়টো লৈ কিছুসংখ্যক ছাত্ৰৰ মাজত দেখা দিয়া অসন্তোষক কেন্দ্ৰ কৰি গঢ়ি উঠা ঘটনাত কটন কলেজ ছাত্ৰ সন্থাই ভৱিষ্যতৰ শৈক্ষিক বাতাবৰণৰ প্ৰয়োজনতেই discollegiate কৰাৰ পক্ষত মত দিছিল—এই সিদ্ধান্ত আমাৰ ধাৰণাত শুদ্ধ আছিল।

মোৰ কাৰ্য্যকালৰ ভিতৰত কেইবাটাও building সম্পূৰ্ণ হয়। BKB ৰ প্ৰথম মহলাৰ ধন আবন্টন দিছিল বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই। স্নাতকোওৰ শ্ৰেণীসমূহৰ কোঠাত বিজুলি বাটি, বিজুলি পাখা আৰু ডেস্ক-ব্ৰেঞ্চৰ ব্যৱস্থা কৰা হয়।

গুৱাহাটী পৌৰনিগম আৰু কামৰূপ জিলা প্ৰশাসনৰ সহযোগত কলেজৰ চৌপাশে গঢ়ি উঠা দোকান - পোহাৰ আদি উচ্ছেদ কৰি পৰিৱেশটো উন্নত কৰাৰ প্ৰচেষ্টা লঁও।

এটা উন্নত পুথিভৰালৰ অভাৱ, খেলাধূলাৰ বাবে প্ৰয়োজনীয় খেলপথাৰৰ অভাৱ, ইন্দ'ৰ ষ্টেডিয়ামটোৰ অসম্পূৰ্ণ অৱস্থা, আবাসসমূহৰ জৰাজীৰ্ণ চেহেৰাকে ধৰি এশ এবুৰি সমস্যাকে ধৰি মহাবিদ্যালয়খনৰ আন্তঃগাঠনিৰ সমস্যাৰ প্ৰতি চৰকাৰ নিৰুদ্বেগ। এইক্ষেত্ৰত আমি শতবৰ্ষ উদযাপন সমিতিৰ অভিলাসী আচনিৰ প্ৰতি আগ্ৰহেৰে বাট চাই ৰ'লো।

মোৰ কালছোৱাত কলেজত ৰাজনীতিৰ প্ৰভাৱ অলপো পৰিবলৈ দিয়া নাছিলো। আন্তঃ আবাস সমন্বয়ৰক্ষী সমিতিক সম্পূৰ্ণ স্বাধীনভাৱে কাৰ্য্য সম্পাদন কৰিবলৈ দিয়া হৈছিল। কেইজনমান পূৰ্বসূৰীৰ দৰে মই কটন কলেজক প্ৰতাৰণা কৰা নাছিলো; সততাৰ ওপৰত পূৰ্ণ আস্থা ৰাখিছিলো যিটো মোৰ কাৰ্য্যকালৰ ডাঙৰ সফলতা আৰু বৰ্ত্তমান সময়ত সমস্যাৰ সিয়েই আটাইতকৈ ডাঙৰ সমাধানৰ পথ।

প্ৰতিবেদনৰ অন্তত সমূহ কটনিয়ান' মহাবিদ্যালয়ৰ শিক্ষকবৃন্দ, কাৰ্য্যালয়ৰ কৰ্মীসকল তথা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকললৈ মই মোৰ হিয়াভৰা কৃতজ্ঞতা যাছিলো। আপোনালোকৰ প্ৰেৰণা আৰু সহযোগিতা অবিহনে মই মোৰ কাৰ্য্য সম্পাদন কৰিব নোৱাৰিলোহেতেন। কিশলয়, কৌশিকৰ সহযোগিতাৰ বাবে ধন্যবাদ। অবিৰত দিহা পৰামৰ্শ দি বাট দেখুৱাই দিয়া মাননীয় ডঃ ভবেন কলিতা ছাৰক শ্ৰদ্ধাৰে সুঁৱৰিছো।

লুইতৰ বুকুৰ অবিৰত চঞ্চল উৰ্মিমালাৰ দৰে কটন কলেজৰ চিৰ যৌৱনৰ সোঁত অবিৰত থাকক।

ধন্যবাদেৰে

**শ্ৰী মৃন্ময় বৰুৱা**

সাধাৰণ সম্পাদক,

কটন কলেজ ছাত্ৰসন্থা

১৯৯৭-৯৮

## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

কটনিয়ানে মোক বিপুল ভোটত জয়ী কৰি সহকাৰী সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত কৰাৰ বাবে মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কটন কলেজৰ ছাত্ৰসন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত হোৱাৰ পৰা আত্মানিয়োগ কৰিছিলো প্ৰতিশ্ৰুতি ৰক্ষা আৰু আপোনালোকৰ অসুবিধা সমূহ নিৰ্মূল কৰাৰ প্ৰয়াসেৰে। তাৰেই ফলশ্ৰুতি স্বৰূপে পোন প্ৰথমবাৰৰ বাবে ছাত্ৰ-ছাত্ৰীৰ এটা 'অভিযোগ বাচক' স্থাপন কৰা হয়। বিভিন্ন অসুবিধা আৰু অভিযোগ সমূহ তৎকালিনভাৱে অৱগত হোৱা আৰু নিষ্পত্তি কৰাৰ ই এক সফল আৰু জনপ্ৰিয় প্ৰয়াস হিচাপে পৰিগণিত হৈছে।

লোক সভাৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ বাবে প্ৰায় দুমাহ সময় কাৰ্য্যালয় স্থবিৰ হৈ যোৱাত কাম কৰিবলৈ যথেষ্ট অসুবিধা হৈছিল। তথাপিও বিভিন্ন বাধা নেওচি পুথিভঁৰালৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা হয়। কটনিয়ানৰ বহু পুৰণি অসুবিধা এটা শীঘ্ৰে সমাধান হ'ব বুলি আশা কৰিব পৰা যায়।

ইয়াৰ উপৰি, ৰসায়ন বিজ্ঞান বিভাগৰ ভৱন নিৰ্মাণৰ কাম আৰম্ভ হৈছে। বাণীকান্ত কাকতি ভৱনৰ প্ৰথম মহলা সম্পূৰ্ণ হৈছে আৰু ফলত শ্ৰেণীকোঠাৰ অভাৱ বহু পৰিমাণে লাঘৱ হৈছে।

মাণিক চন্দ্ৰ বৰুৱা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখন সুকলমে পৰিচালনা কৰা হয়। শ্ৰী শ্ৰী সৰস্বতী পূজা বিগত বছৰৰ দৰেই এইবাৰো অনুষ্টুপীয়াকৈ পালন কৰা হয়।

বয়োজ্যেষ্ঠ... 

বড়ো ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ কাৰণে এটি কোঠা প্ৰদান কৰি তেওঁলোকৰ উৎকৰ্ষ সাধনৰ দিশত গঠনমূলক প্ৰচেষ্টা চলোৱা হৈছে।

দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক নিয়মীয়া ভাৱে আৰ্থিক সাহাৰ্য্য বিতৰণ কৰা হয়। ইয়াৰোপৰি কলেজৰ শৈক্ষিক পৰিবেশ তথা ছাত্ৰ-ছাত্ৰী শিক্ষকৰ সম্পৰ্ক উন্নত কৰাৰ ক্ষেত্ৰত অহৰহ চেষ্টা চলাইছিলো।

মহাবিদ্যালয় সপ্তাহ সুচাৰু ৰূপে পৰিচালিত কৰাৰ লগতে নতুন চানেকিৰ প্ৰমাণ পত্ৰৰে কটনিয়ানৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিলোঁ।

শেষত, মোক বিভিন্ন ক্ষেত্ৰত সু-পৰামৰ্শ আগবঢ়োৱাৰ বাবে আমাৰেই শিক্ষাগুৰু ডঃ ভাবেন কলিতা চাৰ, তৰুন শৰ্ম্মা চাৰ, ডঃ অৰুপজ্যোতি চৌধুৰী চাৰ, ডঃ প্ৰদীপ শৰ্ম্মা আৰু দেব বৰদলৈ চাৰলৈ মোৰ ধন্যবাদ থাকিল।

তাৰোপৰি মোৰ অগ্ৰজ, কিশলয় দা, কৌশিক দা, লক্ষি দা, বন্ধুপ্ৰতিম, চিন্তু, সপ্ত, গেণ্ডু, কেষ্ট, প্ৰাণ, দীপচ্ দেবা, ৰাজীৱ বৰগোঁহাই, পংকজ, বাহা, বেপাৰী, হেনচ, আংকোল, শৈলা, চুচু, বুলটি, লাহৰী, প্ৰসন্ন ভেক্স, ৰাজা, গপু, কৌশিক ডেকা, মিতুল, অংকুৰণ, মিহি মালা, নয়ন, দেবব্ৰত, মৃগাংক, মাধু, গণেশ, নেওগ, দুলাল, গৌতম, বিদ্যুতবিকাশ, কাজৰী, বৰষা, গৌৰী, মিতালী, মামু, কল্পী, সুকন্যা, পৰিনীতা, ৰশ্মি, ময়ুৰী, দ্বীপাঞ্জলী, অস্মিতা, পাহী, পিংকী, জুৰি, যুতিমালা, ইভা, প্ৰাচী, সংযুক্তা, ৰূপালী, নন্দীতা, মহুৱা, প্ৰেৰণা, ৰূপালীম, ৰিতুম, অনন্যা, অনুৰাধা, অৰ্চিতা, শ্ৰুতি, শিল্পীকা, ইন্দ্ৰানী-য়ে বিভিন্ন ক্ষেত্ৰত সহায় সহায় আগবঢ়োৱাৰ বাবে ধন্যবাদ থাকিল। বহুত সহায় পাইছিলো, নাথ বাবু, বৰ্মনচাৰ, অতুল দা, নকুল দা, বৈশ্য, ভৰত, ধনে শ্বৰৰ পৰা — তেখেত সকলোলৈ মোৰ ধন্যবাদ থাকিল।

শেষত, কটন কলেজ আৰু কটনিয়ানৰ সামগ্ৰিক উন্নতি কামনা কৰিলো।

জয়তু কটন কলেজ।

**প্ৰবাল পীযুষ ভৰালী**

সহঃ সাধাৰণ সম্পাদক।

# এক বছৰেকীয়া স্বীকাৰোক্তি সম্পাদক, কটনিয়ান



সকলোলৈ অভিনন্দন জনালো। ৰাজনৈতিক ধামখুমীয়াত নে কটনিয়ানৰ প্ৰীতি শুভেচ্ছাত - কটনিয়ানৰ সম্পাদক হ'লো — যোগ্যতা আছিল নে নাছিল — নাই ; তাক বিশ্লেষণ কৰিব খোজা নাই। বিশ্লেষণ কৰিব খুজিছো সময়ক —— আত্ম সমালোচনা বাদ নিদিয়া কৈ অৱশ্যে।

যদি মই মোৰ দায়িত্ব সঠিক ভাবে পালন কৰিব পৰা নাই — মই জবাব দিহি হ'ম কটনিয়ান সকলৰ সমুখত — সেই সাহস মোৰ আছে। কিন্তু কে'বাজনো চি, চি, ইউ, এছৰ বিষয়ববীয়াই — আমাৰ বহুক্ষেত্ৰতে অনমনীয় ভূমিকাৰ বাবে সেও মনাব নোৱাৰাত — সম্পাদকৰ পদ কাঢ়ি নিবলৈও লজ্জাজনক ভাবে ষড়যন্ত্ৰত নামিছিল। ব্ৰেক মেইলিং কৰিবলৈও কত যে প্ৰচেষ্টাত নিমজ্জিত হৈছিল! কিন্তু কটনিয়ান সকলৰ শুভইচ্ছাত তেওঁলোক সফল নহ'ল। এয়া বহুতে নজনা কথা — জনালো।

আলোচনী এখন সম্পাদনা কৰা বৰ সহজ নহয়। যদিহে অভিজ্ঞতা নাথাকে পূৰ্বৰ - আৰু কঠিন হৈ পৰে। আমিও অনভিজ্ঞ। তথাপি যত্নৰ ত্ৰুটি কৰা নাই — পূৰ্ণাংগ আলোচনী এখন প্ৰকাশৰ বাবে। কিন্তু আশী হেজাৰ টকাৰে এখন মহাবিদ্যালয় আলোচনী প্ৰকাশ কৰাটো সম্ভৱপৰ নহয় — আজিৰ যুগত। কথাটোত কৰ্তৃপক্ষই মন দিয়ক।

কটন কলেজত এক সুস্থ সাহিত্য সংস্কৃতিৰ পৰিবেশ গঢ়ি ন-প্ৰতিভা বোৰ উলিয়াই আনিবলৈ — যি আমাৰ এক সপোনো আছিল - তাৰ বাবে 'কটনিয়ান' নিৰ্ভৰযোগ্য প্লেটফৰ্ম হয়নে — ইও এক প্ৰশ্ন। সাহিত্য প্ৰতিযোগিতা কেইটা মান পতাত বাদে আমি একো কৰিব নোৱাৰিলো সম্পাদক হিচাপে — দুঃখীত! লজ্জিত! বৰঞ্চ তাৰ বাবে 'নবীন', 'অনুভৱ', 'এন, এছ, এছ, আদি অধিক উৎসাহ দায়ক অনুষ্ঠান - - *যাৰ জৰিয়তে এক সুস্থ বাতাবৰণ গঢ়ি* তুলিবলৈ আমি কষ্ট কৰিছিলো।

ব্যক্তিগত ভাবে আমাৰ নিজস্ব ৰাজনৈতিক দৰ্শন আছে। তাৰ বাহিৰলৈ গৈ কটনত চলা কুটিল ৰাজনৈতিক পাকচক্ৰত পৰিছিলো নেকি — আজিয়েই ভাবিব পৰা নাই। কিন্তু ভাবিছো যে 'কটনিয়ান'খন ছাত্ৰ কেন্দ্ৰিক কৰিম। ভাবি বেদনা গ্ৰস্ত হৈছো — সু গল্পকাৰৰ অভাব! হয়তো অভাৱৰ পৰিমান কম — কবিতাৰ; কিছু ক্ষেত্ৰত প্ৰবন্ধৰো!

সম্পাদনা সমিতিৰ সকলোৱে দেহে কেহে খাটিছে। হিৰণ্য দা, বন্ধুবৰ হিৰেণ দাস, অৰবিন্দ দা, চন্দনা পলি গায়ত্ৰী, বৰ্ণালী স্তুতি, শংকু বা ভাস্কৰ, ইন্দ্ৰজিৎ, প্ৰাণজিৎ দা, বন্ধু সতীৰ্থ নয়নমণি, কমল, বায়ন, মানবেন্দ্ৰ, দ্বীপম, নৱ, কাবেৰী, অৰূপ, পাৰ্থ, শান্তনু, দেৱজিৎ, মনজিৎ, পাৰুল, গৌৰী, সংগীতা, ঝৰ্ণা বা, ৰশ্মিৰেখা বা, কৰবী, মনিষা, সংঘমিত্ৰ, দুলু, ৰশ্মি, নিবেদিতা, অনামিকা, বৰষা, তপন, নয়ন গগৈ, হৰি, সুনীল, তৃষ্ণা, প্ৰান্তিক দা, বন্ধু পৰম প্ৰকাশ গগৈ, হৰি শংকৰ, ৰিকী, অমৰ, ৰূপম, নীলমণি দা, নৱ দা, গদুকা দা, প্ৰসন্ন টায়ুং, দুলাল, জগদীশ, নগেন, মাধুৰ্য, ভাইটি পংকজ, দেৱজিৎ দা, সত্যকাম দা, পাৰ্থ - তেওঁলোক সকলো ধন্যবাদাৰ্হ।

নমস্য অধ্যাপক ৰমেশ পাঠক ছাৰৰ সহায়, ডঃ ভবেন কলিতা ছাৰৰ তাগিদা — আমাৰ সঞ্জিবনী সুধা। মঞ্জু দেৱী পেগু বাইদেউক কি বুলি কৃতজ্ঞতা জনাম!

ভুলৰ ক্ষমা বিচৰাতকৈ ভুলৰ পুনৰাবৃত্তি নকৰাৰ অংগীকাৰত অধিক গুৰুত্ব দিও। যি খিনি ভুল ভ্ৰান্তি, যিখিনি কুৰুচিপূৰ্ণ, তাৰ দায়িত্ব এই সম্পাদকেই বহন কৰি — সাহিত্যৰ দিশত নিজৰ অনভিজ্ঞতাৰ বাবে মাৰ্জনা বিচাৰি — কটন কলেজ সঁচা অৰ্থত উৎকৰ্ষতাৰ কেন্দ্ৰ হওঁক।

এই কামনাৰে —

**প্ৰণৱ কুমাৰ বৰ্মন**
সম্পাদক
'কটনিয়ান'।

# সাহিত্য প্ৰতিযোগিতাৰ ফলাফল

## ১৯৯৭ -১৯৯৮ শিক্ষাবৰ্ষ।

উপন্যাস -
১ম প্ৰাণজিৎ বৰা
২য় পাপৰি শইকীয়া
৩য় নয়ন কুমাৰ পাঠক

চুটি গল্প -
১ম *পাপৰি শইকীয়া*
২য় আকাশবন্তি গগৈ
৩য় ৰূপম বড়ো, প্ৰাণজিত বৰা
৪থ অনুৰাগ দৈমাৰী

প্ৰবন্ধ -
১ম নয়নমণি বৈশ্য
২য় বৰ্ণালী ডেকা
৩য় গায়ত্ৰী ভৰালী
৪ৰ্থ মধুমিতা শইকীয়া
৫ম প্ৰনব কুমাৰ ৰয

কবিতা -
১ম কমল কুমাৰ মেধি
২য় প্ৰাণজিৎ বৰা
৩য় কুশল দত্ত
৪ৰ্থ
৫ম নিবেদিতা ফুকন
৬ষ্ঠ পংকজ নাথ

ব্যংগ ৰচনা -
১ম প্ৰাণজিৎ বৰা
২য় আকাশী গগৈ
৩য়
৪ৰ্থ হৰেশ্বৰ বৰা
৫ম হিৰেন দাস

গ্ৰন্থ-সমালোচনা -
১ম প্ৰাণজিৎ বৰা
২য় আকাশী গগৈ
৩য় বৰ্ণালী ডেকা
৪ৰ্থ স্মিতা শইকীয়া
৫ম গৌৰী দেৱী
৬ষ্ঠ লাচিত বৰ্মন

সম্পাদকলৈ চিঠি -
১ম অৰবিন্দ চক্ৰবৰ্তী
২য় বৰ্ণালী ডেকা
৩য় লাচিত বৰ্মন
৪ৰ্থ পংকজ নাথ

একাঙ্কিকা নাট -
১ম নয়নমণি বৈশ্য
২য় গায়ত্ৰী ভৰালী
৩য় ৰিমঝিম বৰা

ফেন্টাচী -
১ম বন্দনা দাস
২য় নবজিৎ তালুকদাৰ
৩য় লাচিত বৰ্মন
৪ৰ্থ নাৰায়ন মালাকৰ

অনুবাদ কবিতা -
১ম *কমল কুমাৰ তাঁতী*
২য় প্ৰাণজিৎ বৰা
৩য় ৰিমঝিম বৰা
৪ৰ্থ হৰেশ্বৰ বৰা

English Short Story
1st Jaya Phookan
2nd Aditi Bhattacharyyee
3rd Antu Kanti De

Poem
1st Deboroopa Bhattacharyyee

Drawing
1st Ankita Bhattacharyyee
2nd Nabajyoti Rajkhowa

শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী - প্ৰাণজিৎ বৰা। (ৰিচাৰক - মনোৰম গগৈ, শোণিত বিজয় দাস, সমীন্দ্ৰ হুজুৰী, ইছমাইল হোছেইন, পবন কুমাৰ বৰুৱা, সীতানাথ লহকৰ, মঞ্জু দেৱী পেগু আদিৰ ওচৰত আমি চিৰকৃতজ্ঞ।)

সম্পাদক, কটনিয়ান।

# সাংস্কৃতিক বিভাগৰ বাৰ্ষিক প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণি নিজৰ কথাৰেই কৰিব বিচাৰিছো। কটন মহাবিদ্যালয়ত নামভৰ্ত্তি কৰাৰ আগতেওঁ নিজকে সংস্কৃতিৰ পথাৰখনত জড়িত কৰি আহিছিলো। তাৰেই

ফলশ্ৰুতি হয়তো সাংস্কৃতিক সম্পাদক হিচাপে আমাৰ সপোনৰ মহাবিদ্যালয়খনক সেৱা কৰাৰ সুযোগকন। এই সুযোগকন দিয়া বাবে সংশ্লিষ্ট সকলোলৈ ধন্যবাদ জনালোঁ।

একবিংশ শতিকাৰ দুৱাৰদলিত আমি। কিন্তু মানৱ সভ্যতাৰ বিকাশৰ এই সন্ধিক্ষণত আমাৰ সমাজ আৰু সংস্কৃতি অগ্ৰসৰ হৈছে চৰম অধঃপতনৰ বাটেদি। যি বাটেদি এসময়ত আমাৰ সমাজখন সুন্দৰভাৱে গঢ় লৈ উঠিছিল, যি বাটেদি সত্য শিৱ সুন্দৰৰ পূজা হৈছিল, সেই বাট যেন আজি ৰুদ্ধ। এই অধঃপতন আমাৰ নতুন প্ৰজন্মৰ কাম্যনে? নিজকে নিজে নাঙঠ কৰাৰ আগতেই কিবা এটা কৰিব নোৱাৰিনে? সকলোবোৰ দেখিও যেন কোনেও নেদেখে! চকু থাকিও ............

এনে চৰম অধঃপতনৰ পিছ তো আমি যুৱসমাজ যি দৰে জাগি উঠিব লাগিছিল, যিদৰে সজাগ হব লাগিছিল ; সেই সময়ত আমাৰ মন ঢাকি ৰাখিছে হতাশাই, কিবা এক মোহগ্ৰস্থতাই। কিহৰ এই মোহগ্ৰস্থতা? পশ্চিমীয়া সভ্যতা-সংস্কৃতিৰ ? নে সস্তীয়া কায়দাৰে পৰিচালিত জীৱনৰ?

সকলো সংস্কৃতিয়ে সুন্দৰ। আমাৰ অনুভৱত সুন্দৰতাৰ অন্য নামেই হ'ল সংস্কৃতি। পৰিবৰ্তনৰ বাটত সাংস্কৃতিক বিনিময় হবই লাগিব। কিন্তু নিজৰ মূলৰ পৰা বিচ্ছিন্ন হৈ যোৱাটো কেতিয়াও এটা জাতিৰ বাবে শুভ লক্ষণ হব নোৱাৰে। আমাৰ সাংস্কৃতিক ঐতিহ্যক, আমাৰ লোক-সাংস্কৃতিক যেন আমি পাহৰি যাবলৈ ধৰিছোঁ। আমাৰ লোকসংগীতক আমি পাহৰি গেলাইছো। আমাৰ সংগীতজ্ঞ সকল সুৰ বিচাৰি যায় বাহিৰলৈ, অথচ সুৱদী সুৰীয়া লোক সংগীতৰ সুৰে গোটেই অসম ভৰি আছে। এশ বছৰ ব্যৱহাৰ কৰিলেও যেন শেষ নহব। আমি সেইবোৰৰ মোল নুবুজো। কিন্তু বাহিৰৰ সংগীতজ্ঞ সকলে আমাৰ লোক সংগীতৰ সুৰ ব্যবহাৰ কৰি বেছ নাম কৰাত লাগিছে। কিযে বিৰম্বনা .............

কটন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰতিনিধিত্ব কৰে পাঁচ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ আশা-আকাংক্ষাক, কিন্তু কটনিয়ান সকলে যিমান আশা কৰি তেওঁলোকৰ প্ৰতিনিধিক নিৰ্বাচিত কৰে প্ৰতিনিধি সকলে তাৰ চাৰিভাগৰ এভাগ পুৰণ কৰিব পাৰেনে? কাৰ্য্যকালৰ এই বিয়লি বেলাত ভূগিছো এক অপৰাধবোধত। প্ৰত্যেকেই নিজৰ দেহত চিকুতি চোৱা উচিত আমি আচলতে গতানুগতিকতাৰ বাদে কিবা কৰিব পাৰিলোনে? প্ৰকৃতাৰ্থত ছাত্ৰ একতা সভা বুলিলে যি বুজা যায়, সেই হিচাপে কাম কৰা য়াযনে? ছাত্ৰ একতা সভাৰ নিৰ্বাচন বছৰে বছৰে হব। নিৰ্বাচিত হব নতুন নতুন সাধাৰন সম্পাদক, উপসভাপতি বা অন্যান্য বিভাগী সম্পাদক সকল। কিন্তু উমৈহতীয়া কাৰ্য্যসূচী যদি নাথাকে, একেলগে কাম কৰাৰ মানসিকতা, তেনেহলে কোনো এখন ছাত্ৰ একতা সভাই এই মহাবিদ্যালয়ৰ বাবে কুটা এগছো কৰিব নোৱাৰে।

আমাৰ কাৰ্য্যকালৰ বিষয়ে উল্লেখ কৰিব লাগিলে প্ৰথমেই নাম লব লাগিব "কলেজ সপ্তাহৰ"। এই সপ্তাহৰ লগত সংগতি ৰাখি সাংস্কৃতিক বিভাগৰ অধীনত থকা বিভিন্ন প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হৈছিল। কলেজ সপ্তাহৰ বিশেষ আকৰ্ষণ "শিক্ষক সন্ধিয়া" আৰু "সাংস্কৃতিক সন্ধিয়া" দুখন তুলনামূলক ভাবে অধিক সফলতাৰে উদযাপন কৰা বুলি দাবী কৰিব পাৰো। বিশেষকৈ শিক্ষক সন্ধিয়াত অইন কেইবছৰতকৈ ছাৰ বাইদেউ সকলৰ অধিক অংশগ্ৰহণ আৰু এওঁলোকৰ বাৰেৰহনীয়া অনুষ্ঠান পৰিবেশনে অনুষ্ঠানটিত সোণত সুৱগা চৰাইছিল। সাংস্কৃতিক সন্ধিয়াত বাহিৰা শিল্পী আমন্ত্ৰন কৰাতকৈ কলেজৰ সুপ্ত প্ৰতিভা ওৰনিৰ তলৰ পৰা উলিয়াই আনিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছিল। সেয়ে তেওঁলোকক কলেজৰ পৰাই যথাসাধ্য বাদ্যযন্ত্ৰ তথা অনুষ্ঠান পৰিবেশনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা সম্পূৰ্ণ নিজা পৰিকল্পনাৰে অন্যান্যৰ সহায় সহযোগতে কৰা হৈছিল।

বিগত কেই বছৰৰ দৰে আমাৰ কাৰ্য্যকালতো গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্ত ঃ মহাবিদ্যালয় মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰো সংস্কৃতিক দলে যোগদান কৰিছিল। উক্ত মহোৎসৱত আমাৰ মহাবিদ্যালয় শ্ৰেষ্ঠ সংগীত দল হিচাপে বিবেচিত হোৱাৰ উপৰিও নাটক, লোকনৃত্য, শাস্ত্ৰীয় নৃত্য আদিতো বিশেষ সফলতা পোৱা গৈছিল।

আনহাতে নবাগত আদৰনি সভাৰ সাংস্কৃতিক সন্ধিয়াত বিশেষকৈ নবাগত সকলক গুৰুত্ব প্ৰদান কৰা হৈছিল। ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আৰ্চনিৰ জৰিয়তে এটি সাংস্কৃতিক দল পৃথিৱীৰ বৃহত্তম নদী দ্বীপ মাজুলীলৈ লৈ যোৱা হৈছিল। তাত লাভ কৰা মাজুলীবাসীৰ মৰম তথা আতিথ্য সদায় মনত ৰব।

কটন মহাবিদ্যালয় অসমৰ একমাত্ৰ শিক্ষাৰ কেন্দ্ৰ য'ত অসম তথা গোটেই উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰি আহিছে। গতিকে এই মহাবিদ্যালয় পুথিগত শিক্ষাৰ কেন্দ্ৰ হৈও এক বিৰাট সম্ভাৱনাময় সংস্কৃতিৰো মিলনভূমি হৈ পৰিছে। এই মহাবিদ্যালয়ৰ বিভিন্ন জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত হোৱা সাংস্কৃতিক মিলন তথা বিনিময়ে এই স্থানৰ ফুলনিক কৰি তুলিছে মৰতৰ সৰগ স্বৰূপ। কিন্তু এই সম্ভাৱনাময় সংস্কৃতিক আমি উপযুক্ত ভাৱে ব্যৱহাৰ কৰিব পাৰিছোনে? যি সাংস্কৃতিক মিলন প্ৰয়োজন হৈছিল আজিৰ এই মানবীয় প্ৰমূল্যবোধৰ চৰম অৱক্ষয়ৰ সময়ত ; কিন্তু তাৰ পৰিবৰ্তে আমাৰ এচাম সস্তীয়া জীৱনধাৰনৰ কৌশল আহৰণত ব্যস্ত। সেইসকলে হয়তো ভাবে মাদক দ্ৰব্য সেৱন কৰি উশৃংখল সংগীতৰ তালে তালে ভৰিৰ থৰ্কাছুতি হেৰুৱাই তথাকথিত Dance কৰিলেই সংস্কৃতিৰ পূজাৰি বুলি কয়।

কটন মহাবিদ্যালয়ত প্ৰতিভাৰ অভাব নাই। কিন্তু সঠিক সুযোগ আৰু সুবিধাৰ আভাৱত সুপ্ত প্ৰতিভা সমূহ সুপ্ত হৈয়েই থাকি যায়। এই সুপ্ত প্ৰতিভা সমূহ পোহৰলৈ অনাৰ দ্বায়িত্ব এই মহাবিদ্যালয়ৰ ছাৰ বাইদেউ সকলৰ বহুত বেছি । কিয়নো এবছৰীয়া কাৰ্য্যকালেৰে কোনো নতুন নতুন ছাত্ৰ একতা সভা বছৰে বছৰে আহিব আৰু যাব। কিন্তু ছাৰ বাইদেউ সকল দীঘলীয়া সময়ৰ বাবে থাকিব। গতিকে এইক্ষেত্ৰত তেওঁলোকৰ পৰাহে ছাত্ৰ-ছাত্ৰী সকল বেছি লাভান্বিত হ'ব বুলি আমাৰ বিশ্বাস।

সদৌ শেষত আমাৰ কাৰ্য্যকালত হোৱা অজানিত ভুল- ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিছাৰিছো। আমাক বিভিন্ন ধৰণে সহায় কৰা শ্ৰদ্ধাৰ ডঃ ৰাতুল ৰাজখোৱা চাৰ, ডঃ সত্যেন কুমাৰ চৌধুৰী চাৰ, ডঃ ভবেন কলিতা চাৰলৈ শ্ৰদ্ধাভৰা কৃতজ্ঞতা থাকিল। লগতে বন্ধুবৰ বলেন শৰ্মা, সিদ্ধাৰ্থ শইকীয়া, হীৰেন দাস, ৰাহুল দাস, সঞ্জীব শৰ্মা আৰু অন্যান্য বন্ধু-বান্ধবীৰ সহায় সহযোগিতাৰ কথা সদায়ে মনত থাকিব। কটন মহাবিদ্যালয়ৰ ভবিষ্যত উজ্জ্বল কামনাৰে.

**শ্ৰী মুকুট চন্দ্ৰ হাজৰিকা**
সম্পাদক,
সাংস্কৃতিক বিভাগ

# তৰ্ক আৰু আলোচনা বিভাগৰ প্ৰতিবেদন



এক আকস্মিক স্বপ্নৰ ফলশ্ৰুতি হিচাপে ১৯৯৭-৯৮ বৰ্ষৰ কটন কলেজ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হলো। নিৰ্বাচিত প্ৰক্ৰিয়াত হকে - বিপৰীতে যি সকলে নিজৰ নিজৰ ভূমিকা পালন কৰিলে সেইসকলক ইয়াৰ দ্বাৰাই কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই কাৰ্য্যকাল কোনো অসাধাৰণ ঘটনাৰাজি পূৰ্ণ নহয়। গতানুগতিকভাবে অন্যান্য অলস বছৰৰ দৰেই এই কাৰ্যকালো পাৰ হ'ল। নিৰ্বাচনৰ পিছত দায়িত্বভাৰ লৈয়ে "সপ্তদশ মানিক চন্দ্ৰ বৰুৱা সোঁৱৰণী ৰাষ্ট্ৰীয় আন্তঃ মহাবিদ্যালয়/বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতা ১৯৯৭"- ৰ "গালো বালো খোলাকতিৰ তাল" যোৰৰ দায়িত্ব মুৰ পাতি লব লগা হয় পূৰ্ববৰ্ত্তী ছাত্ৰ একতা সভাৰ একতাৰ নিদৰ্শন ! আয়োজন অসম্পূৰ্ণ হোৱা এই বৰসবাহক কিছু একাষৰীয়াকৈ ৰাখি পোনতে "মহাবিদ্যালয় সপ্তাহ ১৯৯৭" আয়োজন কৰি গতানুগতিক ভাবে এই বিভাগৰ অন্তৰ্গতি বিভিন্ন ক্ষেত্ৰৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দলবদ্ধ আলোচনা (Group Discussion) বিষয় এই বিভাগে ন কৈ আয়োজন কৰে। কটনিয়ান সকলৰ আশাপ্ৰদ সঁহাৰি (যদি উপস্থিতি বা যোগদান সঁহাৰি হয়) নাপালেও বিফল বুলি ভবা নহয়।

তদানীন্তন ডীন ডঃ তৃষ্ণা মহন্ত মহোদয়াৰ সক্ৰিয় সহযোগিতা আৰু আন্তৰিকতাত অপৈণত ৰূপত মৰহিব খোজা সপ্তদশ মানিক চন্দ্ৰ বৰুৱা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখনি ধাৰাবাহিকতা তথা পৰম্পৰা ৰক্ষাৰ খাতিৰত ৰাষ্টীয় পৰ্য্যয়ৰ পৰা সংকুচিত কৰি আনি স্থানীয়কৈ পতা হয়। প্ৰবিন বুদ্ধিজীৱি আইনজীৱি তথা ৰাজনীতিবিদ শ্ৰীযুত গৌৰীশংকৰ ভট্টাচাৰ্য্য দেৱৰ অধ্যক্ষতাত বহা এই তৰ্ক সভাত নিচেই নিশকতীয়া যোগদানে আমাক নিৰাশ কৰে। ইয়াত ইন্দিৰা গান্ধী ৰাষ্টীয় মুক্ত

বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয় আইন মহাবিদ্যালয় আৰু কটন কলেজে -- ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰৰ যোগ্যতা প্ৰতিপন্ন কৰে। পৰীক্ষা, পূজাৰ দীঘলীয় বন্ধ, পৰীক্ষাৰ ফলাফল, নামভৰ্ত্তিকৰণ, নবাগত আদৰণি সভা সকলো হৈ গ'ল। এইবাৰ আহিল "অষ্টাদশ মানিক চন্দ্ৰ বৰুৱা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা ১৯৯৮"। শৈক্ষিক দিন পঞ্জীৰ আগমন। চেপ্তেম্বৰ মাহৰ পহিলা তাৰিখত সাধৰণ সম্পাদকৰ মন্তব্য "সাত তাৰিখে এম. চি. বি হবই লাগিব"। পুঁজিৰ অভাৱ, সময়ৰ নাটনি। মুষ্টিমেয়ৰ সহযোগিতাৰে, পৰিবেশৰ অসহযোগিতাৰ মাজতো, সকলোবোৰ অতিক্ৰম কৰি ২০ চেপ্তেম্বৰ ' ৯৮ (ৰবিবাৰ)ৰ দিনাখন "অষ্টাদশ মানিক চন্দ্ৰ বৰুৱা তৰ্ক প্ৰতিযোগিতা ১৯৯৮" অনুষ্ঠিত হয়। পুঁজিৰ বাবে বিভিন্নজনৰ পদলেহন। "পলিটিকেল লিডাৰ নহব ....," অমুকক নিমন্ত্ৰণ নহব, অমুকে পইচা দিব.... ইত্যাদি।"

অৱশেষত অসম লোকসেৱা আয়োগৰ মাননীয় সদস্য ডঃ হৰেন্দ্ৰ নাথ কলিতাৰ অধ্যক্ষতাত আঞ্চলিক পৰ্য্যায়ত "অষ্টাদশ মানি চন্দ্ৰ বৰুৱা তৰ্ক প্ৰতিযোগিতা ১৯৯৮" অনুষ্ঠিত হ'ল কলাগুৰু বিষ্ণু ৰাভা প্ৰেক্ষাগৃহত। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কুৰিখন মহাবিদ্যালয়ৰ প্ৰতিনিধিত্ব সম্বলিত এই প্ৰতিযোগিতাখনি সফল বুলি কবলৈ কুণ্ঠাবোধ নকৰো। আলিপুৰদুৱাৰৰ পৰা অহা, এসময়ৰ শ্ৰেষ্ঠ তাৰ্কিক, প্ৰাক্তন কটনিয়ান বৰ্ত্তমান ভাৰতীয় ৰেলসেৱাৰ বিষয়া চন্দ্ৰজিত শইকিয়া, সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বি চেনেহী বেগম বাইদেউ, গুৱাহাটী উচ্চ ন্যায়ালৰ অধিবক্তা বিমল কুমাৰ ভট্টাচাৰ্য্যদেৱে উক্ত তৰ্ক সভাৰ বিচাৰকৰ আসনত বহি এই প্ৰতিযোগিতা সফল কৰাত বিশেষ অৰিহনা যোগায়। তিনিটা শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয় ক্ৰমে দৰং মহাবিদ্যালয়, তেজপুৰ; গুৰুচৰণ কলেজ, শিলচৰ; আৰু কটন কলেজ, গুৱাহাটী; শ্ৰেষ্ঠ তাৰ্কিক বিবেচিত হয় গুৱাহাটী বিশ্ববিদ্যালয় আইন মহাবিদ্যালয়ৰ জুনুমণি দেৱী। দৰ্শক - শ্ৰোতাৰ উপস্থিতি আশাপ্ৰদ নহলেও, যি সকল বিফলতাকামীৰ প্ৰতিপ্ৰচাৰত বহু কটনিয়ানে নিজকে উপস্থিতিৰ পৰা বিৰত কৰিলে সেই সকল পুতৌৰ পাত্ৰ আৰু অনুষ্ঠানৰ সফলতা, ৰটনাকাৰী জোকৰ মুখত চুণ বুলি বিবেচনা কৰো।

শিক্ষাবৰ্ষটোত ব্যাক্তিগত ফলাফল (পৰীক্ষা আদিত) গৌৰৱ পূৰ্ণ নহলেও, সামাজিক ক্ষেত্ৰত পূৰ্ণ অনুকূলন শূন্য বা ঋণাত্মক নহয়। এই সফলতা পথত বিশেষ অৰিহনা যোগাই প্ৰায়বোৰ ক্ৰিয়া -প্ৰক্ৰিয়া অনুষ্ঠিত কৰা অধ্যাপক দিলিপ কুমাৰ বৰুৱা, উপ সভাপতি (সংস্কৃতিক) তত্বাবধায়ক ডঃ অৰূপ কুমাৰ চৌধুৰী, আৰু কোষাধ্যক্ষদ্বয় ডঃ ভবেন চন্দ্ৰ কলিতা আৰু ডঃ অমূল্য বৰ্মন 'ছাৰ' সকল কৃতজ্ঞতাৰ পাত্ৰ। লগতে যি সকল ছাত্ৰবন্ধুৰ প্ৰেৰণা আৰু সহযোগিতাই সকলো বাধা অতিক্ৰম কৰাৰ সামৰ্থ্য দিলে সেই সবৰ ওচৰতো কৃতজ্ঞ আৰু সমূহ কটন পৰিয়ালৰ ওচৰত জ্ঞাত - অজ্ঞাত কৃতকৰ্মৰ বাবে ক্ষমাপ্ৰাৰ্থী। বিশেষভাৱে কৃতজ্ঞ শ্বহীদ মোজাম্মিল হক ছাত্ৰবাসৰ সমূহ আবাসীৰ ওচৰত।

বিশেষ টোকা ঃ কটন কলেজত সাম্প্ৰতিক সময়ৰ তৰ্ক আৰু আলোচনাৰ ক্ষেত্ৰত যি অতীত ঐতিহ্য আছিল সেয়া ৰক্ষণৰ ক্ষেত্ৰত সাফলতা লভিব নোবাৰিলো। গুণগত আৰু সংখ্যাগত দুয়ো দিশৰ পৰা আসক্তসকল বিচাৰি এখন প্লেটফৰ্ম দিব পৰা নগ'ল। সেয়ে পৰৱৰ্তী সম্পাদক সকল তথা সমূহ কটনিয়ানৰ ওচৰত এইক্ষেত্ৰত বিশেষ মনোযোগৰ অনুৰোধ ৰাখিলো।

— ভগত্ লাল দত্ত
৮-১১-৯৮

## সমাজ সেৱা বিভাগৰ প্ৰতিবেদন

জয় জয়তে সকলো কটনিয়ানলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনালো। শ্ৰদ্ধা জনালো কটন কলেজৰ ডীন, সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দলৈও।

সম্পাদকৰ কাৰ্যভাৰ লৈয়ে আমি কটন কলেজখনৰ পৰিবেশটো সেউজ সবুজ আৰু পৰিস্কাৰ পৰিচ্ছন্ন কৰিবলৈ চেষ্টা কৰিছিলো। শ্ৰেণীকোঠা, কলেজ চৌহদ, প্ৰস্ৰাৱগাৰ, আৰু বিভিন্ন ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসবোৰৰ পৰিস্কাৰ পৰিচ্ছন্নতাতো গুৰুত্ব দিছিলো। কম্পিউটাৰ চেলটো যাতে ছাত্ৰ-ছাত্ৰীৰ উপকাৰত আহিব পাৰে তাৰ বাবেও মই চেষ্টা কৰিছিলো। মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে আমি কে'বাটাও পৰিকল্পনা হাতত লৈছিলো।

মহাবিদ্যালয় সপ্তাহতো নিজৰ দায়িত্ব সূচাৰুৰূপে পালন কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিলো। কটন মহাবিদ্যালয়ৰ একমাত্ৰ চিকিৎসালয়খনৰ উন্নয়নতো গুৰুত্ব দিছিলো।

হয়তো আমাৰ কাৰ্যকালত বহুত ভুল ভ্ৰান্তি হ'ব পাৰে। তাৰ বাবে ক্ষমা খুজিছো। আমাৰ কাৰ্যকালত বিজনাক আমি পাহৰিব নোৱাৰো তেখেত হৈছে অধ্যাপক পৰন কুমাৰ বৰুৱা ছাৰ। ডঃ ভবেন কলিতা ছাৰৰ দিহা পৰামৰ্শ উৎসাহ পাহৰিব নোৱাৰো। সহপাঠী বন্ধু বান্ধৱী যি সকলে সাহস, অনুপ্ৰেৰণা যোগালে তেওঁলোকলৈও অশেষ ধন্যবাদ। ধন্যবাদ জ্ঞাপন কৰিলো তন্ময়, মৃদুপৱন, মাধুৰ্য, ৰঞ্জিত, অনুপম, প্ৰণৱ, জামান, কল্যাণ, মহেন্দ্ৰ নাথ ডেকা ফুকন ছাত্ৰাবাসৰ আবাসী সকলোলৈ।

শেষত কটন কলেজৰ শতায়ুত কটন কলেজ নৰূপেৰে প্ৰাণ পাই উঠক এনে শুভ কামনাৰে —

**মুকুন্দ বৰা**
সম্পাদক, সমাজসেৱা বিভাগ।

## ক্ৰিকেট বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে মই সেই সকল কটনিয়ানলৈ ধন্যবাদ জ্ঞাপন কৰিলো যিসকলে মোৰ ওপৰত বিশ্বাস ৰাখি দ্বিতীয়বাৰলৈ মোক কটন মহাবিদ্যালয়ৰ ক্ৰিকেট বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত কৰিলে। ক্ৰিকেট বিভাগৰ সম্পাদক হিচাবে মই প্ৰথম বছৰত যিখিনি কাম কৰিলো এইবাৰ দ্বিতীয় বছৰত আৰু কিছু নতুনত্ব অনাৰ প্ৰয়োজন আছিল আৰু সেইমতেই এই বাৰ প্ৰথমবাৰলৈ মহিলা ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। মহিলা ক্ৰিকেটত ছাত্ৰীসকলে অতি উৎসাহেৰে অংশ গ্ৰহণ কৰিছিল।

খেলা ধূলা শিক্ষাৰ এক অবিচ্ছেদ্য অঙ্গ। কিন্তু মই অতি দুখেৰে এইটো জনাব লগা হৈছে যে আমাৰ কলেজৰ প্ৰশাসন ব্যৱস্থাই খেলাধূলাৰ প্ৰতি সিমান গুৰুত্ব নিদিয়ে, যিমান গুৰুত্ব দিব লাগিছিল। এইক্ষেত্ৰত কলেজখনৰ সাধাৰণ সম্পাদক জনে কলেজৰ প্ৰশাসন আৰু কটন কলেজ ছাত্ৰ সংস্থাৰ অন্যান্য সম্পাদক সকলৰ লগত আলোচনা কৰি এক ফলপ্ৰসু ফলাফল আনিব পাৰে।

কটন কলেজ ছাত্ৰ সংস্থাৰ এজন সম্পাদক হিচাবে মই কলেজখনৰ সকলো ধৰণৰ কাম কাজৰ উন্নতিৰ কাৰণে জোৰ দিছিলো। আমি কটন ছাত্ৰ সংস্থাই নবাগত আদৰনি সভা, সৰস্বতী পূজা আদি বিভিন্ন অনুষ্ঠান অতি ধূনীয়াকৈ পালন কৰিছিলো। মই মোৰ কাৰ্য্যভাৰ চলাই নিওঁতে যিসকল চাৰ বাইদেউৰ পৰা দিহা পৰামৰ্শ পাইছিলো তেখেতসকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলো। সদৌ শেষত অহা ২০০১ চনৰ শতবৰ্ষৰ দুৱাৰ দলিত ভৰি দিব লগা কটন কলেজলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাই আজিলৈ মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো।

**মানস কুমাৰ ডেকা**
সম্পাদক, ক্ৰিকেট বিভাগ

**১৯৯৭ - ১৯৯৮ চনৰ কটন কলেজ সপ্তাহত অনুষ্ঠিত ক্ৰিকেট প্ৰতিযোগিতাৰ ফলাফল সমূহ ঃ**

ল'ৰাৰ শাখাত ঃ
চেম্পিয়ন ঃ কটন কলেজ লোকেল টিম।
ৰানাৰ্চ আপ ঃ শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাস।
শ্ৰেষ্ঠ বেটচমেন ঃ শ্ৰীশৈলজানন্দ শইকীয়া (সীতানাথ ব্ৰহ্ম চৌধুৰী ছাত্ৰাবাস)
শ্ৰেষ্ঠ ব'লাৰ ঃ শ্ৰী বেদব্ৰত শৰ্ম্মা (স্নাতক দ্বিতীয়বৰ্ষ, বিজ্ঞান)
মেন অফ দি চিৰিজ ঃ শ্ৰী বাণীকান্ত শৰ্মা (শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাস)

ছোৱালীৰ শাখাত ঃ
চেম্পিয়ন ঃ নলিনীবালা দেৱী ছাত্ৰীনিবাস।
ৰানাৰ্চ আপ ঃ স্নাতক দ্বিতীয় বৰ্ষ
শ্ৰেষ্ঠ ব'লাৰ ঃ শ্ৰী মঞ্জু চেতিয়া (নলিনীবালা দেৱী ছাত্ৰীনিবাস)
অ'মেন অফ দি টুৰ্ণামেন্ট ঃ শ্ৰী মঞ্জু চেতিয়া (নলিনীবালা দেৱী ছাত্ৰীনিবাস)
শ্ৰেষ্ঠ বেটচমেন ঃ শ্ৰী ৰাহী নবিচ (স্নাতক তৃতীয় বৰ্ষ, ক'লা শাখা)

## ফুটবল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই সকল মহান ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলী ও অশ্ৰুঅঞ্জলি যাচিছোঁ, যি সকলৰ অশেষ প্ৰচেষ্টাৰ ফলত আজি কটন কলেজ শতবৰ্ষৰ দুৱাৰ ডলিত ভৰি দিব পাৰিছে।

সমূহ কটনিয়ানৰ আশীৰ্বাদ মূৰত লৈ মই ১৯৯৭ - ৯৮ বৰ্ষৰ ফুটবল বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হওঁ। এই সুযোগতে মই সমূহ কটনিয়ানলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

উত্তৰ পূৰ্বাঞ্চলৰ শ্ৰেষ্ঠ মহাবিদ্যালয় বুলি ক'লে হয়তো সকলোৰে মুখত এটা নামেই উচ্চাৰিত হ'ব - 'কটন কলেজ'। বৰ্ত্তমান শতবৰ্ষৰ দুৱাৰডলিত পদাৰ্পণ কৰা কটন কলেজ অকল পঢ়া-শুনাতেই সীমিত হৈ থকা নাই, খেলা ধূলাতো ইয়াৰ সুনাম আছে। কিন্তু দুখৰ বিষয় যে কটন কলেজৰ দৰে এখন আগশাৰীৰ কলেজৰ বাবে খেলা ধূলা কৰিবলৈ বা শিকিবলৈ এখন খেল পথাৰৰ অভাব। স্বতন্ত্ৰীয়া অনুশীলনৰ বাবে খেলপথাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে দোহৰাৰ প্ৰয়োজন নাই। এই প্ৰয়োজনীয়তা আমি অতিকে অনুভব কৰোঁ বিশেষকৈ কলেজসপ্তাহৰ সময়ত যেতিয়া আমি খেলবোৰ পৰিচালনা কৰিবৰ বাবে খেল পথাৰ বিচাৰি হাবাথুৰি খাবলগীয়া হয়। এই ক্ষেত্ৰত আমাৰ কলেজ কতৃপক্ষই কিছু আগ ভাগ লোৱা দৰকাৰ বুলি মই ভাবো। ইয়াৰ উপৰিও অসম চৰকাৰেও অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ শ্ৰেষ্ঠ কটন কলেজৰ এখন খেল পথাৰৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা উচিত।

মই যিদিনাখন কটন কলেজ ছাত্ৰ সন্থা (C.C.U.S) ৰ বিষয় ববীয়া হিচাপে শপত গ্ৰহণ কৰোঁ তেতিয়াৰ পৰা কলেজখনৰ প্ৰতি বহু দায়িত্ব আহি পৰে। সকলোবোৰ দায়িত্ব সুকলমে সমাধা কৰাৰ চেষ্টা কৰিছিলো। কিন্তু কিমান দূৰ সফল হ'লো বিচাৰ আপোনালোকৰ আদালতত। প্ৰথম দায়িত্ব হিচাপে ছাত্ৰ-ছাত্ৰী সকলে বহু আশাৰে বাট চাই থকা কলেজ সপ্তাহটো। ইয়াত বিশেষকৈ ফুটবল প্ৰতিযোগিতাখনেই মোৰ বিভাগৰ বিশেষ গুৰুত্বপূৰ্ণ বিষয় আছিল। ইয়াৰ উপৰিও সৰস্বতী পূজাকে আদি কৰি বিভিন্ন দায়িত্বৰোৰ আমি সকলো বিষয়ববীয়াই মিলিজুলি সুকলমে চলাই নিবলৈ চেষ্টা কৰিছিলো।

সাধাৰণতে কলেজ সপ্তাহৰ ফুটবল খেল আমাৰ ছাত্ৰাবাসসমূহৰ ভিতৰতেই সীমাবদ্ধ থাকে, কিন্তু এইবাৰ ছাত্ৰাবাস কেইটাৰ উপৰিও কটনকলেজ স্থানীয় ছাত্ৰদল এটাইও যোগদান কৰিছিল। ইয়াৰ উপৰিও এইবাৰ ছোৱালী বিভাগৰো ফুটবল খেল এখন আয়োজন কৰিছিলো।

মোৰ কাৰ্য্যকালত ছাত্ৰ বিভাগৰ চূড়ান্ত খেলখনত কিছুপৰিমানে খেলি মেলিৰ সৃষ্টি হৈছিল। আজি মই এই প্ৰতিবেদনৰ জৰিয়তে সকলোৰ ওচৰত অজানিতে হোৱা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা মাগিছো। এই খেলিমেলিবোৰৰ সমাধান কৰাৰ বাবে যিসকল শ্ৰদ্ধাৰ শিক্ষাগুৰু, কটন কলেজ ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু মৰমৰ কটনিয়ান সকলে সহায় কৰিলে এই সকলৰ ওচৰত মই চিৰকৃতজ্ঞ। এই সমাধানত সকলোৰ সম্মতি সাপেক্ষে চূড়ান্ত খেলৰ দুয়ো দলক (R.K.B.H. & A.R.B.H) যুগ্ম বিজয়ী ঘোষণা কৰা হৈছিল। ইয়াৰ উপৰিও '৯৭ - '৯৮ বৰ্ষৰ পৰা পুৰষ্কাৰৰ বাবে চলন্ত ছীল্ড (Running Shield) প্ৰচলন কৰাৰ ব্যৱস্থা কৰা হৈছে।

প্ৰতিবেদন লিখাৰ সময়লৈকে গুৱাহাটী বিশ্ববিদ্যালয় আন্ত ঃ কলেজ ফুটবল প্ৰতিযোগিতাখন আৰম্ভ হোৱা নাই। '৯৭ - '৯৮ বৰ্ষৰ এই প্ৰতিযোগিতাখনৰ বাবে যাবলগীয়া আমাৰ কলেজৰ দলটোৰ দায়িত্বভাৰ মোৰ ওপৰতে আছে। ইয়াৰ বাবেও প্ৰস্তুতি চলাই থকা হৈছে। আশাকৰো ইয়াত আমাৰ কলেজে ভাল ফল দেখুওৱাব পাৰিব।

**RESULT OF THE FOOTBALL COMPETITION**

Boy's Section :-

Joint Winner :
A.R.B.Hostel
& R.K.B. Hostel

Best Player :- Lanhao Doungel (A.R.B)

Best Goalkeeper :- Hengoumang Choujiem (A.R.B)

Higest Scorer :- Babuk Ringia (R.K.B)

Girls Section :

Champion :- Cotton College local girls team.

Runners Up :- Cotton College girls hostels team.

এই ফুটবল প্ৰতিযোগিতাখনত মোক বিশেষভাবে সহায় কৰা ফুটবল বিভাগৰ তত্ত্বাবধানত থকা মাননীয় শ্ৰী কেশব শৰ্মাচাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰিও মোৰ কাৰ্য্যভৰ চলাই নিয়াৰ সময়ত বিভিন্ন দিহা-পৰামৰ্শৰে সহায় আগবঢ়োৱা শিক্ষাগুৰু সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু ফুটবল প্ৰতিযোগিতাখন পৰিচালনা কৰাৰ বাবে মই পৰিচালকৰ ওচৰত বিভিন্ন কামত সহায় সহযোগিতা আগবঢ়োৱা ক.ক.ছা.স. - ৰ প্ৰতিজন বিষয় ববীয়ালৈ, কটন কলেজৰ কৰ্মচাৰী বৃন্দলৈ, সমূহ কটনিয়ান আৰু মোৰ মৰমৰ বন্ধু-বান্ধবী সকললৈও আন্তৰিক কৃতজ্ঞতা জনালো।

সদৌ শেষত অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিবোৰৰ বাবে সকলোৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

" জয়তু কটন কলেজ। জয়তু কটন কলেজ ছাত্ৰ সন্থা।"

" জয় আই অসম।"

ধন্যবাদেৰে

মানব শৰ্মা

## হকী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে অসমৰ জাতীয় বীৰ শহিদ সকললৈ মোৰ ভক্তিভৰা অঞ্জলি অৰ্পণ কৰিলো।

হকী বিভাগৰ সম্পাদক হিচাপে নিজৰ দায়িত্ব কিমান খিনি পালন কৰিবলৈ সক্ষম হ'লো -- তাৰ বিচাৰৰ দায়িত্ব আপোনালোকক দিলো। হকী খেলৰ সুস্থ পৰিবেশ এটা আজি অসমতে গঢ় লৈ উঠা নাই। তেনে স্থলত কটন কলেজত হকীৰ গুৰুত্ব কেনেকুৱা হ'ব সহজে অনুমেয়। তথাপি হকী খেলৰ জনপ্ৰিয়তা কটনিয়ানৰ মাজত বঢ়াবলৈ আমি চেষ্টা কৰিছিলো আৰু প্ৰমাণো পাইছিলো --- ইতিবাচক। মহাবিদ্যালয় সপ্তাহত আমি আন্তঃআৱাস হকী প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। তাত যোগ্যতাৰে বিজয়ী হৈছিল মহেন্দ্ৰ নাথ ডেকাফুকন ছাত্ৰাবাস।

আমাৰ কাৰ্যকালত বিভিন্ন ধৰণে সহায় কৰা তত্ত্বাবধায়ক ছাৰ, বন্ধুবৰ কিশলয় দা, মৃন্ময় দা, কৌশিক দা, ৰাজা, ভাস্কৰ, ৰাজৰ্ষি, নয়ন, ৰাজা, মাধুৰ্য, ডাবু হঁতলৈ আন্তৰিক কৃতজ্ঞতা জনালো। শেষত কটন কলেজৰ শত বৰ্ষৰ সাফল্য কামনাৰে।

বিদ্যুৎ জ্যোতি গগৈ

## সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছো সেইসকল ব্যক্তিলৈ যিসকলৰ চেষ্টাত কটন কলেজ আজি শতবৰ্ষৰ দুৱাৰ দলিত উপস্থিত হ'বলৈ সক্ষম হৈছে। কটন কলেজৰ দুটা বছৰ সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে কটন কলেজলৈ মই একোৱেই অৰিহণা আগবঢ়াব নোৱাৰিলো। কটন কলেজৰ সাধাৰণ ক্ৰীড়া সম্পাদক ৰূপে যিখিনি কৰিব পাৰিছিলো, সেই দায়িত্ব কটনিয়ানৰ বিচাৰৰ বাবে অৰ্পণ কৰিলো। কটন কলেজৰ সাধাৰণ ক্ৰীড়া সম্পাদক ৰূপে নিৰ্বাচিত হৈ কটন

কলেজৰ বহুতো অভাবৰ সতে জড়িত হ'বলৈ চেষ্টা কৰিছিলোঁ; কিন্তু জড়িত হৈও একো অভাৱেই আঁতৰ কৰিব নোৱাৰিলো। এতিয়া কটন কলেজৰ প্ৰধান সমস্যা হৈছে নিজস্ব এখন খেলপথাৰ। খেলপথাৰৰ স্থায়ী সমাধানৰ বাবে আমি কটন কলেজ ইউনিয়ন চচাইটিয়ে ডীন আৰু অসম চৰকাৰক বাৰে বাৰে অনুৰোধ জনোৱা স্বত্তেও একো আশানুৰূপ ফল পোৱা নাই। অসম তথা ভাৰতবৰ্ষৰ এখন লেখত লবলগীয়া কলেজ হৈও নিজস্ব এখন খেলপথাৰ নথকাটো কটন কলেজৰ বাবে এইটো গৌৰৱৰ বিষয়. নে লজ্জাৰ বিষয় সেইটো বিশ্লেষণ কৰিবৰ সময় আহি পৰিছে বুলি মই ভাবো। মই আকৌ মোৰ প্ৰতিবেদনৰ জৰিয়তে কটন কলেজ কৰ্তৃপক্ষক খেলপথাৰ এখনৰ স্থায়ী সমাধান কৰিবৰ কাৰণে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰিবলৈ অনুৰোধ জনাইছো। নহ'লে কটন কলেজত এটা সময়ত খেলা-ধূলাৰ পৰিৱেশ লুপ্ত হৈ যাব বুলি মোৰ দৃঢ় বিশ্বাস।

১৯৯৭ - ৯৮ বৰ্ষৰ বাবে মই পুণৰ সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদক ৰূপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হওঁ। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই কটন কলেজ মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ উদ্‌যাপন কৰাৰ বাবে যো জা আৰম্ভ কৰো। খেলপথাৰ আৰু আৰ্থিক নাটনিৰ বাবে বহুতো খেল মই অনুষ্ঠিত কৰাত অক্ষম হৈছিলো। মোৰ বিভাগৰ খেলসমূহ যেনে দৌৰ, ডিচ্‌কাচ, জেভেলিন, জাম্প্‌, মাৰ্চপাষ্ট, ৰাকিং, আদি খেলেৰে অনুষ্ঠিত কৰো। এইবাৰ কটন কলেজৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ সমূহত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট আছিল। মই ভাবো কটন কলেজৰ কোনো ক্ষেত্ৰতেই প্ৰতিভাৰ অভাৱ নাই। যদি কটন কলেজৰ ক্ৰীড়াৰ ক্ষেত্ৰত কৰ্তৃপক্ষ আৰু চৰকাৰে গুৰুত্ব দিয়ে আমিও পি. টি. উষাৰ দৰে প্ৰতিভাৱান খেলুৱৈ সৃষ্টি কৰিব পাৰিম। কটন কলেজত ল'ৰা আৰু ছোৱালীৰ হোষ্টেলৰ সংখ্যা নখন। ইয়াত ক্ৰিকেট, ফুটবল, হকী, থ্ৰ', খেলবোৰ প্ৰেক্‌টিচ্‌ কৰিবৰ কাৰণে সামান্যতম সুবিধাকণো কটন কলেজৰ নিচিনা মহাৱিদ্যালয়ে আগবঢ়াব নোৱাৰাতো দুৰ্ভাগ্যৰ বিষয়। আজিৰ যুগৰ কোনোৱেই অস্বীকাৰ কৰিব নোৱাৰে যে, খেলা-ধূলা জীৱনৰ এক অংগ। খেলা ধূলাৰ মাধ্যমেদিয়েই আজিৰ বহুতো খেলুৱৈ বিশ্বত নাম অৰ্জন কৰিবৰ সক্ষম হৈছে। গতিকে খেলা-ধূলা শিক্ষাৰ লগত বাধ্যতামূলক কৰাত চিন্তা কৰিবৰ সময় আহি পৰিছে যিহেতু আমাৰ অসম ৰাজ্যত দিনে দিনে নিবনুৱা সংখ্যা বৃদ্ধি হৈ গৈ আছে। মই ভাবো, খেলৰ মাধ্যমেদিও সংস্থাপনৰ সুবিধা লাভ কৰিব পাৰি।

কটন কলেজৰ 'মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ' পালন কৰিবৰ কাৰণেই সম্পাদক নিৰ্বাচিত কৰিব নালাগে। প্ৰতি বছৰে কটন কলেজৰ নতুন নতুন সম্পাদক আহে আৰু যায়। প্ৰতিজন সম্পাদকেই মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ পালনতেই আজি সীমাবদ্ধ থাকিব লগা হৈছে। যুৱক যুৱতীৰ প্ৰতিভা বিকাশৰ কাৰণে বছৰৰ মূৰে মূৰে মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ পালন কৰাটো অৰ্থহীন বুলি মই ভাবো। তাৰোপৰি, কটন কলেজত আন্তঃ মহাবিদ্যালয়ৰ নানা ধৰণৰ খেল অনুষ্ঠিত কৰিলে নিশ্চয় আমি প্ৰতিভৱান খেলুৱৈ বিচাৰি উলিয়াব পাৰিম। অৱশ্যে তাৰ আগতে কটন কলেজে নিজস্ব এখন খেলপথাৰ তৈয়াৰ কৰিব লাগিব। এই বছৰৰ মহাবিদ্যালয় বাৰ্ষিক সপ্তাহৰ উপৰিও মই কটন কলেজৰ সংগীত সন্ধিয়া, সৰস্বতী পূজা, আৰু নানান দিশত সহযোগ আগবঢ়াইছিলো। লগতে কটন কলেজৰ উন্নতিৰ হকে মতামত আগবঢ়াইছিলো। কটন কলেজৰ ৰেগিং নামৰ ব্যাধি আজি সম্পূৰ্ণ লুপ্ত হৈ গৈছে। আৰু ভৱিষৎতেও ৰেগিং নামৰ ব্যাধিটো আঁতৰত ৰাখিবলৈ কটনিয়ানসকলে সচেতন হৈ থাকিব লাগিব। এই শতবৰ্ষৰ মুহূৰ্তত কটন কলেজৰ নানান দিশত চৰ্চাৰ প্ৰয়োজন আহি পৰিছে।

সদৌশেষত, মোৰ কাৰ্য্যকালত কাৰ্য্যসূচীৰ সূচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰাৰ বাবে তত্বাৱধায়ক প্ৰদীপ শৰ্মা চাৰ, কোষাধ্যক্ষ ড° ভবেন কলিতা চাৰ আৰু ড° অমূল্য বৰ্মন চাৰ, দিলীপ বৰুৱা চাৰ, ব্ৰজেন তালুকদাৰ চাৰ, কেশৱ শৰ্মা চাৰ, দেৱ বৰদলৈ চাৰ, আৰু প্ৰাক্তন ডীন তৃষ্ণা মহন্ত বাইদেউ, কাৰ্য্যালয় সহায়ক হৰিনাথ, আৰু লগতে বন্ধুবৰ বাবুসিং, আবুল হুচেইন, ৰাহি, ময়ূৰী, হেমন্ত, প্ৰাপ্তি, মিনাৰ্ভা, দেবদা, সুদীপ্তা হঁতৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে মোৰ সকলো কামত আন্তৰিক সহযোগ আগবঢ়োৱাৰ কাৰণে "কটন কলেজ ছাত্ৰ সন্থা", ধীমান দা, শৈলেন, অনুপম, মৃদু, সঞ্জীৱ, মানস, লিমন, বেদা, ধুপু, দীপু, বাবা, পাৰ্থ, সিদ্ধাৰ্থ, কেকলাই, সোণালী, সৰলা, গীতালী, গীতাশ্ৰী, মইনা, গৌৰী, মিতালী, মনিকুন্তলা, পিংকি, ইন্দ্ৰানী, সবিতা, সুশীল, পৰাগ, মাজি, ফাৰুক, নাজুফা, ৰেশমা, আদি সকলোলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌশেষত, কটন কলেজৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

**ৰাজীব পেগু**

সাধাৰণ সম্পাদক, ক্ৰীড়া বিভাগ

**NAME OF THE WINNERS OF THE COMPETITION**

**100 m Winners (Boys')**

1st .... Dipak Choudhary
TDC 1st yr. (Arts)

2nd ... Prasanna Yayung
TDC 2nd yr. (Arts)

3rd .... Pranab Jyoti Sukedar
H S 2nd yr. (Science)

**100 m Winners (Girls')**

1st .... Monikuntala Saikia
H S 1st yr. (Arts)

2nd. .. Karbi Gogoi
TDC 2nd yr.(Arts)

3rd .... Parineeta Borah
HS1st yr.(Sc)

**200 m Winners (Boys')**

1st .... Abdul Hanif
TDC 3rd yr. (Arts)

2nd ... Anupam Baruah
TDC 3rd yr.(Arts)

3rd .... Dipak Choudhary
TDC 1st yr. (Arts)

**200 m Winner (Girls')**

1st .... Manikuntala Saikia
HS 1st yr. (Arts)

2nd ... Swapnali Dutta
TDC 1st yr. (Sc.)

3rd .... Rajasuya Gogoi
TDC 1st yr. (Arts)

**400 m Final Winners (Boys')**

1st .... David Pegu
HS 2nd yr. (Sc.)

2nd ... Ramesh Teron
HS 1st yr. (Sc.)

3rd .... Robinson Senar
HS 2nd yr. (Arts)

**400 m Final Winners (Girls')**

1st .... Karobi Gogoi
TDC 2nd yr. (Arts)

2nd ... Monikuntala Saikia
HS 1st yr. (Arts)

3rd .... Swapnali Dutta
TDC 1st yr. (Sc.)

3rd .... Athokpam Lenokeya
P.G (Sc.)

**800 m Final Winners (Boys')**

1st .... Ramesh Teron
HS 1st yr. (Sc.)

2nd ... David Pegu
HS 2nd yr. (Sc.)

3rd .... Lalit Choudhury
HS 2nd yr. (Arts)

**1500 m Winners (Boys')**

1st .... Ramesh Teron
HS 1st yr. (Sc.)

2nd ... Paramananda Kachari
MA Prev. (History)

3rd .... David Pegu
HS 2nd yr. (Sc.)

**800 m Winners (Girls')**

1st .... Malabika Das
TDC 2nd yr. (Arts)

2nd ... Karabi Gogoi
TDC 2nd yr. (Arts)

3rd .... Indrani Borthakur
HS 1st yr. (Arts)

**4 x 100 Winners Relay Race (Boys')**

1st .... Rajib Pegu
TDC 3rd yr. (Arts)

Sudip Mukherjee
MSc. Prev.

Pranab Jyoti Subedar
HS 2nd yr. (Sc.)

Dhrub Kumar
TDC 2nd yr. (Sc.)

2nd ... Ranjit Nath
TDC 3rd yr. (Arts)

Mridu Paban Dutta Borah
TDC 3rd yr. (Arts)

Pradip Patir
TDC 3rd yr. (Arts)

Rajib Deka
TDC 2nd yr. (Arts)

3rd .... Prasanna Tayung
TDC 2nd yr. (Arts)

David Pegu
HS 2nd yr. (Sc.)

Rajdeep Kenprai
HS 1st yr. (Sc.)

David Barman
TDC 1st yr. (Arts)

**4 x 100 Winners Relay Race (Girls')**

1st .... Monikuntala Saikia
HS 1st yr. (Arts)

Miloja Basumatary
HS 2nd yr. (Arts)

Babita Basumatary
TDC 1st yr. (Arts)

Indrani Borthakur
HS 1st yr. (Arts)

2nd ... Jasmine Boro
TDC 1st yr. (Arts)

Rajasuya Gogoi
TDC 1st yr. (Arts)
Karabi Gogoi
TDC 2nd yr. (Arts)
Kashmiri Haloi
TDC 1st yr. (Arts)
3rd .... Swapnali Dutta
TDC 1st yr. (Sc.)
Minerua Borthakur
TDC 3rd yr. (Arts)
Nishat Quddus
TDC 3rd yr. (Sc.)
Munmi Das
TDC 1st yr. (Sc.)

**Javelin Throw (Winners)**

1st .... Babu Sing Terong
TDC 3rd yr. (Arts)
2nd ... Mg Deba Kanta Doley
MA Prev.
3rd .... Mengoumang Shajem
HS 2nd yr. (Arts)

**Shot Put (Winners)**

1st .... Binoy Krishna Bharali
MSc. Prev.
2nd ... Mg Deba Kanta Doley
MA Prev.
3rd .... David Pegu
HS 2nd yr. (Sc).

**Discuss (Boys')**

1st .... David Pegu
HS 2nd yr. (Sc).
Binoy Krishna Bharali
MSc. Prev.
2nd ... Mg Deba Kanta Doley
MA Prev.

**Long Jump Finals (Girls')**

1st .... Rajasuya Gogoi
TDC 1st yr. (Arts)
2nd ... Parineeta Borah
HC 1st yr. (Sc.)
3rd .... Swapnali Dutta
TDC 1st yr. (Sc.)
Indrani Borthakur
H.S. 1st yr. (Arts)
Rahi Nabis
T.D.C. 3rd yr. (Arts)

**Long Jump (Men's)**

1st .... Deep Mahanta Patir
HS 1st yr. (Sc.)
2nd ... Abdul Hanif
TDC 3rd yr. (Arts)
3rd .... Anowar Hussain
HS 2nd yr. (Sc.)

and
Anup Takur
HS 2nd yr. (Sc.)

**Tripple Jump (Women's)**

1st .... Indrani Borthakur
H.S. 1st yr. (Arts)
2nd ... Rajaswya Gogi
T.D.C. 1st yr. (Arts)
3rd .... Parineeta Borah
H.S. 1st year (Sc.)

**Men's Triple Jump**

1st .... Sudip Mukherjee
M.Sc. (Prev.)
2nd ... Deep Mahanta
H.S. 1st yr. (Sc.)
3rd. ... David Pegu
H.S. 2nd yr. (Sc.)

**Girl's Walking**

1st .... Rahi Nabis
TDC 3rd yr. (Arts)
2nd ... Minerva Borthakur
TDC 3rd yr. (Arts)
3rd. ... Prapti Dutta
TDC 3rd yr. (Arts)

**.500 mts (Mens)**

1st .... Ramesh Teron
H.S. 1st yr . (Sc)
2nd ... Paramananda Kachari
M.A (Previous)
3rd .... Dulal Kanwar
T.D.C. 2nd yr.
4th .... Anwar Hussain
H.S 1st yr.
5th .... Hiren Nath
M.A (Previous)
6th .... Abdul Hanif
T.D.C 3rd yr.
Faizal Haq
M.A (Previous)

**Women Shotput**

1st .... Plabita Saikia
T.D.C 2nd yr.(Arts)
2nd ... Gauri Devi
T.D.C 2nd yr.(Arts)
3rd .... Athokpam Pinokiljo
P.U (Science)

**Girls Discuss Throw**

1st .... Gauri Devi
T.D.C 2nd yr.(Arts)
2nd ... Swapnali Dutta
T.D.C 1st yr.(Sc)

3rd .... Renu Teron
M.A (Previous)

**Javelin (Women's ) Throw**

1st .... Swapnali Dutta
T.D.C 1st yr. (Sc)
2nd .. Renu Teron
M.A.(Previous)
3rd .... Indrani Borthakur
H.S 1st yr. (Arts)

**Men's**

The best athlete of the session 1997 - 98 is awarded to **Ramesh Teron.**

**Women's**

The best athelete of the session 1997 - 98 is awarded to Manikuntala Saikaia.

Best atheletic performance : Miss Rahi Nabis.

## Secretorial Report of ROWING, SWIMMING AND GYMNASIUM SECTION



At the very outset of my ecretarial report, I would like to convey my heartfelt gratitude to all the Cottonians for giving me the opportunity to serve this premier institute of the North - Eastern Region, as a secretary, Rowing, Swimming & Gymnasium section, without any contest.

The first duty I had to perform, just after assuming my charge was to run the college week festival smoothly. The competitions held under my section were - Arm wrestling, weight lifting, power lifting, Body building & swimming. A large crowd and enthusiastic. participants gathered and extended co-operation to make the events a success. In swimming and particularly in arm wrestling a large number of women participants joined the events which was quite encouraging.

But many problem arose in holding these competitions Along with intellectual development the importanceof sportsin the life of a student can't be ignored. A sophisticated Gymnasium Hall and a suitable practical ground one, therefor urgently required. Lack of instrument for holding a competition is also a big problem. This creates a kind of lukewarm response among the participants Besides, new kinds of sports should be included to offer better opportunities to the young talents. But for this, a lucrative source id also required. A new event, kick-boxing couldn't be held owing to these problems although it evoked good response. Therefore, to solve these problems some real beneficial measures have to be adopted by the authority.

Before concluding. I would like to offer my profound gratitude to professor-in-charge Sri Narayan Talukdar, Treasurer Dr. Amulya Barman and Dr. Bhaben Kalita for their active co-operation and guidance. Further, I will always remain obliged to V.P. Uttam Bathari, Amar Bania, Joydeep Kalita & Karnel Teron, Luhit Payeng and Jetu Saikia for their strenuous efforts and remarkable contribution. Lastly, I should like to thank to all the Union members, college staff & members of Kamrup Byayam Samiti for their active help and co-operation. Long live Cotton College.

**Lakhinath Pegu**

## EVENTS AND WINNERS UNDER ROWING, SWIMMING AND GYMNASIUM SECTION

**ARM WRESTLING : MEN**
**50-55 Kg. Category**
Winner Bakul Basumatary
Runners up Raktein Borthakur.

**55 - 60 Kg. Category**
Winner Partha Pratim Gogoi.
Runner up Prasanta Barua.

**60 - 65 Kg. Category**
Winner Nirmal Doley.
Runner up Faruque Ahmed.

**65 - 70 Kg. Category**
Winner Anjan Gogoi.

Runner up Dhruba Jyoti Barah.

**70 - 75 Kg. Category**
Winner David Pegu.
Runner-up Pranjit Handique.

**75 - 80 Kg Category**
Winner Santanu Gogoi.
Runner-up Pranab Jyoti Kanwar.

**Above 80 Kg. Category**
Winner Diganta Sarma.

**WOMEN**
**45 - 50 Kg. Category**
Winner Pinky Pradhan

**50 - 55 Kg. Category**
Winner Dipanjali Baruah.
Runner - up Hemlata Taro.

**55 - 60 Kg. Category**
Winner Malabika Das.
Runner-up Yasmin Ahmed.
**Champion of the Champions**
Santanu Gogoi.
**POWER LIFTING :**
**56 Kg. below Category**
1st .... Bakul Basumatary.
2nd ... Dipankar Baruah.

**60 Kg. below Category**
1st .... Prasanta Baruah.
2nd ... Sanjib Barman.
3rd .... Faruque Ahmed.

**75 Kg. Category**
No one qualified

**5 Kg. Category**
1st .... Anirban Lahiri.
2nd ... Devid Pegu.
3rd .... Santanu Gogoi.
**Mr. Strongman** Anirban Lahiri.

**WEIGHT LIFTING**
**4 Kg. below Category**
1st .... Nirmal Doley
2nd ... Prasanta Baruah
3rd .... Nayanjyoti Das

**5 Kg. below Category**
1st .... Devid Pegu
2nd ... Pranjal Handique
3rd ... Santanu Gogoi

**BODY BUILDING**
1st ... Sanjib Barman.
2nd ... Dipjyoti Baruah
3rd ... Nirmal Doley
**Mr. Cotton 1997-98** Sanjib Barman

**SWIMMING : MEN**
**metre free style**
1st .... Babul Gurung.
2nd ... Gunamani Deka.
3rd ... Fayzul Haque.

**100 metre free style**
1st .... Babul Gurung.
2nd .. Fayzul Haque.
3rd .... Surat Zamal.

**200 metre free style**
1st .... Babul Gurung.
2nd ... Fayzal Haque.
3rd .... Gunamoni Deka.

**50 metre back stroke**
1st .... Babul Gurung.
2nd ... Fayzal Haque.
3rd .... Nilavjyoti Guhain.

**100 metre back stroke**
1st .... Gunamoni Deka.
2nd ... Nilavjyoti Gohain.
3rd .... Karnel Teron.

**50 metre Brest stroke**
1st .... Babul Gurung
2nd ... Fayzal Haque.
3rd .... Gunamoni deka.

**50 metre Buterfly**
1st .... Babul Gurung.
2nd ... Fayzal haque
3rd .... Gunamoni Deka.

**WOMEN SECTION**
**50 metre free style**
1st .... Pallavee Barman
2nd ... Nishad Quddus.
3rd .... Madhulipi Talukdar.

**50 metre back stoke**
1st .... Pallavee Barman
2nd ... Nishad Quddus.
3rd .... Madhulipi Talukdar.

**50 metre Breast stroke**
1st .... Pallavee Barman.
2nd .. Madhulipi Talukdar.
3rd .... Nishad Quddus.

**50 metre Butterfly**
1st .... Pallavee Barman.
2nd ... Madhulipi Talukdar.
3rd .... Nishad Quddus.

## Secretarial Report of Boys, Common Room section.



At the very outset of my placing the Secretarial reports I would like to convey my profound feelings of gratitude to all the Cottonians without whose help I wouldn't have been able to do anything sucessfully. I am also thankful to my Cottonian friends for guiding me through the various stages of my tenure.As the secretary, Boy's Common Room Section. After holding a small portfolio I soon realised that the expectations were too many and resources too little. Even then, I tried to the utmost extent to carry out the responsibiliti bestowed upon me.

All through my Secretaryship it had been my earnest endeavour to enlarge the scope of the games and sports which the Boy's Common Room section is concerned with. To some extent I think I was successful but due to stress of circumstances, lack of fund, obstructions by posed of ill feelings and dirty. Politics I could not fulfill my first wish and word i.e. to provide the cottonians with a common room, as its absence is greatly felt and its a shameful issue which is being faced and felt by such a glorious and premier institute like Cotton College.

As far as the competitions to be organised in college week were concerned various competitions like (1) Carrom (2) Chess (3) Table Tennis were organised. The first two were organised in KBR and third was organised in SKL indoor stadium of Neheru Stadium. The competition proved to be a great success and by looking at the rush of participants I derived immense pleasure. The initiative and enthusiasm for participation of both boys and girls were greatly encouraging.

I am greatly indebted to my professors-in-charge Sri. Manoj Talukdar and treasurer Dr. Bhaben Kalita sir for their valuable advice and guidence. I also take this opportunity to offer my hreartfelt love and gratitude to my Cottonian friends, SKBianns and the executive body members - specially the first two and the V.P. Students Union, for their help and kind cooperation in various matters.

**Carrom**

**Men's Single - Champion :**
1. Sri Sitangshu Sinha
(SRB-H) TDC -II- Eco-Major.

**Runner's up :**
1. Sri Sonbir Chetia
TDC-I

**Men's Double - Champion :**
1. Amar Jyoti Sarmah.
(MNDP-H) TDC-II- Pol.Sc. Major.

2. Nayan Jyoti Gogoi.
(MNDP-H) TDC-II- Eco-Major.

**Runner's up :**
1. Rajeev Deka .
TDC-II(MNDP-H) Science.

**Girls Single - Champion :**
1. Namrata Gogoi.
... H.S - II (Arts) (NDB - H)

**Girls Single - Champion :**
1. Namrata Gogoi.
H.S. -II /Eng - Major.

**Girls Double - Champion :**
1. Kashmiri Haloi
TDC-I Major Education.

2. Jasmine Bora
TDC-I Major English

**Girls Double- Runnersup :**
1. Nomee Gogoi
*TDC-II Major English.*

2. Plobita Saikia
TDC-II Major English.

**Chess Competition Man's Champion :**
1. Prabhakan Kalita
MSC-Prev.(Statistics Deptt.)

**Chess Man's Runners UP :**
1. Anjan Kr. Borah
MA-Final[Deptt.of Philosophy]

**Chess Women's Champion :**
1. Sumana Dutta
H. S.-II /(Scince)

**Chess Women's Runners UP :**
1. Gayatri Mojumdar
H. S.-II /(Scince)

**Table Tennis Men's Singles Champion :**
1 *Pranjal Handique*
TDC-III

**Table Tennis Men's Single Runner UP :**
1 Anirban Dutta
H. S.-Ist

**Double Champion :**
1. W. Khelenjit
TDC-Ist Mathematics
2. Pranjal Handique
TDC-III

**Double Champion Runners UP :**
1. Anirban Dutta
H. S.-Ist
2. S. N. Quddus
H. S.-Ist

**Women's Single Champion :**
1. Sangeeta Baruah
TDC-Ist Major Botany.

**Women's Single Runners UP :**
1 Konnoki Bora
*TDC-II Major Economics*

**Women's Double's Champion :**
1. Juabitat Kakati
H. S.-II

2. Juri Das
TDC-III

**Women's Double Runners UP :**
1. Konnoki Bora
*TDC-II Major Economics*

2. Sangeeta Boruah
TDC-Ist Major Botany.

**Mixed Double Champion :**
1. Pranjal Handique TDC-III

2. Ms Juanita Kakoti H. S.-II

**Mixed Double Runners UP :**
1. Anirban Dutta
*H. S.-Ist*

2. *Sangeeta Baruah*
TDC-Ist

**Table Tennis Best Player of the year :**

**Mens**
1. Amar Jyoti Sarmah.
(MNDP-H) TDC-II
Pol.Sc.Major.Pranjal Handique

***Women's***
1 Sangeeta Baruah.

**Md. Yusuf Nawaz**
Secretary, Boys' Common Room

## Secretarial Report of Music Section



At the very outset of my secretarial report I would like to convey my heartfelt thanks to all my friends and teachers who have enabled me to serve as secretary, music section of the premier institution of the North - East. The tenure as the Music Secretary provided me with ample oppurtunity to serve this glorious institution and through my secretaryship, it had been my earnest endeavour to carry out the responsibilities sincerely.

Just after taking charge, I along with the professors and my colleggues engaged ourselves whole heartedly in organising the annual college week festival. The college week was marked by wide and enthusiastic participation by large number of Cottonians in the various events under Music section.

The results of various competitions held under Music section are as follows :-

**A. ADHUNIK GEET**
1st - Plabita Chetia
2nd - Bornali Kalita
3rd - Parineeta Borthakur
Consolation - Bagmita Shandilya

**B. RABINDRA SANGEET**
1st - Bitopi Phukan
2nd - Pallavi Nath
3rd - Parineeta Borthakur & Bornali Kalita

**C. JYOTI SANGEET**
1st - Munisha Sarma
2nd - Pallavi Nath
3rd - Deepalima Dowarah
Consolation - Hemanga Dutta

**D. BISHNU RABHA SANGEET**
1st - Barnali Kalita
2nd - Pallavi Nath
3rd - Deepalima Dowarah

**E. PARBATI PRASAD BARUAH SANGEET**
1st - Barnali Kalita
2nd - Deepalima Dowarah
3rd - Mimlee Baishya & Pallavi Nath

**F. LOKA GEET**
1st - Deepalima Dowarah
2nd - Pallavi Nath
3rd - Barnali Kalita

**BHUENDRA AND JAYANTA SANGEET**
1st - BANDITA BAYON
2nd - BARNALI KALITA
3rd - PALLAVI NATH

**G. GAJAL**
1st - Pallavi Nath
2nd - Deeplima Dowarah
*3rd - Bandita Bayon*

**H. BHAJAN**
1st - Pallavi Nath
2nd - Deeplima Dowarah
3rd - Surabhi

**I. KHAYAL**
1st - Imoni Dey
2nd - Prerona Sarma
3rd - Bagmita Shandelya

**J. BORGEET**
1st - Plabita Chetia
2nd - Deepalima Dowarah
3rd - Nimisha Sarma

**K. INSTROMENTAL**
1st - Debojeet Goswami
2nd - Mahua Bose
3rd - Debolia Das

**L. CHORUS**
1st - N.B.D. Girls Hostel
2nd - S.M.H. Boys Hostel
3rd - S.K.L. Girls Hostel

After the College Annual Function, the next challeage was the *inter - College youth* Festival.Though the competition out there was very tough our

college team has been awarded the BEST MUSIC TEAM.

The various other prizes reccived by our students in the inter - College youth Festival were -----

CHORUS — 2nd BEST TEAM

Instrumeatal ----- 1st - Debojeet Goswami

Western Vocal ---- 1st - Bornali kalita

Bhajan ---- 2nd - Pallavi Nath

Rabindra Sangeet ---- 3rd - Pallavi Nath

Borgeet ---- 3rd - Bornali Kalita

SIGNIFICANT ACHIEVEMENTS---

One of the significant achievements of our college chorus team is that it has been adjudged as the best chorus team in the All Assam State level chorus competition and it also has been adjudged as the 2nd Best team in the National group song competition organised by Bharat Vikas Parishad held at Dibrugarh.

An other achievement of our college team was it was adjudged 3rd best chorus team in the ALL ASSAM MUKUL BARUAH MEMORIAL CHORUS COMPETITION/98.

Before I conclude Report, I would like to express my profound grafitude my prof. - in charge, prof S.Choudhury and also prof Bhaben Kalita sir, treasurer (cultural section for their constant invaluable guidence and suport in various affairs both within and outside the college premises.

Lastly, I would also like to couvey my sincere thanks to all Cottonians for their suport and encouragment, in particular to Araktim, Mrinmoy da, Kishalay da,Kaushik da, Rahul da, Amar da, Korobi, Bandana, Padmini, Meenakshi, Daisy, Hiren, Mukut da, and Indrajeet.

**Long live Cotton College**

**Long live CCUS.**

**Dimple Baruah**
Secy Music Section
CCUS

# প্ৰাচীৰ পত্ৰিকাৰ পৰা

### এক কলম ঃ

**সম্পাদকৰ মেজৰ পৰা..............**

সংকটে ক্ৰমান্বয়ে গ্ৰাস কৰি আনিছে অসমৰ জাতীয় জীৱন। অনিশ্চয়তাত বিহ্বল হৈ পৰিছে আমাৰ চৌদিশ। সংখ্যা গৰিষ্ঠ লোকৰেই সংকট আজি অস্তিত্বৰ। সেয়ে এমুঠি সুবিধাভোগীৰ বাহিৰে সমাজৰ সকলো জনগণেই অভিযোগ কৰিছে যে চলিত ব্যৱস্থাই মানুহৰ আশা আকাংক্ষাক প্ৰতিফলিত কৰিব পৰা নাই, বিপন্ন কৰি তুলিছে অসমৰ জনজীৱনৰ ভৱিষ্যৎ। কিন্তু এটি পুৰণি ঘৰ ভাঙি কেনেকুৱা এক নতুন ঘৰ সজাম ? কালিলৈ পুৱাৰ অনিশ্চয়তাৰ বাবে আমি জানো আজিৰ কৰ্ণীয়াখিনি নকৰাকৈ থকা উচিত ? নিস্বাৰ্থৰ সংজ্ঞা আপেক্ষিক যদিও আজি ভোগবাদে আনি দিয়া স্বাৰ্থপৰতাত প্ৰত্যেকজন ব্যক্তিবিশেষেই নিমজ্জিত। ব্যক্তি কেন্দ্ৰিকতাটো সমাজৰ বাবে এক অনাকাংক্ষিত বোজাস্বৰূপ। ব্যক্তিৰ সমষ্টিয়েই সমাজ আৰু সমাজ মানেই ব্যক্তিৰ সমষ্টি। সেয়ে এখন দেশ প্ৰগতিশীল হবলৈ সমাজ আৰু ব্যক্তি দুয়োটাই সৎ আৰু নিষ্ঠাবান হোৱা উচিত।

সপোন সেই সকলে ৰচনা কৰে যাৰ সমুখত থাকে এটা আশাভৰা ৰঙীন ভৱিষ্যৎ। নতুন পুৰুষে সপোন দেখে পৰিবৰ্তনৰ। সেয়েহে সপোন যেতিয়া চকুৰ সমুখতেই খানবান হৈ যায় তেতিয়া নতুন পুৰুষ ক্ষুব্ধ হৈ পৰে আৰু পৰিবৰ্তনৰ বাবে বিকল্প পথৰ সন্ধানত ৰত হয়। এই খিনিতেই পথ নিৰ্বাচনৰ সময়ত অসমৰ নতুন প্ৰজন্মকো আৱশ্যক হৈছে এক সুস্পষ্ট আৰু গঠনমূলক নিৰ্দেশনাৰ। অসমৰ চৌদিশে আবৰি ধৰা ঘোৰ অমাৱস্যাৰ আন্ধাৰ নাশিবলৈ আমাৰ বয়োজেষ্ঠ চিন্তাশীল ব্যক্তিসকলে আমাক এটা সঠিক পথৰ সন্ধান দিবনে? গভীৰ প্ৰত্যাশাৰে আমি বাট চাই ৰৈছো তেনে একদিনৰ শুভাৰম্ভলৈকে।

সম্পাদক ঃ মনজিত ডেকা।



